অসমীয়া

# বুৰঞ্জী সাহিত্যৰ বিশ্লেষণাত্মক অধ্যয়ন

শ্ৰীউত্তম চন্দ্ৰ পাঠক এম. এ. এম. ফিল. পিএইচ. ডি.

ASAMIYA BURANJI SAHITYAR VISLESANATAMAK ADHYAYAN . A critical analysis of Assamese Historical Literature dealing with illustrative and Scientifically interpretative historical events of the Medieval Assam (1200-1826 A. D ) authored by Dr. Uttam Chandra Pathak.

প্ৰকাশিকা : শ্ৰীফুলকুমাৰী পাটগিৰি, এম. এ বি এড্
কৃষ্ণনগৰ, পাঠশালা
জিলা : বৰপেটা (অসম)

প্ৰথম প্ৰকাশ : ১৪ এপ্ৰিল, ২০০৬

মূল্য : ১০০ ০০ টকা

ডি. টি. পি. : শ্ৰীসঞ্জয় পাটগিৰি।

মুদ্ৰক : পাঠশালা অফ্‌চেট প্ৰিণ্টাৰ্ছ
লাচিত নগৰ, পাঠশালা

পিতৃ প্ৰতীম ভাতৃ কৃতী শিক্ষক
স্বৰ্গীয় দেৱেশ্বৰ পাঠকৰ
পবিত্ৰ স্মৃতিত

# সূচীপত্র


সংক্ষিপ্ত ৰূপ

প্ৰাক্‌কথন ঃ ক - জ

প্ৰথম অধ্যায় ঃ

**বুৰঞ্জীত প্ৰতিভাত সমাজ আৰু সংস্কৃতি ঃ**

আহোমৰ ৰাজ্য প্ৰতিষ্ঠা ঃ ১, বুৰঞ্জী লিখাৰ নিয়ম ঃ ১, "সাতৰাজ্য মাৰি একৰাজ্য" স্থাপন ঃ ১, অসম নামৰ উৎপত্তি ঃ ১-২, অসম ৰাজ্যৰ সীমা ঃ ৩-৪, আহোমৰ ৰাজ্য প্ৰতিষ্ঠা, নগা, বৰাহী মৰাণক দমন ঃ ৪-৫, সাতসৰীয়া আহোম - তেইশ ঘৰ নিয়মৰ আহোম ঃ ৬, অসমীয়া তিৰোতা গ্ৰহণ-গাওঁ সংগঠন ঃ ৭-৮, প্ৰশাসন বিভাগ ঃ ৮-১৮, আহোমসকলৰ ধৰ্ম আৰু সংস্কৃতি ঃ ধৰ্ম - ১৯-২৪, মঠ-মন্দিৰ ঃ ২৪-২৬, ঘৰ-দুৱাৰ ঃ ২৬-২৮, সাঁকো-দলং ঃ ২৮, মৈদাম নিৰ্মাণ ঃ ২৮-২৯, গড় নিৰ্মাণ ঃ ২৯-৩০, আলি-পদূলি ঃ ৩০-৩১, পুখুৰী ঃ ৩১-৩২, সাজ-পাৰ ঃ ৩২-৩৫, হাতশাল সূতা কটা ঃ ৩৫-৩৭, আ-অলংকাৰ ঃ ৩৭-৪০, সংগীত ঃ ৪০-৪৩, চিত্ৰবিদ্যা ঃ ৪৩-৪৪, খেল-ধেমালি ঃ ৪৭-৪৫।

দ্বিতীয় অধ্যায় ঃ

**বুৰঞ্জীত পৰিস্ফুট সামাজিক আৰু আৰ্থিক অৱস্থা ঃ**

জন প্ৰব্ৰজন - ধৰ্মীয় সংস্কাৰ ঃ ৪৬-৫০, শৱ-সৎকাৰ ঃ ৫০-৫২, বিবাহ-প্ৰকৰণ ঃ ৫৩-৫৫, নাৰীৰ মৰ্য্যাদা ঃ ৫৫-৫৭, সামাজিক আচৰণ বিধি ঃ ৫৭-৫৯, শিক্ষা-ব্যৱস্থা ঃ ৫৯-৬৩, লোক-বিশ্বাস ঃ ৬৩-৬৬, কৃষি ঃ ৬৬-৬৮, আৰ্থিক অৱস্থা ঃ ৬৮-৬৯, খাদ্য সম্ভাৰ ঃ ৬৮-৬৯, মাটি-বাৰী-বস্তি ঃ ৬৯-৭১, মাটিৰ জোখ-মাপ ঃ ৭১-৭২, কৰ-কাটল ঃ ৭২-৭৮, কড়ি-মুদ্ৰা-টকা ঃ ৭৮-৮০, নামনি অসমৰ ৰাজহ ব্যৱস্থা ঃ ৮১-৮৪।

তৃতীয় অধ্যায় ঃ

প্ৰথম ভাগ ঃ

গদ্য সাহিত্যৰ জন্ম ঃ ৮৫, ভাৰতীয় গদ্য সাহিত্যৰ প্ৰাচীনতা

: ৮৫-৮৭, অসমীয়া গদ্য সাহিত্যৰ প্ৰাচীনতা : ৮৭-৮৮, বুৰঞ্জী শব্দৰ আঁতিগুৰি : ৮৮-৮৯, বুৰঞ্জী সাহিত্য : ৮৯-৯৬।

দ্বিতীয় ভাগ :

বুৰঞ্জী সাহিত্যৰ গদ্য : ৯৭-৯৯, বুৰঞ্জীৰ গদ্যত সংস্কৃতৰ প্ৰয়োগ : ৯৯-১০৩, আহোম ভাষাৰ প্ৰয়োগ : ১০৩-১০৪, দোৱনীয়া অসমীয়া ভাষাৰ গদ্য : ১০৫-১০৭, সমকালীন দেশীয় ভাষাৰে প্ৰভাৱপুষ্ট গদ্যশৈলী : ১০৭-১১০, খাচ-ঘৰুৱা কথনভঙ্গীৰ প্ৰয়োগ : ১১১-১১২, ৰজাঘৰীয়া কথাৰ ঠাঁচ : ১১২-১১৫, দৈনন্দিন ব্যৱহাৰিক জীৱনৰ বিবিধ লেখা : ১১৫-১১৮।

তৃতীয় ভাগ :

বুৰঞ্জী সাহিত্যত অলংকাৰ : ১১৯-১২০, উপমা আৰু ৰূপক : ১২০, দৃষ্টান্ত আৰু নিদৰ্শনা : ১২১-১২২, উৎপ্ৰেক্ষা : ১২২, অতিশয়োক্তি আৰু অৰ্থান্তৰ ন্যাস : ১২২-১২৩, স্বভাৱোক্তি : ১২৩, ভাৱিক : ১২৪, অনুপ্ৰাস : ১২৪, লক্ষণা : ১২৪-১২৫।

চতুৰ্থ ভাগ : বুৰঞ্জী সাহিত্যত প্ৰবাদবাক্য : ১২৬-১৩৬।

চতুৰ্থ অধ্যায় :

বুৰঞ্জী সাহিত্যৰ ভাষা : বাক্য গঠনৰীতি - কথ্যৰীতি, সাধুৰীতি আৰু সংস্কৃতীয়া ৰীতি, বিভিন্ন কালৰ ক্ৰিয়াৰ প্ৰয়োগ, নিশ্চয়াত্মক, প্ৰশ্নবোধক, নিষেধবোধক বাক্যৰ ব্যৱস্থাৰ, ক্ৰিয়াৰ নাস্ত্যৰ্থক ৰূপ, নামধাতুৰ প্ৰয়োগ, স্বাৰ্থিক প্ৰত্যয়ৰ ব্যৱহাৰ : ১৩৭-১৪৮, শব্দ বিভক্তি : ১৪৮-১৫১, বহুবচন : ১৫১-১৫২, সৰ্ব্বনাম : ১৫২-১৫৩, সন্ধি আৰু সমাস : ১৫৩, আখৰ জোঁটনি : ১৫৩-১৫৫, আৰবী-ফাৰ্চী শব্দ : ১৫৫-১৬৩, সোণ-ৰূপ সম্পৰ্কীয় শব্দ : ১৬৩-১৬৪, অনুৰূপ শব্দ : ১৬৪-১৬৫।

সামৰণি : ১৬৬-১৬৯

গ্ৰন্থপঞ্জী : ১৭০-১৭৮

শুধৰণী : ১৭৯-১৮৩

# সংক্ষিপ্ত ৰূপ

| | |
|---|---|
| অনু. | অনুবাদ |
| অস. বু. | অসম বুৰঞ্জী |
| আ. | আৰবী |
| কাম. বু. | কামৰূপৰ বুৰঞ্জী |
| গু. বি. | গুৱাহাটী বিশ্ববিদ্যালয় |
| দেওধাই | দেওধাই অসম বুৰঞ্জী |
| পৃ. | পৃষ্ঠা |
| পু. অস. বু. | পুৰণি অসম বুৰঞ্জী |
| ফা. | ফাৰ্চী |
| সাতসৰী./সাত. অস. বু. | সাতসৰী অসম বুৰঞ্জী |
| সম্পা. | সম্পাদনা |
| হে. গো. | হেমচন্দ্ৰ গোস্বামী |
| A. F. D. | Assamese Its Formation and Development. |
| A. S. E. C. H. M. A. | A Socio-Economic And Cultural History of Medieval Assam. (1200-1800 A. D.) |
| S. L. A. | Studies in the Literature of Assamese. |

> means gives, leads to, is changed to etc.

< means comes from, is derived from etc.

√ means root.

# প্ৰাক্‌কথন

আহোম যুগৰ (১২২৮-১৮২৬ খ্ৰীষ্টাব্দ) সমাজ-সংস্কৃতি-অৰ্থনীতি আৰু বিশেষতঃ অসমীয়া গদ্য-সাহিত্যৰ মূল্যায়নৰ বাবে অসমীয়া বুৰঞ্জী সাহিত্যৰ বিশ্লেষণাত্মক অধ্যয়ন অপৰিহাৰ্য্য। আহোম যুগত ৰচিত বুৰঞ্জী সাহিত্য পুথিবোৰ অসমীয়া জাতিৰ অতুলনীয় সম্পদ। এইবোৰত তদানীন্তন অসম তথা ভাৰতৰ বিবিধ চিত্ৰ সন্নিবিষ্ট হৈ আছে। আহোম ৰজাসকলৰ ৰাজত্বকালৰ বহুলাংশ আহোম আৰু মোগল সংঘৰ্ষৰ বাবে খ্যাত। ভাৰতত মুছলমান ৰাজত্বকালত ৰচিত 'তবকৎ-ই-নাচিৰী", "তাৰিখ-ই-ফিৰোজশাহী", "আকবৰ নামা", "তুজুক-ই-জাহাঙ্গিৰী", "বাহাৰিস্তান-ই-ঘাইৱী", "পাদশ্যাহনামা", "আলমগীৰনামা", "ফথিয়া-ই-ইব্ৰিয়াহ" আদি আৰবী-ফাৰ্চী ভাষাৰ বিখ্যাত পুথিসমূহত যিদৰে সমসাময়িক 'অসম দেশ'ৰ ৰাজনৈতিক, বৈদেশিক, পাৰিপাৰ্শ্বিক অবস্থাৰ বৰ্ণনা পোৱা যায় তেনেদৰে অসম বুৰঞ্জীবোৰতো পূৰ্ব ভাৰতত মুছলমানসকলৰ সাম্ৰাজ্য বিস্তাৰৰ ৰাহুংকাৰ আৰু ৰাষ্ট্ৰলিপ্সাৰ বিৱৰণ সন্নিবিষ্ট হৈ আছে। ভাৰতবৰ্ষৰ সম্পূৰ্ণ ইতিহাস প্ৰণেতাসকলে অসম বুৰঞ্জীৰপৰা বহুতো মূল্যবান তথ্য সংগ্ৰহ কৰিবলগীয়া হয়। এনেহেন অসমীয়া বুৰঞ্জী সাহিত্য অকল অসমীয়া জাতিৰে গৌৰবৰ বস্তু নহয়, সমগ্ৰ ভাৰতৰে গৌৰবৰ সম্পদ। সেয়ে ড° জৰ্জ্জ আব্ৰাহাম গ্ৰীয়েৰ্ছন চাহাবে বুৰঞ্জী-সাহিত্যৰ সম্যক মূল্যায়ন কৰি বুৰঞ্জীক এটা জাতিয়ে গৌৰব কৰিব পৰা জাতীয় সাহিত্য বুলি মন্তব্য কৰিছে ঃ

The Assamese have just reason to be proud of their national Literature. In no department have they been more successful than in history, a branch of study in which the rest of India is, as a rule, curiously deficient. The chain of historical events for the past six hundred years has been carefully preserved, and their authenticity can be relied upon. These historical works, originally written in imitation of the chronicles kept by the Ahom conquerors of the country, and still called by their Ahom names are numerous and voluminous. According to the custom of the country, a knowledge of the histories was an indispensable qualifications to an Assamese gentleman ; and every family of distinction, as well as the government and public officers, kept the most minute records of contemporary events. [1]

1. Grierson, G. A. : Linguistic Survey of India, p. 156, 1976

আহোমসকলে চুকাফাৰ নেতৃত্বত ১২২৮ খ্ৰীঃ ত পুৰণি কামৰূপ ৰাজ্যৰ পূব-প্ৰান্তেৰে পাটকাই পৰ্বতমালা পাৰ হৈ আহি আহোম ৰাজ্য প্ৰতিষ্ঠা কৰা সময়ৰেপৰা পৰম্পৰাগতভাৱে আহোম ভাষাত বুৰঞ্জী প্ৰণয়ন কৰিবলৈ লয়। এই বিষয়ে প্ৰথম আহোম ৰজা স্বৰ্গদেও চুকাফাৰ নিৰ্দেশনামা "সাতসৰী অসম বুৰঞ্জীত" এনেদৰে জিলিকি আছেঃ "যি মৰে, যাক পাও, বাটত যি কথা হয়, পণ্ডিতে লিখি থব।" [২] সেইদিন ধৰি উনবিংশ শতিকাৰ মাজভাগলৈকে আহোম নিয়মমতে ধাৰাবাহিকভাৱে কালানুক্ৰমিক সাঁচিপতত বুৰঞ্জী লিখা নিয়ম চলি আহিছে।

এইখিনিতে উল্লেখনীয় যে — অসমত অসমীয়া ভাষাত বুৰঞ্জী লিখাৰ কাম আৰম্ভ হয় খ্ৰীষ্টীয় যোড়শ শতিকাৰ আৰম্ভণিৰ পৰা। কালক্ৰমে শাসিতসকলৰ লগত ভাবৰ আদান-প্ৰদানৰ অৰ্থে আহোমসকলে নিজৰ ভাষা এৰিবলৈ বাধ্য হৈ অসমীয়া ভাষাক ৰাজকীয় মৰ্য্যাদা প্ৰদান কৰাৰ লগে লগে প্ৰভূত পৰিমাণৰ বুৰঞ্জী-পুথি আহোম ৰাজদৰবাৰতেই গুণী-জ্ঞানী পণ্ডিতৰ তত্ত্বাৱধানত আহোম ভাষাত লিখা বুৰঞ্জীবোৰ অনুবাদ তথা অসমীয়া ভাষাত বুৰঞ্জী লেখা কাম আৰম্ভ হয়। কোনো কোনোৱে বুৰঞ্জী ৰচনাৰ সময় সপ্তদশ শতিকা বুলি ভাবিলেও প্ৰখ্যাত অসমীয়া বুৰঞ্জী-সাহিত্যৰ লেখক কবি-সাহিত্যিক ডিম্বেশ্বৰ নেওগদেৱে এই প্ৰসংগত কৈছেঃ

> There is nothing in the style and language to warrant that it was written about the first quarter of the sixteenth century; but the style has something in it to say that it was certainly not later than the early sixteenth century.[৩]

যোড়শ শতিকাতে আৰম্ভ হোৱা অসমীয়া বুৰঞ্জী সাহিত্যৰ বিকাশ উনবিংশ শতিকাৰ মাজভাগলৈ চলি থাকিলেও সপ্তদশ-অষ্টাদশ শতিকা দুটাই বুৰঞ্জী ৰচনাৰ গৌৰৱময় যুগ। আহোম যুগৰ বহুল প্ৰচাৰিত এই বুৰঞ্জী সাহিত্যত মধ্যযুগৰ অসমৰ শিক্ষা-দীক্ষা, সমাজ-সংস্কৃতি, আৰ্থিক অৱস্থা, ৰাজনৈতিক পৰিস্থিতি, ধৰ্মীয় আচাৰ-ব্যৱহাৰ আদিৰ স্পষ্ট ছবি এখন অংকিত হৈছে। মধ্যযুগীয়া অসমৰ এই ইতিহাসবোৰ কৌতূহল আৰু বৈচিত্ৰ্যেৰে পৰিপূৰ্ণ, অসমৰ জাতীয় জীৱনৰ লগত ওতপ্ৰোতভাৱে জড়িত। আহোম ৰজাসকলে দেশত বৈষ্ণৱ-শাক্ত-শৈৱ আদি সৰ্ব সম্প্ৰদায়ৰ লগত জড়িত দেব-দেৱীৰ মন্দিৰ নিৰ্মাণ কৰিছিল, সত্ৰ নামঘৰবোৰক প্ৰভূত পৰিমাণৰ মাটি-বাৰী, অৰ্থ-কড়ি দান কৰিছিল। এই মন্দিৰ আৰু নামঘৰবোৰ অসমীয়া জাতিৰ

---

২। সূৰ্য্যকুমাৰ ভূঞা (সম্পাদক), : সাতসৰী, পৃ ৩, ১৯৬৯

3. Dimbeswar Neog : New Light on history of Asamiya Literature, p. 305, 1962

সাংস্কৃতিক মিলন ক্ষেত্ৰত পৰিণত হৈছিল আৰু এইবোৰে বৃহৎ অসমীয়া জাতি গঠনৰ পথ প্ৰশস্ত কৰি তুলিছিল। নামঘৰ আৰু মন্দিৰবোৰত নৃত্য-গীত-বাদ্য-নাট-ভাওনাৰ অভিনয় প্ৰদৰ্শন কৰা হৈছিল। নামঘৰ অসমীয়া সংস্কৃতিৰ মেৰুদণ্ড স্বৰূপ। সীমিত পৰিসৰৰ মাজত বুৰঞ্জীৰ প্ৰামাণিক তথ্য-পাতিৰ সহায়ত সমসাময়িক সমাজখনৰ ধৰ্ম, আৰ্থিক অৱস্থা, প্ৰশাসন, ৰীতি-নীতি আদিৰ বিষয়ে তথ্যভিত্তিক আলোচনাৰে হেৰাই যাব খোজা অতীত গৌৰৱময় অসমীয়া সমাজৰ ছবি এখনি প্ৰস্তুত কৰিবলৈ যত্ন কৰা হৈছে। এই সকলোবোৰ বিষয়ৰ বিশ্লেষণ প্ৰধানতঃ মুখ্য আৰু গৌণ উৎসৰ আধাৰত দাঙি ধৰিবলৈ যথাসম্ভৱ প্ৰয়াস কৰা হৈছে।

অসম বুৰঞ্জী কেৱল আহোমসকলৰ ৰাজ্য গঢ়াৰ কাহিনী বা যুদ্ধ-বিগ্ৰহৰ বিৱৰণ নহয়, ইয়াৰ অন্তৰালত লুকাই আছে অসমীয়া জাতিৰ আশা-আকাংক্ষা, জীৱন-দৰ্শন, বীৰ-বীৰাংগণাসকলৰ এক জাতি এক দেশ গঢ়াৰ মানসিকতা। এটা জাতিৰ জন্ম আৰু ক্ৰমবিকাশৰ ইতিহাসত ব্যক্তিবিশেষৰ স্বদেশপ্ৰেম আৰু কৰ্মনিষ্ঠাই সমগ্ৰ জাতিসত্বাক জোকাৰি দি স্বদেশ আৰু স্বজাতিৰ উন্নতিৰ অৰ্থে আত্মোৎসৰ্গ কৰিবলৈ প্ৰেৰণা যোগায়। এনেকুৱা বীৰ-বীৰাংগণাসকলৰ কৰ্মৰাশিৰ অনুৰণৰ বুৰঞ্জীত লিপিবদ্ধ তথ্যৰ মাজেৰে অনুভৱ কৰিবলৈ প্ৰচেষ্টা কৰা হৈছে। লগতে সাধাৰণ কাড়ী-পাইক-ডুমুনী-পোহাৰীৰো দেশ গঢ়াৰ সপোন দিঠকত পৰিণত কৰাৰ দৃষ্টান্ত বুৰঞ্জীৰ বৰচা বনৰপৰাই বুটলি অনা হৈছে। কিয়নো — "সকলো মানুহে মিলিজুলি (মানবৰ) প্ৰয়োজন পূৰণ কৰোতে ঘটোৱা মানৱ সমাজৰ উন্নতিৰ কথাহে বুৰঞ্জীত প্ৰতিফলিত হ'ব লাগে।"[৪]

মধ্যযুগৰ অসম বুৰঞ্জী জাতীয় চেতনাৰে উদভাসিত। অসমীয়া বুৰঞ্জী সাহিত্যৰ পঠন-পাঠনত অসমীয়া জাতি গঠনত দেশৰ স্বাধীনতা ৰক্ষাত ৰজা-প্ৰজা সকলোৱে কিদৰে আত্মবলিদান দিছিল তাৰ সুন্দৰ আভাস পোৱা যায়। সেয়ে বুৰঞ্জী সাহিত্যৰ সম্যকজ্ঞানে ভৱিষ্যত নাগৰিকক দেশপ্ৰেমেৰে উদ্বুদ্ধ কৰিব পাৰিব এই আশাৰে জাতীয়তাবোধৰ উন্মেষশালিনী বীৰত্বব্যঞ্জক কৰ্মৰাজিৰ বিভিন্ন দিশত উল্লেখ কৰা হৈছে।

প্ৰাচীন অসমীয়া গদ্যৰ জন্মলগ্নৰপৰা বিভিন্ন যুগত তাৰ ক্ৰমবিৱৰ্তমান গতিধাৰাৰ বিষয়ে অৱগত হবলৈ হ'লে অসমীয়া বুৰঞ্জী সাহিত্যৰ গদ্যৰ অধ্যয়ন অপৰিহাৰ্য্য। কিয়নো বুৰঞ্জীৰ গদ্যৰ আলোচনা ব্যতিৰেকে পুৰণি কালৰপৰা বৰ্তমানলৈ অসমীয়া গদ্যৰ ক্ৰমবিকাশ অনুধাৱন কৰা সম্ভৱ নহয়। মহাপুৰুষ শ্ৰীমন্ত

৪। ডি. ডি. কৌশাম্বী কৃত, বীৰেন্দ্ৰনাথ ভট্টাচাৰ্য্য অনূদিত ভাৰতৰ ইতিহাসৰ পাতনি, পৃ ০৮, ১৯৮১

শংকৰদেৱ আৰু মাধৱদেৱৰ নাটত জন্ম লাভ কৰা অসমীয়া গদ্যই ভট্টদেৱৰ "কথা-গীতা", "কথা-ভাগৱত"ত ধৰ্মীয় আদৰ্শ আৰু বিষয়বস্তুৰ মাজতে পৰিপুষ্টি লাভ কৰি সত্ৰীয়া গদ্যৰীতিৰূপে খ্যাত হৈছে। সেই গদ্যৰীতিয়ে অষ্টাদশ শতিকাৰ "কথা-ৰামায়ণ", "চৰিত পুথি" (কথা-গুৰু চৰিত, বৰদোৱা গুৰু-চৰিত) আদিৰ গদ্যৰ মাজতেই ব্যৱহাৰোপযোগী সৰল ৰূপ পৰিগ্ৰহণ কৰিছে যদিও ধৰ্মীয় আদৰ্শৰে প্ৰভাৱান্বিত হোৱা বাবে সৰ্ব-সাধাৰণৰ কথিত ভাষাৰ ওচৰ চাপিব পৰা নাই। সত্ৰীয়া কথোপকথন ৰীতিৰ প্ৰভাৱহে তাৰ প্ৰধান বিশেষত্ব। তেনে ক্ষেত্ৰত বুৰঞ্জীৰ গদ্যই সপ্তদশ শতিকা আৰু বিশেষকৈ অষ্টাদশ শতিকাত অসমীয়া, গদ্যৰ বিবৰ্ত্তনত এক যুগান্তৰ আনিছে। দেশৰ ৰাজনৈতিক সামাজিক, অৰ্থনৈতিক আৰু ধৰ্মীয় অৱস্থাৰ স্থবহ স্বাক্ষৰ বহনকাৰী বুৰঞ্জীবোৰত ধৰ্ম-নিৰপেক্ষ আৰু ব্যৱহাৰোপযোগী অসমীয়া গদ্যৰ পূৰ্ণবিকাশ হৈছে। জনজীৱনৰ লগত সম্পৰ্ক ৰক্ষাকাৰী এই পুথিৰ ভাষা সমসাময়িক কথিত ভাষাৰ ওচৰ চপা। এই ধৰণৰ বিশেষত্ব থকা কাৰণেই বুৰঞ্জীৰ গদ্যৰ বিষয়ে বিশ্লেষণ কৰি চাবলগীয়া বহুতো কথা আছে।

বুৰঞ্জীৰ গদ্যৰ সমসময়িকভাৱে সৃষ্টিহোৱা আয়ুৰ্বেদ শাস্ত্ৰ, নিদান, জ্যোতিষ, অংকৰ আৰ্য্যা, নৃত্যগীতৰ পুথি, গৃহ নিমাৰ্ণ আদি অসমীয়া ব্যৱহাৰিক পুথিৰ গদ্যই আহোম যুগতেই বিস্তৃতি লাভ কৰে। উদাহৰণ স্বৰূপে — "হস্তিবিদ্যাৰ্ণৱ সাৰসংগ্ৰহ", "ঘোৰা নিদান", "শ্ৰীহস্ত মুক্তাৱলী" আদি গ্ৰন্থৰ নাম প্ৰাতঃস্মৰণীয়। গদ্যত ৰচিত এই পুথিবোৰ সঁচাকৈয়ে চিত্তাকৰ্ষক। এই গ্ৰন্থবোৰে অষ্টাদশ শতিকাৰ শেষ পৰ্য্যন্ত প্ৰচলিত চিন্তা-চৰ্চাৰ ছবি এখন আমাৰ আগত উপস্থাপন কৰে। তদুপৰি আহোম যুগতে দৈনন্দিন জীৱনৰ আৱশ্যকীয় চিঠি-পত্ৰ, দান-পত্ৰ, পেৰা-কাকত, আইন-কানুন আদি বিষয়ক কথাবোৰ পোন প্ৰথমতে অসমীয়া ভাষাত লিখা নিয়ম প্ৰচলিত হয়। গতিকে এই যুগৰ গদ্যই ভাৱীকালৰ গদ্যৰ গতিপথ নিৰ্ণয়ত প্ৰভাৱ পেলোৱাটো স্বাভাৱিক। কিন্তু মন কৰিবলগীয়া কথা হ'ল যে — এই আহোম যুগৰ বুৰঞ্জী তথা ব্যৱহাৰিক জীৱনৰ গদ্য লেখাবোৰৰ সম্যক আলোচনা এই পৰ্য্যন্ত হোৱা নাই। আহোম তথা অসমীয়া ভাষাত লিখা বুৰঞ্জীৰ সংখ্যা খাটাংভাৱে এতিয়াও নিৰ্ণয় হোৱা নাই। বহুতো হাতে লিখা বুৰঞ্জী এতিয়াও উদ্ধাৰ নোহোৱা অৱস্থাত মানুহৰ ঘৰে ঘৰে পৰি আছে। তেনেকৈ দান-পত্ৰ, পেৰা-কাকত আদিৰ অৱস্থাও তদনুৰূপ। এইখিনিতে উল্লেখনীয় যে - আহোম ৰাজত্ব কালৰ শেষৰ পিনে বহুতো ৰাজনৈতিক আৰু সামাজিক (মোৱামৰীয়া বিদ্ৰোহ, মানৰ আক্ৰমণ আদি) উত্থান-পতন সংঘটিত হোৱা হেতুকে বুৰঞ্জী আৰু দৈনন্দিন জীৱনৰ আৱশ্যকীয় গদ্য লেখাবোৰৰ সংৰক্ষণ কাৰ্য্যত যথেষ্ট বাধা-বিঘিনি ঘটিছিল। তদুপৰি প্ৰাকৃতিক দুৰ্যোগ, সেমেকা জলবায়ু,

**বিদেশী আক্ৰমণকাৰী আৰু সৰ্বোপৰি কীৰ্তিচন্দ্ৰ বৰবৰুৱাৰ বুৰঞ্জী-দাহ যজ্ঞত বহুতো সত্য ঘটনা সম্বলিত বুৰঞ্জী নিশ্চিহ্ন হয়। সেই কাৰণে এইটো নিশ্চিত যে পৰৱৰ্তী কালত বহুতো বুৰঞ্জী নতুনকৈ লিখিব লগা হৈছিল আৰু বহুতো খণ্ডিত পৰি থকা বুৰঞ্জীৰ নতুন প্ৰতিলিপি কৰিব লগা হৈছিল। ফলত পৰৱৰ্তী সময়ত হাতে লিখা বহুতো বুৰঞ্জী পুথিত লিপিকাৰসকলে নানা কথাৰ সংযোজন আৰু বিয়োজন কৰাত প্ৰক্ষিপ্ত ঘটনাও সোমাই পৰিছিল।**

বুৰঞ্জী পুথিসমূহ পোন প্ৰথমে ধোঁৱা চাঙৰ এলান্ধু গুচাই পোহৰৰ বাটলৈ আনে আমেৰিকাৰ বেপটিষ্ট মিছনাৰী সকলে। ডক্টৰ নাথান ব্ৰাউন আৰু তেওঁৰ সহযোগীসকলেই পোনতে বুৰঞ্জী সংগ্ৰহ কৰিবলৈ হাতত লয়।[5] এইবোৰেই বুৰঞ্জী সম্পাদনা আৰু ছপা কৰি প্ৰকাশ কৰা বিদ্যা অসমীয়া জাতিক পোনতে শিকালে। অসমীয়া ভাষা সাহিত্যলৈ ব্ৰাউনৰ এই বৰঙণি চিৰস্মৰণীয় হৈ থাকিব। ব্ৰাউন চাহাবে হাতে লিখা বুৰঞ্জীৰ পুথিবোৰ "অৰুণোদই" কাকতত (১৮৪৬ খ্ৰীঃ) প্ৰকাশ কৰোতে "পুৰণি অসম বুৰঞ্জী" নামেৰে প্ৰকাশ কৰা বুৰঞ্জীখনৰ বিষয়ে আলোচনা কৰি তলত দিয়া মন্তব্য কৰিছিল।

প্ৰাই সকলো দেশিবিলাকৰ পুৰণি বুৰঞ্জীত সিবিলাকৰ আপোন আপোন ৰজাক গৌৰও কৰিবৰ নিমিত্তে আগৰ উপকথা ধৰি সেই ৰজাক দেৱতাৰ ঔৰস বুলি লিখে। — কামৰূপৰ ৰজা বিস্বসিংহক সিৱৰ পুতেক বুলি জানে। এইৰূপে আহোমৰ পুৰণি পুথিতো কোনো কোনো উপকথা আছে, কোনো ঠাইত কই, লাউৰপৰা মানুহৰ উৎপন হ'ল, আৰু সিবিলাকৰ প্ৰথম ৰজা খুনলুংগ খুনলাই, ইন্দ্ৰবংসি হই। কোনো পুথিত লিখে, ইন্দ্ৰ আৰু সচি সদিয়াৰ পূবফালে বসিষ্ঠ মুনিৰ ফুলনি বাৰিলৈ আহি তাতে ফুৰি থকাত মুনিএ দেখি ইন্দ্ৰক সাও দিলে। পাচে ইন্দ্ৰক দৈত্যাকাৰ হৈ অন্ত্যজৰ এক সুন্দৰি তিৰোতা দেখি কামগ্নি হৈ সংগত হলত তাই গৰ্ভাবতি হৈ, খেনকাম নামে এজন পুত্ৰক ওপজালে, খুনলুংগ খুনলাই সেই খেনকামৰ পুতেক। — এনে কথা এই বুৰঞ্জীৰ (পুৰণি অসম বুৰঞ্জী) ওপৰ ডোখৰত মাথোন পাইচো, তলৰ ডোখৰত হলে প্ৰাই সকলো কথা উত্তম আৰু প্ৰমাণিক . . ."।[6]

**বুৰঞ্জীবোৰত যিবোৰ উপকথা বা পৌৰাণিক কথা সংযোগ কৰিছিল সেইবোৰৰ সত্যতা নাই বুলি ব্ৰাউনে স্পষ্টবাবে উল্লেখ কৰিছে, কিন্তু উপ-কথাবোৰৰ বাহিৰে যিবোৰ কথা আছে সেইবোৰৰ ঐতিহাসিক সত্যতাত তেওঁ সন্দেহ প্ৰকাশ**

---

৫। **S. K. Bhuyan : Studies in the Literature of Assam, p. 88, 1962**

৬। **নাথান ব্ৰাউন, আৰুণোদয়, আগষ্ট, ১৯৫০, পৃ. ৫৯**

কৰা নাই। ব্ৰাউনৰ পদাংক অনুসৰণ কৰিয়েই প্ৰখ্যাত বুৰঞ্জীবিদ, বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ অবৈতনিক সঞ্চালক (১৯৩৩-'৫৭) ড° সূৰ্য্যকুমাৰ ভূঞা, শৰৎকুমাৰ দত্ত প্ৰভৃতিয়ে কিছুসংখ্যক বুৰঞ্জী সম্পাদনা কৰি প্ৰকাশ কৰিছে যদিও আধুনিক পাঠ-সমীক্ষা পদ্ধতিৰে টীকা-ভাষ্যসহ বুৰঞ্জীবোৰ এই পৰ্য্যন্ত সম্পাদিত হোৱা নাই। সি যি হওক, বুৰঞ্জীৰ গদ্য যে অসমীয়া গদ্য-সাহিত্যৰ উৎকৃষ্ট নিদৰ্শন সেই সম্বন্ধে পণ্ডিতসকল একমত।

অসমীয়া বুৰঞ্জী সাহিত্যৰ গদ্য প্ৰাচীন অসমীয়া গদ্য আৰু আধুনিক অসমীয়া গদ্যৰ শৈলসেতু। "বুৰঞ্জীৰ গদ্যৰ পৰৱৰ্তী কালতে অৰ্থাৎ উনবিংশ শতিকাৰ দ্বিতীয় দশকতে শ্ৰীৰামপুৰৰ মিচনেৰী ডক্টৰ উইলিয়াম কেৰীয়ে অসমীয়া পণ্ডিত আত্মাৰাম শৰ্মাৰ সহায়ত বাইবেলৰ নিউ টেষ্টামেণ্টৰ অনুবাদ "ধৰ্ম্মপুস্তক" ১৮১৩ খ্ৰীষ্টাব্দত মুদ্ৰিত কৰি উলিয়াই আধুনিক অসমীয়া গদ্যৰ পাতনি মেলে।"[৭] তাৰ কিছু বছৰ পিচত "অৰুণোদই" (১৮৪৬ খ্ৰীঃ) কাকতৰ পাততেই আমেৰিকাৰ বেপটিষ্ট মিছনাৰীসকলৰ পৃষ্ঠপোষকতাত আৰু এচাম অসমীয়া কৃতবিদ্যলোকৰ প্ৰচেষ্টাত আধুনিক অসমীয়া সাহিত্যৰ গদ্যৰ বিকাশ আৰম্ভ হয়। সেই গদ্যই আকৌ আনন্দৰাম ঢেকিয়ালফুকন, গুণাভিৰাম বৰুৱা, হেমচন্দ্ৰ বৰুৱা আদিৰ ৰচনাৰ মাজেৰে ক্ৰমপৰিবৰ্তিত আৰু ক্ৰমবৰ্দ্ধিত হৈ পৰিপুষ্টি লাভ কৰি আধুনিক অসমীয়া গদ্যৰ দৃঢ় ভেটি স্থাপন কৰে। এনেদৰে বুৰঞ্জীৰ বোকোচাতেই অসমীয়া গদ্যৰ পূৰ্ণবিকাশ সাধন হৈছে। যি সময়ত বুৰঞ্জীৰ মাজত অসমীয়া গদ্যৰ পূৰ্ণ পয়োভৰৰ কাল সেই সময়ত ভাৰতৰ অন্যান্য ৰাজ্যত বুৰঞ্জীৰ পৰ্য্যায়ৰ গদ্যৰীতিৰ জন্ম হোৱা দেখা নাযায়। মাৰাঠী ভাষাৰ "বাখাৰ" আৰু "শকাৱলী" বা নেপালৰ নেৱাৰী ভাষাৰ (চীন-তিব্বতীয় ভাষা গোষ্ঠী) "ৰাজবংশাৱলী" তথা মোগল সাম্ৰাজ্যৰ সময়ত ৰচিত আৰবী-ফাৰ্চী ভাষাৰ ইতিহাসবোৰ অসমৰ "বুৰঞ্জী" সাহিত্যৰ সমসাময়িক আৰু সমৰীতিবিশিষ্ট সাহিত্য হ'লেও অসমীয়া বুৰঞ্জী সাহিত্যৰ বস্তুনিষ্ঠতা, ধৰ্মনিৰপেক্ষতা, পক্ষপাতহীনতা, সময়ানুক্ৰমিতা আদি গুণত ভাৰতীয় অন্যান্য ভাষাৰ এই শ্ৰেণী ৰচনাৰ ভিতৰতে একক, অনন্য আৰু বিশিষ্ট বুলি ন দি কব পাৰি। সেয়ে প্ৰাচ্যতত্ত্ববিদ, আন্তৰ্জাতিক খ্যাতিসম্পন্ন পণ্ডিত ড° সুনীতি কুমাৰ চট্টোপাধ্যায়ে মন্তব্য কৰিছে ঃ

East Assamese prose as in Buranjis stands on a very pedestal when compared with the prose in Early oriya and in Early Brajabhakha as well as in Early Gujrati, Early Marathi and Early

৭। বাণীকান্ত শৰ্মা, অসমীয়া ভাষা সাহিত্যলৈ মিছনাৰী সকলৰ অৱদান, পৃ. ৩৬, ১৯৮১

Western Punjabi The style of the Buranjis is something quite distinctive and characteristic It is racy of the soil – it reflects the spoken language of the people, and is always straight forward and direct It contrasts very favourably with the ornate and florid style of most of the Persian historical works written in India in which in some at least of the writers, the author is more anxious to flatter some royal patron and to show of his scholarship than to narrate historical events soberly. This certainly has been one of the greatest gifts of the Ahoms to the Indo-Aryan language which they ultimately adopted, and in this way they were directly responsible in endowing Assamese with the great glory of the tradition of writing annals and historical anecdotes in beautiful and forceful prose [৮]

"এনে উচ্চমান বিশিষ্ট অথচ আলংকাৰিক আৰু আবেগিক লক্ষণ বিবৰ্জিত বুৰঞ্জীৰ গদ্য ৰজাঘৰীয়া কথোপকথন ৰীতিৰে সমৃদ্ধ।"[৯] সেয়েহে বুৰঞ্জীৰ গদ্য "শুকান হাড়-ছাল নহয়, তাত ভাবৰ সমাবেশ আৰু আবেগৰ সৌৰভ লক্ষ্য কৰিব পাৰি।"[১০] এনেকুৱা বুৰঞ্জীৰ গদ্যৰ সম্যকজ্ঞান অবিহনে আধুনিক অসমীয়া গদ্যৰ বৈশিষ্ট্য সম্বন্ধে অৱগত হোৱা অসম্ভৱ।

আধুনি অসমীয়া ভাষাৰ ব্যাকৰণগত বৈশিষ্ট্য বুৰঞ্জী সাহিত্যৰ গদ্যতেই বিকশিত হৈছে। বুৰঞ্জীত ব্যৱহৃত কথ্যৰীতিৰ লগতে সাধু আৰু সংস্কৃতীয়া ৰীতিৰ প্ৰয়োগত বাক্য-গঠন প্ৰক্ৰিয়া, ক্ৰিয়াৰ বিভিন্ন কালৰ প্ৰয়োগ, প্ৰবাদ-পটন্তৰৰ ব্যৱহাৰ, শব্দ-বিভক্তি, নামধাতু, স্বাৰ্থিক প্ৰত্যয়, বহুবচন বুজোৱা প্ৰত্যয় আদিৰ বহুলভাৱে ব্যৱহাৰ হোৱা পৰিলক্ষিত হয়। সেয়ে ভাষাৰ ঐতিহ্য আৰু ব্যুৎপত্তিগত দিশত বুৰঞ্জী সাহিত্যৰ ভাষা-সমীক্ষাই বিশেষ গুৰুত্ব আৰোপ কৰিব বুলি আশা কৰি প্ৰামাণিক তথ্যপাতিৰে আলোচনাত মনোনিৱেশ কৰিবলৈ যত্ন কৰা হৈছে।

এইখিনিতে উল্লেখনীয় যে — অসমীয়া বুৰঞ্জীৰ গদ্যৰীতি আৰু ভাষাশৈলীৰ বিষয়ে বিস্তৃত আলোচনা আজিলৈকে ভালদৰে হোৱা নাই। এই ক্ষেত্ৰত গভীৰ আৰু তথ্যপূৰ্ণ আলোচনা আগবঢ়াইছে প্ৰখ্যাত সমালোচক, ভাষাতত্ত্ববিদ পণ্ডিত ড° বিৰিঞ্চিকুমাৰ বৰুৱাদেৱে। তেখেতৰ "অসমীয়া কথা-সাহিত্য" (পুৰণি ভাগ) এই বিষয়ত একমাত্ৰ পথ-প্ৰদৰ্শক পুথি। ইয়াৰউপৰি অসমীয়া সাহিত্যৰ বুৰঞ্জী আলোচনা প্ৰসংগত ড° মহেশ্বৰ নেওগ, ড° সত্যেন্দ্ৰনাথ শৰ্মা, ডিম্বেশ্বৰ নেওগ

৮। S. K. Chatterji : The Place of Assam, in the History and Civilisation of India, p. 44, 1991.

৯। H. Barua : Assamese Literature, p. 126, 1965

১০। সূৰ্য্যকুমাৰ ভূঞা : পাদশ্যাহ বুৰঞ্জী, পৃ, ৫ (পাতনি), ১৯৩৫

আদি সমালোচসকলে, বিভিন্ন বুৰঞ্জী সম্পাদনা কৰোঁতে প্ৰখ্যাত বুৰঞ্জীবিদ ড° সূৰ্য্যকুমাৰ ভূঞা, পণ্ডিত হেমচন্দ্ৰ গোস্বামী আদি বুৰঞ্জীবিদ পণ্ডিতসকলে বুৰঞ্জীৰ পাতনিত চেগা-চেৰেকাকৈ বুৰঞ্জীৰ গদ্যৰ কলা-কৌশল সম্পৰ্কে পৰ্য্যালোচনা কৰিছে। সেয়েহে এই গ্ৰন্থত সমসাময়িক জীৱন ধাৰাৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰাৰ লগতে অসমীয়া বুৰঞ্জী সাহিত্যৰ ভাষা আৰু গদ্যৰীতিৰ ওপৰতো যৎসামান্য পৰ্য্যালোচনা আগবঢ়াবলৈ যত্ন কৰা হৈছে। বুৰঞ্জী সাহিত্যৰ এই বিশ্লেষণাত্মক অধ্যয়নে উত্তৰ পুৰুষসকলক বুৰঞ্জীবোৰৰ গভীৰতৰ অধ্যয়নৰ বাবে উদ্দীপনা যোগাব বুলি আশা কৰা হ'ল। এই গ্ৰন্থখন প্ৰস্তুত কৰোঁতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰপৰা পোৱা সহায়-সহানুভূতিৰ স'তে গুৱাহাটী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা বিভাগৰ মুৰব্বী অধ্যাপক ডক্টৰ বাণীকান্ত শৰ্মাদেৱে গ্ৰন্থখনৰ পাণ্ডুলিপিটো পঢ়ি চাই নানা দিহা-পৰামাৰ্শ আগবঢ়াই মোক কৃতজ্ঞতা পাশত আবদ্ধ কৰিছে। ইতিমধ্যে অসমীয়া বুৰঞ্জী সাহিত্যৰ বিষয়ে যিসকল লব্ধপ্ৰতিষ্ঠ পণ্ডিতে সমালোচনামূলক গ্ৰন্থ আৰু প্ৰবন্ধ-পাতি প্ৰকাশ কৰি বুৰঞ্জী সাহিত্যৰ সঁফুৰা মুকলি কৰি দিছে সেইসকল কৃতবিদ্য ব্যক্তিৰ ওচৰত শ্ৰদ্ধাৰে শিৰনত কৰিছোঁ। এই ছেগতে ঘৰুৱা সাতবন কাতি কৰি সুযোগ দিয়া বাবে সহধৰ্মিনী শ্ৰীফুলকুমাৰী পাটগিৰিৰ কথা নকলোৱেবা। তদুপৰি পাঠশালা অফ্‌চেট প্ৰিণ্টাৰ্ছৰ স্বত্বাধিকাৰী শ্ৰীধীৰাজ কুমাৰ ডেকাৰ কথা নকলে কৃতঘ্নতা দোষে চুব নিশ্চয়।

পৰিশেষত গ্ৰন্থখনৰ দোষ- ত্ৰুটি পঢ়ুৱৈসকলে সহানুভূতিৰে আঙুলিয়াই দিলে কৃতাৰ্থ মানিম।

পাঠশালা, কৃষ্ণনগৰ

শ্ৰীউত্তম চন্দ্ৰ পাঠক

১ বহাগ, ১৪১৩ ভাস্কৰাব্দ।

****************

# প্ৰথম অধ্যায়

আহোম সকলে চুকাফাৰ নেতত্বত ১২২৮ খ্ৰীষ্টাব্দত পুৰণি কামৰূপ ৰাজ্যৰ পূব প্ৰান্তেৰে পাটকাই পৰ্বতমালা পাৰ হৈ আহি আহোম ৰাজ্য প্ৰতিষ্ঠা কৰে। চুকাফাই কামৰূপ ৰাজ্যলৈ বিজয় অভিযান চলাই আহোঁতে সৈন্য-সামন্তৰ বাহিৰেও বহুতো পণ্ডিত আৰু মূল্যবান বয়-বস্তু লগত আনিছিল; ইয়াৰ ভিতৰত টাই ভাষাত লিখা বুৰঞ্জী পুথিও আছিল। দৈনন্দিন ঘটনা লিপিবদ্ধ কৰি ৰখাটো আহোমসকলৰ পৰম্পৰাগত ৰীতি আছিল। সেই ৰীতি অনুসৰিয়েই দূৰদৃষ্টিসম্পন্ন চুকাফাই নামকিউ বা ইৰাৱতী নদী অতিক্ৰম কৰিয়েই পণ্ডিতসকলক "যেতিয়া যি কথা হয়, যি মৰে, যাক পাওঁ সকল কথা পণ্ডিতে লেখি ৰাখিব"[১] বুলি আদেশ দিছিল। আহোম ৰজাসকলৰ আদেশত যথাৰীতি লিপিবদ্ধ কৰা নথি-পত্ৰবোৰ প্ৰথমতে আহোম ৰাজদৰবাৰতেই টাই ভাষাত লিখা হৈছিল। পিছত তেওঁলোকে অসমীয়া ভাষা-সংস্কৃতি গ্ৰহণ কৰি অসমীয়া ভাষাত বুৰঞ্জী লিখাৰ নিয়ম প্ৰবৰ্তন কৰে। চুহুংমুং দিহিঙ্গীয়া স্বৰ্গনাৰায়ণৰ (১৪৯৭-১৫৩৯ খ্ৰীষ্টাব্দ) সময়ৰপৰাই অৰ্থাৎ ষোড়শ শতিকাৰ প্ৰথম দশকৰ পৰাই অসমীয়া ভাষাত বুৰঞ্জী লিখা কাম আৰম্ভ হয়। অসমীয়া ভাষাক ৰাজকীয় মৰ্য্যাদা দিয়াৰ লগে লগে প্ৰভূত পৰিমাণৰ আহোম ভাষাত লিখা বুৰঞ্জী পুথি আহোম ৰাজদৰবাৰতেই গুণী-জ্ঞানী পণ্ডিতৰ তত্ত্বাবধানত অসমীয়ালৈ অনুদিত হয় আৰু অসমীয়া ভাষাত নতুন নতুন বুৰঞ্জী লিখাৰ কামো প্ৰবৰ্ত্তিত হবলৈ ধৰে।

আহোমসকলে একেৰাহে সুদীৰ্ঘ ছয়শ বছৰ অসমত ৰাজত্ব কৰে। ত্ৰয়োদশ শতিকাৰ তৃতীয় দশকৰপৰা ঊনবিংশ শতিকাৰ সেই একে সময় অসম বুৰঞ্জীত আহোম যুগ নামে পৰিচিত। আহোম ৰাজন্যবৰ্গই এই সময়ত অসম দেশত এক ভৌগোলিক অখণ্ডতা স্থাপন কৰিবলৈ সমৰ্থ হয়। এওঁলোকেই নানা জাতি-উপজাতিয়ে বসবাস কৰা ৰাজ্য-উপৰাজ্যবোৰ একত্ৰিত কৰি 'সাতৰাজ্য মাৰি একৰাজ্য কৰিলে'। এক কথাত ক'বলৈ হ'লে অসম আৰু অসমীয়া জাতিৰ জাতীয়ত্বৰ সামগ্ৰিক ধাৰণাৰ মূল উদ্যোক্তা হ'ল-এই আহোম স্বৰ্গদেউসকল। চুহুংমুং দিহিঙ্গীয়া ৰজাৰ দিনত তুৰ্বকৰ সৈতে হোৱা ৰণৰ (১৫২৭ খ্ৰী.) সময়ৰ পৰাই এই সামগ্ৰিক ধাৰণাৰ বিকাশ হয়; আহোম ৰজাসকলৰ এই ছয়শ বছৰীয়া ঐতিহ্য মণ্ডিত ৰাজত্বকালতেই বৰ্ণাঢ্য অসমীয়া সমাজ জীৱনে গঢ় লয়।

## ১.০ অসম

অসম নামটো আপেক্ষিকভাৱে অৰ্ব্বাচীন। অসমীয়া বুৰঞ্জী-সাহিত্যত আসাম বা অসম শব্দটো প্ৰথমতে এই ৰাজ্যত নিজকে প্ৰতিষ্ঠা কৰা শ্যান গোষ্ঠীৰ টাই

১। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) দেওধাই, পৃ. ৯৮, ১৯৬২

জাতিৰ লোক সকলক বুজাবলৈ ব্যৱহাৰ কৰা হৈছিল। বুৰঞ্জীবিদ কাসিনাথ তামুলি ফুকনৰ " আসাম বুৰন্‌জি পুথি" ত আছে ঃ

... ইহঁত দেও সঁচা মানুহ, ইহঁতৰ সম কোনো নাই, ইহঁত অসম মানুহ, এইৰূপে ৰাজ্যত কৈ ফুৰোতে অসম নাম খ্যাত হল দেখি, তেতিয়াৰেপৰ ৰজা ও লগত অহা প্ৰজা সকলকো অসম বুলিলে। এই অসমৰে দেশ হ'ল কাৰন অসমৰ দেস বোলে।[২]

প্ৰখ্যাত বুৰঞ্জীবিদ চাৰ এড্‌ৱাৰ্ড গেইটে বুৰঞ্জীৰ পৰম্পৰাৰ ওপৰত নিৰ্ভৰ কৰি প্ৰকাশ কৰিছে যে- ইয়াৰ থলুৱা লোকসকলে আহোম সকলক তেওঁলোকৰ শৌৰ্য্য-বীৰ্য্যৰ প্ৰশংসা স্বৰূপে- " যাৰ সমান নাই "[৩] এই অৰ্থত তেওঁলোকক অসম বুলিছিল।

অসম বুৰঞ্জীবোৰত অসম শব্দৰ সমাৰ্থক বিবিধ ৰূপ পোৱা যায়ঃ আসাম, আসম, আচাম, আচম, অচম ইত্যাদি দেওধাই অসম বুৰঞ্জীত আছে ঃ কত্ৰাৰী কুঁৱৰীয়ে অসমত দুই বৈৰাগীক সুধিলেঃ "তোমুৰা কোন দেশৰ বৈৰাগী ?" ও মাগ্ৰি আমি আচাম দেশী বৈৰাগী"।দেবীয়ে বোলে- এই অচমত ভয়ে আমি খাম্বপুৰ পছিলাম। আতো আমাৰ অনেক বিপত্তি হইল্য। এই অচমতে শৰ্ণ্যাপন হুয়া আমাৰ ৰজাক উধাৰ কৰি আনো।" (পৃঃ ১৩৬) "কামৰূপৰ বুৰঞ্জী"ত আহোম শক ব্যৱহাৰ কৰিলেও শত্ৰুৰ মুখত, আচাম, আসাম শব্দটোৰ ব্যৱহাৰহে দেখা যায়। "... তোমাৰ চাকৰ নাই, মোক সামান্য বুলি মহম্মদ খায়ে গড়গ্ৰামলৈ নেনি আচামৰ আগৰসকলে সম্ভেদ কহে," "পূবে দেখো আচামে নাৱৰীয়া তিয়াৰ কৰি দলং বান্ধে", "তদন্তৰে আচামৰ এফৈদ লোক কলীয়াবৰত ৰহিলগৈ", "ভালা এখন মই আসাম যায়" ইত্যাদি। প্ৰাচ্য ভাষাতত্ত্ববিদ ড° বাণীকান্ত কাকতিয়ে অসম শব্দটো আছাম (acham) শব্দৰপৰা অহা বুলি মত প্ৰকাশ কৰিছে। টাই ভাষাত $\sqrt{\ }$ ছাম (cham) ধাতুৰ অৰ্থ পৰাজিত। ইয়াৰ লগত উপসৰ্গ 'আ-' সংযোগ কৰিলে শব্দটো হয় আছাম; অৰ্থ "অপৰাজিত"।[৪] শ্যাম জাতিৰ বিজেতা সকলে কতো পৰাজয় বৰণ নকৰাকৈ উত্তৰ-পূব চুকেদি সোমাই সৌমাৰপীঠত ৰাজ্য স্থাপন কৰিছিল আৰু কালক্ৰমত পশ্চিমৰফালে যিমানলৈকে ৰাজ্য অধিকাৰ কৰিছিল সিমানলৈকে অসম দেশৰ সীমা বাঢ়িছিল। গতিকে অৰ্থৰ ফালৰপৰা ড° কাকতিৰ এই

---

২। কাসিনাথ তামুলি ফুকন ঃ আসাম বুৰন্‌জি পুথি, পৃঃ ১১, ১৯০৬

* "আনৰ বঙ্গঁহ নহয়। দেও-মানুহ বুলি কলেহি, স্বৰূপে হয়। ই আহম। আক আনৰে সম নহয়।" সাতসৰী, পৃঃ ৬, ১৯৬৯

* "আনৰ বঙ্গঁহ নহয়। দেও-মানুহ বুলি যি কয় হয়, এয়েহে আহম। আক আনে সম হওতা নাই।" দেওধাই পৃঃ ১০১, ১৯৯০

৩। এড্‌ৱাৰ্ড গেইট ঃ এ হিষ্টৰী অফ্ আসাম, পৃঃ ২৪৬, ১৯৯০

৪। বাণীকান্ত কাকতি ঃ এ.এফ.ডি., পৃঃ ৩, ১৯৬২

মত প্ৰচলিত বুৰঞ্জীৰ ওচৰচপা।

সি যি হওঁক, বুৰঞ্জী-সাহিত্যত ব্যৱহৃত 'আচাম' বা 'অসম' প্ৰথমতে এটা জাতিবাচক শব্দৰূপে প্ৰয়োগ হৈ পিছলৈ অৰ্থ বিস্তাৰ ঘটি তেওঁলোকে শাসন কৰা গোটেই ৰাজ্যখনকে বুজাবলৈ ললে। 'অসম' শব্দৰ লগত "ঈয়া" প্ৰত্যয় সংযোগ কৰি 'অসমীয়া' শব্দটো গঢ়া হৈছে। অভিধানিক ৰূপত 'অসমীয়া' মানে "অসমৰ অধিবাসী, অসমৰ ভাষা"[৫] বা "অসম দেশৰ, অসম দেশত হোৱা"[৬]। বুৰঞ্জীত ইয়াৰ আৰ্ষ প্ৰয়োগ হ'ল 'অসমিয়া', 'অচমিয়া', 'অহাময়া'।

## ১.১ আহোম যুগত অসম ৰাজ্যৰ-সীমা ঃ

আহোমসকলৰ আগমনৰ সময়তপুৰণি কামৰূপ ৰাজ্যৰ বিস্তৃতি সম্বন্ধে চতুৰ্দশ শতিকাত ৰচিত "যোগিনী তন্ত্ৰ"ত এনেদৰে পোৱা যায় ঃ

কৰতোয়াং সমাশ্ৰিত্য যাবদ্দিকৰবাসিনীম্।
উত্তৰস্যাং কঞ্জ গিৰিঃ কৰতোয়াতু পশ্চিমে।।
তীৰ্থশ্ৰেষ্ঠা দীক্ষুনদী পূৰ্ব্বস্যাং গিৰিকন্যাকে।
দক্ষিণে ব্ৰহ্মপুত্ৰস্য লাক্ষায়াঃ সঙ্গমাবধি।
কামৰূপ ইতিখ্যাতঃ সৰ্ব্বশাস্ত্ৰেষু নিশ্চিতঃ।।[৭]

পূবে দিক্কৰবাসিনী বা দিকৰাই নৈৰপৰা পশ্চিমে কৰতোয়া নৈলৈকে বিস্তৃত এই কামৰূপ ৰাজ্য চাৰিভাগে বিভক্ত আছিল- কামপীঠ, ৰত্নপীঠ,স্বৰ্ণপীঠ আৰু সৌমাৰপীঠ। কৰতোয়া নৈৰপৰা সোণকোষ নৈলৈকে কামপীঠ, সোণকোষ বা সুবৰ্ণৰেখা নৈৰ পৰা ৰূপহী নৈলৈকে ৰত্নপীঠ, ৰূপহী নৈৰপৰা ভৈৰবী নৈলৈকে স্বৰ্ণপীঠ আৰু ভৈৰবী নৈৰপৰা দিক্ৰাই নৈলৈকে সৌমাৰপীঠ। এই সৌমাৰপীঠতেই আহোমসকলে পোনতে নিজ ৰাজ্য প্ৰতিষ্ঠা কৰে।

আহোমসকলৰ দিনত অসম ৰাজ্যৰ পূবসীমা - মিচিমি, খামতি, চিংফৌ আদিৰ লোকসকলে বসবাস কৰা পৰ্বতমালা; উত্তৰ সীমাত অকা, ডফলা, আবৰ,ভোট আদি থকা পৰ্বতশ্ৰেণী; দক্ষিণ সীমাত নগা, কছাৰী, খাচিয়া গাৰো আদিয়ে বসবাস কৰা পৰ্বতবোৰ আৰু পশ্চিম সীমাত ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰে মানাহ নদী আৰু দক্ষিণপাৰে বৰ্তমান কামৰূপ জিলাৰ অন্তৰ্গত নগৰবেৰাৰ পশ্চিম সীমা,। মনকৰিবলগীয়া যে- আহোম স্বৰ্গদেৱসকলৰ ৰাজনৈতিক উত্থান-পতনৰ সৈতে অসম ৰাজ্যৰ পশ্চিম সীমাৰ বিস্তৃতি জড়িত আছিল। স্বৰ্গনাৰায়ণ চুহুংমুং দিহিঙ্গীয়া ৰজাৰ আমোলত কনচেং বৰপাত্ৰ গোহাঁইয়ে তুৰ্বকক পৰাজয়

৫। মহেশ্বৰ নেওগ, ৰজনীকান্ত দেৱশৰ্মা, নৱকান্ত বৰুৱা (সম্পা) আধুনিক অসমীয়া অভিধান, পৃঃ ২৫, ১৯৮৩

৬। হেমচন্দ্ৰ বৰুৱা, হেমকোষ, পৃঃ ৫২, ১৯৮৫

৭। যোগিনী তন্ত্ৰ ঃ ১/১১/১৭/,১৮

কৰি অসম ৰাজ্যৰ সীমা পশ্চিমে কৰতোয়া নৈলৈকে বঢ়োৱাৰ কথা অসম বুৰঞ্জী[৮] বোৰত উল্লেখ আছে। ইয়াৰ পিছত মোমাই তামুলী বৰবৰুৱা আৰু মোগল সেনাপতি আহলায়াৰ খাৰ নেতৃত্বত স্বৰ্গদেৱ প্ৰতাপসিংহ বুঢ়াৰজাৰ (১৬১১-৪৮ খ্ৰী.) সময়ত হোৱা সন্ধি-পত্ৰত অসুৰৰ আলি আৰু বৰনদীয়ে অসম ৰাজ্যৰ পশ্চিম সীমা নিৰ্দ্ধাৰিত হৈছিল।[৯] পৰৱৰ্তী সময়ত মহাবীৰ লাচিত বৰফুকনে অম্বৰাধিপতি ৰামসিংহক বিখ্যাত শৰাইঘাটৰ ৰণত পৰাজয় কৰি মানাহ নদীকে অসমৰ পশ্চিম সীমা ধাৰ্য্য কৰিছিল। তেতিয়াৰেপৰা বৰ্ত্তমান বৰপেটা জিলাৰ পশ্চিম সীমাই নিশ্চিত ৰূপে আহোম সাম্ৰাজ্যৰ পশ্চিম সীমাৰূপে স্বীকৃত আছিল।

## ১.২ আহোমৰ ৰাজ্য প্ৰতিষ্ঠা ঃ নগা দমন ঃ

স্বৰ্গদেৱ চুকাফাই সৌমাৰ খণ্ডত উপস্থিত হৈ নগা পাহাৰৰ বিভিন্ন নগা ফৈদবোৰৰ স্বৈতে প্ৰচণ্ড যুঁজ-বাগৰত লিপ্ত হবলগাত পৰিছিল। নগা দমনৰ বাবে বীৰ চুকাফাই যি সমৰ-কৌশল গ্ৰহণ কৰিছিল অসমীয়া বুৰঞ্জী-সাহিত্যত সেইবোৰ অতি সুন্দৰভাৱে লিপিবদ্ধ কৰা আছে। মহাৰাজ চুকাফাই নৰাৰাজ্য ত্যাগ কৰি 'পুণাতি', হাতীধৰা','বিৰেণ', 'ছাখাই', আৰু 'মগলু' - এই পঞ্চগ্ৰামত পদাৰ্পণ কৰি নগাৰ 'বানকাক', 'মুনক্ৰিং', দুই গাওঁ মাৰিবলৈ 'খুন্তাই', 'কাখুম', 'কাণ্ডন', 'খাউমুনবালুঙ্গ', 'কেওখুন',

---

৮। * "পাছে তুৰ্বকৰ সেই ৰণলৈকে ঐ কনচেং বৰপাত্ৰ গোহাঞি আৰু ঐ তন্‌খাম বৰগোহাঞি দুয়ো সৰ্গদেৱৰ আজ্ঞাৰে ডেকাৰজা সহিতে গৈ তুৰ্ব্বকক মাৰি খেদি নি কৰতোয়া নদীত অস্ত্ৰ ধুই তাতে ১৪৫৪ শকত সীমা পাতি দৌল ও পুখুৰী কৰি চিন ৰাখিলে" হৰকান্ত বৰুৱা সদৰামিনঃ অসম বুৰঞ্জী পৃঃ ২৬, ১৯৬২

* "আতপাছে ১৪৫৫ সেই সময়ত গড়গঞা ৰজা বড় গোহাঞি, তনখাম বুড়া গোহাঞি ফুলুংখাম, কমতেশ্বৰৰ মিত্ৰৰ অৰ্থে একলাখ হেজাৰ ঠাঠেৰে নাৱে তবে গৈ কামৰূপ বশ কৰি ললে। তাতে বাড়ি গৈ কৰতিয়া গঙ্গাত খাণ্ডা পখালিলে। তাৰেপৰা গৌৰেশ্বৰলৈ তাং জাং চেটিয়া দুইক দূত পঠালে।" পু, অ. বু. পৃঃ ৪৭,১৯৭৭

৯। ক) পাচে চেকমেদা কটাকিট কৰি দুই ঘোড়া দি পৃতি হ'ল আমাৰ কটাকি সনাতন, চলাৰ কানু সততে গতাগত হ'ল। ভেলাইক দুঅৰিয়া পাতি দিলে। বঙালেৰে সাউদৰ টোলত হাট হ'ল। অসুৰৰ আলি বৰনদীক সিমা কৰিলে।" হেমচন্দ্ৰ গোস্বামী (সম্পা) পুঃ অস. বু. পৃঃ ৮৭, ১৯৭৭

খ) "অসম বঙালৰ সীমা নিৰূপন কলিয়াবৰৰ দক্ষিণে মোমাই তামুলী, উত্তৰে পিকছাই চেটিয়া আছিল। ... পাচে * দেৱৰ আজ্ঞাৰে দুয়োজনে আলিয়াৰখাৰে মিলাপ্ৰীতি হই বোলে- উত্তৰে বৰনদী, দক্ষিণে অসুৰৰ আলি সীমনা কৰি দিও"। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) অসম বুৰঞ্জী পৃঃ ৬১, ১৯৬০

এওঁলোকক মুখ্যকৈ পঠাই দিছিল। এওলোকে দুই গাওঁক কৰাযত্ত কৰি মগলুতে পুনৰ চুকাফাক লগ ধৰিছিল। তাৰপৰা এওঁলোকে 'লাখাম', 'মুনপাম'লৈ আহে। বাটত যাওঁতে এওঁলোকে বৰ অত্যাচাৰ কৰিবলৈ লয়। "যিবোৰে বৰ কথা পাতিছিল তাৰ ককায়েকৰ মঙ্গহ কাটি ভায়েকক খুৱালে, পুতেকৰ মঙ্গহ বাপেকক খুৱালে" [১০]। ফলতঃ ভয় খাই নগাৰ 'ৰখু', 'খানলহাং', 'তিজাং', 'বিলাত', 'লাতেমা', 'পাহুক', আৰু 'তা বু', - এই সাতখন গাওৰ লোকে এওঁলোকত আপুনি বৰিলহি। পৰৱৰ্তী সময়ত সেই নগাৰ হতুৱাই বিভিন্ন গাওঁক বশ কৰি নগায়ে বান্ধি দিয়া কাক বাঁহৰ ভুৰেৰে দিহিং নৈ পাৰহৈ 'তিপাম'ত উপস্থিত হযহি। তিপামৰ পৰা এওঁলোকে ক্ৰমে উজাই দিখৌবেদি শিমলুগুৰিলৈ আহে। দিগ্বিজযী চুকাফাই এইদৰে বিভিন্ন ঠাইত দুই-তিনি বছৰকৈ থাকি সেই ঠাইৰ ৰীতি-নীতি বুজি অৱশেষত চৰাইদেউত নগৰ কৰিলে।

### ১.২.১ বৰাহী মৰাণৰ লগত মিত্ৰতা ঃ

নগা দমন মহাৰাজ চুকাফাৰ ৰণ-কৌশলৰ অভুতপূৰ্ব পৰিচায়ক। বীৰ চুকাফাৰ নগা দমন আৰু চৰাইদেইউ নগৰত ৰাজধানী স্থাপনত আশ্চাৰ্য্য প্ৰকাশ কৰি খিলঞ্জীয়া লোকসকলে ত্ৰাহি মধুসুদন সুঁৱৰিলে। তেনে অৱস্থাতে স্বৰ্গদেৱৰ লগত অহা মানুহে মদ গাহৰি কিনিবৰ ছলে বিভিন্ন ঠাইলৈ গৈ মহাৰাজৰ যশ-কীৰ্তি শুনাবলৈ ধৰিলে- "স্বৰ্গদেৱৰ নাতি। ৰাজ্যত ৰজা নাই দেখি সোণৰ জখলাৰে নমাই পঠাইছে। তাতেহে ৰাজ্য চাই ফুৰিছে"। [১১] এই কথা শুনি বৰাহী মৰাণহঁতে চাবলৈ আহিল। মহাৰাজ চুকাফাই তেওঁলোকক ওচৰলৈ মাতি নি- 'আমি উজনি ৰাজ্যৰপৰা আহিছো; আমি মিত্ৰ হ্ব খোজো, আমাক গাওঁ-ভুইখনেৰে পৰিচয় কৰিব লাগে' - বুলি উদাত্তকণ্ঠে আহ্বান জনালে। থানগিৰি বৰাহী-মৰাণহঁতে আলহীৰ কথাত অভিভূত হ'ল। তেওঁলোকৰ অধিপতি থাকুমথা আৰু বদৌচায়ে ১১৬৪ শকত বিনাযুদ্ধে চুকাফাৰলগত মিত্ৰতাপাশত আবদ্ধ হ'ল। এওঁ মটকক খৰিভাৰী বাৰীচোৱাৰ বাব দিলে; বৰাহীসকলক ৰান্ধনি চাংমাই নিয়োগ কৰাৰ লগতে কুকুৰাচোৱা, ভৰালী, জৰাধৰা আৰু বেজৰূপে প্ৰবৰ্তিবৰ নিয়োগ কৰিলে। দূৰদৰ্শী, বীৰপুৰুষ মহাৰাজ চুকাফাই ভূমিপুত্ৰসকলক পুত্ৰবৎ পালন কৰি দেওঘৰত সামুহিক 'ন ভাত খাই' প্ৰজাৰঞ্জক ৰূপে খ্যাতি লভিলে। ৰাজকাৰ্য্য সুচাৰুৰূপে চলাবলৈ মৰাণেৰে মানুহ দি দেওপূজা কৰি নিজৰ পণ্যসামগ্ৰী উৎপাদন আৰু আন কাৰ্য্যৰ বাবে গচিকলা, বৰাখোৱা আৰু এঙেঁৰাত তিনিখন খাত স্থাপন কৰিলে। "এই ৰজা প্ৰজাখন আহি আমাক চলেৰে বনুআ কৰিএ ললে তথাপি আমাৰ মনে বিসম নালাগে; এইদৰেই খাটি-লুটি অহা জোআঁকে থাকিবৰ মনহে জাই"।[১২]

---

১০। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) ঃ অসম বুৰঞ্জী, পৃঃ ৬, ১৯৮৮। দেওধাই, পৃঃ ৮, ১৯৯০। সাতসৰী, পৃঃ ৪৬, ১৯৬৪। হেমচন্দ্ৰ গোস্বামী (সম্পা) পুৰণি অসম বুৰঞ্জী, পৃঃ ১২, ১৯৭৭।

১১। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) ঃ সাতসৰী, পৃঃ ৬, ১৯৬৯

১২। কাসিনাথ তামুলিফুকন ঃ আসাম বুৰুনজি পুথি, পৃ ১১, ১৯০৬

এনেদৰে মঙ্গোলীয় গোষ্ঠীৰ আহোম নৃপতি চুকাফাই একে প্ৰজাতিৰ বৰাহী মৰাণসকলক আপোন কৰি এখন স্থায়ী সাম্ৰাজ্যৰ পাতনি মেলিলে। মহাৰাজ চুকাফাই সৌমাৰত থিতাপি লোৱাৰ সময়ত এতিয়াৰ লক্ষীমপুৰ আৰু শিবসাগৰ জিলা পৰিছিল। এওঁৰ ৰাজত্বৰ পূৰ্বে এই ভূখণ্ড বৰাহী আৰু মৰাণৰ দখলত আছিল। স্বৰ্গদেৱ চুকাফাই সৌমাৰখণ্ড সম্পূৰ্ণৰূপে অধিকাৰ কৰাত সেই জাতি বৃন্দ তেওঁতে শৰণাগত হ'ল।

১.২.২. স্বৰ্গদেৱ চুকাফাই অতি তাকৰীয়া সৈন্য-সামন্তৰে সৌমাৰখণ্ডত পদাৰ্পণ কৰিছিল। ড০ সতেন্দ্ৰ নাথ শৰ্মাই "সিহঁতৰ সংখ্যা কথমপি ১,০০০ হেজাৰ আছিল বুলি উল্লেখ কৰিছে।"[১৩] বেলেগ বেলেগ বুৰঞ্জীত এই পৰিসংখ্যা ভিন্ ভিন্‌কৈ পোৱা যায়। বুৰঞ্জী বিদ কাসিনাথ তামুলিফুকনে 'আসাম বুৰন্‌জি পুথি'ত আহোমৰ প্ৰথম ৰজা'ই ইয়ালৈ আহোঁতে ১০৮০ জন মানুহ, ৩০০ টা ঘোঁৰা, ১টা দঁতাল হাতী আৰু ১ জনী মাখুন্দী হাতী লগত লৈ আহিছিল বুলি উল্লেখ কৰিছে। আকৌ উত্তৰ গুৱাহাটীৰ সুকুমাৰ মহন্তৰ ঘৰত পোৱা 'অসম বুৰঞ্জী' পুথিত এই সংখ্যা এনেদৰে আছে ঃ

"... ৩ কঠাকৈ চাউল সিজে তামৰ টেকেলি ৩০০, এই প্ৰমাণ মানুহ ৯০০। দন্তাল হাতী ১টা, মাখুন্দী ১, তাৰে মাউত ফংমুপিম, ঘোঁৰা ৩০০, হেঙ্গদান ১০ খান, তাৰে মুক্ষ ২ খান, ... ফৰ ২, বৰ্চিছ ৫ এই সকলো আৰু চেঙ্গঁচোম লৈ নামি আহোঁতে বাটত লগ ধৰি আহা ললুতেয় ১, মুঠত ডাঙ্গৰীয়া ৯ টা।[১৪]

চুকাফা ৰজাদেৱৰ লগত নামি আহা সাতঘৰীয়া আহোম (পু. অস. বু. পৃঃ ২১, ১৯৭৭ চন) হ'ল এওঁলোক থাওমুংকান (বৰগোহাঁই), থাওমুং মাংৰাই (বুঢ়াগোহাঁই), থাওমুং খুন্তং (সন্দিকৈ), থাওমুং কেওখম (সন্দিকৈ), থাওমুং খুন্তাল (সন্দিকৈ), থাওমুং খুন্তাই (কেঞ্চু) আৰু থাওমুং কান খুংমুং (সন্দিকৈ)। এওঁৰ লগতে অহা তেইশ ঘৰ নিযমৰ আহোম হ'ল- কনাই পাতৰ, কানমুং, লাইতাও, খামকন, থুম, লামুক, চেঙ্গখুন, খান লেঙ্গ, লাকাপ, তালুং, কানপেঙ্গ, চিঙ্গল, কনচেঙ্গ, লাৰেঙ্গ, নপিৰ, বজঙ্গ, ওমাই, লেমুং, বৰিঙ্গ, বসেন, বছাঙ্গ ফংফাই, এয়োমুং।

উল্লিখিত তথ্য-পাতিয়ে বিজেতা চুকাফাৰ লগত অহা ডা-ডাঙৰীযা আৰু প্ৰজাবৃন্দৰ

---

১৩। সতেন্দ্ৰ নাথ শৰ্মা ঃ এ. এচ. ই. চি. এইচ. এম. এ., পৃঃ ৪১, ১৯৮৯

১৪। সূৰ্যকুমাৰ ভূঞা (সম্পা) ঃ অসম বুৰঞ্জী, পৃঃ ৫, ১৯৮৮

* "ভাতৰ টেকেলি তামৰ, তিনিটাৰ ভাত একেটাতে সিজে, এনে টেকেলি তিনিহেজাৰ, প্ৰজা ন হেজাৰ, দন্তাল হাতী খাম্‌কমুং ১, মাখুন্দী হস্তী জেজিকিপকেউ ১, হাতী মাউত ফংপিম ১, বান্ধ চকুবন্ধা ঘোৰা তিনি হেজাৰ, এইসকল লগত অহা।" (দেওধাই, পৃঃ ৬, ১৯৯০)

সংখ্যা বিজিত নগা-বৰাহী মৰাণৰ তুলনাত যে যথেষ্ট তাকৰ আছিল ই নিশ্চিতকৈ প্ৰমাণ দিয়ে। মহাৰাজ চুকাফাই বৰাহী মৰাণ -কছাৰীক বৰাবৰ সময়ত 'মৰাণে-কছাৰীয়ে চাৰি হাজাৰ' আৰু নগায়ে মহঙ্গৰপৰা খেদি পঠোৱাত ইহঁতৰ সংখ্যা 'বাৰে হাজাৰ' [১৫] বুলি বুৰঞ্জীত উল্লেখ আছে। এই বিশাল জন স্ৰোতৰ সতে স্বৰ্গদেৱ চুকাফাই সমিলমিলেৰে উপত্যকা অঞ্চলত ন-সমাজৰ সূত্ৰপাত কৰিছিল।

## ১.৩. আহোমৰ অসমীয়া তিৰোতা গ্ৰহণ : গাওঁ সংগঠন :

ড° সূৰ্য্যকুমাৰ ভূঞা সম্পাদিত "দেওধাই অসম বুৰঞ্জী"ত আহোমৰ তিৰোতা গ্ৰহণ প্ৰসঙ্গত এনেদৰে কোৱা আছে :

" যি চুটিয়া, বৰাহী, মৰাণ ঠায়ে ঠায়ে পাই আহিল, লগত অহাবোৰতকৈয়ো তাৰেহে আপাহ হয়। সেই সময়ৰপৰা মানুহ মিহলি হ'ল তাৰে জীয়টী-পুতটি কৰি; যিহেতু নৰাৰ পৰা আহোতে কাৰো তিৰুতা নাই ইঠাইত আহিহে তিৰুতা ললে।" [১৬]

আহোম ৰজা-প্ৰজাই অসমীয়া তিৰোতাৰ সৈতে বৈবাহিক সম্পৰ্ক পাতি এক সুকীয়া সমাজ-জীৱনৰ বুনিয়াদ গঢ়ে। মহাৰাজ চুকাফাই সৌমাৰৰ ভূস্বামী ৰূপে বৰাহী-মৰাণৰ 'চাৰিজনী কুঁৱৰীক' পাটমাদৈ পাতিলে। অসমীয়া সমাজৰ লগত সংমিশ্ৰিত হোৱাৰ ফলত তেওঁলোকে নিজস্ব বৈশিষ্ট্য কিছু পৰিমাণে ত্যাগ কৰি হ'লেও অসমীয়াসকলৰ অংগীভূত হৈ এক জাতি এক প্ৰাণৰ বতৰা দিলে।

মনকৰিবলগীয়া যে - দূৰদৰ্শী, সমৰকুশলী মহাৰাজ চুকাফাই বিভিন্ন জাতি-প্ৰজাতিবোৰ একীভূত কৰি এক মহান অসমীয়া জাতি গঠনৰ শুভাৰম্ভণি কৰে। আহোম সকলে জাতিভেদ প্ৰথা নেমানিছিল। বিভিন্ন জাতি উপজাতিৰ লোককো নিজৰ আপোন কৰি লৈছিল। সাতসৰী অসম বুৰঞ্জীত আছে : খৰিপাত যোগাবলৈ বৰাহী মৰাণ আহে, দেখে মৰাণে দা পাৰি বহে, বৰাহীৰ চুৰিয়া মাটিত লুটিখায়। ৰজা বোলে, খৰি দি মৰাণ যাব। চ'ৰাত মৰাণ নবহিব। বৰাহীক বোলে,- "তহঁতৰ চুৰিয়াৰ আগ মাটিত লুটিবৰ দেখিলে চুৰিয়াৰ আগ কাটিম।" মৰাণে কথা ললে, বৰাহীয়ে নললে। চুৰিয়াৰ আঁচু বঙ্গী, কলীয়া ক'তো, কাম কৰা লেচেকৈ পিন্ধিবৰ দেখিলে যেন কাটে। ৰজাদেৱ এনেকৈহে বৰাহীক বশ কৰিলে, নগাকো" (পৃঃ ৭, ১৯৬৪)।

অসম বুৰঞ্জীত স্বৰ্গদেৱ প্ৰতাপসিংহৰ দিনত (১৬১১-৪৮) মোমাই তামুলী

---

১৫। সূৰ্য্যকুমাৰ ভূঞা (সম্পা): সাতসৰী, পৃঃ ৬, ১৯৬৯

১৬। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) দেওধাই, পৃঃ ১১, ১৯৮৮

* "যি চুটিয়া, কছাৰী, মৰাণ পাই লগত ললে, তাতো কাৰ্য্য অনুৰূপে নাম থৈ গল। নামি অহাতকৈ হৰাপোৱা মানুহতহে আপাহ পায়। সেই বেলাৰ পৰা মানুহ মিহলি হ'ল। তাৰে জীয়টি-পুততি মিত্ৰ কৰিলে। পূৰ্ব্বে আহোতে তিৰুতা অহা নাই। এতিয়াহে তিৰুতা হ'ল।" (সাতসৰী, পৃঃ ৪, ১৯৬৪)

বৰবৰুৱাই গাওঁ সংগঠন কৰোতে সকলো জাতৰ মানুহ মিলাই গাওঁ পতা দেখা যায়। ইয়াৰ ফলত সামূহিক ঐক্য আৰু চেতনাই গঢ় লৈ উঠিছিল। "দেওধাই অসম বুৰঞ্জী'ত মোমাই তামুলী বৰবৰুৱাই প্ৰণালীবদ্ধভাৱে কেনেকৈ গাঁও সংগঠন কৰিছিল তাৰ বৰ্ণনা এনেদৰে পোৱা যায়ঃ

" মানুহ ঘৰ ফালি দেশ বঢাই পাতিলে; তেলী, মালী, ধোবা, চমাৰ, কমাৰ, তাঁতী, সণাৰী সকলো জাতিৰ মানুহ ফালিলে। দুই ভাইৰ এপোৱা, চাৰি ভাইৰ দোপোৱা, ছই ভাইৰ তিনি পোৱা, আঠ ভাইৰ চাৰি পোৱা এই ক্ৰমে নৰাৰপৰা বঙ্গালৰ দোসীমালৈকে দেশ পাতিলে। দৈয়াঙ্গ বচা পাতিলে। মমাই তামুলী বৰবৰুৱাদেউ মহামত্য বৰ্লভ ব্ৰাহ্মণ ২ ঘৰ, গণক ২ ঘৰ, কাথৰ ২ ঘৰ, কলিতাৰ ২ ঘৰ, কেওঁট ২ ঘৰ, কোঁচ ২ ঘৰ, চুটিয়া ২ ঘৰ, বুৰুক ২ ঘৰ, বৰীয়া ২ ঘৰ, এই ক্ৰমে পাতিলে।" [১৭] বৰ্তমানেও অসমীয়া গাওঁলীয়া সমাজ এই আদৰ্শৰে প্ৰতিষ্ঠিত। সমাজত জাতিভেদ প্ৰথা নোহোৱাত আহোম, বৰাহী, মৰাণ, চুটীয়া, কোচ, কছাৰী আদি লোকসকলৰ মাজত সামাজিক ৰীতি-নীতিৰে বিয়া-বাৰু চলিছিল। ফলতঃ পৰবৰ্তী সময়ত আহোম ৰজাসকলে এক ভৌগোলিক অখণ্ডতা স্থাপন কৰি গোটেই দেশখনক এক শাসনতন্ত্ৰৰ তলত আনিবলৈ সমৰ্থ হৈছিল।

## ১.৪ ৰজাঘৰীয়া প্ৰশাসন বিভাগঃ

**ৰজাঃ** আহোম যুগৰ অসমীয়া সমাজ জীৱনৰ প্ৰথম নমস্য ব্যক্তিজন হ'ল ৰজা। ৰজা- দেৱঅংশী, স্বৰ্গদেৱ। ৰাজসিংহাসন বংশানুক্ৰম। সেয়েহে মন্ত্ৰীৰ শাসনত দেশ দুবাৰো জুৰুলা হোৱাত (১৩৭৬-১৩৮০ খ্ৰী. আৰু ১৩৮৭৯-১৩৯৮ খ্ৰী.) ৰজাৰ গোষ্ঠীৰ চুডাংফা বামুণী কোঁৱৰক ১৩৯৮ খ্ৰী. ত চৰগুৱাত ৰজা পাতিলে। তেনেকৈ শৰাইঘাটৰ ৰণৰ পিছত মন্ত্ৰীৰ হাতত শাসনশক্তি ন্যস্ত হোৱাত মহামন্ত্ৰী আতন বুঢ়াগোহাঁই ডাঙৰীয়াই "মন্ত্ৰীৰ ই কৰ্ম আযোগ্য', "ৰাজাৰ গোষ্ঠিয়েহে ৰাজা হব পাই" বুলি চুজিন্‌ফা দিহিঙ্গীয়াক ৰজা পাতিলে ১৫৯৭ শকৰ মাঘ মাহৰ ১২ তাৰিখে।

ৰজা মধ্যযুগীয় আহোম সমাজৰ প্ৰাণকেন্দ্ৰ। সাধাৰণতে উচ্চবংশ জাত, ৰাজোচিত গুণযুক্ত, পৰাক্ৰমী, শৌৰ্য্য-বীৰ্য্যশীল, সুন্দৰ, সুপুৰুষ ৰজা হোৱা বাঞ্চনীয়। আহোম স্বৰ্গদেৱ সকলৰ ৰাজফৈদ বিবিধ গুণেৰে বিভুষিত। "দেওধাই অসম বুৰঞ্জী"ত তিনিটা প্ৰধান ৰাজফৈদৰ বৰ্ণনা দিছে এনেদৰেঃ

" পূৰ্ব্বে চুকাফা স্বৰ্গদেউ নামি অহা। তেওঁৰে পুত্ৰ তিনিজনা তিনিটা খাঙ্গেৰে আহি থাকিলে, তাকে বোলে তিঙ্গখাঙ্গ। তাতে থকা জনা তিঙ্গখঙ্গীয়া; দিহিঙ্গত থকা জনাক বোলে দিহিঙ্গীয়া; উপৰ চাৰিঙ্গে থকা জনক বোলে চাৰিঙ্গীয়া; এই তিনি ঘৰ ৰাজ্য। [১৮]

এই তিনি ৰাজফৈদৰ উপৰিও নামৰুপীয়া, তিপমীয়া, পৰ্বতীয়া, চামগুৰীয়া এই চাৰি ৰাজফৈদৰপৰাও ৰজা পতা হৈছিল। সাধাৰণতে ৰজাৰ পুতেকেই ৰজা হৈছিল।

১৭। উক্ত গ্ৰন্থ, পৃঃ ১৩০ | ১৮। উক্ত গ্ৰন্থ, পৃঃ ১২৯

কিন্তু ৰজা অপুত্ৰক হ'লে বা যোগ্য পুতেক নেথাকিলে উপযুক্ত অইন এজনক ৰজা পতা হৈছিল। ভগাৰজা জয়ধ্বজ সিংহৰ ৰজা হব পৰা পুতেক নথকা হেতু তেওঁৰ ভতিজাক চক্ৰধ্বজ সিংহক ৰজা পতা হৈছিল। পিতৃৰ সিংহাসনত পুত্ৰৰ ন্যায্য অধিকাৰ থকা সত্বেও স্বৰ্গদেৱ চুকাফা, ত্যাওখামৃথি, চুডাংফা, চুজিংপা, চক্ৰধ্বজ সিংহ, উদয়াদিত্য সিংহ, ৰামধ্বজ সিংহ, প্ৰমত্ত সিংহ, ৰাজেশ্বৰ সিংহ, লক্ষ্মী সিংহ, চন্দ্ৰকান্ত সিংহকলৈ এঘাৰজন স্বৰ্গী ৰজাৰ ভাতৃ আৰু চুহুংকোঁৱৰ, গোবৰ ৰজা, চুজিনফা, চুডৈফা, ল'ৰাৰজা, গদাধৰ সিংহ, কমলেশ্বৰ সিংহ, পুৰন্দৰ সিংহ আৰু যোগেশ্বৰ সিংহকলৈ নজন দূৰ সম্পৰ্কীয় কোঁৱৰে আহোম ৰাজসিংহাসনত বহিছিল। আহোমৰ প্ৰথম ৰজা চুকাফাৰ পৰা শেষ ৰজা পুৰন্দৰ সিংহলৈ মুঠ উনচল্লিশজন ৰজাৰ বাকী উনৈশজনে পিতা-পুত্ৰৰ সম্পৰ্ক অটুট ৰাখিছিল।

বিচাৰ, নিয়োগ, কাৰ্য্যপালিকা, যুদ্ধ-সন্ধিৰ আদেশ ইত্যাদি সকলো বিষয়তে ৰজা সৰ্বেসৰ্বা আছিল। বুৰঞ্জীবিদ হৰকান্ত বৰুৱা সদৰামিনে "অসম বুৰঞ্জী" ত লিখিছে- "ৰাজাদেও সৰ্বাধিকাৰ সকলো মতে দণ্ড কৰিব পাৰে, সকলো বিষয়াক ভঙ্গাপতা কৰিব পাৰে।"[১৯] ৰজাই শিঙৰি ঘৰত উঠি ৰাজ-অভিষেক পাতিলেহে নিজৰ নামত মোহৰ মৰাৰ নিয়ম আছিল। তিনিজনা মন্ত্ৰী, বৰুৱা, ফুকন, ৰাজখোৱা আদি ডা-ডাঙৰীয়াসকলে ৰজাক ৰাজকাৰ্য্যত সহায় কৰিছিল. ৰজা সমন্বিতে এই ডা-ডাঙৰীয়াসকলকলৈ সমাজত অভিজাত শ্ৰেণী গঢ়লৈ উঠিছিল।

## ১.৫ মন্ত্ৰী ঃ

অসম বুৰঞ্জীবোৰত বৰ্ণিত ৰজাৰ পিছৰ সমাজত ক্ষমতাশালী ব্যক্তিসকল হ'ল- তিনিজনা ঘাই মন্ত্ৰী ডাঙৰীয়া বুঢ়াগোহাঁই, বৰগোহাঁই আৰু বৰপাত্ৰ গোহাঁই চুকাফাৰ দিনৰে পৰা দিহিঙ্গীয়া ৰজাৰ সময়লৈ বুঢ়াগোহাঁই আৰু বৰগোহাঁই- এই দুজন গোহাঁইহে আছিল। চুহুংমুং দিহিঙ্গীয়া ৰজাৰ (১৪৯৭-১৫৩৯ খ্ৰী.) আমোলত বৰপাত্ৰ গোহাঁইৰ পদ সৃষ্টি কৰা হয়। কনচেং গোহাই হ'ল প্ৰথম বৰপাত্ৰ গোহাঁই। এওঁক দুজনা গোহাঁইৰ মাজতে বহিবলৈ আসন দি ৰজাদেৱে নিয়মকৈ বোলে- "গোহাঞিবোৰ হ'ল ৰূপৰ উধান, মই হলো সোণৰ থালি।"[২০] এয়াই আছিল তিনিজনা মন্ত্ৰী আৰু স্বৰ্গদেৱৰ সম্পৰ্ক। ৰজাৰ দৰে এওঁলোককো একোটা নিৰ্দিষ্ট পৰিয়াল বা বংশৰপৰা নিৰ্বাচন কৰা হৈছিল। সাধাৰণতে গোহাঁই নিৰ্বাচনত পিতাৰ ঠাই পুত্ৰই লোৱা সমাজ ব্যৱস্থা। অৱশ্যে যোগ্যতাৰ খাতিৰত সেই বংশৰে যিকোনো পুৰুষকো নিয়োগ কৰিব পাৰিছিল। তিনিজনা ডাঙ্গৰীয়া পাতিব লাগিলেই বৰচৰাৰ উতৰ টুপৰ ঘৰিয়ালধৰা খুঁটাতে ধৰাই বা ওচৰতে থিয়কৈ স্বৰ্গদেৱৰ আজ্ঞা সুনালেই কাপৰ দিএ, তাতে ডাঙ্গৰীয়া বহে।

১৯। হৰকান্ত বৰুৱা সদৰামিন ঃ অসম বুৰঞ্জী, পৃঃ ১১৮, ১৯৬২

২০। সূৰ্যকুমাৰ ভূঞা (সম্পা) ঃ সাতসৰী, পৃঃ ৬,১৯৬৯

অন্যবোৰ মানুহ দস্তুৰমতে আঠুলৈ বহে। পাচে কথা সুনুআ সকলে কব লগা তাৰত কথা কই; তাতে ডাঙৰীয়াই প্ৰত্যুত্তৰ প্ৰাৰ্থনা সৰ্গদেৱলৈ সেই কথা খুনুআ সকলৰ দ্বাৰাই জনাই। তাৰপৰা উঠি চৰাৰ মাজৰ নিজ ঠাইত তলচাত বহেগৈ; কিন্তু কোনো জনা নিজ ঠাইত নবহি সেই উঠাতেই ৰাজঘৰলৈ জাইগে।"[২১] মৰ্য্যাদাৰ পিনৰ পৰা এই তিনিওজনৰে সমান। তিনিজনা ডাঙৰীয়া একমত হ'লে ৰজাকো ভঙা-পতা কৰিব পাৰিছিল। চুৰম্‌ফা ভগা ৰজাৰ অত্যাচাৰত ৰব নোৱাৰি ডাঙৰীয়াসকলে একমত হৈ ১৫৬৬ শকৰ ভাদ মাহৰ ১৩ তাৰিখ শনিবাৰে চুত্যিংফা নৰিয়া ৰজাক ৰাজ সিংহাসনত বহুৱাইছিল। তেনেদৰে ক্ষমতালিপ্সু স্বাৰ্থান্বেষী লালুকসোলা বৰফুকনৰ প্ৰৰোচনাত "লৰাৰজাই অনেক কোঁৱৰসকলক ধৰি ধৰি আনি দণ্ডবদ্ধ কৰি অনেক অনীতি কৰ্ম কৰিব ধৰিলে। সেই দেখি বুঢ়াগোহাঞি প্ৰভৃতি ডাঙৰীয়াসকলে মনত বিৰক্তি হৈ অন্য একজনকে ৰজা পাতি লবলৈ মনস্থ কৰিলে, যেহেতু ৰাজ্য ভঙা-পতাৰ ভাৰ ডাঙৰীয়াসকলৰে আছিল। পাছে ডাঙৰীয়াসকলে ৰজা হবৰ যোগ্য লোক নেদেখি আৰু গদাপাণি কোঁৱৰ কামৰূপত থকা শুনি তেওঁকেই ৰজা হবৰ উপযুক্ত হেন জানি ৰাজা পাতি লৈ যাবৰ কাৰণে বৰফুকন প্ৰভৃতি লৈ লিখাত, লানমাখৰুৰ বঙহ বন্দৰ বৰফুকনৰ ঐ গদাপাণি আশ্ৰয় কৰাত, ঐ বন্দৰ বৰফুকনে সকলো ফুকন ৰাজখোৱাৰে পৰামৰ্শ কৰি গদাধৰ কোঁৱৰক যোগ্য হেন জানি ৰজা লোৱা স্থিৰ কৰি ৰাণীৰপৰা নিয়াই সৰিয়হতলীতে হেঙদানত তুলি বৰফুকন ও পানীফুকন আৰু ডেকাফুকন, ৰাজখোৱা সকলে ৰাজা বুলি সেৱা কৰিলে।"[২২]

পদ-মৰ্য্যাদা আৰু শাসনতন্ত্ৰ নিয়ন্ত্ৰণৰ ফালৰপৰা সমাজত এওঁলোকৰ স্থান ৰজাৰ পিছতে। ৰজা বিনে অইনৰ ওচৰত শিৰ নত কৰা প্ৰশ্নাতীত। সেয়ে চন্দ্ৰকান্ত সিংহ মহাৰাজৰ লগত কুকুৰাচোৱা ভূতৰ পুতেক সত্ৰামক একেলগে বহা দেখি তিনিওজনে অসন্তোষ কৰি একেমুখে ক'লে:

" স্বৰ্গদেৱ ঈশ্বৰৰ আগত আমি মূৰ দোঁৱাব পাৰো। কিন্তু সেই বুলি কুকুৰাচোৱা এটাৰ আগত নোৱাৰো। যদিও স্বৰ্গদেৱে সত্ৰাম চাৰিঙীয়া ফুকনক অনুগ্ৰহ কৰিছে তথাপি দুয়ো সুকীয়া আসনত বহাটোহে আমি উত্তম হেন দেখো।"[২৩]

পদমৰ্য্যাদানুসৰি এওঁলোকে সুকীয়া সুকীয়া ৰাজকীয় সাজপাৰ পৰিধান কৰিছিল। তিনিজনাৰ প্ৰধানজনক ৰাজমন্ত্ৰী বোলা হৈছিল। তেওঁ বৰ্তমানৰ মুখ্যমন্ত্ৰীৰ নিচিনা। এওঁলোকে সকলো লাগতিয়াল কথাত ৰজাৰে পৰামৰ্শ কৰি সিদ্ধান্তত উপনীত হৈছিল। এওঁলোকৰ সন্মতি নোলোৱাকৈ ৰজাই কোনো যুদ্ধ বিগ্ৰহাদিও চলাব নোৱাৰিছিল। ৰাজকাৰ্য্যত সহায় কৰাৰ বিনিময়ত এওঁলোকে নিৰ্দিষ্ট সংখ্যক পাইক আৰু একোখণ্ড

২১। কাসিনাথ তমুলিফুকন: আসাম বুৰঞ্জি পুথি, পৃ: ৯৯,১৯০৬
২২। হৰকান্ত বৰুৱা সদৰামিন: অসম বুৰঞ্জী, পৃ: ৫৬-৫৭, ১৯৬২
২৩। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) সাতসৰী, পৃ: ১৮৭ ১৯৬৪

ভূমি পাইছিল। পাইকবোৰক নিজৰ উৎপাদনৰ কামত নিয়োগ কৰিছিল। এওঁলোকে নিজৰ অধীনস্থ পাইকক দণ্ড বিহিব পাৰিছিল।

১.৬ আহোম স্বৰ্গদেবসকলে 'সাতৰাজ্য মাৰি একৰাজ্য' কৰাত ৰাজ্যৰ কলেবৰ বৃদ্ধি পোৱাত অধিক নতুন বিষযাৰ প্ৰয়োজন হৈ পৰিল। সেয়েহে সময়ত চুচেংফা প্ৰতাপসিংহ বুঢ়া ৰজাৰ (১৬১১-১৬৪৮ খ্ৰী.) ৰাজত্বকালত তিনিজন ঘাই মন্ত্ৰীৰ লগতে দুজন পালিমন্ত্ৰী বৰবৰুৱা আৰু বৰফুকন পদৰ সৃষ্টি কৰা হয়। উজনি আৰু নামনি খণ্ডত প্ৰজাবৃন্দৰ লগত পোনপটীয়া যোগসূত্ৰৰ মূলব্যক্তি হ'ল- এওঁলোক দুজন। ঘাইমন্ত্ৰী তিনিজনা যিদৰে ৰজাৰ ৰাজকাৰ্য্য চলোৱা বাবে দায়ী তেনেদৰে পালি মন্ত্ৰীদুজনা আহোম ৰাজ্যত প্ৰজা সংগঠনৰ বাবে বিশেষ বিশ্বস্ত বিষয়া।

### (ক) বৰবৰুৱা ঃ

আহোমৰ প্ৰথম বৰবৰুৱা হ'ল- শুকটি মোমাই তামুলী বৰবৰুৱা। উজনিত খেল-প্ৰথা প্ৰবৰ্তনেৰে অসমীয়া সমাজ-সংগঠনৰ মূল লাইখুটা হ'ল মোমাই তামুলী বৰবৰুৱা। বৰবৰুৱা পদ পুৰুষানুক্ৰমিক নাছিল। বুৰঞ্জীত প্ৰথমতে অৱশ্যে পুৰুষানুক্ৰমে এই পদবী পোৱা দেখা যায় যদিও পিছলৈ বাৰফৈদ চমুৱা আহোমৰপৰা বৰবৰুৱা নিয়োগ কৰা হৈছিল। প্ৰধান গোহাঁই তিনিজনৰ পৰিয়ালৰপৰা কোনোৱে এই পদবী পাব নোৱাৰিছিল। এইখিনিতে সম্ভ্ৰান্ত বংশৰ লোকৰপৰা ৰাজকৰ্মচাৰী লোৱা নীতি প্ৰৱৰ্তিত হ'লেও একে ঠাইতে যাতে ক্ষমতা কেন্দ্ৰীভূত হ'ব নোৱাৰে তালৈহে নজৰ ৰখা হৈছিল। সমাজ গাঁথনিৰ এই দিশটো সঁচাকৈয়ে তাৎপৰ্য্যপূৰ্ণ। বৰবৰুৱাৰ এক্তিয়াৰ শদিয়াৰপৰা কলিয়াবৰলৈ আছিল। এই ভূখণ্ডত পোনপটীয়াকৈ কাৰো একো হাত নাছিল। তেৱেঁই ন্যায়াধীশ হোৱাত এই ভূখণ্ডৰ ন্যায় শাসনৰ বাবে দায়ী আছিল। বৰবৰুৱাই প্ৰয়োজন বিশেষে সেনাধ্যক্ষৰ দায়িত্বও বহন কৰিব লগীয়া হৈছিল। সেয়ে আৱশ্যক হ'লে ৰণলৈ সেনাপতি ৰূপে যাব লাগিছিল। ৰাজ-সেৱাৰ বাবে তেওঁ চৈধ্য হাজাৰ পাইক আৰু এহেজাৰ পুৰা নিষ্কৰ মাটিৰ খাত পাইছিল।

### (খ) বৰফুকন ঃ

১৫৩৯ শকত প্ৰতাপসিংহৰ ৰাজত্বকালত লাঙ্গিফুকনক বৰফুকন পাতি এই পদবীৰ সৃষ্টি কৰা হয়। বৰফুকন হ'ল নামনি অঞ্চলত স্বৰ্গদেৱৰ বিশেষ ক্ষমতাপুষ্ট ৰাজ প্ৰতিনিধি। এওঁৰ এক্তিয়াৰ প্ৰথমতে কলং আৰু ব্ৰহ্মপুত্ৰৰ মাজৰ ঠাইডোখৰ আছিল যদিও পিছলৈ আহোমৰ ৰাজ্য বিস্তৃতিৰ লগে লগে এই সীমা মানাহ নদীলৈকে প্ৰতিষ্ঠিত হৈছিল। এওঁৰ সদৰ কাৰ্য্যালয় আছিল গুৱাহাটী। দেশৰ নামনিখণ্ড ৰাজনৈতিকভাৱে বেছি স্পৰ্শকাতৰ হোৱা হেতু স্বাভাৱিকতে এওঁৰ দায়িত্ব বহু বেছি আছিল আৰু সেয়ে প্ৰশাসনীয় ক্ষমতাই ৰজাৰ আদেশলৈ বাট নেচাই থিতাতে মৃত্যুদণ্ডৰ দৰে চৰম সিদ্ধান্ত লবলৈও এওঁ কুণ্ঠাবোধ নকৰিছিল। ফলস্বৰূপে কেতিয়াবা কেতিয়াবা অবিবেচক, কাঢ়ীৰ

স্বাৰ্থান্বেষী বৰফুকনৰ হাতত ক্ষমতাৰ অপপ্ৰয়োগ হোৱাৰ চানেকি অসম বুৰঞ্জীত নোহোৱা নহয়। উদাহৰণ স্বৰূপে একে ঔৰসজাত লাচিত বৰফুকনৰ ককায়েক লালুকসোলা বৰফুকনৰ কাৰ্য্যাৱলীলৈ আঙুলিয়াব পাৰি। 'এৰেই সোণৰ সঁফুৰা হেন' গুৱাহাটী নগৰক মোগলৰ হাতত তুলি দি ৰাজক্ষমতাক অৱমাননা কৰাৰ লগতে অসমীয়া সমাজ জীৱনত ভাঙোন আনিছিল। বৰফুকনৰ নিযুক্তি বংশানুক্ৰম নাছিল; ৰজাৰ ইচ্ছা আৰু সন্তুষ্টিৰ ওপৰত ই নিৰ্ভৰ কৰিছিল। নামনি খণ্ডত ৰাজহ সংগ্ৰহ, সীমান্ত নিৰাপত্তা আৰু পাইকৰ শাসন আদি প্ৰশাসনীয় কাৰ্য্যৰ চূড়ান্ত বিষয়া আছিল এই বৰফুকন। প্ৰয়োজন সাপেক্ষে এওঁ ৰণলৈ সেনাপতি ৰূপে গৈ সৈন্যৰ মহলা মাৰিব লাগিছিল, যুদ্ধ-সন্ধি আদি গুৰুতৰ কাৰ্য্য সম্পাদন কৰিছিল। এওঁ ৰাজ-সেৱাৰ নিমিত্তে বৰবৰুৱাৰ দৰে এহেজাৰ পুৰা নিষ্কৰ ভূমি আৰু পঁচিশ গোট লিকচৌৰ সেৱা লাভ কৰিছিল। পদ মৰ্য্যাদাৰ ফালৰ পৰা বৰবৰুৱা আৰু বৰফুকন দুয়োজনৰে সমান। ৰজাঘৰৰ পৰা সুকীয়া আহিলাপাতি আৰু চাল-চলনৰ গতি-বিধি পদ মৰ্য্যদাৰে বন্ধা আছিল।

## ১.৭ গোহাঁই :

স্বৰ্গদেৱে শাসনৰ সুবিধাৰ্থে ৰাজ্যৰ কলেৱৰ বাঢ়ি যোৱাৰ লগে লগে পালি মন্ত্ৰী দুজনৰ বাহিৰে ঘাইমন্ত্ৰী তিনিজনক সহায় কৰিবলৈ শদিয়া, মৰঙী আৰু সলাত যথাক্ৰমে তিনিজনা গোহাঁইক নিয়োগ কৰিছিল। বুৰঞ্জীত এওঁলোকক ক্ৰমে শদিয়াখোৱা গোহাঁই, মৰঙী খোৱা গোহাঁই আৰু সলাল গোহাঁই নামে জনা যায়। আঞ্চলিক শাসনকৰ্তা এই গোহাঁইসকলে আহোম মহাৰাজৰ প্ৰতিনিধি স্বৰূপে কাৰ্য্য নিৰ্বাহ কৰিছিল। মান-মৰ্য্যাদাত এওঁলোক সমান। এওঁলোকে নিজ নিজ অঞ্চলত থাকি ৰজাঘৰলৈ লগুৱা-লিক্‌চৌ যোগান ধৰাৰ উপৰিও যুদ্ধৰ সময়ত সৈন্য সামন্তৰে নিজেও ৰণ-ভূমিত অস্ত্ৰ ধাৰণ কৰিছিল। প্ৰয়োজন বিশেষে তিনিজনা ডাঙৰীয়াৰ সমানে দণ্ড কৰিবও পাৰিছিল। এই তিনিজনাক দাতিয়লীয়া গোহাই বোলে। দাঁতিয়লীয়া অঞ্চলৰ ৰাষ্ট্ৰীয় নিৰাপত্তাৰ লগতে প্ৰজাবৃন্দৰ মংগল-অমংগলৰ প্ৰতি দায়বদ্ধ আছিল এই গোহাঁইসকল। "এওঁলোকক Frontier Governor কিম্বা Political Agentsৰ লগত ৰিজাব পাৰি। এওঁলোকৰ প্ৰত্যেকৰে লগত এহেজাৰকৈ মানুহ থাকে। এওঁলোক বৰবৰুৱা বা বৰফুকনতকৈ তলখাপৰ বিষয়া; কিন্তু সাধাৰণতে সিবিলাক বুঢ়াগোহাঁই ডাঙৰীয়াৰ নিচেই আপোন বংশৰ মানুহ বুলি অলপ বেছিকৈ গৌৰব কৰে।"[২৪] দাঁতিয়লীয়া তিনি গোহাঁইৰ বাহিৰেও জাগীচকীত "জাগীয়াল গোহাঁই", কাজলীমুখত "কাজলীমুখীয়া গোহাঁই", ৰহা চকীত "ৰহীয়াল গোহাঁই", বানৰুকৰ চকীত "বানৰুকীয়া গোহাঁই" আদিয়ে নিজ নিজ অঞ্চলৰ প্ৰশাসনৰ দায়িত্ব পালন কৰিছিল। দেশৰ এই সীমান্তৱৰ্তী এলেকাত শত্ৰুৰ শেন চকুক এওঁলোকে সততে দৃষ্টি নিক্ষেপ কৰিছিল। আহোম স্বৰ্গদেৱ সকলৰ ক্ষমতাৰ

---

২৪। হিতেশ্বৰ বৰবৰুৱা : আহোমৰ দিন, পৃঃ ৫৩৪,১৯৮১

-এনেকুৱা বিকেন্দ্ৰীকৰণ প্ৰক্ৰিয়া সচাঁকৈয়ে অতুলনীয়।

### ১.৮ ফুকন ঃ

আহোম সমাজ ব্যৱস্থাৰ অন্য এক প্ৰখ্যাত ব্যক্তি হ'ল- ফুকন। ফুকন স্থানীয় সম্ভ্ৰান্ত পৰিয়ালৰ বিশ্বাসী বিষয়া। উত্তৰাধিকাৰসূত্ৰে এওঁলোকক নিয়োগ নকৰি ৰজাৰ ইচ্ছা-অনিচ্ছানুসৰিহে এই শ্ৰেণী বিষয়াক নিৰ্বাচন কৰা হৈছিল। ন্যায়সোধাৰপৰা জাল-ভাৰীলৈকে কামৰ পৰ্য্যায় অনুসৰি ফুকনবোৰৰ দায়িত্বও ভিন-ভিন আছিল। ৰাজ চ'ৰাত বহি এওঁবিলাকে বিভিন্ন পৰামৰ্শ আগবঢ়াইছিল। বিভিন্ন পদবীৰ ছয়জন ফুকনেৰে বৰবৰুৱা আৰু বৰফুকনৰ বিচাৰ কক্ষ গঠিত আছিল। পদ-মৰ্য্যাদানুসৰি কামৰ শ্ৰেণী বিভাগ কৰি দিয়া হৈছিল। অন্যান্য ডা-ডাঙৰীয়াসকলৰদৰে ৰাজসেৱাৰ বিনিময়ত প্ৰভূত লগুৱা-লিকচৌ আৰু নিষ্কৰ ভূমি পাইছিল। আহোম ৰজাৰ এনেকুৱা ছব্বিশ জন ফুকন আছিলঃ খঙীয়া ফুকন, খাৰঘৰীয়া ফুকন, গন্ধীয়া ফুকন, ঢোলাধৰা ফুকন, চিৰিং ফুকন, চাৰিঙীয়া ফুকন, চাংবুং ফুকন, জালাভাৰী ফুকন, ডেকা ফুকন, ঢেকিয়াল ফুকন, তামুলী ফুকন, তিপমীয়া ফুকন, দেৱলীয়া ফুকন, দিহিঙীয়া ফুকন, নাওবৈচা ফুকন, ন্যায়সোধা ফুকন, নাওশলীয়া ফুকন, ন-ফুকন, নেওগ ফুকন, পৰ্বতীয়া ফুকন, ভিতৰুৱাল ফুকন, ৰাইডাঙীয়া ফুকন, ৰহিয়াল ফুকন আৰু ৰাজগুৰু ফুকন। এওঁলোকৰ ভিতৰত নাওবৈচা ফুকন, ভিতৰুৱাল ফুকন, ন-ফুকন, নেওগ ফুকন, দিহিঙীয়া ফুকন আৰু ডেকা ফুকন চ'ৰাৰ ফুকন নামে জনাজাত। এওঁলোকৰ মান মৰ্য্যাদা বাকী সবতকৈ কিছু বঢ়া আছিল। এওঁলোক ছহেজাৰ পাইকৰ শাসনকৰ্তা আছিল।

এইটো সৰ্বজনবিদিত যে আহোম ৰজাদিনীয়া শাসন ব্যৱস্থাত ৰাজকৰ্মচাৰী সকলে ৰজাঘৰৰপৰা অৰ্থ-কড়িৰ সলনি তেওঁলোকক সহায় কৰিবলৈ প্ৰভূত পৰিমাণৰ পাইক পোৱাৰ নিয়ম চলিছিল। উল্লিখিত ফুকনবোৰে সময়ত অধীনস্থ পাইকৰ হতুৱাই কাম কৰাইছিল। ইয়াকে কৰোতে ফুকনে হাজৰিকাক, হাজৰিকাই শইকীয়াক আৰু শইকীয়াই বৰাক নিয়োগ কৰিছিল। এইদৰে ক্ৰমাগতভাৱে সামাজিক দায়বদ্ধতা পালন কৰাত তাহানিৰেপৰা অসমীয়া সমাজ শৃংখলাবদ্ধ আৰু বিনয় পৰিপাটী বুলি সুখ্যাতি লাভ কৰি আহিছে। অৱশ্যে পৰৱৰ্তী সময়ত ডা-ডাঙৰীয়াসকলে ভোগ কৰা এই বিশেষ সা-সুবিধাই সমাজত অভিজাত শ্ৰেণীৰ জন্ম দিয়াৰ লগতে সাধাৰণ প্ৰজাৰ ওপৰত কৰা শোষণ আৰু অত্যাচাৰ ক্ৰমাত বাঢ়ি গৈ সমাজত যে নানান অশান্তিৰ সৃষ্টি কৰিছিল এইটো নিঃসন্দেহ।

### ১.৯ বৰুৱা ঃ

ফুকনৰ বাহিৰেও আহোম ৰজাদিনীয়া শাসন ব্যৱস্থাৰ সতে জড়িত আৰু এক শ্ৰেণীৰ কৰ্মচাৰী হ'ল- বৰুৱা। ফুকনৰ দৰেই কাৰ্য্যানুসৰি এওঁৰো সুকীয়া সুকীয়া পৰিচয়। বৰুৱাৰ নিয়োগ পত্ৰ জাতিভিত্তিক নহৈ যোগ্যতাৰ মাপ কাঠিত নিৰ্ণয়

কৰা হৈছিল। বৰ্তমান শাসনতন্ত্ৰৰ যোগান বিষয়াৰ সতে তাহানিৰ বুৰঞ্জীত বৰ্ণিত বৰুৱাসকলৰ কামৰ লেখ লব পাৰি। কাঠকটীয়া বৰুৱা, ঘিউ বৰুৱা, পাখিমৰীয়া বৰুৱা, ধেনুচোঁচা বৰুৱা, ফুল-পানী বৰুৱা, চৰাইমৰীয়া বৰুৱা সেই সেই বস্তুবোৰৰ যোগান বিভাগৰ দায়িত্বত আছিল। তদানীন্তন সমাজ ব্যৱস্থাৰ বিভিন্ন খেলৰ মূৰব্বী জনক বৰুৱা নামেৰে অধিকাৰী পাতিছিল। এইবোৰৰ ভিতৰত চাওডাং বৰুৱা, হাতী বৰুৱা, ঘোঁৰা বৰুৱা নাওসলীয়া বৰুৱা, হিলৈদাৰী বৰুৱা, শেনচোৱা বৰুৱা আদি উল্লেখযোগ্য। এওঁলোকৰ উপৰিও পুৰণিমেল, গাভৰুমেল, সৰুমেল, মাজুমেল, মাহীমেলত একোজনকৈ বৰুৱা আছিল।

মনকৰিবলগীয়া যে বৰুৱাসকলে প্ৰয়োজন হ'লে বিচাৰ কৰি দোষীক গতা, ঢকা, কোব আদি লঘু শাস্তি বিহিব পাৰিছিল। তিপমীয়া, মৰাণ, চান্দকুছি, ৰহা, নামৰূপ আদি অঞ্চলত বৰুৱাসকলে শাসনকাৰ্য্য চলোৱাৰ উল্লেখ বুৰঞ্জীত পোৱা যায়। নামনি অঞ্চলত বৰফুকনে সময় বিশেষে বৰুৱা নিযুক্তি দিছিল। এওঁলোক হ'ল ৰজাৰ ভিতৰুৱাল বিষয়া।

### ১.১০ ৰাজখোৱা ঃ

"ৰাজখোৱাসকল প্ৰকৃততে ৰাজ্যপালৰ নিচিনা। শাসনকৰ্তা।... ফুকন-বৰুৱাসকল কিছু সংখ্যক পাইকৰ অধিপতি আছিল কিন্তু ৰাজখোৱা একো-একোখন ঠাইৰ অধিপতি আছিল।"[২৫] শলগুৰি, নামদাং, অভয়পুৰ, দিহিং, নিবুক, বচা, দিখৌমুখ, গজপুৰ, ঘিলাধাৰী, দৈয়াং, এই কেইটা অঞ্চল চৈধ্যজন ৰাজখোৱাৰ অধীনত আছিল। এওঁলোক সেই ঠাই নামৰ সৈতে এনেদৰে পৰিচিত আছিল- নিবুকিয়াল ৰাজখোৱা, ঘিলাধৰীয়া ৰাজখোৱা, গজপুৰীয়া ৰাজখোৱা, দিহিঙীয়া ৰাজখোৱা, বচা ৰাজখোৱা ইত্যাদি। মান-মৰ্য্যাদাৰ ফালৰপৰা সকলোবোৰ একেই। এওঁলোকৰ নিযুক্ত চমুৱা আহোমৰপৰাই হৈছিল। এওঁলোকে দোষীক বিচাৰ কৰি 'নাক-কাণ পৰ্য্যন্ত কাটি দণ্ড কৰিব পাৰে।' ৰজাৰ আজ্ঞামতে এওঁলোকে যুদ্ধলৈও যাব লাগে। যুদ্ধত তিনি হেজাৰ সৈন্য পৰিচালনাৰ দায়িত্ব আছিল ৰাজখোৱাসকলৰ। সেই পিনেদি বৰবৰুৱাৰ তলতেই আছিল ৰাজখোৱাসকল। যাতায়তৰ বাবে এওঁলোকে ৰজাঘৰীয়া সজুলি হিচাপে পৰ্হিচাঙী বা লোহাৰ ঢেকৰলগা চাঙী পায়।

### ১.১১ বৈৰাগী, খাউণ্ড, কাকতি, কটকী, দলৈ ঃ

আহোম যুগত ৰাজকাৰ্য্যৰ বিভাগ অনুসৰি ভাগে ভাগে বৈৰাগী, খাউণ্ড, কাকতী, কটকী, দলৈ আদি বিষয়াসকলে সমসাময়িক সমাজ জীৱনৰ দায়িত্বশীল কৰ্মচাৰীৰূপে প্ৰতিষ্ঠা লভিছিল। মহাৰাজ ৰুদ্ৰসিংহ স্বৰ্গদেৱে বৈৰাগী আৰু খাউণ্ড খেল প্ৰথমে প্ৰবৰ্ত্তন কৰে। এওঁৰ নিৰ্দ্দেশ মতে লাংটা বৈৰাগীৰ খেলৰ লোকে "বেশচ্ছৰ্ণপূৰ্বক

---

২৫। লীলা গগৈ ঃ টাই সংস্কৃতিৰ ৰূপৰেখা, পৃঃ ১৯১, ১৯৮৫

দেশ দেশান্তৰি যাই যি যি দেশৰ যি ৰীতি, বস্ত্ৰালংকাৰ পিন্ধাৰ নমুনা সোধ-পোছৰ ৰীতি ফুৰা চকাৰ নিয়ম "[২৬] ইত্যাদি খবৰ যোগনিয়াৰ ৰূপে নিযুক্ত পালে। কাকতীসকল ৰজাঘৰীয়া হিচাপ-নিকাচ, কাকত-পত্ৰ চোৱাৰ দায়িত্বত আছিল। চাংকাকতী, জোলা-শালৰ কাকতী, পাখি কাকতী আদিয়ে নিজ নিজ কামৰ তদাৰক কৰিছিল। তেনেকৈ বৰকটকী, মাজু কটকী আৰু সৰু কটকী- এই তিনি ৰকম কটকীৰ সুকীয়া সুকীয়া দায়িত্ব আছিল। কটকীসকলে প্ৰধানতঃ বিদেশত গৈ ৰজাৰ হ'কে প্ৰচাৰ কৰিছিল আৰু মিত্ৰতা স্থাপনত সহায় কৰিছিল। স্বৰ্গদেৱ প্ৰতাপসিংহৰ (১৬১-৪৮ চন) দিনৰ পৰা এই কটকী পদবীৰ সৃষ্টি হয়। সাধাৰণতে "প্ৰায়স ব্ৰাহ্মণ, চতুৰ লোককহে এই পদবীত নিযুক্তি দিয়া হৈছিল। দেশৰ বহিঃপৰিক্ৰমা বিভাগত নিজৰ ৰাজনৈতিক চাতুৰ্য্যৰে দেশ আৰু প্ৰজাৰ গৌৰবৰ্দ্ধন এওঁলোকৰ কাম্য। আনহাতে দলৈসকলৰ কাম আছিল জ্যোতিষ চৰ্চাৰ দ্বাৰা দেশৰ মঙ্গল ৰক্ষাত স্বৰ্গদেৱক সহায় কৰা। এই দলৈ তিনি শ্ৰেণীৰ- বৰদলৈ, মাজু দলৈ আৰু সৰু দলৈ। এওঁলোকে ৰজা আৰু বৰফুকনৰ সভা অলংকৃত কৰিছিল। যুদ্ধ-বিগ্ৰহৰ সময়ত সেনাপতি, ফুকন আৰু বৰবৰুৱাহঁতৰ লগতো এওঁলোকে ৰণ থলীলৈ যাব লাগিছিল আৰু যুদ্ধৰ সুভ-অসুভ মুহূৰ্ত গণনা কৰিছিল। বিখ্যাত শৰাইঘাট ৰণৰ অচ্যুতানন্দ দলৈৰ কথা প্ৰসঙ্গক্ৰমে স্মৰণীয়ঃ "পাচে ফুকনে খেদি ধৰিবৰ মন কৰিছিল। অচ্যুতানন্দদলৈয়ে বোলে- 'অথন বেঢ়ি ধৰিবলৈ ভাল নহৈছে।" ফুকনে বোলে- "গণক, স্বৰ্গদেৱে নৌকাটতেই মইয়ে কাটিম।" দলৈয়ে বোলে- "কাটিবা"। বাধা কৰিলত বাটঘৰতে থাকি তিলে তিলে বাৰ্ত্তা লৈছিল। ফুকনে বোলে- "বঙ্গালে দেখো আমৰাজুৰি পাৰ হ'ল; গণৰ তয়ো কটা গলি, মোৰো দুৰ্যশ আনি চাউল কানি মাৰিলি" পাচে ক্ষণক থাকি দলৈয়ে বোলে- "স্বৰোদয়ত উত্তম পাইছো, এতিয়া বঙ্গালক ধৰিবলৈ উঠিব লাগে।"[২৭]

## ১.১২ পাইক ঃ

পাইক প্ৰথা স্বৰ্গদেৱ প্ৰতাপসিংহৰ দিনত মোমাই তামুলী বৰবৰুৱাৰ সৃষ্টি। শুকুটি মোমাই তামুলী বৰবৰুৱাৰ এই পাইক প্ৰথা অসমীয়া সমাজ সংগঠনৰ লাইখুটা। এওঁৰ প্ৰজা বিভাজন পদ্ধতিয়ে সমসাময়িক প্ৰজাবৃন্দক প্ৰধানকৈ দুটা গোটত বিভক্ত কৰায়ঃ (ক) সাধাৰণ প্ৰজাবৃন্দ আৰু (খ) অভিজাত শ্ৰেণীৰ প্ৰজাবৃন্দ। সাধাৰণতে ৰজাঘৰীয়া নানান বা-বিষয়া কৰ্মচাৰী আদি অভিজাত শ্ৰেণীৰ পৰাই নিৰ্বাচন কৰা হৈছিল। এই অভিজাত বা সম্ভ্ৰান্ত শ্ৰেণীয়ে পাইকানি খাটিব নালাগিছিল। এওঁলোকে ৰজাঘৰত খাটনিৰ সলনি নিৰ্দ্দিষ্ট হাৰত কৰ বা খাজনা দিছিল। ফলতঃ সাধাৰণ শ্ৰেণীৰ কাঢ়ী পাইকতকৈ সমাজত এই চমুৱা পাইকৰ উচ্চস্থান নিৰ্ণীত হৈছিল। এই কাঢ়ী পাইকসকলে প্ৰতি তিনি বা চাৰি জনে মিলি এটি গোট বা সমষ্টিত শ্ৰেণীবদ্ধ হৈছিল। প্ৰতিজন মানুহক

২৬। হৰকান্ত বৰুৱা সদৰামিন ঃ অসম বুৰঞ্জী, পৃঃ ১৩০, ১৯৬২
২৭। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) ঃ অসম বুৰঞ্জী, পৃঃ ১০২, ১৯৬০

এপোৱা পাইক বোলা হৈছিল। এনেকুৱা চাৰিটা এপোৱাৰে এটি গোটৰ সৃষ্টি হৈছিল। সাধাৰণতে প্ৰতিটো গোটৰ এজন এজনকৈ বছৰেকত নিৰ্দিষ্ট সময়ৰ বাবে প্ৰতিজনে ৰজাঘৰীয়া কামত খাটনি খাটিব লাগিছিল। যুদ্ধ-বিগ্ৰহ আদি সমস্যাই দেখা দিলে নতুবা বিশেষ জৰুৰীকালীন অৱস্থাত গোটৰ সমস্ত পাইকে ৰজাঘৰীয়া কামত আত্মনিয়োগ কৰিবলৈ বাধ্য আছিল। কেতিয়াবা তিনিপোৱা পাইকেৰে এটি গোট তৈয়াৰ হৈছিল। গৌৰীনাথ সিংহ স্বৰ্গদেৱে চাৰিজন পাইকৰ এটি গোট প্ৰবৰ্তন কৰিব নোৱাৰি দুখ প্ৰকাশ কৰিছিল। এনেধৰণৰ পাইকৰ গোটক ক্ৰমে মূল, দোৱাল আৰু তেৱাল বোলা হৈছিল। এই কাড়ী পাইকসকলে ৰাজ্যৰ যাবতীয় সকলো কাম কৰিব লাগিছিল। আচলতে কাড়ী বুলিলেই কঠিয়াতলী। এই কাড়ি নামটো আহোম যুদ্ধৰ এবিধ আহিলা ধনুৰ কাড়ৰ পৰাই প্ৰচলন হৈছে। সাধাৰণ প্ৰজাবোৰে ধনুকাড়েৰে যুদ্ধ কৰাৰ নিমিত্তে সিবোৰক কাড়ী বুলিছিল। "এই কাড়ী-মুৰুৱতীৰেই" এ (গৌৰীনাথ সিংহ) যুদ্ধ কৰি অনেক বাৰ বঙ্গালকো জিনিছে।"[২৮]

সাধাৰণতে পোন্ধৰৰ পৰা পঞ্চাশ বছৰৰ সকলো মুনিহে বছৰেকত তিনিমাহকৈ ৰজা ঘৰত খাটিব লাগিছিল। অৱশ্যে উচ্চ বংশৰ লোক, পুৰোহিত, ব্ৰাহ্মণ, উচ্চ জাতিৰ মানুহ আৰু তেওঁলোকৰ চাকৰ-বাকৰে ইয়াৰপৰা অব্যাহতি পাইছিল। ইয়াকে কৰোতে গোট পাইকৰ ধৰাবন্ধা নিয়ম নোহোৱাত প্ৰথমতে ৰজাঘৰীয়া কামত লগোৱাত বৰ বেমেজালি ঘটিছিল। এই বেমেজালি আতৰাবৰ নিমিত্তে স্বৰ্গদেৱ প্ৰতাপসিংহ বুঢ়াৰজাই মোমাই তামুলী বৰবৰুৱাৰ সৈতে নিজে গৈ লুইতৰ পুঠিমাৰিত শুকানসুঁতিৰ মুখত সকলোবোৰ পাইকক একগোট কৰি লেখিবৰ নিয়ম প্ৰবৰ্তিলে। বুৰঞ্জীৰ ভাষাৰে কবলৈ গ'লে —

"... • তা গৈ সেই ঠাইতে আগতে থাকি ... এক দুইকৈ লেখি একুৰি হ'লে তাৰে মাজৰ অটা আনি বড়া (বৰা) পাতে। একম হ'লে তাৰ ঘৰতে চাৰিপোৱা খকা অটাক বাচিআনি সইকিয়া (শইকিয়া) পাতে। হাজাৰ হ'লে তাৰে ভাল চহকি বিচাৰি চাই অটাক আনি হাজৰিকিয়া (হাজৰিকা) পাতে। এইৰূপে মানুহ চাৰি পোয়াই গোট পাইক কৰিলে, তাৰে পৰাহে মানুহৰ পিয়ল হ'ল।[২৯]

পিয়লৰ কাকতত খেলৰ কাকতীয়ে প্ৰতি পোৱা পাইকৰ নাম ধাম লিখি ৰখা নিয়ম আছিল। কোন সময়ত কোন পাইকে ৰজাঘৰীয়া কামত যোগদান কৰিব লাগিব তাকো কাড়ীৰ কাকতত লিপিবদ্ধ কৰা আছিল। উপযুক্ত বয়সত চেমনীয়া ল'ৰাক পাইকত নামভৰ্তি কৰোৱা, কোনো পাইকৰ মৃত্যু হ'লে তাৰ নাম বাতিল কৰা, পাইকৰ নাম নকটাকৈ পদোন্নতি হোৱা, পাইকৰ চমুৱা পাইকত নামভৰ্তি ইত্যাদি কাৰ্য্য অতি কঠোৰভাৱে শাসন কৰোৱা হৈছিল। ৰাজেশ্বৰ সিংহ মহাৰাজৰ দিনত বকতিয়ালৰ কীৰ্তিচন্দ্ৰ বৰবৰুৱাই এদিন

২৮। সূৰ্য্যকুমাৰ ভুঞা (সম্পা): তুংখুঙীয়া বুৰঞ্জী, পৃঃ ১০৫, ১৯৯০
২৯। হেমচন্দ্ৰ গোস্বামী (সম্পা): পুৰণি অসম বুৰঞ্জী, পৃঃ ৬০, ১৯৭৭

হিচাপ লোৱাত এগোট কাড়ীৰ মাজত এপোৱা পাইক নাপাই হুলস্থূল কৰাত বৰবৰুৱা নিজেই যে সেই হেৰোৱা পাইকটো তাকেই এজন বৰাই এইদৰে সোঁৱৰাই দিছিল- "দেউতা ঈশ্বৰ। ছাঁহে লেখিছে, গা লেখিলে হেৰোৱা পাইক পাব।" বুদ্ধিমন্ত্ৰা বৰবৰুৱাই তৎক্ষণাত কথাটো ধৰিব পাৰি যথাৰীতি অনুসৰি কাড়ীৰ কাকতৰ পৰা তেওঁৰ নামটো কটাই চমুৱা শ্ৰেণীত ভৰ্তি কৰিলে।

### ১.১২.১ চমুৱা পাইক ঃ

যোগ্যতাৰ ভিত্তিত কাড়ী পাইকে চমুৱা শ্ৰেণীলৈ উন্নতি লাভ কৰিছিল। এই চমুৱাৰপৰাই ৰাজকাৰ্য্যত বিষয়া নিযুক্ত হৈছিল। কাড়ী পাইক চমুৱা হ'লে যিকোনো কাম কৰাৰ পৰা আঁতৰাই কোনো এক নিৰ্দিষ্ট কাম কৰা চমুৱা খেলতহে ভৰ্তি কৰোৱা হৈছিল। কাড়ীৰ শ্ৰেণীৰ পৰা চমুৱাৰ শ্ৰেণীলৈ যাওঁতে লগৰ কুৰিয়ে লয় সোণ এটকা, ৰূপ দহ টকা, ৰাইজৰ জলপান বাবদ তিনি টকা। চমুৱাবিলাকৰ মাজত খেল বা বিভাগ আছিল। "বহু সংখ্যক গোট পাইক মিলি এটা খেল সংগঠিত হৈছিল, খেলৰ সমূহ পাইকৰ মাজত এক উদ্দেশ্য প্ৰণোদিত এটি আপোন ভাবৰ জন্ম হৈছিল।"[৩০] ব্যৱসায় অনুসৰি এই খেলবোৰৰ নামাকৰণ কৰিছিল- "ধেনুচোঁচা খেল", "কমাৰৰ খেল", "বায়নৰ খেল", "সোনাৰীৰ খেল", ইত্যাদি। সমসাময়িক সমাজ জীৱনত এই খেল-চেতনা বৰ কটকটীয়া আছিল। খেল-প্ৰথাৰ বাবে গাঁৱত একতা দৃঢ় হৈছিল। আগতে একোখন গাঁৱত একে খেলৰ লোক বসবাস কৰিছিল। আহোম ৰাজত্বৰ অৱসান কালত আৰু মান-মৰাণৰ উপদ্ৰৱত দেশ ছেদেলি-ভেদেলি হোৱাত অনেক গাওঁত বেলেগ বেলেগ খেলৰ মানুহ সোমাল। প্ৰতিটো খেলৰ লোকে নিজ কৰ্তব্য সম্পাদন কৰিব লাগিছিল। ইয়াকে নকৰি লুকাই থকাজনক ভগনীয়া বোলা হৈছিল। কেবাটাও খেল লগ হৈ এজন বিষয়াৰ অধীনত আছিল। সেইবোৰ খেলক সেইজনা বিষয়াৰ মেলৰ লোক বোলে।

মনকৰিবলগীয়া যে আহোম যুগত ৰজা আৰু ডা-ডাঙৰীয়া সকলো মৰ্য্যাদা অনুসৰি নিৰ্দিষ্ট সংখ্যক পাইক, খাত-পাম ভোগ কৰাত এই বিষয়াসকল লাহে লাহে সম্পদশালী হৈ উঠিবলৈ আৰম্ভ কৰে। ইয়ে সমাজত অভিজাত শ্ৰেণীৰ জন্ম দিয়ে। এই অভিজাত শ্ৰেণীৰ লোকসকল হ'ল চমুৱা পাইক। এওঁলোকে কাড়ী পাইকৰ বিপৰীতে কেইটামান নিৰ্দিষ্ট কাৰ্য্যহে মাথোন কৰিব লাগিছিল। যুদ্ধৰ সময়ত চিপাহীৰ নাটনি পৰিলেও অস্ত্ৰ-শস্ত্ৰ লৈ এওঁলোকে যুঁজলৈ যাব নেলাগিছিল। কাড়ী পাইকবোৰে বিনা বেতনে গা খাটি দিয়াৰ পৰিবৰ্তে মাথোন দুপুৰাকৈয়ে মাটি ভোগ কৰিব পাৰিছিল। অথচ চমুৱা পাইকবোৰে দেশৰ অপৰ্য্যাপ্ত নিষ্কৰ ভুমিত কাড়ীসকলৰ হতুৱাই যথেষ্ট শস্য উৎপাদন কৰাইছিল। তদুপৰি দেশৰ আৰু সমাজৰ হিতাৰ্থে আলি-পদূলি বন্ধা, খাল-

---

৩০। সূৰ্য্যকুমাৰ ভূঞা ঃ বুৰঞ্জীৰ বাণী, পৃঃ ৯০, ১৯৬০

পুখুৰী খন্দা, দৌল-দেৱালয় নিৰ্মাণ, প্ৰতিৰক্ষাৰ বাবে গড় বন্ধা, খাৱৈ খন্দা আদিৰ পৰা আৰম্ভ কৰি সৈন্য সংগ্ৰহো এই কাড়ী পাইকসকলৰ মাজৰপৰা কৰোৱা হৈছিল। এক কথাত দেশৰ সকলো কাম-কাজ এই পাইকসকলৰ শ্ৰমৰ বিনিময়ত কৰোৱা হৈছিল। পাইক প্ৰথাৰ এই প্ৰত্যক্ষ শ্ৰম শোষণৰদ্বাৰা ভোগসৰ্বস্ব মধ্যযুগৰ অসমৰ অভিজাত শ্ৰেণীটোৱে বৰ্তি আছিল বুলি ক'লে বঢ়াই কোৱা নহ'ব। এইখিনিতে সামন্তবাদৰ সামন্তপ্ৰভু আৰু তলতীয়া ক্ৰীতদাসসকলৰ অৱস্থা মধ্যযুগৰ অসমৰ সমাজত দেখা পোৱা যায়। সংখ্যাগৰিষ্ঠ কাড়ী পাইক- কাৰিকৰ, বৃত্তিয়াল, খেতিয়ক শ্ৰেণীটোৱে শ্ৰমশোষণৰ উপৰিও বহু অৰ্থনীতি বৰ্হিভূত সামন্তীয় শোষণৰো বলি হৈছিল। পৰিশেষত এই শ্ৰেণীৰ ৰাইজেই মোৱামৰীয়া গণ-বিপ্লৱত স্বৈৰাচাৰী সামন্ত শ্ৰেণীৰ বিৰুদ্ধে সংগ্ৰাম চলাইছিল।

### ১.১৩ বন্দী-বেটী ঃ

আহোম যুগত স্বৰ্গদেব আৰু ডা-ডাঙৰীয়া সকলৰ ঘৰত বহুত বন্দী-বেটী আছিল। এওঁলোক সমাজৰ আটাইতকৈ তলৰ নিৰ্যাতিত শ্ৰেণী। এওঁলোক সম্পূৰ্ণভাৱে মালিকৰ কৃপাৰ ওপৰত বৰ্তি আছিল। ঘৰুৱা বন্দী-বেটীক বিক্ৰী কৰাটো অসন্মানক কথা হ'লেও বন্দী-বেটী বেচা-কিনা কাম সমাজত চলিছিল। "এটা ভাল কুলৰ মুনিহৰ দাম প্ৰায় কুৰি টকা আৰু নিচ কুলৰ হ'লে তিনি টকালৈ বেচা-কিনা চলিছিল।"[৩১] পাইক প্ৰথাৰ নিৰ্দয় শোষণৰ পৰা পৰিত্ৰাণ পাবলৈ বহুতো প্ৰজাই বন্দী জীৱনকেই ভাল বুলি ভাবিছিল। কিয়নো এই বন্দী-বেটীসকলে ৰজাৰ কোনো কামতে যোগ দিব নালাগিছিল। কৰ, কাটল, পদ, পঞ্চক ইত্যাদিৰ পৰাও ৰেহাই পাইছিল। ইহঁতে যুঁজলৈও যাব নালাগিছিল। ৰজাঘৰ, ডা-ডাঙৰীয়া, বা-বিষয়াসকলৰ এই বন্দী-বেটীবোৰৰ অইন কোনো জঞ্জাল নথকাত তাহানিৰ অনুন্নত তৰপৰ প্ৰজাবোৰে কাড়ী-পাইকৰ শ্ৰেণীত ভৰ্তি নহৈ এওঁলোকৰ মৰ্জিৰ ওপৰত বৰ্তি থকাটোৱে পছন্দ কৰিছিল। সেয়ে অনেক প্ৰজাই আপোন ইচ্ছাৰে বন্দী সোমাইছিল। তদুপৰি যুৰ্জত বন্দী হোৱা মানুহ আৰু পৰ্বতীয়া বা দাঁতিকাষৰীয়া মানুহৰ পৰাও এই বন্দী-বেটীবোৰ কিনি লোৱা হৈছিল। এই বন্দী-বান্দীবিলাক গৰাকীৰ সুকীয়া সম্পত্তি স্বৰূপ আছিল। ইহঁতক গোলামো বোলা হৈছিল। এই গোলামবোৰে গৰাকীৰ সকলোধৰণৰ কাম কৰিছিল। গৰাকীৰ নিজ ইচ্ছানুসৰি ইহঁতক দান, হস্তান্তৰ আৰু বিক্ৰী কৰিব পাৰিছিল। আহোমৰ দিনত এই বন্দী-বেটীৰ সংখ্যা নিচেই কম নাছিল। অসম ইংৰাজৰ হাতলৈ যোৱাত "মিঃ ডেভিড স্কট চাহাবে অকল কামৰূপতেই ১২,০০০ (বাৰ হেজাৰ) বন্দী-বেটীৰ খালাছ দিয়ে।" বুলি বুৰঞ্জীবিদ হিতেশ্বৰ বৰবৰুৱাই "আহোমৰ দিন"[৩২] ত উল্লেখ কৰিছে।

ওপৰত থুল-মূলভাৱে অসমীয়া বুৰঞ্জী সাহিত্যত উল্লিখিত আহোম যুগৰ সমাজ-গাঁথনিৰ ৰূপৰেখা অংকন কৰিবলৈ যতন কৰা হৈছে। ৰজাৰপৰা বন্দীলৈকে তদানীন্তন

৩১। চাৰ এড্‌ৱাৰ্ড গেইট ঃ এ হিষ্টৰী অফ্ আসাম, পৃঃ ২৪২, ১৯৯০

৩২। হিতেশ্বৰ বৰবৰুৱা ঃ আহোমৰ দিন, পৃঃ ৫০২, ১৯৮১

সমাজৰ প্ৰতিজন ব্যক্তিয়ে সমাজ জীৱনত লোৱা ভূমিকাৰ বিষয়ে বুৰঞ্জীৰ তথ্যভিত্তিক বিশ্লেষণাত্মক ৰীতিৰে ইয়াক দেখুওৱা হৈছে।

### ১.১৪. আহোমসকলৰ ধৰ্ম আৰু সংস্কৃতি ঃ

#### ধৰ্ম ঃ

স্বৰ্গদেৱ চুকাফাই সৌমাৰপীঠত প্ৰবেশ কৰোতে "চোমদেও" নামৰ উপাস্য দেৱতাক লগত লৈ আহিছিল। এই "চোমদেও" দেৱতাৰ অখণ্ড মহিমাৰ কথা বুৰঞ্জীবোৰত উল্লেখ আছে। বুৰঞ্জীত খুনলুং-খুনলাই পৃথিৱীলৈ নামি আহিবৰ সময়ত তেওঁলোকৰ পিতামহ ইন্দ্ৰদেৱতা (লেংডন) ই চোমদেওক দান কৰাৰ কথা পোৱা যায়। আচলতে স্বৰ্গদেৱ চুকাফাই নৰাদেশৰপৰা অসমলৈ আহোতে ককায়েক নৰাৰজাৰ ঘৰৰপৰা এই মূৰ্তি লৈ আহিছিল। এই চোমদেও সালগ্ৰামৰ দৰে এডুখৰি শিলা। দেওধাই অসম বুৰঞ্জীত স্বৰ্গনাৰায়ণৰ চোমদেৱ লাভ প্ৰসংগত আছে- "পাচে দেৱতাৰ অধিষ্ঠান চুমদেৱক দিলে, পূজাৰ সকলো বিধান কলে, আৰু এই বুলি কলে- এই চুম দেৱক গুপ্ত কৰি থবি আৰ প্ৰভাবে অখণ্ড সম্পত্তি হব।"[৩৩] আহোম স্বৰ্গদেৱ সকলে এই চোমদেও দেৱতাক নিজৰ লগত ৰাখিছিল; ই আহোম ৰাজপৰিয়ালৰ কুলদেৱতা আছিল। এওঁলোকে ৰাজ অভিষেকৰ সময়ত ৰিকখন্ পূজা পাতিছিল। যুদ্ধত জয় হ'লে বা কোনো বিপদৰ সংকেত পালেও এই পূজা পাতিছিল। এওঁলোকৰ এগৰাকী উপাস্য দেৱতা হ'ল নাকুৰী নাখাম। স্বৰ্গদেৱ প্ৰতাপসিংহ বুঢ়াৰজাই (১৬১১-৪৮ খ্ৰী) বঙালক জিনিবলৈ নাকুৰী নাকামক পূজা কৰিছিল। পুৰণি অসম বুৰঞ্জীত এই কথাখিনি এনেদৰে পাও-

নাকুৰি নাকামে ৰাত্ৰি সপন দেখালে, তোৰ সহায় হুই মই যাম বঙালকো অপ্ৰয়াসে জিনিব পাৰিবি, সমাজিক দেখি ৰাজা উঠি বহিল, পূজা পাল দেৱঘৰলৈ দিলে।[৩৪]

মনকৰিবলগীয়া যে আহোমসকলে তেওঁলোকৰ নিজ ধৰ্ম, ভাষা, ৰীতি-নীতিৰে সৌমাৰখণ্ডত সোমাল যদিও কালক্ৰমত থানগিৰি সকলৰ সংস্পৰ্শলৈ আহি নিজৰ প্ৰায় সকলো বস্তুকেই এৰি পেলালে। স্বৰ্গদেৱ চুকাফা মহাৰাজে এদিন ঘোঁৰাত উঠি মৰাণ বৰাহীৰ দেওঘৰত সোমাই নিজৰ নামত বলি উছৰ্গা কৰাৰ কথা বুৰঞ্জীত আছে। ৰাজ-ক্ষমতাত বলি-বিধান, পূজা-পাৰ্বণ প্ৰচলিত ৰীতি। আহোম স্বৰ্গদেৱসকলে শক্তি বৰ্দ্ধনৰ হেতু নৰবলি পৰ্য্যন্ত উছৰ্গা কৰা বুৰঞ্জীত বহু পিছলৈও উল্লেখ আছে। নগঞা শইকীয়া ভোটাই ডেকাৰ বলবীৰ্য্য দেখি 'বন্দীৰ যি সাহ শদিয়াৰ দেওঘৰত বলি দিবলৈ ভাল' বুলি টিপ্পনি মাৰিছিল। এওঁলোকে অসমত সোমাই চুটিয়াসকলৰ সান্নিধ্যত কেচাইখাতীৰ পূজা কৰিবলৈ লয়। মনকৰিবলগীয়া যে এই দেওঘৰৰ পুৰোহিতসকল ব্ৰাহ্মণ নাছিল,

---

৩৩। সূৰ্য্যকুমাৰ ভুঞা (সম্পা) ঃ দেওধাই, পৃঃ২২৬, ১৯৯০

৩৪। হেমচন্দ্ৰ গোস্বামী (সম্পা) ঃ পু, অস. বু., পৃঃ ৬৪, ১৯৭৭

চুটিয়া দেউৰীহে আছিল। এওঁলোক অন্যান্য অধিবাসীৰ তুলনাত যথেষ্ট আগবঢ়া আছিল। আহোমসকলে শদিয়া অধিকাৰ কৰাৰ পিছতো দেউৰীসকলেই পুৰোহিত হৈ থাকিল। সাধাৰণতে ডাঙৰ অপৰাধত অভিযুক্ত অপৰাধীকহে ইয়াত বলি দিয়াৰ নিয়ম আছিল যদিও তেনে কোনো অভিযুক্ত লোক নাপালে ভোগী, বৰুবালি বা যাঁড়ৰ খেলৰপৰা নৰবলি বাছি লোৱা নিয়ম প্ৰবৰ্তন হৈছিল।

আহোম যুগৰ পূজা-পাৰ্বন, বলি-বিধান-মহাবাহু ব্ৰহ্মপুত্ৰ, লাংকুৰি গোসাইথান বা মহাদেৱৰ থান, পুখুৰী উছৰ্গাকৰণ ইত্যাদি কৰ্মৰ সময়তো সমাপন কৰা হৈছিল। আহোমৰ প্ৰথম ৰজা মহাৰাজ চুকাফাই তেৰটা গাহৰি কাটি মহাদেৱ বা লাংকুৰি গোসাঁইক পূজা কৰাৰ উল্লেখ বুৰঞ্জীত পোৱা যায়। আহোমৰ শ্ৰেষ্ঠ ৰজা ৰুদ্ৰসিংহ মহাৰাজে বৰ অসমৰ কীৰ্তি বঢ়াবলৈ মনস্থ কৰি গড়-প্ৰাঞ্চি পৰিস্কাৰ কৰাই মহাদেৱক পূজা কৰাৰ কথা হৰকান্ত বৰুৱা সদৰামিনৰ অসম বুৰঞ্জীত পোৱা যায়ঃ

"ৰাজাদেৱে একসেৰ মৃত্তিকাৰ শিৱলিঙ্গ কৰি দুগ্ধ-পুস্প, ধূপ-দীপ, নৈবেদ্য দি পূজা কৰে। কদাচিত কোনো সময় সেই শিৱ হৈতে অগ্নি উদ্ভব হৈ বিল্বপত্ৰাদি পুৰি ভস্ম কৰে। আৰু সৰ্বদা মহাদেৱক বোপা বোপা বুলি স্মৰণ কৰে।"[৩৫]

চুচেংফা প্ৰতাপসিংহ বুঢ়াৰজাও শিৱ ভক্ত আছিল। এওঁৰ পৃষ্ঠপোষকতাতে দেৰগাওঁত শিৱ মন্দিৰ নিৰ্মাণ কৰা হৈছিল-"দেবৰগাও দেৱালয়ৰ দৌল কৰি মাটি মানুহ উছৰ্গা কৰি দিলে। এৰেই চামধৰা যুদ্ধত বঙালক জিনিবলৈ 'ৰুপ এক চৰু, সোণ এক চৰু লৈ ব্ৰহ্মপুত্ৰক পূজা কৰিছিল ঃ হে ব্ৰহ্মপুত্ৰ, যদি মঞি বঙালক হাৰিম, মোক তল নিয়া, বা যদি জিনিম মোক থাউনি দিবা। এইবুলি লুইতত থাউনি পাই হাতীয়েৰে নামি গ'লত হাতীৰ পেটে মাতৰ পানীয়ে পালে। তাতে ৰণজয় বাৰ্ত্তা পাই ভড়ৰীতো পূজা পালে। বোলে- "ভড়ৰী আই, বঙ্গালখনি খাই দিয়া।"[৩৬] স্বৰ্গদেৱে পুখুৰী খনাই ম'হ গৰু কাটি উছৰ্গা কৰিছিল। তাহানি বুদ্ধি স্বৰ্গনাৰায়ণ স্বৰ্গদেৱে জগন্নাথত পুখুৰী বনোৱাই দুশ স্বৰ্ণমুদ্ৰা উছৰ্গা কৰা 'উদয়গিৰি ' মহাৰাজায়ে ৰণজয় হুই কৰতীয়াত খাণ্ডা পখালি গৌড়েশ্বৰে মিত্ৰতা কৰি ঠাকুৰৰ দ্বাৰত সেৱা কৰি এটি পুস্কৰিণী উৎসৰ্গা কৰি ফিৰি যাবাক দিছে কথাষাৰি উল্লেখনীয়। এই অৰ্থে সুবৰ্ণৰ মোহৰ ২০০ দি পঠাইছে।[৩৭] কথাষাৰি মন কৰিবলগীয়া।

১.১৪.১. **শালগ্ৰাম-চোমদেওঃ** অসম বুৰঞ্জীত চুডাংফা বামুণী কোঁৱৰৰ (১৩৯৮-১৪০৭ খ্ৰী.) দিনত শালগ্ৰম-চোমদেওক একেলগে পূজা-অৰ্চনা কৰাৰ উল্লেখ পোৱা যায়। এওঁ ৰজা হৈ একেলগে ডাঙৰ-দীঘল হোৱা বামুণৰ ল'ৰা সাতোটিক ৰাজ

৩৫। হৰকান্ত বৰুৱা সদৰামিন ঃ অসম বুৰঞ্জী, পৃঃ৬৭, ১৯৬২

৩৬। সূৰ্য্যকুমাৰ ভুঞা (সম্পা) ঃ অসম বুৰঞ্জী, পৃঃ ১০২, ১৯৬০

৩৭। সূৰ্য্যকুমাৰ ভুঞা (সম্পা) ঃ অসম বুৰঞ্জী, পৃঃ ২৩, ১৯৬০

কাৰেণেও ঠাই দিয়াত ৰজাঘৰত পোন প্ৰথমে ব্ৰাহ্মণ তথা হিন্দু আদৰ্শৰ অনুপ্ৰবেশ ঘটে! আহোম স্বৰ্গদেৱ সকলৰ ৰাজনৈতিক প্ৰসাৰণৰ লগে লগে ব্ৰাহ্মণসকলৰ পৃষ্ঠপোষকতাত হিন্দু ধৰ্মৰ বীজ ৰোপিত হ'ল। খোৰা ৰজাৰ দিনত (১৫৫২-১৬১১ খ্ৰী.) আহোম ৰজাই পোন প্ৰথমে হিন্দু জ্যোতিষৰ সংস্পৰ্শলৈ আহে আৰু এওঁলোকৰ দেওধাই, বাইলুং আৰু মহনৰ লগতে হিন্দুৰ জ্যোতিষীসকলৰ সৈতেও আলোচনা প্ৰয়োজনীয় বুলি এই সময়তে বিবেচিত হ'ল। অসীম পৰাক্ৰমী মহাৰাজ চুচেংফা প্ৰতাপসিংহ বুঢ়াৰজাৰ (১৬১১-৪৮খ্ৰী.) দিনত চুডাংফা বামুণী কোঁৱৰৰ সময়ত প্ৰবেশ কৰা হিন্দুৰ লক্ষ্মীনাৰায়ণ শালগ্ৰামৰ আচাৰ-বিধিয়ে ৰজাঘৰত প্ৰভুত্ব বিস্তাৰ কৰে। এওঁৰ ৰাজত্ব কালতেই মাটিৰ মূৰ্ত্তি সাজি দুৰ্গাপূজা কৰা নিয়ম প্ৰচলন হয়। এই মৃন্ময় মূৰ্ত্তী সাজিবৰ নিমিত্তে স্বৰ্গদেৱে মৰণ্ডিয়াল খনিকৰক কোচৰজাৰ ৰাজসভালৈ পঠাই দিলে। 'তাৰেপৰা দেৱীঘৰত মৃন্ময় মূৰ্তিত পূজা চলিল।' কামাখ্যা দেৱী, কেচাইখাতী গোসাঁনী, শিৱসাগৰ আৰু শিলঘাটৰ শিৱ দ'লত মহা আড়ম্বৰেৰে এই পূজা পালন কৰা হৈছিল। এই পূজাত ম'হ, ছাগলী, হাঁহ পাৰ, কুকুৰা আদি বলি দিয়া হৈছিল। স্বৰ্গদেৱ গৌৰীনাথ সিংহ মহাৰাজে কামাখ্যালৈ ১০,০০০ টা ম'হ আগবঢ়াইছিল। এনেদৰে আহোম স্বৰ্গদেৱসকলে হিন্দুধৰ্মৰ প্ৰতি আনুগত্য প্ৰকাশ কৰি প্ৰজাৰঞ্জক হৈ উঠে আৰু এক সংমিশ্ৰিত সাংস্কৃতিক ধাৰা বোৱাই দিয়ে। এওঁলোকে হিন্দুধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰণৰ বিভিন্ন ব্যৱস্থাও গ্ৰহণ কৰে। উদাহৰণ স্বৰূপে স্বৰ্গদেৱ জয়ধ্বজ সিংহই (১৬৫৩-৬৩ খ্ৰী) পোনপটীয়াকৈ বৈষ্ণৱ ধৰ্মত শৰণ লবলৈ মন কৰি কুৰুবাবাহীৰ পৰা গোবিন্দ ঠাকুৰক আনি দিখৌৰ গাল্‌পুঘাটত যজ্ঞ কৰি নিৰঞ্জন বাপুত দীক্ষা লয়। এওঁ প্ৰথমে তামৰ ফলিত সত্ৰৰ নামত দেৱোত্তৰ মাটি প্ৰদান কৰে। পৰবৰ্তী সময়ত আহোম ৰজাসকলে ব্ৰাহ্মণ-সজ্জনক অনেক মাটি বৃত্তি দান কৰি অসমৰ বহু সত্ৰ প্ৰতিষ্ঠা কৰাত বিভিন্ন ধৰ্মাবলম্বী লোকৰ মাজত এক ধৰ্ম এক মাতে গা কৰি উঠে। ইয়াৰ পূৰ্বে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ প্ৰচাৰিত বৈষ্ণৱ ধৰ্মই ৰজাঘৰৰ বাহিৰত অসমৰ আকাশ বতাহ মুখৰিত কৰি তুলিছিল। খোৰা ৰজা আৰু প্ৰতাপসিংহ বুঢ়াৰজাৰ দিনত মহাপুৰুষৰ শিষ্য-প্ৰশিষ্যসকলে চাৰি সংহতিত বিভক্ত হৈ অসংখ্য সত্ৰ-সচং প্ৰতিষ্ঠা কৰি তেৰাৰ পৰবৰ্তী একশ বছৰৰ ভিতৰত আহোম ৰাজ্য ছানি পেলাইছিল। এইদৰে তুংখুঙীয়া ফৈদৰ গদাপাণি কোঁৱৰ (১৬৮১-৯৬খ্ৰী.) আহোম ৰাজপাটত উঠাৰ পূৰ্বৰ স্বৰ্গদেৱসকল বৈষ্ণৱ ধৰ্মত শৰণাগত হৈ পৰিল; মহাপুৰুষ শংকৰদেৱৰ প্ৰচাৰিত নামধৰ্মৰ মাহাত্ম্য ভাৰতৰ বিভিন্ন ঠাইত ৰাষ্ট্ৰ হৈ পৰিল। ঔৰংজেৱ বাদছাহৰ সেনাপতি অম্বৰাধিপতি বীৰ ৰামসিংহই অসম অধিকাৰ কৰিবলৈ অহাত মাতৃ-পত্নীয়ে দিয়া নামধৰ্মৰ সকীয়নি এই প্ৰসঙ্গত উল্লেখনীয়ঃ

"পূৰ্বদেশত নামধৰ্ম সততে প্ৰবৰ্ত্তিচে, গো-ব্ৰাহ্মণ-বৈষ্ণৱ কুশলে আছে। এই সকলক তললৈ দিলে কি হয় তাক জানে; আকে চাই ফিৰি আহিলহে যোগ্য।"[৩৮]

মনকৰিবলগীয়া যে- তুঙ্খুঙীয়া বৈষ্ণৱ গদাপাণি কোঁৱৰৰ ৰাজত্ব কাললৈকে তদানীন্তন সমাজত ৰজা আৰু প্ৰজাঘৰত দ্বৈত ধৰ্মীয় অনুশাসন চলিছিল। আহোম নৃপতিসকলে প্ৰাচীন আহোম ৰীতি-নীতি মানি চলাৰ লগতে প্ৰজাৰ ধৰ্মই ৰজাৰ ধৰ্ম নীতি অনুসৰণ কৰি হিন্দু ধৰ্মৰ আদৰ্শকো এফালে মানি লৈছিল।

## ১.১৪.২ বৈষ্ণৱ-শাক্ত-শৈৱ ঃ

মহাৰাজ গদাধৰ সিংহই (১৬৮১-৯৬ খ্ৰী.) হিন্দু আদৰ্শ নেমানিছিল। এওঁ ৰাজপাটত উঠিয়েই এযুগ ধৰি চলা মন্ত্ৰীৰ শাসনৰ ওৰ পেলাবলৈ অতি কঠোৰ হাতেৰে দেশ শাসন কৰিবলৈ ধৰিলে। ধৰ্ম সংস্কাৰৰ হেতু 'বৈষ্ণৱ নিৰ্য্যাতন', 'সম্পত্তি হৰণ আৰু দণ্ড' পৰ্ব আৰম্ভ হ'ল। এওঁ হিন্দুসকলে অনেক ৰূপে ধৰ্ম প্ৰবৰ্তাই দেশ নষ্ট কৰিব বুলি বচা, চেউনি, নামৰূপ আদি ঠাইত মেধি-মহন্তসকলক নিলগাকৈ পাতিলে। দক্ষিণপাট সত্ৰৰ ৰাম গোঁহাইৰ চকু কাঢ়ি পূৰ্বৰ অপৰাধৰ পোতক ললে। এওঁৰ হিন্দু ধৰ্মত আস্থা নাছিল আৰু আহোম মতে প্ৰবৰ্তি আছিল। কিন্তু এওঁৰ ৰবপুত্ৰ মহাৰাজ ৰুদ্ৰসিংহই (১৬৯৬-১৭১৪ খ্ৰী.) ক্ষমতা দখল কৰিয়েই দুপৰ সূৰ্য্যৰদৰে চাৰিও ফালে হিন্দু ধৰ্মৰ চিন্তা-চৰ্চাৰে জনগণক মুখৰিত কৰি তোলে। এওঁ হিন্দুৰ পঞ্চ-দেৱতাৰ উদ্দেশ্যে ১৬২০ শকত দৌল উছৰ্গা কৰি কেশৱৰায় মূৰ্তি স্থাপন কৰে; গড়গাওঁত "মহাজন সম্মিলনী" পাতি শাস্ত্ৰাদি আলোচনা কৰি ব্ৰাহ্মণ আৰু শূদ্ৰিৰীয়া মহাজন সকলৰ মাজত ধৰ্মাচৰণ গতিপথ নিৰ্ণয় কৰে। "সাতসৰী অসম বুৰঞ্জী"ত এওঁৰ মহানুভৱতাৰ সুন্দৰ বৰ্ণনা এনেদৰে কৰা হৈছে ঃ

মানাহা সীমা কৰি য'ত ব্ৰাহ্মণ আছেমানে আৰু সাধু মহন্ত আছে মানে সকলকে আনিলে। তেৱে মহা মহোৎসৱ কৰিলে। তিনিদিন তিনিৰাতি দান দক্ষিণা কৰিলে। তাম, কাহ, পিতল, ঝাৰি, খুৰি, ৰূপ, সোণ, কাপোৰ বিস্তৰ দিলে।[৩৯]

এইখিনিতে বিশেষ তাৎপৰ্য্যপূৰ্ণ কথা হ'ল- মহাৰাজ ৰুদ্ৰসিংহই নিজে এসেৰ মৃত্তিকাৰ শিৱলিঙ্গ কৰি গন্ধ পুষ্প, ধুপ-দীপ নৈবেদ্য দি পূজা" কৰিছিল আৰু কিদাচিৎ কোনো সময় সেই শিৱ সৈতে অগ্নি উদ্ভৱ হৈ বিল্বপত্ৰাদি পুৰি ভস্ম কৰিছিল আৰু সৰ্বদা মহাদেৱক বোপা বোপা বুলি স্মৰণ কৰিছিল।[৪০]

এৰেই নদীয়া শান্তিপুৰৰ শিমলাগ্ৰামৰ কৃষ্ণৰাম বা কৃষ্ণানন্দ ন্যায়বাগীশ টিঙ্গৰামৰা

৩৮। হেমচন্দ্ৰ গোস্বামী (সম্পা) ঃ পুৰণি অসম বুৰঞ্জী, পৃঃ ১১৪, ১৯৭৭ "আৰু শুনিছো সি দেশত নাম কীৰ্ত্তন অনেক প্ৰকাশ হৈ আছে, তাক মাৰি মাজুমখী নবাব কতকাল বখিল? অকে চাই যেখান কৰে"। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) ঃ অসম বুৰঞ্জী, পৃঃ ১০১, ১৯৬০

৩৯। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) ঃ সাতসৰী, পৃ ১৪৯,১৯৬৪

৪০। হৰকান্ত বৰুৱা, সদৰামিন ঃ অসম বুৰঞ্জী, পৃঃ৬৭, ১৯৬২

ভট্টাচাৰ্য্যক কামাখ্যা পৰ্বতত ভগৱতীক দৰ্শন কৰি থাকিবলৈ আশ্ৰয় দিছিল। এওঁৰ পুত্ৰ-বোৱাৰীয়ে কৃষ্ণানন্দ ন্যায়বাগীশ ভট্টাচাৰ্যৰ ওচৰত শৰণ লয়। প্ৰকৃততে সেই সময়ৰপৰাই আমাৰ দেশত তান্ত্ৰিক দীক্ষা প্ৰবৰ্তিবলৈ ধৰে। এওঁৰ ৰাজত্বকালতে বৈষ্ণৱ-শাক্ত-শৈৱ সকলো সম্প্ৰদায়ৰ লোকে নিৰ্বিবাদে ধৰ্ম চৰ্চা কৰিব পাৰিছিল। শ্ৰীবিষ্ণু, শ্ৰীদুৰ্গা, শ্ৰীশিৱ, শ্ৰীসূৰ্য্য আৰু শ্ৰীগণেশ এই পঞ্চ দেৱতাৰ মন্দিৰ জয়সাগৰ আৰু গৌৰীসাগৰত আজিও দেখিবলৈ পোৱা যায়। এওৰ ৰাজত্বকালৰ পৰবৰ্ত্তী সময়ত এই নীতিক অৱমাননা কৰা হেতু অসমীয়া সমাজত অৰাজকতাৰ সৃষ্টি হয়। মোৱামৰীয়া বিদ্ৰোহৰ অন্তৰালত এনে বৈষম্যমূলক নীতি জড়িত থকা বুলি বুৰঞ্জীয়ে সোঁৱৰাই দিয়ে।

মহাৰাজ ৰুদ্ৰসিংহৰ বৰপুত্ৰ শিৱসিংহ স্বৰ্গদেৱ (১৭১৪-৪৪ খ্ৰী.) হিন্দুধৰ্মৰ প্ৰতি বৰ আসক্তি আছিল। এওঁ পিতৃৰ উপদেশ অনুসৰি পৰ্বতীয়া গোসাঁইত শৰণ লৈ অনেক মাটি-বৃত্তি দান কৰে। এওঁৰ ৰাজত্বকালত বৰৰাণী ফুলেশ্বৰী কুঁৱৰীয়ে শাক্ত ধৰ্মত দীক্ষিত হৈ মোৱামৰীয়া মহন্ত সকলক নগুৰ-নাগতি কৰিছিল। বৰৰাণীৰ অত্যাচাৰৰ কথা বুৰঞ্জীৰ কথাৰে কবলৈ হ'লে ঃ

"এনেতে সুদ্ৰ মহাজন কেতবোৰে গোসানিক নেমানে বুলি সুনি, দুৰ্গোতমত্ত পূজাৰ ভিতৰতে মোআমৰাৰ মহন্ত আদি জনচাৰেক মেধিক অনাই বৰ ৰজাই গোসানী সেৱা কৰাই, সিন্দুৰ, ৰঙ্গা চন্দন, বলিৰ ৰক্ত এইসকল দ্ৰব্যেৰে ফোট দি নিৰ্মল্য প্ৰসাদ লোআই কিচু দুৰ্গতি কৰিলে। এই দুখকে অন্য মহন্ততকৈ মোআমৰাৰ ঠাকুৰে পেটে মৰণ তুল্য মানি ললে।" ৪১

"ঠাকুৰীয়া মহাজনসকলক আনি আউনীআটীত, গড়মূৰত সেৱা কৰাই শ্ৰীমূৰ্তি ভাগৱত, শালগ্ৰাম, দেউৰী ভাগৱতী দি পূজা-সেৱা কৰিব দিলে। ... ফুলবাৰীক ধৰি সমস্তো দেৱালয়ৰ মূৰ্তিসকল অনাই সোণাৰীজনাৰ বাহৰত থাকি লুইতত সেই মূৰ্তিবিলাক পেলোৱালে। পাচে শিলৰ পিতলৰ প্ৰতিমা কৰাই স্থানে স্থানে দিলে।[৪২]

মহাৰাজ কমলেশ্বৰ সিংহ (১৭৯৫-১৮১১ খ্ৰী.) স্বৰ্গদেৱেও কালসংহতিৰ গোসাঁই দুজনমানক অৰীতিয়া মতে প্ৰবৰ্তা বুলি শাস্তি বিধান কৰিছিল। এইদৰে তুংখুঙীয়া ৰাজফৈদৰ তান্ত্ৰিক গুৰু পৰ্বতীয়া গোসাঁই, নাতি গোসাঁই, ন-গোসাঁই আৰু মুকলিমুৰীয়া ভট্টাচ্যৰ্য্যই ধৰ্মৰ দোহাই দি সামাজিক প্ৰতিপত্তি বিস্তাৰ কৰিছিল- সমাজত অনৈক্যৰ বীজ ৰোপন কৰিছিল। সেয়েহে আহোম ৰাজত্বৰ পিছৰফালে ধৰ্মভিত্তিক সমাজ ব্যৱস্থা এনেদৰে গঢ় লৈ উঠা দেখা যায়। প্ৰথমতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ প্ৰচাৰিত সাহিত্য-সংগীতৰদ্বাৰা পৰিপুষ্ট বৈষ্ণৱ ধৰ্ম, দ্বিতীয়তে দেওধাই বাইলুং আদি আহোম পুৰোহিত সকলৰ পুৰাতন কৌলীন্য ধৰ্ম আৰু শেষত শিৱসিংহ প্ৰমুখ্যে তুংখুঙীয়া ফৈদৰ ৰজাসকলৰ

---

৪১। কাসিনাথ তামুলিফুকন ঃ আসাম বুৰুন্জি পুথি, পৃঃ ৫১, ১৯০৬
৪২। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) ঃ তুংখুঙীয়া বুৰঞ্জী, পৃঃ ৩৮, ১৯৯০

পৃষ্ঠপোষকতাত প্ৰতিষ্ঠিত শাক্তধৰ্ম।

### ১.১৫ মঠ-মন্দিৰ ঃ

আহোম ৰজাসকলৰ বদান্যতাত মধ্যযুগৰ শেষছোৱাত অসমত বহুতো মঠ-মন্দিৰ নিৰ্মাণ কৰা হৈছিল। এই মন্দিৰবোৰ নিৰ্মাণ কৰিবলৈ শিল, ইটা আৰু কৰাল ব্যৱহাৰ কৰা হৈছিল। কৰাল তৈয়াৰ কৰিবলৈ নিৰ্দিষ্ট খেলৰ মানুহক দায়িত্ব দিয়া হৈছিল। মাটিমাহ, কণী, চূণ, বৰা চাউলৰ কৰাই পুৰি, হাঁহকণী, ধুনা, মিঠৈ আদি নিৰ্দিষ্ট জোখত মিহলাই ব্যৱহাৰোপযোগী কৰাল তৈয়াৰ কৰিছিল।

আহোম যুগত অসংখ্য মঠ-মন্দিৰ, দ'ল-দেৱালয় নিৰ্মাণ কৰাৰ লগতে পুৰণি দেওঘৰ, মঠ-মন্দিৰ আদি মেৰামতি কৰাৰ কথাও বুৰঞ্জীবোৰত পোৱা যায়। মঠ-মন্দিৰবোৰৰ গাত শিলৰ দেৱ-দেৱীৰ মূৰ্ত্তি খোদিত কৰি সেইবোৰ আকৰ্ষণীয় আৰু গাম্ভীৰ্য্যপূৰ্ণ কৰি গঢ়ি তুলিছিল। দেৱ-দেৱীৰ মূৰ্তিৰ বাহিৰেও নানা সৌন্দৰ্যমণ্ডিত বৃক্ষ-তৰু-লতা-ফল-ফুলে মন্দিৰৰ শোভা বৰ্দ্ধিত কৰিছিল। অসমীয়া শিলাকুটীয়ে এইবোৰ তৈয়াৰ কৰিছিল। ড° লীলা গগৈয়ে দৌল-দেৱালয়বোৰত অংকিত চিত্ৰ সমূহৰ বিষয়ে 'টাই সংস্কৃতিৰ ৰূপৰেখা'ত এনেদৰে মন্তব্য কৰিছেঃ

"— সত্ৰীয়া, ৰজাঘৰীয়া টাই আহোম আৰু বৌদ্ধবিহাৰ চিত্ৰকলাৰ লগত দ'লৰ ৰিলিফসমূহৰ নিৰ্মাণ পদ্ধতিকো ভিন্ন ভাৱে চাব নোৱাৰি। সকলোৰে ৰীতিগত উৎস একেই। অৱশ্যে পাছলৈ মোগলৰ আৰু পূব তথা উত্তৰ ভাৰতৰ চিত্ৰৰ প্ৰভাৱ পৰাটোৰে সম্ভাৱনা আছে - যাৰ ফলত অসমৰ চিত্ৰকলা ভাৰতীয় পৰম্পৰাৰ লগত কিছু পৰিমাণে সংমিশ্ৰিত হয়।[৪৩]

বুৰঞ্জীৰ সাহিত্যত উল্লিখিত এই দ'ল-মন্দিৰবোৰৰ ভিতৰত ১৪০২ শকত চুচেন্‌ফা ৰজাদেৱৰ দিনত নিৰ্মিত "নাগশংকৰ দেৱালয় দ'লেই প্ৰাচীন। আহোম যুগত নিৰ্মিত সৰহ সংখ্যক দ'ল-দেৱালয়, মঠ-মন্দিৰ তুংখুঙীয়া ৰাজফৈদৰ। এওঁলোকৰ ভিতৰত চুতন্‌ফা, শিৱসিংহৰ দিনত সজা দ'ল দেৱালয়েই সৰ্বাধিক। এওঁৰ নিৰ্মিত শিৱসাগৰৰ শিৱদৌলতো আটাইতকৈ ওখ আৰু ডাঙৰ। তলত বুৰঞ্জী-সাহিত্যত বৰ্ণিত বিভিন্ন দ'ল-দেৱালয়, মঠ-মন্দিৰৰ তালিকা এখন কালানুক্ৰমিক ৰূপে সজাই দিয়া হ'লঃ

| স্বৰ্গদেৱ সকলৰ নাম | খ্ৰীষ্টাব্দ | দ'ল-দেৱালয় | উল্লিখিত বুৰঞ্জী পুথি |
|---|---|---|---|
| ১ | ২ | ৩ | ৪ |
| ১। স্বৰ্গদেৱ চুচেন্‌ফা | ১৪৩১-৮৮খ্ৰী. | নাগশংকৰ দেৱালয় | সদৰামিনঃ অসম বুৰঞ্জী পৃষ্ঠাঃ ২১ |
| ২। স্বৰ্গদেৱ চুহুংমুং | ১৪৯৭-১৫৩৯ | কৰতোৱা দ'ল | ঐ ঃ পৃষ্ঠাঃ ২৬ |

৪৩। লীলা গগৈ ঃ টাই সংস্কৃতিৰ ৰূপৰেখা, পৃঃ ৭৭, ১৯৮৫

| | | | |
|---|---|---|---|
| দিহিঙ্গীয়া | খ্ৰী | | |
| ৩। চুচেংফা প্ৰতাপসিংহ | ১৬১১-৪৮ খ্ৰী | দেৰগাওঁৰ দ'ল বিশ্বনাথৰ | ঐ :পৃষ্ঠাঃ ৪১ সূৰ্য্যকুমাৰ ভূঞা (সম্পা) অসম বুৰঞ্জী, পৃষ্ঠাঃ ৫৪ |
| ৪। চুপাত্‌ফা গদাধৰ সিংহ | ১৬৮১-৯৬ খ্ৰী. | ৰহদৈ দ'ল | সদৰামিনঃ অসম বুৰঞ্জী পৃষ্ঠাঃ ৬০ |
| | | খৰা দ'ল | ঐ |
| | | চৰাইদেউত | |
| | | গোটা দ'ল | ঐ |
| | | উমানন্দৰ দ'ল | ঐ |
| | | লাংকুৰি দ'ল | তুংখুঙ্গীয়া বুৰঞ্জী, পৃঃ ২৪ |
| | | মাইবেলাৰ দ'ল | ঐ " পৃঃ ২৫ |
| ৫। স্বৰ্গদেৱ চুখ্ৰাংফা ৰুদ্ৰসিংহ | ১৬৯৬-১৭১৪ খ্ৰী. | ফাকুযাত্ৰাৰ দ'ল | তুংখুঙ্গীয়া বুৰঞ্জী, পৃঃ ২৯ |
| | | ৰঙ্গনাথ দ'ল | |
| | | গোসাঁইৰ দ'ল | ঐ |
| | | জয় দ'ল | ঐ |
| | | শিব দ'ল | সাতসৰী, পৃঃ ১১৮ |
| | | বিষ্ণু দ'ল | ঐ |
| ৬। চুতন্‌ফা শিবসিংহ | ১৭১৭-৪৪ খ্ৰী. | চিনাতলীৰ দ'ল | তুংখুঙ্গীয়া বুৰঞ্জী, পৃঃ ৩৮ |
| | | শিবসাগৰৰ শিব দ'ল | ঐ |
| | | অশ্বক্রান্ত দ'ল | অসম বুৰঞ্জী, পৃঃ ৭০ |
| | | দীৰ্ঘেশ্বৰ দেৱালয় | ঐ |
| | | নীলাচল মন্দিৰ | ঐ পৃঃ ৬৯ |
| | | গৌৰীসাগৰ দ'ল ও দেৱালয় | ঐ পৃঃ৭১ |
| | | কালুগাওঁৰ দ'ল ও দেৱালয় | ঐ পৃঃ৭১ |
| | | কেৰী ৰাজমাওৰ দ'ল | ঐ পৃঃ ৭২ |

| | | | |
|---|---|---|---|
| ৭। চুচেনফা প্ৰমত্ত সিংহ | ১৭৪৪-৫১ খ্ৰী | শুক্ৰেশ্বৰ দ'ল | তুংখুঙ্গীয়া বুৰঞ্জী, পৃঃ ৪৫ |
| | | ৰুদ্ৰেশ্বৰ দেৱালয় দ'ল | ঐ |
| ৮। স্বৰ্গদেৱ চুৰমফা ৰাজেশ্বৰ সিংহ | ১৭৫১-৬৯ খ্ৰী | বশিষ্ঠাশ্ৰম দ'ল | তামুলিফুকনঃ আসাম বুৰন্জি পুথি, পৃঃ ৫৬-৫৭ |
| | | চিত্ৰাচল দ'ল | ঐ |
| | | মণিকাৰ্ণেশ্বৰ দ'ল | ঐ |
| | | নেঘেৰী টিং দ'ল | ঐ |
| | | দেৰগাওঁৰ ন-দ'ল | ঐ |
| | | কামাখ্যাৰ ফাকুৱা দ'ল | সদৰামিনঃ অসম বুৰঞ্জী, পৃঃ৭৫ |
| | | দিচৈৰ হৰগৌৰী দেৱালয় | ঐ, পৃঃ৭৫ |
| ৯। চুন্যেতফা লক্ষ্মী সিংহ | ১৭৬৯-৮০ খ্ৰী | বগী দ'ল | তামুলিফুকনঃ আসাম বুৰন্জি পুথি, পৃঃ ৫৯ |
| | | অশ্বক্ৰান্তৰ জনাৰ্দন দ'ল | ঐ |
| | | ৰুদ্ৰসাগৰৰ দ'ল | ঐ |
| | | গৌৰীবল্লভ দেৱালয় | ঐ |
| | | দেৰগাওঁৰ ন-দ'লৰ তামৰ ঘৰ | ঐ |
| ১০। চুহিতপংফা গৌৰীনাথ সিংহ | ১৭৮০-৯৫ খ্ৰী | নাফুকৰ ৰাজমাও দ'ল | ঐ |
| ১১। চুক্লিংফা কমলেশ্বৰ সিংহ | ১৭৯৫-১৮১১ খ্ৰী. | কামাখ্যাৰ ছত্ৰাকাৰ দেৱালয় | সদৰামিনঃ অসম বুৰঞ্জী, পৃঃ ৮৪ |
| | | কামাখ্যাৰ তামৰ মন্দিৰ | ঐ |

### ১.১৬. ঘৰ-দুৱাৰ ঃ

আহোম যুগত সুউচ্চ পকী দ'ল-দেৱালয়, মঠ-মন্দিৰ আদি নিৰ্মাণ কৰাৰ লগতে বহুতো সুন্দৰ সুন্দৰ অট্টালিকা-পকীঘৰ আদি নিৰ্মাণ কৰাৰ কথা অসম

বুৰঞ্জীবোৰত পোৱা যায়। প্ৰথমে এওঁলোকে বৰাহী মানুহে সজা টুনি চৰাইৰ দুটপীয়া বাহৰ আৰ্হিত ঘৰ সাজিবলৈ লয়। বুৰঞ্জীৰ ভাষাত কবলৈ হ'লে:

"একদিনা বৰাহী মানুহে টুনি চৰাই এসজা ৰজাদেৱক ভেটিলেনি, কুঢ়িলাৰ সজা, দুই টুপ দিয়া, চাঙ্গঘৰৰ ঠেনা। ৰজা দেখি (স্বৰ্গদেৱ চুকাফা) বোলে, আমাৰ মানুহক দেখাব। সেই ধৰাণে ঘৰ সাজিলে দুই টুপ দি। ঘৰ ভাল হ'ল।"[৪৪]

এই ঘৰ সজাওতে কাঠ,বাঁহ, ইকৰা, খেৰ, টকৌপাত, বিৰিণা, বেত ইত্যাদি হাতে ঢুকি পোৱা উপাদান প্ৰয়োগ কৰা হৈছিল। চ'ৰাঘৰ, বৰঘৰ, মাৰলঘৰ, গোসাঁই ঘৰ, গোহালী ঘৰ আদি একোটি পৰিয়ালৰ প্ৰয়োজনীয় কেবাটাও ঘৰ লগালগিকৈ আছিল। ৰজাই শিঙ্গৰিঘৰত উঠিহে ৰাজ অভিষেক কাৰ্য্য সমাপন কৰিছিল। "... শিঙ্গৰি কাঠৰ তক্তা কৰি তক্তাৰে ঘৰ কৰে। সেই ঘৰ নানা মতে জাতিস্কাৰ আৰু অলত হয়। আৰু দিন ধাৰ্য্য হয়, সেই দিনে ডাঙ্গৰীয়া আৰু অপৰ ফুকন বৰুৱা বিষয়াদি সকলো সেই সুন্দৰ মতে বস্ত্ৰালঙ্কাৰ পিন্ধি উপস্থিত হ'ব লাগে। আৰু ৰাজাদেও মূখ্য পটেশ্বৰী সহিত বিধিমতে স্নানপূৰ্বক বস্ত্ৰ অলঙ্কাৰ সহিত বিভূষিত হৈ দেওধাই আৰু বাইলুঙ্গ সহিত সেইঘৰে সিংহাসনত মুখ্য পটেশ্বৰী সহিতে বহে আৰু ডাঙ্গৰীয়া ফুকন বৰুৱাদি আৰু দেওধাই বাইলুঙ্গ সকল যথা নিয়মমতে বহে।[৪৫] সময়ৰ হাত বুলনিত এই ঘৰটো পুৰণি হৈ যোৱাত স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহই তাৰ সমীপতে গড়গাঁৱৰ কাৰেং ঘৰটো সজায়- যিটোৱে আহোম ৰাজত্বৰ ঐতিহ্যময় স্থাপত্যবিদ্যাৰ চিনাকি দিব লাগিছে। এইজনা ৰজাই ৰংপুৰতো সাত মহলীয়া তলাতল ঘৰ নিৰ্মাণ কৰায়। "এওঁ ৰাজাদেৱেই ৰংপুৰ, গড়গাওঁ দুয়ো নগৰত দুইটা পকী তলাতল ঘৰ সাজে। আৰু দুটুপীয়া ঘৰটো ৰংপুৰৰ ওচৰতে দ'লঘৰৰ দৰে সৰুকৈ এটা পকী ৰংঘৰ কৰিলে।"[৪৬] এই দুয়োটা ঘৰৰ মাটিৰ সমতলতসাত মহলা, ওপৰ ভাগত তিনি মহলা আৰু তলভাগত তিনিমহলা। ৰাজেশ্বৰ সিংহৰ আগতে মহাৰাজ ৰুদ্ৰসিংহই ৰংপুৰ নগৰৰ তলাতল ঘৰৰ একাংশ আৰু কাৰেং ঘৰ সজায়। স্বৰ্গদেৱ প্ৰমত্ত সিংহ মহাৰাজে গড়গাওঁ নগৰৰ দুৱাৰ ঘৰ কেইটা পকী কৰায়। ৰংঘৰৰ চালখন সম্পূৰ্ণ অসমীয়া দুটুপীয়া ঘৰৰ আৰ্হিৰ। পকীঘৰ আৰু মঠ-মন্দিৰৰ বেৰত বিভিন্ন দেৱ-দেৱীৰ মূৰ্ত্তিৰ বাহিৰেও নৰ-নাৰীৰ মূৰ্ত্তি, লতা-ফুল আদিৰ চিত্ৰ খোদিত কৰা দেখা যায়। স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ (১৬৯৬-১৭১৪ খ্ৰী.) দিনৰপৰা স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহৰ সময়লৈ এই কালছোৱাত (১৭৫১-১৭৬৯ খ্ৰী.) ৰংপুৰ আৰু গড়গাও নগৰক বিভিন্ন অট্টালিকা, দ'ল-দেৱালয়, মঠ-মন্দিৰ আদিৰে জাকত জিলিকা কৰি গঢ়ি তোলা হয়। উল্লেখযোগ্য যে- তলাতল আৰু ৰংঘৰৰ দুৱাৰ-খিৰিকীবোৰৰ আৰ্হিত কিছু মোগল-পাচীয় প্ৰভাৱ

---

৪৪। সূৰ্য্যকুমাৰ ভূঞা (সম্পা): অসম বুৰঞ্জী, পৃঃ ৫, ১৯৪৫

৪৫। হৰকান্ত বৰুৱা, সদৰামিনঃ অসম বুৰঞ্জী, পৃঃ ১৯, ১৯৬২

৪৬। হৰকান্ত বৰুৱা, সদৰামিনঃ অসম বুৰঞ্জী, পৃঃ ৭৪, ১৯৬২

পৰিলক্ষিত হয়। বুৰঞ্জীত মহাৰাজ ৰুদ্ৰসিংহই নগৰৰ পকী ঘৰ-দুৱাৰ নিৰ্মাণ কৰিবলৈ ভাটিৰ ঘনশ্যাম নামৰ খনিকৰ এজনক আনোৱাৰ কথাৰ উল্লেখ পোৱা যায়। এওঁৰ শিল্পী হাতৰ পৰশতে অসমীয়া বাটৈ, খনিকৰ, শিলাকুটী, বনুৱা আদিৰ আপ্ৰাণ চেষ্টাত আহোম যুগৰ স্থপতি বিদ্যাই এক সুকীয়া ৰূপ পৰিগ্ৰহণ কৰে।

১.১৬.১. সাঁকো-দলং ঃ

আহোম ৰজাসকলৰ স্থপতি বিদ্যাৰ আন এটি উল্লেখনীয় দিশ হ'ল-নৈ-জান-জুৰিত নিৰ্মাণ কৰা সাঁকো বা দলং আদি। অসম বুৰঞ্জীবোৰত কেবাখনো শিলসাঁকো, কাঠ-বাঁহৰ দলং নিৰ্মাণ কৰাৰ কথা পোৱা যায়। এইবোৰৰ ভিতৰত প্ৰথমতে উল্লেখযোগ্য হ'ল- মহাৰাজ ৰুদ্ৰসিংহৰ সমযত নিৰ্মিত সাঁকো বা দলংবোৰ। বুৰঞ্জীৰ কথাৰে ক'বলৈ হ'লে এনেই "নামডাঙৰ শিলসাকো, ও ডিমৌৰ দুই সিল[illegible][47] কৰিলে। নামডাঙৰ শিলসাঁকো নিৰ্মাণ পদ্ধতি অতি চমৎকাৰ। এওঁৰ পিছৰ [illegible] সিংহ মহাৰাজেও জিজিখানাত শিলসাঁকো নিৰ্মাণৰ কথা আছে। ইযাৰ পূৰ্বে প্ৰতাপসিংহ বুঢ়াৰজা স্বৰ্গদেৱে ডৰিকাত এখন শিলসাকো আৰু মোগলৰ সৈতে হোৱা "ভড়ৰী"ৰ ৰণত জয় লাভ কৰিবলৈ 'ভড়ৰী'ত তিনিখন দলং বন্ধাৰ কথা "কামৰূপৰ বুৰঞ্জী"ত[48] উল্লেখ আছে।

১.১৬.২ মৈদাম নিৰ্মানঃ

চৰাইদেও পৰ্বতৰ নামনিত আহোম ৰজা সকলৰ মৈদাম নিৰ্মাণ প্ৰণালী স্থপতি বিদ্যাৰ উৎকৰ্ষৰ অন্য এক নিদৰ্শন। এই মৈদাম কাডী হজুৱাৰ হতুৱাই মৃতকক ৰাখিব পৰাকৈ অতি মজবুত ভাবে তৈয়াৰ কৰা হৈছিল। ইয়াৰ বাবে একঠা বা ডেৰকঠা মাটি আয়তাকাৰে খানি খুটা চটি লগাই তলে ওপৰে পাট পাৰি দুৱাৰ ৰাখি মাটিৰ তলত এটি ঘৰ সজা হৈছিল।মৈদামৰ চাৰিওপিলে শাল, শিঙৰি, উৰিয়াম আদি টান কাঠ নাইবা ইটা(পিছৰ সময়ত) গাঠি চাৰিকোণীযাকৈ গহুৰ সাজি কাষৰ পৰা মাটি খহি নপৰাকৈ মজবুটকৈ বনোৱা হৈছিল। ইয়াৰ উপৰিভাগত উৰিআমৰ দৰে টান কাঠৰ তক্তা বা ইটা গাঁঠি দিয়া হৈছিল। আহোম যুগত ইটা গঢ়া ৰীতি অতুলনীয় আছিল। আয়তাকাৰ ইটাৰ প্ৰয়োগ সততে দেখা যায়। মৃতকক "ৰুঙ-ডাঙ" পেৰাৰ ভিতৰত সোমাই ৰিকখ্বন মন্ত্ৰপুত কৰি লুখুৰাসনৰ হতুৱাই মৈদামৰ ভিতৰত সোমাই কাৰেং "ৰুঙ-ডাঙ" ৰ দুৱাৰ বন্ধ কৰি ওপৰত মাটি দি মৈদাম বন্ধা হয়। আহোমসকলৰ সামাজিক নিয়ম অনুসৰি মৈদামীয়া খেলৰ মানুহেহে প্ৰথমতে এই সকলো কাম কৰা দেখা যায়। সাধাৰণতে

৪৭। কাসিনাথ তামুলিফুকন ঃ আসাম বুৰঞ্জী পুথি, পৃঃ ৪৮, ১৯০৬
৪৮। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) ঃ কামৰূপৰ বুৰঞ্জী, পৃঃ ২১, ১৯৫৮
"পাছে ৰাজাগণে সমে গোহাইবোৰে আলচ কৰি ভড়ৰীয়ে উজাই তিনিখন দলং বান্ধিলে ভড়ৰীত পাৰ হৈবাক লাগি"

মৈদামত শব স্থাপন কৰাৰ আগতে মৈদামত দিয়া আহিলা-পাতি, লা-লিগিৰা আদি যথাবিধি উপস্থাপন কৰাই মাটিৰ তলৰ পাটঘৰত ভৰাই দুৱাৰ মাৰি মাটি দি ওপৰত মৈদাম বান্ধিছিল। দেওধাই অসম বুৰঞ্জীত (পৃঃ ১৫৫-১৬) "আহোম ৰজাৰ মৈদাম" খণ্ডত আহোম স্বৰ্গদেৱ সকলৰ মৈদাম নিৰ্মাণ প্ৰক্ৰিয়াৰ বিতং বিৱৰণ পোৱা যায়।

## ১.১৭ গড় নিৰ্মাণ ঃ

তাহানিখনৰ অসমৰ গাঁও আৰু নগৰ পৰিকল্পনাত গড় মৰা কাম প্ৰথমতে কৰা হৈছিল। ঢাপ মাৰি বাৰী পতা আৰু গড়বান্ধি নগৰ কৰা কথাষাৰে ইয়াৰ সাক্ষ্য দিয়ে। ৰাজধানী গড়গাওঁ নগৰখন আটোমটোকাৰিকৈ গঢ়ি তুলিবলৈ মেৰঘৰ সদৃশ গড়বান্ধি গুলাব-সোমাবৰ বাবে ঠায়ে ঠায়ে দুৱাৰৰ ব্যৱস্থা কৰা হৈছিল। এই নগৰখন চুক্লেমুং গড়গঞা (১৫৩৯-৫২ খ্ৰী.) ৰজাই বুদ্ধিমতী চাউচিং কুঁৱৰীৰ নিৰ্দেশত তৈয়াৰ কৰিছিল।" নগৰৰ চাৰিওমেৰে গড় হব লাগে, তেবেসে ভাল। - ও কুঁৱৰীৰ অনুমতিয়ে গড়গ্ৰামত গড় বান্ধিলে।"[৪৯] পিছত মহাৰাজ প্ৰমত্তসিংহই এই গড়গাওঁ নগৰৰ দুৱাৰঘৰ কেইটা পকী কৰিছিল। তাহানি সোণৰ সৰ্ফুঁৰা হেন গুৱাহাটী নগৰখনো গড়-প্ৰাঞ্চি মাৰি সুৰক্ষিত কৰি ৰখা হৈছিল। এনেহেন গুৱাহাটী নগৰক বিনাযুদ্ধে এৰি দিলে ঔৰংজেৱ পাৎসাৰ বেটা আজমতৰাই ক্ষমতা লোভী লালুকসোলা বৰফুকনক চাৰি লাখ ৰূপ দিব বুলি প্ৰতিশ্ৰুতি দিছিল। সময়ত এইবোৰ দেখি-শুনি দেশ ভগনৰ সময়ত যোৱা বাদুলী ফুকনেও আক্ষেপেৰে এইদৰে কৈছিলঃ

" তইঁতে কি কাম কৰিলি। এই শৰাইঘাটৰ গড় দেৱৰো দুৰ্গম, আক কি বুলি এৰিলি ? আপোনাৰ মৰ্য্যাদা আপুনি হেৰুৱালি। চাৰিলাখ ৰূপ দিব খুজিলে, তাকো নললি, কিছু নহ'ল।"[৫০]

দেশদ্ৰোহী বাদুলীফুকনৰ শৰাঘাট গড়ৰ প্ৰশংসা সচাঁকৈয়ে স্মৰণীয়।

সাধাৰণতে শত্ৰুৰ হাতৰপৰা দেশ ৰক্ষাৰ্থে কোঠ আৰু গড় নিৰ্মাণ কৰা হৈছিল। নদী আৰু পৰ্বত-পাহাৰৰ সমীপৱৰ্তী এলেকা ইয়াৰ বাবে প্ৰশস্ত আছিল। এই গড় আৰু কোঠ মৰা কামত তাহানিৰ অসমীয়া জাতিৰ পূৰ্ত্ত বিভাগৰ জ্ঞানৰ পৰিচয় পোৱা যায়। অসমীয়া বুৰঞ্জী সাহিত্যত উল্লিখিত শৰাইঘাট ৰণৰ পূৰ্বে মহাবীৰ লাচিত বৰফুকনৰ নেতৃত্বত নিৰ্মিত দেৱৰো দুৰ্লভ "গুৱাহাটীৰ গড়", মন্ত্ৰীৰ কুশাসনৰপৰা দেশ ৰক্ষা কৰিবলৈ ৰাজমন্ত্ৰী আতন বুঢ়াগোহাঁই ডাঙৰীয়াই তৈয়াৰ কৰা "চিত্ৰমণি গড়"আৰু শেষত মহামন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোহাঁই ডাঙৰীয়াই মোৱামৰীয়াৰ হাতৰপৰা দেশ উদ্ধাৰ কৰিবলৈ বন্ধা "বিবুধি গড়" প্ৰসঙ্গক্ৰমে স্মৰনীয়। মহাবীৰ লাচিত বৰফুকনে গুৱাহাটীৰ গড় নিৰ্মাণ কৰি বিখ্যাত শৰাইঘাটৰ ৰণোদ্যমৰ সময়ত ডা-ডাঙৰীয়াসকলৰ লগত এইদৰে আলাপ কৰিছিল - "বঙ্গালেও আমাক দেখে আমিও বঙ্গালক দেখো।" এতেকে আৰু লৈ একযুদ্ধৰ নিমিত্তে

৪৯। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) ঃ অসম বুৰঞ্জী, পৃঃ ২৭, ১৯৬০

৫০। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) ঃ সাতসৰী, পৃঃ ১০৭, ১৯৬৪

গড় কিছু কৰিলে ভাল যেন দেখো। তোমালোকে কি কোৱা? কতোৱে বোলে- "আমাৰো এইসম্মত। কতোৱে বোলে- চামধৰাত আমাৰ গড় আছে, তিনিজনা ডাঙ্গৰীয়াই মন কৰিলে তেহে হয়। আতে লাচিত বৰফুকনে বোলে চামধৰাত হুহুকি ধৰাত কৰি ইয়াত হ'লে বহাত থাকি যুদ্ধ কৰিব পাৰি। পাচে সকলোৱে ফুকনৰ কথাতে ভৰ দিলত কটকীতকৈ* দেৰলৈ জনাই পঠালে বোলে- "অনেক আহিলা পাতি যত্ন কৰি বঙ্গাঁল শত্রুক খেদি অনেক উপায়েৰে গুৱাহাটীখান লৈছো। এতেকে এটা যুদ্ধৰ নিমিত্তে গড় কৰিবলৈ বন্দিৰ মনে চল যেন দেখো। পাচে দেৱে তিনিজনা ডাঙ্গৰীয়াৰে সমালোচন হুই বাঁহগড়ীয়া বুঢ়া গোঁহাই, বৰপাত্র গোঁহাই এই দুজনাক পঠাই দিলে। আহি ফুকনবোৰ সহিতে সমালোচনা হুই উত্তৰে-দক্ষিণে বিশ্বকৰ্মে নিৰ্মিত হেন গড় বান্ধিলে।[৫১] এই গড় দেখি অম্বৰাধিপতি সমৰনায়ক ৰজা ৰামসিংহই প্রশংসা কৰি এনেদৰে মন্তব্য কৰিছিল- "পাহাৰৰ ওপৰত গড় কৰিছে, আণত মৈদানো অল্প, ভালেতো আচামক যুদ্ধ নোৱাৰে। চক্রাকৃতি বেহু,একো ঠাইলৈ তিনি আলি, মাইৰে নাপাই। তীৰ, কামায়ন, ঘোঁৰা যুদ্ধ নাই। ধন্য মন্ত্রী, ধন্য সেনাপতি, ধন্য পদাতি। একে পৰ্বত, তাতে এনয় দুৰ্গম বেহু কৰিছে।[৫২] বুৰঞ্জী বিখ্যাত এই গডৰ বাহিৰেও 'মেৰা গড়', লাদৈ গড়', 'নুমলী গড', 'ইটাখুলিৰ গড়', 'ৰাঙলী গড়', 'ৰাজ গড়', 'খৰা গড়', 'হাৰমতী গড়', 'চিনাতলী গড়', আদিৰে উল্লেখো বুৰঞ্জীবোৰত পোৱা যায়।

১.১৭.১ **আলি-পদূলি ঃ**

আহোম যুগত যাতায়তৰ সুচলাৰ্থে কেবাটাও প্রশস্ত আলি-পদূলি নিৰ্মাণ কৰা হৈছিল। চুখাম্ফা খোৰা ৰজাৰ (১৫৫২-১৬১১ খ্রী.) দিনত কোচৰজা নৰনাৰায়ণে অসম আক্রমণ কৰিবলৈ মন কৰি ভায়েক গোহাঁই কমলৰ হতুৱাই আলি বন্ধাৰ কথা বুৰঞ্জী সাহিত্যত উল্লেখ আছে। "কামৰূপৰ বুৰঞ্জী" ত ইয়াক এনেদৰে বৰ্ণাইছে ঃ

"ৰাজ্যৰ আজ্ঞাইএ গোহাঁই কমলে নামদানি ওপৰদানি সমান কৰি বেহাৰৰ পৰাএ নাৰায়ণপুৰ পৰ্য্যন্তে এটা আলি বান্ধিলে।[৫৩]

বৰ্ত্তমানে এই আলি গোহাঁইকমল আলি নামে খ্যাত। বুঢ়া ৰজা প্রতাপসিংহৰ দিনত (১৬১১-৪৬ খ্রী.) মোমাই তামুলী বৰবৰুৱাৰ নেতৃত্বত দেশত বহুতো বাট-পথ, গড়, পুখুৰী আদি নিৰ্মাণ কৰা হয়। কসিনাথ তামুলীপুকনৰ "আসাম বুৰন্জি পুথি" ত আছেঃ

... (গজপুৰ) ঐ নগৰৰে পৰা গৰগাঁৱলৈকে বৰ আলি, ও তাৰে পৰা গাঁৱলৈ চটাই আলি বন্ধালে, আৰু পৰ্বতৰ পৰা মেকুৰিখোৱালৈ চটাই আলি বন্ধালে। ... জবকাৰ আলি, বকতাৰ আলি, পৰ্বতৰ আলি, হাৰিপৰা আলি, এই কেইটা আলি কৰিলে।[৫৪]

---

৫১। সূৰ্য্যকুমাৰ ভুএগ (সম্পা) ঃ অসম বুৰঞ্জী, পৃঃ ৯২-৯৩, ১৯৮৮
৫২। সূৰ্য্যকুমাৰ ভুএগ (সম্পা) ঃ অসম বুৰঞ্জী, পৃঃ ৯৬
৫৩। সূৰ্য্যকুমাৰ ভুএগ (সম্পা) ঃ কামৰূপৰ বুৰঞ্জী, পৃঃ ১২-৯৩, ১৯৫৮
৫৪। কাসিনাথ তামুলিফুকন ঃ আসাম বুৰন্জি পুথি, পৃঃ ৩১-৩২, ১৯০৬

প্ৰবল প্ৰতাপী গদাধৰ সিংহ মহাৰাজাই (১৬৮১-৯৬ খ্ৰী.) বিপ্লৱৰ বুৰঞ্জীক প্ৰতিহত কৰি ৰাজদণ্ড হাতত লৈ ভণ্ড বৈষ্ণৱ ভক্তবৃন্দক প্ৰজাহিতকৰ কামত লগাই দিছিল। ফলস্বৰূপে এওঁৰ দিনতে বিখ্যাত "ধোদৰ আলি" নিৰ্মিত হৈ উঠিল। এওঁৰ সুযোগ্য সন্তান ৰুদ্ৰসিংহ মহাৰাজে অনেক প্ৰজাহিতকৰ কাম কৰাৰ লগতে "খৰিকটীয়া আলি" "দুবৰণি আলি", "মেটেকাৰ আলি" নিৰ্মাণ কৰায়। তেনেকৈ কমলেশ্বৰ সিংহ মহাৰাজে (১৭৯৫-১৮১১ খ্ৰী) ভোগদৈ নৈ খনাই "ন-আলি", "ৰজা বাহৰ আলি", "মহে বন্ধা আলি", "কমাৰ বন্ধা আলি" আদি বন্ধায়।

### ১.১৭.২ পুখুৰী ঃ

আহোম যুগৰ পুৰ্ত্ত-বিদ্যানিপুনতাৰ অন্যতম নিদৰ্শন এই সাগৰ সদৃশ পুখুৰী বিলাক। প্ৰজাৰ মঙ্গলৰ বাবে জনবহুল অঞ্চলৰ সমীপবৰ্তী এলেকাত দীঘল-বহল পুখুৰী খান্দি পানী যোগান ধৰা হৈছিল। "এই বিয়াগোম পুখুৰীবোৰৰ পানী সদায় পৰিষ্কাৰ আৰু পবিত্ৰ আছিল। ইয়াৰ পানী পৰিস্কাৰ কৰি ৰখাৰ বাবে ৰসেন্দ্ৰ বৰুৱাৰ তত্বাবধানত ৰাসায়নিক প্ৰক্ৰিয়াৰে 'ৰহ ঢলা' হৈছিল।"[৫৫] ৰহ-ঢলা খেলৰ মানুহে ৰহ বা ৰস (পাৰঙ্গ বা পাৰা) প্ৰস্তুত কৰি পুখুৰীবোৰত ঢালিছিল। বুৰঞ্জী সাহিত্যত উল্লিখিত এক ডজন পুখুৰীৰ নাম তলত সময় অনুসৰি দেখুওৱা হ'ল ঃ

| *স্বৰ্গদেউসকলৰ নাম* | *পুখুৰী* | *উল্লিখিত বুৰঞ্জী পুথি* |
|---|---|---|
| ১। দিহিঙ্গীয়া ৰজা | কৰতোৱা পুখুৰী | হেমচন্দ্ৰ গোস্বামী (সম্পা) পুৰনি অসম বুৰঞ্জী পৃঃ৪৯, ১৯৭৭ |
| ২। গড়গঞা ৰজা | গড়গাঁৱৰ পুখুৰী | সূৰ্য্যকুমাৰ ভূঞা (সম্পা) ঃ অসম বুৰন্‌জি, পৃঃ ২৫ |
| ৩। খোৰা ৰজা | নাহৰ পুখুৰী, মেচলৌ পুখুৰী | তামুলিফুকন ঃ আসাম বুৰন্‌জি, পুথি পৃঃ ২৪ |
| ৪। প্ৰতাপসিংহ | মেচাগড় পুখুৰী, ৰূপহী পুখুৰী | সূৰ্য্যকুমাৰ ভূঞা (সম্পা) ঃ অসম বুৰন্‌জি, পৃঃ ৫১, ৫৬ |
| ৫। জয়ধ্বজ সিংহ | ভটীয়া পাৰৰ পুখুৰী | তামুলিফুকন ঃ আসাম বুৰন্‌জি, পুথি পৃঃ ৪৬ |

৫৫। সতেন্দ্ৰ নাথ শৰ্মা, এ.এচ.ই.চি. এইচ্.এম, পৃঃ ২৭৯, ১৯৮৯

| | | | |
|---|---|---|---|
| ৬। গদাধৰ সিংহ | ৰহদৈ পুখুৰী, চৰাইদেউৰ গোটা পুখুৰী | সদৰামিনঃ আসাম বুৰঞ্জী, | পৃঃ ৬০ |
| ৭। ৰুদ্ৰসিংহ | জয়সাগৰ পুখুৰী, ৰঙ্গনাথৰ পুখুৰী | ঐ, | পৃষ্ঠাঃ ৬০ |
| ৮। শিৱসিংহ | শিৱসাগৰ পুখুৰী, গৌৰীসাগৰ পুখুৰী, | ঐ, | পৃষ্ঠাঃ ৬০ |
| | কালুগাওঁৰ পুখুৰী | ঐ | পৃষ্ঠাঃ ৭১ |
| ৯। ৰাজেশ্বৰ সিংহ | মগ্‌লৌ পুখুৰী, | ঐ, | পৃষ্ঠাঃ ৭৫ |
| ১০। লক্ষ্মী সিংহ | ৰুদ্ৰসাগৰ পুখুৰী, গৌৰীবল্লভ পুখুৰী, বগীদ'লৰ পুখুৰী | ঐ, | পৃষ্ঠাঃ ৭৯ |
| ১২। চন্দ্ৰকান্ত সিংহ | বুঢ়াগোহাঁই পুখুৰী, বিষ্ণুসাগৰ পুখুৰী | ঐ, | পৃষ্ঠাঃ ৮৫ |

### ১.১৮ সাজ-পাৰ ঃ

আহোম ৰাজাজ্ঞা মতে যি যিমানৰ মানুহ সেই মানেহে পিন্ধা উৰাৰ নিয়ম চলি আছিল। মৰ্য্যানুসাৰে ডাঙৰীয়াসকলে সাজ-পাৰ পৰিধান কৰিব লাগিছিল। আহোমৰ দিনৰ বা-বিষয়াসকলে ব্যৱহাৰ কৰা সাজ-পাৰৰ পুংখানুপুংখ বিৱৰণ অসম বুৰঞ্জীত পোৱা যায়। স্বৰ্গদেৱ, ডা-ডাঙৰীয়া, প্ৰজাসাধাৰণ আদিয়ে ব্যৱহাৰ কৰা প্ৰাত্যহিক জীৱনৰ সাজ-পোছাক. আ-অলংকাৰ, বাচন-বৰ্ত্তন আদিৰ লগতে ৰাজকীয় মৰ্য্যদাৰে পৰিধান কৰা বিবিধ সম্ভ্ৰান্ত সূচক পোছাক-পৰিচ্ছদ, দোলা-আৰোৱান, ছত্ৰ-ছামৰ আদিত অসমীয়া সাংস্কৃতিক জীৱনৰ ৰূপ প্ৰতিফলিত হৈছিল। আদিতে গাত কলীয়া বস্ত্ৰ পৰিধান কৰা লগুা-মুগুা মানুহবোৰে সৌমাৰপীঠত উপস্থিত হৈ নিজকে যুঁজাৰু জাতি হিচাপে প্ৰতিষ্ঠা কৰি ওচৰ-চুবুৰীয়া ৰাজ্যবোৰক দখললৈ আনি সমিলমিলেৰে এক সাংস্কৃতিক সমন্বয় গঢ়ি তুলিলে। সদৰামিনৰ 'অসম বুৰঞ্জী' মতে স্বৰ্গদেৱ চুকাফাৰ দিনত এওঁলোকে 'পৰিধান কৰা বস্ত্ৰ, বচোৱাল, টঙ্গালী মূৰত পখৰৌ অথচ দুই মূৰে ৰঙা আচুৰ ফুল দিয়া কপাহীৰ গামোচা মত মূৰত মেৰাই বন্ধা নিয়মেহে আছিল'।[৫৬] পিছলৈ অৱশ্যে এই নিয়মৰ আমোল পৰিবৰ্ত্তন হৈছিল।

আহোম যুগত ব্যৱহাৰ কৰা সাজ-পাৰৰ উল্লেখ বুৰঞ্জী সাহিত্যৰ পৰা উদ্ধৃত কৰি দেখুওৱা হ'ল ঃ

| | |
|---|---|
| আওচা বা ভুনি | জালি চোলা |
| আচুদিয়া চেলেং | জাপি |

৫৬। হৰকান্ত বৰুৱা সদৰামিন ঃ অসম বুৰঞ্জী, পৃঃ১৪, ১৯৬২

আচুফুলৰ খনীয়া    জাৰি দিয়া চেলেং, ডৰীয়নী চেলেং

আৰোৱান ইজাৰ
ইজাৰ
উকা চেলেং
উকা কাপোৰ
এৰিয়া চাদৰ
এঙ্গাঁ চোলা
কাৰচিপিখনীয়া
কিম্মিজ, ককাল বন্ধা গামোচা
কুনমিন কুনকা
কুহুমীয়া টাঙ্গালী
কেপকৰা তলছা
খেহ্ কাপোৰ, খামতিমোনা
গাঠিয়ন
গামচা
গাড়িদিয়া খনীয়া
গুণাকটা চেলেং
গুটিবুলোৱা খনীয়া
গুণাকটা খনীয়া
ঘাগৰা
চিত বা চিতৰ কাপোৰ
চিকন  কাপোৰ
চুৰিয়া
চেলেঙ্গঁ
ছকঠীয়া
ফুলাম ৰিহা
ফুলাম আৰ কাপোৰ
ফুলাম আঠুৱা
ফুল দিয়া চেলেং
ফোটা
বৰৈ লগা চোলা

তাত কাপোৰ
তিয়নি গামোচা
তলচা
তিতা কৰিয়া
থুনুপাক
দৰিয়ালী গুনাখনীয়া
ধুতি, নৰা কাপোৰ
নৰা চোলা
নোৰা কটা সূতাৰ খনীয়া
টঙ্গাঁলী
ঢৰা কাপোৰ
পাগ
পথৰু, পইজাৰ, পাগুৰি
পাটি কাপোৰ
পানী কামীল
পানী গামোচা
পাটৰ চাদৰ
পামৰু (পামৰি)
পাৰি দিয়া চেলেং
পিত কাপোৰ
পিত খনীয়া
ফচ্চৌ
ফুলাম বৰ কাপোৰ
মুগাগুঠি দিয়া চেলেং
মুগা ফুলৰ খনীয়া
মিৰ্জাই
মুৰত বন্ধা গামোচা
মুৰ হাঁচতি
সোণোৱালী কাপোৰ

| | |
|---|---|
| বৰ কাপোৰ | সোণোৱালী জেমা |
| বৰ নগৰীয়া বিচিত্ৰ পাটৰ শাৰী | সোণোৱালী কোমৰ-বন্ধা |
| বচোৱাল | সোণসূতাৰে চাব মৰা চেলেং |
| বটুৱা | সোণৰ সূতা দিয়া হাঁচতি |
| বুকু চোলা | হাঁচতি |
| বুটাদিয়া খনীয়া | হোলোং চোলা, ইত্যাদি। |

আহোমসকলে ভূএগ্ৰাসকলৰ সংস্পৰ্শলৈ অহাৰপৰা সিহঁতৰ বচোৱান, টঙালি আৰু হাঁচতি এইসকল দ্ৰব্যৰ আদৰ্শ ললে। দিহিঙ্গীয়া ৰজাই ভূএগ্ৰাসকলক দমন কৰি সিহঁতৰ কিছু ল'ৰা তামুলি আৰু পাচনিকৈ লগত লয়। এবেঁই ১৫১৩ খ্ৰীঃত চুটিয়াসকলক ৰণত হৰুৱাই মাইহাঙ্গ, সোণোৱালী তি নিচুকীয়া সিংহাসন, খাট আদি নিজৰ ব্যৱহাৰলৈ আনে। বুৰঞ্জী প্ৰসিদ্ধ "মাইহাঙ্গ" পাত্ৰৰ বিষয়ে 'কামৰূপৰ বুৰঞ্জী'ত অসম কটকী মাধচৰণে মোগলবীৰ ছায়েস্তা খাঁক এনেদৰে কোৱা আছেঃ

"...' বে সুবৰ্ণৰ সিংহাসনত থাকিতে যাক যি ৰূপ সুবৰ্ণৰ ৰজতৰ স্থালত ক্ৰমে খানা দেয়, সেই সকল সহিতে ' বে সুৱৰ্ণৰ স্থালত খানা খায়, যাৰ নাম মাইহাঙ্গ বুলি প্ৰসিদ্ধ কহে।"[৫৭]

চুডাংফা বামুণী কোঁৱৰ (১৩৯৮-১৪০৭ খ্ৰী) প্ৰথম শিঙৰি ঘৰত উঠা। সময়ত ভিন ভিন আ-অলংকাৰ বস্ত্ৰাদি পৰিধান কৰাৰ বৰ্ণনা বুৰঞ্জীত পোৱা যায়। স্বৰ্গদেৱে মুখ্য পটেশ্বৰী সহিতে বিধিমতে বস্ত্ৰালংকাৰেৰে বিভূষিত হৈ দেওধাই বাইলুংৰ মন্ত্ৰপূত কৰি সিংহাসনত বহে। এই সময়ত গায়ন-বায়ন-নৰ্তকীসকলে নৃত্য কৰে, সকলোৱে ৰজাদেৱক আশীৰ্বাদ দিয়ে। মনকৰিবলগীয়া যে তেওঁলোকে মৰ্য্যাদানুসাৰে বস্ত্ৰ পৰিধান কৰিলেও সেই সময়ৰ বস্ত্ৰালংকাৰৰ বিশেষ নক্সা নাছিল।

সেয়ে মহাৰাজ ৰুদ্ৰসিংহ স্বৰ্গদেৱৰ ৰাজত্বৰ আগৰ সময়ত আহোম ৰজা-প্ৰজাসকলে ব্যৱহৃত সাজ-পাৰ, আ-অলংকাৰাদিত বিশেষ জাকজমকতা বা সৌন্দৰ্য্য নৈপুণ্য দেখা নাযায়। মুনিহসকলে সাধাৰণতে কলা ৰঙৰ গা-চুটি হাত দীঘল নৰা চোলা পৰিধান কৰিছিল। মূৰত "ফটৌ" হে মাৰিছিল। ৰুদ্ৰসিংহ মহাৰাজে কিন্তু মোগলাই পাগুৰিহে পৰিধান কৰিছিল। গাত লোৱা চেলেং কাপোৰ আৰু মূৰত মৰা পাগুৰিয়ে ব্যক্তি মৰ্য্যাদা নিয়ন্ত্ৰণ কৰিছিল। মহাৰাজ ৰুদ্ৰসিংহৰ দিনৰপৰা আহোম ৰজা-প্ৰজাৰ সাজ-পাৰৰ বিশেষ পৰিবৰ্ত্তন হোৱা দেখা যায়। স্বৰ্গদেৱৰ ইচ্ছানুযায়ী "খাউণ্ড"ৰ লগতে "বৈৰাগী" নামৰ পদৱীৰ সৃষ্টি কৰি ভাৰতৰ বিভিন্ন ঠাইৰপৰা সাজ-পোছাকৰ আৰ্হি আৰু পিন্ধন উৰণৰ পদ্ধতি আনোৱাই থলুৱা ভূএগ্ৰা, চুটিয়া আদি জন সম্প্ৰদায়ে ব্যৱহাৰ কৰা বিবিধ সাজ-পাৰৰ লগত সুসমন্বয় ঘটাই ৰজাঘৰ-প্ৰজাঘৰে এইবোৰক আটকধুনীয়া ৰূপে

৫৭। সূৰ্য্যকুমাৰ ভূএগ্ৰা (সম্পা) ঃ কামৰূপৰ বুৰঞ্জী, পৃঃ ৫৭, ১৯৫৮

ব্যৱহাৰ কৰিবলৈ উৎসাহ-উদ্দীপনা যোগাইছিল। তুংখুঙীয়া বুৰঞ্জীত আছে ঃ

"... ১৬২৬ শকত ফাকুযাত্রা কৰি ৰাজাদেৱে জামা পাগ-ইজাৰ পিন্ধিলে। সকলকো সেই ৰূপে দিলে। মাদুৰিয়াল লাইথপনা ৰবগোহাই, কুবৈগঞা দৰবধৰা বুঢ়াগোহাই, কেন্দুগুৰীয়া কনচেং বৰপাত্রগোহাই, এই তিনিজনা ভাঙৰীয়া বোলে - "আপোনাৰ দেশৰ ধাৰাণ এৰি কেনে বঙালৰ ধাৰাণে বঁটা পিন্ধিম ?" এই বুলি ওলোটাই দিলে। বুঢ়াগোহাঞে মহাৰাজলৈ প্রার্থি খুজি গ'লত জামা পাগইজাৰো দিলে। তাৰপৰাহে পাগ জামাৰে বটা হ'ল।[৫৮]

* * *

"বৈৰাগীৰ মুখে বুজিও নমুনামতে স্ত্রী পুৰুষৰ পিন্ধা অলংকাৰ আৰু চুৰিয়া, আৰু চোলা, পাগুৰি, পাগ, জামা ও বুকু চোলা, এঙ্গাঁ ও কটাফুলৰ বুকু ও তোবতাৰ ভিজিৰা ও কাৰছিপি ও স্ত্রীসকলৰ মেখেলা, ৰিহা আদি পিন্ধাৰ নিয়ম হ'ল।" আগে এইমত নাছিল। বচোৱাল টঙ্গালি মুৰত মেৰাই থোৱা গামোচাৰ মত ফছছৌ বোলে, তাকে মেৰাই গাঠি দি থয়।[৫৯]

### ১.১৮.১ হাতশাল সূতা কটা ঃ

প্রসিদ্ধ বুৰঞ্জীবিদ ড° সূর্য্যকুমাৰ ভূঞাই "বুৰঞ্জীৰ বাণী"ত লিখিছেঃ

"তেওঁ (মোমাই তামুলী বৰবৰুৱা) নিয়ম কৰিলে যে অসমৰ প্রত্যেক গৰাকী তিৰোতাই নিতৌ সন্ধিয়া বা ৰাতি দুটা সূতলাহী পকাব লাগিব। পাচদিনা গাঁৱৰ গাঁওবুঢ়াই চাই যাব সেই আদেশমতে কাম হৈছে নে নাই। তাৰ উপৰিও প্রত্যেক অসমীয়া গৃহস্থীয়ে ৰজাৰ ভৰাললৈ বছৰি এপোৱা পাটৰ সূতা দিয়াৰ নিয়ম আছিল।"[৬০]

ৰজাৰ এই আদেশ পৰবর্তী ৰজাসকলৰ দিনতো বলবৎ আছিল। শিৱসিংহ ৰজাৰ পত্নী অনাদৰী বা সর্বেশ্বৰী কুঁৱৰীৰ তত্বাবধানত বর্তমানৰ হস্ত-তাত শিল্প উদ্যোগৰ দৰে অনেক জাতিৰ গাভৰুবোৰে জুমে জুমে পাজি-সূতা কাটি অসমীয়া বয়ন শিল্পৰ উন্নতি কৰিছিল। কিংখাপ, পাট-সূতা, মেজাংকৰী আৰু মুগাৰ ব্যাপক প্রচলন আহোম স্বর্গদেৱসকলৰ পৃষ্টপোষকতাতে সম্ভৱ হৈ উঠিছিল। তাহানিখন অসমীয়া তিৰোতাই বিচিত্র কাপোৰ বৈ নিজৰ শিল্প দক্ষতাৰ পৰিচয় দিছিল। হাতশালত কাপোৰ বৱলৈ কপাহ নেওঠি পাজি কাটি সূতা তৈয়াৰ কৰাটো দৈনন্দিন কর্তব্যৰ ভিতৰত পৰিছিল। শিপিনীৰ দক্ষতাৰ প্রমাণ স্বৰূপে বুৰঞ্জীবোৰত বর্ণিত 'কৱচ কাপোৰৰ' প্রসঙ্গ উল্লেখনীয়। দিহিঙীয়া ৰজাদেৱৰ দিনত ১৫২৭ খ্রী.ত তুর্বকৰ সৈতে হোৱা ৰণত অসমবীৰ বীৰাঙ্গণা মূলা গাভৰুৰ পতি ফ্রাচেনমুং বৰগোহাঁই প্রাণ হেৰুৱায়। এওঁৰ মৃত্যুৰ বাতৰি পাই পতিপ্রাণা

৫৮। সূর্য্যকুমাৰ ভূঞা (সম্পা) ঃ তুংখুঙীয়া বুৰঞ্জী, পৃঃ ২৯-৩০, ১৯৯০

৫৯। হৰকান্ত বৰুৱা সদৰামিন ঃ অসম বুৰঞ্জী, পৃঃ ৬৫, ১৯৬২

৬০। সূর্য্যকুমাৰ ভূঞা (সম্পা) ঃ বুৰঞ্জীৰ বাণী, পৃঃ ১২৬, ১৯৬০

মুলা গাভৰুৰ 'কবচ কাপোৰ' পিন্ধি ৰণলৈ নোযোৱা বাবে মৃত্যু বৰণ কৰিলে বুলি দৃঢ়মনা হৈ যুদ্ধত জপিয়াই পৰিল। গাভৰুৱে এই যুদ্ধতে দেহ ত্যাগ কৰিলে। মূলা গাভৰুৱে গিৰিয়েকক দিব নোৱাৰা এই 'কবচ কাপোৰ'ৰ বৰ্ণনা পণ্ডিত হেমচন্দ্ৰ গোস্বামী সম্পাদিত 'পুৰণি অসম বুৰঞ্জী'ত এনেদৰে পোৱা যায়ঃ

"কাপৰৰ লক্ষণ সুনাঃ মা নিশা ৰাতি কপাহ নেয়োঠিব। পাজি কৰিব, সূতাও কাটিব। কাপৰো বব ৰাতি নৌপুয়াওতে কাপৰো ওলাব। সেই কালৰ আহোম শাস্ত্ৰ নিয়মে ৰণলৈ ভাল।"[৬১]

* * *

"কাপৰৰ লক্ষণ মা নিশা ৰাতি কপাহ নেওঠি পাজিকাতি ৰাতি নৌপুৱাওতেই বৈ উলিয়াব লাগে, অকে আহোম মতে লব, তাকে কবচ কাপৰ বোলে।"[৬২]

লোক বিশ্বাসৰ সতে জড়িত বৰ্মা সদৃশ "কবচ কাপোৰ" অসমীয়া শিপিনীৰ হস্ত শিল্পৰ অপূৰ্ব সৃষ্টি। বুৰঞ্জী সাহিত্যত তাহানি মাওতৰা ৰজাই নৰাৰজাৰ জীয়েকৰ হাতত বৰ কাপোৰ এখন 'স্ত্ৰীৰ শোণিতেৰে বোলাই অনেক চিত্ৰ সোণ ৰূপৰ মলমা কৰি নৰা ৰজাৰ শক্তি হ্ৰাস কৰাৰ নিমিত্তে গাত পৰিধান কৰিবলৈ দিয়া কাহিনীটো প্ৰসঙ্গ ক্ৰমে স্মৰণীয়। 'ছাঁতে শুকোৱা মুঠিতে লুকোৱা'ৰ দৰে এইবোৰ লোকবিশ্বাসৰ ৰঙীণ বোলেৰে বোলোৱা হ'লেও শিপিনী হাতৰ দক্ষতাৰ পৰিচয় এইবোৰত বৰ্তমান।

অসম বুৰঞ্জীবোৰত সন্ধি-পত্ৰত উল্লিখিত বিবিধ সাংস্কৃতিক বিনিময়ে ৰজাদিনীয়া সাজ-পাৰ, আ-অলংকাৰ আদিৰ উচ্চ মানদণ্ড নিৰ্ণয় কৰে। আহোম ৰজা, ডা-ডাঙৰীয়াসকলৰ সৈতে হোৱা সমীপৱৰ্তী ৰজা আৰু ডা-ডাঙৰীয়াৰ সন্ধি-পত্ৰৰ উল্লেখে ইয়াক স্পষ্টতৰ কৰি তুলিব নিশ্চয়ঃ

**উমানন্দৰ বালিত সত্ৰাজিতঃ**

" ... সত্ৰাজিতো নাৱেৰে আহি উমানন্দৰ ঘাটত ব'লহি। দলিচা ২০ খান, লাহৰু ২০, পামৰু ৩, চিটকাও ৪০ খান, পোৱাল ২ ধাৰ, মুকুতা ৪ ধাৰ এইখান বস্ত্ৰ সহিতে বৰফুকনৰ হুজুৰ হ'ল। বৰফুকনে দিয়া- সোণ ২০ টকা, ফেঁটা ১০০ খান, ভাল পাট কাপৰ ২০ খন, ঠেঙা ৩০ খন, কমলি ৪০, গন্ধ ৭ টা, এইখানি সত্ৰাজিতক দি বৰফুকনে বোলে- 'এই নবাব সহিতে নিলগে হুজুৰ হৈছে এখান ভাইনবাব সহিতে চোফাৰি খেলাইতে মন কৰো'।[৬৩] বুৰঞ্জীবিদ হৰকান্ত বৰুৱা সদৰামিনে "অসম বুৰঞ্জী"ত মহাৰাজ ৰুদ্ৰসিংহৰ সময়ত হে 'স্ত্ৰীসকলৰ মেখেলা ৰিহা পিন্ধা নিয়ম হ'ল' বুলি উল্লেখ কৰিছে। যদিও অসমীয়া নাৰীয়ে ইয়াৰ বহু আগৰুপৰাই মেখেলা ৰিহা ব্যৱহাৰ কৰাৰ কথা বুৰঞ্জীত পোৱা যায়। মহাৰাজ

৬১। হেমচন্দ্ৰ গোস্বামী (সম্পা)ঃ অসম বুৰঞ্জী, পৃঃ ১৮, ১৯৬০
৬২। সূৰ্য্যকুমাৰ ভুঞা (সম্পা)ঃ অসম বুৰঞ্জী, পৃঃ ১৮, ১৯৬০
৬৩। সূৰ্য্যকুমাৰ ভুঞা (সম্পা)ঃ অসম বুৰঞ্জী, পৃঃ ৫৪, ১৯৮৮

নৰনাৰায়ণে চুখাম্ফা খোৰাৰজালৈ সন্ধি-পত্ৰৰ সৈতে পঠোৱা বিভিন্ন সামগ্ৰীৰ লগত "শাৰী ৫ খান যি আনিছু আমাৰ দেশত যি খাৰ্ছোই আছে তাইহঁতেহে ই শাৰী পিন্ধে"[৬৪] বোলা কথাষাৰে সম্ভ্ৰান্ত পৰিয়ালৰ অসমীয়া স্ত্ৰীসমাজত মেখেলাৰ প্ৰয়োগৰ কথাকে কয়।

মেখেলা অসমীয়া নাৰীৰ জাতীয় ভূষণ। বিদেশতো তিৰোতা সকলে মেখেলা ব্যৱহাৰ কৰে বুলিয়েই তাহানি সখী- সাজীসকললৈ আহোম মেখেলা এজোৰ প্ৰীতিৰ চিন স্বৰূপে পঠাই দিয়া হৈছিল। আহোম ৰজা চুচংফা বুঢ়াৰজাই পাণ্ডুৰ থানাদাৰ সত্ৰাজিতৰ সতে মিত্ৰতা হবলৈ মন কৰি পাটকাপোৰ, চিকন কাপোৰ, আগৰ কাঠ আদিৰ লগত " তাৰ ঘৰনি সকললৈকো, আইকুৱৰী নামে, আহোম মেখলাৰে এজোৰ কাপোৰ দিলে।"[৬৫]

* * *

"এই বুলি আৰু চিকন পাটৰ কা পোৰ, জালুক, আগৰ কাঠ, গাঠিয়ান, ঘৈনীয়েকলৈ আইকুঁৱৰীদেৱে দিয়া ভাবে চিকোন ৰিহা মেখেলাৰে কাপোৰ ১ সাজ দিলে।"[৬৬]

**১.১৯ আ-অলংকাৰ ঃ**

অসমীয়া বুৰঞ্জী সাহিত্যত সোণ-ৰূপৰ নানাবিধ আ-অলংকাৰ ব্যৱহাৰৰ উল্লেখ আছে। সময়ৰ তাগিদাত এইবোৰ নতুন নতুন ৰূপত গঢ় লোৱাৰ লগতে বাণিজ্যিক চাহিদালৈ লক্ষ্য কৰিও ইয়াৰ গঢ় সুকুমাৰ কাৰিকৰসকলৰ হাতত ভিন্নাকৃতিৰ হোৱা পৰিলক্ষিত হয়। তাহানিখন অসমত সোণৰ ব্যাপক প্ৰচলন আছিল। বুৰঞ্জীত উল্লিখিত "সোনাৰী খেল", সোণাৰী দলৈ", "সোণাৰী ঠাকুৰ", "সোণোৱাল" আদি নৈত সোণ কমোৱা ৰীতি-নীতিৰ সতে জড়িত। সদৰামিনৰ "অসম বুৰঞ্জী"ত আছে।

" আৰু সোণাৰিক বন কৰিবলৈ সোণ ৰূপ দিলে তাৰো হিচাপ কৰি কিমান ডাঙৰ দীঘল কৰিব লাগে তাৰো হিচাব কৰি সোণাৰি দলৈক দিব লাগে। তেওঁৰ তাবৰ সোণাৰি দ্বাৰা সেইমতে কৰাই দিয়ে আৰু বাখৰ পাতি লাগিলে সেইমতে হিচাব কৰি দিব লাগে।"[৬৭]

সোণৰ উপৰিও ভাত ৰন্ধা তামৰ টেকেলি, ৰূপৰ তাওকিন, পিতলৰ লোটা, কলহ, চৰিয়া আদি প্ৰয়োজনীয় সামগ্ৰীবোৰ ধাতুৰে তৈয়াৰ কৰা হৈছিল। ৰাং, সেতু, সীহ আদি ধাতুৰ উল্লেখ বুৰঞ্জীত আছে। মনকৰিবলগীয়া যে মৰিয়াবিলাক অসমলৈ অহাৰ আগতে পিতলৰ প্ৰচলন সম্পৰ্কে বুৰঞ্জীত কোনো সম্ভেদ পোৱা নাযায়।

আহোম যুগৰ খেল-প্ৰথাৰ প্ৰধান উদ্দেশ্য আছিল দেশৰ প্ৰজা সাধাৰণক বিভিন্ন বৃত্তিত ভাগ কৰি সুনিপুন আৰু সুদক্ষ কাৰিকৰ কৰি গঢ়ি তোলা। এই পৰিপ্ৰেক্ষিততে

---

৬৪। উক্ত গ্ৰন্থ পৃঃ ৩০

৬৫। হেমচন্দ্ৰ গোস্বামী (সম্পা) পুৰণি অসম বুৰঞ্জী, পৃঃ ৭২,১৯৭৭

৬৬। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) ঃ অসম বুৰঞ্জী, পৃঃ ৫২, ১৯৮৮

৬৭ হৰকান্ত বৰুৱা সদৰামিন ঃ অসম বুৰঞ্জী, পৃঃ ১২৯,১৯৬২

"বাঁঢ়ে" বা "বাঁঢ়ে খনিকৰ", "বস্তাৰ খনিকৰ" আদি গোটসমূহৰ জন্ম হৈছিল। এওঁলোকে প্ৰকৃতিৰ ৰম্যভূমি অসমৰ বনজ সম্পদৰপৰা (জীৱ-জন্তু, গছ-গছনি) নানা প্ৰকাৰৰ নিত্য ব্যৱহাৰ্য্য বস্তু তৈ য়াৰ কৰিছিল। আহোম নৃপতি আৰু ডা-ডাঙৰীয়া সকলে দৈনন্দিন ও সামাজিক প্ৰয়োজনীয় সা-সামগ্ৰীবোৰ এই শ্ৰেণী লোকৰ হতুৱাই তৈযাৰ কৰিছিল। সাধাৰণতে মৈত্ৰীভাবাপন্ন নৃপতিগণলৈও এই বস্তুবোৰ উপহাৰ স্বৰূপে পঠোৱা হৈছিল। এইবোৰ অতি আটোমটোকাৰিকৈ ব্যৱহাৰ কৰাৰ লগতে মান-মৰ্য্যাদাৰ প্ৰশ্নও জড়িত আছিল। এই সকলোবোৰ কামতে উচ্চ পৰ্য্যায়ৰ অসমীয়া শিল্প ৰীতিৰ প্ৰকাশ ঘটিছিল। অতি সাধাৰণ বস্তুও মনোমোহাকৈ তৈয়াৰ কৰা হৈছিল আৰু তাৰ বাবে ৰজাঘৰৰ পৰা পুৰস্কাৰো দিয়া হৈছিল। বুৰঞ্জী সাহিত্যত হাতীৰ দাঁত, পশুৰ শিং, বাঁহ, বেত, শাল, চেগুন, গমাৰি, উৰিয়াম, জীব-জন্তুৰ নোম, ছাল আদিৰপৰা অতি সুন্দৰ নানান পালেং, বৰপীৰা, বৰপেৰা, পেড়া, পেটাৰি, দোলা, গছা, তুলা-চালান, জপা-জাপি, ঢাৰি-পাটী, তাঁতশাল, বিচনি, খেতিৰ নানা সজুলি আদি তৈয়াৰ কৰাৰ উল্লেখ আছে। তলত আহোম যুগত ব্যৱহৃত আ-অলংকাৰ, বাচন-বতন, বিবিধ সা-সামগ্ৰীৰ এখন তালিকা অসমীয়া বুৰঞ্জী সাহিত্যৰপৰা উদ্ধৃত কৰি দেখুওৱা হ'ল ঃ

কটীয়া খুৰীয়া
কলিয়া চামৰ
কাচ গুটিয়া মুক্তা
কাঠৰ হৰাই
কাণৰ কৰীয়া
কাচৰ সোণাৰপি হোকা
কাচৰ ঝাড়ি
কাতিপা
কেবু
কেকোৰা দোলা
কটাৰী
খৰাহি
খাৰু
খুৰী বাটি
গলপতা

চামেল বড়া
চিল্লটৰ পাটি
চেও মণি
জৰা
জাকৈ মৰা পাখি ৰ বিচনি
জোনবিৰি
তৰোৱাল
তলছা
তাওকিন
তামোল হাঁচতি
দণ্ডচত্ৰ
দলিচা
দুগ্‌দুগি
ঢৌ
ঢাৰি পাটি
ঢোলবিৰি

গামখাৰু
গুঞ্জমণি
গেজেৰা
চন্দ্ৰতাপ
চন্দন কাঠৰ চালপীড়া
পেড়া-পেটাৰি
পোৱাল মণি
পোৱালেৰে সোণৰ কংকালী
ফণী
বটা শৰাই
বৰদৈয়া জাপি
বাখৰাম সোণৰ আঙুঠি
বানবাটি
বানা
বিচনি
বেৰা কাহী
বাখৰপতা সোণৰ কেৰু
বাখৰ পতা সোণৰ মলমা
বাখৰাম মুঠিযেৰে জমাদাৰ
ভৃঙ্গাঁৰ
ভোগজৰা
মলমা কৰা বটা
মৰা পাখি ৰ বিচনি
মলমল
মাইহাং
ৰূপখাটা তামৰ শৰাই
ৰূপৰ ভাতৰ বান
ৰূপৰ শাকৰ বান
ৰূপৰ নালিচাৰে ৰূপৰ জৰা
ৰূপৰ কাণেৰে তামৰ কলহ
ৰূপৰ জিমবন্ধা ঘোৰা
ৰূপৰ বেৰীৰ হেংদান

পানী কমলি
পিকদান
পিতলৰ মাইহাঙ্গ
পিতলৰ বেলা,
মুঠি খাৰু
মুক্তা
মাদলী
ৰূপৰ জৰা,
ৰূপৰ বটা, ৰূপৰ কাঁহী
ৰূপৰ পাটি
ৰূপৰ তামোল
ৰূপৰ ভোগজৰা
ৰূপৰ ঘোৰা
ৰূপৰ লোটা
ৰূপৰ খাৰু
ৰূপৰ তাওকিন
ৰূপৰ টেমা
ৰূপৰ বেঢ়া
ৰূপৰ লোকাপাৰ
ৰূপৰ দণ্ড
ৰূপৰ খুৰা
ৰূপৰ চৰিয়া
ৰূপৰ পানী চ ৰোৱা নলী
ৰূপৰ সাফৰ মৰা চিলিম
সোণোৱালী বাৰু .
সোণোৱালী তাচ
সোণোৱালী ডাবেৰে কটাৰী
সোণেৰে বন্ধোৱা ধোৱাখোৱা
সোণৰ মুঠা বন্ধা চোৱৰ
সোণৰ মুঠিয়েৰে ম'ৰা পাখিৰ বিচনি
সোণৰ বাখৰপতা টেমি

| | |
|---|---|
| ৰূপৰ পানী চৰোৱা চিলিম | সোণৰ ডাবৰ ফণী |
| ৰূপ সোণৰ মাইহাং | সোণৰ নলীৰে ঝৰা |
| শৰাই | সোণাৰপি হোঁকা |
| শুক্ল চামৰ | সুণীয়া খাপৰ |
| শিলিখা মণি | সোণৰ মলমা কৰা বাৰু |
| সোণৰ মাইহাং | সোণৰ মলমা কৰা পিলদন্তৰ পীৰা |
| সোণৰ পেৰা | সোণৰ বৰদৈয়া চন্দ্ৰতাপ |
| সোণৰ কাঁহী | সোণৰ দাপোনমৰা চালপীৰা |
| সোণৰ হাৰ | সোণ আৰু বাখৰৰ বনকৰা গাৰু |
| সোণৰ দডলা | সোণৰ ধপাতখোৱা টেমা |
| সোণৰ আঙুঠি | সোণ ৰূপৰ বনকৰা নলী |
| সোণৰ বটা | সোণৰ ভোগজৰা |
| সোণৰ টাৰ | সোণৰ মুঠিয়েৰে বাখৰপতা তৰোৱাল |
| সোণৰ তৰোৱাল | সোণৰ বাখৰাম কেৰু |
| সোণৰ বাখৰাম খুৰীয়া | সৰুদৈয়া জাপি |
| সোণ ৰূপৰ চুলাৰ জাপি | হেংদান |
| | হাতৰ ডিঙিৰ মণি |

## ১.২০ সংগীত ঃ

আহোম যুগত ৰজাঘৰীয়া পৃষ্ঠপোষকতাত থলুৱা নৃত্য-গীত-বাদ্যই প্ৰসাৰতা লভি জন-জীৱনক মুখৰিত কৰি তোলে। এই সময়তে অসমীয়া লোকগীত আৰু লোকনৃত্যই বিভিন্ন জন-সম্প্ৰদায়ৰ বেলেগ বেলেগ উপাদানেৰে পৰিপুষ্ট আৰু পৰিবৰ্দ্ধিত হৈ এক স্বকীয় বৈশিষ্ট্যৰে মহিমামণ্ডিত হৈ পৰে। বিহু অসমীয়াৰ জাতীয় উৎসৱ ৰূপে স্বীকৃত হয়। মহাৰাজ ৰুদ্ৰসিংহ স্বৰ্গদেৱে ৰংপুৰ নগৰত ফাকুযাত্ৰা আৰু বিহু উছৱ পাতি বিবিধ নৃত্য-বাদ্য, গীত-মাত প্ৰদৰ্শন কৰাৰ কথা বুৰঞ্জীত আছে। প্ৰাক-আহোম যুগৰ অসমৰ শাক্ত-শিৱ মন্দিৰবোৰত যি দেৱদাসী আৰু দেওধনি নৃত্যৰ প্ৰচলন আছিল আহোম যুগত ৰজাঘৰীয়া পৃষ্টপোষকতাত এইবোৰে বিশেষ প্ৰসাৰতা লাভ কৰে। বিশ্বনাথ, নেঘেৰিটিঙ, সলা, হাজো আৰু ডুবিত পৰম্পৰাগতভাৱে নটীৰ নৃত্য প্ৰচলন থকাৰ কথা বুৰঞ্জীখ্যাত। এই নটীৰ নৃত্য (দেৱদাসী) আছিল শাস্ত্ৰীয়। আজি কিছুদিনৰ আগলৈকে বৰপেটা জিলাৰ ডুবি দেৱালয়ৰ নটীৰ নৃত্যৰ যি অংশ বিশেষ উদ্ধাৰ হৈছে তাৰপৰাই এই নৃত্য যে শাস্ত্ৰীয় আছিল তাক অনুমান কৰিব পাৰি। বুঢ়া ৰজা প্ৰতাপসিংহ মহাৰাজৰ দিনত সলাৰ শিৱ মন্দিৰৰ পৰা তিনিজনী নটিনী নবাব সত্ৰাজিতে ধৰি নিয়া

আপাহতে আহোম-মোগলৰ মাজত ৰণ-বিগ্ৰহ আৰম্ভ হোৱাৰ কথা বুৰঞ্জীত পোৱা যায়। স্বৰ্গদেৱ শিৱসিংহ ৰজাৰ পাটমাদৈ বৰৰজা ফুলেশ্বৰী কুৱঁৰী চিনাতলীয়া নটৰ জীয়ৰী ফুলমতী নাচনী নামেহে প্ৰথম পৰিচিত আছিল। নৃত্য পটীয়সী নাচনীয়াৰ সকলক দেশৰ আভ্যন্তৰীণ কাৰ্য্যতো নিয়োগ কৰা হৈছিল। প্ৰথম তুংখুঙীয়া ৰজাৰ দিনত চেংগধৰাৰ ভিতৰুৱা কথাৰ সন্ধেদ লবলৈ ডেবেৰা বৰবৰুৱাই নাটিনীক এইবুলি শিকাই বুজাই পঠালে- "বোলে নৰিয়া পৰিবৰ হয় নহয় জানি আহাঁগৈ।" নটিনীয়ে বন কৰিবৰ চলে চাই আহি বোলে - 'নৰিয়াৰ ধাৰনেহে থাকে।' এই কথা জানি চেংগধৰাৰ পুতেক বৰফুকনক ডেবেৰাএ মাৰিলেনি।[৬৮]

মহাৰাজ ৰুদ্ৰসিংহৰ (১৬৯৬-১৭১৪ খ্ৰী.) ৰাজত্বকালত অসমীয়া সংস্কৃতিত এক বিশেষ পৰিবৰ্তনে গা কৰি উঠে। এই পৰিবৰ্তন সাজ-পাৰ, পিন্ধন-উৰণ, ৰুচি-অভিৰুচি আদিতে সীমাবদ্ধ নাথাকি নৃত্য-গীত আদিতো সম্প্ৰসাৰিত হয়। এওঁৰ দিনতে ত্ৰিপুৰা দেশৰপৰা আনন্দিৰাম মেধি নামৰ এজন গায়কে সদলবলে ৰাজধানী ৰংপুৰলৈ আহি "ছংকীৰ্তনৰ মতে গীত গাইছিল, বেণুবাদ্য কৰিছিল, মুৰলী হাতত লৈ নৃত্য কৰিছিল" বুলি "ত্ৰিপুৰা বুৰঞ্জী"[৬৯]ত পোৱা যায়। এইজনা ৰজাদেৱৰ দিনতে বঙালী ধাৰণে গান-বাজনা দেশত প্ৰবৰ্তিছিল। 'বৰাগী খেল'ৰ লোকে ভেশচন কৰি হিন্দুস্থানৰ নানা দেশ প্ৰবৰ্তি বিবিধ ৰাগ-তাল-সুৰ আযত্ব কৰি দেশত প্ৰচাৰ কৰে। ৰুদ্ৰসিংহ স্বৰ্গদেৱে পাখোৱাজ আদি বাদ্যযন্ত্ৰ বাহিৰৰ পৰা আনি প্ৰচলন কৰে। এওঁৰ সময়ৰে পৰা গজল, ঠুংৰী, খেয়াল আদিৰ চৰ্চা হয় আৰু অসমীয়া সংগীতে সৰ্বভাৰতীয় সংগীতৰ পৰিপুষ্টিতা লাভ কৰে। এই সময়তে সংগীতানুৰাগী, বিদ্যোৎসাহী মহাৰাজে থলুৱা গীত-মাত চৰ্চাৰ বাবে 'গায়নৰ বৰুৱা' পদবীৰ তলে 'ঢুলীয়া', কালীয়া, খুলীয়া, নেগেৰীয়া, মৃদঙীয়া, খুটি তুলীয়া' আদি খেলৰ সৃষ্টি কৰি স্থানীয় সংগীতৰ পৃষ্টপোষকতা কৰিছিল। সময়ত ৰজা আৰু ডা-ডাৰীয়াসকলে নগৰৰপৰা ওলাব-সোমাব লাগিলে ঢাক-ঢোল বজাই সংকেত দিয়া ৰীতি আছিল। "তিনিজনা ডাঙৰীয়া নগৰলৈ গ'লে আগত বিলতীয়া গাযনে গায়, কালীয়াই কালী মাৰে। ৰঙাচুলি বৰচি, ৰঙাচুলি দাৰে লগত পানী ধৰি যাব পায় হাতী ঘোঁৰাত। বানত সিয়া জাৰি, ভৰিত নুপুৰ, ঘোঁৰাত উঠা হালধীয়া পাটৰ তলচা, হাতীত উঠা কাপৰ, আগত দোলাচৈৰে আগুৱা যাব পায়। গড়ৰ অলপ ভিতৰ সোমালে গায়ন বা কালী গাব বজাব নেপায়।"[৭০]

আহোম ৰজাদিনীয়া ডা-ডাঙৰীয়া বা-বিষয়া সকলৰ পদ মৰ্য্যাদানুসৰি গায়ন-বায়নৰ নৃত্য-বাদ্য, তাল-মানৰ ব্যৱহাৰো আছিল বেলেগ বেলেগ। সেই সময়ৰ অসমৰ বিভিন্ন জনস্ৰোতৰ মাজত পৃথক পৃথক গায়ন-বায়নৰো উল্লেখ পোৱা যায়। মহাৰাজ

---

৬৮। প্ৰাগুক্ত গ্ৰন্থ পৃঃ ১০৯

৬৯। সূৰ্য্যকুমাৰ ভূঞা (সম্পা): ত্ৰিপুৰা বুৰঞ্জী, পৃঃ ২, ১৯৬২

৭০। সূৰ্য্যকুমাৰ ভূঞা (সম্পা): সাতসৰী, পৃঃ ২০১, ১৯৬৪

জয়ধ্বজ সিংহৰ (১৬৫৩-৬৩ খ্রী ) দিনত হোৱা 'ধনঞ্জয়ৰ সভা'ত "ডোমৰ, হাৰিৰ, আহোমৰ, সিঙ্কুৰ গায়ন-বায়ন পৃথকে পৃথকে" গীতবাদ্য কৰাৰ কথা সাতসৰী অসম বুৰঞ্জীত[৭১] লিপিবদ্ধ কৰা আছে।

আহোম যুগত বৈষ্ণৱ ধৰ্ম সৰ্বত্ৰ ব্যাপি পৰে। আহোম ৰজাসকলে বৈষ্ণৱ-শাক্ত-শৈৱ ধৰ্ম প্ৰচাৰাৰ্থে অলেখ মাটি-বাৰী দান দিয়াৰ উপৰিও সহস্ৰ নামঘৰ, দ'ল দেৱালয়, মঠ-মন্দিৰ, সত্ৰ-সচং আদি প্ৰতিষ্ঠা কৰে। সময়ত এইবোৰ সাংস্কৃতিক কেন্দ্ৰৰূপে পৰিগণিত হয়। নৃত্য-গীত-বাদ্যৰ অনুশীলন ক্ষেত্ৰ হ'ল- এই নামঘৰ, মঠ-মন্দিৰবোৰ। পৰবৰ্তী সময়ত আহোম ৰজাসকলৰ সান্নিধ্যত সত্ৰৰপৰা গীত-ভাওনাই ৰজাঘৰত প্ৰৱেশ কৰা দেখা যায়। 'চালি নাচ', নটুৱা নাচ', সূত্ৰধাৰী নাচ', 'গোপী নাচ' আদি 'নাচনিযাৰ খেলৰ তত্ত্বাবধানত ৰাজসভাত প্ৰদৰ্শন কৰা [illegible] হ'ল। এওঁলোকৰ বদান্যতাতে গীত-মাত, নৃত্য-বাদ্যৰ প্ৰচলনে অংকীয়া নাটবোৰক মঞ্চসফল নাটৰূপে প্ৰতিষ্ঠা কৰে। স্বৰ্গদেৱ কমলেশ্বৰ সিংহ মহাৰাজৰ (১৭৯৫-১৮১১ খ্রী) দিনত বাৰেঘৰীয়া মহন্তই "ৰুক্মিণী হৰণ" নাট আৰু নমাটীয়া মহন্তই "অক্ৰুৰাগমন" নাট মঞ্চস্থ কৰাৰ কথা তুংখুঙ্গীয়া বুৰঞ্জীত এনেদৰে আছে।

"আতপাচে ১৭২৭ শকৰ ফাগুন মাহৰ ১৮ দিন যাঁওতে [illegible] আজ্ঞাৰে বাৰেঘৰীয়া মহন্তে দোলাকাষৰীয়া চৌৰাৰ কোষত চাৰি দিনীয়াকৈ ৰুক্মিনী হৰণ ভাৱনা কৰিলে, অঙ্কৰ মতে। মহন্তৰ দুয়ো ভায়েক সেইবেলা উজনিফালে কলপাতত বহিছিল। কালীসৰ্প ১ টা, ভালুক ১ টা, হাতী ১ যোৰ উলিয়াইছিল। আনো ছো ভাৱৰ দৰে ওলাইছিল। ... আতপাচে সেই শকৰ চৈত্ৰ মাসৰ তিনি দিন যাঁওতে দিহিঙ্গৰ নমটীয়া মহন্তে [illegible] ৰ আজ্ঞায়ে দোলাকাষৰীয়া চৌৰাৰ কোষত তিনি দিনীয়াকৈ অক্ৰুৰ গমন ভাৱনা কৰিলে। মহন্ত পাতত বহিছিল। বহুৱা নাই, ভাৱ ঠিক নহৈছিল।"[৭২]

তাহানি অসম দেশত প্ৰচলিত বাদ্য-যন্ত্ৰবোৰ আছিল সাধাৰণতে এইবোৰ ঃ

| | |
|---|---|
| অম্বৰু | গোমুখ |
| উপাঙ্গ | ঘণ্টা |
| কৰতাল | জম্ফ |
| কৰিলাস | জয়কালি |
| খোল | ঝিঞ্জিৰি |
| খঞ্জৰিকা | ঝিলি |
| গোগোণা (গগণা ?) | ঝোঞ্জৰা |

৭১। উক্ত গ্ৰন্থ, পৃঃ ৩১, ১৯৬৪

৭২। সূৰ্যকুমাৰ ভূঞা (সম্পা) ঃ তুংখুঙ্গীয়া বুৰঞ্জী, পৃঃ ১৭৭-৭৮, ১৯৯০

| | |
|---|---|
| টোকাৰী | বৰকাংস |
| উগৰ | ভেৰী |
| ঢাক | মুচৰই |
| ঢোলোক | মৃদঙ্গ |
| ঢোল | মন্দিৰা |
| তবলা | মুৰুলী |
| তুড়ি | মোহৰী |
| দোতোৰা | ৰামতাল |
| দুন্দুভি | ৰামশিঙ্গা |
| দোচৰি | ৰুদ্ৰক |
| ধোমচি | ৰামবেনা |
| নাগাৰা | ৰবাৰ |
| বাঁহী | শংখ |
| বীৰকালি | সাৰিগুা |
| | সিংহবান।[৭৩] |

## ১.২১ চিত্ৰবিদ্যা ঃ

আহোম ৰজাসকলৰ পৃষ্ঠপোষকতাত চিত্ৰবিদ্যাৰ বিশেষ উৎকৰ্ষ সাধন হৈছিল। ৰজা আৰু উচ্চ পদবীধাৰী প্ৰায়বোৰ বিষয়াৰ ঘৰতে চিত্ৰবিদ্যাৰ চিন্তা-চৰ্চা চলিছিল আৰু সময়ত এই চিত্ৰবোৰ বিবিধ পুথি-পাঁজিত সংৰক্ষিত কৰা হৈছিল।সাধাৰণতে সাঁচি পতীয়া পুথিত বৰ্ণিত কথাৰ লগত সামঞ্জস্য ৰাখি এই চিত্ৰবোৰ অংকন কৰা হৈছিল। আহোম স্বৰ্গদেৱসকলৰ তত্বাৱধানত ৰচনা কৰা বিবিধ চিত্ৰ পুথিৰ উল্লেখ বুৰঞ্জীবোৰত পোৱা যায়। এই বিষয়ত তুখুঙ্গীয়া ফৈদৰ ৰজা শিৱসিংহ আৰু তেওঁৰ তিনিগৰাকী ৰাণীৰ ৰাজত্বকালত স্মৰণীয়। মহাৰাজ শিৱসিংহ আৰু ৰাজমহিষী অম্বিকাদেৱীৰ আদেশ শিৰোধাৰ্য্য কৰি আয়ুৰ্বেদাচাৰ্য্য সুকুমাৰ বৰকাথে ৰচনা কৰা "হস্তী-বিদ্যাৰ্ণৱ" পুথি এই বিষয়ত একক আৰু অতুলনীয়। তদুপৰি এওঁৰ ৰাজত্ব কালৰ দাৰ্শনিক কবি অনন্ত আচাৰ্য্যৰ "আনন্দ লহৰী", কবি ভোলানাথ দ্বিজ আৰু আত্মাৰাম দ্বিজৰ দ্বাৰা অনুদিত প্ৰতি পাততে ৰঙ-বিৰঙৰ কাপোৰৰ পাৰিৰ চিত্ৰ সম্বলিত মহাভাৰতৰ "শৈল্যপৰ্ব", কবিচন্দ্ৰ দ্বিজৰ "ধৰ্ম পুৰাণ", "গীত গোবিন্দ", "শংখচুড় বধ", "বৃহৎ উষাহৰণ" বা "কুমৰ হৰণ" আদি গ্ৰন্থৰ চিত্ৰসমূহ অসমীয়া চিত্ৰশৈলীৰ অপূৰ্ব নিদৰ্শন।

সাধাৰণতে সাঁচিপাত, তুলা পাত, কাঠ-বাঁহৰ পাত, টেৰাকটাত নানা ৰং সানি চিত্ৰবোৰ

৭৩। নবীন চন্দ্ৰ শৰ্মা (সম্পা) ঃ দৰং ৰাজবংশাৱলী, পৃঃ ২৪, ১৯৭৩

অকা হৈছিল। ঘৰুৱা ব্যৱহাৰৰ বাবে তৈয়াৰী কাঠ-বাঁহৰ সা-সজুলি (পেড়া, ঠগা, খাট-পালেং, দা-কটাৰী, বিচনি, ঢাৰি ইত্যাদি), কাঁহ পিতলৰ বাচন-বৰ্তন, নানান সাজ-পাৰ, ছত্ৰাদিত বিবিধ চিত্ৰই শোভাবৰ্দ্ধন কৰিছিল। আহোম যুগত নিৰ্মিত মঠ-মন্দিৰ, দ'ল-দেৱালয়, পকী দালানবোৰৰ বেৰ-দুৱাৰ আদি সুনিপুন শিল্পীৰ সোণালী হাতৰ পৰশত জিলিকি উঠিছিল। এই চিত্ৰবোৰে সেই সময়ৰ চিত্ৰ-শৈলীৰ এটি পৰম্পৰা প্ৰতিষ্ঠা কৰিব পাৰিছিল।

মনকৰিবলগীয়া যে আহোম যুগত অংকিত বিভিন্ন পুথিৰ চিত্ৰাংকন ৰীতিত দেশীয় আচ্‌বাবৰ লগতে মোগলীয় চিত্ৰৰ প্ৰভাৱো কিছু পৰিমাণে পৰিলক্ষিত হয়। এই প্ৰসংগত ডক্তৰ মহেশ্বৰ নেওগে "আহোম শাসিত পূব অসমত এটি ধৰ্ম নিৰপেক্ষ চিত্ৰাংকন কলাৰ বিশিষ্ট শাখাই গঢ় লৈ উঠিছিল" বুলি আৰু বিশেষকৈ "ধৰ্ম নিৰপেক্ষ চিত্ৰকলাৰ শাখাটোত মোগল প্ৰভাৱ পৰা"[৭৪] বুলি কৰা মন্তব্য বিশেষ প্ৰণিধান যোগ্য। আহোম যুগত উত্তৰ ভাৰতত এক বিশিষ্ট শিল্পীৰীতিয়ে মোগল সকলৰ পৃষ্ঠপোষকতাত গা কৰি উঠিছিল। কিন্তু সেয়ে হ'লেও আহোম যুগত ৰচিত অসমীয়া চিত্ৰ-পুথিবোৰৰ লগতে ভাস্কৰ্য্য স্থাপত্যবোৰ আহোম, আৰ্য্য আৰু জনজাতীয় সংস্কৃতিৰ সমন্বয়ত গঢ়ি উঠা স্বকীয় বৈশিষ্টৰে সুষমামণ্ডিত অসমীয়া ৰীতিৰ চিত্ৰকলা বুলি অভিহিত কৰিব পাৰি।

### ১.২২ খেল-ধেমালি ঃ

অসমীয়া বুৰঞ্জী সাহিত্য আহোম ৰজাৰ ৰং-ধেমালি, খেলা-ধুলা বিষয়ক নানান চমকপ্ৰদ বৰ্ণনাৰে পৰিপুষ্ট। ৰজা দিনীয়া 'হাতীযুঁজ', 'বাঘ-ভালুকৰ যুঁজ', একে গৰালতে নানা জন্তুৰ যুঁজ', 'ম'হৰ যুঁজ' আদি ৰাজোসিক আনন্দোৎসৱৰ কৌতুহলাত্মক বিৱৰণে এই শ্ৰেণী সাহিত্যক মনোগ্ৰাহী কৰি গঢ়ি তুলিছে। এই খেলবোৰ জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে দেশৰ ডেকা-বুঢ়া, পুৰুষ-মহিলা সকলোৱে উপভোগ কৰিব পাৰিছিল। জীৱ-জন্তুৰ এই খেলবোৰৰ উপৰিও মানুহ আৰু পশুৰ মাজত যুঁজ-বাগৰ লগাই ৰং-আনন্দ কৰাৰ লগতে ব্যক্তিৰ শাৰীৰিক ক্ষমতা প্ৰদৰ্শনেৰে ৰজা ঘৰৰপৰা বাঃ বাঃ আদায় কৰাৰ আমোদজনক বৰ্ণনা বুৰঞ্জীৰ পাতত পঢ়িবলৈ পোৱা যায়। উদাহৰণ স্বৰূপে লালুকসোলা বৰফুকনৰ মেটেকাৰ ঘৰত টাটীৰ ভিতৰত সোমোৱা বনৰীয়া ভালুক বধ কৰা নগঞা শইকীয়া ডেকাৰ সাহসিকতালৈ আঙুলিয়াব পাৰি। এওঁক এই কামৰ বাবে ৰজাঘৰৰ পৰা সোণৰ কেৰুৰ লগতে তিৰোতা এজনী দিয়াৰ কথা "অসম বুৰঞ্জী"ত উল্লেখ আছে। তাহানিখন দেশত 'শেন আৰু কনুৱাৰ খেল' 'বুলবুলি চৰাই যুঁজ', 'মালযুজ', 'কুকুৰা যুজ', 'কণী যুঁজ' আদি খেলৰ প্ৰচলন আছিল।

---

৭৪। হৰিপ্ৰসাদ নেওগ; লীলা গগৈ (সম্পা) ঃ অসমীয়া সংস্কৃতি, পৃঃ ৮৫-৮৬, ১৯৬৬

এই খেলবোৰ প্ৰদৰ্শনৰ হেতু ৰংঘৰ আদিৰ নিৰ্মাণ উল্লেখযোগ্য। ৰংঘৰ আহোমযুগৰ ক্ৰীড়া সংস্কৃতিৰ স্নায়ুকেন্দ্ৰ। স্বৰ্গদেউ কমলেশ্বৰ সিংহৰ দিনত ৰংঘৰত "মুন কাঙ্গৰ কটকী তোলা" অনুষ্ঠান প্ৰসঙ্গত আছেঃ

"আতপাচে সেই পৌষমাসৰ ১৪ দিন যাওঁতে শুক্ৰবাৰে গধূলি বেলা ৰংঘৰত সেই মুনকঙ্গীয়াৰ কটকীক তুলিলে।... সেই বেলা মুনকঙ্গীয়া কটকীক দেখাই অনেক বাজী কৰাইছিল। বাজীও এই - মতা লগাইছিল। চক্ৰবান মাৰিছিল। চেঙ্গাহিলৈ মাৰিছিল। আতচবাজী কৰিছিল। মেৰচাগ ওলাই খুন্দা মাৰিছিল। অপৰাজিতাও ওলাইছিল। বাঘ এটাও হাতীয়েৰে মৰাইছিল। হাতীয়ে পুৰ দিওঁতে বাঘ হাতী দুয়ো বাজলৈ জাল ফালি ওলাল। ওলাই বাঘে চিপাহী এটা কামুৰিলে। পাচে সকল চিপাহীয়ে চাপি চঙ্গিনে তৰোৱালে খুঁচি-কাটি সেই বাঘ মাৰিলে। সেই বাঘৰ ডাঢ়ি পুৰিবলৈ জোৰ আনোতে হামখুৰি খাই পৰিয়েই দৈয়ঙ্গীয়াৰ নেওগ এটা মাৰিলে। [৭৫]

আহোম স্বৰ্গদেৱ আৰু ডা-ডাঙৰীয়া সকলৰ মাজত ঘৰত খেলা খেলৰ ভিতৰত 'ডবা', 'পাকা' আৰু 'কড়িখেল' লেখত লবলগীয়া। পুৰুষৰ বাহিৰে সম্ভ্ৰান্ত পৰিয়ালৰ মহিলা সকলেও 'ডবা', 'কড়িখেল' খেলিছিল। কোচৰজা নৰনাৰায়ণে পাশাখেলত পৰাজিত হৈ আহোম কোঁৱৰ আকচু গোহাঁইক মুকলি কৰি দিছিল। বুৰঞ্জীৰ ভাষাত কবলৈ হ'লেঃ

পাচে নৰনাৰায়ণে আকচু গোহাইক অনাই তেঁৱে সহিতে পাশা ঢালিলে। "যদি মোক কুৰিঢাল পাশ জিকিব পাৰা তোৰ দেশৰ লোকজন সহিতে এৰি দিম'। পাচে ১৯ ঢাল পাশা গোহাঞিএ জিকিলে, এঢাল পাশাত লাগি আছিল। পাচে নৰনাৰাৰায়ণে বোলে- 'যদি এই যোৰ দহ মাৰিব পাৰ সত্য কৰি বুলিলো তোৰ দেশলৈ লোকজন সহিতে এৰি দিম।... এইবুলি সত্য অঙ্গীকাৰ কৰিলত গোহাঁইয়ে বিমুখে পাশা ঢালি একযোৰ দহ মাৰিলে। [৭৬]

মহাৰাজা ৰুদ্ৰসিংহ স্বৰ্গদেৱৰ দিনত খেল-ধেমালিক ৰাজকীয় মৰ্য্যাদা প্ৰদান কৰা হৈছিল। এৰেই 'মগৰীচৰা' আৰু 'বহৰী শেন'ৰ খেল প্ৰবৰ্ত্তাই 'নাও খেল' উলিয়ায়। নৈ আৰু পুখুৰীত চ'ৰা নাও, বৰ নাও আৰু পানচৈ নাও খেল অনুষ্ঠিত হৈছিল। ফাকুযাত্ৰা আৰু বিহুৰ সময়ত প্ৰচলিত খেলবিলাকৰ প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল; ইবোৰে জাতীয় জীৱনত নতুন প্ৰাণৰ শিঁহৰণ তুলিছিল।

---

৭৫। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) ঃ তুংখুঙ্গীয়া বুৰঞ্জী, পৃঃ ১৭৪-১৭৫, ১৯৯০

৭৬। সূৰ্য্যকুমাৰ ভূঞা অসম বুৰঞ্জী, পৃঃ ৩৮, ১৯৮৮

# দ্বিতীয় অধ্যায়

সমাজ পৰিবৰ্ত্তনশীল। সময়ৰ হাত বুলনিত পৰিবৰ্ত্তিত সমাজত জন-প্ৰব্ৰজন বোঁৱতী সুঁতি। বুৰঞ্জীৰ বুকুত এই জনস্ৰোত চিৰ প্ৰবাহমান। দেশৰ জন গাথনি অধ্যয়নত বুৰঞ্জী সাহিত্য উৎকৃষ্ট উপাদান। অসমীয়া বুৰঞ্জী সাহিত্য ইয়াৰ ব্যতিক্ৰম নহয়। আহোমসকলে ব্ৰহ্মপুত্ৰ উপত্যকালৈ প্ৰব্ৰজন কৰাৰ সময়ৰপৰা অসমত বুৰঞ্জী ৰচনাৰ কাম আৰম্ভ হয়। আহোম পূৰ্ব অসমীয়া সমাজ আছিল- ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক অস্থিৰতাৰে জৰ্জৰিত। উজনিৰ বৰাহী, মৰান, নগা, কছাৰী সকলৰ সামাজিক ৰীতি-নীতিত স্বেচ্ছাই প্ৰাধান্য লভিছিল। ফলতঃ তদানীন্তন অসমীযা সমাজৰ ৰীতি-নীতি, থকা-মিলা, খোৱা-বোৱা, পিন্ধন-উৰণ, চলন-ফুৰণ, শিক্ষা-দীক্ষা সকলোতে বিজেতা আহোমসকলৰ প্ৰভাৱ অপৰিসীম ভাৱে পৰিছিল। আহোমৰ শ্ৰেষ্ঠ অৱদান বুৰঞ্জী সাহিত্যত সমাজ-সংস্কৃতিৰ অৰ্থনীতিৰ পৰম্পৰা প্ৰতিধ্বনিত হৈছে। তলত সমকালীন অসমীয়া সমাজ আৰু সামাজিক ব্যৱস্থাৰ খতিয়ান বুৰঞ্জী-সাহিত্যৰ আলমত বিশ্লেষণ কৰি চোৱা হ'লঃ

## ২.০ ধৰ্মীয় সংস্কাৰঃ

অসমীয়া বুৰঞ্জীবোৰত সনাতন হিন্দুধৰ্মৰ প্ৰভাৱ বুৰঞ্জী সাহিত্যৰ আৰম্ভনিতে সততে দৃষ্টিগোচৰ হয়। আৰ্য্য ঋষি বশিষ্ঠৰ অভিশাপত দেৱৰাজ ইন্দ্ৰই "স্লেচ নাৰীত বীৰ্যধান কৰি পুত্ৰৰূপে স্লেচ শৰীৰক ধৰি" [১] পৃথিৱীত তেওঁৰ বংশৰ ৰাজত্বৰ সূচনা কৰে। ফলস্বৰূপে ইন্দ্ৰবংশী খুনলুং আৰু খুনলায়ে মৰ্ত্যত ৰাজত্ব কৰে। ৰজা ইবৰ সময়ত দুই ভয়েকৰ দ্বন্দ লগাত "সৰুটো খুনলাইক ৰাজা পাতিলে, বৰটো খুনলুং ৰোহ কৰি স্বৰ্গলৈ গ'ল।" [২] এইদৰে বুৰঞ্জীবোৰত এওঁলোকক নানান কাহিনী উপকাহিনীৰে সংলগ্ন কৰি স্বৰ্গৰপৰা সোণৰ জখলাৰে নমাই মুংৰিমুংৰাম নামে ঠাইত স্থাপিত হোৱা ধৰণে দেখুওৱা হৈছে। যদিও মূলতঃ 'দিকৰাই নৈৰ আগাৰিত' পাটকাই পৰ্বতৰ ইপাৰে এই লোকসকলৰ আগমন হোৱা কথাটোতে এইবোৰক ৰহস্যাবৃত কৰি ৰখা হ'ল।

অসম ৰাজ্যৰ আহোম সম্প্ৰদায়ৰ লোকসকল সৌ সিদিনা ম্যানমাৰ বা ব্ৰহ্মদেশৰ পৰা অহা মঙ্গোলীয় গোষ্ঠীৰ টাই জাতীয় লোক। এওঁলোক পূৰ্বতে বৌদ্ধধৰ্মী মানুহ

১। সূৰ্য্যকুমাৰ ভুঞা (সম্পা) : অসম বুৰঞ্জী, পৃঃ ১-৩, ১৯৮৮
হেমচন্দ্ৰ গোস্বামী (সম্পা) পু.অস.বু, পৃঃ ৬, ১৯৭৭
হৰকান্ত বৰুৱা সদৰামিন, অসম বুৰঞ্জী, পৃঃ ১,১৯৬২

২। উক্ত গ্ৰন্থ, পৃঃ ৩

আছিল। ড° লীলা গগৈয়ে "অসমৰ সংস্কৃতিত যথাৰ্থভাবে বৰ্ণনা কৰিছে ঃ

আহোমসকল মূলতে তাও ধৰ্মবাদী হলেও অসমলৈ অহাৰ সময়ত তেওঁবিলাকে কম-বেচি পৰিমাণে বৌদ্ধ আদৰ্শৰ অনুগামী আছিল, কিন্তু থলুৱা মানুহৰ সংস্পৰ্শলৈ অহাৰ লগে লগেই তেওঁ বিলাকৰ ধৰ্মীয় আদৰ্শ সলনি হবলৈ আৰম্ভ কৰে। পোনতে ব্ৰাহ্মণ্য ৰীতি-নীতি, পিছলৈ বৈষ্ণৱ আদৰ্শ আৰু একেবাৰে শেষত শাক্ত ধৰ্মই ৰজাঘৰত প্ৰৱেশ কৰে।[৩]

আহোম স্বৰ্গদেৱসকলে হিন্দুপ্ৰজাৰ সান্নিধ্যলৈ আহি প্ৰত্যেক কথাতে আহোম আৰু হিন্দু - এই দুই মতৰ দ্বাৰা কাৰ্য-পদ্ধতি নিৰূপণ কৰা বুৰঞ্জী সাহিত্যত পৰিলক্ষিত হয়। ৰজাৰ হিন্দু নাম গ্ৰহণ, আত্মশুদ্ধিতা, বিয়া-বাৰু, শৱ-সৎকাৰ, যুদ্ধ-বিগ্ৰহ, অপায়-অমঙ্গল নিবাৰণ ইত্যাদি প্ৰাত্যাহিক আৰু সামাজিক সকলো কামতে আহোম-হিন্দু দুয়ো ৰীতিৰ প্ৰচলনৰ উল্লেখ পোৱা যায়। ছুহুংমুং দিহিঙীয়া ৰজাই (১৪১৭-১৫৩৯ খ্ৰী.) প্ৰথম হিন্দুমতে "স্বৰ্গনাৰায়ণ" নাম গ্ৰহণ কৰে। বুৰঞ্জীত আছে স্বৰ্দদেৱ প্ৰতাপ সিংহ বুঢ়াৰজাৰ (১৬১১-৪৮ খ্ৰী.) দিনতহে ব্ৰাহ্মণ সেৱাইত হ'ল। এৱেঁই ডেৰগাওঁত দ'ল 'বন্ধাই ব্ৰাহ্মণ, গণক, কায়স্থ, শুদ্ৰ'- এই চাৰি জাতিক পূজা-অৰ্চনা আদি কৰ্মত ভাগ কৰি মাটি-বৃত্তি দান কৰিছিল। এওঁৰ পূৰ্বে খোৰাৰজাৰ (১৫৫২-১৬১১ খ্ৰী.) দিনত আহোম নিয়মেহে পূজা কৰিছিল। আহোম স্বৰ্গদেৱসকলে ৰাজ্য, ৰজা আৰু ডা-ডাঙৰীয়াসকলৰ মঙ্গলৰ নিমিত্তে চৰাইদেও দেওশালত দেওদাই বাইলুঙৰ হতুৱাই পূজা কৰিছিল। 'ফুৰাতাৰা (সৃষ্টিকৰ্তা, ঈশ্বৰ), লেংডন (ইন্দ্ৰ), লাংকুৰী (শিৱ), কাওৰাম (বৰুণ), চামচং (যমৰাজ), জাচিং ফা (বিশ্বকৰ্মা), চাংডাম (ব্ৰহ্মা), লাঙ্গকুৰীঙ্গ (বৃষভ), খাঙ্গচি (সিংহ), ফাই (অগ্নি), বাণ (সূৰ্য), ডেন (চন্দ্ৰ), লেংডিন (পৃথিৱীৰ দেৱদাসী) ইত্যাদি প্ৰত্যেক দেৱ-দেৱীৰ নামত নিৰ্দিষ্ট মন্ত্ৰপুত কৰা হৈছিল। দেওধাই, মহন আৰু বাইলুঙে কুকুৰা ঠেং কাটি মঙ্গল চাই দেশৰ ভাল-বেয়াৰ সংকেত দিছিল। যুদ্ধৰ প্ৰাক মুহূৰ্ত্ততো কুকুৰাৰ ঠেং কাটি মঙ্গল চোৱা ৰীতি বুৰঞ্জীত সঘনে দৃষ্টিগোচৰ হয়। কোন শুভ মুহূৰ্ত্তত কোন পিনৰপৰা গৈ শত্ৰুক আক্ৰমণ কৰিলে যুদ্ধত জয়ী হব পাৰিব সেইটো দেওধাই-বাইলুং-মোহন আদি আহোম পণ্ডিতে আৰু পিছলৈ দৈৱজ্ঞ বা গণকে জোতিষ শাস্ত্ৰৰে গণনা কৰি নিৰ্ণয় কৰিছিল। এইখিনিতে মনকৰিবলগীয়া যে দৈৱজ্ঞৰ সতে দেওধাই বাইলুঙৰ মত বিৰোধৰ উল্লেখো বুৰঞ্জীত নোপোৱা নহয়। এনেকুৱা পৰিস্থিতিত স্বৰ্গদেৱৰ সিদ্ধান্তই শেষ সিদ্ধান্ত আছিল। মহাৰাজ ৰুদ্ৰসিংহই কছাৰী ৰজাক উদ্ধাৰিবলৈ গৈ এনেকুৱা মতবিৰোধৰ সন্মুখীন হোৱা 'জয়ন্তীয়া বুৰঞ্জী'ত পঢ়িবলৈ পোৱা যায়ঃ

"পাচে ৰাজা গণক, দলৈবোৰত যাত্ৰাৰ দিনবোৰ সুধিলে। সিহঁতে শুক্ৰাস্ত বুলি নিষেধ কৰিলে। পাচে ৰাজা খৰ্গ কৰিলে। দেওধাই নিতালৰ দুই পুতেকক সুধিলে 'কছাৰী

---

৩। লীলা গগৈ ঃ অসমৰ সংস্কৃতি, পৃঃ ২১০, ১৯৮২

ৰাজালৈ মানুহ পঠাব খুজিছো, তাৰ ৰজাক পাম নে নেপাম ?' পাচে সিহঁতে কুকুৰা ঠেং চাই বোলে- 'তাক যি পোৱা যাব তাৰ লগতে আনকো পাব'। এই কথা শুনি ৰাজা ৰঙ্গ কৰিলে। হিন্দুৰ মতে যি যি নিষেধ দেওধাই তাতে যাত্ৰা দিলে"।[৪]

কুকুৰাৰ দেওলগা পাখি ৰজাৰ ভূষণ, কুকুৰা কাটি মঙ্গল চোৱা ধৰ্মীয় ৰীতি। "অসম বুৰঞ্জী"ত আছে ঃ

ৰাজ অভিষেক কৰিবলৈ দেওকুকুৰাৰ পাখিৰ টুপী লাগে। দেওকুকুৰা নাই নিমিত্তে লগত অহা জৰাধৰাক স্বৰ্গলৈ পঠালে। সি গৈ ইন্দ্ৰত ক'লত দেওকুকুৰা তাৰ হাততে দি পঠালে বোলে। 'পাখি ঠোঁট তেঞো নাখাব, ছাল হাড় ৰাজা খাব, মঙ্গহ, আগ মঙ্গহ পাত্ৰে খাব'।[৫]

আহোমসকলে হিন্দুধৰ্মত দীক্ষিত হোৱাৰ পূৰ্বে নিজৰ উপাস্য দেৱতাক যথাৰীতি পূজা কৰি স্বধৰ্ম ৰক্ষা কৰিছিল। পিছলৈ অৱশ্যে পুৰোহিত শ্ৰেণী লোকৰ ভিতৰতে নিজ ধৰ্মৰ উপাসনা ৰীতি প্ৰবৰ্ত্তি থাকিল। দেওধায়ে মদ, গাহৰি আদি দি লেংডন বা ইন্দ্ৰাদি দেৱতাসকলক ঢোল বাদ্য বজাই আহোম মতে পূজা দি প্ৰজাৰ মঙ্গল সাধন কৰিছিল। ৰাজ সিংহাসনত আৰোহণ আৰু যুদ্ধ জয়ৰ পাচত ৰিকথ্‌বন পূজা পতা হৈছিল। প্ৰায়চিত্তৰূপেও এই পূজা পতাৰ বিধি আছিল। দেশৰ মঙ্গলৰ নিমিত্তে নৰবলি পৰ্য্যন্ত আগবঢোৱা হৈছিল। "ৰাজ্য-ৰাজ দুখ নুগুচে, দেওক মানুহৰ বলি দিব লাগে, দিব লগা দিন হৈছে"[৬] এয়া প্ৰচলিত ৰীতি আছিল। চৰাইদেওৰ দেওশাল, দেৱৰগাঁওৰ দেওশাল, ৰাম খাঁ দেওশালৰ উপৰিও শদিয়াৰ কেচাঁইখাতী গোসাঁনী আৰু কামাখ্যাৰ বলিশালত এই নৰবলি অৰ্পণ কৰা হৈছিল। স্বৰ্গদেৱ প্ৰতাপসিংহৰ দিনত হোৱা আহোম-বঙালৰ ৰণত সত্ৰাজিতৰ পুতেক কৰ্ম্মচান্দক নাওৰপৰা ধৰি নি কামাখ্যাৰ ঠাইত বলি দিয়াৰ কথা অসম বুৰঞ্জীত উল্লেখ আছে। "সত্ৰাজিতৰ পুতেক কৰ্ম্মচান্দক নাৱত পাই ধৰি নি ভগুৱীৰ কামাখ্যাৰ ঠাইত বলি দিলে।[৭] শিৱ উপাসক স্বৰ্গদেৱ প্ৰতাপ সিংহ বুঢ়াৰজাই 'মহেশ্বৰ ঘৰ' নামে দিখৌ নৈৰ কাষত এটি ঘৰ সজাই তেওঁৰ গাত লম্বা দেও প্ৰতিষ্ঠা কৰিছিল। একে সময়তে দুৰ্গাপূজা, শিৱ-উপাসনা আৰু চোমদেও দেৱতাৰ পূজা-অৰ্চনাৰে এওঁ দেশত সৰ্ব ধৰ্মৰ সমন্বয় প্ৰতিষ্ঠা কৰিছিল। এনেৰৈই পোনতে দেৱোত্তৰ, ব্ৰহ্মোত্তৰ পদ্ধতিৰে মাটি-বৃত্তি দান কৰি দেশত ক্ৰমাৎ হিন্দুধৰ্মৰ প্ৰতিপত্তি বঢ়ায়। পৰৱৰ্ত্তী জয়ধ্বজ সিংহ মহাৰাজে (১৬৫৩-৬৩ খ্ৰী.) হিন্দুধৰ্মত (বৈষ্ণৱ ধৰ্ম) দীক্ষা লোৱাত ৰজাৰ ধৰ্মই প্ৰজাৰ ধৰ্মৰূপে প্ৰবৰ্ত্তিবলৈ ধৰিলে। এইজনা মহাৰাজৰ দিনৰ পৰা ৰজাঘৰৰ সহানুভূতি লাভ কৰি অসমত ভাগৱতী বৈষ্ণৱ ধৰ্ম বহুলভাৱে প্ৰচাৰিত হবলৈ ধৰে; ৰজাঘৰ-প্ৰজাঘৰে

৪। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) ঃ জয়ন্তীয়া বুৰঞ্জী, পৃঃ ৮২, ১৯৬৪
৫। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) ঃ অসম বুৰঞ্জী, পৃঃ ৪, ১৯৮৮
৬। উক্ত গ্ৰন্থ, পৃঃ ১১৯
৭। উক্ত গ্ৰন্থ, পৃঃ ৫০

হিন্দুধৰ্মৰ আচৰণ বিধিয়ে দেশক বিধৌত কৰি তোলে। উদাহৰণ স্বৰূপে "অসম বুৰঞ্জী"ত উল্লিখিত ডেবেৰা বৰবৰুৱাৰ বাঢ়ি অহা অতপালিক মথিমুৰ কৰিবলৈ শৰাইঘটীয়া বিষয়াসকলে ৰাজমন্ত্ৰী বুঢ়াগোহাঁইৰ ওচৰত ৰাজ্য ৰক্ষাৰ বাবে অংগীকাৰ কৰা প্ৰসংগটোলৈ উন্নুকিয়াব পাৰি ঃ

... "একেটা সুদা ডেবেৰাএ * দেৱ মাৰে পাতে, আমাকো মাৰে কাটে। এনে আপদত আমাক ৰক্ষা কৰা। আমিও ৰাজ্যে দেৱক মোৰ বুলিলোঁ, দেৱে আমাক নেৰিব।" এই বুলি উঠি ৰাজে সাতসেৰা কৰিলে। গোহাঁয়ে বোলে- "ৰাজে যে মোৰ বুলি ধৰিলি মএও ৰাজক নেৰোঁ কদাচিৎ।" এহি বুলি ৰত্নাৱলী পুথি, শালগ্ৰাম, তাম, তুলসী ব্ৰাহ্মণ থৈ সবেও শপত কৰিলে বোলে- "কাকো কেএও এৰাএৰি নকৰিবি"।[৮]
তেনেকৈ অৰ্জুন দিহিঙীয়া ৰজাই (১৬৭৫-৭৭খ্ৰী.) "সাতসৰী অসম বুৰঞ্জীত ৰাজদ্ৰোহী সকলৰ আত্মশুদ্ধিতাৰ শপত গ্ৰহণ কৰাইছে এইদৰে ঃ "ৰাজাদেৱে লক্ষ্মীনাৰায়ণ গোহাঞিও তাম তুলসী গীতা এইসকল বৰচৰাতে থৈ সকলকো অনাই শপত কৰালে। আহোম নিয়মেও কৰালে, বৰঢাকতো ধৰাই কৰালে।[৯]

বিপ্লৱৰ বুৰঞ্জীক প্ৰতিহত কৰি মন্ত্ৰীৰ কুশাসনৰ ওৰ পেলাই চুপাতফা গদাধৰ সিংহ মহাৰাজ (১৬৮১-৯৬ খ্ৰী.) আহোম ৰাজ সিংহাসনত উঠে। এওঁ দেশান্তৰী হৈ থকা সময়ত বৈষ্ণৱ ভকত মহন্তসকলৰ অতপালি দেখি বিশেষতঃ দক্ষিণপটীয়া গোসায়ে ৰজা ভঙা-পতা কামত লিপ্ত থকাত দক্ষিণপতীয়া গোঁসাইক নানান দুৰ্গতি কৰিলে, ভকত সকলকো নানান শাস্তি বিহিলে। এওঁ "ব্ৰাহ্মণ, গণক কায়স্থ, কলিতা এই চাৰি জাতিক এৰি সকলকো এটা চৰু কৰো বুলি বৰচৰাৰ খোলাত চাউদাঙৰ হতোৱা ভাত ৰন্ধাই খুৱালে" [১০] এওঁ শাক্ত ধৰ্মৰ বিশেষ অনুৰাগী আৰু পৃষ্ঠপোষক আছিল। সেয়ে হ'লেও কোনো শাক্ত গুৰুৰ ওচৰত আনুষ্ঠানিক ভাৱে শৰণ লোৱাৰ ঐতিহাসিক প্ৰমাণ বৰ্ত্তমানলৈ পোৱা নাইকিয়া। অৱশ্যে এওঁৰ যে বৈষ্ণৱ ধৰ্মৰ প্ৰতি কোনো আস্থা নাছিল তাৰ প্ৰমাণ মৰিবৰ সময়ত বৰপুত্ৰ লাই কোঁৱৰক দিয়া উপদেশেই যথেষ্টঃ "সৰুক বৰ বিষয় নিদিবি; পথালিফোটাক বিশ্বাস নকৰিবি; ৰাজসভাত জোঙা ঢোল বজাই নটিনী ননচুৱাবি।[১১]

স্বৰ্গদেৱ গদাধৰ সিংহৰ মৃত্যুৰ পিছত তেওঁৰ সুযোগ্য সন্তান আহোমৰ শ্ৰেষ্ঠ ৰজা ৰুদ্ৰসিংহ মহাৰাজে (১৬৯৬-১৭১৪ খ্ৰী.) নদিয়াৰপৰা বিখ্যাত শাক্তগুৰু কৃষ্ণৰাম ভট্টাচাৰ্য্যক অসমলৈ আনে। ইতিমধ্যে কিন্তু মহাৰাজৰ মন শাক্তগুৰু আহি পোৱাৰ ঠিক আগেয়ে ভুঞা কঠিন বেমাৰৰ হেতু পৰিবৰ্ত্তন হয়। সেয়েহে স্বৰ্গদেৱে কৃষ্ণৰাম ন্যায়বাগীশ টিঙৰামৰা ভট্টাচাৰ্য্যৰ ওচৰত শৰণ নলৈ এওঁৰ নিজ পুত্ৰসবক মৰণৰ আগে আগে

৮। উক্ত গ্ৰন্থ, পৃঃ ১০৯
৯। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) ঃ সাতসৰী, পৃঃ ১০২, ১৯৬৪
১০। উক্ত গ্ৰন্থ, পৃঃ ১৪৯
১১। লীলা গগৈ ঃ টাই সংস্কৃতিৰ ৰূপৰেখা, পৃঃ ৫৭, ১৯৮৫

গুৰুজনাত শিষ্য হোৱাৰ বাবে আদেশ কৰে। সেইমতে এওঁৰ ৰৰপুত্ৰ শিৱসিংহ মহাৰাজে (১৭১৪-৪৪ খ্ৰী.) গুৰু জনাত শৰণ লৈ স্মাৰ্ত্ত মত প্ৰচলন কৰে। স্বৰ্গদেৱে এই জনা "গোসাঞিৰ দ্বাৰা শাস্ত্ৰানুসাৰে গোহাটীৰ সকলো দেৱালয়ৰ দেৱতাৰ পূজাৰ ব্যৱস্থা বিধি উলিয়াই দেৱালয়সকল নিবন্ধ কৰিলে"।[১২] পিছলৈ বৰৰজা ফুলেশ্বৰীৰ উচটনিত দেশত শাক্ত ধৰ্মই বিশেষভাৱে গা কৰি উঠাত মোৱামৰীয়া মহন্তৰ ৰাজদ্ৰোহীতাই অসমীয়া সামাজিক জীৱনত নতুন দিশৰ সূচনা কৰে; মোৱামৰীয়াৰ গণ অভ্যুত্থানে সাতামপুৰীয়া আহোম ৰাজসিংহাসন কপাই তোলে। অসমীয়া বুৰঞ্জী সাহিত্যত মোৱামৰীয়া সত্ৰৰ অধিকাৰৰ ওপৰত ৰজাঘৰীয়া অত্যাচাৰৰ সম্ভেদ পোৱা যায়। ১৬৫০ খ্ৰী.ত চুৰম্‌ফা ভগাৰজাৰ দিনত মহন্ত নিত্যানন্দদেৱ আৰু ১৬৯৪ খ্ৰী.ত গদাধৰ সিংহৰ সময়ত বৈকুণ্ঠনাথ দেৱক হত্যা কৰা হয়। মহাৰাজ ৰুদ্ৰসিংহৰ দিনত অষ্টম অধিকাৰ চৰ্তুভুজ দেৱ অপমানিত হয়। বৰৰজা ফুলেশ্বৰী কুঁৱৰীয়ে এওঁক মৃত্যু দণ্ডেৰে দণ্ডিত কৰে যদিও পৰ্বতীয়া গোসাঁইৰ মধ্যস্থতাত ই কাৰ্য্যকৰী নহ'ল। কীৰ্তিচন্দ্ৰ বৰবৰুৱাই কেবাবাৰো মহন্তসকলক অপমানিত কৰে। এনেদৰে বাৰম্বাৰ ৰজাঘৰৰ পৰা অপযশ পাই ম্ৰিয়মান আৰু ক্ষুন্ন হৈ পৰা এচাম প্ৰজা-শিষ্যই বিক্ষুব্ধ শাসক শ্ৰেণীৰ একাংশৰ সতে জড়িত হৈ (মোহন মালা গোহাঁই প্ৰমুখ্যে) ৰাজবাহিনীৰ সমগ্ৰ প্ৰতিৰোধ নিচিহ্ন কৰি দেশত সামাজিক চিন্তাৰ নতুন উন্মেষ ঘটায়। এককথাত মোৱামৰীয়া বিদ্ৰোহে অসমীয়া সমাজ ব্যৱস্থাটোকেই গুৰিতে ধৰি থান বান কৰি দিলে। ৰজা আৰু ডা-ডাঙৰীয়াসকলৰ আমোলাতান্ত্ৰিক সমাজ ব্যৱস্থা চেদেলি-ভেদেলি হৈ গ'ল। সবাতোকৈ ডাঙৰ বিপৰ্য্যয় হ'ল শাসক শ্ৰেণীৰ মাজত হোৱা শাসকীয় অন্তৰ্দ্বন্দ্ব। ইয়াৰ প্ৰমাণ- মহামন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোহাঁই আৰু বদন বৰফুকন। এই কাজিয়া সমসাময়িক সমাজ আৰু ধৰ্ম-জীৱনৰ সংস্কাৰমূলক নীতিভিত্তিক নহৈ শাসক গোষ্ঠীৰ ক্ষমতাৰ প্ৰতিযোগিতাহে বুলি ন দি কব পাৰি।

## ২.১ শৱ-সৎকাৰ ঃ

আহোমসকলে হিন্দুধৰ্ম গ্ৰহণ কৰাৰ পূৰ্বে মৰাক পোতাৰ নিয়ম আছিল। তেওঁলোকে চৰাইদেও পৰ্বতত মৈদাম সাজি দেওধাই বাইলুঙ পণ্ডিতৰ দ্বাৰা মৃতকৰ আত্মাৰ সদ্‌গতিৰ হকে 'ৰিকৃখ্‌বন' পুথিৰ শ্লোক পাঠ কৰি যথাবিধিপূৰ্বক মৃতকক শুৱাই থৈছিল। বুৰঞ্জী পুথিত ৰজা, ডা-ডাঙৰীয়া আৰু সাধাৰণ লোকৰ মাজত মৰ্য্যাদানুসৰি মৈদাম নিৰ্মাণৰ ভিন্ন ভিন্ন পদ্ধতিৰ উল্লেখ পোৱা যায়। বাহুল্যৰ ভয়ত মাত্ৰ এটি দৃষ্টান্ত "দেওধাই অসম বুৰঞ্জী" পুথিৰ পৰা উদ্ধৃত কৰি দেখুওঁৱা হ'ল ঃ

ইতৰ আহোমৰ নিয়ম নাই, যতে মৰে ততে পোতে বা পুৰি মৈদাম বান্ধে। কোনোৱে পুৰি ... মৈদাম বান্ধে। কোনোৱে নাবান্ধি পুৰি পেলায়। কোনোৱে পুতিয়ে থয় আৰু কোনোৱে মৰাৰ লগত বস্তু দিয়ে কোনোৱে নিদিয়ে।[১৩]

---

১২। হৰকান্ত বৰুৱা সদৰামিন ঃ অসম বুৰঞ্জী, পৃঃ ৬৯,১৯৬২

১৩। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) ঃ দেওধাই, পৃঃ ১৫৭, ১৯৯০

... আহোম ৰজা, কোঁৱৰ আৰু ওখ তৰপৰ বিষয়াসকলে মৰাশৰ ওপৰত মৈদাম বান্ধে, আৰু মৃতকৰ ঘৈণীয়েক, বেটী বন্দী আৰু কেবছৰ মানৰ জোখাই জোৰাকৈ সোণ-ৰূপৰ বাচন, মজিয়াত পাতিবলৈ ফুলাম কাপোৰ আৰু অন্য বস্ত্র, আৰু খোৱা বস্তু মৈদামত থয়। শৱৰ ওপৰত টান শকত কাঠেৰে চাং কৰি ঢাকি থয়। মৈদামত সৰহকৈ তেল ভৰাই এটা চাকিও থয়, লগতে চাকি জ্বলাবলৈ এটা মানুহো থোৱা হয়।[১৪]

মৈদামত শৱ পোতাৰ এই নিয়ম কাঠ সংস্কাৰৰ পূৰ্বে স্বৰ্গদেৱ গদাধৰ সিংহৰ সময়লৈ অতি দৃঢ় ৰূপে সমাজত প্ৰচলিত আছিল। "... ৰজাসকল শৰণ লৈ হিন্দু ধৰ্ম্ম গ্ৰহণ কৰাতে আহোম মত হ্ৰাস হৈ আছিল। অথচ মৈদামত লোকজন দিয়া কম হৈ আহিল। তথাপি গদাধৰ স্বৰ্গদেৱ পৰ্য্যন্ত বস্ত্ৰ অলঙ্কাৰ আদিও তাম পিতল, ৰূপৰ ও সোণৰ ও মাইচাং খাট আদি মৈদামত দিয়া নিয়ম আছিল। .. ৰাজা ও ডাঙ্গৰীয়া ও গোহাঁই সকলৰ মৈদাম চৰাইদেৱতহে হয। অন্যসকলৰ অন্য অন্য স্থানেও উত্তম ও মধ্যম ও সামান্য প্ৰাকৃতমতে হয়। এইসকল কৰ্ম্ম দেওধাই ও বাইলুং দ্বাৰা সম্পাদন হয়।[১৫] স্বৰ্গদেৱ শিৱসিংহ মহাৰাজৰ দিনত "আহমৰো পূৰ্ব্ব ধাৰণা গুচাই মৰাক পোৰাৰ[১৬] নিয়ম প্ৰৱৰ্ত্তন কৰা হয়। হিন্দু মতে দহদিনত দহা আৰু মাহেকত মৎস্য স্পৰ্শ আদি কৰ্ম কৰাৰ নিয়ম হ'ল। "সাতসৰী আসম বুৰঞ্জী"ত স্বৰ্গদেৱ গৌৰীনাথ সিংহৰ শৱ দাহন কৰ্মৰ বৰ্ণনা এনেদৰে পোৱা যাযঃ

"স্বৰ্গী ৰজাৰ শৱটো মাজখোৱাহাটলৈ নি তাতে দাহ কৰিলে। ডাঙ্গৰীয়াবোৰক গাখীৰ, দৈ, গুড়, কল-কুঁহিয়াৰেৰে জলপান খুৱালে আৰু দহদিনৰ মূৰত দহা পালিলে। মাহেকৰ মূৰত সকলো গোসাঁইকে মাতি আনি বৰসবাহ পাতি যোৰহাটত হিন্দুমতে কৰ্ম্ম কৰিলে। স্বৰ্গী ৰজাৰ অস্থি চাই চৰাইদেও পৰ্বতলৈ নিলে। ... বুঢ়াগোহাঁই ডাঙ্গৰীয়াই খেলুং বানটুং আৰু তিংখাং এই তিনি গাঁৱৰ মানুহক মৈদাম এটা বান্ধিবলৈ কলে। সেইমতে এই তিনি গাঁৱৰ ৰাইজে মৈদাম বান্ধিলে।[১৭]

তেনেকৈ পৰবৰ্তী ৰজা কমলেশ্বৰ সিংহ স্বৰ্গদেৱৰ শৱ-সৎকাৰৰ বেলিকাও স্বৰ্গীৰজাৰ শৱ চৰাইদেৱ পৰ্বতলৈ নি মৈদামে বন্ধা আৰু 'মদ, গাহৰি মাৰি দেওধাই, মহন, বাইলুং পণ্ডিতক' ভোজ ভাত খুউৱাৰ লগতে 'ব্ৰাহ্মণ, গণককো সোণ-ৰূপ দক্ষিণা' দিয়াৰ কথা "সাতসৰী অসম বুৰঞ্জী"ত [১৮] উল্লেখ আছে। ইয়াৰপৰা এইটো স্পষ্টকৈ অনুভৱ হয় যে আহোমসকলে শ্ৰাদ্ধাদি ক্ৰিয়া আহোম-হিন্দু দুয়ো বিধিমতে কৰি দ্বৈত

---

১৪। উক্ত গ্ৰন্থ, পৃঃ ১৬১

১৫। হৰকান্ত বৰুৱা সদৰামিনঃ অসম বুৰঞ্জী, পৃঃ ৬০-৬১, ১৯৬২

১৬। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) ঃ সাতসৰী, পৃঃ ১২৬, ১৯৬৪

১৭। উক্ত গ্ৰন্থ, পৃঃ ১৭১

১৮। উক্ত গ্ৰন্থ, পৃঃ ১৮৬

ধৰ্মীয় অনুশাসন পালন কৰিছিল।

আহোমৰ ৰজাদিনীয়া ব্যৱস্থানুসৰি মৈদামত শৱ সংকাৰৰ কাম তিনি শ্ৰেণীৰ পুৰোহিতৰ দ্বাৰা সমাপন কৰা সামাজিক ৰীতি আছিল। মৃত ৰজা বা ডা-ডাঙৰীয়াসকলৰ প্ৰেতাত্মা পুলিন পুথাওসকলৰ (নিজা জাতি বংশৰ লোক) সংগলৈ নিবলৈ যথাৰীতি মন্ত্ৰপুত কৰা হৈছিল। ৰজা, ডা-ডাঙৰীয়া আৰু গোহাঁইসকলৰ মৈদাম সাধাৰণতে চৰাইদেওতহে নিৰ্মাণ কৰা হৈছিল। অন্যসকলৰ মৈদাম সামান্য প্ৰাকৃতমতে অন্য অন্য স্থানত বন্ধা হৈছিল। আহোম ৰজাসকলৰ মৈদামত প্ৰভূত পৰিমাণৰ ধন দৌলত থকাৰ কথা গোটেই ভাৰততে বিয়পি পৰিছিল আৰু সেই আপাহতে ১৬৬২ খ্ৰী.ত নবাব মাজুম খাঁই গড়গাওঁ অধিকাৰ কৰি 'আমাৰ মিলং মানুহৰ মুখে ৰজাসকলৰ' মৈদামবোৰ চিনাক্ত কৰি বহুতো আ-অলংকাৰ, টকা-পইচা লৈ যোৱাৰ কথা অনেক বুৰঞ্জী পুথিত উল্লেখ আছে। মনকৰিবলগীয়া যে আমাৰ মানুহে এই মৈদামবোৰত ভূত-পিশাচ থকা বুলি বিশ্বাস কৰিছিল। ইংৰাজী ১৮৪৪ খ্ৰী.ত চৰাইদেওত প্ৰথমে লক্ষ্মী সিংহ ৰজাৰ মৈদাম কুৰীয়া বৰাৰ পুতেকে খান্দি ধন-সম্পত্তি লুটি নিয়াত মানুহৰ ভয় গুচিল। পিছত ১৮৪৬ খ্ৰী.ত "যি দুটামান মৈদাম নখনাকৈ আছিল সেই মৈদাম ৰাখিব নোৱাৰাত অস্থি গঙ্গালৈ নিওঁ বুলি মহামহিম শ্ৰীল শ্ৰীযুক্ত পুৰন্দৰ সিংহ স্বৰ্গদেৱে খনাইছে"।[19] এই মৈদামত দিয়া বিভিন্ন সা-সামগ্ৰীবোৰৰ বৰ্ণনা ১৮৪৬ খ্ৰী.ৰ জানুৱাৰী মাহৰ "অৰুনোদই" কাকতত প্ৰকাশ পোৱা প্ৰবন্ধৰূপৰা উদ্ধৃত কৰি দেখুওৱা হ'ল ঃ

পূৰ্বৰেপৰা কোনো অহম ৰজা স্বৰ্গি হ'লে সেই ৰজাই জি জি বাচনত খাই আৰু জি জি দ্ৰব্য লই, আৰু লিগিৰা-লিগিৰি, জহৰা-জহৰি আৰু কেতিয়াবা হাতী ঘোৰা এই সকলো তাৰপৰ ৰজাই মৈদাম বান্ধি তাৰ ভিতৰত সুমাই দিয়ে। এই ক্ৰমে বস্তু থই ৰজা শোআ খোটালিৰ ওপৰে সাত খলপীয়া সোণৰ বৰৈ দিয়া চন্দৰ তাপ, মাটিত সোণৰ দাপোন মৰা চালপিৰা, পিৰাৰ চাৰিওচুকে সোণেৰে বন্ধোৱা চাৰিখুটি, তাতে আঠুৱা দিয়ে, পিৰাৰ ওপৰত ৰূপৰ পাটি, সোণ-বাখৰৰ বনকৰা গাৰু, তাতে ৰাজ অলংকাৰে সৈতে ৰজা সুৱাই থয়। পিৰাৰ কোসতে সোণত হিৰা বাখৰ পতা এনে ফাঁকেৰে হেঙ্গদাঙ্গ কৰ্কালৰ ওপৰ মাটিতে চাৰি-পাঁচখান সৰাই, তাৰে এখান ৰূপৰ সৰাইত সোণৰ বটা, তাৰ ভিতৰে সোণত হিৰা বাখৰ পতা চুন খাআ টেমি আৰু সোণৰ ধপাত খোৱা টৈমা, সোণৰ ডাবেৰে কটাৰি আৰু ৰূপৰ তামোল, এখান সৰাইত সোণৰ ভোগজৰা, এখানত অলংকাৰ, এইদৰে সোণৰ মাইহাং আদি কৰি ৰূপৰ ভোগজৰা পৰ্যন্তে থই আৰু সোণৰূপৰ পেৰাও থই। ভৰি পথানৰ ফালে সোণেৰে বন্ধা ধুঁআ খোৱা, তাৰ ওপৰত ৰূপৰ সাফৰ মৰা চিলিম, সোণৰূপৰ বনকৰা নলি থই আৰু লিগিৰা এটাই সোণৰ মুঠিবন্ধা চোঁৱৰেৰে বিচে। এইদৰে অন্য অন্য ঠাইতো বস্তু মানুহ ইত্যাদি থই। কিন্তু ৰজা ভকতিয়া হুৱৰপৰা জিয়া জন্তু নিদিয়া হ'ল।[20]

১৯। প্ৰগুক্ত, পৃঃ ১৫৮

২০। মহেশ্বৰ নেওগ (সম্পা)ঃ অৰুনোদই, পৃঃ ৫, ১৯৮৩

## ২.২ বিবাহ প্ৰকৰণ ঃ

বুৰঞ্জী সাহিত্যত স্বৰ্গদেৱে সাতঘৰীয়া আহোমৰ যৌৱনদীপ্তা ছোৱালী কুঁৱৰী কৰিবলৈ নিয়াৰ উল্লেখ আছে যদিও ফুলমতী নাচনীৰদৰে ৰূপে-গুণে বিভুষিতা গাভৰুক বৰকুঁৱৰী বা বৰৰাণী পতাৰ দৃষ্টান্ত নোপোৱা নহয়। আহোম যুগৰ জাতি-বৰ্ণৰ বাচ-বিচাৰৰ শিথিলতাই বৈবাহিক সম্পৰ্কত বিশেষ বাধা-আৰোপ নকৰাত শুদ্ৰাদি ফুকন, বৰুৱাৰ ঘৰত ভাল ছোৱালী থাকিলে আহোম স্বৰ্গদেৱ, ডা-ডাঙৰীয়া সকলে হিন্দুমতে বিয়া পাতি কুঁৱৰী কৰি লৈছিল। এওঁলোকে হিন্দুৰ ছোৱালী বিয়া কৰালে বাপেকে সৈতে কন্যাক ৰাজঘৰলৈ নি তাতে বিয়া পাতিছিল। স্বৰ্গদেৱ দেশৰ সৰ্বেসৰ্বা হোৱাত তেওঁ দৰা সাজি কন্যাৰ ঘৰলৈ যোৱাৰ দস্তুৰ নাছিল। স্বৰ্গদেৱ গৌৰীনাথ সিংহই "আষাৰ মাসত দিহিঙীয়াৰ ঘৰৰ কলীয়া ডেকাৰ জীয়েকক ব্ৰাহ্মণীয়া মতে বিধিবৎ বিবাহ কৰালে"[২১] বুলি তুংখুঙীয়া বুৰঞ্জীত উল্লেখ আছে। বিবাহত গায়ন-বায়ন আদিয়ে সংগীত বাদ্য বজাইছিল কেতিয়াবা ভাওনাও পতা হৈছিল। স্বৰ্গদেৱ কমলেশ্বৰ সিংহৰ ভনী আইদেউক কুঁৱৈগএগ্ৰা বুঢ়াগোহাইৰ মাজু পুতেকলৈ চকলং মতে দিয়া বিবাহ উৎসৱত ঃ

"... ন দিন পানী তুলিছিল। সকল সত্ৰ চহৰীয়া গায়ন-বায়ন আনিছিল। ছোৱালী উলিয়াই দিবৰ দিনা ডাঙৰীয়াবোৰ চৌৰাত বহিছিলহি, বৰবৰুৱা ফুকনবোৰো বহিছিল। সেই বিবা হত বুঢ়াগোহাঁই ডাঙৰীযা, চমুৱা, বৰুৱা, ফুকন, কোনো কটকী, কাকতী, বিলতীয়া, এইবোৰক বটা দিলে।[২২]

আহোম ৰজা , ডা-ডাঙৰীয়া, বা-বিষয়া আদিয়ে "সাতঘৰীয়া" বা তেইশ ঘৰ নিয়মৰ আহোম'ৰ ছোৱালী বিয়া কৰালে ছোৱালীৰ ঘৰতে চকলং কৰাৰ কথা বুৰঞ্জীত পোৱা যায়। আহোমৰ এই চকলং প্ৰথাক হিন্দুৰ গান্ধৰ্ব প্ৰথাৰ লগত ৰিজাব পাৰি। চকলং বিয়াত দেওধাই পণ্ডিতে লোকদৰ্শক সম্প্ৰদানাদি কাৰ্য্য প্ৰকাশ্যে সমাপন কৰি দৰা-কন্যাকৰাইজক সেৱা কৰাই আবুৰত নানান আশীৰ্বাদ বচন শুনাই উত্তৰোত্তৰ সুখী দাম্পত্য জীৱন কামনা কৰে। এই চকলঙৰ আধ্যাত্মিক তত্ত্ব জীৱনক সুন্দৰতম অৰ্থেৰে ৰঞ্জিত কৰা। পতি-পত্নীৰ মিলন সম্ভোগত সৃষ্টি প্ৰক্ৰিয়াৰ যি নিগুঢ় ৰহস্য সি যে মূলতঃ সামাজিক ৰীতি-নীতিৰে এক অনবদ্য ৰূপ তাক চকলঙৰ নিয়ম-কানুনৰ মাজেৰে প্ৰতিভাত হোৱা দেখা যায়। চকলং বিয়াত পূৰ্বপুৰুষসকলৰ বুৰঞ্জীও দৰা-কইনাক শুনোৱা হয়।

"আজিকালি আগৰ ডাঙৰীয়া-বিষয়া আৰু ভাল ভদ্ৰ আহোমৰ কন্যাক ৰভাস্থলত হিন্দুশাস্ত্ৰ অনুসৰি সম্প্ৰদান দি লৈ, পাচত চকলং কৰা হয়; তাৰ পাচত, পুনৰপি ৰভাতললৈ আনি, ৰাইজক সেৱা কৰাই, দৰা-কন্যাক পুৰোহিতৰ মুখে আশীৰ্বাদ বাণী শুনোৱা হয়।[২৩]

---

২১। সূৰ্য্যকুমাৰ ভূএগ্ৰা (সম্পা) ঃ তুংখুঙীয়া বুৰঞ্জী, পৃঃ ৯২,১৯৯০

২২। উক্ত গ্ৰন্থ, পৃঃ ১৭৪

২৩। পদ্মনাথ গোহাঞিবৰুৱা ঃ অসম বুৰঞ্জী, পৃ ১১৮, ১৯৭৬

মন কৰিবলগীয়া যে আজিকালিৰ দৰে দৰাঘৰ ছোৱালী ঘৰলৈ জোৰণ দিয়া আৰু ছোৱালী বিয়াদি উলিয়াই দিওতে লগত ভালেমান বয়-বস্তুৰ বাহিৰেও লাচনী-লিগিৰী, বেটী-বন্দী যৌতুকত দিয়া নিয়ম আছিল। ৰজাঘৰৰপৰা দিয়া জোৰণত কন্যাৰ বাবে সাত জোৰ কাপোৰ অলংকাৰসহ একৈশখন শৰাইত তামোল-পাণ সৈতে "কুকুৰচোৱা চাউডাং, কুকুৰচোৱা বৰা, বৰুৱা, আৰু অন্য ফুকনবৰুৱা জনদেক দোলা দুলীয়াক"[২৪] আত্মীয়-সজ্জনৰ সৈতে পঠোৱা হৈছিল। কন্যাৰ দেউতাকে তামোল-পাণ গএগ্ৰ ৰাইজৰ মাজত বিলাইদি বস্তু-বাহানি ভিতৰলৈ নি তিৰোতা বোৰৰ হাতত দিয়াত তেওঁলোকে কন্যাক আ-অলংকাৰ পিন্ধাই জোৰণৰ মাঙ্গলিক কাৰ্য্য সমাপন কৰিছিল।

তাহানি আহোম ৰজাদিনীয়া কালত যৌতুক প্ৰথা সীমাবদ্ধ আছিল। সৰ্বসাধাৰণ ব্যতিৰেকে সম্ভ্ৰান্তপৰিয়ালতহে ইয়াৰ প্ৰচলন দেখা যায়। সামৰ্থ্য অনুসাৰে যৌতুকত দিয়া বস্তু-বাহানি কন্যাৰ বাওঁফালে সজাই থোৱা সামাজিক প্ৰথা। ৰং লৈ বুলি কেতিয়াবা কেতিয়াবা জীৱ-জন্তুকো যৌতুকত সমৰ্পন কৰা দেখা যায়। "দেওধাই অসম বুৰঞ্জী"ত চুখাম্ফা খোৰাৰজাই নৰা ৰাজ্যলৈ কন্যা খুজি চিৰিংসকলৰ হাতত জোৰণ দিযা আৰু নৰা ৰজাই ছোৱালীৰ লগত দিয়া যৌতুকৰ বিৱৰণ এনেদৰে পোৱা যায়ঃ

... কন্যা খুজিবৰ নিমিত্তে চিৰিংসকলৰ হাতত জোৰণ দিলে। সোণৰ খাৰু এযোৰ কৰ্ণবালা এযোৰ, বাখৰপতা বিৰি দুধাৰ, ডিঙ্গিৰ চেও দুধাৰ, হাতৰ চেও দুধাৰ বাখৰাম আঙ্গুঠি ১০, উজণ্টী ১৪, ভৰিৰ চেও ২, কাপোৰ দুসাজ, এই বস্তুসকল আমাৰ মানুহে নি নৰা ৰজাক খামজাঙ্গত দিলেগৈ। পিছে আহাৰৰ দিনত নৰা ৰজা যৌতুকে সহিতে ভাল মানুহ লগত দি ভনীয়েক গাভৰুক আমাৰ চিৰিংসকলৰ হাতত ৰজাদেৰলৈ নমাই দি পঠিয়ালে। ... যৌতুকীয়া বস্তু হাতী ১, ঘোঁৰা ১, বেটী ৪০, বন্দী ১২০, আন দ্ৰব্যও বহুত দিছিলে।[২৫]

বিজেতা আহোমসকলৰ লগত তিৰোতা মানুহ নহাত তেওঁলোকে 'থানগিৰি' সকলৰ জীয়াৰীক পত্নীৰূপে গ্ৰহণ কৰি এওঁলোকৰ সতি-সন্ততি সকলক পিছলৈ দায়িত্বশীল পদটো অধিষ্ঠিত কৰা দেখা যায়। বুৰঞ্জীবোৰত আহোম ৰজাসকলে মুছলমানৰ কন্যাও বিয়া কৰাৰ উল্লেখ পোৱা যায়। দিহিঙ্গীয়া ৰজাৰ গৌড়েশ্বৰৰ জীয়াৰী, সুন্দৰী, মোহময়ী নাৰী সুশুদ্ধি গড়মা কুঁৱৰীক কাছাৰী ৰজা ডেৰচুংফাৰপৰা আতৰাই নিজ পত্নী ৰূপে গ্ৰহণ অতি ৰোমাঞ্চকৰ। তেনেকৈ পিছলৈখানবিবি, হাৰমতী আৰু দাৰমতী- পিতা-পুত্ৰৰ মনোমালিন্যৰ অন্য এক কৌতুহলোদ্দীপক আখ্যান। আনহাতে আহোম ৰজাই মোগল

২৪। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) ঃ দেওধাই, পৃ ১৪৬, ১৯৯০

২৫। উক্ত গ্ৰন্থ ঃ অসম বুৰঞ্জী, পৃ ৫২,

হেৰেমলৈ ৰমণী গাভৰুৰ লেখীয়া ৰাজ-কন্যাকো পঠোৱাৰ নজিৰ বুৰঞ্জীত পোৱা যায়। আহোম ৰজা আৰু ডা-ডাঙৰীয়াসকলে দাঁতিকাষৰীয়া পাহাৰৰ জন-সম্প্ৰদায়ৰ লগতো বৈবাহিক সম্পৰ্ক কৰি তেওঁলোকৰ বংশধৰসকলক বিভিন্ন দিশত গুৰুত্বপূৰ্ণ পদবীত নিয়োগ কৰিছিল। ফলতঃ ৰাজ্যৰ দায়িত্বপূৰ্ণ পদবীত মকৰল হোৱা হেতু সময়ত আহোম আৰু অনা-আহোমৰ মাজত পাৰ্থক্যৰ সীমাৰেখা বহু পৰিমাণে নোহোৱা হৈ এখন সুস্থ-সবল ঐক্যবদ্ধ সমাজ প্ৰতিষ্ঠিত হোৱাত এই বৈবাহিক সম্পৰ্কই বিস্তৃতভাৱে সহায় কৰিছিল।

আহোম যুগত অসবৰ্ণ আৰু বহু-বিবাহ প্ৰচলিত আছিল। চুহুংমুং দিহিঙ্গীয়া ৰজাই গৌড়ৰ পৰা অনা কন্যা, কছাৰী ৰজাৰ তিনিগৰাকী কুঁৱৰী, কমতেশ্বৰ ৰজাৰ কন্যা আৰু তুৰ্বকৰ স্ত্ৰী চাৰাক নিজলৈ বুলি ৰখাত পুত্ৰ চুক্লেনফা গড়গঞা ডেকা ৰজাই এইবুলি বিদ্ৰোহ কৰিছিল। "আপদেৱকে নাটে, আমাৰ কথা কলে কি হ'ব"?[২৬] পিছৰ কালতো মোৱামৰীয়া ৰাঘমৰাণে ৰংপুৰ নগৰ অধিকাৰ কৰি 'মই এশ-ভাৰ্য্যা আনিম' বুলি মণিপুৰীয়া ৰজাৰ জীয়ৰী আই কুঁৱৰী সমন্বিতে আন ফুকন, বৰবৰুৱাৰ জীয়ৰীকো পত্নীৰূপে লোৱাৰ কথা বুৰঞ্জীবোৰত পোৱা যায়।

## ২.২.১ নাৰীৰ মৰ্য্যাদা ঃ

অসমীয়া বুৰঞ্জী সাহিত্যত সামাজিক জীৱনত নাৰীক উচ্চ মৰ্য্যাদা প্ৰদান কৰাৰ উল্লেখ প্ৰায়ে পোৱা যায়। নাৰীয়ে ৰন্ধা-বঢ়া, বোৱা-কটা আদিৰে ঘৰুৱা জীৱনত পুৰুষক সহায় কৰাৰ উপৰিও যুদ্ধক্ষেত্ৰ আদিতো ৰজাক, ডা-ডাঙৰীয়াসৱক পৰামৰ্শ দি ৰাজ্য পৰিচালনাত সহায় কৰিছিল। আহোম স্বৰ্গদেৱসকলক ৰাজমাও আইকুঁৱৰী সমন্বিতে অন্যান্য কুঁৱৰী সকলেও ৰাজ্য শাসনত যথেষ্ট সহায় কৰাৰ কথা বুৰঞ্জীত পোৱা যায়। পতিব্ৰতা তেজীমনা মূলাগাভৰুৰ জীৱন কাহিনী যি দৰে তুৰ্বকৰ সৈতে কৰা ৰণত কবচ কাপোৰেৰে ৰক্তাক্ত তেনেদৰে গড়গঞা ৰজাৰ পত্নী চাউসিং কুঁৱৰী ভৰিয়েৰে আহোম আখৰ লিখাত সিদ্ধহস্ত। তাহানি অসম দেশত বদন বৰফুকনে মান আনি অতপালি কৰা কাৰ্য্যৰ পোতক তুলিবলৈ ৰাজমাও আইতাই বৰগোহাঁই আৰু বৰবৰুৱাৰ সৈতে পৰামৰ্শ কৰি ১৮১৭ খ্ৰী.ৰ শাওন মাহত ৰূপসিং চুবেদাৰৰ হতুৱাই বদনক হত্যা কৰি দেশত শান্তি আনিবলৈ যত্ন কৰিছিল। তেনেকৈ মগলৌ কুঁৱৰী কুৰঙ্গ নয়নীৰ মন্ত্ৰণাতে চ'তৰ বিহুৰ সংক্ৰান্তিৰ দিনা ৰাঘ মৰাণক হত্যা কৰি স্বৰ্গদেৱ লক্ষ্মীসিংহক ৰাজ সিংহাসনত বহুৱাই মৰাণক এশিকনি দিছিল। স্বৰ্গদেৱ শিৱসিংহ মহাৰাজৰ ছত্ৰভঙ্গ যোগ পৰাত ফুলমতী নাচনীয়ে 'বৰৰজা' উপাধিৰে দেশৰ প্ৰশাসন নিজৰ হাতলৈ নিছিল। এওঁ ৰাজপাটত উঠি নিজৰ নামত মোহৰ মাৰিছিল। ১৭১৭ চনত ফুলেশ্বৰী কুঁৱৰীৰ মৃত্যু হোৱাত ভনীয়েক দ্ৰৌপদীক অম্বিকাদেৱী নাম দি মহাৰাণী পাতে। এওঁৰ নামেৰেও

২৬। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) ঃ সাতসৰী, পৃ ৭৩, ১৯৬৪

মোহৰ মৰা হৈছিল। এওঁ এগৰাকী বিদুষী নাৰী আছিল। এওঁৰো মৃত্যু হোৱাত স্বৰ্গদেৱে সলাল গোহাঁইৰ জীয়েক এনাদৰীক সৰ্বেশ্বৰী কুৱঁৰী নাম দি ৰাজ্যভাৰ অৰ্পণ কৰিছিল। এওঁৰ নামেৰেও মোহৰ মাৰিছিল। এনেকৈয়ে স্বৰ্গদেৱ শিৱসিংহৰ ৰাজত্বকালত মহীয়সী নাৰীত্ৰয়ে আহোম ৰাজসিংহাসন অলংকৃত কৰিছিল।

সমাজ জীৱনত স্বৰ্গদেৱৰ পিছত প্ৰধান স্থান আছিল- পাটমাদৈ বা বৰকুৱঁৰীৰ। বাকী কুৱঁৰীসকলৰ স্থান সামাজিক দৃষ্টিত- এওঁৰ বহু তলত। স্বৰ্গদেৱৰ বাকী দুগৰাকী প্ৰধান কুৱঁৰী হ'ল- পৰ্বতীয়া আৰু বাইডিঙীয়া কুৱঁৰী। এই কুৱঁৰী কেইগৰাকীৰ বাহিৰেও ৰজাসকলৰ আৰু অনেক কুৱঁৰী আছিল। এওঁলোক চমুৱা কুৱঁৰী নামে জনাজাত। সাধাৰণতে আহোম বংশজাত গাভৰু ৰজাই গ্ৰহণ কৰি কুৱঁৰী পতাৰ নিয়ম হ'লেও বেঙেনাআটি সত্ৰৰ ভকতৰ জীয়ৰী পদ্মাৱতীৰ লেখীয়া দীপলিপ্‌ হোৱালীক পৰ্বতীয়া কুৱঁৰী পতাৰ উদাহৰণো বুৰঞ্জীত লিপিবদ্ধ কৰা আছে। এই পদ্মাৱতী কুৱঁৰীৰ বিষয়ে মহামন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোহাঁই ডাঙৰীয়াই সদৰামিনৰ "অসম বুৰঞ্জী"ত এইবুলি মন্তব্য দিছেঃ

"অতি সামান্য ভকতৰ জীয়ৰী, বিশেষ হিন্দুৰ জীয়ৰী, এতেকে বৰকুৱঁৰী ও পৰ্বতীয়া কুঁৱৰী ও বাইডঙীয়া কুঁৱৰী পতা ভাল নহয়। তথাপি যদি স্বৰ্গদেৱে কুঁৱৰী পাতিবৰ মনস্থ কৰিছে চমুৱা কুঁৱৰীকে পাতক, এই কথা ক'লে। পিছে স্বৰ্গদেৱে ডাঙৰীয়াৰ কথা নুশুনি পৰ্বতীয়া কুঁৱৰী পাতিলে। কিন্তু ডাঙৰীয়াই সেই কুঁৱৰীক সেৱা নকৰিলে।"[27]

তদানীন্তন সমাজত এই কুঁৱৰীসকলৰ উপৰিও চাৰিঙীয়া কুঁৱৰী, নামৰূপীয়া কুঁৱৰী, তিপমীয়া কুঁৱৰী, পুৰণিমেলীয়া কুঁৱৰী, ন-মেলীয়া কুঁৱৰী আদিৰ কথা বুৰঞ্জীত বিবিধ ঘটনাৰ সতে পঢ়িবলৈ পোৱা যায়। বৰকুঁৱৰী ভিন্ন এই কুঁৱৰীসকলৰ ভৰণ-পোষণ হেতু মেল বা খাতপাম দিয়া নিয়ম আছিল। এই মেলবিলাকৰ নিৰ্দ্ধাৰিত বিষয়া আছিল; যেনেঃ পৰ্বতীয়া ফুকন, বাইডিঙীয়া ফুকন, তামুলি ফুকন ইত্যাদি। মেল অনুসৰি কুঁৱৰীয়ে সেই মেলৰ উপস্বত্ব ভোগ কৰাৰ সামাজিক নীতি আছিল। পদ-মৰ্য্যাদানুসৰি এওঁলোকৰ সাজ-পাৰ, আ-অলংকাৰ জড়িত। বৰকুঁৱৰীয়ে ব্যৱহাৰ কৰা সুকুলা আৰোৱান আৰু কোকোৰাদোলাৰ বিপৰীতে পৰ্বতীয়া আৰু বাইডিঙীয়া কুঁৱৰীয়ে ৰঙা আৰোৱান আৰু পাৰ্হিচাঙিহে ব্যৱহাৰ কৰিব পাৰিছিল। তেনেদৰে বাকী ৰাজকৰ্মচাৰীবোৰৰ তিৰোতাসকলৰ ক্ষেত্ৰতো বিষয়াৰ মৰ্য্যাদাৰ সতে এওঁলোকৰ গতি-বিধিৰ নিয়ম নিৰ্বন্ধ কৰি দিয়া হৈছিল। অসমীয়া স্ত্ৰীবাচক প্ৰত্যয়/নী/ৰ সংযোগত ডা-ডাঙৰীয়াসকলৰ স্ত্ৰীসকক সম্বোধন কৰাৰ ৰীতি আছিল- ফুকননী, ৰাজখোৱানী, শইকীয়ানী, বৰুৱানী ইত্যাদি। সম্ভ্ৰান্ত পৰিয়ালৰ মহিলাসকলক সাধাৰণতে লগুৱা-লিকচৌসকলে সহায় কৰিছিল। লিগিৰীসকলৰ ভিতৰত স্বৰ্গদেৱে ভাল পোৱা জনীক হাতবৰী আৰু গা-চোৱা প্ৰভৃতি উপপত্নীৰ আখ্যাৰে অলংকৃত

২৭। হৰকান্ত বৰুৱা সদৰামিনঃ অসম বুৰঞ্জী, পৃ ৮৫, ১৯৬২

কৰিছিল। ইহঁতৰ কাণৰপৰা হোৱা পুত্ৰক 'লুকুমাই' বোলা হৈছিল। ৰজাৰ আদেশ হ'লে পৰস্ত্ৰীয়ো ৰাজকাৰেঙত শোভাবৰ্দ্ধন কৰিবলৈ বাধ্য আছিল। চুৰম্ফা ভগাৰজাই নৰী মাকক কেকোৰাদোলা দি পাটমাদে পতা কথাটো প্ৰসংগক্ৰমে উল্লেখনীয়। এনেদৰে ভৱানী চেটীয়া ফৈদৰ পেটকামুৰীয়াৰ জীয়েক চুটিয়া ৰজাৰ পত্নীৰ সৈতে সহবাস কৰিবলৈ চুটিয়া ৰজাক হত্যা কৰিছিল। অৱশ্যে নাৰী হত্যাৰ কথা বুৰঞ্জীত পোৱা নেযায়। এই ক্ষেত্ৰত জয়মতী কুঁৱৰীৰ শাস্তিয়েই একমাত্ৰ নাৰীৰ প্ৰাণদণ্ডৰ উদাহৰণ। সেয়ে ড০ সত্যেন্দ্ৰনাথ শৰ্মাৰ ভাষাত কবলৈ হলে- "মধ্যযুগতভাৰতৰ অন্যান্য অঞ্চলৰ নাৰী সকলতকৈ তুলনামূলকভাৱে অসমৰ নাৰীসকল অধিক মুকলিমূৰীয়া আছিল।" [২৮]

## ২.৩ সামাজিক আচৰণ বিধি ঃ

আহোমযুগত ৰাৰ যি কাম সেই মতে কৰাটো সামাজিক বিষয় আছিল। ইয়াৰ অন্যথা মৃত্যু দণ্ডেৰে দণ্ডিত হব লাগি ছিল। "অসম বুৰঞ্জী" ত আছে।

> " ফুকনক স্বৰ্গদেৱেহে ভাঙিব পাতিব পায়। ফুকনক ফুকনে ভাঙে পাতে ই কি অযোগ্য কথা? আজি মোক ভাঙিছে কালি তহতকো ভাঙিব।[২৯]

-এয়া আছিল সমাজতন্ত্ৰৰ মূলমন্ত্ৰ। আহোম ৰজাৰ তলে সামাজিক আচৰণ-বিধি নিয়ন্ত্ৰিত হৈছিল- ৰজা আৰু বিষয়াবৰ্গৰ পদ-মৰ্যদাক কেন্দ্ৰ কৰি। স্বৰ্গদেৱ, বাইমন্ত্ৰী, ৰাজমন্ত্ৰী, পালিমন্ত্ৰী, ফুকন, কাকতি, বৰুৱা, ৰাজখোৱা, কটকী আদি উচ্চ শ্ৰেণী বিষয়াৰ মাজত যি সাজপাৰ, আ-অলংকাৰ, খোৱা-মিলাৰ উপবিধি প্ৰচলিত আছিল তলশ্ৰেণী মানুহৰ মাজত সি আকাশ-কুসুমৰূপে পৰিগণিত হৈছিল। সামাজিক ক্ষমতা আৰু মান-মৰ্যদাত ৰজা সকলোৰে উৰ্দ্ধত। স্বৰ্গদেৱে যি ধৰনে শাস্তি বিহিব মন কৰে সেয়াই আছিল সমাজৰ বাবে বিধি-ব্যৱস্থা। গোঁসাই মহন্তসকলো ৰজাই আদেশ কৰি ৰাজসভালৈ অনোৱাৰ এক্তিয়াৰ আছিল। স্বৰ্গদেৱ গদাধৰ সিংহৰ গোসাই- মহন্তৰ 'নিৰ্যাতন পৰ্ব' প্ৰসংগক্ৰমে স্মৰণীয়। যুঁজলৈ বুলি পিছ হোঁহকা সৈন্যক কঠোৰ শাস্তি বিহা হৈছিল। স্বৰ্গদেৱ প্ৰতাপ সিংহ বুঢ়াৰজাই আহোম ৰঙালৰ কাত "যুদ্ধত যি পাচ মুখ পাচ ভৰি কৰিব, সেইসকলক কুঠাৰেৰে বুকু ফালি, কোৰেৰে কুৰি, কুটনাত মাংস কুটি সকলোকে দেখাই কোৱা চিলাক" [৩০] দিবলৈ বাইলুঙ পণ্ডিতৰ হতুৱাই চমন জাৰি কৰিছিল। ৰাজবিহিত যিকোনো নিয়মক উলংঘা কৰাৰ সাহস প্ৰজাবৰ্গৰ কল্পনাতীত আছিল। ৰাজদণ্ড ৰজাৰ সৌন্দৰ্য্যবৰ্দ্ধক-এয়াই আছিল আহোম স্বৰ্গদেৱৰ অভীপ্সিত ধাৰণা। সমসাময়িক কোচৰজা প্ৰাণনাৰায়ণে আহোম স্বৰ্গদেৱে জয়ধ্বজ সিংহলৈ দিয়া চিঠিটো 'ৰজাৰ দণ্ড প্ৰধানৰ উল্লেখ আছে ঃ

---

২৮। সত্যেন্দ্ৰ নাথ শৰ্মা ঃ এ, এচ, ই, চি, এইচ, এম, এ, পৃ ২৪৩, ১৯৮১

২৯। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) ঃ অসম বুৰঞ্জী, পৃ ১১৫, ১৯৮৮

৩০ সূৰ্য্যকুমাৰ ভূঞা (সম্পা)ঃ দেওধাই, পৃ. ৬১, ১৯৯০

" - - - মন্ত্ৰি দোষানুৰূপ অনেক দণ্ড কৰিলোঁ, অনেক শাস্তি কৰিলোঁ অনেক কাটিলোঁ। আৰ সময়ত দোষানুৰূপ দণ্ড কৰিম, শাস্তি কৰিম, কাটিম। তোমাতো চাহি দোষানুৰূপ দণ্ডকৰ, শাস্তি কৰ, কাট। আৰ সময়ত দণ্ড কৰিবেন, শাস্তি কৰিবেন, কাটিবেন। তেবেসে ৰাজ্যত ৰজা হ'। ৰাজাৰ দণ্ডপ্ৰধান।[৩১]

সামাজিক বিচাৰত দয়া-দাক্ষিণ্য, উদাৰতা-কঠোৰতা আদি ডা-ডাঙৰীয়া,বা-বিষয়া আৰু পাইকসকলৰ মৰ্য্যদা অনুসৰি প্ৰয়োগ কৰাৰ ৰীতি প্ৰচলিত আছিল। ৰাজন্যবৰ্গ, ব্ৰাহ্মণ, দৈৱজ্ঞ, কায়স্থ, কলিতা আদি লোকৰ ক্ষেত্ৰত অন্যান্য প্ৰজাগণৰ দৰে বিবেচনা কৰা নহৈছিল। বিশেষতঃ স্বৰ্গদেৱ শিৱসিংহ ৰজাৰ আমোলৰ পৰা ব্ৰাহ্মণ-দৈৱজ্ঞ-কায়স্থ সকলৰ সামাজিক মৰ্যদা যথেষ্ট পৰিমানে বৃদ্ধি পাইছিল। কমাৰ, কুমাৰ,তাঁতী, কঁহাৰ, তেলী, সোণোৱাল, সোণাৰী আদি ব্যৱসায়ীসকলে ৰজাৰ ঘৰত খটাৰ সলনি তেওঁলোকৰ তৈয়াৰী বস্তুৰ নিৰ্দিষ্ট একোটা অংশ ৰাজঘৰা অনুষ্ঠানত নিয়মীয়া ভাৱে যোগান ধৰাৰ নিয়ম আছিল। আহোমৰ প্ৰজা বিভাজন পদ্ধতিত সৃষ্টি হোৱা চমুৱা আৰু কাড়ী পাইকবোৰৰ কৰ্ম পদ্ধতিক নিৰ্দিষ্ট ধাৰাত সন্নিবিষ্ট কৰা হৈছিল। সাধাৰণতে চমুৱা পাইকৰপৰাই প্ৰয়োজনত বা-বিষয়া নিযুক্তি দিয়া নিয়ম আছিল। ৰাজকাৰ্য্যৰ ভাগ অনুসৰি বেলেগ বেলেগ বিষয়া নিয়োগ কৰা হৈছিল। এওঁলোকৰ প্ৰত্যেককে ৰজাঘৰৰ পৰা সুকীয়া সুকীয়া আহিলা-পাতি দি চাল-চলনৰ নীতি-নিয়ম নিৰ্দ্ধাৰণ কৰি দিয়া আছিল। সদাৰমিনৰ "অসম বুৰঞ্জী"ত[৩২] "মৰ্য্যদানুসাৰে বিষয়াৰ নাম", "ডাঙ্গৰীয়াদিৰ নিয়ম", "বিষয়াসকলে অলঙ্কাৰাদি পৰিধান কৰাৰ নিয়ম", "মহন্তৰ নিৰ্মালী দিয়াৰ নিয়ম", "বিষয়াপতা ব্যৱস্থা" আদি অধ্যায়বোৰত পুংখানুপুংখৰূপে ৰজাদিনীয়া সামাজিক বিধি-ব্যৱস্থাৰ বৰ্ণনা লিপিবদ্ধ কৰা হৈছে। তদুপৰি তামুলীফুকনৰ "আসাম বুৰনজি পুথি" নতুবা ভূঞা ডাঙৰীয়াৰ সম্পাদিত "সাতসৰী অসম বুৰঞ্জী"তো এইবোৰৰ বিস্তৃত আলোচনা পঢ়িবলৈ পোৱা যায়। প্ৰাসংগিকতা হেতু দুই-চাৰি উপবিধিৰ নমুনা তলত দেখুওৱা হ'ল ঃ

> বাটত স্বৰ্গদেৱে দেখা দেখি হ'লে ও স্বৰ্গদেও হাতীত উঠি গলেডাঙ্গৰীয়াও হাতীত উঠি দেখা দিব পায়। স্বৰ্গগেৱ দোলাত বা ঘোঁৰাত গ'লে ডাঙ্গৰীয়াও ঘোঁৰাত উঠি বা কেপ কৰা তলচাৰ নুৰাতে উঠি দেখা দিব পায়। - - - - - চাৰিঙ্গীয়া, তিপমীয়া আদি মেলখোৱা গোহাঞি সকলেৰে তিনিজনা ডাঙ্গৰীয়া ভেটাভেটি হ'লেদোলাতে থাকি ডাঙৰীয়াসকলক গোহাঞি সকলে বাট এৰি দিব পায়। দাঁতিয়লীয়া তিনিজনাৰে যদি ঘাই তিনিজনা ভেটাভেটি হয়, তেতিয়া গোহাঞি দেওস কলৰ দৰেই দাঁতিঅলীয়া তিনিজনাই ঘাই তিনিজনাক বাট এৰি দিব পায়। যদি দাঁতিঅলীয়া তিনিজনাৰে ঐ মেলখোৱা গোহাঞিসকল

---

৩১ সূৰ্য্য কুমাৰ ভূঞা (সম্পা)ঃ কামৰূপৰ বুৰঞ্জী, পৃ. ৭৪, ১৯৫৮
৩২ হৰকান্ত বৰুৱা সদৰামিন ঃ অসম বুৰঞ্জী, পৃ. ৯৪-১১৫, ১৯৬২

ভেটাভেটি হয় তেতিয়া বাট এৰি দিয়াদিকৈ যায়, যিহেতু স্বৰ্গদেৱৰ নিজ ভাই বাপেক এনে মেলখোৱা গোহাঞি দেওসকলক সকলেই বঢ়াকৈ গৌৰৱ কৰে।[৩৩]

বুৰঞ্জীবিদ হিতেশ্বৰ বৰবৰুৱাই "আহোমৰ দিন" ত - "ৰজাৰ দিনত সামাজিক আচৰণ" প্ৰসংগত লিখিছে ঃ

সাধাৰণ মানুহে বাওঁ কান্ধত চেলেং বা খনিয়া কাপোৰ ল'ব পাৰিছিল, ভাল তৰপৰ মানুহে মাত্ৰ সোঁহাতে লৈছিল। সাধাৰণ মানুহে পকীঘৰ বা ঘূৰণীয়া টুপেৰে ঘৰ সাজিব নোৱাৰিছিল, এনেকি ৰজাৰ বাহিৰে কোনো ডাঙ্গৰীয়াৰেই বা আন কোনো বিষয়াৰেই দুই টুপীয়া ঘৰ নাছিল। ---- স্বৰ্গদেৱৰ বাহিৰে ভৰিৰ কলাফুল ঢকাকৈ আনে চুৰিয়া পিন্ধিব নাপায়, ডাঙ্গৰীয়াসকলৰ আৰু ওখ তৰপৰ বিষয়াসকলৰ চুৰিয়াই মাথোন আঠু ঢাকিছিল, আনৰ হ'লে চুৰিয়া আঠুৰ ওপৰতে থকাৰ নিয়ম আছিল। --- সাধাৰণ শ্ৰেণীৰ মানুহে দীঘল চুলিপাহ ৰাখিব নোবাৰিছিল আৰু কোনো কোনো জাতিৰ মানুহৰ গাত চিত্ৰ বা শ্ৰেণীবোধক কিছুমান আঁক দিয়া হৈছিল। কেইজনমান নিৰ্দিষ্ট বিষয়াই মাথোন বৰজাপি, টুপিজাপি, সৰুদৈয়া জাপি, দোলা ইত্যাদি ব্যৱহাৰ কৰিব পাৰিছিল।[৩৪]

২.৪ শিক্ষা ব্যৱস্থাঃ

বুৰঞ্জী পুথিৰ অধ্যয়নে তদানীন্তন অসমীয়া সমাজত বৰ্তমানৰ দৰে সাধাৰণ শিক্ষাৰ শৃংখলাবদ্ধ কোনো নিয়ম থকাৰ প্ৰমাণ দাঙি নধৰে। লিখা-পঢ়া কৰাটো সাধাৰণ শ্ৰেণীৰ লোকৰ বাবে অপৰিহাৰ্য্য নাছিল ধনু-কাঁড়, দা- যাঠি-বৰছা আদি ৰণ বিদ্যা শিকাটো সকলোৰে বাবে প্ৰয়োজনীয় আছিল। সেয়েহে শৰাইঘাটৰ ৰণত পৰাজিত হৈ ৰজা ৰামসিংহই কৈছিল- "একে আদমীয়ে সকলো সেনা চলাইতে পাৰে। মই হেন ৰামসিংহ থলত থাকিও ছিদ্ৰক নাপাও"।[৩৫] ৰাজকোঁৱৰ প্ৰমূখ্যে দেশৰ ডেকাশক্তি বীৰোচিত আৰু অন্যান্য সাহসিকতাতহে পাৰদৰ্শীতা লভিছিল। লিখা-পঢ়া সাধাৰণতে পুৰোহিত শ্ৰেণী লোকৰ মাজতে সীমাবদ্ধ আছিল। হাতী যুঁজ, ঘোৰা যুঁজ, আদিৰ লগতে নৌ বিভাগত প্ৰতিজন নাগৰিকৰ বিশেষ ব্যুৎপত্তি আছিল। এই সামৰিক শিক্ষাৰ বাবে কোনো আনুষ্ঠান নাছিল। পৰিয়ালৰ প্ৰতিজনেই শৰীৰ-চৰ্চাৰ লগতে যুদ্ধ-বিগ্ৰহৰ বাবে প্ৰচলিত ৰণ-কৌশল শিকাতো কৰ্তব্য বুলি ভাবিছিল। ধনুৰ্বিদ্যা, দা-তৰোৱাল চালনা, শেল-যাঠিৰ ব্যৱহাৰ

---

৩৩। উক্ত গ্ৰন্থ, পৃ ৯৮-৯৯, ১৯৬২

৩৪। হিতেশ্বৰ বৰবৰুৱা ঃ আহোমৰ দিন, পৃ ৪৯৩, ১৯৮১

৩৫ সূৰ্য্যকুমাৰ ভূঞা (সম্পা) ঃ অসম বুৰঞ্জী, পৃ. ১০২, ১৯৮৮

আদি সৰুৰে পৰাই ঘৰতে পৰিয়ালৰ জ্যেষ্ঠজনৰ পৰা শিকি লৈছিল। লগতে হিলৈ, বৰতোপ, খাৰ-বাৰুদৰ প্ৰয়োগ বংশানুক্ৰমে আয়ত্ব কৰিবলৈ ৰজা ঘৰৰ পৰা কঠোৰ নিৰ্দেশ আছিল। সমসাময়িক ডেকা শক্তিৰ অদম্য সাহস আৰু কঠোৰ পৰিশ্ৰম কৰিব পৰা প্ৰজাবৃন্দৰ সৃষ্টি- বিয়াগোম গড়বোৰে দেশক সুৰক্ষা দান কৰিছিল। মানৱ সম্পদৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰা হৈছিল। "একোটি মানুহ কুৰি বছৰে হে হয়। একোটা মানুহ একোখন পৰ্বত। ডাঙ্গৰ শত্ৰু সমীপতে আছে" ৩৬- এইবুলি প্ৰত্যেকজন মুনিহ-তিৰোতাকে যুদ্ধ বিদ্যা শিক্ষা দিয়া হৈছিল। আহোম যুগত অসামৰিক বিভাগ এটা নাছিল। কাড়ীৰ পৰা চমুৱালৈ সকলো পাইকেই সমযত ৰণলৈ যাব লাগিছিল; ৰজা, ডা-ডাঙৰীয়া, বা-বিষয়া আদি সম্ভ্ৰান্ত পৰিয়ালৰ লৰাৰ বাবেও সামৰিক শিক্ষা বাদ নপৰিছিল। প্ৰতিজন বিষয়াই আনকি ন্যায়সোধা ফুকন বা পুৰোহিতেও আৱশ্যক অনুযায়ী অস্ত্ৰ ধাৰণ কৰিব লগাত পৰিছিল। 'ৰাজা ৰাজ্য হলে যুদ্ধ কৰিবাক লাগে, ই ধৰ্ম্ম'- এই নীতি সাৰোগত কৰি দেশত ডেকা-গাভৰু, পুৰুষ-মহিলা, ৰজা-মন্ত্ৰী সকলোৱে সামৰিক শিক্ষা গ্ৰহণ কৰা নৈতিক কৰ্তব্য বুলি বিবেচনা কৰিছিল। দেশত সাধাৰণ পুথিগত শিক্ষাৰ প্ৰচলন নাছিল যদিও সেইসময়ৰ মানুহবিলাক বৰ চোকা আৰু কাজুৱা আছিল।

দেওধাই, মহন, বাইলুং, ব্ৰাহ্মণ, কায়স্থ আদি পণ্ডিতৰ সাহায্যত আহোম নৃপতি সকলে গ্ৰন্থ ৰচনা আৰু পূজা-বিধি আদি যাৱতীয় কাম কৰাৰ উল্লেখ বুৰঞ্জীয়ে আমাক দিয়ে। চুকাফা স্বৰ্গদেৱে সৌমাৰ পীঠত উপস্থিত হৈ প্ৰাত্যহিক জীৱনৰ সকলো ঘটনা লিপিবদ্ধ কৰি ৰাখিবলৈ আদেশ দিছিল। পৰৱৰ্তী সময়ত কাকতি আৰু লেখাৰু খেলৰ লোকসকলে লেখধৰ বৰুৱাৰ তলে এই কাম কৰিছিল। এই কাকত-প্ৰত্ৰবোৰ ৰজাৰ গন্ধীয়া ভঁড়াল বা মহাফেজখানাত গন্ধীয়া ভঁৰালীৰ দায়িত্বত ৰখা হৈছিল। ৰজাঘৰীয়া এই নথি-প্ৰত্ৰবোৰ সংকলিত কৰি বিখ্যাত বুৰঞ্জী সাহিত্যৰ সৃষ্টি কৰা হ'ল। আহোম আৰু অসমীয়া (স্বৰ্গদেৱসকলে অসমীয়া ভাষাক গ্ৰহণ কৰাত) ভাষাত এইবোৰ লিপিবদ্ধ কৰা হৈছিল। সংস্কৃত ভাষাৰ প্ৰয়োগো বুৰঞ্জীবোৰত পোৱা যায়। হিন্দুসকলৰ মাজত বিশেষকৈ ব্ৰাহ্মণ, জ্যোতিষী আৰু কায়স্থসকলে সংস্কৃত টোলবোৰত বিদ্যাশিক্ষা লাভ কৰিছিল। বুৰঞ্জীবিদ গুণাভিৰাম বৰুৱাই "আসাম বুৰঞ্জী"ত লিখিছে ঃ

> স্বৰ্গদেৱৰ (ৰুদ্ৰসিংহৰ) বিদ্যাশিক্ষাৰ প্ৰতি বৰ আগ্ৰহ আছিল। ঠায়ে ঠায়ে ব্ৰাহ্মণসকলৰ নিমিত্তে পঢ়াশালি পতাই দিলে। এবং পণ্ডিতসকলক বৰ আদৰ কৰিছিল। ভাটীৰ পৰাও পণ্ডিত ব্ৰাহ্মণ অনাই দেশত পাতিলে

---

৩৬ হেমচন্দ্ৰ গোস্বামী (সম) ঃ পুৰণি অসম বুৰঞ্জী, পৃ. ১৪৬, ১৯৭৭

আৰু এই দেশৰ ব্ৰাহ্মণৰ কোনো কোনো ল'ৰাকো ভাটিলৈ পঢ়িবলৈ পঠাইছিল। মহাজনবিলাকৰ ক্ষেত্ৰতো ল'ৰাবিলাকক পুথি পঢ়োৱাৰ নিমিত্তে বৰ উৎসাহ দিছিল।[৩৭]

এইটো উল্লেখনীয় যে এইযুগত কেবাজনো বিদ্যোৎসাহী আহোমৰজাই পুৰাণ সাহিত্য, চিত্ৰপুথি, নিদান শাস্ত্ৰ আদি সংস্কৃতৰ পৰা অনুবাদ কৰাইছিল। এনেবিধ পুথিৰ ভিতৰত সুকুমাৰ বৰকাথৰ চিত্ৰপুথি "হস্তীবিদ্যাৰ্ণৱ", অনন্ত আচাৰ্য্যৰ "আনন্দ লাহৰী", কবিৰাজ চক্ৰৱৰ্তীৰ "ব্ৰহ্মবৈবৰ্ত্ত পুৰাণ", "শংখচূড় বধ", "শকুন্তলা কাব্য" আৰু "গীত-গোবিন্দ" ৰুচিনাথ কন্দলীৰ "মাৰ্কণ্ডেয় চণ্ডী" আৰু "কল্কি পুৰাণ", কবিচন্দ্ৰ দ্বিজৰ "ধৰ্ম্মপুৰাণ", লক্ষ্মীনাথ দ্বিজৰ মহাভাৰতৰ "শান্তিপৰ্ব", শম্ভুনাথ দ্বিজৰ "ধৰ্ম্ম সংবাদ", বিদ্যাচন্দ্ৰ কবিশেখৰৰ "হৰিবংশ", জ্যোতিষ পুথি "ভাস্বতী" আৰু বাগীশৰ "নীতি লতাঙ্কুঁৰ" আদি প্ৰণিধানযোগ্য। বুৰঞ্জীত পোন প্ৰথমে স্বৰ্গদেৱ জয়ধ্বজ সিংহৰ (১৬৫৩-৬৩ খৃ.) নাম সাহিত্য ৰচনাৰ সৈতে জড়িত থকা দেখা যায়। "সাতসৰী অসম বুৰঞ্জী"ত আছে ঃ

> "ৰজা পাচে বাপুত আশ্ৰয় কৰি হৰি-মন্দিৰ কৰি আপুনি আৰ্যননকৰে।
> পদ্ম পুৰাণৰ জনকৰ আখ্যানৰ পদ কৰিলে, আনো পদ পোয়াৰ কৰে।[৩৮]

এই ক্ষেত্ৰত অগ্ৰণী ভূমিকা লয় আহোমৰ শ্ৰেষ্ঠ ৰজা স্বৰ্গদেৱ ৰুদ্ৰসেংহ আৰু তেওঁৰ ৰৰপুত্ৰ শিৱসিংহই। এওঁলোকে সত্ৰ, টোল আৰু আহোম পণ্ডিতৰ পঢ়াশালি আদিক যথেষ্ট মাটি-বৃত্তি দান কৰি দেশতে এক শৈক্ষিক বাতাবৰণ সৃষ্টি কৰি সাহিত্য চৰ্চাত অনুপ্ৰেৰণা যোগাইছিল। বুৰঞ্জীবিদ গুণাভিৰাম বৰুৱাই উচিত মন্তব্যকে কৰিছে

> শিৱসিংহ স্বৰ্গদেৱৰ পূৰ্বে উজনি খণ্ডত বিদ্যাশিক্ষাৰ এফেৰিওচৰ্চা থকাৰ বিষয় জনা নাযায়। - বড় ৰজাই এটি পাঠশালা কৰিদিয়ে। এই সকলতো... কেৱল সংস্কৃত ভাষাৰ মাত্ৰ শিক্ষা দিয়া হৈছিল। তাৰ পিছত আন আন ঠাইত সংস্কৃত পঢ়াৰ ছাত্ৰশালা হল। চলিত ভাষা শিক্ষাৰ কোনো প্ৰকাশ্য পাঠদান নাছিল।[৩৯]

সেয়েহে ৰজা, ডাডাঙৰীয়া সকলে বিদেশী ৰাষ্ট্ৰৰ সতে কটকী গতায়াত বেলিকা সংস্কৃত ভাষাৰ প্ৰয়োগ কৰিছিল। বুৰঞ্জীবোৰত সন্নিবিষ্ট চিঠি পত্ৰবোৰৰ ভাষাত চল্‌তি ভাষাৰ প্ৰয়োগৰ লগতে সংস্কৃত ভাষাৰ ব্যৱহাৰ এই প্ৰসংগত স্মৰণীয়।

আগতেই উল্লেখ কৰা হৈছে যে আহোম যুগত নাৰী সকলো কামতে অতি

৩৭। গুণাভিৰাম বৰুৱা ঃ আসাম বুৰঞ্জী, পৃ ৯৩, ১৯৭২

৩৮। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) ঃ সাতসৰী, পৃ ৩১, ১৯৬৪

৩৯। প্ৰাগুক্ত ঃ পৃ ১৮৫

নিপুণ আছিল। তেওঁলোকৰ পুথিগত শিক্ষা নহলেও ব্যৱহাৰিক জ্ঞান আছিল যথেষ্ট। বুৰঞ্জীত কেবা গৰাকী ৰাজৰাণী আৰু ৰাজমাৱে দেশৰ সংকটময় অৱস্থাত ৰজাৰ আদেশ বা ব্যৱস্থাত হস্তক্ষেপ কৰি সুপৰামৰ্শ আগবঢ়োৱাৰ কথা পোৱা যায়। চুক্লেনমুং গড়গঞা ৰজাৰ পত্নী নাভত্যেপখাম গাভৰু চাউচিং কুৱৰীৰ 'নগৰৰ চাৰিওঘেৰে গড় হৰ লাগে, তেবেসে ভাল' বোলা দিহা-পৰামৰ্শতে স্বৰ্গদেৱে গড়গ্ৰামৰ চাৰিওফালে গড় বান্ধিছিল। এইজনী কুৱৰী "ৰূপে-গুণে বৰ পণ্ডিতা, ভৰিয়েৰেহে আহোম আখৰকো লিখিছিল।[৪০] স্বৰ্গদেৱ শিৱসিংহৰ পত্নী ফুলেশ্বৰী কুৱৰী, অম্বিকা দেৱী আৰু সৰ্বেশ্বৰী কুৱৰীৰ বিদ্যোৎসাহ আৰু পাণ্ডিত্যানুৰাগ বুৰঞ্জী বিখ্যাত। এওঁলোকৰ পৃষ্ঠপোষকতাত গাওঁৰ সাধাৰণ ছোৱালীবোৰে কাৰেঙলৈ আহি বোৱা-কটা আৰু সংগীতৰ চৰ্চা কৰিছিল। এওঁলোকৰ উৎসাহ-উদগনিতে 'ৰাজভৱনৰ বিলাসী জীৱনৰ লগত খাপ খোৱা' শৃঙ্গাৰ ৰসপ্ৰধান কাব্য-পুৰাণবোৰ অসমীয়া ভাষাত অনুবাদ কৰা হয়; চিত্ৰাংকন বিদ্যাৰো যথেষ্ট প্ৰসাৰ হয়।

আহোম ৰাজত্বৰ শেষছোৱাত পতিপ্ৰাণা, প্ৰবাদ-মহিষী, ৰণ-চণ্ডী ৰাধা ৰুক্মিণীৰ ৰণ-কৌশল অসমীয়া নাৰীৰ সমৰ পটুতাৰ অন্য এক উজ্জ্বল পটন্তৰ। কথিত আছে যে আহোম স্বৰ্গদেৱৰ হাতত পোৱা অপমানৰ পোতক তুলিবলৈ মোৱামৰীয়াহতৰ ভিতৰত এই ৰাধা-ৰুক্মিনী ৰণ-চণ্ডীৰ অৱতাৰ হয়। এই বীৰ ৰমণীয়ে আচল পাতি বন্দুকৰ গুলীধৰিব পাৰিছিল। সি যি হওক, ৰাধা-ৰুক্মিনীৰ এই ৰণ নিপুনতাই অসমীয়া তিৰোতাৰ সামৰিক শিক্ষাৰ ফালটোলৈ আমাক আঙুলিয়াই দেখুৱায়। আকৌ তাহানিৰ বীৰাঙ্গণা মুলা গাভৰু? অসমীয়া নাৰীৰ স্বদেশ প্ৰেমৰ দীক্ষান্তৰে দীক্ষিত এক জ্বলন্ত স্ফুলিংগ।

অসমীয়া বুৰঞ্জী সাহিত্যত কোনো দাতব্য চিকিৎসালয়ৰ নাম পোৱা নাযায় যদিও মানুহ আৰু জীৱ-জন্তুৰ চিকিৎসা ব্যৱস্থাৰ উল্লেখ আছে। তাহানি চিকিৎসক সকল বেজ বা বৈদ্য বা ওজা নামে প্ৰসিদ্ধ আছিল। ঔষধ প্ৰস্তুতকাৰক মানুহ খেলক "বেজ" বোলা হৈছিল। এই খেলৰ তদাৰকী বিষয়া গৰাকী হল "বেজবৰুৱা"। সদৰামিনৰ "অসম বুৰঞ্জী"ত আছে ঃ

> বেজবৰুৱা স্বৰ্গদেৱৰ ও ডাঙৰীয়াসকলৰ তদবি ৰ বিবেচনাপূৰ্বক ঔষধ খোৱায় ও ঔষধ কৰে। এওঁলোকৰ প্ৰবৰ্ত্তন জন্যে দুই তিনি গোট পাইক দিয়ে। আৰু কোনো কোনো সকলক মেলদগীয়াৰ মেল দিয়ে। তদ্বাৰা প্ৰবৰ্ত্তন হয়।[৪১]

আহোম যুগত পুৰুষানুক্ৰমে বেজ-বেজালি বিদ্যা শিক্ষা দিয়া ৰীতি

৪০। সূৰ্য্যকুমাৰ ভুঞা (সম্পা) ঃ অসম বুৰঞ্জী, পৃ ২৭, ১৯৮৮

৪১। হৰকান্ত বৰুৱা সদৰামিন ঃ অসম বুৰঞ্জী, পৃঃ ১২৬, ১৯৬২

প্ৰচলিত আছিল। ইয়াৰ বাবে কোনো নিৰ্দ্দিষ্ট অনুষ্ঠান নাছিল। শিকাৰুৱে যৎসামান্য গুৰু মাননী আগবঢ়াই বনৌষধি নিৰ্বাচন, ৰাসায়নিক দ্ৰব্য প্ৰস্তুতকৰণ আদিৰ লগতে জৰা-ফুকা, তন্ত্ৰ-মন্ত্ৰও গ্ৰহণ কৰিছিল। ৰোগৰ লক্ষণ নিৰ্ণয় কৰি হাবি-বননিৰ পৰা বনৌষধি বিচাৰি আনি কল্ক, ক্কাথ, স্বৰস, চুৰ্ণাদি প্ৰক্ৰিয়াৰে ৰোগীক চিকিৎসা কৰা হৈছিল।সেই সময়ত মানুহৰ চিকিৎসাৰ উপৰিও হাতী, ঘোঁৰা, শেন চৰাইৰ ৰোগ-ব্যাধি নিৰ্ণয় কৰি চিকিৎসা কৰাৰ বতৰা বুৰঞ্জীত পোৱা যায়। "হস্তী বিদ্যাৰ্ণৱ" "ঘোৰা নিদান" "ৰাজবল্লভ" আদি গ্ৰন্থ ইয়াৰ উৎকৃষ্ট প্ৰমাণ।

আহোম স্বৰ্গদেৱ সকলৰ পৃষ্ঠপোষকতাত স্থপতি বিদ্যাৰ যথেষ্ট উৎকৰ্ষ সাধন হৈছিল। এই যুগৰ অপূৰ্ব সৃষ্টি ৰংঘৰ, কাৰেংঘৰ, দ'ল-দেৱালয়, পকী দলং, শিলৰ দলং, ৰাস্তা-ঘাট, গড়-খাৱৈ, পুখুৰী-মৈদাম ইত্যাদিয়ে ইয়াৰ সাক্ষ্য বহন কৰিছে। ৰজাঘৰৰ পৰা পাইকৰ খেল নিবন্ধন কৰোতে বিভিন্ন বিভাগৰ কামবোৰ সুশৃংখলিতভাবে ভাগ-বতৰা কৰি দিয়া হৈছিল। পুৰুষানুক্ৰমে বিভিন্ন কামৰ কাৰি কৰী জ্ঞান লাভ কৰাত বৰ্ত্তমানৰ দৰে দেশস্থ কোনো কাৰিকৰী বিদ্যাৰ অনুষ্ঠান থকাৰ কথা বুৰঞ্জীত পোৱা নাযায়। ৰজাঘৰীয়া প্ৰয়োজনীয়তাতে উন্নতমানৰ কাৰিকৰী শিক্ষাই বিশেষ উৎসাহ-উদ্‌গণি লাভ কৰিছিল। সৰ্বসাধাৰণৰ জীৱনযাপনৰ বাবে পকী ঘৰ দুৱাৰৰ ব্যৱস্থা কল্পনাতীত আছিল।

ওপৰৰ আলোচনাৰ পৰা এইটো স্পষ্টকৈ কব পাৰি যে আহোম যুগত প্ৰয়োজনীয় সকলো প্ৰকাৰৰ শিক্ষাই সমাজত প্ৰচলিত আছিল। এই শিক্ষাই ব্যক্তি, জাতি আৰু দেশৰ গৌৰৱ অক্ষুন্ন ৰখাত সৰ্বতোপ্ৰকাৰে অগ্ৰণী ভূমিকা পালন কৰিছিল। এইখিনিতে মনকৰিবলগীয়া কথা হ'ল- এই যুগত আজিৰ দৰে শিক্ষা-ব্যৱস্থা পুথিগত নাছিল; কাৰ্যকৰীহে আছিল। সেয়েহে এই শিক্ষা ব্যৱস্থাৰ নিৰ্দ্ধাৰিত কোনো পাঠ্যপুথি নাছিল। পুৰুষানুক্ৰমে খেল প্ৰথানুসৰি ই প্ৰচলিত আছিল। সেয়েহে সংস্কৃত ভাষা সাহিত্য বা দেশীয় ভাষা-সাহিত্যৰ চিন্তা চৰ্চ্চা এক শ্ৰেণী লোকৰ হাতত বিশেষকৈ ব্ৰাহ্মণ-গোসাই, পুৰোহিত- পণ্ডিত লোকৰ মাজতে সীমাবদ্ধ আছিল বুলি ন দি কব পাৰি।

**২.৫ লোক বিশ্বাস :**

প্ৰত্যেক জাতিৰ সংস্কৃতি লোক-বিশ্বাসৰ আধাৰত গঢ় লয়।লোক-বিশ্বাস আৰু লোক-উৎসৱ একোটা জাতিৰ সাংস্কৃতিক ক্ৰমবিকাশৰ অপৰিহাৰ্য অংগ। জীৱনৰ সুখ-দুখ, ব্যথা-বেদনা প্ৰাত্যহিক জীৱনত চকুৰ পচাৰতে ঘটি থকা ঘটনাৰাজিৰ লগত নৈসৰ্গিক জগতক সংপৃক্ত কৰিবলৈ মানৱ মনে সততে অনুধাৱন কৰে। ফলত জাগতিক ৰীতিৰ ক্ৰিয়া-প্ৰক্ৰিয়াই মানৱ মনতো হেন্দোলনি তোলে।

এখন সমাজৰ লোক-বিশ্বাস এনে ৰীতি-নীতিৰ লগত জড়িত হৈ থাকে। সাধাৰণতে দৈৱিক প্ৰভাৱ তথা আকস্মিকতা ইয়াৰ মূল। “কাকো পৰিল তালো সৰিল”, “আইৰো বাৰ্তা গঙ্গাৰো যাত্ৰা” এনে ধৰণৰ যুক্তি এইবোৰত বৰ্তমান। আমাৰ বুৰঞ্জী সাহিত্যত ৰজা-মহাৰজাৰ পৰা সাধাৰণ কাড়ীপাইক জনলৈ সকলোৰে হৃদয় স্পন্দিত কৰা নানান লোক বিশ্বাসৰ ব্যৱহাৰ সঘনে চকুত পৰে।

অসমীয়া বুৰঞ্জী সাহিত্য ব্যৱহাৰিক সাহিত্যৰ শ্ৰেণীভূক্ত। লোক সমাজত প্ৰচলিত বিভিন্ন সামাজিক, সাংস্কৃতিক, ধৰ্মানুষ্ঠানৰ ৰীতি-নীতি, পূজা-বিধি আদিৰ সৈতে জাতিৰ লোক বিশ্বাস জড়িত থাকে। মঙ্গোলীয় গোষ্ঠীৰ লোক সকলৰ মাজত এনেকুৱা পটভূমিতে কুকুৰা চৰাইৰ প্ৰাধান্য বুৰঞ্জীত বৰ্ণিত বিবিধ ঘটনাত অনুৰণিত হয়। আহোম স্বৰ্গদেৱসকলে ৰাজসিংহাসন আৰোহণ, [illegible] উপস্থিতি, দিগ্বিজয় আদি প্ৰায় সকলো কামতে কুকুৰা চৰাইক প্ৰাধান্য দিয়া দেখা [illegible] এওঁলোকে ৰাজসিংহাসনত আৰোহণ কৰোঁতে কুকুৰা পাখিৰে [illegible] কৰিছিল — “ৰাজ অভিষেক কৰিবলৈ দেওকুকুৰাৰ পাখি লাগে।” কুকুৰা কাটি মঙ্গল চোৱা, যুদ্ধ যাত্ৰা কৰা আহোম সকলৰ মাজত প্ৰচলিত ৰীতি আছিল। বুঢ়া ৰজা প্ৰতাপ সিংহৰ নিৰ্দেশ অনুসৰি আহোম-বঙালৰ মাজত “ডাঙ্গৰীয়া সকলে যুদ্ধক মনে দেওধাইক কুকুৰা ঠেং চাব দিলে; দেওধায়ে মঙ্গল ভাল পালে।”[৪২] তেনেকৈ তুৰ্বকৰ সৈতে হোৱা প্ৰথম ৰণত দিহিঙ্গীয়া ৰজাই ‘বাটত যাওঁতে হাতীৰ ওপৰত কুকুৰা ঠেং চায়ো ভাল নাপালে’ গতিকে বাধাকো নগণি ৰণলৈ যোৱাত ফল বিষময় হ’ল। মন কৰিবলগীয়া যে, আহোমসকলে হিন্দু ধৰ্ম গ্ৰহণ কৰাৰ পিছত সামাজিক ৰীতি-নীতিত কুকুৰা চৰাইৰ প্ৰাধান্য কমি আহিব ধৰিলে।

লোক-বিশ্বাসত পৃথিৱী ধাৰণ কৰি থকা সাপটোৱে গা লৰালেই ভুঁইকপ হয়। বুৰঞ্জীত বৰ্ণিত ভুঁইক পে সামাজিক পৰিবৰ্তনৰ ইংগিত দিয়ে। স্বৰ্গদেৱ প্ৰতাপ সিংহ মহাৰাজে মুকুণ্ড গোসাঁইক নিৰ্য্যাতিন দি মাৰিলত দেশত “সেই সময়ত সাতদিন ভূমিকম্প গ’ল। মাটি ফাটি মাগুৰ মাছ ওলাল, ৰাজাও বিস্তৰ ভয় পালে।”[৪৩] এওঁৰ মৃত্যুৰ পিছত ১৬৪৯ খ্ৰীঃ ব বহাগ মাহত একপক্ষৰ ভিতৰত তিনিবাৰ ভূমিকম্প হৈ দেশত অপায়-অমঙ্গলৰ সূচনা কৰে। চুৰুমফা ভগাৰাজ (১৬৪৮-৫২ খ্ৰীঃ), চুতিংফা নৰিয়া ৰজা (১৬৫২-৫৩ খ্ৰীঃ) আৰু চুতাম্লা জয়ধ্বজ সিংহ (১৬৫৩-৬৩ খ্ৰীঃ) ই ক্ৰমে বুঢ়াৰজাৰ পিছত আহোম ৰাজসিংহাখনত উঠে। এইকেইজন ৰজাৰ দিনত দেশত হোৱা অপায়-অমঙ্গলবোৰ বুৰঞ্জীয়ে নানান

৪২। সূৰ্য্য কুমাৰ ভূঞা (সম্পা) : দেওধাই, পৃ ৬০ ১৯৯০,

৪৩। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) : অসম বুৰঞ্জী, পৃ ৬৩, ১৯৮৮

লোকবিশ্বাসেৰে বৰ্ণাই প্ৰজাসাধাৰণক ভৱিষ্যতৰ ইংগিত দিয়াৰ উল্লেখ পোৱা যায়।

"সাতসৰী অসম বুৰঞ্জী" ত আছে —

১৫৭৩ শকৰ ভাদৰ ৪ দিন যাওঁতে মঙ্গলবাৰে স্বৰ্গ মহাৰাজাৰ গড়গাওঁৰ ঘৰত হুদু পৰিল। ১৩ দিন যাওঁতে বৃহস্পতিবাৰে বৰঢাক আপুনি বাজিল। আৰু সেই ভাদতে দিহিঙ্গৰ পানী একপক্ষ ৰঙ্গা হুই আছিল। ভাদৰ ৭ দিন যাওঁতে মহাৰাজৰ চন্দ্ৰতাপত কাক পৰিল। সেইদিন গোসাঁইৰ আসনত শাঙ্খিনী সাপ উঠিল। ১৫৭৭ শকৰ বহাগৰ এদিন যাওঁতে বৃহস্পতিবাৰে ৰাত্ৰি ৰাজমাওদেৱৰ ঘৰত বজ্ৰপাত হ'ল। সেই বহাগতে ৰজনা আইকুঁৱৰী দেৱৰ চুলিত জট বান্ধিলে।[৪৪]

সেইদৰে "জয়ন্তীয়া" আৰু "কছাৰী" বুৰঞ্জীতো ক্ৰমে "গৌৰীৰ অংশে জয়ন্তী দেৱীৰ জন্ম", "জয়ন্তী দেৱীৰ পূজা," "ৰাজ্যত অমংগল," "দেওধানীৰ ঘৰত ৰাজবাদ্য বাজি উঠে," ইত্যাদি বৰ্ণনাত দুয়ো দেশৰ ৰাজবংশৰ আৰম্ভণি লোকবিশ্বাসৰ স্বমহিমাৰে মহিমান্বিত। তদুপৰি বিভিন্ন বুৰঞ্জীত "দেৱৰায় দৌলত আগুণ লগা" (সাতসৰী, পৃষ্ঠাঃ ১৬৮), "ঘৰে ঘৰে উখুৱা ধান গজা" (দেওধাই পৃঃ ৮৩), "কাচোংৰ বাহ ফুলা", "ৰাজ্য ঢাকি আকাশৰ পৰা হেমৰতীয়া সূতা পৰা" (দেওধাই পৃঃ ৮৪), "ফুলবাৰীত তিনি চকুৱা মানুহ জন্মা", "দেশ চানি কপতীয়া শেন ওলোৱা," "মনুষ্যত গাহৰিৰ আকাৰ জন্মা," (অসম বুৰঞ্জী-সাৰ, পৃঃ ১৯), "হেৱালি পৰ্বতখানি খহোৱাত" (সাতসৰী, পৃ ১২৫), ৰুদ্ৰসিংহ মহাৰাজৰ মৃত্যু হোৱা ইত্যাদি নানা লোক-বিশ্বাসৰ পঞ্জীয়নো নোহোৱা নহয়।

লোক-বিশ্বাসত তন্ত্ৰ-মন্ত্ৰ, বেজ-বৈদ্য, কুমন্ত্ৰ-অভিচাৰ আদিৰ প্ৰভাৱ অনস্বীকাৰ্য। আহোম ৰজাসকলৰ শত্ৰুক বশীকৰণ, অভীপ্সিতক কৰায়ত্ত আদি নানা কাৰ্যত এইবোৰৰ প্ৰভাৱ বুৰঞ্জী-সাহিত্যত অতি আটক ধুনীয়াকৈ বৰ্ণনা কৰা আছে। উদাহৰণ স্বৰূপে 'দেওধাই অসম বুৰঞ্জী'ৰ অন্তৰ্গত 'নৰা মাহুৰাৰ কথা' — অধ্যায়ত বিষ কাপোৰৰ প্ৰসংগত বৰ্ণিত নৰা ৰজাই তেজেৰে বলোৱা কাপোৰখন গাত পৰিধান কৰাৰ "দুই এক দিনৰ পাচত নৰাৰজাৰ কপালৰ চক্ষুটো"[৪৫] নোহোৱা হৈ তেজশক্তি হ্ৰাস পোৱা কথাটোলৈ আঙুলিয়াব পাৰি। তেনেকৈ "মন্ত্ৰীৰ হাতত শাসন শক্তি" নিয়োজিত হোৱাত কুমন্ত্ৰৰ বলি হ'ল — স্বৰ্গদেৱ ৰামধ্বজ সিংহ ঃ "সেহি সময়ত খৰমজু বেজক মাতি আনি স্বৰ্গদেৱক ঔষধত বিহ দিয়াই মাৰিব

৪৪। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) ঃ সাতসৰী, পৃ ১৫১-৬০, ১৯৫৮,

৪৫। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) ঃ দেওধাই, পৃ ১০৭, ১৯৮৮

দিলে। পাচে বেজেও বিহ দি স্বৰ্গদেৱক মাৰিলে।"[৪৬] স্বৰ্গদেৱ উদয়াদিত্য সিংহৰ দিনত 'বৈৰাগী সন্ন্যাসীৰ মায়া মহিমাই' দেশত তন্ত্ৰ-মন্ত্ৰৰ প্ৰভাৱৰ কথা কয়। "পাষাণময় ভৈৰৱক উপাযন দ্ৰব্য" দি উপাসনা কৰা, "তন্ত্ৰসাৰ সাৰ সমুচ্চয় বিমৃষা কৰি ৰক্ত চন্দন গোৰসচানা মিশ্ৰ কৰি নাগেশ্বৰৰ পত্ৰত মন্ত্ৰ লেখি এক বিৰি" কৰি দিয়া, (অসম বুৰঞ্জী, পৃঃ ১৩), নানক পন্থী গুৰু টেগ বাহাদুৰৰ "ওঁঃ আইঃ গুৰু, আইঃ গুৰু" মন্ত্ৰ (পাদশ্যাহ বুৰঞ্জী, পৃঃ ৮৭); "ঢেকেৰি বৰাগী হৈ খেতৰ মন্ত্ৰ জানি অদৃশ্য কব" পৰা (সাতসৰী, পৃঃ ১৪০); "বেজিনী কুঁঞৰিয় ....... ৰজাৰ গা" জৰা (পুৰণি অসম বুৰঞ্জী, পৃঃ ৩১) আদি নানা বৈদ্য আৰু তন্ত্ৰ-মন্ত্ৰৰ কথাৰে ঠাহখোৱা বুৰঞ্জীৰ বৰ্ণনাই সমসাময়িক লোকজীৱনৰ সুন্দৰ প্ৰতিচ্ছবি দাঙি ধৰে।

**২.৬ কৃষি ঃ** কৃষিৰ ওপৰত নিৰ্ভৰ কৰিয়েই অসমৰ আৰ্থিক বুনিয়াদ গঢ়ি উঠিছে। অসমীয়া সমাজ কৃষিজীৱী। ভূমিৰ উৰ্ব্বৰা হেতু কম পৰিশ্ৰমতে নিত্য প্ৰয়োজনীয় প্ৰায় সকলোবোৰ বস্তু উৎপাদন কৰি অভাৱহীন জীৱন-যাপনৰ ব্যৱস্থা আছিল মধ্যযুগৰ অসমীয়া সমাজত। সেই সময়ৰ প্ৰায় সৰহখিনি প্ৰজাই কৃষিভিত্তিক আছিল। ৰজা আৰু সম্ভ্ৰান্ত পৰিয়ালৰ লোকেও হাল মৰাৰ কথা বুৰঞ্জীত উল্লেখ পোৱা যায়। আহোম স্বৰ্গদেৱ চুজিনফা দিহিঙীয়া ৰজাই (১৬৭৫-৭৭ খ্ৰীঃ) ৰাজনৈতিক মেৰপেচত থকা-সৰকা হৈ দুখ কৰি কৃষি কৰ্মৰ প্ৰাধান্যতা স্বীকাৰ কৰিছে — "মই দিহিঙত হাল বাই খাই আছিলো, সিবোৰে যুগুতি হৈ সাতাম পুৰুষীয়া ৰাজাৰ গোষ্ঠী বুলি ৰাজা নাম দিছে।"[৪৭] কৃষি প্ৰধান উপজীব্যৰূপে অসম ভূমিত চিৰকালেই চলি আহিছে। সেয়ে ভূস্বামী নৃপতিয়েও বিষোদগাৰ কৰি কৃষি-কৰ্মলৈ প্ৰত্যাবৰ্তনৰ স্পৃহাৰে জনসাধাৰণৰ উত্তম কৰ্মলৈ শ্ৰদ্ধা নিবেদিছে। অসমৰ উৰ্বৰা মাটি চহোৱাৰ বাবে হাল-কোৰ ব্যৱহাৰ হৈ আহিছে। তদুপৰি দ পলসুৱা মাটিত আলি দি, বান্ধ বান্ধি ম'হৰ সহায়েৰে হালবাই খেতি কৰাৰ ব্যৱস্থা তাহানিতে প্ৰবৰ্তন কৰা হৈছিল। আহোমসকলে প্ৰথমতে আহি লগ পোৱা নগা, বৰাহী, কছাৰী আদি লোকসকলৰ মাজত কৃষি উৎপাদন ব্যৱস্থা অত্যন্ত পিছপৰা আছিল। কেৱল চুটিয়া ৰাজ্যতহে খেতিবাতিৰ ব্যৱস্থা আছিল। লো-সোণআদিৰ অস্ত্ৰ-শস্ত্ৰ, আ-অলংকাৰ আৰু সাঁ-সঁজুলি তৈয়াৰৰ কৌশলো তেওঁলোকে আয়ত্ত কৰাৰ উদাহৰণ বুৰঞ্জীত পোৱা যায়। সেয়েহে আহোম সকলে সৌমাৰখণ্ডত ৰাজ্য স্থাপন কৰি ম'হৰ নাঙলেৰে শালিখেতিৰ উৎপাদন কৰি স্থায়ী কৃষিজীৱী সমাজৰ সূচনা কৰে

৪৬। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) ঃ অসম বুৰঞ্জী, পৃ ১০৭, ১৯৮৮
৪৭। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) ঃ অসম বুৰঞ্জী, পৃ ১১২, ১৯৮৮

বুলি কব পাৰি। বুৰঞ্জীত আহোম ৰজাদিনীয়া বহুতো খাত-পামৰ নাম পোৱা যায়। এই খাত-পামবোৰত থলুৱা পাইক সকলে কাম কৰাৰ উপৰিও যুদ্ধ বন্দীবোৰকো কামত খটুৱাৰ কথা বুৰঞ্জীত উল্লেখ আছে। দিহিঙ্গীয়া ৰজা (১৪৯৭-১৫৩৯ খ্রীঃ) বুদ্ধি স্বৰ্গ নাৰায়ণৰ দিনত বঙালক দিকৰাইমুখৰ ৰণত পৰাজয় কৰি যুদ্ধত বন্দি কৰি অনা সৈন্যবোৰক পোনতে "হাতীঘাঁহী" ৰূপে নিযুক্তি দিয়া হৈছিল। কিন্তু সিহঁতে হাতীৰ নেজৰপিনে ঘাঁহ গুজি দিয়াত একো নেজানে বুলি খাতত খেতি কৰিবলৈ দিলে। তাতো ইহঁতে নিলগৰ পৰা বোকা আনি কঠিয়াৰ গুৰিত দি খেতি কৰাৰ কথা কাসিনাথ তামুলিফুকনৰ "আসাম বুৰন্জি পুথি" ত অতি সুন্দৰকৈ এনেদৰে লিখা আছে ঃ—

"হাতীৰ নেজৰ ফালে ঘাঁহ দিয়াত নেজানে বুলি, খাতত দিলে।
নিলগৰ বোকা আনি কঠিয়াৰ গুৰিত দিয়াত একো নেজানে
বুলি আদানি কৰি ধনি কৰিলে।"[৪৮]

আহোম যুগত শালিধানৰ লগত কুঁহিয়াৰ, সৰিয়হ, মাহ জাতীয় শস্য বিশেষকৈ মাটিমাহ, কলাই মাহ আদি বিবিধ শাক-পাচলি, হালধি, আদা, কচু, কল আদিৰ খেতি প্ৰধানকৈ প্ৰচলিত আছিল। এওঁলোকে মৰাপাট খেতি কৰাৰ কথা বুৰঞ্জীত পোৱা নাযায়। আগৰ দিনত অসমীয়া মানুহে এডৰা মাটিত এবিধ শস্য উৎপাদন কৰিছিল আৰু বৰ্তমানৰ দৰে অসাৰুৱা মাটিত সাৰ দি মাটিৰ উৰ্বৰতা বঢ়াই শস্য বৃদ্ধি কৰাৰ প্ৰতি যত্নবান নাছিল। অসম হাবিতলীয়া দেশ হোৱা হেতু মানুহৰ খাদ্যোপযোগী প্ৰভূত পৰিমাণৰ শস্য প্ৰকৃতিৰ পৰাই আহৰণ কৰি লব পাৰিছিল। সাধাৰণতে আমাৰ মানুহৰ "ঢাপ মাৰি বাৰী পতা আৰু গড় মাৰি নগৰ সজা" প্ৰচলিত প্ৰথা আছিল। বাৰীত তামোল-পাণ-পিপলি, জালুক-জলকীয়া, আম-কঠাল-জাম, টেঙা-টুকুচা, লেটেকু-পনীয়ল আদি ৰুইছিল। প্ৰতিখন ঘৰতেই একোখন বাঁহ বাৰী আছিল। এইবোৰেৰে প্ৰয়োজনীয় পাচি-খৰাহি, তুলা-চালনী, জপা-জাপি, ঢাৰি-পাটি, বিচনি, ঘৰৰ চাল-খুটা-চ'তি, পঘা-চেৰেকী আদি তৈয়াৰ কৰিছিল। এড়ি-মুগা পুহিবলৈ, চোম, কেচেৰু, মেজাঙ্কৰী, সোৱালু, এৰা গছৰ খেতিও কৰিছিল। বুৰঞ্জীত অসমৰ হাবিৰ মূল্যবান আগৰ কাঠৰ উপৰিও কৃষিজাত জালুক-জলকীয়া- পিপলিৰ প্ৰতি বিদেশীৰ লোলুপ দৃষ্টি সঘনাই চকুত পৰে। প্ৰতাপ সিংহ বুঢ়া ৰজাৰ দিনত মোগল সেনাপতি মীৰ্জ্জা জাহিনাই 'বনৰ হস্তী, আগৰ কাঠ, মৰিচ, সোণা' পালে যুদ্ধ নকৰিবলৈ ইচ্ছা প্ৰকাশ কৰা আৰু ইয়াৰ প্ৰত্যুত্তৰত স্বৰ্গদেৱে "বনৰ হাতী ছাৰি লাদকো নিদিও, আগৰ কাঠ ছাৰি বাঁহ জেঙ্গনিকো

৪৮। কাসিনাথ তামুলীফুকন ঃ আসাম বুৰন্জি পুথি, পৃ ২২-২৩, ১৯০৬

নিদিও, মৰিচ জালুক ছাৰি চৈকো নিদিও, সোণা ছাৰি লোহিতৰ বালিকো নিদিও"[৪৯] বোলা কথাষাৰ প্ৰণিধানযোগ্য।

**২.৭ আৰ্থিক অৱস্থা** ঃ- আহোম যুগত প্ৰজাৰ আৰ্থিক অৱস্থা সামগ্ৰিক ভাৱে সচ্ছল আছিল। দেশৰ প্ৰজা কঠোৰ নিয়মত শাসিত হ'লেও ভাত-কাপোৰৰ সমস্যা নোহোৱাত এওঁলোক বৰ সুখী আছিল। ৰজা আৰু অভিজাত শ্ৰেণীৰ লোকসকলে দেশ ভগনৰ সময়তো প্ৰজাৰ চাউল-কঠা-কানিৰ প্ৰতি সততে যত্নবান হৈছিল। সেয়ে ৰাজমন্ত্ৰী আতন বুঢ়াগোহাঁই ডাঙৰীয়াই স্বাধীনচেতা স্বৰ্গদেৱ চক্ৰধ্বজ সিংহ মহাৰাজে (১৬৬৩-৭০ খ্ৰীঃ) মোগলৰ বিৰুদ্ধে ৰণ কৰিবলৈ দিহা-পৰামৰ্শ বিচৰাত এইবুলি উপদেশ দিছিল ঃ

"ৰাজা হলে শত্ৰুক মাৰি-কাটি আপোনাৰ সীমনাক ৰাখিব লাগে। তেবেসে যশ-ধৰ্ম্ম বৃদ্ধি হয়। ... কিন্তু ৰাজ্যো ভাগিছে। এতিয়াহে দেৱে চপাই আনি পূৰ্ব্ব ঠায়ে ঠায়ে পাতিছে। তাৰ চাউল কঠা-কানিখান হৈছে নহৈছে তাকো বিচাৰ কৰিব লাগে। সকলো দ্ৰব্যত কৰি চাউল-কঠাহে প্ৰধান। তাৰ বিকল হলে কোনো কাৰ্য্য সিদ্ধ নহয়।"[৫০]

যুদ্ধ-বিগ্ৰহবিনে দেশত আকাল বা অভাৱ-অনাটনৰ কথা বুৰঞ্জী সাহিত্যত পোৱা নাযায়। যুদ্ধৰ বেলিকা "চাউল সমলীয়াই" (যুদ্ধৰ সময়ত চাউল যোগান ধৰোঁতা কাড়ী-পাইকবোৰ) ৰচদ-পাতি যোগান দিব নোৱাৰাত হৰনাথ ভিতৰুৱাল ফুকনৰ নেতৃত্বত হোৱা 'লতাকটা ৰণত' বহুত সৈন্যৰ প্ৰাণহানি হৈছিল। গৌৰীনাথ সিংহ (১৭৮০-৯৫ খ্ৰীঃ) মহাৰাজৰ দিনত হোৱা মোৱামৰীয়াৰ ৰণত "আকালৰ আবিৰ্ভাৱ" হৈছিল বুলি "তুংখুঙীয়া বুৰঞ্জী" ত পোৱা যায়। বুৰঞ্জীত আছে — "এই সময়ত "চাউল টেমীমুৰ জোখাত ৰূপ এটকা হৈছিল। আম টেঙ্গাৰ গোটত ৰূপ এটকা। কচুৰ বাবত ৰূপ এটকা হৈছিল। এই ৰূপে অনেক ললাট হ'ল, মানুহো অনেক মৰিল।"[৫১]

**২.৭১ খাদ্য-সম্ভাৰ** ঃ- আহোম যুগ সমন্বয়ৰ যুগ। বিভিন্ন জাতি-উপজাতিৰ সমিলমিলেৰে অসমীয়া জাতীয় জীৱন গঢ় লোৱাত খাৱন-বোৱন ৰীতি-নীতিৰ প্ৰভাৱ অনস্বীকাৰ্য্য। আহোম ৰজাসকলে প্ৰথমে আহি লগ পোৱা বৰাহী, মটক, কছাৰী আদি লোকসকলে দেশীয়ভাৱে উৎপাদিত নানা বয়-বস্তু তেওঁলোকক যোগান ধৰাৰ কথা বুৰঞ্জীবোৰত নোহোৱা নহয় —

---

৪৯। প্ৰাগুক্ত গ্ৰন্থ পৃ৬১,

৫০। সূৰ্য্য কুমাৰ ভূঞা (সম্পা)ঃ সাতসৰী, পৃ ১৪, ১৯৬৪

৫১। সূৰ্য্যকুমাৰ ভূঞা (সম্পা)ঃ তুংখুঙীয়া বুৰঞ্জী, পৃ ১১১, ১৯৯০

"মৰাণে আলু, কচু, ঢেঁকীয়া, মেটেকা ভেটে, ৰাজা খাব নাজানে, বোলে - 'তইঁতে কেনেকৈ খাব, আমাকো সিজাই দে।' পাচে সিইঁতেও সিজাই দিলে।"[৫২] - দৰাচলতে এওঁলোকে প্ৰথম কেইটিমান দশকত খিলঞ্জীয়া লোকসকলৰ সতে এটা আৰ্থ-সামাজিক সম্পৰ্ক গঢ়ি দেশীয়ভাৱে উৎপাদিত নানান বস্তুবাহানি, খাদ্য-সম্ভাৰৰ প্ৰয়োগ কৰিবলৈ লয়।

সদৰামিনৰ 'অসম বুৰঞ্জী' ত স্বৰ্গদেৱ গদাধৰ সিংহ 'সৰ্ব্বভক্ষক' আছিল বুলি কোৱা হৈছে। এওঁৰ পূৰ্বৰ আহোম ৰজা-প্ৰজাসকলেও মদ, গাহৰি, ম'হ, কুকুৰা, হাঁহ, মাছ-কাছ, কেকোৰা-কুচিয়া আদি সকলো খাইছিল। বুৰঞ্জীত গৰু-ম'হ কাটি পুখুৰী উছৰ্গা কৰা, যুদ্ধ বিজয়ৰ আনন্দোৎসৱ পালন কৰাৰ বৰ্ণনা পোৱা যায়। এইফালৰপৰা এসময়ত এওঁলোকৰ মাজত গৰু-ম'হৰ মঙহো খাদ্য আছিল যেন লাগে। 'দেওধাই অসম বুৰঞ্জী'ত আছে ঃ— "তই মই একেগৰ্ভে জন্মো ধৰিছো, একেলগে চুলি বান্ধিছো, গৰু-ম'হ মাৰি একেলগে খাইছো"।[৫৩] বুৰঞ্জীত "মদ নখোৱা" ('চেং ধৰা, হাবুং চেটিয়া, মদ-নখোৱা, মনপক ধৰি আনগৈ' কামঃ বুঃ পৃঃ ২০।) নামৰ উল্লেখে সমাজত মদ খোৱা প্ৰথাৰ ব্যাপকতাৰ ইংগিত দিয়ে, লগতে তামোল খাই পিকদান প্ৰয়োগ কৰা কথাও সঘনে চকুত পৰে। আনহাতে "সোণ-ৰূপ হোকা", "সোণৰ ধপাত খোৱা টৈমা", "ৰূপৰ সাফৰ মৰা চিলিম" আদিৰ প্ৰয়োগো বুৰঞ্জীবোৰত পৰিলক্ষিত হয়।

মনকৰিবলগীয় যে, আহোম স্বৰ্গদেৱসকলে হিন্দু ধৰ্ম গ্ৰহণ কৰাৰ পিছত তেওঁলোকৰ খাদ্য-পাতিৰ প্ৰভূত পৰিবৰ্তন হবলৈ ধৰে। হিন্দুৰ যাগ-যজ্ঞ, উপাসনা পদ্ধতিত শৰণাগত হোৱাত কেতবোৰ জীৱ-জন্তু ভক্ষণ কৰিবলৈ এৰি দিলে। মহাৰাজ শিৱসিংহই পৰ্বতীয় গোসাঁইত শৰণ লৈ স্মাৰ্ত্ত মতে নিত্য-নৈমিত্তিক কৰ্ম সম্পাদন কৰিছিল। পিছলৈ এওঁৰ ছত্ৰভঙ্গ যোগ পৰাত বহুকাল তপ-যপ কৰি সন্ন্যাস জীৱন-যাপন কৰছিল। সময়ত হিন্দুধৰ্মৰ আচাৰ-পদ্ধতিত আস্থাভাজন হোৱাত এক ভাত এক মাতেই সকলোৰে পৰিচায়ক হৈছিল।

২.৮ মাটি-বাৰী-বস্তি ঃ- "দেওধাই অসম বুৰঞ্জী" ত "ৰূপীত, বাৰী, বাকৰী"[৫৪] তিনি শ্ৰেণী মাটিৰ ভোগদখলৰ কথা পোৱা যায়। সেই সময়ত প্ৰত্যেক প্ৰজাই দুপুৰা ৰূপীত মাটি বিনাকাৰ ভোগ কৰিব পাৰিছিল। ইয়াক গা-মাটি বুলিছিল। গা-মাটিৰ উপৰিও প্ৰত্যেক প্ৰজাই ঘৰ-দুৱাৰ সাজিবৰ বাবে বস্তি আৰু বাৰী পাতিবলৈ বাৰী মাটি পাইছিল। ৰাজ্যৰ ভূ-সম্পত্তিৰ অধিকাৰী ৰজা হ'লেও এই বাৰী-বস্তিৰ

৫২। অসম বুৰঞ্জী, পৃ. ৫

৫৩। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) ঃ দেওধাই, পৃ ৫, ১৯৯০৫

৫৪। উক্ত গ্ৰন্থ ঃ পৃ ১৪৪

অধিকাৰী আছিল প্ৰত্যেক গৰাকী ব্যক্তি। পুৰুষানুক্ৰমে ইয়াৰ ভোগদখল চলছিল আৰু প্ৰয়োজন সাপেক্ষে প্ৰজাই বাৰী-বস্তি হস্তান্তৰ বা বিক্ৰী কৰিব পাৰিছিল। দ পিতনি মাটি খেতিৰ উপযোগী কৰিলৈ নতুবা অইনে চিকুনোৱা মাটি লৈও ৰূপীত মাটিৰ অতিৰিক্ত খেতি কৰিছিল। 'আনে চিকুনোৱা মাটি চহাবলৈ হলে, লওঁতাজনে পূৰাই প্ৰতি এটকাকৈ ক্ষতিপূৰণ দিব লাগে।' অৰণ্য পিতনিৰ পৰাও এডৰা এডৰাকৈ শালি খেতিৰ পথাৰ উলিয়াই লৈছিল। ড° লীলা গঁগেয়ে "অসমৰ সংস্কৃতি" ত সুন্দৰকৈ বৰ্ণাইছে ঃ-

"মাটি বাছি বিৰাট বিৰাট পথাৰ পাতিছিল। মেচলৌ পথাৰ, ৰাই পথাৰ, তিৰু পথাৰ, এণ্ডেৰা পথাৰ, লায়েকৰ পথাৰ, জেৰেঙা পথাৰ, ৰূপহী পথাৰ, জকাই চুক পথাৰ, চিলা পথাৰ, ৰজা পথাৰ, বছা পথাৰ, গাভৰু পথাৰ আদি এই যুগৰে সৃষ্টি। বানপানী আঁহিলেও নিয়মীয়াকৈ পথাৰৰ মাজেদি পানী বৈ থাকিবলৈ নৈৰপৰা পথাৰলৈ কেতবোৰ খাল কাটি দিছিল। — এই নিয়মৰ ফলত ধানে নিয়মীয়াকৈ পানী পোৱাৰ উপৰিও নৈৰ পানীৰ পলস পাই পথাৰ সাৰুৱা হৈ উঠিছিল।"[৫৫]

এই মাটি-বাৰীবোৰ তেওঁলোকে ভোগ কৰিবহে পাৰিছিল, হস্তান্তৰ কৰিব নোৱাৰিছিল। সমাজত অভিজাত শ্ৰেণীটোৱে অজস্ৰ মাটি-বাৰী ভোগ দখল কৰিছিল। পাইক প্ৰথাৰ শ্ৰম শোষণৰ জৰিয়তে ভোগসৰ্বস্ব এই শ্ৰেণীটোৱে সমাজত প্ৰতিপত্তি লভিছিল।

আহোম স্বৰ্গদেৱ সকলে ধৰ্মীয় অনুষ্ঠানবোৰক বহু মাটি-বৃত্তি দান কৰিছিল। সত্ৰৰ দ'ল-দেৱালয় বা মন্দিৰবোৰত কাম কৰিবলৈ একশ্ৰেণী 'দেৱলীয়া পাইক' নিযুক্তি দিছিল। ইহঁতে সত্ৰ পৰিচালনাৰ বাবে ৰজাই দিয়া 'ভোগধনী' নিষ্কৰ মাটি ভোগ কৰিব পাৰিছিল. স্বৰ্গদেৱে বা ডা-ডাঙৰীয়া সকলে দেৱালয়ৰ ভোগ, নৈবেদ্য, নিত্যপূজা আদি খৰচৰ বাবদ এই মাটি অৰ্পণ কৰিছিল। পৰৱৰ্তী "ইংৰেজৰ আমলেও লাখৰাজ তহিককে এই ভোগধনী বহাল"[৫৬] দিয়াৰ কথা বুৰঞ্জীত উল্লেখ আছে। এই মাটি ভোগ কৰা বাবদ কোনো খাজনা দিব নালাগিছিল, কেৱল মাত্ৰ সত্ৰৰ অধিকাৰক উৎপন্নৰ একাংশ কৰ হিচাপে দিব লাগিছিল। প্ৰত্যেক সত্ৰত সেৱা চলোৱা এজন নিয়োগ কৰা হৈছিল। এওঁলোকে সত্ৰীয়া বৰুৱাৰ তলে সত্ৰ সম্বন্ধীয় কাৰ্য্য সমাপন কৰিছিল। আহোম স্বৰ্গদেৱ সকলে দেৱোত্তৰ, ধৰ্মোত্তৰ আৰু ব্ৰহ্মোত্তৰ মাটি প্ৰদান কৰি দেশত ধৰ্ম-সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত এক নতুন দিশৰ সূচনা কৰে। আগতে উনুকিওৱা হৈছে যে স্বৰ্গদেৱ বুঢ়াৰজা প্ৰতাপসিংহৰ দিনত

৫৫। লীলা গঁগৈ ঃ অসমৰ সংস্কৃতি , পৃ ১১২, ১৯৮২

৫৬। হৰকান্ত বৰুৱা সদৰামিন ঃ অসম বুৰঞ্জী, পৃ ১২০, ১৯৮২

(১৬১১-'৪৮ খ্ৰীঃ) পোনতে দেবোত্তৰ আৰু ব্ৰহ্মোত্তৰ মাটি দিয়াৰ নিয়ম প্ৰবৰ্তন হয়।

**২.৮.১ মাটিৰ জোখ-মাপ ঃ-** আহোমৰ দিনত প্ৰজাৰ সংখ্যাতকৈ মাটিৰ পৰিমাণ আনুপাতিকভাৱে অপৰ্য্যাপ্ত হোৱাত প্ৰথমতে কোনো সীমা নিৰ্ণয় নকৰাকৈ নিজৰ প্ৰয়োজনীয় মাটি আবাদ কৰি খাদ্য সামগ্ৰী যোগান ধৰাৰ কথা বুৰঞ্জীবোৰত পোৱা যায়। মাটিৰ স্থায়ী বন্দবস্তিতকৈ ব্যৱহাৰিক দিশটোৱে গুৰুত্ব পোৱাত দখলকাৰ সকলক মাটি দিওঁতে শস্যৰ বীজৰ লগত মিল ৰাখি মাটিৰ পৰিমাণ নিৰ্ণয় কৰা হৈছিল। সেয়েহে শস্য জোখাৰ সঁজুলি দোণ (দ্ৰোণ) কঠা মাটিৰ লেখতো প্ৰয়োগ হৈছিল; খাজনাও নিৰ্দ্ধাৰিত হৈছিল — ধান-চাউলৰ জোখেৰে। মাটি চহোৱা আহিলা হালৰ লগত সম্পৰ্ক ৰাখি এখন হালেৰে নিৰ্দিষ্ট সময়ত চহাব পৰা মাটিৰ পৰিমাণক কোৱা হৈছিল - 'এহালিচা মাটি'। একোটা প্ৰাকৃতিক পৰিসীমাৰ ভিতৰত ভূমিৰ আনুমানিক পৰিমাণ ধৰি মাটি বন্দবস্ত, ৰাজ্যৰ সীমা নিৰ্দ্ধাৰণ কৰা দেখা য়ায়। "অসম বুৰঞ্জী" ত প্ৰতাপ সিংহ মহাৰাজৰ সময়ত (১৬১১-৪৮ খ্ৰীঃ) 'অসম-বঙ্গাল' ৰ সীমা নিৰূপণ বেলিকা "উত্তৰে বৰনদী, দক্ষিণে Õ üÅ1 Õ ±ü üÏ-Õ±ûƒ"[৫৭] মোমাই তামুলী বৰবৰুৱা আৰু আহুায়াৰ খানৰ মাজত হোৱা চুক্তি-পত্ৰ প্ৰসংগক্ৰমে স্মৰণীয়। এইজনা স্বৰ্গদেৱৰ দিনতে প্ৰথমে নামজানী ৰজা মোমাই তামূলী বৰবৰুৱাৰ নেতৃত্বত মাটিৰ জোখ-মাপ কৰাৰ কথা বুৰঞ্জীত পোৱা যায়। এওঁৰ নিৰ্দেশতে মাটি জোখৰ —

"... টাৰ নিয়ম কৰিলে, সাতহাত বেগত চাৰি আঙ্গুল, আগে গুৰিয়ে ৰূপৰ বেৰি দি। পাচে সেই নিবন্ধে গোহাঞিবোৰে যাক যিদৰে দিব লাগে, সেই নিয়মে পাতিলে।"[৫৮]

— বুৰঞ্জীবোৰত মাটি জোখত ব্যৱহৃত 'পুৰা', 'বিঘা', 'কঠা', 'লেচা', 'হাত', 'বেগত', 'আঙুল' আদি শব্দৰ উল্লেখ পোৱা যায়। স্বৰ্গদেৱ গদাধৰ সিংহই (১৬৮১-৯৬ খ্ৰীঃ) পোনতে মাটি জৰিপ কৰি "দেসত পিয়ল কাৰাই পিয়ল উলিয়ালে"।[৫৯] স্বৰ্গদেৱে নামনি অসমত আত্মগোপন কৰি ফুৰা সময়ত মোগলৰ মাটি জৰিপ কাৰ্য্য দেখি ৰাজ-সিংহাসনত আৰোহণ কৰি এই পিয়ল কাৰ্য্য হাতত লোৱাৰ কথা বুৰঞ্জীত পোৱা যায়। এওঁৰ পিছত নাতিলৰা স্বৰ্গদেৱ শিৱসিংহই (১৭১৪-৪৪ খ্ৰীঃ) ভগীৰথ টেকেলা বৰুৱাৰ সাহায্যত কামৰূপ, বকতা পিয়ল কৰায়। সেই পিয়ল অনুসৰি

৫৭। সূৰ্য্যকুমাৰ ভূএগ (সম্পা) ঃ অসম বুৰঞ্জী, পৃ ৬১, ১৯৮৮
৫৮। সূৰ্য্য কুমাৰ ভূএগ(সম্পা) ঃ সাতসৰী, পৃ ৭৭, ১৯৬৪
৫৯। কাশিনাথ তামুলীফুকন ঃ আসাম বুৰুঞ্জি পুথি, পৃ ৪৬, ১৯০৬

পেৰা কাগজ বা পঞ্জী ৰখা নিয়ম প্ৰবৰ্তন হয় - "তাৰে পৰাহে পেড়া-কাগজ হ'ল"।[৬০]

**২.৯ কৰ-কাটল ঃ-** আহোমৰ প্ৰথম ৰজা স্বৰ্গদেৱ চুকাফাৰ সময়ৰ পৰা চুচেংফা প্ৰতাপসিংহ বুঢ়াৰজাৰ দিনলৈকে (১২২৮-১৬১১ খ্ৰীঃ) দেশস্থ প্ৰজাৰ ওপৰত প্ৰত্যক্ষ কৰ-কাটল ধাৰ্য্য কৰাৰ কথা বুৰঞ্জী সাহিত্যত পোৱা নাযায়। স্বৰ্গদেৱ চুহুংমুং দিহিঙ্গীয়া ৰজাই (১৪৯৭-১৫৩৯ খ্ৰীঃ) চুটিয়া সকলক দমন কৰাত "মোক কৰ-কাটলীয় কৰি ৰক্ষা কৰক, মই বছৰি কৰ-খুত দি থাকিম" বোলা কথাষাৰি প্ৰসঙ্গক্ৰমে স্মৰণীয়। আহোম ৰজা সকলে প্ৰথমে আহি লগ পোৱা বৰাহী-মৰাণ-কছাৰী আদি লোকসকলে দেশীয়ভাৱে উৎপাদিত নানা দ্ৰব্য তেওঁলোকক যোগান ধৰাৰ কথা অসম বুৰঞ্জীবোৰত নোহোৱা নহয়। ফলত স্থানীয় লোকসকলৰ সৈতে বিনিময় পদ্ধতিৰেপ্ৰথমৰে পৰা এটি আৰ্থ-সামাজিক সম্পৰ্কই গা-কৰি উঠাত ৰজা ঘৰৰপৰা নিৰ্দ্ধাৰিত কৰ-কাটলৰ ব্যৱস্থা দেখা নাযায়। স্বৰ্গদেৱ প্ৰতাপসিংহ বুঢ়াৰজাৰ ৰাজত্বকালত (১৬১১-৪৮ খ্ৰীঃ) কোচৰজা পৰীক্ষিত নাৰায়ণক মোগলে ধৰি নিয়া কথা প্ৰসংগৰ বৰ্ণনাত "দেওধাই অসম বুৰঞ্জী" ত কৰ-কাটলৰ প্ৰথম উল্লেখ পোৱা যায় ঃ

"বুঢ়া ৰজাদেৱৰ দিনত পৰীক্ষিত নাৰায়ণক বঙ্গালে ধৰি নিলে। পাচে পৰীক্ষিতলৈ টকা দিবলৈ ৰূপ নাই, অল্প দেখি বিল-হাট- ঘাট-ফাট এইবোৰত ধন লগালে। তেতিয়াৰ পৰাহে ধনৰ কাটল হল। পৰীক্ষিতে বঙ্গালত মৃত্যু হল।[৬১]

এওঁৰ ৰাজত্ব কালত সুদক্ষ প্ৰশাসক নামজানী ৰজা মোমাই তমুলী বৰবৰুৱাৰ নেতৃত্বত দেশস্থ প্ৰজাবৃন্দক নিজ নিজ কৰ্তব্য আৰু কাৰ্য্যপন্থাত নিয়োজিত কৰি কৰ-কাটলৰ নিৰিখেৰে ৰাজ্যৰ ৰাজকোষ টনকিয়াল কৰা হ'ল। এৱেঁই শাসনৰ সুবিধাৰ নিমিত্তে প্ৰণালীবদ্ধভাৱে গাওঁ পাতি অসমীয়া গাঁৱলীয়া জীৱনৰ অৰ্থনৈতিক বুনিয়াদ গঢ়ি তোলে। বুৰঞ্জীৰ ভাষাৰে কবলৈ হ'লে দেশৰ সমুদায় উৎপন্নৰ "চাৰিভাগৰ এভাগ যদি দেৱতালৈ দিয়ে কিনো দুখ ৰাজে পায়"[৬২] — বোলা পদ্ধতিৰ সৈতে এওঁৰ কৰদ সম্পৰ্ক প্ৰতিষ্ঠিত। এই কৰ-কাটল সম্পৰ্কীয় অৰ্থনীতিত 'হাট', 'ঘাট', 'ফাট', 'কৰ', 'কাটল', 'জলকৰ', 'যৰক্ষাৰ', 'পদ', 'চোৰ', 'ছলনা', 'দান', 'খুত', দণ্ড', 'বন্ধ', 'ঘামেশা', 'চকী', 'বেঠ', ইত্যাদি কাৰ্য্য-কাৰণত জনসাধাৰণে ৰাজহ বিভাগলৈ কৰ-কাটল দিবলৈ বদ্ধ পৰিকৰ আছিল। কৰ-কাটল আদায়ৰ বেলিকা আহোম ৰজাসকলৰ কঠোৰ শাসন সততে প্ৰবৰ্তিত হৈছিল।

৬০। হৰকান্ত বৰুৱা সদৰামিন ঃ অসম বুৰঞ্জী, পৃ ৭০, ১৯৬২

৬১। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) ঃ দেওধাই, পৃ ১০৮, ১৯৯০

৬২। সূৰ্য্য কুমাৰ ভূঞা (সম্পা) ঃ সাতসৰী, পৃ ২৯, ১৯৬৪

অৱশ্যে বুৰঞ্জী সাহিত্যত কৰ-কাটল অনাদায়ৰ হেতু কোনো প্ৰজাক অত্যাচাৰ কৰাৰ কথা পোৱা নাযায়। কিছুমান বিষয়ত কৰৰ নিৰিখ নামমাত্ৰহে আছিল। নিয়মীয়া বিধি-ব্যৱস্থাৰে দেশৰ ৰাজহ সংগ্ৰহ কৰা হৈছিল। কাসিনাথ তামুলিফুকনৰ "আসাম বুৰন্‌জি পুথি" ত আছে — প্ৰতাপ সিংহ মহাৰাজৰ দিনত "বৌমুৰিয়া গনক ভৰালি বৰুআই জনাই, হাট-ফাটৰ দান পহাৰে পতি মাহে ৪ কৰা দৰে লগালে।" ৬৩

২.৯.১. অসমীয়া বুৰঞ্জী সাহিত্যত ৰজাদিনীয়া বহুতো হাট-বজাৰৰ উল্লেখ পোৱা যায়ঃ 'দোপদৰ হাট', 'নামচাঙৰ বৰহাট', 'ৰহাৰ হাট', 'গোভাৰ হাট' ইত্যাদি। এই হাট-বজাৰৰ পৰা বাণিজ্যিক কৰ আদায় কৰি দেশৰ ৰাজকোষ টনকিয়াল কৰা হৈছিল। স্বৰ্গদেৱ প্ৰতাপ সিংহ মহাৰাজৰ ৰাজত্বকালত নবাব আহলায়াৰ খাই মোমাই তামুলী বৰবৰুৱাৰ সৈতে সন্ধি কৰি 'সাউদৰ টোল' আৰু 'সোণকোহৰ মুখত' হাট-বজাৰ কৰাৰ চলেৰে উকীল চেকমেদা, জাৰখণ্ড আৰু ওৱাকা দাসক আমাৰ কটকী সনাতন আৰু কানু শৰ্মাৰ সৈতে পঠাই দিয়াৰ কথা বুৰঞ্জীত পোৱা যায়। বুৰঞ্জী সাহিত্যত এয়াই প্ৰথম বঙালেৰে সৈতে কৰা আহোম ৰাজৰ হাট-ফাটৰ উল্লেখ।পৰৱৰ্তী সময়ত তুংখুংঙীয়া ফৈদৰ ৰজাৰ আমোলত 'গোভাৰ হাট', 'ৰহাৰ হাট', 'নামচাঙৰ বৰহাট', 'দোপদৰ হাট' আদিৰ উল্লেখ পোৱা যায়। এই হাটবোৰ জনসাধাৰণৰ সুবিধাৰ্থে ৰজাই পাতি দিছিল। এইবোৰৰ পৰা বস্তু বেচা-কিনা বাবদ নিৰ্দ্ধাৰিত নিৰিখত কৰা লোৱা হৈছিল। "দেওধাই অসম বুৰঞ্জী" ত ৰহাৰ হাটৰ বিষয়ে আছেঃ

"ৰহাৰ হাট। — কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱা ৰহালৈ উজাই গ'ল। ৰহাত থাকি বেবেজীয়া ন কুৰি পাতিলে আৰো ৰহাতে হাট এখান পাতিলে। তাৰে দহোটা গোটা পাইক লাকলঙীয়া কৰিলে হাটৰ। আৰো হাটখুৱা পাতিলে চকীয়ালৰ বৰা কৃষ্ণগতিকে। আৰো হাটৰ দান। – গৰুটোৰ লব কড়ি তিনি পোণ, এঠেঙ্গ এৰিব। তামোল কাউণৰ তিনি পোণ, পাণ ২০ , পাণ তিনি গুছি, ধান ২০ ..... পুৰা, ৰূপ ২০ ..... টাকা, কপাহ ২০১টা, পহাৰী দান কড়ি ১৭ পোণ। হাটৰ সীমা। – পূবে গড়ৰ চকী, পছীমে গোগ, উত্তৰে ব্ৰহ্মপুত্ৰ, দখিণে যমুনামুখ। আৰে ভিতৰে যি বেহা কৰে সকলো দাঁতিয়াল, চকীয়াল, ঢেকেৰি, বেবেজীয়া আদানি।"৬৪

আহোম ৰাজত্বৰ শেহতীয়া সময়ত হাদিৰাচকী আৰু বঙাল হাট বা গোৱালপাৰা- অসম বঙালৰ ব্যৱসায়ৰ প্ৰাণকেন্দ্ৰৰূপে প্ৰতিষ্ঠিত হৈছিল। ড° ২.১১.

৬৩। কাশিনাথ তামুলীফুকন ঃ আসাম বুৰন্‌জি পুথি, পৃ ৩২, ১৯০৬

৬৪। সূৰ্য্য কুমাৰ ভূঞা (সম্পা) ঃ দেওধাই, পৃ ১৪২, ১৯৯০

সূৰ্যকুমাৰ ভূঞাৰ "স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহ" পুথিত আছে ঃ

"হাদিৰাচকীত থকা অসম ৰজাৰ কৰ্মচাৰী দুৱৰীয়া বৰুৱাৰ বিনা অনুমতিৰে আৰু নিৰ্দ্ধাৰিত কাটল বা মাছুল নিদিয়াকৈ কোনো বিদেশী বণিকে অসমৰ পানীত নাও উজাব নোৱাৰিলে। হাদিৰাচকীত তোলা মাচুল আদিৰ পৰা আহোম ৰাজ-ভঁৰাললৈ বছৰি ৬০,০০০ টকা উৎপন্ন হৈছিল।"[৬৫]

অসম ৰাজ্যৰ উৎপাদিত পাট-মুগা, মেজাংকৰি, লা-কাঠ, সৰিয়হ, কপাহ, বেত, নানাবিধ দুষ্প্ৰাপ্য জীৱ-জন্তু, চৰাই-চিৰিকটি ভাটীৰ দেশৰ চেনি-লোণ, কাপোৰ, মণি-মুকুতা, নানাবিধ প্ৰসাধন সামগ্ৰী আদিৰ সৈতে এই বেপাৰ-বাণিজ্য চলিছিল। প্ৰতাপ সিংহ স্বৰ্গদেৱৰ দিনত আমাৰ সোণাৰী মুদৈ, জয়হৰি মুদৈ আৰু নৰহৰি মুদৈয়ে ঢাকাত বেহা-বেপাৰ কৰাৰ কথা বুৰঞ্জীত পোৱা যায়। নৌ-পথেৰে বিদেশী ৰাষ্ট্ৰৰ সৈতে বেহা-বেপাৰ চলিছিল। হোলোং নাও অসমৰ বাণিজ্যৰ প্ৰশস্ত আহিলা আছিল। পৰৱৰ্তী সময়ত বঙালী নাও আৰু ধোৱাৰ জাহাজ ব্যৱহৃত হোৱা দেখা যায়। লুইতেৰে উজাই-ভটিয়াই সময়ত কলং, কপিলী, ভোগদৈ, দিহিং চাউলখোৱা, মানাহ, বৰনদীত বাণিজ্যিক নাওবোৰে বিচৰণ কৰিছিল। নানাবিধ বস্তু-বাহানিৰ লগতে জীৱ-জন্তুকো বিক্ৰী কৰাৰ উদাহৰণ বুৰঞ্জীত পোৱা যায় ঃ "কোনো দেশত ভাল হাতি পালে, কিনিয়ো আনে। নাৱত হাতি তোলে, নাৱ যিমান বহে, তাতে চিন দি সেই প্ৰমাণে ধন দমাই পালে এনে মূল্য কিনে।"[৬৬]

২.৯.২ আহোম স্বৰ্গদেৱ সকলে ওচৰ-চুবুৰীয়া কৰতলীয়া আৰু মিত্ৰ ৰজাসকলৰপৰা সিহঁতৰ দেশৰ নানান উৎপন্ন দ্ৰব্য উপঢৌকন বা কৰ স্বৰূপে গ্ৰহ কৰাৰ কথা বুৰঞ্জীত উল্লেখ আছে। ৰাজাজ্ঞানুসাৰে কটকী যাতায়ত কৰাই দেশীয় প্ৰথানুসৰি যথাযোগ্য আদৰ সন্মান প্ৰদৰ্শনে ইয়াক সম্ভপৰ কৰি তুলিছিল। ত্ৰিপুৰা, কছাৰী, জয়ন্তীয়া, কোচ, ভোটান, নৰা আদি মিত্ৰ ৰজা সকলৰ পৰা পোৱা প্ৰীতিপূৰ্বক বিবিধ উপ-ঢৌকনবোৰে আহোম ৰাজপ্ৰাসাদ সুশোভিত কৰাৰ লগতে সমসাময়িক দেশীয় অৰ্থনীতিৰো সমীক্ষণ দাঙি ধৰে। "স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ সভাত ত্ৰিপুৰা কটকী", "ত্ৰিপুৰা কটকী বিদায়" (ত্ৰিপুৰা বুৰঞ্জী), "আহোমৰ হাতত কছাৰীৰ পৰাভৱ", "স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ দিনত" (কছাৰী বুৰঞ্জী), "খৰামী ৰজাৰ কথা", "অসমত ভুটীয়া আৰু জয়ন্তী কটকী" (জয়ন্তীয়া বুৰঞ্জী), "নৰা-মান্তৰাৰ কথা" (দেওধাই অসম বুৰঞ্জী) আদি বুৰঞ্জীত সন্নিবিষ্ট বিবিধ অধ্যায়বোৰত এইবোৰ পৰিদৃষ্ট হয়। দৃষ্টান্তৰূপে "ত্ৰিপুৰা বুৰঞ্জী" ৰ দুটি অনুচ্ছেদ তলত উদ্ধৃত কৰি দেখুওৱা

৬৫। সূৰ্য্যকুমাৰ ভুঞা (সম্পা) ঃ স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহ, পৃ ৮২, ১৯৭৫

৬৬। হেম চন্দ্ৰ গোস্বামী (সম্পা) ঃ পুৰণি অসম বুৰঞ্জী, পৃ ৮৮, ১৯৭৭

হ'লঃ

(ক) ৰুদ্ৰসিংহ স্বৰ্গদেৱলৈ ত্ৰিপুৰাৰ ৰজা ৰত্নমাণিক্যই দিয়া সন্দেশৰ লেখা —

"হীৰাএৰে বাখৰপতা কলগা ১, দুগদুগী ১, বিলোলৰ নালত বাখৰপতা খঞ্জৰ ১, গুজৰাটী সোণোৱলী তাছকাপৰ ১,

সোণাৱলী বাদামী কাপৰ ১, কিমখাপ কাপৰ ২ খান, গুজৰাটী সোণাৱলী ছিৰা ২, গুজৰাটী সোণাৱলী পটুকা ২, বন্দৰী ছিট কাপৰ ২, চিকন ছাহান তাও ২, চিকন ছাহান তাও ২, চিকন উকা পাগ ২; এই সন্দেশ দি পঠাইছিলে।"[৬৭]

(খ) ত্ৰিপুৰা ৰাজা ৰত্নমাণিক্যলৈ দিয়া সন্দেশৰ লেখা, ভিন্ন পত্ৰত লেখি দিছে --

"নৰা কাপৰ গুটিবুলুৱা ১, ধল ১, ৰঙ্গা ১/৪, ফুলাম আতলঞ্চ ১, আৰু আতলঞ্চ সোজ ১, ধল ৰঙ্গা ১, ধল কলা ১/,

সোণাৱলী ওৰণি ২, সোণাৱলী পাগ ২, সোণাৱলী পটুকা ২, সোণাৱলী জামাৰ কাপৰ ১, কলা বৰফুলা বৰকাপৰ ১, ৰঙ্গা ফুলাম ১, দহ হতীয়া চিকন তাও ১৪, চিকন সিয়া আঠুৱা ১, সোণৰ বাখৰপতা টেমী ১, কলগী ১, দুগদুগী ১,

কৰ্ণফুল ১ যোৰ, সোণৰ ফুলেৰে ডগ্‌ডগী ১, সোণৰ মলমাকৰা কটাৰী ৪, ৰূপৰ মলমাকৰা কটাৰী ৪, আগৰসত ২, পকড়া খড়গ ৪, শুক্ল চামৰ ৪, কৃষ্ণ চামৰ ৪, হাতী দাঁতৰ গা-আঁচোৰা ১ পাট। ত্ৰিপুৰা ৰাজালৈ এইৰূপে সন্দেশ দিছিলে।"[৬৮]

উল্লিখিত অনুচ্ছেদ দুটিৰ অন্তৰ্গত দেশ-দস্তুৰমতে ব্যৱহৃত বিভিন্ন বস্ত্ৰ-অলংকাৰ, প্ৰসাধন সামগ্ৰী আৰু অন্যান্য আ-অলংকাৰৰপৰা সমকালীন অসম আৰু ইয়াৰ মিত্ৰ ৰাজ্যবোৰৰ অৰ্থনীতিৰ সম্যক উপলব্ধি কৰিব পাৰি। এইবোৰত উল্লিখিত প্ৰায়বোৰ বস্তু অসমীয়া থলুৱা শিল্পৰ অন্তৰ্গত, অৱশ্যে গোটাচেৰেক কাৰিকৰী বস্তু যে বিদেশৰ পৰাও আনিবলগা হৈছিল ই নিঃসন্দেহ।

২.৯.৩. আহোম ৰজাসকলৰ অধীনত দাঁতিকাষৰীয়া অঞ্চলত কিছুমান ক্ষুদ্ৰ ৰজা বা "ৰজা পোৱালি" য়ে ৰাজত্ব কৰিছিল। এওঁলোকে বছৰি কৰ সোধাইছিল আৰু প্ৰয়োজন সাপেক্ষে যুদ্ধত সৈন্য আৰু পাইকৰো যোগান ধৰিছিল। এই ৰজাসকলে উপভোগ কৰা খাত-পামবোৰ পুত্ৰ-পৌত্ৰাদিক্ৰমে চলি আহিছিল যদিও স্বৰ্গদেৱৰ ইচ্ছা হ'লে এইবোৰৰ স্বত্ব যেতিয়াই-তেতিয়াই নিজৰ হাতলৈ নিব পাৰিছিল।

---

৬৭। সূৰ্য্য কুমাৰ ভূঞা (সম্পা)ঃ ত্ৰিপুৰা বুৰঞ্জী, পৃ ১২-১৩, ১৯৬২

৬৮। উক্ত গ্ৰন্থ, পৃ ১৫

আহোম ৰাজ্যৰ অধীনে ৰাণী, লুকি, বেলতলা, গোভা, নেলী, ডুমুৰীয়া, মায়ং, ধিং-ভুৰবন্ধা, পাণবাৰী, বাৰেপুজীয়া, তেতেলীয়া, টোপাকুচীয়া, বৰদুৱাৰ, নদুৱাৰ, বগাদুৱাৰ, শালমৰা, ভোলাগাওঁ, দৰং আদিৰ ৰজাই যুদ্ধত পৰাস্ত হোৱাৰ পাচত বা স্বইচ্ছাৰে স্বৰ্গদেৱৰ কৰতলীয়া ৰজা হিচাপে নিজ ৰাজ্য শাসন কৰিছিল। তলত বাহুল্যৰ ভয়ত দুটি উদাহৰণ আগবঢ়োৱা হ'ল ঃ

**(ক) প্ৰতাপ সিংহৰ অধীনলৈ অহা ৰজাসকল ঃ-**

"সেইবেলা হাবুং পিকচাই চেটিয়া সহিতে আহোম গৈ কাজলীত কোঠ দি থাকিব দিলেগৈ। সেইবেলা প্ৰভাকৰ পুত্ৰ মঙ্গল ৰাজা আহি হাবুং পিকচাইৰ দ্বাৰা ঁদেৱলৈ শৰণাপন্ন হল। মহাৰাজৰো কন্যা, হেঙ্গদান, হস্তী দি বিদাই দিলে। সেইকালৰপৰাহে ডিমৰুৱা আমাৰ হল। তেবে মহাৰাজা বলী কোঁৱৰক ধৰ্ম্মনাৰাণ নাম দি ৰাজা পাতিলে দৰঙ্গৰ। ৰূপনাৰাণ আদি যত পৰীক্ষিতৰ কোঁৱৰ আছিল, সবে আহি মহাৰাজাৰ সেৱা কৰিলেহি। তবে মহাৰাজাৰ প্ৰসাদে গ্ৰাম-ভূমিলৈ মহাৰাজাক সেৱা কৰি থাকে। কতো দেশক যাই পুনু আসে। দখিনকুলীয়া, ডিমৰুৱা আদি কৰি যতেক ৰাজা আছে সকল আসি ল'ৰা তিৰুতা সহিতে সেৱা কৰেহি লোকৰ কাপৰ কপাহ লৈ।"[৬৯]

**(খ) দৰঙ্গী ৰজালৈ উপদেশ ঃ-**

"...ঁৰ চৰণত দৰঙ্গী ৰাজা সমুদ্ৰনাৰাণে ভেঁটি সেৱা কৰিছে। বানতৰ শৰাই ১ খন, তাও ২ খন, সোণে-ৰূপে বন্ধা চামৰ ১ খন, চন্দনৰ ১ খন, লঙ্গৰ ১ খন, ঠেঙ্গা ২০ খন, লঠা চামৰ ২০ টা। পাচে ৰাজা উঠি উঠি ঁক সাতসেৱা কৰি বহিল। পাচে ঁৰ আজ্ঞায়ে মজিন্দাৰে চৌখামেৰে ৰজাত কলে, "ঁও ঈশ্বৰে দৰঙ্গী ৰজাক দেশলৈ বিদায় দিছে, আৰু ঁএ ৰাজাত কব দিছে, বোলে — ৰাজাক পাতিবৰ দিনাই সকল কথা শিকোৱাই গৈছে। সেই কথাকে ৰাজা বিস্মৰণ নহৈ প্ৰবৰ্ত্তিলে ৰাজাৰ পুত্ৰ-পৌত্ৰাদিক্ৰমে এইৰূপে মান-মৰ্য্যদা বাঢ়িব"[৭০]

২.৯.৪. আহোম ৰজাই ধৰ্মোত্তৰ, ব্ৰহ্মোত্তৰ আৰু দেৱোত্তৰ ৰূপে দিয়া মাটি কৰবিহীন। স্বৰ্গদেৱ শিৱসিংহই "ব্ৰাহ্মণ সজ্জন, সন্ত মহন্তক অনেক বৃত্তি বিধান, দেৱত্তৰ, ব্ৰহ্মাত্তৰ, ও ধৰ্ম্মত্তৰ ও নানকাৰ কৰি নিষ্কৰ মতে দিলে। আৰু সেই সকলত কৰ্ম্ম কৰিবৰ কাৰণে মানুহ অথচ পাইক যি যি কৰ্ম্ম কৰিব নিবন্ধ কৰি দিলে।"[৭১] এই সত্ৰীয়া পাইকবোৰে বিনাকৰে মাটি ভোগ কৰিব পাৰিছিল। প্ৰত্যেক

---

৬৯। সূৰ্য্যকুমাৰ ভুঞা (সম্পা) ঃ দেওধাই, পৃ ১১৪-১১৫, ১৯৯০

৭০। সূৰ্য্যকুমাৰ ভুঞা (সম্পা) ঃ তুংখুংঙীয়া বুৰঞ্জী, পৃ ১৭৮, ১৯৯০

দেৱালয়তে ভোগধনী বাবে কিছু কিছু মাটি আছিল। সেইসকল নিষ্কৰ। তাৰদ্বাৰা দেৱালয়ৰ ভোগ, নৈবেদ্য, নিত্য কৰ্ম পৰিচালনা কৰা হৈছিল। ইংৰাজৰ দিনতো এই মাটিবোৰত খাজনা লগোৱা নাছিল। তদুপৰি ৰাজ পৰিয়াল, ডা-ডাঙৰীয়া, পুৰোহিত আৰু অন্যান্য ৰাজকৰ্মচাৰীসকলে ভোগ-দখল কৰি থকা খাত-পাম বাবদ কোনো খাজনা-পাতি দিয়াৰ কথাও বুৰঞ্জীত পোৱা নাযায়। বৰং আহোম প্ৰশাসনৰ সৃষ্টি দেশৰ জনগণৰ বৃহৎ পাইক গোটটোৱে এওঁলোকৰ খাত-পামবোৰত বিনাবেতনে শ্ৰম কৰি এই মাটিবাৰীবোৰ উৎপাদনক্ষম কৰি গঢ়িহে তুলিছিল। ইয়াৰ অন্যথা ৰজা ঘৰত গ-খাটনি দিব নোৱাৰিলে দুটকাকৈ ৰূপ কৰ হিচাপে দিব লাগিছিল। প্ৰজাই বাৰী-বস্তি বাবদ কোনো খাজনা দিব নালাগিছিল — "সেই সকল আদানী নিষ্কৰ আছিল" ।[৭২] সকলো পাইককে 'খেল' অনুসৰি ভাগ ভাগকৈ পতা হৈছিল। এই খেলসমূহৰ পৰাই বুজন পৰিমাণৰ কৰ-কাটল ৰাজভঁৰালত সংগৃহীত হৈছিল। খেলবোৰ ডা-ডাঙৰীয়া বা-বিষয়াৰ অধীনত পৰিচালিত হৈছিল 'তেলী', 'তঁতী', 'ধোবা', 'নাপিত', 'সোণাৰী', 'কুমাৰ', 'কমাৰ', 'বাঢ়ৈ' আদি ব্যৱসায়ভিত্তিক লোকসকলে ৰজাৰ ঘৰত খটাৰ সলনি তেওঁলোকৰ উৎপাদিত দ্ৰব্যৰ একোটা নিৰ্দিষ্ট অংশ ৰাজভঁৰালত বিনামূল্যে নিয়মীয়াভাৱে যোগান দিছিল। সদৰামিনৰ 'অসম বুৰঞ্জী' ত আছে ঃ-

"...তামূলী, জাপিধৰা ও তেলীয়ে তেল যোগাব লাগে। তাঁতীয়ে কাপোৰ থঙ্গা যোগোৱা লোকে থঙ্গা, ও নাপিতে নাপিতৰ কৰ্ম্ম কৰিলেই তেওঁলোকৰ অন্য একো ৰজাঘৰে দিব নালাগে। ঐ ঐ কৰ্ম্মতে তেওঁলোকৰ কৰ্ম্ম হয় অথচ পাইক লোকে খাটিব লাগে; খাটিলেই কৰ্ম্ম হয়।"[৭৩]

কৰ্ম কেন্দ্ৰীক এই কৰদ পদ্ধতি আহোম যুগৰ কৰ-কাটল প্ৰসঙ্গত বিশেষ তাৎপৰ্য্যপূৰ্ণ। মোমাই তামুলী বৰবৰুৱাৰ নেতৃত্বত ৰাজ্যত এইটো নিয়ম কৰা হ'ল যে - "অসমৰ প্ৰত্যেক গৰাকী তিৰোতাই নিতৌ সন্ধিয়া বা ৰাতি দুটা সূতলাহী পকাব লাগিব। পাচদিনা গাঁৱৰ গাওঁবুঢ়াই চাই যাব সেই আদেশমতে কাম কৰা হৈছেনে নাই। তাৰ উপৰিও প্ৰত্যেক অসমীয়া গৃহস্থীয়ে ৰজাৰ ভঁৰাললৈ বছৰি এপোৱা পাটৰ সূতা দিয়াৰ নিয়ম আছিল।"[৭৪] ইয়ে স্বাধীনচেতা অসমীয়া জাতিৰ অৰ্থনৈতিক স্বাবলম্বিতালৈ মনত পেলাই দিয়ে। অসমীয়া ভদ্ৰলোক সকলে বিদেশী

৭১। হৰকান্ত বৰুৱা সদৰামিন ঃ অসম বুৰঞ্জী, পৃ ৭০, ১৯৬২

৭২। উক্ত গ্ৰন্থ ঃ পৃ ১২০

৭৩। উক্ত গ্ৰন্থ ঃ পৃ ১২৪

৭৪। সূৰ্য্যকুমাৰ ভূঞা ঃবুৰঞ্জীৰ বাণী, পৃ ১২৬, ১৯৬০

বস্ত্র পৰিধান কৰিবলৈ লজ্জাবোধ কৰিছিল। ৰুদ্রসিংহ মহাৰাজক তিনিজনা মন্ত্রী আৰু ডা-ডাঙৰীয়া সকলে মোগলৰ ধাৰণে সাজপাৰ পিন্ধিবলৈ অস্বীকাৰ কৰি কৈছিল — "আপোনাৰ দেশৰ ধাৰণ এৰি কেনে বঙ্গালৰ ধৰণে বটা পিন্ধিম?"[৭৫] স্বাতন্ত্র্যবীয়া অসমীয়া লোকৰ সাজপাৰ গৃহিনী সকলৰ শিল্প চাতুৰ্য্যৰে 'ছাঁতে শুকোৱা মুঠিতে লুকোৱা' নৈপুন্যতাৰে তৈয়াৰ কৰা হৈছিল। সদ্যখ্যাত শুৱালকুছিৰ পাটমুগাৰ কাপোৰে তাহানি মোগল পাৎসাকো অলংকৃত কৰিছিল "আৰু শুৱালকুছিয়া ১৬০ ঘৰ তাঁতীয়ে পাৎসালৈ কাপৰ বৈছিলে। তাকো লুট কৰি দক্ষিণকোলত পাতিলে নি, পাৎসাৰ কাপৰ আপুনি ৰাখিলে।"[৭৬] বিবিধ মুগা-পাট কাপোৰ, ৰিহা-মেখেলা, ভুনি, পচৰা, চেলেং — এই অসম ভূমিতে শিপিনী হাতৰ সুদক্ষ পৰশত ৰূপ লাভ কৰিছিল।

**২.১০. কড়ি-মুদ্রা-টকা ঃ-** প্ৰখ্যাত বুৰঞ্জীবিদ গুণাভিৰাম বৰুৱাই আসাম বুৰঞ্জীত লিখিছে — "স্বৰ্গনাৰায়ণ ৰজাৰ পূৰ্ব্বে এই দেশত কোনো টকা বা মুদ্ৰা নাছিল। আৰু বেহাৰতো বিশ্বসিংহ ৰজাৰ পূৰ্ব্বে কোনো টকা নাছিল।"[৭৭] সেই সময়ত বিনিময় প্ৰথাৰে স্থানীয়ভাৱে উৎপাদিত সা-সামগ্ৰীবোৰ প্ৰয়োজনৰ তাগিদাতে সংগ্ৰহ কৰি লৈছিল। অসমৰ দাঁতিকাষৰীয়া পৰ্বতীয়া জাতিবিলাকে তেওঁলোকৰ উৎপাদিত লা, কপাহ, এড়ি, মহ-হৰিণাৰ শিং, গড়ৰ খড়গ, বেত, মজাঠি, লোণ, কচু, আদা, পাণ, জলকীয়া আদি ভৈয়ামৰ ধান-চাউল, বস্ত্র-অলংকাৰ, অস্ত্র-শস্ত্র আদিৰ সৈতে সাল-সলনি কৰিছিল। তাহানিৰেপৰা ভৈয়ামৰ ধান-চাউল, কাপোৰ-কানিৰ লগত মহঙীয়া নগাৰ লোণ ব্যৱসায়, আদা, কচু, পাণৰ সাল-সলনি চিৰ পৰিচিত। পিছলৈ ডফলা, মিৰি, ভুটীয়া, মিচিমি, কছাৰীৰ সতে বস্তু কিনা-বিকা কৰাৰ উল্লেখ "কামৰূপৰ বুৰঞ্জী" ত এনেদৰে পোৱা যায় ঃ-

"তাত পাচে শিঙ্গৰিৰ ওচৰ গোৰাকুচি গ্ৰামত আমাৰ চকী আছিল, তোতে ভোট ডফলাৰে কিনা-বিকা কৰিছিল। এনেতে আমাৰ ছয়গুণ্ডা মানুহ সহিতে দুৱাৰ্দ্দাৰৰ বেটা শত্ৰুসনে শিঙ্গৰিৰ গোপেশ্বৰ ৰ ঠাইত থাকি ভোট, ডফলা, দৰঙ্গীৰ চুটিয়া কোঁৱৰৰ মানুহ-দুনুহতো সহিতে সকলেও অন্যো-অন্যো কিনা-বিকা কৰিছিল।[৭৮]

আহোম ৰজা সকলে তামৰ মুদ্ৰা মৰোৱা নাছিল। তেওঁলোকে ৰূপ আৰু সোণৰ মুদ্ৰা তৈয়াৰ কৰিছিল। তামৰ মুদ্ৰাৰ পৰিবৰ্তে অতি কম দামৰ বস্তু বেচা-কিনা কৰিবলৈ কড়ি ব্যৱহাৰ কৰিছিল — "যদি হাতত বাজিল চাৰিকড়া কড়িকো

৭৫। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) ঃ সাতসৰী, পৃ ১১৯-২০, ১৯৬০
৭৬। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) ঃকামৰূপৰ বুৰঞ্জী, পৃ ৩৭, ১৯৫৮
৭৭। গুণাভিৰাম বৰুৱা ঃ আসাম বুৰঞ্জী পৃ ১৮৯, ১৯৭২
৭৮। সূৰ্য্য কুমাৰ ভূঞা (সম্পা) ঃ কামৰূপৰ বুৰঞ্জী, পৃ ৪৪, ১৯৫৮

দিয়ে, চৰুকো দিয়ে।"[৭৯] স্বৰ্গদেৱ প্ৰতাপ সিংহ বুদ্ধি স্বৰ্গনাৰায়ণ মহাৰাজে (১৬১১-৪৮ খ্ৰীঃ) হিন্দু আখৰেৰে আঠচুকীয়াকৈ 'ৰূপৰ-সোণৰ' মোহৰ মৰাৰ কথা বুৰঞ্জী পুথিত পোৱা যায়। সদৰামিনৰ অসম বুৰঞ্জীৰ ভাষাৰে কবলৈ হলে - স্বৰ্গদেৱে মোহৰ মাৰিবলৈ ইচ্ছা কৰি —

হিন্দু পণ্ডিত আদিত সোধাত পণ্ডিত সকলে যোগিনী তন্ত্ৰ শাস্ত্ৰ চাই কলে বোলে —

অষ্ট কোণঞ্চ সৌমাৰং যত্ৰ দিক্কৰবাসিনী
তাস্মিন্ বিশন্তি যে লোকা জ্ঞানাদজ্ঞানতোহপি বা
তেহপি দেব্যাঃ প্ৰসাদেন সিদ্ধিং গচ্ছন্তি নান্যথা -
এই বচনেৰে বুজাত স্বৰ্গদেৱে আঠচুকীয়া সৌমাৰৰ অধিপতি
হৈছে আৰু অন্য ৰাজাৰ এনে মোহৰ দেখা নাই এতেকে
আঠচুকীয়া মোহৰকে মাৰা সকলোৱে ভাল দেখো, এনে
বোলোতে সেই ৰূপেই ৰূপ সোণৰ চাকলি কৰাই বুদ্ধি
স্বৰ্গনাৰায়ণ নামৰে কেৱল স্বৰ্গনাৰায়ণ নামেৰেই হিন্দু
আখৰুৱাকৈ মোহৰ মৰালে। তাৰে পৰাহে ৮ চুকীয়া ৰূপৰ-
সোণৰ মোহৰ চলিল।[৮০]

এওঁৰ পিছত জয়ধ্বজ সিংহ স্বৰ্গদেৱে (১৬৫৩-৬৩ খ্ৰীঃ) একেই সাঁচত "হেন্দুৱান আখৰেৰে সিংহ-পঙুএৰে আচুকীয়াকৈ ৰূপৰ মোহৰ"[৮১] মৰাৰ কথা পোৱা যায়। পৰবৰ্তী সময়ত মহাৰাজ গদাধৰ সিংহ, ৰুদ্ৰ সিংহ, শিৱ সিংহ আৰু তেওঁৰ তিনি গৰাকী মহিষী, প্ৰমত্ত সিংহ, ৰাজেশ্বৰ সিংহ, গৌৰীনাথ সিংহ প্ৰভৃতি নৃপতিসকলেও নিজ নামত মোহৰ মৰাইছিল। মহাৰাজ শিৱ সিংহৰ ছত্ৰভঙ্গ যোগৰ ফলত ৰাজপাট লাভ কৰা কুঁৱৰী তিনি গৰাকী — ফুলেশ্বৰী, অম্বিকা আৰু সৰ্বেশ্বৰীৰ নামত মোহৰ মৰাৰ কথা সদৰামিনে অসম বুৰঞ্জীত এনেদৰে উল্লেখ কৰিছে ঃ-

(ক) "...আইকুঁৱৰীদেৱক ছত্ৰ দি ৰাজা নাম দিলে। এইজনা কুঁৱৰীৰ নাম ফুলেশ্বৰী আৰু প্ৰথমেশ্বৰী। এই দুয়ো নামেৰে
মোহৰো মাৰিলে।" (পৃঃ ৭১)

(খ) "পাছে কালক্ৰমে বৰৰাজা স্বৰ্গী হ'লত তেওঁৰে ভনীয়েক দ্ৰোপদীক স্বৰ্গদেৱে কুঁৱৰীকৈ আনিলে। এওঁৰে নাম দিলে

৭৯। হেমচন্দ্ৰ গোস্বামী(সম্পা)ঃ পুৰণি অসম বুৰঞ্জী, পৃ ১০৩, ১৯৭৭
৮০। হৰকান্ত বৰুৱা সদৰামিন ঃ অসম বুৰঞ্জী, পৃ ৩৭, ১৯৬২
৮১। সূৰ্য্য কুমাৰ ভূঞা (সম্পা)ঃ অসম বুৰঞ্জী, পৃ ৭০, ১৯৮৮

অম্বিকা। এই নামেৰেও মোহৰ মাৰিলে।" (পৃঃ ৭১)

(গ) "এওঁ কুঁৱৰী মৰিলত, সলাল গোহাঁইৰ জীয়েক অনাদৰীক আনি সৰ্ব্বেশ্বৰী নাম দি কুংৱৰী পাতিলে। এই নামেৰেও মোহৰ মাৰিলে।" (পৃঃ ৭২)

আহোম ৰাজত্বৰ প্ৰচলিত এই মুদ্ৰাবোৰত তিনিধৰণৰ লিপিৰ প্ৰয়োগ দেখা যায় — আহোম, দেৱনাগৰী আৰু অসমীয়া। ৰজাৰ নাম, শক, ইষ্টদেৱতাৰ উল্লেখ এইবোৰত বৰ্তমান। সৰহভাগ মুদ্ৰাতেই শিৱৰ প্ৰাধান্য মন কৰিবলগীয়া। ৰাজ্যাভিষেকৰ এটি মাঙ্গলিক কাৰ্য্য এই মুদ্ৰা উন্মোচন। প্ৰচলিত আহোম [illegible] আঠচুকীয়া মোহৰৰ বিপৰীতে স্বৰ্গদেৱ লক্ষ্মী সিংহৰ (১৭৬৯-১[illegible] খ্ৰীঃ) দি[illegible] ৰমাকান্ত ৰজা হৈ ন চুকীয়াকৈ মোহৰ মৰাৰ কথা বুৰঞ্জীত পো[illegible] [illegible] স্বৰ্গদেৱৰ ৮ চুকিয়া মোহৰ দেখি আমাৰ ভেদ হব লাগে বুলি ৯ চুকিয়াকৈ মোহৰ মাৰিলে"।[৮২]

স্বৰ্গদেৱ চুহিতপংফা গৌৰীনাথ সিংহ (১৭৮০-৯৫ খ্ৰীঃ) ই "আগৰপৰা (ৰুদ্ৰসিংহৰ দিনৰ পৰা)" প্ৰচলিত আঠঅনীয়া, চাৰিঅনীয়া, দুঅনীয়া আৰু চৰতীয়া মুদ্ৰাৰ উপৰিও দুইপয়ছা মূল্যৰ মুদ্ৰা মৰাইছিল। ইয়াৰ কাৰণ এয়ে যেহা-বেপাৰ কৰিবলৈ কম মূল্যৰ মুদ্ৰাৰ আৱশ্যাক হৈছিল"।[৮৩] আহোম ৰাজত্বৰ শেষৰফালে দেশৰ অৰ্থনীতি যথেষ্ট দুৰ্বল হৈ পৰিছিল, মান-মৰাণৰ আক্ৰমণে ৰাজকোষ শূন্য কৰি পেলাইছিল। 'কা প্তানৰ অসম ত্যাগ' ৰ বেলিকা গৌৰী নাথ সিংহ স্বৰ্গদেৱৰ "ৰংপুৰ বাহৰত যি দ্ৰব্য আছিল, তাক বঙ্গালে নাৱত তুলি ললে। বস্তুৰ লেখা - সোণৰ অলংকাৰ ৪০০০০০ টা, ৰূপৰ ৪০০০০০ টা, সোণ ২০০০০০০০ টকা। আৰু তাম, কাঁহ, পিতল, বস্ত্ৰ অলংকাৰ যিমান নিলে তাকে লেখি কোনে অন্ত পাব? নাও ২০০০ খন, দন্তাল হাতী ১ টা, মাখুন্দী ১ টা, হিলৈ ৫০০০ টা, এইবোৰ লৈ ১৭১৬ শকৰ জেষ্ঠ মাসসকল চাহাব চিপাহীসৈতে ভটিয়াই কলিকতালৈ গল।"[৮৪] স্বৰ্গদেৱ কমলেশ্বৰ সিংহৰ দিনত বঙ্গালক মহীয়া ধন দিবলৈ নোহোৱাত উপায়ন্তৰ হৈ চাৰি সত্ৰীয়াৰপৰা "ৰূপ বৰসত্ৰত ৪০০০ টকা, মজলীয়াত ৪০০ টকা, সৰুত ১০০ টকা তাতকৈ সৰুবোৰত ৫০ টকা এইদৰে ধাৰ্য্য কৰি চিপাহীক মহীয়া ধন"[৮৫] দিবলগীয়া হৈছিল।

---

৮২। কাশিনাথ তামুলিফুকন ঃ আসাম বুৰন্জি পুথি, পৃ ৫৮, ১৯০৬

৮৩। শ্ৰীনগেন শইকীয়া (সম্পা) ঃ অধ্যয়ন পৰিচয়, পৃ ৪৯, ১৯৭৮

৮৪। সূৰ্য্য কুমাৰ ভূঞা (সম্পা) ঃ তুংখুঙীয়া বুৰঞ্জী, পৃ ১২৯, ১৯৯০

**নামনি অসমৰ ৰাজহ ঃ-** আহোম সাম্ৰাজ্যৰ অন্তৰ্গত নামনি অসম অৰ্থাৎ কামৰূপ খণ্ড আহোম সম্ৰাটৰ তলে বৰফুকন ডাঙৰীয়াই শাসন কৰিছিল যদিও খাজনা-পাতিৰ ব্যৱস্থা আহোম সাম্ৰাজ্যৰ ভিতৰেত বহু বেলেগ আছিল। কাৰণ কামৰূপ-খণ্ড সময়ে সময়ে আহোম আৰু মোগল সংঘৰ্ষৰ কঠিয়াতলী আছিল। এই খণ্ডত মোগলসকলৰ পৰগণানীতি ৰাজহ ব্যৱস্থাৰ হেতু প্ৰচলিত আছিল আৰু ইয়াক পৰগণা বন্দী (মৌজাদাৰী) বোলা হৈছিল। উজনি অসমৰ প্ৰথাক খেল বন্দী (খেলোৱাৰি) বোলা হৈছিল।

ড° সূৰ্য্যকুমাৰ ভূঞা সম্পাদিত কামৰূপৰ বুৰঞ্জীৰ ষষ্ঠ অধ্যায়ত "পাৎসাহী আমোলত কামৰূপৰ পৰগণা বিভাগ"[৮৬] সম্ৰাট জাহাঙ্গীৰৰ নিৰ্দেশত শেষ ইব্ৰাহিম কড়োৰী নামৰ আমিন এজনৰ হতুৱাই সম্পাদন কৰাৰ উল্লেখ পোৱা যায়। তেওঁ সমগ্ৰ কোচহাজোক (মহাৰাজ পৰীক্ষিত নাৰায়ণৰ ৰাজ্য) ৰাজহ বন্দোবস্তৰ বাবে চাৰিটাভাগত ভাগ কৰিছিল। এই ভাগ চাৰিটা হ'ল ঃ

১) চৰকাৰ কামৰূপ

২) চৰকাৰ ঢেকেৰী

৩) চৰকাৰ দক্ষিণকূল

৪) চৰকাৰ বঙালভূম।

চৰকাৰ কামৰূপ-বৰ্তমান কামৰূপ জিলাৰ কিছু অংশ, নলবাৰী জিলা, বৰপেটা জিলা, বঙাইগাঁও আৰু কোকৰাঝাৰ জিলাৰ কিছু অংশ সামৰি গঠিত হৈছিল। চৰকাৰ ঢেকেৰীয়ে - গোৱালপাৰা, ধুবুৰী, কোকৰাঝাৰ, বঙাইগাঁও জিলাৰ কিছু অংশ সামৰি লৈছিল। চৰকাৰ দক্ষিণকূলে - কামৰূপ, গোৱালপাৰা, ৰংপুৰ আৰু জলপাইগুৰিক সামৰি লৈছিল। এইদৰে কামৰূপত মোগল ভূমিনীতি প্ৰৱৰ্তিত হৈছিল।

মোগলৰ আগতে কামৰূপত "ৰাজাৰ কালত গাঁও মাত্ৰ আছিল পৰগণা নাই"।[৮৭] কেবাখনো গাওঁ লগলাগি এজন ভূঞাৰ অধীনত একোটা 'চাকলা' হৈছিল। শেষ ইব্ৰাহিম কড়োৰীয়ে 'চাকলা বন্দী' গুচাই 'তপা' আৰু 'পৰগণা' কৰিলে। বৰপেটা, বাউসী, বজালী, বৰনগৰ, বিজনী, বৰদৰং, পাতিদৰং, বনভাগ, ক্ষেত্ৰী, বাস্কা, বাহেৰখাতা, কোঁৱৰভাগ, ৰামচাহ, চৌৰাশিখটা, দেহৰ, বাঁহবাৰী, পাটকাটা, ফুলগুৰি, কাছিমপুৰ, সাতৰজীয়া আদি কামৰূপ চৰকাৰৰ পৰগণা হ'ল। দক্ষিণকূলত 'পৰগণা' আৰু 'তপা' দুয়োটাকে কৰিলে। চাৰিও চৰকাৰৰ ভিতৰত মুঠতে ৭৫ মহল পৰগণা

৮৫। উক্ত গ্ৰন্থ ঃ পৃ ১৩৮,

৮৬। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) ঃ কামৰূপৰ বুৰঞ্জী, পৃ ৩১, ১৯৫৮

৮৭। উক্ত গ্ৰন্থ ঃ পৃ ৩১,

আছিল।

১৬১৫ খ্ৰীঃ ত এলাহবাদত মহাৰাজ পৰীক্ষিত নাৰায়ণৰ মৃত্যু হোৱাত আহোম ৰাজ্য আৰু মুছলমান ৰাজ্যৰ সীমা ঘনাই পৰিবৰ্তন হোৱা দেখা যায়। স্বৰ্গদেৱ প্ৰতাপসিংহৰ সময়ত ১৬৩৯ খ্ৰীঃ ত আহোম-মোগলৰ সন্ধিমতে উত্তৰপাৰে বৰনদী আৰু দক্ষিণপাৰে অসুৰৰ আলি নিৰ্দ্ধাৰিণ হয়। ১৬৮২ খ্ৰীঃ ত ইটাখুলিৰ ৰণত গদাধৰ সিংহ মহাৰাজৰ হাতত মোগল বাহিনী হাৰিলত মানাহ নদীয়েই আহোম আৰু মোগলৰ সীমা নিৰ্দ্ধাৰিত হয়। এয়াই আহোম-মোগলৰ শেষ ৰণ। আহোম স্বৰ্গদেৱসকলে পূবে বৰনদী, পশ্চিমে নগৰবেৰাৰ পশ্চিম আৰু মানাহ নদীকে সীমা কৰি কামৰূপত মোগলৰ ৰাজহ ব্যৱস্থাকে বাহাল ৰাখি 'তপা' বিলাকক 'পৰগণা' কৰিলে। ড° সূৰ্য্যকুমাৰ ভূঞাই "স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহ" ত লিখিছে ঃ

প্ৰত্যেক পৰগণাৰ ভিতৰত পৰগণা বুজি দুখনৰপৰা ছয়খনলৈ তালুক আছিল। প্ৰতি তালুকত ছখনলৈকে লাট আছিল, আৰু প্ৰতি লাটৰ ভিতৰত তিনিখনৰপৰা ছখনলৈকে গাওঁ আছিল। প্ৰত্যেক পৰগণা এজন এজন চৌধাৰীৰ এলাকাত আছিল, প্ৰতি তালুকত এজন তালুকদাৰ, লাটত ঠাকুৰীয়া, তাৰ তলে কাকতী, সাৰা বা গাওঁবাৰিক আছিল। চৌধাৰীসকলে নিজ নিজ পৰগণাৰ পৰা ৰাজহ তুলি ৰজাঘৰত সোধাইছিল। উজনি অসমত প্ৰতি খেলৰ বিষয়া, বৰুৱা বা ফুকনে সেই খেলৰ প্ৰজাৰপৰা ৰাজহ গোটাইছিল আৰু পাইকে ৰজাঘৰত কাম কৰাত দৃষ্টি ৰাখিছিল। --- চৌধাৰীসকলে নিজৰ সংগৃহীত ৰাজহৰ পাচভাগৰ তিনি ভাগ নিজে ভোগ কৰিছিল, আৰু বাকী দুভাগ ৰজাঘৰত দিছিল। [৮৮]

আহোম স্বৰ্গদেৱসকলে কামৰূপত চৌধাৰী, পাটোৱাৰী আদিৰ হতুৱাই 'জাইগিৰি ধন' আদায় কৰিছিল। উজনিৰ দৰে পাইকে খাটনি নেখাটি প্ৰয়ে টকা দিছিল। কামৰূপত বহুত মাটি প্ৰজাবোৰে বিনাকৰে আৰু আধাকৰে ভোগ-দখল কৰিছিল। কামৰূপ - বিভিন্ন তীৰ্থৰ পূণ্যভূমি। আহোম স্বৰ্গদেৱসকলে দান কৰা সহস্ৰ ধৰ্ম্মোত্তৰ, দেৱোত্তৰ আৰু ব্ৰহ্মোত্তৰ মাটি প্ৰজাবৃন্দই ভোগ-দখল কৰাত ৰাজগৃহলৈ শুল্ক বাবদ অতি তাকৰীয়া মাটিহে ৰৈছিলগৈ।

আহোম ৰাজত্বৰ শেষৰফালে দেশ আভ্যন্তৰীণ বিপ্লৱত জুৰুলা

---

৮৮। সূৰ্য্য কুমাৰ ভূঞা ঃ স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহ, পৃ ২৪৫, ১৯৭৫

হোৱাত ৰাজকোষ শূন্য হৈ পৰিছিল। স্বৰ্গদেৱ গৌৰীনাথ সিংহৰ দিনত কাপ্তান ওৱেলচে মোৱামৰীয়াৰ হাতৰ পৰা দেশ ৰক্ষা কৰি ৰাজ্যৰ ৰাজভঁৰাল শূন্য কৰি কলিকতালৈ ৰাওনা হৈছিল। "তুংখুঙীয়া বুৰঞ্জী" ত আছে ঃ-

সেইবেলা ঁৰ ৰংপুৰত বাহৰত যি দ্ৰব্য বস্তু আছিল, তাক বঙ্গালে নাৱত তুলি ললে। বস্তুৰ লেখা সোণৰ অলংকাৰ ৪০০০০০ টা, ৰূপৰ ৪০০০০০ টা, সোণ ২০০০০০০০ টকা। আৰু তাম, কাঁহ, বস্ত্ৰ, অলংকাৰ, পিতল কিমান নিলে তাক লেখি কোনে পাব? নাও ২০০০ খন, দন্তাল হাতী ১টা, মাখুন্দী ১ টা, হিলৈ ৪০০০ টা —। [৮৯]

পৰবৰ্তী ৰজা চন্দ্ৰকান্ত সিংহৰ সময়তো মানৰ অত্যাচাৰৰ পৰা দেশ ৰক্ষা কৰিবলৈ বহুতো কৰ সোধাবলগীয় হৈছিল। ফলস্বৰূপে খৰিকাটনা আদি কৰ প্ৰজাৰ ওপৰত আৰোপ কৰা হৈছিল। সদৰামীনৰ আত্মজীৱনীত আছে ঃ

ঐ আমলে যুদ্ধৰ খৰচ বুলি খৰিকাটনা, উত্তম ঘৰত ৩ টকা, মধ্যমত ২ টকা, সামান্যত ২ টকা, প্ৰাকৃতত।। আনা লগালে। আৰু ছয় আনিত ফিৰা ।২ আনা লগালে; এহেতু ছয় আনি পৰগণা বোলে। [৯০]

— বৃটিছৰ দিনত স্কট চাহাবে চন্দ্ৰকান্ত সিংহই লগোৱা কামৰূপৰ এই ঘৰমূৰি কৰ আৰু পাইকৰ কৰ উঠাই দিয়ে।

ইয়াণ্ডাবু সন্ধি সূত্ৰে (১৮২৬ খ্ৰীঃ ২৪ ফেব্ৰুৱাৰী) অসম ইষ্ট ইণ্ডিয়া কোম্পানীৰ হাতলৈ যায়। ইংৰাজে অসমৰ পূবমূৰে থকা মটক ৰাজ্য, খামতি ৰাজ্য তেওঁলোকৰ নিজ নিজ অধিপতিৰ দায়িত্বত দি ব্ৰহ্মপুত্ৰ উপত্যকা নিজৰ হাতত ৰাখিলে। মটকৰ বৰ সেনাপতিয়ে বছৰি বাৰ হেজাৰ টকা কৰৰ বিনিময়ত তিনিশ বন্দুক লাভ কৰিলে। খামতি সকলে দুশ সশস্ত্ৰ বৃটিছ চিপাহী আৰু এজন পলিটিকেল এজেন্ট ৰাখিবলগীয়া হ'ল। ব্ৰহ্মপুত্ৰ উপত্যকাৰ নামনি অংশক "ছিনিয়ৰি তালুক" আৰু উজনি অংশক "জুনিয়ৰি তালুক" নাম দি ডেভিদ স্কট চাহাবে ক্ৰমে গুৱাহাটী আৰু ৰংপুৰত ৰাজধানী পাতি উত্তৰ পূব-সীমান্ত ৰাজ্য শাসন কৰিবলৈ ধৰিলে। স্কটে উজনি অসমৰ শাসনৰ সহায়ক হিচাপে ১৮২৬ খ্ৰীঃ ত কেপ্তেইন নিউভিল চাহাবক নিযুক্তি

৮৯। সূৰ্য্যকুমাৰ ভুঞা (সম্পা) ঃ তুংখুঙীয়া বুৰঞ্জী, পৃ ১২৯, ১৯৯০
৯০। কুমুদ চন্দ্ৰ বৰদলৈ (সম্পা):সদৰামিনৰ আত্ম জীৱনী, পৃ ২, ১৯৯১

দিয়ে। এওঁ কেবাজনো সহকৰ্মীৰ সহায়ত ৰাজহ বিভাগৰ ভালেখিনি সংস্কাৰ কৰি পাইক প্ৰথাক ৰোধ কৰে; আহোম ৰজাসকলৰ সাতাম পুৰুষীয়া বন্দী-বেটীৰ দাসত্ব প্ৰথাৰ মষিমূৰ কৰে। ফলত আহোম ৰাজ-পৰিয়াল আৰু ডা-ডাঙৰীয়াসকলে সামাজিক মান-মৰ্য্যদা হেৰোৱাত বৰ অসন্তুষ্ট হ'ল। এনেদৰে কালৰ সোঁতত সুদীৰ্ঘ ছয়শ বছৰে ৰাজত্ব কৰা আহোম ৰজাসকলৰ অৰ্থনৈতিক কাঠামো বৃটিছে দেশ অধিকাৰৰ লগে লগে নতুন তহবিলত পৰিণত হ'ল।

********

# তৃতীয় অধ্যায়
## প্ৰথম ভাগ

সাহিত্যই লিখিত ৰূপ পোৱাৰ বহুদিন আগৰেপৰা মানুহে পৰম্পৰে নিজৰ মনৰ ভাব-অনুভূতি প্ৰকাশ কৰিবলৈ গদ্য ব্যৱহাৰ কৰিছিল, গদ্যতে কথা বতৰা পাতিছিল।লেখন কলাৰ আৱিষ্কাৰ হোৱাৰ পূৰ্বে গদ্যৰ কথাবোৰ লিখিত ৰূপত সংৰক্ষণ কৰাৰ কোনো উপায় নাছিল।জনসাধাৰণে ছন্দোবদ্ধ কথা শুনিহে মনত ৰাখিব পাৰিছিল। আনকি লেখন কলাৰ উদ্ভৱ হোৱাৰ পিছতো অতি কম সংখ্যক লোকেহে লিখাৰ সঁজুলি ৰাখিবলৈ সমৰ্থ হৈছিল। পদ-পুথিবোৰ পঢ়ি দিয়াৰ পিছত শ্ৰোতাসকলে সহজে মনত ৰাখিব পাৰে। কিয়নো নিয়মিত মাত্ৰাযুক্ত ছন্দোবদ্ধ পদ্যই শ্ৰোতাৰ মন বিদৰে আকৰ্ষণ কৰিব পাৰে ছন্দোবন্ধনহীন গদ্যই তেনে কৰিব নোৱাৰে।প্ৰথমতে হয়তো পদসমূহ মুখে মুখে কিছু কাল ধৰি চলিছিল আৰু পিছলৈ এইবোৰে লিখিতৰূপ ধাৰণ কৰিলে। এই কাৰণেই বিশ্বৰ বিভিন্ন ভাষাৰ সাহিত্যত গদ্যতকৈ পদ্যৰ জন্ম কিছু আগতে হোৱা দেখা যায়।অৱশ্যে এইটো ঠিক যে পদ্য-সাহিত্যত বিশাল বটবৃক্ষৰ নিচিনাকৈ শাখা-প্ৰশাখাৰে পৰিপূৰ্ণতা লাভ কৰা অৱস্থাতেই গদ্য-সাহিত্যৰ উদ্ভৱ আৰু বিকাশ আৰম্ভ হয় আৰু কালক্ৰমত সাহিত্যৰ বিভিন্ন দিশ সামৰি লৈ পূৰ্ণৰূপ পৰিগ্ৰহণ কৰে।

**১.০ ভাৰতীয় গদ্য সাহিত্যৰ প্ৰাচীনতাঃ** আৰ্য্যসকলৰ প্ৰাচীন গ্ৰন্থ ঋক্‌বেদ পৃথিৱীৰ বৃহত্তম ভাষা পৰিয়াল ইণ্ডো-ইউৰোপীয় ভাষা সমূহৰ ভিতৰত সাহিত্যৰ প্ৰাচীনতম নিদৰ্শন। ঋক্‌বেদৰ সূক্তবোৰ হ'ল-- ভাৰতবৰ্ষৰ উত্তৰ পশ্চিম অঞ্চল অৰ্থাৎ গান্ধাৰ বা সপ্তসিন্ধু অঞ্চলত বাস কৰা আৰ্য্যসকৰ ভাষাৰ সাহিত্যক ৰূপ। এই ভাষা 'বৈদিক' বা 'ছান্দস' নামে জনাজাত। ঋক্‌বেদৰ পৰৱৰ্তীসময়ত ৰচিত বেদ তিনিখন হ'ল-- 'সাম', 'যজুঃ' 'অথৰ্ব'। বৈদিক সাহিত্যৰ ( খ্ৰীঃ পূঃ ১৫০০ - ৬০০ আনুমানিক) যজ্ঞীয় 'কৃষ্ণ যজুৰ্বেদত' গদ্য সাহিত্যৰ প্ৰথম নিদৰ্শন পোৱা যায়। অযজ্ঞীয় 'অথৰ্ব বেদ'তো প্ৰাচীন গদ্য সাহিত্যৰ কিছু অগ্ৰগতি হোৱা দেখা যায়। অৱশ্যে বৈদিক কৰ্মকাণ্ডৰ লগত গাঢ় সম্পৰ্কিত এই বৈদিক সাহিত্য গদ্যত ৰচিত হ'লেও ইয়াৰ গাম্ভীৰ্য্যপূৰ্ণ পদধ্বনিত প্ৰায়ে কাব্যিক ছান্দসিক গতিময়তাৰ অনুৰণন পৰিদৃষ্ট

হয়। প্ৰত্যেক বেদৰে একাধিক ব্ৰাহ্মণ আৰু উপনিষদ আছে। এই গ্ৰন্থসমূহত ব্যৱহৃত গদ্যও ইন্দো-ইউৰোপীয় ভাষা সমূহত ব্যৱহৃত প্ৰাচীনতম গদ্যশৈলীৰ উৎকৃষ্ট নিদৰ্শন।[১] ব্ৰাহ্মণ গ্ৰন্থবোৰত বিবিধ যজ্ঞৰ কাৰ্য্যকলাপ আৰু উপনিষদবোৰত আধ্যাত্মিক তথা দাৰ্শনিক চিন্তাৰ প্ৰকাশ ঘটিছে। এই গ্ৰন্থবোৰৰ ভাষা ঋক্‌বেদৰ ভাষাৰ সৰলীকৃত ৰূপ। গ্ৰন্থবোৰৰ গদ্য ভাগ সহজ-সৰল আৰু সুন্দৰ পৰিপাটিকৈ লিখা। বৈদিক সাহিত্যৰ লগতে পৰৱৰ্তী মহাভাৰত, পুৰাণ শাস্ত্ৰ বিশেষকৈ বিষ্ণু আৰু ভাগৱত পুৰাণ, সূত্ৰগ্ৰন্থ সমূহতো ভাৰতীয় গদ্য সাহিত্যৰ ৰূপ পৰিলক্ষিত হয়। খ্ৰীষ্টপূৰ্ব দ্বিতীয় শতাব্দীত ৰচিত পতঞ্জলিৰ 'মহাভাষ্য' প্ৰাঞ্জল সংস্কৃত গদ্য গ্ৰন্থ। ই পুৰণি ভাৰতীয় গদ্য সাহিত্যৰ উচ্চমানৰ আদৰ্শ বজাই ৰাখিছে। এওঁৰ পৰৱৰ্তী সময়ৰ গদ্য সাহিত্য হিচাপে 'পঞ্চতন্ত্ৰ' আৰু 'হিতোপদেশ'ৰ নাম বিশেষ স্মৰণীয়। ব্যাখ্যা সম্বন্ধীয় টীকা লিখা পদ্ধতিও সংস্কৃত গদ্য সাহিত্যৰ এটি অন্যতম উৎকৃষ্ট নিদৰ্শন। মীমাংসাসূত্ৰৰ ওপৰত লিখা শবৰস্বামীৰ টীকা, ন্যায়সূত্ৰৰ ওপৰত ব্যাৎসায়ণৰ টীকা, উপনিষদ আৰু গীতাৰ ওপৰত লিখা শংকৰাচাৰ্য্যৰ টীকা, মনু সংহিতাৰ ওপৰত ব্যাখ্যা সম্বলিত মেধাতিথিৰ টীকা আদি এই ক্ষেত্ৰত উল্লেখযোগ্য।

কিন্তু মন কৰিবলগীয়া কথা হ'ল উল্লিখিত গ্ৰন্থৰাজিৰ গদ্যই পৰৱৰ্তীকালৰ সংস্কৃত সাহিত্যৰ প্ৰকৃষ্ট গদ্যৰ নিচিনাকৈ পঢ়ুৱৈৰ মন আকৰ্ষণ কৰিব পৰা নাই। সংস্কৃতৰ উচ্চমান বিশিষ্ট গদ্য সাহিত্য কেইজনমান সাহিত্যকৰ হাতত সমুজ্জ্বল ৰূপত সৃষ্টি হৈছিল। এই প্ৰসংগত খ্ৰীষ্টীয় সপ্তম শতাব্দীৰ বাণভট্টৰ 'হৰ্ষচৰিত' আৰু 'কাদম্বৰী', আচাৰ্য্য দণ্ডীৰ 'দশকুমাৰ চৰিত' আৰু 'আৱন্তী সুন্দৰী কথা', সুবন্ধুৰ 'বাসৱদত্তা' আটাইতকৈ উচ্চমান বিশিষ্ট গদ্য সাহিত্য। এই গ্ৰন্থবোৰৰ উপৰিও ধনপালৰ 'তিলক মঞ্জৰী', সোড্‌ঢলৰ 'উদৰ সুন্দৰী কথা', অগ্যস্তৰ 'কৃষ্ণচৰিত' আদি উল্লেখযোগ্য সংস্কৃত কতা-সাহিত্য। এইখিনিতে সংস্কৃত ভাষাৰ গদ্য সাহিত্যৰ আলোচনাত প্ৰাকৃত বা মধ্য-ভাৰতীয় আৰ্য্য ভাষাৰ (খ্ৰীঃ পূঃ ৬০০ - খ্ৰীঃ ১০০০) গদ্য ৰচনাৰ কথা মনলৈ আহে। এইটো ঠিক যে সংস্কৃতৰ তুলনাত প্ৰাকৃতভাষাৰ গদ্য সাহিত্য যথেষ্ট কম। খ্ৰীঃ পূৰ্ব ৪৮৩ত বুদ্ধদেৱৰ মহাপৰিনিৰ্বাণৰ পিছত বৌদ্ধ ভিক্ষুসকলে ৰাজগৃহৰ 'সঙ্গীতি'ত মিলিত হৈ এওঁৰ বাণীসমূহ সংকলন কৰে। এই বৌদ্ধ গাথাসমূহৰ ব্যাখ্যা আৰু প্ৰসংগৰ বৰ্ণনাত পোনতে প্ৰাকৃত গদ্যৰ প্ৰয়োগ চকুত পৰে। বৌদ্ধ ধৰ্মৰ মূল গ্ৰন্থ 'ত্ৰিপিটক' গ্ৰন্থৰাজিৰ সংকলন সম্ভৱতঃ খ্ৰীষ্টপূৰ্ব তৃতীয় শতাব্দীৰ ভিতৰত সম্পূৰ্ণ হয়।[২] এই গ্ৰন্থৰ ভাষা গদ্য-পদ্য মিশ্ৰিত। ইয়াৰ

১। Arthur A. Macdonell : A History of Sanskrit literature, Page 31, 1961

২। বিৰিঞ্চি কুমাৰ বৰুৱা (সম্পা) ঃ বৌদ্ধধৰ্ম আৰু সাহিত্য, পৃ ১৪৬, ১৯৫৬

গদ্যভঙ্গী তেনেই সহজ-সৰল। ভাৱৰ পুনঃবাবৃত্তি হেতু বাক্যৰ পুনৰুক্তি প্ৰকাশ ৰীতিত সঘনে পৰিলক্ষিত হয়। খ্ৰীষ্টপূৰ্ব তৃতীয় শতাব্দীত মহামতি অশোকে ( খ্ৰীঃ পূঃ ২৭৩ - ২৩২ ) বুদ্ধৰ মহাবাণী জনসাধাৰণৰ মাজত প্ৰচাৰ কৰিবৰ নিমিত্তে পৰ্বতৰ গুহা, শিল, স্তম্ভ আদিত কথ্য-প্ৰাকৃতত এইবোৰ খোদিত কৰাইছি। ছাহ্ - বাজগঢ়ী, গিৰ্ণাৰ, ধৌলী, কালছী শিলালিপি; গয়াৰ বৰাবৰ পাহাৰৰ গুহানুশাসন; টোপ্ৰা-মিৰাট অঞ্চলৰ স্তম্ভলিপি আদিত প্ৰাচীন প্ৰাকৃতৰ গদ্যৰূপত ইয়াক দেখিবলৈ পোৱা যায়। তদুপৰি খ্ৰীষ্টপূৰ্ব প্ৰথম শতিকাৰ জৈন ধৰ্মাৱলম্বী খাৰৱেলৰ উদয়গিৰি পাহাৰৰ হথিগুম্ফা অনুশাসন; ৰামগড় পাহাৰৰ যোগীমাৰা গুহাত খোদিত শুতনুকা প্ৰত্নলেখ আদিৰ লেখা প্ৰাকৃতৰ গদ্যভঙ্গীৰ সামান্যতম বিকাশ। এই অনুশাসনবোৰৰ লেখা সংস্কৃত প্ৰভাৱপুষ্ট; উচ্চমানবিশিষ্ট প্ৰাকৃত গদ্য সাহিত্যৰ নিদৰ্শন নৌহয় এথোন।

খ্ৰীষ্টীয় প্ৰথম শতাব্দীত কুষাণ ৰজা কণিষ্কৰ ৰাজত্বকালত বৌদ্ধ শ্ৰমণ নাগসেনৰ 'মিলিন্দ পঞহ' প্ৰাকৃত গদ্য সাহিত্যৰ উৎকৃষ্ট নিদৰ্শন। গ্ৰীকৰাজ মিনাণড্ৰোস বা মিলিন্দক অৱলম্বণ কৰি এই গ্ৰন্থখন ৰচনা কৰিছে। এই সাহিত্যৰ গদ্য মাৰ্জিত, সাৱলীল আৰু সুগঠিত। তদুপৰি খ্ৰীষ্টীয় ষষ্ঠ শতাব্দীৰ লেখক শঙ্খদাস আৰু ধৰ্মসেন গণিনৰ 'বসুদেবহিণ্ডী', হৰিভদ্ৰসূৰিৰ 'সমৰাইচচকহা' আদি উল্লেখযোগ্য প্ৰাকৃত সাহিত্য। পৰৱৰ্তী সময়ৰ শ্ৰীচন্দ্ৰৰ 'কথাকোষ', সোমপ্ৰভাৰ 'কুমাৰপাল চৰিত', হেম বিজয়ৰ 'কথা ৰত্নাকৰ' আদি গদ্য-পদ্য মিশ্ৰিত প্ৰাকৃত সাহিত্য।

**১.১ অসমীয়া গদ্য সাহিত্যৰ প্ৰাচীনতাঃ** মধ্যভাৰতীয় আৰ্য্য ভাষাৰ অৱক্ষয় কালত খ্ৰীষ্টীয় নৱম-দশম শতিকামানৰ পৰা আৰ্য্যবৰ্ত্তৰ বিভিন্ন প্ৰদেশত স্বকীয় বৈশিষ্ট্যৰে নব্যভাৰতীয় ভাষাবোৰে গঢ় লৈ উঠে। সম্প্ৰতি উত্তৰ ভাৰতত ব্যৱহৃত বিভিন্ন প্ৰাদেশিক ভাষাবোৰে সংস্কৃতৰ পৰা প্ৰাকৃতৰ বিভিন্ন স্তৰৰ মাজেৰে আহি অপভ্ৰংশ বা অৱহট্টৰ ক্ৰমবিৱৰ্তনেৰে নিজৰ স্থায়ীত্ব প্ৰতিষ্ঠ কৰাত কাব্য, গীত, নাট, গদ্য সাহিত্যবোৰত প্ৰাচীন ভাৰতীয় সাহিত্যৰ প্ৰভাৱ স্পষ্ট। এই প্ৰাদেশিক ভাষাবোৰত প্ৰথমতে পদ্য সাহিত্যৰ সৃষ্টি হ'ল যদিও লাহেধীৰে কথা সাহিত্যও সৃষ্টি হ'ব ধৰিলে। আসমীয়া ভাষা সাহিত্যত চৰ্য্যাপদৰ সময়ৰ পৰা বৈষ্ণৱ যুগৰ আৰম্ভণিলৈকে প্ৰায় তিনি-চাৰিশ বছৰ পদ্য সাহিত্যৰ খলকনি উঠি থাকিল যদিও বৈষ্ণৱ যুগৰ পৰাই গদ্য সাহিত্যৰ নিদৰ্শন সুস্পষ্টভাৱে দেখিবলৈ পোৱা যায়। গদ্য সাহিত্যৰ প্ৰাচীনতাৰ বাবে ভাৰতীয় আন প্ৰাদেশিক সাহিত্যৰ তুলনাত অসমীয়া সাহিত্যই গৌৰৱ কৰিব পাৰে। কাৰণ খ্ৰীষ্টীয় পঞ্চদশ বা ষোড়শ শতাব্দীৰ পূৰ্বে ভাৰতীয় আৰ্য্য ভাষাৰ

কোনো প্ৰাদেশিক ৰচনাতে অসমীয়া গদ্যৰ দৰে প্ৰাঞ্জল গদ্য ৰচনা কৰাৰ প্ৰমাণ পোৱা নাযায়।

অসমীয়া গদ্যৰ বুৰঞ্জী শংকৰদেৱৰ লগতে আৰম্ভ হয়। শংকৰদেৱ, মাধৱদেৱ আদিৰ নাটৰ নাটকীয় গদ্যই অসমীয়া গদ্যৰ প্ৰথম নিদৰ্শন।[৩] নৱ বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ অত্যুত্তম বাহন স্বৰূপে মহাপুৰুষদ্বয়ে ৰচনা কৰা অংকীয়া নাটতেই পোন প্ৰথম সুৰ-লয় যুক্ত গদ্যৰ প্ৰয়োগ চকুত পৰে। সৰ্বসাধাৰণৰ কথিত ভাষাৰ লক্ষ্যণেৰে আৰ্দ্ৰ নহৈ 'ব্ৰজাৱলী' বা 'ব্ৰজবুলি' ভাষাৰে পৰিপুষ্ট অংকীয়া নাটৰ এই গদ্যক প্ৰকৃততে উচ্চমানবিশিষ্ট গদ্য বুলি ক'ব নোৱাৰি। প্ৰাচীন অসমীয়া গদ্য সাহিত্যৰ প্ৰকৃষ্ট নিদৰ্শন হ'ল-- বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্য্য ওৰফে ভট্টদেৱৰ (খ্ৰীঃ ১৫৫৮ - ১৬৩৮) কথাশৈলীত নিবন্ধ 'কথা-গীতা', 'কথা-ভাগৱত', 'কথা-ৰত্নাৱলী' গ্ৰন্থকেইখন। প্ৰকৃততে তেওঁৰ হাততেই অসমীয়া গদ্য ৰীতিৰ বান্ধ দৃঢ় হৈ গদ্য সাহিত্যই পৰিপুষ্টি লভে; আৰু চিন্তা বস্তু পৰিস্ফুটভাৱে প্ৰকাশ কৰিবলৈ সমৰ্থ হয়।[৪] খ্ৰীষ্টীয় ষোড়শ শতিকাৰ শেষৰ ফালে বৈষ্ণৱ সাহিত্যৰ আদৰ্শৰে দীক্ষিত হৈ কবিৰত্ন ভট্টদেৱেপ্ৰসিদ্ধ বৈষ্ণৱ শাস্ত্ৰ তিনিখনৰ গদ্যৰূপ দিয়ে। এই গদ্য বৈষ্ণৱ গদ্য বা সত্ৰীয়া গদ্য নামে পৰিচিত। পৰৱৰ্তী সময়ৰ বৈষ্ণৱ সত্ৰৰ তলে সৃষ্টি হোৱা চৰিতপুথি অসমীয়া সত্ৰীয়া থূলৰ গদ্যৰ অন্তৰ্গত। সমকালীন ৰাজঘৰীয়া পৃষ্ঠপোষকতাত বিকাশ লাভ কৰা বুৰঞ্জী সাহিত্যৰ গদ্য ব্যৱহাৰিক জীৱনৰ মাত-কথাৰে অনুৰক্ত। ব্যৱহাৰিক জীৱনৰ ৰসতাপ্ৰাপ্ত এই বুৰঞ্জী সাহিত্য ধৰ্মনিৰপেক্ষ। চৰিতপুথিৰ গদ্য যিদৰে সত্ৰীয়া ভকত সমাজত প্ৰচলিত মাত-কথাৰে পৰিপুষ্ট; বুৰঞ্জীৰ গদ্য তেনেদৰে দৈনন্দিন ব্যৱহাৰিক জীৱনত প্ৰচলিত কথ্যৰীতিৰে নিমজ্জিত। সেয়েহে প্ৰাচীন গদ্য সাহিত্যৰ উদ্ভৱ, ক্ৰমবিকাশ আৰু প্ৰস্ফুটনত দুটা ধাৰা স্পষ্ট : (ক) বৈষ্ণৱ গদ্য বা সত্ৰীয়া গদ্য আৰু (খ) বুৰঞ্জী সাহিত্যৰ গদ্য। অসমীয়া বুৰঞ্জী সাহিত্যৰ ভাষা আৰু গদ্যৰ স্বৰূপ সম্পৰ্কে প্ৰামাণিক তথ্য-পাতিৰ সহায়ত এটি সমীক্ষণ আগবঢ়াবলৈ যত্ন কৰা হ'ল।

**১.২ বুৰঞ্জী শব্দৰ আঁতি-গুৰি :** 'বুৰঞ্জী' আহোম ভাষাৰ শব্দ। ইয়াৰ অৰ্থ হ'ল-- "পুৰণি কথাৰ বৰ্ণনা, পুৰাবৃত্ত, ইতিহাস।"[৫] আহোম ভাষাত

---

৩। মহেশ্বৰ নেওগ, অসমীয়া সাহিত্যৰ ৰূপৰেখা, পৃ ১০০, ১৯৭৪

৪। বিৰিঞ্চি কুমাৰ বৰুৱা, অসমীয়া (কথা সাহিত্য) (পুৰণি ভাগ), পৃ ১৮, ১৯৮৪

৫। চন্দ্ৰকান্ত অভিধান, গু. বি. দ্বাৰা প্ৰকাশিত, পৃ ৬৭৯, ১৯৬২

'বু' মানে মূৰ্খ, 'ৰণ' মানে শিক্ষা আৰু জী মানে ভড়াঁল, বুৰঞ্জী মানে "মূৰ্খৰ শিক্ষাৰ ভড়াঁল।"[৬] বুৰঞ্জী শব্দৰ সমাৰ্থক ইংৰাজী শব্দ হ'ল --'হিষ্টৰি'। ই প্ৰাচীন ঐতিহ্যপূৰ্ণ 'গ্ৰীক' ভাষাৰ 'হিষ্টৰ' শব্দৰ পৰা আহিছে। হিষ্টৰ মানে 'জনা'।[৭] প্ৰাচীন যুগত ইউৰোপত বিশেষকৈ গ্ৰীচ দেশত বুৰঞ্জী লিখাৰ চৰ্চ্চ্য আছিল। তেওঁলোকে নিজে জনা বা নিজে দেখা কথাবোৰ লিপিবদ্ধ কৰি ৰাখিছিল। ইয়ে জ্ঞান বিস্তাৰ পদ্ধতিৰ ইংগিত দিয়ে। অৰ্থগত সামঞ্জস্য ফালৰ পৰা 'ক্ৰনিকল' শব্দটোৰ ব্যৱহাৰো এই ক্ষেত্ৰত মন কৰিবলগীয়া। অসমীয়া বুৰঞ্জী সাহিত্য বুৰঞ্জীতকৈ অধিক অৰ্থত ক্ৰনিকলহে অৰ্থাৎ কালানুক্ৰমিক ধাৰাবাহিক ঘটনাৰ বিৱৰণ।

১. ২.১ আমাৰ দেশত বুৰঞ্জীৰ সমাৰ্থক ৰূপত 'ইতিহাস' ( অ্যান্যালজ ) শব্দৰ প্ৰয়োগ কৰা হয়। 'ইতিহাস' শব্দটো মূলতঃ সংস্কৃত। ইয়াৰ ধাতুগত অৰ্থ হ'ল- "ইতিহ + আস্ + ঘঞ্" অৰ্থাৎ ইতিহাস শব্দৰ বুৎপত্তিগত অৰ্থ হ'ল- পৰম্পৰাৰ অনুৰূপতাৰ লগত খাপ খোৱা ঘটনাৰাশিৰ বৰ্ণনা। প্ৰাচীনকালত পণ্ডিতসকলে ইতিহাস শব্দৰ ব্যাখ্যা দাঙি ধৰি কৈছিল----

"ধৰ্মাৰ্থ কামমোক্ষনামুপদেশ সমন্বিতম্।
পূৰ্ববৃত্তকথাযুক্তমিতিহাসং প্ৰচক্ষ্যতে।।"[৮]

ধৰ্ম, অৰ্থ, কাম, মোক্ষ এই চতুৰ্বৰ্গৰ সাধনাৰ বাবে সন্নিবিষ্ট বিৱৰণকহে ইতিহাস বুলিছিল। বৰ্তমান ইতিহাস শব্দই চতুৰ্বৰ্গৰ আবেষ্টনীৰ পৰা আঁতৰি আহি বুৰঞ্জী বা হিষ্টৰিৰ লগত একীভূত হৈ পৰিছে। বিষয়গত অৰ্থৰ দিশৰ পৰা এই তিনিওতা সমাৰ্থ প্ৰকাশক আৰু সম মৰ্য্যাদা বিশিষ্ট।

**১.৩ ঃ বুৰঞ্জী সাহিত্য ঃ** অসমীয়া বুৰঞ্জী সাহিত্যৰ পৰিসৰ অতি বিশাল। এই বিশালতা অকল পৰিসংখ্যাগত বিশালতা নহয়, গুণগত দিশৰ পৰাও অতি তাৎপৰ্য্যপূৰ্ণ। পুৰণি কালত অসমীয়া বুৰঞ্জী সাহিত্যৰ ব্যাপক প্ৰসাৰ আৰু প্ৰচাৰেই ভাৰতীয় সাহিত্য জগতত ইয়াক এক বিশিষ্ট আসনত অধিষ্ঠিত কৰিছে, অসমীয়া জাতীয় জীৱনৰ বিকাশত গভীৰ প্ৰভাৱ পেলাইছে। বুৰঞ্জী সাহিত্য অসমীয়া জাতিৰ গৌৰৱৰ সঁফুৰা। অসমীয়া জাতিৰ ঐতিহ্য আৰু পৰম্পৰাৰ বহুত তথ্য বুৰঞ্জীৰ পাতত আছে। পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতিৰ অধ্যয়নত বুৰঞ্জী সাহিত্য অপৰিহাৰ্য্য অংগ।

---

৬। বেনুধৰ শৰ্মা (সম্পা) হে. গো. ৰচনাৱলী, পৃ ৪২৩, ১৯৬২
৭। উক্ত গ্ৰন্থ, পৃ ৪২৫
৮। উক্ত গ্ৰন্থ, পৃ ৪২৪

১.৩.১ "অসম দেশত" কেতিয়া বুৰঞ্জী সাহিত্য লিখা হৈছিল তাক খাটাংকৈ কোৱাটো টান। প্ৰথম আহোম ৰজা স্বৰ্গদেউ চুকাফাই ১২২৮ খ্ৰীঃত নামকিউ নৈ পাৰ হৈ পাটকাইৰ দাঁতিয়েদি সৌমাৰপীঠত উপস্থিত হৈ নিৰ্দেশ জাৰি কৰিছিল—"যি মৰে, যাক পাও , বাটত যি কথা হয়, পণ্ডিতে লিখি থব"।[৯] সেইদিন ধৰি উনবিংশ শতিকাৰ মাজভাগলৈকে আহোম নিয়মমতে ধাৰাবাহিকভাৱে বুৰঞ্জী লিখা নিয়ম চলি আহিছে।

সপ্তদশ-অষ্টাদশ শতিকাত বেছিভাগ বুৰঞ্জীয়েই ৰচনা কৰা হৈছিল বুলি পণ্ডিতসকল একমত। কিন্তু পূৰ্বোল্লিখিত আহোম ৰজাসকলৰ সৰু বৰ ঘটনা লিপিবদ্ধ কৰা পদ্ধতি আৰু তেওঁলোকৰ পূৰ্বপুৰুষৰ বংশাৱলী বা গোষ্ঠী বুৰঞ্জী প্ৰণালীবদ্ধভাৱে সংৰক্ষণ কৰাৰ নিয়ম (চুহুংমুং দিহিংগীয়া [১৪৯৭ - ১৫৩৯ খ্ৰীঃ] ৰজাৰ সময়ৰ ঘটনা) আৰু ১৫৫৫ খ্ৰীঃত নৰনাৰায়ণ মহাৰাজালৈ আহোম স্বৰ্গদেউ খোৰাৰজাই দিয়া চিঠিখনলৈ মন কৰিলে বুৰঞ্জী ৰচনাৰ সময় কিছুদূৰ আদগলৈ নিঃসন্দেহে নিব পাৰি। চতুৰ্দশ বা পঞ্চদশ শতিকাত নিভাঁজ অসমীয়া ভাষাত বিবিধ বিষয়ৰ সাহিত্য ৰচনাই গা কৰি উঠিছিল। তেনেস্থলত পঞ্চদশ শতিকাত সেই ভাষাত বুৰঞ্জী ৰচনা হ'ব নোৱাৰাৰ যুক্তি ক'ত?

১.৩.২ এই পৰ্য্যন্ত প্ৰকাশিত বুৰঞ্জী পুথিবোৰৰ বিষয়বস্তুৰ সমধৰ্মিতা আৰু ৰচনাকালৰ সমসাময়িকতা হেতু এইবোৰৰ কোনখন আগৰ বা পিছৰ তাক থিৰাংকৈ কোৱা সহজ নহয়। তথাপিও বুৰঞ্জীবোৰৰ ৰচনাৰীতিৰ ভাষাতাত্বিক পৰ্য্যালোচনাৰে ইয়াৰ কালক্ৰম নিৰ্ণয় কৰিব পৰা যায়। ভাষাতাত্বিক পৰ্য্যালোচনাৰ দৃষ্টিৰে পণ্ডিত হেমচন্দ্ৰ গোস্বামী সম্পাদিত "পুৰণি অসম বুৰঞ্জী"খনকে প্ৰাচীন বুলি ঠাৱৰ কৰিব পাৰি। অধিকাংশ বুৰঞ্জীবিদে কালাক্ৰমানুসৰি ইয়াৰ প্ৰাচীনত্ব স্বীকাৰ কৰিছে। এই বুৰঞ্জীখন কেবাখনো বুৰঞ্জীৰ সংকলন। বুৰঞ্জীখনৰ প্ৰথমৰ পৰা চতুৰ্থ অধ্যায়লৈ চুহুংমুং দিহিংগীয়া ৰজাৰ দিনত লেখা আৰু সেয়েহে ইয়াক ষোড়শ শতিকাৰ ৰচনা বুলি অভিহিত কৰিব পাৰি। অসমীয়া বুৰঞ্জীসাহিত্যৰ পুংখানুপুংখ বিশ্লেষণ কৰিলে দেখা যায় যে বুৰঞ্জীবোৰৰ অধিকাংশৰ ৰচনাকাল গদাধৰ সিংহৰ ৰাজত্বকালৰ পিছলৈ নিব নোৱাৰি। পৰৱৰ্তী সময়ৰ বুৰঞ্জীবোৰৰ ভিতৰত শ্ৰীনাথ দুৱৰা বৰবৰুৱাৰ "শ্ৰী শ্ৰীতুংখুংঙ্গীয়াঁৰ বংশাৱলী", কাসিনাথ তামুলি ফুকনৰ "আসাম বুৰন্‌জি পুথি", লক্ষ্মী সিংহ ৰজাৰ সময়ত লিখা ৰাজমন্ত্ৰী

৯। সূৰ্য্যকুমাৰ ভূঞা, (সম্পা) সাতসৰী, পৃ ৩, ১৯৬৯

নুমলী বৰগোঁহাই ডাঙৰীয়াৰ "চকৰিফেটী" আৰু এওঁৰ ৰাজত্ব কালৰ "বৰপাহী বুৰঞ্জীখন প্ৰণিধানযোগ্য। "তুংখুংঙীয়া বুৰঞ্জী"খনৰ ৰচনা কাল ১৮০৩ খ্ৰীঃ বুলি ধৰা হয়। তামুলি ফুকনৰ "আসাম বুৰন্‌জী পুথি"ৰ (১৮৪৪ খ্ৰীঃ) সময়তে ওলোৱা মণিৰাম দেৱান বৰভাণ্ডাৰ বৰুৱাৰ "বুৰঞ্জী বিবেক ৰত্ন" (১৮৩৮ খ্ৰীঃ) আৰু পৰৱৰ্তী সময়ৰ তামুলি ফুকনৰ বুৰঞ্জীৰ আলমত ৰচনা কৰা হৰকান্ত বৰুৱাৰ সদৰামীনৰ "অসম বুৰঞ্জী"ও তদানীন্তন সময়ৰ লেখতলবলগীয়া বুৰঞ্জী সাহিত্য।

১.৩.৩ সম্প্ৰতি ৰজাঘৰীয়া উচ্চপদস্থ কৰ্মচাৰীয়ে ৰচনা কৰা কেইবাখনো বুৰঞ্জী আৱিষ্কৃত হৈছে। ড সূৰ্য্য কুমাৰ ভূঞাই সম্পাদনা কৰা "সাতসৰী অসম বুৰঞ্জী"ৰ অন্তৰ্ভুক্ত প্ৰথমখন বুৰঞ্জী --"শ্ৰীযুত মহাৰাজাৰ মহাপাত্ৰ বুঢ়াগোঁহায়ে ৰূপিত ভাঙ্গি লিখা"। তেনেদৰে বাঁহগৰীয়া বুঢ়াগোঁহাইৰ বুৰঞ্জী "শ্ৰীযুত মহাৰাজা মহাপাত্ৰ বাঁহগৰীয়া বুঢ়াগোঁহাই উকুত ভাঙ্গি লিখোৱা"। এই 'ৰূপিত' আৰু 'উকুত' বুৰঞ্জীৰ সমাৰ্থক শব্দ। ৰূপিত ৰূপুত শব্দৰ অপভ্ৰংশ। ইয়াৰ অৰ্থ বিতং বিৱৰণ যুক্ত লেখা। সেয়ে হ'লেও "মহাৰাজৰ মহাপাত্ৰ বুঢ়াগোঁহাই" ডাঙৰীয়াৰ এইখন 'ৰূপিত' ঘটনাৰ সংক্ষিপ্ত বিৱৰণ মাত্ৰ। বুৰঞ্জীখনত "খুনলুং-খুনলাইৰ পৰা অৰ্জুন দিহিঙ্গীয়া ৰজালৈকে" সমগ্ৰ ঘটনাৰাজি মাত্ৰ ছয়ত্ৰিশ পৃষ্ঠাৰ ভিতৰতে সামৰি থোৱা হৈছে। বাঁহগৰীয়া ৰাজমন্ত্ৰী আতন বুঢ়াগোঁহাইৰ "উকুত ভাঙ্গি লিখোৱা" বুৰঞ্জীখনত ঘটনাৰ ধাৰাবাহিকতা ৰক্ষা কৰা দেখা যায়। উকুত মানে হ'ল-- "পোনপটীয়া ঘটনাপঞ্জী লিখি ৰখাৰ দস্তুৰ"।[১০]

১.৩.৪ সদ্য প্ৰকাশিত বুৰঞ্জীবোৰক কালগত আৰু বিষয়গত দিশৰ পৰা কেইটামান শ্ৰেণীত সন্নিবিষ্ট কৰি দেখুৱাব পাৰি। এই প্ৰসংগত বুৰঞ্জীবিদ ড সূৰ্য্যকুমাৰ ভূঞাই দেখুওঁৱা বিভাগ তিনিটা উল্লেখনীয় ঃ

১। ৰজা ভগদত্তৰ দিনৰ পৰা আহোম ৰাজত্বৰ আৰম্ভণিলৈ অৰ্থাৎ ১২২৮ খ্ৰীঃ লৈ।

২। আহোম ৰজাসকলৰ ৰাজত্বৰ আৰম্ভণিৰ পৰা অৰ্থাৎ ১২২৮ খ্ৰীঃৰপৰা তেওঁলোকৰ ৰাজত্বৰ শেষলৈকে অৰ্থাৎ ১৮২৬ খ্ৰীঃৰ ইয়াণ্ডাবু সন্ধিলৈকে।

৩। অসমৰ বাহিৰে ওচৰ-চুবুৰীয়া অন্য দেশৰ বুৰঞ্জী।[১১]

১০। লীলা গগৈ, টাইসংস্কৃতিৰ ৰূপৰেখা, পৃ ১৩৭, ১৯৮৫

১১। সূৰ্য্যকুমাৰ ভূঞা, এচ. এল. এ., পৃ ৩৯, ১৯৬২

প্ৰথম শ্ৰেণী বুৰঞ্জী সাহিত্যৰ নিদৰ্শনৰূপে প্ৰাচীন কামৰূপৰ হিন্দু ৰজাসকলৰ অসংলগ্ন ইতিহাসলৈ আঙুলিয়াব পাৰি। প্ৰাক্- আহোম যুগৰ এই সময়ছোৱাৰ বুৰঞ্জীৰ প্ৰধান আহিলা হ'ল- জনশ্ৰুতি আৰু প্ৰাচীন সাহিত্যৰ বিবিধ উপকথা। প্ৰাচীন কামৰূপ ৰাজ্যৰ শাসন ব্যৱস্থাৰ লগত সংযুক্ত ঘটনাৰ ধাৰাবাহিকতা ইয়াত বিদ্যমান। উক্ত যুগৰ বুৰঞ্জীৰ প্ৰকৃষ্ট নিদৰ্শন হ'ল-- ড ভূঞাৰ দ্বাৰা সম্পাদিত "কামৰূপৰ বুৰঞ্জী", মহামহোপাধ্যায় পদ্মনাথ বিদ্যাবিনোদ সংকলিত "কামৰূপ শাসনাৱলী" আৰু উক্ত গ্ৰন্থৰ ভূমিকাৰূপে সন্নিবিষ্ট "কামৰূপ ৰাজাৱলী"। ড মহেশ্বৰ নেওগ প্ৰণীত "প্ৰাচ্য শাসনাৱলী" এই প্ৰসংগত প্ৰণিধানযোগ্য। এই শ্ৰেণীৰ বুৰঞ্জী ৰজা-মহাৰাজাৰ প্ৰশাসনীয় আৰু দেশৰ প্ৰজাসমূহৰ কল্যাণমূলক আৰু উন্নয়ণমূলক কাৰ্যাৱলী তথা কিম্বদন্তি বা পৌৰাণিক কাহিনীৰ ওপৰত প্ৰতিষ্ঠিত। বুৰঞ্জীবোৰৰ ঐতিহাসিক মূল্য সাহিত্যিক সৌন্দৰ্য্যতকৈ এখোপ আগবঢ়া। উল্লিখিত দ্বিতীয় শ্ৰেণীৰ নিদৰ্শন আহোমৰ শেষ ৰজা পুৰন্দৰ সিংহ ( ১৮৩৩ - ৩৮ খ্ৰীঃ ) বা১৮৪৬ খ্ৰীষ্টাব্দত প্ৰকাশিত "অৰুণোদই" কাকতৰ সময়লৈকে ধৰিব পৰা যায়। এই আহোম যুগৰ বুৰঞ্জীবোৰৰ ভিতৰত "পুৰণি অসম বুৰঞ্জী", "আসাম বুৰন্‌জি পুথি", দেওধাই আসাম বুৰঞ্জী", "সাতসৰী অসম বুৰঞ্জী", "অসম বুৰঞ্জী (সুকুমাৰ মহন্তৰ ঘৰত পোৱা)," অসম বুৰঞ্জী" ( শ্ৰীযুত শৰত কুমাৰ দত্ত সম্পাদিত), "তুংখুংগীয়া বুৰঞ্জী", "অসম বুৰঞ্জী" ( হৰকান্ত বৰুৱা সদৰামীন) আদিয়েই প্ৰধান।

আহোম ৰজা সকলে ওচৰ-চুবুৰীয়া বা কৰতলীয়া শাসনকৰ্ত সকলৰ বিতং তথ্যপাতি বুৰঞ্জীবোৰত সন্নিবিষ্ট কৰিছিল। এই কৰতলীয়া শাসকসকলৰ মাজত বুৰঞ্জীলিখাৰ দস্তুৰ আৰু প্ৰাচীন পৰম্পৰা নাথাকিলেও আহোম বুৰঞ্জীৰ অন্তৰ্গত তথ্যবোৰৰ পৰাই এওঁলোকৰ ৰাজনৈতিক, সামাজিক আৰু সাংস্কৃতিক জীৱনৰ ছবি আমাৰ চকুৰ আগত স্পষ্ট হৈ পৰে। এনেকুৱা শ্ৰেণীৰ বুৰঞ্জীৰ ভিতৰত ড° সূৰ্য্য কুমাৰ ভূঞা সম্পাদিত "জয়ন্তীয়া বুৰঞ্জী", "কছাৰী বুৰঞ্জী", "ত্ৰিপুৰা বুৰঞ্জী", পাদশ্যাহ বুৰঞ্জী" আদি উল্লেখনীয়। আহোম ৰজাসকলে ৰাজকীয় চিঠি-পত্ৰ, উপঢৌকন আদিৰে কটকীসকলক বিদেশলৈ পঠিয়াইছিল; কটকীসকলে বিদেশৰ পৰা উভতি আহি ৰজাৰ ওচৰত বিদেশৰ ৰজাসকলৰ গতিবিধিৰ প্ৰতিবেদন দাখিল কৰিব লাগিছিল। ফলতঃ তেওঁলোকৰ এই প্ৰতিবেদনবোৰৰ পৰাই সমকালীন বুৰঞ্জী ৰচনা কৰিবলৈ যথেষ্ট সুবিধা হৈছিল। আহোম যুগত ৰচিত এই বুৰঞ্জীসমূহে অসমীয়া জাতিৰ গঠন

আৰু বিকাশৰ অধ্যয়নত প্ৰভূত অৰিহণা যোগাই আহিছে।

১.৪ বুৰঞ্জীবোৰ ৰজাসকলৰ নিৰ্দেশত আৰু ৰাজনীতি-সমাজনীতি আদি বিষয়ৰ সম্যক জ্ঞান থকা লোকৰ হতুৱাই লিপিবদ্ধ কৰা হৈছিল। বুৰঞ্জী লেখকসকল ৰজাঘৰীয়া মানুহ, ৰজাৰ অন্তঃপুৰৰ পৰা ৰাজসভালৈ এওঁলোকৰ অবাধ গতি। বুৰঞ্জীবোৰ লিখিবলৈ ৰাজগৃহৰ পৰা প্ৰয়োজনীয় কাকত-পত্ৰ, আহিলা পাতিও যোগান ধৰা হৈছিল। আহোম ৰাজভঁৰালৰ এটি কোঠাত অতি যত্নেৰে গান্ধীয়া ফুকনৰ তলে এইবোৰ সংৰক্ষিত কৰা হৈছিল। বিদেশৰ পৰা পোৱা বিবিধ চিঠি-পত্ৰ, উপঢৌকনৰ লেখা, ৰাজহ আৰু বিচাৰ বিভাগৰ বিভিন্ন নথি-পত্ৰ,মামলা-মোকদ্দমাৰ সিদ্ধান্ত সেনাধ্যক্ষ আৰু সীমান্তকৰ্তাৰ নিৰ্দেশপত্ৰ আদি ৰাজকীয় কাকত-পত্ৰৰূপে সংৰক্ষিত হৈছিল। এইবোৰৰ বাহিৰেও ৰাজ পৰিয়ালৰ সকলো কথা বাৰ্তা, প্ৰজা সকলৰ বিবিধ আচাৰ ব্যৱহাৰ, সাজ-পাৰ, জীৱন-নিৰ্বাহ পদ্ধতি, পাৰিবাৰিক জীৱন আদিৰ সকলো কথা ইয়াত সন্নিবিষ্ট কৰা হৈছিল। ৰজাৰ দৈনন্দিন কাৰ্য্যাৱলী, ৰাজকাৰেঙৰ ভিতৰুৱা কথা-বতৰা, দেশ-বিদেশৰ লগত আদান-প্ৰদান কৰা বাৰ্তাৰ, ধৰ্ম সম্বন্ধীয় কথা, দেওধাই-বাইলুং আদিৰ কথা,তত্ত্বমূলক কাহিনী, নানাধৰণৰ প্ৰবাদ-পটন্তৰ, আদিৰে বুৰঞ্জী সাহিত্য ভৰপূৰ।

১.৪.১ মনকৰিবলগীয়া যে – বিভিন্ন ৰজাঘৰীয়া তথা পাতিৰ সহায়ত লিখিত বুৰঞ্জী সাহিত্যবোৰত কোনো লেখকৰ নামোল্লেখ পোৱা নাযায়। "এই বিষয়ত কথা চৰিতৰ লগত গদ্যত ৰচিত এই বুৰঞ্জীবিলাকৰ মিল বৰ্ত্তমান।"[১২] সম্ভৱতঃ সঁচা কথা লিখি ৰজাঘৰীয়া ৰোষত পৰাৰ ভয়তো নাম নিলিখিব পাৰে। অৱশ্যে আহোম যুগৰ শেষত ৰচিত বুৰঞ্জীসমূহত লেখকৰ নাম পোৱা যায়। বুৰঞ্জী লিখিবলৈ ৰজাঘৰৰ পৰা মাটিবাৰী লগুৱা-লিকচৌও দিয়া হৈছিল। এককথাত ৰাজমন্ত্ৰীৰ প্ৰত্যক্ষ দৃষ্টিৰ আগত চিৰিং ফুকনৰ তত্ত্বাৱধানত বুৰঞ্জী প্ৰণয়ন কাৰ্য্য চলোৱা হৈছিল।

১.৪.২ এই বুৰঞ্জীবোৰ প্ৰথমে আহোম ভাষাত লিখা হৈছিল। এই আহোম ভাষাৰে লিখা পুথিবোৰ শ্যাম বা টাই ভাষাৰ দৰে আছিল। এইবোৰ সাধাৰণতে দেওধাই-বাইলুং পণ্ডিতসকলে প্ৰণয়ন কৰিছিল। এওঁলোকৰ মাজত বুৰঞ্জী লিখা দস্তুৰ সৌ সিদিনাৰ "মণিৰাম দেৱানৰ ফাঁচীৰ সময়লৈকে (১৮৫৮ খ্ৰীঃ) অব্যাহত আছিল। চিৰিং ফুকন আৰু বৰচিৰিং বৰুৱাৰ তত্ত্বাৱধানত দেওধাই-বাইলুং পণ্ডিতে এই কাম কৰিছিল।[১৩] সময়ত আহোম নৃপতিসকলে হাড়ে-হিমজুৱে অসমীয়া

---

১২। মহেশ্বৰ নেওগ, অসমীয়া সাহিত্যৰ ৰূপৰেখা, পৃ ২০৫, ১৯৭৪

১৩। লীলা গগৈ, অসমৰ সংস্কৃতি, পৃ ১০৩, ১৯৮২

জাতিৰ লগত মিলি যোৱাৰ উদ্দেশ্যে অসমীয়া ভাষা আৰু হিন্দু ধৰ্ম গ্ৰহণ কৰি অসমীয়া ভাষাতে বুৰঞ্জী লিখা ব্যৱস্থা প্ৰবৰ্তন কৰে। সেয়ে লেখন ৰীতিৰ ফালৰ পৰা অসমীয়া বুৰঞ্জী পুথিবোৰ চাৰি শ্ৰেণীত বিভক্ত কৰি আলোচনা কৰা হয়। এই শ্ৰেণীকেইটা হ'ল ঃ

(১) আহোম লিপি আৰু আহোম ভাষা।

(২) আহোম লিপি আৰু অসমীয়া ভাষা।

(৩) অসমীয়া লিপি আৰু অসমীয়া ভাষা।

(৪) অসমীয়া লিপি আৰু আহোম ভাষা।

বুৰঞ্জীবিদ পণ্ডিতসকলে উল্লেখ কৰা এই চাৰি প্ৰকাৰ লিখাৰ নিয়মৰ ভিতৰত সদ্যপ্ৰাপ্ত বুৰঞ্জীবোৰৰ ভিতৰত প্ৰথম আৰু তৃতীয় বিধৰ বুৰঞ্জীয়েই সৰহ।

১.৪.৩ বুৰঞ্জী সাহিত্য মূলতঃ গদ্য সাহিত্য। সেয়ে হ'লেও আহোম ৰজাসকলে পদ্যটো বুৰঞ্জী লিখিবলৈ ৰজাঘৰৰ পৰা প্ৰভূত অৰিহণা যোগাইছিল। "অসমৰ পদ্য বুৰঞ্জী", "দৰং ৰাজবংশাৱলী" এই প্ৰসংগত উল্লেখনীয়। অসমৰ পদ্য বুৰঞ্জীৰ কবি দুগৰাকী হ'ল ঃ দুতিৰাম হাজৰিকা স্বৰ্ণকাৰ ডেকা সাতোলা আৰু বিশ্বেশ্বৰ বৈদ্যাধিপ। এঁওলোক দুয়োৰে আহোম ৰাজ পৰিয়ালৰ লগত সম্পৰ্ক আছিল ঃ ৰাজাজ্ঞাত এওঁলোকে বুৰঞ্জী লিখিছিল। "বেলিমাৰৰ বুৰঞ্জী"ৰ বিষয়ে ড সত্যেন্দ্ৰনাথ শৰ্মাই "অসমায়া সাহিত্যৰ ইতিবৃত্ত"ত এইদৰে লিখিছে ঃ

" বিশ্বেশ্বৰে পুৰণি কাব্যৰ ৰীতিত পদ, দুলড়ী, ছবি, লেছাৰী, ঝুমুৰা ছন্দত বুৰঞ্জীখন প্ৰণয়ন কৰিছে। বুৰঞ্জীখনত গৌৰীনাথ সিংহৰ পৰা চন্দ্ৰকান্ত সিংহৰ দিনলৈকে ঘটা ঐতিহাসিক ঘটনা পৰম্পৰাৰ অবিকৃত অথচ কাব্যসুলভ ৰসাল বিৱৰণ আছে।"

তেনেদৰে দুতিৰাম হাজৰিকাই তেখেতৰ "কলিভাৰত বুৰঞ্জী"ত-- আহোম ৰাজত্বকালৰ শেষ ছোৱাৰ ঐতিহাসিক বিৱৰণ পদ, দুলড়ী আদি ছন্দত প্ৰকাশ কৰিছে। মাজে মাজে সাংসাৰিক দুখৰ অনিত্যতা দেখুৱাই হৰি নামত আশ্ৰয় লবলৈ উপদেশ দিছে।

"দৰং ৰাজবংশাৱলী"ৰ কবি সূৰ্য্যখৰি দৈৱজ্ঞই দৰঙী ৰজা সমুদ্ৰনাৰায়ণৰ পৃষ্ঠপোকষতা লাভ কৰি বুৰঞ্জী ৰচনা কৰিছিল। কিন্তু বিশাল বুৰঞ্জী সাহিত্যৰ বিৱৰণসমূহ গদ্যৰ জড়িয়তে যেনেদৰে সুস্পষ্টকৈ প্ৰকাশ কৰা সম্ভৱ পদ্যৰ দ্বাৰা তেনে কৰাটো সম্ভৱ নহয় বুলি ক'ব পাৰি। কিয়নো

গদ্যই হে বাস্তৱতাৰ স্বাক্ষৰ বহন কৰে।

১.৫ মধ্যযুগৰ অসমৰ এই ইতিহাসবোৰ অসমীয়া জাতীয় জীৱনৰ ৰাজনৈতিক-সামাজিক-অৰ্থনৈতিক-সাংস্কৃতিক-শৈক্ষিক-ভাষাতাত্ত্বিক ইত্যাদি বিবিধ তথ্য-পাতিৰে সমৃদ্ধশালী। বুৰঞ্জী সাহিত্যৰ চিন্তা চৰ্চা আহোম ডা-ডাঙৰীয়া আৰু সৰ্বসাধাৰণ প্ৰজাৰ মাজত দৈনন্দিন কৰ্মৰ অংগ হৈ পৰিছিল। তাহানি ৰাজকোঁৱৰ নাইবা মুখ্য বিষয়াৰ পুত্ৰসকলক বিদ্যা শিক্ষাবৰ্ষতে বুৰঞ্জী পঢ়োৱা হৈছিল। বুৰঞ্জী হ'ল - অসমীয়াৰ মানত জ্ঞানৰ অফুৰন্ত ভাণ্ডাৰ। বিয়াবাৰু আদি উৎসৱতো বুৰঞ্জী বা প্ৰাচীন বংশাৱলীৰ অংশ বিশেষ পাঠ কৰাৰ নিয়ম আছিল। বুৰঞ্জীৰ সহায়ত ভবিষ্যত বাণীও কৰা হৈছিল। আহোম ৰজাসকলে দেশত বৈষ্ণৱ-শাক্ত-শৈৱ আদি সৰ্ব সম্প্ৰদায়ৰ ধৰ্মৰ লগত দেৱ-দেৱীৰ মন্দিৰ নিৰ্মাণ কৰিছিল। এই মন্দিৰবোৰ অসমীয়া জাতিৰ সাংস্কৃতিক মিলন ক্ষেত্ৰত পৰিণত হৈছিল আৰু এইবোৰে বৃহৎ অসমীয়া জাতি গঠনৰ পথ প্ৰশস্ত কৰি তুলিছিল। মন্দিৰবোৰত সময়ে সময়ে ধৰ্ম গ্ৰন্থৰ লগতে বুৰঞ্জী অধ্যয়নো কৰা হৈছিল। বুৰঞ্জীপ্ৰীতি আহোম তথা অসমীয়া জাতিৰ এটি বিশেষ বৈশিষ্ট্য।

১.৫.১ বৰ্তমানেও আহোম যুগত ৰচিত বুৰঞ্জী পুথিবোৰৰ বহুতো অনাবিষ্কৃত অৱস্থাত আছে। অসমৰ বহু পৰিয়ালত এতিয়াও অনেক বুৰঞ্জী ঘৰৰ চিলিঙত পৰি আছে। অসমৰ প্ৰায় প্ৰত্যেকতো পৰিয়ালৰে নিজা বংশাৱলী বা গোষ্ঠী বুৰঞ্জী আছে। এইবোৰ প্ৰকাশ হ'লে বুৰঞ্জী সাহিত্যৰ অধ্যয়নত বিশেষ সহায়ক হ'ব। কিছুমান বুৰঞ্জী কাপোৰেৰে বন্ধা অৱস্থাত পোৱা গৈছে। এইবোৰ অতি সতৰ্কতাৰে পুৰুষানুক্ৰমে সংৰক্ষিত বৈ আহিছে। পুৰণি বুৰঞ্জীবোৰ ধোৱাচাঙত এলান্ধুৰে আবৰা অৱস্থাত পোৱা যায়, ইয়াৰ লেখাবোৰ প্ৰায় অস্পষ্ট হৈ পৰা দেখা যায়। বহুতো বুৰঞ্জী প্ৰাকৃতিক দুৰ্যোগ, মানৱ উপদ্ৰৱ, মোৱামৰীয়া ৰণ আৰু অষ্টাদশ শতিকাৰ মাজভাগত সংঘটিত হোৱা কীৰ্তিচন্দ্ৰ বৰবৰুৱাৰ বুৰঞ্জীদাহ যজ্ঞৰ ফলত নিশ্চিহ্ন হৈ যায়।

১.৫.২ অসমীয়া বুৰঞ্জী সাহিত্য ধৰ্ম আৰু ব্যক্তি নিৰপেক্ষতা বিশেষ লক্ষণীয়। বুৰঞ্জীবোৰত কোনো প্ৰশংসা বা স্তুতি বাক্যৰ সমাৱেশ ঘটা নাই। এইবোৰত ৰজা-প্ৰজাৰ সমান স্থান। বুৰঞ্জীবোৰত ৰজাসকলৰ জন্মবোধি মৃত্যু পৰ্য্যন্ত ঘটা দৈনন্দিন জীৱনৰ দুখ-সুখ, ৰাজকুঁৱৰী আৰু লিগিৰীসকলৰ ভিতৰুৱা জীৱনৰ কথা-বতৰা, সামাজিক আচাৰ-ব্যৱহাৰ, ৰণ-বিগ্ৰহৰ নীতি, প্ৰশাসন বিধি, ৰাজনীতি, ওচৰ-চুবুৰীয়া ৰাজ্যৰ কটকীসকলৰ লগত হোৱা

আলাপ-আলোচনাৰ লিপিবদ্ধ ৰূপ আছে। এইবোৰত কল্পনাৰ আতিশয্য নাই। এইবোৰ মূলতঃ বাস্তব চিত্ৰ। বুৰঞ্জীবোৰত ঠায়ে ঠায়ে বৰ্ণিত যুদ্ধ-বিগ্ৰহ, ৰজা ভঙা-পতা আদি আলোচনা-বিলোচনাবোৰ বাস্তৱবাদী দেশাত্মবোধেৰে অনুৰণিত হৈ উঠিছে। এই খিনিতে উল্লেখনীয় যে বৈষ্ণৱ যুগৰ সাহিত্যত জনসাধাৰণৰ জীৱনৰ ৰং-ৰূপ বিশদভাবে প্ৰতিফলিত হোৱা দেখা নাযায়। বৈদান্তিক মায়াবাদৰ ওপৰত প্ৰতিষ্ঠিত বৈষ্ণৱ সাহিত্যই মানৱৰ আধ্যাত্মিক জীৱনৰ মূল লক্ষ্য প্ৰতিপাদনত আবদ্ধ হৈ পৰা হেতুকে জনজীৱনৰ বাস্তৱ চিত্ৰ অপেক্ষিত হৈ ৰ'ল। কিন্তু বুৰঞ্জীত জীৱনৰ সত্য ঘটনাৰ অভিব্যক্তি প্ৰতি পাতে পাতে। ইয়াৰ লিখাত ক'তো বাহুল্য নাই, কোনো সঁচা কথাকে গোপন কৰিবৰ চেষ্টা নাই। ৰজাঘৰৰ বহুত গোপন কথা বুৰঞ্জীবোৰত পোনপটীয়াভাবে প্ৰকাশ কৰা দেখা যায়। আনকি কাড়ী-পাইক বনুৱাবোৰৰো বহুত সম্ভেদ বুৰঞ্জীয়ে আমাক দিয়ে। বুৰঞ্জীৰ এনে ৰচনা পদ্ধতিয়ে গণতান্ত্ৰিক নীতিৰ সূচনা কৰে। প্ৰত্যেকখন বুৰঞ্জীতে সমসাময়িক জীৱন-চিত্ৰ প্ৰতিফলিত হৈছে ; ঘটনাৰ সময়ানুক্ৰম বুৰঞ্জীবোৰত ৰক্ষিত হৈছে জীৱনৰ আদৰ্শাত্মক বাস্তব দিশটোও অতি দৃঢ়ভাবে প্ৰকাশ কৰা হৈছে। বুৰঞ্জী সাহিত্যত গণতান্ত্ৰিক দৃষ্টিভংগীৰ বীজ অংকুৰিত হোৱাত গণচিত্তৰ হুবহু প্ৰতিৰূপ ইয়াৰ কোঁহে কোঁহে অনুৰণিত হোৱা দেখা যায়। সেয়ে ক'ব পাৰি যে, আহোম যুগৰ সাহিত্যৰ বিষয়বস্তু হ'ল -- মানৱ আৰু মানৱৰ প্ৰকৃত অধ্যয়ন। এই দৃষ্টিভংগীয়ে বুৰঞ্জী সাহিত্যক আধুনিক সাহিত্যৰ ওচৰ চপাই আনিলে। ইয়াৰ বিষয়বস্তু আৰু গদ্যশৈলী— দুয়োটাই পৰৱৰ্তী যুগৰ সাহিত্যৰ পথাৰ আওঁতোৱা বাবে চিৰস্মৰণীয় হৈ ৰ'ব নিশ্চয়।

********

# দ্বিতীয় ভাগ

২.০ অসমীয়া গদ্য সাহিত্যৰ ক্ৰমবিকাশত বুৰঞ্জীৰ গদ্যই এক বিশিষ্ট স্থান অধিকাৰ কৰি আছে। বৈষ্ণৱ সাহিত্যৰ ধৰ্মীয় ঐতিহ্যপুষ্ট সত্ৰীয়া গদ্যই ভক্তিমাৰ্গী গদ্যশৈলী সৃষ্টি কৰিছিল যদিও বুৰঞ্জী সাহিত্যৰ বাস্তৱমুখী গদ্যৰ অভ্যুদয়ৰ লগে লগে সত্ৰীয়া গদ্যৰ প্ৰভাৱ বহুলাংশে নোহোৱা হ'ল। এই বুৰঞ্জীৰ গদ্য মূলতঃ বাস্তৱভিত্তিক। এইবোৰত অতি বাস্তৱ দৃষ্টিভংগীৰে মানুহৰ বিভিন্ন সমস্যাৰাজি সকলোৰে মনোগ্ৰাহীকৈ বৰ্ণনা কৰা হৈছে। কল্পনাৰ মৃদু স্ফুৰণ ইয়াত নাই বুলিবই পাৰি। অনুভূতি আৰু ভাৱপ্ৰৱণতাও ইয়াত গৌণ। অনাহক বাহুল্য কথাৰ অৱতাৰণা ইয়াত নাই। প্ৰকাশভংগী অতি পোনপটীয়া। সহজ-সৰলভাৱে বৰ্ণনীয় বিষয় উপস্থাপন কৰা ৰীতি বুৰঞ্জী গদ্যৰ বিশেষত্ব। সকলোবোৰ কথাই সুস্পষ্টকৈ বৰ্ণনা কৰা হৈছে। স্পষ্টতা আৰু সৰলতা বুৰঞ্জীৰ গদ্যৰ প্ৰাণ। সংস্কৃত আলংকাৰিকসকলে ইয়াক প্ৰসাদগুণ বুলিছে। বৰ্ণিত বিষয় সৰ্বজনবোধগম্য কৰি তোলা সকলো প্ৰকাৰ ৰচনাৰে মূল কথা। ইয়াৰ বাবে লেখকৰ বিষয়বস্তুৰ ওপৰত স্পষ্ট জ্ঞান থকা দৰকাৰ। বুৰঞ্জী লেখকৰ ৰচনাৰীতিত এই দুয়োটা গুণ ৰ সমাৱেশ পৰিলক্ষিত হয়। ই হ'ল বুৰঞ্জী ৰচনাৰ ভিত্তিভূমি। অস্পষ্টতা আৰু জটিলতা বুৰঞ্জী ৰচনাৰীতিৰ পৰিপন্থী। অতি সহৃদয়তাৰে বৰ্ণিত ঘটনাৰ সহজ -সৰল অথচ সংযত বৰ্ণনাই বুৰঞ্জী সাহিত্যৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰে। দৃষ্টান্তস্বৰূপে "পুৰণি অসম বুৰঞ্জী"ৰ পৰা তলৰ অনুচ্ছেদটো দাঙি ধৰা হ'ল ঃ

বুঢ়াগোহাঞি মৰোতে ঘৈণীয়েকত ক'লে, বোলে এই কাকবাঁহৰ চুংগাত হেংদানখনি থৈছো। কোনোদিনত যদি বুঢ়াগোহাঞি বুলি গোণাওতা হয়, আকো দেখাই তহতে মোৰ সকলো সংকেত কথা কবি। এই বুলি বুঢ়াগোহাঞি মৰিল। সাত বৎসৰ পাচত চুকাফা বোলে আমাৰ যে বুঢ়াগোহাঞি হৰাল, আতে কত বা আছে নেকি, বিচাৰ কৰক। পাচে এই কথা শুনি বুঢ়াগোহাঞিৰ ঘৈণীয়েকে ল'ৰাটি লৈ'ত ক'লৈগৈ, হেংদানকো দিলে। চিন প্ৰমাণ অহা সংকেতকো কলত, প্ৰমাণ পাই সেই ল'ৰাটিকে বুঢ়াগোহাঞি পাতিলে। তাৰে পৰা বুঢ়াগোহাঞি হ'ল। ( পৃষ্ঠা ১৩ )

২.১ গতিশীলতা আৰু যথাযথতা বুৰঞ্জী ৰচনাৰীতিৰ অন্যতম বৈশিষ্ট্য। ঐতিহাসিক ঘটনাৰাশিৰ ক্ৰমাগত আৰু যথাৰ্থ বৰ্ণনাই বুৰঞ্জীৰ গদ্যক প্ৰাণৱন্ত কৰি

তুলিছে। বাস্তৱানুগ হোৱা হেতু অন্তৰ্দেশীয় ৰাজনৈতিক তথা বৈদেশিক পৰিক্ৰমা বিষয়ৰ আলাপ-আলোচনা অসম আৰু মিত্ৰ দেশৰ প্ৰচলিত ভাষাৰে লিপিবদ্ধ কৰা হৈছিল। সেয়ে 'জয়ন্তীয়া', 'কছাৰী', 'ত্ৰিপুৰা', 'দেওধাই' আদি বুৰঞ্জী পুথিবোৰ অকল অসমীয়া শব্দ সম্ভাৰেৰে প্ৰকাশ ক্ষম কৰি তোলাৰ বাবে বাস্তৱ পৰিৱেশৰ অভাৱ ঘটিছিল। ফলত বুৰঞ্জীৰ গদ্যত মিশ্ৰিত ভাষাৰ প্ৰয়োগ অপৰিহাৰ্য্য হৈ পৰিছিল। বুৰঞ্জীৰ এই ৰচনাশৈলী সকলোবোৰ বুৰঞ্জী পুথিতেই একে পৰ্য্যয়ৰ নহয়। বহু ক্ষেত্ৰত লেখকৰ হাতত পৰা উপাদানৰ দ্বাৰা ৰচনাশৈলী প্ৰভাবিত হৈছে। "পুৰণি অসম বুৰঞ্জী" বা "তুংখুংগীয়া বুৰঞ্জী"ত আহোম ৰাজধানীৰ সম্ভ্ৰান্ত অসমীয়া কথিত গদ্যৰ নিদৰ্শন পোৱা যায়। পিছৰখন বুৰঞ্জীত বহুল পৰিমাণে ব্যৱহৃত আহোম ভাষাৰ শব্দাৱলীয়ে ৰচনাশৈলীৰ কঠিনতা সানিছে। আনফালে "পাদশ্যাহ বুৰঞ্জী"ত বৈদেশিক পৰিক্ৰমা বিষয়বস্তুৰ প্ৰভাৱ পৰা হেতুকে আৰবী আৰু ফাৰ্চী ভাষাৰ দ্বাৰা প্ৰভাবিত শব্দযোজনাই গদ্যশৈলীত এটি নতুন ৰূপ দিছে। সম্ভৱতঃ উত্তৰ-গুৱাহাটী কুৰুৱা অঞ্চলত লিখা "অসম বুৰঞ্জী"ত ( সুকুমাৰ মহন্তৰ ঘৰত পোৱা ) এই দুই ধৰণৰ শৈলীৰ প্ৰভাৱৰ বাহিৰেও অন্য এক স্থানীয় প্ৰভাৱ পৰাত বুৰঞ্জীখনৰ ৰচনাশৈলী জটিলতৰ হৈ পৰিছে। "ইয়াৰ শৈলী দিল্লী, ঢাকা, কোচবেহাৰ, গুৱাহাটী আৰু গড়গাওঁৰ বহুৰূপী মিশ্ৰণ।"[১] তলত দিয়া অনুচ্ছেদ কেইটাত বুৰঞ্জী গদ্যৰীতিৰ এই বৈশিষ্টসমূহ বিশেষভাৱে বৰ্তমান ঃ

**(ক) সুকুমাৰ মহন্তৰ ঘৰত পোৱা "অসম বুৰঞ্জী"ৰ গদ্যশৈলী ঃ** সেইবেলা চুজাক খেদি মজুমখাঁ ঢকাৰ নজিতক বহিছিল। সেইবেলা *দেবৰ হাৰামখোৰ জয়নাৰায়ণ মজুমখাঁত মিলি পূৰ্বসীমা চাৰি কামৰূপ উজাৰ কৰি আচামে নিয়া বাৰ্তা ক'লে। এই বাৰ্তা পাই মজুমাখোৰ পাত্‌শাৰ ঠাইলৈকে পঠালে—"আচামে কামৰূপ উজাৰ কৰিলে, আমাকো ধৰিবলৈ মন কৰিছে। এতেকে মোগল মাৰিবাক যি যত্ন কৰিছো হঠাতে সিদ্ধি নহয়। আৰু সিদ্ধি হয় মানে আচামকে কোচবেহাৰকে মাৰি ফিৰি আহিব খোজে, কাহা হুকুম হয়?" এই বাৰ্তা পাই পাত্‌সা বোলে "ভালা, তো আচভি কোচবেহাৰ ভি আচাম ভি মলুক মহিন কৰি চিতাপি আহিব। ( পৃষ্ঠা ৭৬ )

**(খ) "দেওধাই অসম বুৰঞ্জী"ৰ গদ্যৰ নমুনা ঃ**

অ' বাৰু আচ্চা, আৰু ঈশ্বৰদেৱৰ শ্ৰীচৰণাৰবিন্দত পূৰ্বে যি ৰূপে সেৱা জনাই আছে সেয়ে আহিছে বা নাই? "অ' দেউ, ভগ্যা-ৰাজ্য, ভগাদেশ, কিছো

---

১। মহেশ্বৰ নেওগ, অসমীয়া সাহিত্যৰ ৰূপৰেখা, পৃ ২০৬, ১৯৭৪

নাই, যি পাৰি গছৰ ফুল মাথাৰ চুল এয়েৰে সেৱা জনাইবৰ নিমিত্তে আহিছো।" "অ' বাৰু আচ্ছা"। "হাতী ঘোঁৰা সন্দেশ-পত্ৰ নাহিলে বহাৰ বৰুৱাই দাই ধৰিব পায়?" "অ, আগিয়াসুঙ্গঁতুঙ্গঁ, তই এনে অনিৰবন্ধি কথা ক'ব নাপাব। পূৰ্বে তোৰ তাম্ৰধ্বজ ৰাজা বিশ্বোনাথ খেত্ৰত কবুল কৰিয়াছে হাতে তিল-কুশ ধূপ-দীপ লই, দুই হাতে দুই ঘোঁৰা, সন্দেশ-পত্ৰ কটকী বৰুৱা প্ৰতি বছৰে সেৱা জনাইবৰ নিমিত্তে ৰ শ্ৰীচৰণাৰবিন্দত। (পৃষ্ঠা ১২৯)

**(গ) "তুংখুংঙ্গীয়া বুৰঞ্জী"ৰ সম্ভ্ৰান্ত অসমীয়া কথিত গদ্য ঃ**

সেই সময়ত উক্ত মাজুলি, অভয়পুৰ, ৰংপুৰ এই ঠাইৰ সন্ত-মহন্ত দেশস্থ প্ৰাণী মোৱামৰীয়াৰ উপদ্ৰৱত ভাগি দেশ-দেশান্তৰে গ'ল। প্ৰজাৰ মহত্ বিপত্তি হৈছিল। সেইবেলা মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙ্গঁৰীয়া পক্ষীয়ে যেনেকৈ শিশু চটকক পখাৰে আৱৰি ৰাখে সেইৰূপে ডাঙ্গৰীয়াই ৰক্ষা কৰিছিল। ( পৃষ্ঠা ১১৫ - ১৬ )

২.২ বুৰঞ্জী লেখকসকল ৰজাৰ বিশ্বস্ত ৰাজবিষয়া আৰু ৰাজ্যৰ সম্ভ্ৰান্ত পৰিয়ালৰ লোক হোৱা হেতু বুৰঞ্জী সাহিত্যৰ গদ্য গাম্ভীৰ্য্যপূৰ্ণ আৰু সম্ভ্ৰমসূচক হৈ পৰিছে। এনে গম্ভীৰ পৰিৱেশ সৃষ্টি কৰোতে লেখকসকলে সময়ে সময়ে দেৱভাষা সংস্কৃতৰ প্ৰয়োগ কৰিছে। বুৰঞ্জীবোৰৰ প্ৰাক্কালতে "শ্ৰীকৃষ্ণায় নমঃ" বা "শ্ৰীগণেশায় নমঃ" ইত্যাদি মাংগলিক শব্দ নিৰ্বিঘ্নে গ্ৰন্থ প্ৰণয়নৰ কাম সমাপ্তি হোৱাৰ বাবে প্ৰয়োগ কৰা দেখা যায় আৰু ইয়ে গ্ৰন্থখনৰ সৌষ্ঠৱবৰ্ধনত যথেষ্ট অৰিহণা যোগাইছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অংকীয়া নাট আৰু কাব্য সমূহতো এনেকুৱা মংগলজ্ঞাপক শব্দৰ প্ৰয়োগ মনকৰিবলগীয়া। উদাহৰণস্বৰূপে "পাৰিজাত হৰণ নাট"ত "শ্ৰীকৃষ্ণায় নমঃ" বুলি প্ৰথমতে ভগৱত চৰণত প্ৰণতি জনোৱাৰ উপৰিও সূত্ৰধাৰৰ মুখেৰে "পহিলহি শ্ৰীকৃষ্ণক প্ৰণাম কয়কহ সভাসদ লোকক সম্বোধি বোলে " আদি উক্তিলৈ উল্লেখ কৰিব পাৰি। বৈষ্ণৱ ভক্তিবাদমূলক সাহিত্যৰ এনে প্ৰভাৱ পৰৱৰ্তী বুৰঞ্জী সাহিত্যত পৰিলক্ষিত হয়। "পাদশ্যাহ বুৰঞ্জী"ৰ সমীক্ষণৰ পৰা জনা গৈছে যে — মাত্ৰ 'দশম' অধ্যায়তহে এইদৰে "শ্ৰীকৃষ্ণায় নমঃ" বুলি লিখা হোৱা নাই। সম্ভৱতঃ 'দশম' অধ্যায়টো চিঠি-পত্ৰ সম্পৰ্কীয় অধ্যায় হোৱা বাবে "শ্ৰীকৃষ্ণায় নমঃ" বোলা স্তুতি বাক্যৰ প্ৰয়োগ কৰা নাই। আনহাতে কেৱল 'নৱম' অধ্যায়তহে "শ্ৰীৰাম" "শ্ৰীকৃষ্ণায় নমঃ" এনেদৰে লিখা আছে, কিন্তু অইন সকলোবোৰ অধ্যায়ত "শ্ৰীকৃষ্ণায় নমঃ" স্তুতি বাক্যৰ উল্লেখ আছে। 'নৱম' অধ্যায়ৰ এই উল্লেখ বৈষ্ণৱ কবিকুলৰ দ্বাৰা স্বীকৃত ৰাম আৰু কৃষ্ণৰ অভিন্নতাকে প্ৰতিপন্ন কৰা যেন অনুমান হয়।

২.২.১ বুৰঞ্জীবোৰত ৰাজবন্দনা, প্ৰস্তাৱনা, উপাস্যজনৰ উপাসনা ইত্যাদিত

সংস্কৃতৰ প্ৰয়োগ মনকৰিবলগীয়া। এইবোৰৰ যথাৰ্থ প্ৰয়োগে ৰচনাশৈলীত এক সুকীয়া গাম্ভীৰ্য্য আনি দিছে। যেনে ঃ

(ক) মহাদেৱৰ স্তোত্ৰ–

কালজঙ্ঘং কালদন্তং কালবস্ত্ৰং সুশোভিতং।
সুন্দৰং সৰ্ব্বদেহঞ্চ সৰ্ব্বশক্ৰবিমৰ্দ্দনং।।
সৰ্ব্বদেশে তুপ্ৰখ্যাত কামৰূপে বিশেষতঃ।
গৌৰীসমন্বিতো ৰুদ্ৰঃ স্থানঞ্চ অলিনাসিব।।[২]

(খ) প্ৰস্তাৱনা —

শদিয়াকোৰ্জকো দেশঃ চুটিকা-বংশ ভীৰ্ম্মোকিঃ।
ধাতুদ্ৰব্যে তু লেভে ন হত্বা জনপদানয়ঃ।।[৩]

২.২.২ কেতিয়াবা কেতিয়াবা কিছুমান বুৰঞ্জীত বৰ্ণনীয় বিষয়ৰ সামঞ্জস্য হেতু একেটা বাক্যতেই সংস্কৃত শব্দ বা বাক্যাংশ ব্যৱহাৰ কৰা দেখা যায়। আকৌ ৰচনাশৈলীক যুক্তিনিষ্ঠ কৰি গঢ়ি তোলোতে সংস্কৃত নীতি-বচনৰ প্ৰয়োগো বুৰঞ্জীত নোহোৱা নহয়। তলত দুটামান উদাহৰণ দাঙি ধৰা হ'ল ঃ

(চ) লেখা পাই কমতেশ্বৰে বোলে—

ৰাজা দশৰথৰ মৃত্যু ভাৰ্য্যাৰ কাৰণ, মহাপ্ৰভু শ্ৰীৰামৰ সন্তাপ সীতাৰ কাৰণ মৃগ কুত্ৰ হিৰন্ময়? আৰু বিশেষাৰণ্যক পশুপক্ষী সকলক দাবাগ্নিয়ে কালক্ৰমে ভস্মসাৎ কৰে, তথাপি নেকি পশুপক্ষীয়ে সমস্তে অৰণ্যক ছাৰে? ৪

(ছ) পাছে উকীল বুলিলে, বোলে – "ভাগৱতী এইৰূপে সম্পন্ন কৰোক"। এইবুলি ৰামেশ্বৰ ন্যায়ালংকাৰে শ্লোক এটা বুলিলে, বোলে–

"বন্ধনান্যপি বহুনি, সন্তি চেতঃ প্ৰেমৰজ্জুবিনিবন্ধনমন্যৎ।
কাষ্ঠভেদনিপুণোহি ষড়ঙিঘ্ৰৰ্ন্নিষ্ক্ৰিয়ো ভবতি পঙ্কজবন্ধ।।"৫

(জ) তেওঁৰ পুত্ৰ মহাতেজস্বী ৰাজনীতি ভেদকো জানোতা প্ৰচণ্ড চৰিত্ৰ, উদ্যমশীল, স্তম্ভন বশীকৰণ এইসকলক জানে, ভবিষ্যত কাৰ্য্যকো জানে, পিঠি, কোষ, গল, উপস্থত ৰাজ-চিহ্ন আছে, দুই হস্তত যৱ-অংকুশ, অনামিকা, কণিষ্ঠ অংগুলি সমান, হস্ত-পদ্ম-চক্ষুৰক্ত, এনে পিতৃ স্বৰ্গীয় হ'লত ১৩১১ শকত ৰাজা হ'ল।[৬]

---

২। সূৰ্য্যকুমাৰ ভূঞা (সম্পা), দেওধাই, পৃ ১৬২, ১৯৯০
৩। উক্ত গ্ৰন্থ, পৃ ১৯৩
৪। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) অসম বুৰঞ্জী, পৃ ১৫, ১৯৮৮
৫। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) ত্ৰিপুৰা বুৰঞ্জী, পৃ ১৩, ১৯৬২
৬। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) দেওধাই, পৃ ২১৫, ১৯৯০

২.২.৩ অসমীয়া বুৰঞ্জী সাহিত্যৰ অন্তৰ্গত বিবিধ বিষয়ক চিঠি পত্ৰত প্ৰয়োগ কৰা গদ্যৰীতিও এই প্ৰসংগত বিশেষ বিবেচনীয়। প্ৰয়বোৰ চিঠিৰে লিখাৰ ঠাঁচ সংস্কৃতানুগ। "চিঠিবোৰৰ প্ৰশস্তিবচন অংশ সমাসবহুল সংস্কৃতৰ।" এই "চিঠিৰ প্ৰশস্তিত থকা সংস্কৃতখিনি অনুপ্ৰাস আদিৰে অলংকৃত আৰু প্ৰাচীন সংস্কৃত কাব্য সাহিত্যৰ ভাব আৰু ভাষাৰ স্পন্দনজড়িত"।[৭] ভট্টদেৱৰ গদ্যত যিদৰে সংস্কৃত সমাস-সন্ধি আদিৰ প্ৰয়োগ কৰা হৈছে, বুৰঞ্জীৰ লেখনিতো তদ্ৰূপ প্ৰয়োগ দেখা যায়। দুই-চাৰিখন বুৰঞ্জীত সংস্কৃত ভাষাতেই লিখা চিঠিৰ ৰূপো পোৱা যায়। আহোমৰ শ্ৰেষ্ঠ ৰজা ৰুদ্ৰসিংহ মহাৰজাই ত্ৰিপুৰাৰ ম হাৰজা ৰত্নামাণিকলৈ ৰহস্যাবৃত কৰি চুঙাত ভৰাই শ্ৰীৰুদ্ৰ কন্দলী আৰু শ্ৰীঅৰ্জুন দাস বৈৰাগীৰ হাতত দি পঠোৱা চিঠিৰ লেখা এই ধৰণৰ ঃ

স্বস্তি নিস্তুল নিৰন্তৰামিতদান-মান-সন্তান-মানিতানেক-নিবৃতস্থ-জনগণ-গীয়মান-যশোৰাকাহিমকৰ-ধবলীকৃতাম্বৰ-নিৰম্বৰকেশে-কৰবীৰ-মত্তমাতঙ্গ-নিকায়-প্ৰতিম-বিপক্ষ-বহুবিদ্ৰা-বনজনুবীৰ-মহিলানয়ন-নিৰ্গচ্ছদম্বু-নিকৰ-প্ৰতাপ-তপন-তাপ-তিৰোভূত-তিমিৰততি-স্বজন-পদ-চতুস্পদীকৃত-ধৰ্ম্ম-ধৰ্ম্মাবতৰ-জনি-পবিত্ৰীকৃত - বিশ্বম্ভৰম-শ্ৰীশ্ৰীযুত-ৰত্নমাণিক্যদেৱ-ৰাজবৰেষু-লেখনম্। ৰহস্য পত্ৰমিদং। ( ত্ৰিপুৰা বুৰঞ্জী, পৃষ্ঠা ১৫ )

"জয়ন্তীয়া বুৰঞ্জী"ত উল্লিখিত শ্ৰীযুত গড়গঞা সন্দিকৈ বৰফুকয়ালৈ দিয়া জয়ন্তা ৰজাৰ তৃতীয়খন পত্ৰ এনেবিধৰ ঃ

স্বস্তি প্ৰচণ্ড-দোৰ্দ্দণ্ড-খণ্ড-খণ্ডীকৃতাৰি-মুণ্ড-পৰম্বল-প্ৰবল-মত্তমা-তঙ্গ-গণ্ড-লীলায়ামুণ্ড-কবৰ-সস্থিবিৰ-নিজ-ধৈৰ্য্য-মৰ্য্যাদাভি-ৰামাভিৰত-প্ৰাৰ্থিতাভি-মতাশ্বৈৰ্য্যান্ত-বিতৰণজনিত-যশঃ-পাৰা-বাৰ-পৰিপুৰিত-দিগন্তৰ-ত্ৰিভুবন-বিৰাজিত-শ্ৰীশ্ৰীযুতলাণ্ডাসুল-তান-মহাৰাজ-লক্ষ্মীসিংহ-প্ৰবল-প্ৰতাপানাং-সকল-মঙ্গল-কুল-কলাপালিঙ্গিত-কলেবৰ-বিবিধ-গুণাগাৰ-গাম্ভীৰ্য্যোজ্জি ত-ৰত্নাকৰ-নিৰন্তৰ-শ্ৰেষ্ঠদেৱচৰণ-পঙ্কজ-ভৃঙ্গায়িতমতি-শূৰবৰ-শ্ৰীযুত বৰফুকন-পৰম-সুচাৰু-চৰিত্ৰেষু। (জয়ন্তীয়া বুৰঞ্জী, পৃষ্ঠা ৫৯ )

২.২.৪ চিঠিবোৰৰ সমাচাৰ খণ্ডৰ ভাষা বাৰেবৰণীয়া। বিভিন্ন দেশীয় ৰজাসকলৰ মনোভাব আৰু অভিপ্ৰায় সেই দেশৰ প্ৰচলিত ভাষাৰ মাধ্যমেৰে কৰা হেতুকে সেই দেশৰ প্ৰচলিত ভাষাৰ সুন্দৰ চানেকি এই চিঠিবোৰৰ ভাষাত দেখা যায়। চিঠিৰ লগতে প্ৰেৰণ কৰা নানা উপহাৰ, সন্দেশ আদিৰ তালিকাও এইবোৰত সংযুক্ত হৈ থাকে। চিঠিৰ ভাষাৰ দৰে উপহাৰ সামগ্ৰীৰ নাম তালিকাখন দেশীয়

৭। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) তুংখুঙীয়া বুৰঞ্জী, পৃ (পাতনি) ৪১, ১৯৯০

উৎপাদিত সামগ্ৰীৰ সুন্দৰ নিদৰ্শন। এক কথাত ক'বলৈ হ'লে সংস্কৃতৰ লগত দেশীয় ভাষাক সংমিশ্ৰন কৰি লিখা বুৰঞ্জী সাহিত্যৰ এই চিঠ-পত্ৰবোৰৰ ভাষা নিজস্ব দৃষ্টিভংগীৰে মহিমান্বিত— "স্বে মহিম্নি" ৰূপত প্ৰতিষ্ঠিত।

দৃষ্টান্তৰূপে ওপৰত উল্লিখিত বুৰঞ্জী পত্ৰ এখনৰ কিয়দংশ উদ্ধৃত কৰি দেখুঁৱা হ'ল ঃ

(ক) ... পৰম স্নেহপূৰ্বক-শুভৰ্শী লেখনং কাৰ্য্যঞ্চ। এথা কুশল, তোমাৰ কুশল মঙ্গল সৰ্বদা বাঞ্ছি। পৰং তোমাৰ লিখন পৌছিল, সমাচাৰ প্ৰীতিপূৰ্ব্বকে, জানিলাম। গড়গাওঁ জয়ন্তা দুই নাহয়, একঘৰ প্ৰায় সম্বন্ধ প্ৰীতিতে চলিয়া গৈছে। পূৰ্ব চাৰিয়া সূৰ্য্য পশ্চিমে উদয় হৈব, কলা কাক ধবল হৈব, ভাটী লৌহিত্য উজান চলিব, তথাপিও তোমাৰ আমাৰ প্ৰীতি গোট ৰাস নাহৈব। আৰু তুমি যে লেখিছ্য, বিচাৰপূৰ্ব্বকে কৰিলে নিঃসন্দেহৰূপে প্ৰীতি কিসক নাচালিব? এ যে লেখিছ্য ভাল লোখছ্য... ...। ( জয়ন্তীয়া বুৰঞ্জী, পৃষ্ঠা ৬৮ ঃ ৬৯ )

(খ) স্বস্তি সমস্ত গুণধাম সৰবিন্দু সদৃশ যশোৰাসী বিৰাজিত শ্ৰীযুত বড়বড়ুয়াও চেটিয়া গোহাঞিজিউ মহামোহন্নত প্ৰতাপেষু। লেখনং কাৰ্য্যঞ্চ আগে এথা কুশল কেবল তোমাৰ কুশলাভ্যুদয়কে সদা পৰিচিন্তি। পৰং সমাসাৰ এই এখন আমাৰ সাত তোমাৰ সনাতন ও শ্ৰীকানু শৰ্মা আসিতে দৰবাৰক চৌৰিকে সাক্ষাৎ খড়েৰহে। আমিও মেহৰত ভাবৰূপ সাদৰেক কৰিয়া তোমাৰ মাঙ্গল্য লেখন বাৰ্তা দুজন উকিলেৰ ৰোখ চাৰে সুনিলাম। অতঃপৰ তাহা নে যে পূৰ্ব সলাহ ইতৰ ফেৰ অন্বধিক হইলে ইসো আস্তে দেশ বিদেশৰ লোকে শুনিয়া প্ৰশংসা কৰে। আৰ উ্‌কিল বিম্বেও শলাই নয় ই বেকতত কাল। প্ৰত্যুত্তৰ কুসলাদি সমাচাৰ লেখিয়া আপন সন্তুষ্ট সৰ্ব কাম কাজ সৰিয়ত ৰাখিবেক। আৰ অধিক হাম্‌ভি কি কহিম। আমাৰ উকিল চৰিপ খাঁ ও ৰঘুৰাই দোজন হুজুৰ হুৰ সাল কহিবেক। ইতি সহৰ বজাৰৰ ১৫৫৭ মাস আশ্বিন তাৰিখ ৮ সন্দেশ বানাত ২, জিন লাগাম সহিত ঘোড়া ১, পালেঙ্গ পোচ ৫, সুলতানি চিট ৭, সোণোৱালী কমৰ বন্ধা ৬ খন, কাঁচৰ ঝাড়ি ২, তাৰে বটা ২, মিশ্ৰ ২ সেৰ, লঙ্গ ৩ মোন।

( পুৰণি অসম বুৰঞ্জী, পৃষ্ঠা ১৫৭ ঃ ৫৮ )

ওপৰত উল্লিখিত 'খ' অনুচ্ছেদটো "পুৰণি অসম বুৰঞ্জী"ৰ "ত্ৰয়োদশ অধ্যায়"ৰ অন্তৰ্গত বিবিধ চিঠি-পত্ৰবোৰৰে এখন। "গদ্যৰ পুস্তক" এই অধ্যায়ৰ চিঠিবোৰত বিবিধ ভাষা গোষ্ঠীৰ শব্দমালাৰ সংমিশ্ৰন ঘটিছে। "পত্ৰ ব্যৱহাৰত সংস্কৃতক আশ্ৰয় কৰা বিশিষ্ট ৰীতি আৰু পত্ৰ লেখকৰ নিজৰ ভাষাৰ মিশ্ৰনে বুৰঞ্জীত সন্নিবিষ্ট পত্ৰবোৰৰ গদ্যক (epistolary prose) অনেক সময়ত এক আচহুৱা ৰূপ দিছে।"[৮]

৮। মহেশ্বৰ নেওগ, অসমীয়া সাহিত্যৰ ৰূপৰেখা, পৃ ২০৭, ১৯৭৪

২.২.৫ মন কৰিবলগীয়া যে– প্ৰায়বোৰ চিঠিতে সম্বোধনাংশ দীঘল সমাসযুক্ত সংস্কৃত ভাষাৰে আৰম্ভ হৈছে। সম্বোধনসূচক বাক্যৰ ঠাঁচ একে সাঁচত মৰা। বাক্যৰ গঠনৰীতিত ভাষাৰ কথিত ৰূপ লিখিত ভাষাত সোমাই গৈছে। চিঠিবোৰৰ ভাষাৰ ঠাঁচ অসমীয়া। তৎসম, তদ্ভৱ, আৰবী, আদি শব্দ প্ৰয়োগে চিঠিবোৰ বৈশিষ্ট্যপূৰ্ণ কৰি তুলিছে। বুৰঞ্জীবোৰৰ চিঠি-পত্ৰত থলুৱা শব্দ্য প্ৰয়োগো একাধিক। ইয়াৰ ভাষা যেনেদৰে গাম্ভীৰ্য্যপূৰ্ণ তেনেদৰে কাব্যিক সুষমাসিক্ত। একেখন পত্ৰতেই বিবিধ শব্দমালাক এটাৰ পিছত আনটো গুঠি দি বৰ্ণনীয় বিষয়ক অতি আতকধুনীয়া ৰূপত ফুটাই তুলিছে। এই গদ্য মূলতঃ বিৱৰণাত্মক যদিও নাটকীয় গদ্য ৰীতিৰ প্ৰয়োগো চিঠি বিশেষে নোহোৱা নহয়। সাবলীলতা, বাঙ্‌ময়তা আৰু অনলস গতি নাটকীয় গদ্যৰীতিৰ মূল লক্ষণ। আনহাতে নাটকীয় ৰীতিৰ বাক্যবোৰ চুটি চুটি আৰু কথিত ভাষাৰ ওচৰ চপা। বুৰঞ্জীৰ চিঠিৰ গদ্যত ইয়াক প্ৰায়ে দেখা যায়। উদাহৰণ স্বৰূপে "কামৰূপৰ বুৰঞ্জী"ত সন্নিবিষ্ট "দশম অধ্যায়"ৰ "অসম আৰু বেহাৰৰ পত্ৰ সমাচাৰ"ৰ অন্তৰ্ভুক্ত "শ্ৰীশ্ৰীজয়ধ্বজ সিংহ মহাৰাজে পুনৰ্বাৰ ৰাজা প্ৰাণনাৰয়ণৰ ঠাইলৈ দি পঠোৱা পত্ৰ"খনি উল্লেখ কৰি দেখুওঁৱা হ'ল ঃ

স্বস্তি সকল মঙ্গলালিঙ্গিত কলেবৰালঙ্গ সমসৰাঙ্গনীকুৰ আলয়ণবৰ তাৰ্চ্চিত দ্বিজদেৱ মহামহিম শ্ৰীশ্ৰীমৎ কমতেশ্বৰ ৰাজ মহোদাৰ চৰিত্ৰবিচিত্ৰত গুণ সমূহেষু। সৌহাৰ্দ্দপূৰ্বক লেখনং প্ৰয়োজনঞ্চাগে। এথাত আমাৰ সমন্তৱে কুশল । ৰাজা প্ৰাণ নাৰায়ণৰ কুশল নিৰন্তৰে চাহি। পৰং তুমি যি পত্ৰ লেখিলা উকিলৰ মুখেও যে কহি পঠালা তাক শুনি আমি পৰম সন্তোষ লভিলো। আৰ তুমিৰ প্ৰীতিৰ কাৰণ যি লেখিলা লেখিবাক পোৱা। কিন্তু প্ৰীতি গোট আজিৰ নহই, পূৰ্ব ধৰি বিশ্ব সিংহৰ দিন হন্তে এই প্ৰীতি গোট চলি গৈছে। এখনো আমি সেই প্ৰীতিতেসে ৰহিছি। যেখন আমাৰ ভৱনাথ কাৰ্জ্জি হাজোক আসিল, সি আমাত ভৰসা নাদিয়া বঢ়াই লিখিলেক। সেই কাৰণে যিথিনি তোমাৰ আমাৰ অপ্ৰীতি হৈল তাক আমিও মনে এৰিছি, তোমৰাও মনে কিছু গুণাহ নকৰিবা। ইদা নীক তোমাৰ আমাৰ যেমনে অভেদ প্ৰীতি গোট হয় তেমন খান কৰিবা। ( পৃষ্ঠা ৭৯ - ৮০ )

২.৩ বুৰঞ্জীবোৰ প্ৰথমে আহোম ভাষাত লিখা হৈছিল। "দেওধাই অমস বুৰঞ্জী" তেনে এখন আহোম ভাষাৰ পৰা অসমীয়ালৈ অনুদিত আপুৰুগীয়া বুৰঞ্জী। "দেওধাই অসম বুৰঞ্জী"ৰ দৰে "বাঁহগড়ীয়া বুঢ়াগোঁহাইৰ বুৰঞ্জী", "দাঁতীয়লীয়া বুৰঞ্জী" আৰু "বিবিধ খণ্ড বুৰঞ্জী"তো আহোম ভাষাৰ প্ৰয়োগ দেখা যায়। সেয়ে হ'লেও "দেওধাই অসম বুৰঞ্জী" গদ্যক আহোম ভাষাৰ বহল প্ৰয়োগে বাকী সব বুৰঞ্জীৰ তুলনাত এক নতুনত্বৰ বোল সানি দিছে। পুথিখনৰ প্ৰায়বোৰ কথ্যভংগীতে

আহোম ভাষাৰ শব্দাৱলীৰ সঘন প্ৰয়োগ ঘটিছে। মূলগত অনুবাদ হোৱাৰ হেতু ভাষাৰ স্বকীয়তা পৰিস্ফুট হোৱা দেখা নাযায়। এইখন বুৰঞ্জীৰ গদ্য বহু পৰিমাণে পিঞ্জৰাবদ্ধ। আহোম শব্দৰ বহুল প্ৰয়োগৰ ফলত বৰ্ণনীয় বিষয় ভাৰাক্ৰান্ত হৈ পৰিছে। সেই কাৰণে বুৰঞ্জীখনৰ লেখন ৰীতিয়ে পাঠকৰ মনত গভীৰ ৰেখাপাত নকৰে। ই দুৰ্বল গদ্যৰ নিদৰ্শন। বিশেষতঃ ইয়াত ব্যৱহৃত হোৱা আহোম শক, তাৰিখ আৰু বৰ্ণবাচক শব্দবোৰৰ উপৰ্য্যুপৰি প্ৰয়োগে ৰচনাৰীতিক অধিক জটিল কৰি তুলিছে। ই মূলতঃ আহোম ভাষাৰ পৰা অনুবাদ হোৱা হেতু, বাক্যস্থিত পদসমূহৰ শুদ্ধ প্ৰয়োগৰ বিপৰ্য্যয়ে বহু সময়ত অৰ্থকে বিকৃত কৰি পেলাইছে। বাক্যবিন্যাসৰীতিও মাজে মাজে মূল অনুগামি হোৱাত অসমীয়া ভাষাৰ ৰীতি বিৰুদ্ধ হৈছে। সেয়ে হ'লেও অসমীয়া বাক্য বিন্যাসৰীতিৰ কাঠামোতহে ই ৰূপ লাভ কৰিছে। অৱশ্যে ইয়াৰ অধ্যয়নে আহোম ভাষা নজনাকৈ আহোমসকলৰ স্বভাবজঃ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ আদিৰ আভাস দিয়ে। আহোম সমাজৰ বিবিধ পূজা-পাৰ্বণ, নীতি-নিয়ম আদি বিষয়ক শব্দৰ সৈতে সম্বন্ধবাচক শব্দসমূহৰ বহুল প্ৰয়োগে ইয়াক সম্ভৱপৰ কৰি গঢ়িতোলে। সেইপিনৰপৰা আহোম শব্দবহুল অসমীয়া গদ্যৰ চানেকিৰূপে ইয়াৰ মূল্য অপৰিসীম। এটি উদাহৰণ দিয়া হ'ল ঃ

লাক্‌নি কাপ্‌লাও কাপঙ্গি শকত কাওৰুং মুংবান পালেহি। লাক্‌নি ডাপ্‌মাও ৰাইচি শকত মুংলামুংতি পালেহি। লাক্‌নি মুংচ্যেও, প্লেকচিঙ্গী শকত হাতীখৰীয়া নগাৰ গাওঁ পালেহি। লাক্‌নি কাত্ মুৎ, খুৎচান শকত নামকিউৰ পাৰ হৈ ওপৰ চকুৱা নগাৰ গাওঁ পালেহি।... সেই ঠাই থাকি চুকাফা ৰজাদেৱে তাখুনলাক চৰণ, খুনকং উলিয়া, খুনতংথাই, কাংখুমুং, খামুং, কানঙ্গন বুঢ়াগোঁহাই, থাওমুং-কেওখুন, থাওমুং বাংথাম, এই সকলক পঠাই পুংগকংগক যুজিব দিলেগৈ, তাকো জিনি আহিল। ( পৃষ্ঠা ৭ )

২.৩.১ "দেওধাই অসম বুৰঞ্জী"ত সন্নিবিষ্ট "বিবিধ খণ্ড বুৰঞ্জী"ৰ অন্তৰ্গত "আহোম ৰজাৰ বিয়া", "আহোম ৰজাৰ ৰং-ধেমালি" আৰু "আহোম ৰজাৰ মৈদাম" তিনিও অধ্যায়ত প্ৰতিটো বিষয়ৰে বিষয়বস্তু বৰ্ণনাৰ বাবে উপযুক্ত শব্দ চয়ন কৰি বুৰঞ্জীকাৰে বিষয়বস্তু অতি মনোগ্ৰাহী কৰি তুলিছে। স্নেহ পূৰ্বক আদৰ সম্ভাষণ, ৰং-ধেমালি আদিৰ ৰসাল কথনভংগীয়ে বুৰঞ্জীক ৰসোত্তীৰ্ণ কৰি তুলিছে।হাতী যুঁজৰ মাউতে হাতীত উঠি গৰালৰ পৰা বাঘ-ভালুক আদিক যুঁজলৈ আগবঢ়াই নিয়া বৰ্ণনা আৰু দৰ্শকসকলে এইবাৰ শেনৰ এজাত দৃষ্টিৰে উপভোগ কৰা ৰজাদিনীয়া ৰং-ৰহইচৰ বৰ্ণনা অতি আমোদজনক। সেইদৰে "স্বৰ্গদেৱে অমুকী আইকুঁৱৰী দেৱক কুঁৱৰী পাতি লৈছে" আৰু কুঁৱৰীয়ে "স্বৰ্গদেৱক মৰম-ৰেখা"

কৰি "যেই কয় তাকে" মানি "অসূয়া অপ্ৰীতি নকৰিবলৈ" দিয়া উপদেশে ইয়াৰ নৈতিক দিশটোলৈ মনত পেলাই দিয়ে। বুৰঞ্জীত বৰ্ণিত নাতিদীৰ্ঘ বাক্যবোৰত সমাজৰ আদৰ্শ সুন্দৰৰূপে প্ৰতিফলিত হৈছে; এনেধৰণৰ ক্ৰমাগত নীতিগৰ্ভ বৰ্ণনাই সমাজনীতিৰ ভেটি প্ৰতিষ্ঠা কৰিছে, লেখকৰ ভাবৰ গাম্ভীৰ্য্য তেওঁৰ ভাষাত প্ৰতিফলিত হৈছে। তলত এটি অনুচ্ছেদ দৃষ্টান্তৰূপে দেখুওৱা হ'ল ঃ

যদি মৃত্যু হ'ল, তেওঁৰ মূৰে ডাঙ্গৰীয়াসকলে নঁকে এজন ৰজা নাপাতেমানে ৰজা-মৃত্যু-বাৰ্তা ঘৰে-পৰে কোনেও নাজানে আৰু কোনেও কবও নাপায়। নঁকে হোৱা জনা ৰজা আজ্ঞা দিলেহে নতুন পেৰা কাটি হেঙ্গুল হাইতালে বোলাই সোণ পানী খটাই সেই পেপাৰ ভিতৰত কাপোৰ-কানি তুলী তালিচা পাৰি, মৃত্যু ৰজাৰ দেহ ভৰাই ৰাখিব পায়। আৰু সেইজনা ৰজা জীয়াই থকাত তামুলী-পাঁচনী, পিকদানধৰা, হেংদানধৰা, জৰাধৰা, চোঁৰৰধৰা, ধঁখোৱাধৰা, চাংমাই ৰান্ধনি, গাচোৱা, ফুলচোৱা, লিগিৰা, এইদৰে অনেকটি লা-লিগিৰা লাগে, সেইদৰে মৰাৰ লগত দিছিল। অতি কমেও এই ১০ জন লোক পৰিচালক নহলেই নহয়। সেই মানুহ লুখুৰাসন খেলৰ আনি প্ৰতিজনে সেই এক এক বিষয় দি মৰা ৰজাৰ লগত দিব পায়। কেতিয়াবা দুই-চাৰিজন ঘৰফলীয়া খেলৰো দিয়ে। আৰু মৰা ৰজাৰ শবৰ পেৰাৰ ভাৰ ঘৰফলীয়া মূৰৰ ফালে, লুখুৰাখন ভৰিৰফালে লব পায়। ( পৃষ্ঠা ১৫৫ )

২.৩.২ "দাঁতীয়লীয়া বুৰঞ্জী"ত দাঁতীয়লীয়া বা দোৱনীয়া অসমীয়াভাষাৰ নমুনা সংৰক্ষিত হৈছে। ইয়াত সন্নিবিষ্ট হোৱা কছাৰী-জয়ন্ত্ৰ-আহোম ৰজাৰ কথোপকথন ৰীতি অতি ঘৰুৱা, ভাষাৰ ঠাঁচো আঁভজা মৰা। প্ৰায় ঠাইতে শব্দই বিকৃত ৰূপ লৈছে। সম্ভৱতঃ কছাৰী-জয়ন্ত্ৰ ৰজাৰ লগত নিকটতৰ সান্নিধ্যলৈ অহাৰ উদ্দেশ্যে এনে ব্যৱস্থা কৰা হৈছিল। ফলতঃ অসমীয়া আৰু জনজাতি ভাষাৰ সংমিশ্ৰিত ৰূপ ইয়াত অননুকৰণীয় হৈ পৰিছে। তলত দুটি অনুচ্ছেদ দাঙিধৰা হ'ল ঃ

**(অ) খাচ ঘৰুৱা অসমীয়া শব্দৰে গঠিত গদ্যশৈলী ঃ**

"পাচে ক'ত দিন থাকি সেই কন্যা ডাঙ্গৰ হ'ল। যৌবন কাল হলত একদিনাপ্ৰতি মাকে জীয়েকক ধান হাত দিবলৈ পাঁচিলে, বোলে,—"এই বৌদ্ৰত কেনেকৈ ধান দিমগৈ?" মাকে বোলে,—"মূৰত কানি এখন মেৰাই যাগৈ।" সেইৰূপে মূৰত কানি এখন মেৰাই ধান হাত দিবলৈ যায়, এনেতে উত্তৰৰ পৰা দক্ষিণলৈ যাওঁতে এক দেও-পাখীয়ে কন্যাৰ মূৰত লাদিলে।" মাকে বোলে,—"গা ধোগৈ।" পাচে কন্যাইও গা ধুলেগৈ। পাচে কতো দিন থাকি কন্যাৰ গৰ্ভ হ'ল। পাচে মাকে জানি কাছাৰীক বোলে,—"মোৰ জীয়ে পুৰুষৰ মুখ চোৱা নাই, কি কৈ

এনে হ'ল?" জানিলো কছাৰী তোৰ ঔৰষে গৰ্ভ হ'ল?" কছাৰীয়ে দোত ধৰি শপত খালে, বোলে,—"মোৰ নহয়।"তথাপিও কছাৰীৰ বৈণীয়েকে নপতিয়ালে। (পৃষ্ঠা ১৭৮)

(আ) বিকৃত শব্দৰূপেৰে গঠিত গদ্যশৈলী :

"কছাৰী কুঁৱৰীৰ সহায় ভিক্ষা। ... দোবৰাগীএ বুজি জ্ঞাত হৈয়ো পুনৰ খাস্বপুৰ প্ৰবেশ হৈল। তাহাতে দেৱীএ চাৰ মুখে বাত্ৰা পাইয়া দোবৰাগীক চপাই আনিয়া পুচ কৰিলে,—"তোম্ৰা কোন দেশৰ বৰাগী?" "ও মাঞি আচাম দৈশী বৈৰাগী।" দেৱীয়ে বোলে,—"এই অচমৰ ভয়ে আমি খাস্বাপুৰ পছিলাম। আতো আমাৰ অনেক বিপত্তি হইল্য। এই অচমতে শৰ্ণ্যাপন হুয়া আমাৰ ৰজাক উধাৰ কৰি আনো।" এই বুলি অনেক স্তুতি প্ৰাৰ্থনা কাসপূৰ্ন নিবেদন কৰি দেৱৰ শ্ৰী চৰণ লৈ সন্দেশ পত্ৰ দিলো।" ( পৃষ্ঠা ১৩৬ )

২.৪ 'জয়ন্তীয়া' আৰু 'কছাৰী' বুৰঞ্জী অসমীয়া বুৰঞ্জী সাহিত্যৰ দুখন লেখত লবলগীয়া বুৰঞ্জী। দুয়োখন বুৰঞ্জীত প্ৰয়োগ হোৱা কথোপকথনৰ ভাষা পূৰ্ব আলোচিত বুৰঞ্জীবোৰৰ ভাষাৰ তুলনাত বেছ সহজ-সৰল আৰু স্পষ্ট। ইয়াত ব্যৱহৃত সমকালীন থলুৱা শব্দৰ সঘন প্ৰয়োগে পাঠক আৰু ৰচনাশৈলীৰ মাজত এক সহজ আত্মীয়তাৰ সৃষ্টি কৰিছে আৰু ইয়ে বিষয়বস্তু প্ৰকাশত বিশেষ সহায়ক হৈ পৰিছে। এইখিনিতে গদ্যৰীতি হৈ পৰিছে বিৱৰণাত্মক— বাক্যৰীতিও হৈ পৰিছে নিৰাভৰণ ও জটিলতাবিহীন। যেনে—

(চ) "কিন্তু গড়গাও জয়ন্তী দুই নাহয়, অত্যন্ত অভেদ প্ৰীতিয়ে এক ঘৰ প্ৰায় চলিয়া যাইতেছে, আৰু প্ৰীতি কুটুম্বিটাও সকল দিনে চলিয়া গৈছে। তোমাৰ দিগেৰ হস্তী, ঘোঁৰা আমাৰ ঘৰতে আছে, আমাৰ দিগিৰ কুঞৰী তোমাৰ ঘৰতে আছে। অতঃপৰ অখনেও লেখিয়াছ্য, কুঞৰীও খুজিয়াছ্য। ই কুটুম্বিটা কৰিবাবে ভালা। কুটুম্বিটা কৰিলে অধিকতো অধিক প্ৰীতি বাঢ়িব মাত্ৰ। ... বিশেষ মংগল কাৰ্য্যত বিলম্ব ভাল নহয়। আৰ বিশেষ কি লিখিম। আৰ শুনিলাম মগোলেৰে সহিত লেঢ়াই কৰিতেছ, আপোনাৰ অধিকাৰ থানা চোৰায়া লৈলাই, এবে শুনিয়া বহুত সন্তুষ্ট হৈলাম।" ( পৃষ্ঠা ৩৭ )

(ছ) "সুন্দৰ গোঁহাইৰ হত্যাত যশনাৰায়ণৰ আক্ষেপ" —

যশনাৰায়ণ ৰজাও যি গোটে মূৰ কাটিলে গোঁহাইৰ তাকো কাটিলে, তাৰ নাম খামচা কছাৰী। যশনাৰায়ণ ৰাজা বোলে, —"এনে সেনাপতিক কিয় কাটিলি? জীয়ায়ে নানিলি কিয়? মোৰ সভাত যদি এমন মৰদ থাকিলইঁতে দেশ-দেশান্তৰৰ কটকী আহি পুচিলেইঁতে "ইগোট কোন?"সবেয়ো কহিলেইঁতে "আচাম মাৰি এমন্ত

সেনাপতি পাইছে, এইহে মোৰ কীৰ্ত্তি ডাঙৰ, মাৰিলি গুচিল"। ( পৃষ্ঠা ২৫ )

২.৫ "ত্ৰিপুৰা বুৰঞ্জী" অসমীয়া বুৰঞ্জী সাহিত্যৰ আপুৰুগীয়া সম্পদ। বুৰঞ্জীখনত আহোমৰ শ্ৰেষ্ঠৰাজা ৰুদ্ৰসিংহ স্বৰ্গদেৱে ত্ৰিপুৰা দেশলৈ কটকী স্বৰূপে পঠোৱা ৰত্ন কন্দলী আৰু অৰ্জুন দাস বৈৰাগী নামৰ কটকী দুজনৰ যিটো ভ্ৰমণ বৃত্তান্ত লিপিবদ্ধ কৰা হ'ল– তাৰ প্ৰকাশভংগী সঁচাকৈয়ে ৰোমাঞ্চকৰ। অন্যান্য বুৰঞ্জীৰ তুলনাত ইয়াৰ প্ৰকাশভংগী যাদুকৰী, পাঠকে নিৰবছিন্ন গতিত পঢ়িয়েই থাকিব পাৰে। ৰত্নাৰ্জুন কটকী দুজনৰ বাক চাতুৰ্য্যই কথোপোকথনত নাটকীয়ত্ব দান কৰিছে, ৰাজনৈতিক ঘটনাৰ লগত সংপৃক্ত ব্যক্তি বিশেষৰ উক্তি-প্ৰত্যুক্তিবোৰে বৰ্ণনীয় বিষয়ক নাটকীয় কৰি গঢ়ি তুলিছে। বুৰঞ্জীখনত চুটি চুটি বাক্যৰ সঘন প্ৰয়োগ ঘটিছে, স্পষ্ট আৰু যথাযথভাৱে বক্তব্যবিষয়ক উপস্থাপন কৰা হৈছে। "নাগৰিকতা" (আৰব্যানিটি) বুৰঞ্জীখনৰ গদ্যশৈলীত পৰিস্ফুট হৈ পৰিছে। যুক্তিধৰ্মিতা আৰু মননশীলতা বুৰঞ্জীখনৰ ভাষাত স্পষ্ট। আনহাতে ত্ৰিপুৰী আৰু আহোম প্ৰীতিৰ পত্ৰালাপৰ অপূৰ্ব নিদৰ্শন এই বুৰঞ্জীৰ ভাষাত বঙলুৱা ঠাঁচ এটিও বৰ্তমান। উদাহৰণস্বৰূপে দুটি অনুচ্ছেদ আগবঢ়োৱা হ'ল ঃ

(ক) পাছে মহাৰাজা ববৰৰুৱাৰ দ্বাৰাএ ৰত্ন কন্দলীক পঠাই সোধালে, বোলে,– "মহাৰাজ বুলিছে আমাৰ এঠৈৰ পণ্ডিত ব্ৰাহ্মণ সহিতে ৰামেশ্বৰ ন্যায় অলংকাৰ বিচাৰ কৰিবলৈ কি বোলে?" পাছে ৰামেশ্বৰ ন্যায় অলংকাৰ বুলিলে, বোলে,— "মহাৰাজ সভা সাক্ষাৎ ইন্দ্ৰৰ সভা, সেই সভাৰ পণ্ডিত বৃহস্পতি, ইয়াত বিচাৰ কৰিবলৈ যোেগ্যতাএঁৰহে হয়। মহাৰাজৰ আজ্ঞাএ যি কিছো জানো মোহলা দিম। (পৃষ্ঠা ২০)

(খ) পাছে ৰত্নমাণিক্য ৰাজাএ বুলিলে বোলে,– "তোম্ৰা কিছু নাবুজ, ৰজ্জুতে সৰ্পবোধ কৰ। এখনে ঘনশ্যামে মোটল জনাই আহিছে, বোলে,– "কোটোৱাল মুছিবক মোৰ থানে ৰাখিছো। আজি কৌতুকে থাকি মহাৰাজাক কালি মিলা যাব।" এখন তোম্ৰা মৰা-কটা কৰিতে চাব। ঘনমশ্যাম আমাৰ ভাই হয়, সৰ্বৰূপে যোগ্য মানুহ। তাক নিৰাপৰাধত মাৰিলে আমাৰ কি সুখ হ'ব? ভাতৃবধ দোষো হব, লোকতো দুৰ্য্যশস্যা ৰহিব। পূৰ্বেও এনে কুযুক্তি কৰি চম্পকৰাইক মৰালে। তাৰেপৰা মোগলে অনেক অনৰ্থ কৰিবলৈ মন কৰে। এনে কুযুক্তিক আমি কৰিব নোৱাৰোঁ। তোম্ৰাও ই কথা আমাত নাকহিবা। (পৃষ্ঠা ৭৬)

২.৬ সুকুমাৰ মহন্তৰ ঘৰত পোৱা "অসম বুৰঞ্জী"ৰ ভাষা এক বিশেষ শ্ৰেণী গদ্যশৈলীৰ নিদৰ্শন। ইয়াৰ গদ্য দিল্লীৰ পৰা গড়গাৱঁলৈ প্ৰচলিত নানা শব্দ সম্ভাৰেৰে ভাষাক্ৰান্ত। আহোম ৰাজ্য মোগল ৰজাই আক্ৰমণ কৰা হেতু মোগল

সংস্কৃতি আৰু অনা-অসমীয়া ভাষাৰ প্ৰভাৱ অসমীয়া ভাষাৰ ওপৰত বিস্তৰকৈ পৰিছে। লগতে সমসাময়িক অসমীয়া ভাষাৰ প্ৰচলিত ৰূপটোও ইয়াত ব্যৱহৃত হৈছে। উদাহৰণস্বৰূপে বিখ্যাত সংস্কৃত ভাষা নিষ্ণাত জ্যোতিষী অচ্যুতানন্দ দলৈ আৰু তেওঁৰ সতীৰ্থসলকলৰ গণনাৰ ফল সংমিশ্ৰিত ভাষাৰূপত এনেদৰে বৰ্ণিত হৈছেঃ

(অ) অচ্যুতানন্দ দলৈয়ে বোলে, -- "অখন বেঢ়ি ধৰিবলৈ ভাল নহৈছ।" ফুকনে বোলে,-- "গণক*দেৱে নৌকাটোতেই ময়েই কাটিম।" দলৈয়ে বোলে, 'কাটিবা'। বাধা কৰিলত বাটঘৰতে থাকি তিলে তিলে বাৰ্ত্তা লৈছিল। ফুকনে বোলে,--"বংগাল দেখো আমৰাজুৰি পাৰ হ'ল,গণক তয়ো কটা গলি, মোৰো দুৰ্যশ আনি চাউল-কানি মাৰিলি।" পাচে ক্ষণক থাকি দলৈয়ে বালে,--"স্বৰোদয়ত উত্তম পাইছোঁ, এতিয়া বংগালক ধৰিবলৈ উঠিব লাগে।" (পৃষ্ঠা ১০২)

২.৬.১ বুৰঞ্জীখনত মোগল সেনাপতি মীৰজুমলা আৰু ৰামসিংহৰ বিবিধ উক্তিসমূহত অসমীয়া ভাষাৰ ওপৰত সমকালীন দেশীয় ভাষাৰ প্ৰভাৱ গভীৰভাৱে পৰিছে। যেনে---

(আ) মাজুমখাঁ বোলে,--সিবোৰে ৯০ হাতী, ৩০০০০০ লাখ টকা হয় দিম বুলিছে আমি বহুত টকা খৰচ কৰি চাকৰ ধৰি আচামৰ ৰাজ্য উঠাইছোঁ। স্বৰ্গ মহাৰাজাৰ নজিক পাই ৰাজ্য চাফ কৰি ফিৰি যাম। স্বৰ্গ মহাৰাজা যেই ঠাইকে যায় সেই ঠাইকে হামু খেদি যাম।" পাছে দালালখাঁ মজুমখাৰ আগত অনেকৰূপে কলত মজুমখাঁ বোলে,-- "ভাল ৯০ হাতী ৩০০০০০ লাখ টকা দিব, পাম, মহাৰাজাৰ জীয়েক এটি পাৎসাৰ বেটালৈ দিয়ক, তেবেসে সমস্ত কাৰ্য্য হাচিল হৈবেক।" (পৃষ্ঠা ৮২)

(ই) পাচে ৰামসিংহ বোলে,--"আগেও কৈছো, ভাই ফুকনত কবিগে গো-ব্ৰাহ্মণ কুশলে যেমতে ৰহিব তাকে কৰিব। গড়ত যি কাম কৰিছে তাৰ নিমিত্তে ৩,০০,০০০ ৰূপ দিওঁ। বৰবৰুৱা আহলায়াৰখাৰে যি সীমা কৰি গৈছে অসুৰালি বৰনদী সেই সীমাকে ৰামসিংহ সবুজনা ফুকনে সোণ ৰূপৰ খুটা কৰিলে চন্দ্ৰ সূৰ্য্যৰ প্ৰকাশ থাকে মানে কোনোজনৰ ৰলাবলৈ সামৰ্থ্য নোহে। আৰু যেখন মাজুমখাঁ আহি ৰাজ্য উজাৰ কৰিছিল তেখন এই নবাব ক'ত আছিল? (পৃষ্ঠা ৯৮)

২.৭ বিভিন্ন ভাৱৰ অভিব্যক্তি আৰু ৰসৰ সঞ্চাৰণৰ হেতু বিভিন্নশব্দৰ প্ৰয়োগ গদ্যশৈলীৰ অন্যতম বৈশিষ্ট্য। অসমীয়া বুৰঞ্জী পুথিসমূহত দেশ-কাল-পাত্ৰানুসৰি বিবিধ শব্দমালাৰ প্ৰয়োগ হোৱা দেখা যায়। বুৰঞ্জীৰ বিষয়বস্তু মোগল-আহোম বা আহোম কছাৰী বা আহোম-জয়ন্তীয়া ৰজা সকলৰ লগত আদান প্ৰদান কৰা বা-বাতৰি সম্বলিত, গতিকে বা-বাতৰিৰ বিষয়বস্তুসমূহৰ স্পষ্ট আৰু হুবহু বিৱৰণ

দাণ্ডি ধৰাৰ বাবে দেশৰ প্ৰচলিত ভাষাৰ ব্যৱহাৰ অপৰিহাৰ্য্য। বুৰঞ্জীসমূহত ব্যৱহাৰ কৰা ভাষাৰ ঠাঁচটো লক্ষ্য কৰিলেই এই কথা স্পষ্ট হৈ পৰিব। "পাদশ্যাহ বুৰঞ্জী"খন পঢ়িলে এনেহে লাগে যেন সপ্তদশ শতাব্দীতো মানুহে যথেষ্ট যাবনিক শব্দৰ প্ৰয়োগ কৰি পুথি-পাঁজি লিখা কথাটো কোনো কথাৰ কথাই নাছিল, পঢ়ুৱৈয়েও এইবোৰ বুজি পাইছিল।

২.৭.১ মধ্যযুগীয় অসমীয়া বুৰঞ্জী সাহিত্যবোৰৰ ভিতৰত "পাদশ্যাহ বুৰঞ্জী"তেই আটাইতকৈ বেছি আৰবী-পাৰ্চী শব্দ ব্যৱহৃত হৈছে। আৰবী-পাৰ্চীৰ সঘন প্ৰয়োগত গদ্যৰীতিয়ে ইচলামীয় গঢ় লৈছে। বুৰঞ্জীখনৰ লেখকে পৰিস্থিতিৰ লগত খাপ খোৱাকৈ আৰু পাৰিপাৰ্শ্বিক বাতাবৰণ ৰক্ষাৰ কাৰণে এনে ধৰণে আৰবী-পাৰ্চী শব্দৰ ব্যৱহাৰ কৰিবলৈ বাধ্য হৈছে। তলত পাদশ্যাহ বুৰঞ্জীৰ দুশ শব্দযুক্ত উদাহৰণ এটিবপৰা আৰবী-পাৰ্চী শব্দবোৰ উলিয়াই শতকৰা হিচাব এটি দেখুৱা হ'ল ঃ

"পাচে অৰঙ্গঁজেবৰ পুত্ৰ আজমতাৰা লোকৰ মুখে শুনিলে বঙ্গঁলা মাছ পশুৰ চিকাৰৰ ঠাই। আগৰ কস্তুৰী ভাল, অপূৰ্ব্ব বস্তু উৎপন্ন হয়, উত্তম স্থান। পাচে বাপেকত ক্ৰলে, —"মঞি বঙ্গঁলাক যাব খোজো, পূৰ্বে চুজাও গৈছিল।" পাচে ফেদে-খাঁক খেদাই আজমতাৰা আহিল। ছাস্তা-খাঁৰ হাউলী ভাঙ্গিঁ পেলাই আপোনাৰ বাহৰ কৰিলে। আৰু এখন দলদপি নদী এৰা জায়গা আছিল। তাক চাৰিকুৰি হাজাৰ ৰূপৰ কাঠ-বাহ কিনি পুতি ইটো শিলেৰে বান্ধি বজাৰু-দোকানী পাহাৰী পাতিলে। আৰু একলাখ বাৱন হাজাৰ ৰূপৰ লোণ বংশ নদীৰ কাখৰত ঠাই ঠাই জমাই থৈছিল, ছাস্তা খাই নিব নোৱাৰিলে। আৰু নগদ যি নিজৰ এটা মঞ্চবদাৰ খাঁক দি গ'ল। সেই লোণৰ কথা চহৰৰ কটোৱালে পাদশ্যাহৰ পোৱাকত কলে বোলে, "লোণ আনি চৰকাৰত থওঁ, জায়াগা মুকলি হয়, লোণে বিস্তৰ ঠাই আগুৰি আছে, তেবে হাত বজাৰ পাতিবৰ ঠাই হয়।"

আজমতৰা বোলে,—"ছাস্তা খাঁ বন্দী আমাৰ। তাৰ বস্তু আনিম বয়া কথা। আনে শুনিলেক মন্দৰ বুলিব। বেচিন বিলাম। সিও নিকৃষ্টজনৰ কথা। নদীত লোণ কাটি পেলাই দে।" কটোৱালে কাটি বংশ নদীত পেলাই হাট-বজাৰ পাতিলে। চিকাৰপ্ৰিয় চুলতান আজমতাৰা। পাচে পাদশ্যাজাদা মীৰমওল্লাক দেৱান পাতি মলুকচন্দ হজুৰ নবিছক তাৰ লগত দি পাদশ্যায়ী কাম-কাজৰ অধিকাৰ কৰি আপোন চিকাৰ চোৱাৰ কৰি ফুৰে। আৰু মহম্মদ মকিম নাম সাত-শ দি মঞ্চবাদৰ এটাক ছিদ্ৰ লগাই ঘৰ সৰ্বস্ব লুটি নি তাক দুই-শ দি মঞ্চৱ দি থলে। এই প্ৰকাৰে ঢকাত এক বস্বৰ আছিল। গুৱীহাটীত মনছুৰ খাঁ -পাচে গুৱাহাটীত বৰফুনে মনস্বৰ খাঁৰ ঠাই

বাদুলী ফুকনৰ....” । (পৃষ্ঠা ৯৩-৯৪)

ওপৰত উল্লিখিত অনুচ্ছেদৰ তলত আঁচটনা শব্দবোৰৰ শ্ৰেণী বিভাজন এনেধৰণৰ ঃ

| আৰবী | পাৰ্চী | আৰবী+পাৰ্চীযুক্ত— |
|---|---|---|
| চুলতান | আগৰ | দেৱান |
| চোবাৰ | কস্তুৰী | মলুকচান্দ |
| জমাই | কটোৱাল | মঞ্চবদাৰ |
| মঞ্চৱ | কাজ | |
| মকিম | চৰকাৰ | |
| হজুৰ | চিকাৰ | |
| নবিছ্‌ | চহৰ | |
| | জায়গা | |
| | পাদশ্যাজাদা | |
| | বজাৰ | |
| | বন্দী | |
| | বজাৰু-দোকানী | |
| | হাউলী | |
| | হাজাৰ | |

এতিয়া দেখা গ'ল যে অনুচ্ছেদৰ ২০০ শব্দৰ ভিতৰত ২৪(চৌবিছ) টা শব্দই আৰবী, পাৰ্চী আৰু আৰবী-পাৰ্চীযুক্ত। গতিকে শতকৰা ১২% শতাংশ শব্দই ইয়াত ইছ্‌লামিক শব্দ।

সংক্ষেপে অথচ স্পষ্ট কথনভংগী এই বুৰঞ্জী গদ্যৰ অন্যতম বৈশিষ্ট্য। বৰ্ণনীয় বিষয় সহৃদয়তাৰে পঢ়ুৱৈৰ আগত দাঙি ধৰাতেই লেখনীৰ সাৰ্থকতা। তাৰ বাবে প্ৰয়োজন লেখকৰ চিত্তবৃত্তিৰ বাহুল্য বৰ্জ্জিত আভিজাত্য, বুদ্ধি প্ৰবণ মননশীলতা, যুক্তিধৰ্মিতা আৰু হৃদয়ৰ সজীৱতা। “পাদশ্যাহ বুৰঞ্জী”ৰ ৰচনাশৈলীত এই আটাইবোৰ বৰ্তমান। ড ভূঞাই পাতনিত ঠিকেই মন্তব্য দিছে ঃ

“পাদশ্যাহ বুৰঞ্জী”ৰ কথাখিনি শুকান হাড়-ছাল নহয়, তাত ভাবৰ সমাবেশ আৰু আবেগৰ সৌৰভ লক্ষ্য কৰিব পাৰি। সেই দেখি এই বুৰঞ্জীখনি বুৰঞ্জীৰ শাৰিৰপৰা বিশুদ্ধ সাহিত্যৰ অঙ্গীভূত হৈছে। বুৰঞ্জী আৰু সাহিত্যৰ এনে অপূৰ্ব ত্ৰিবেণী সংগম বৃটিছৰ পূৰ্বযুগৰ কোনো ভাৰতীয় প্ৰাদেশিক সাহিত্যত দেখিবলৈ পোৱা নাযায় বুলি ক'লেও সত্যৰ অপলাপ নহয়।”

২.৮ দৈনন্দিন জগতত প্ৰচলিত কথনভংগীৰ প্ৰয়োগ অসমীয়া বুৰঞ্জী সাহিত্যৰ গদ্যৰ অন্যতম বৈশিষ্ট্য। সেয়ে প্ৰখ্যাত বুৰঞ্জীবিদ বেণুধৰ শৰ্মাই "ফুল চন্দন"ত এইবুলি ফুল বাচিছে:

"বুৰঞ্জীৰ গদ্যৰ ভাষা কথিতেই কিন্তু প্ৰাণৱন্ত, অৱস্থাভেদে বাক্য একোটিও টোপাকাড়হেন— অন্তৰলৈকে ভেদে। ঠাই-ঘটনা-চৰিত্ৰৰ বিৱৰণো ফটফটীয়া অথচ অতিৰঞ্জনৰ দোষে নপৰ্শা। ব্যৱহাৰিক জীৱনত সদায় লাগি থকা শব্দ-সম্ভাৰ সোমাই আছে বুৰঞ্জীৰ পাতৰ গদ্যত।"[৯]

বহুৰঙী অসমীয়া সমাজ জীৱনৰ বিবিধ কাৰ্য্য-কলাপৰ চিত্ৰ বুৰঞ্জীত সন্নিবিষ্ট হোৱা বাবে বুৰঞ্জীবোৰৰ বৰ্ণনাত ভাষাৰ চিত্ৰ-বিচিত্ৰ ৰূপৰ সমাৱেশ ঘটিছে। ভাষাৰ এই বৈচিত্ৰ্য তলৰ উদ্ধৃতিদ্বয়ত স্পষ্ট হৈ পৰিছে:

(ক) জোৱাই হলে যেমনে শহুৰ, জেঠেৰি, বৈনাই, এইসকল সহিতে দ্বন্দ্ব কন্দল কৰিলে আপোনাৰ ভাৰ্য্যাও হুৱায়, আৰু পখীয়ে যেনেৰূপে আপোনাৰ পোৱালি পাখিএৰে ঢাকি বাত বৃষ্টি দুখৰ পৰা ৰক্ষা কৰি আহাৰ খুৱাই ডাঙৰ কৰে, সেইমতে দুয়ো ভায়েৰে প্ৰজাক ৰক্ষা কৰিবি, আৰু মিত্ৰে সহিতে দ্বন্দ্ব কন্দল নকৰিবি।[১০]

(খ) পুলিন পুথাওৰ দিনত এনে কথা নহল, এতিয়া নেকি এনে কথা হব? হাতীৰ দন্ত ওলালে হেঁচুকিলে নেকি সোমায়? ডাঙৰ লোকৰ বচন এনে হব নালাগে। পূৰ্বতো আপোনাৰ ভনীক দিছো, আকৌ যে জীক পলুৱাই নিবলৈ আহিছ? তোৰ ৰজা এনে অযোগ্য বচন শিকাই পঠাব পায়নে?[১১]

২.৮.১ বুৰঞ্জী গদ্যত খাচ-ঘৰুৱা অসমীয়া শব্দৰ প্ৰয়োগ মনকৰিবলগীয়া। ঘৰুৱা কথোপোকথনৰীতিৰে গঠিত বাক্যমালাত ব্যৱহৃত বিবিধ বিশেষ্য, সৰ্বনাম শব্দসমূহৰ প্ৰয়োগ এই প্ৰসংগত উল্লেখনীয়। লগতে ন্যায় আৰু সত্য প্ৰতিষ্ঠাৰ হেতু দেশ-কাল-পাত্ৰানুসৰি কৰা কথিত শব্দৰ প্ৰয়োগে বুৰঞ্জীৰ গদ্যক এক স্বকীয় মহত্বপূৰ্ণ গদ্যলৈ ৰূপান্তৰিত কৰিছে। তলত দুটি অনুচ্ছেদ উদাহৰণ হিচাপে দাঙি ধৰা হ'ল:

(ক) পাচে দিহিঙীয়া ৰজাদেৱৰ জীয়েক খোৱা ৰজাদেৱৰ পেহীয়েক বৰগোহাঁইৰ ঘৈণী নাংবক্ৰ গাভৰুৱে পুতেকৰ আগত আহি বুলিলে,—"মোৰ পোক ভাত্ৰি ৰজালৈ কেলেই দিম, নিদিও? কোচতে যে ৰণ হাবিলি ৰজানো কি?" ডা-ডাঙৰীয়ানো কি? গিৰিয়েকক বোলে, —"তুমিনো কিহৰ বৰগোহাঁই?" ভাল, তইতে যে ৰণত হাবিলি, মই যুদ্ধ কৰি চাওঁ। তইঁতৰ টুপী, চোলা, কুনমিন-কুনখা

৯। বেনুধৰ শৰ্মা, ফুলচন্দন, পৃ ১১, ১৯৬৯

১০। সূৰ্য্যকুমাৰ ভূঞা (সম্পা), দেওধাই, পৃ ২, ১৯৯০

১১। উক্ত গ্ৰন্থ, পৃ ৫৩

**মঞ্চি পিন্ধি কোঁচক যুদ্ধ কৰো। তিৰুতা নে পুতাপু এতেকে মোক জানিবি।** তইঁতে মোৰ সাজ পিন্ধিবি।[১২]

কথিত ভাষাৰ গতটো ৰক্ষা কৰি লিখা (অনুচ্ছেদটোত তলত আঁচটনা বাক্যাংশবোৰ) এই ছেদটোৱে সমসাময়িক কথনভংগীৰ পৰিচয় দাঙি ধৰিছে। অনুচ্ছেদটোত কথাবোৰ যিমান পাৰি সংক্ষেপে ক'বলৈ যত্ন কৰা হৈছে।

(খ) ... কাছাৰীৰ নেওচুং ৰজায়ে ভায়েকে আহি "স্বৰ্গদেৱৰ চৰণত সেৱা কৰিছো মই বন্দীয়ে" — এই বুলি উঠি উঠি সাত সেৱা কৰিলেহি, পাচে চাপি আহি পাত চুই সেৱা কৰিলেহি। ৰজাদেৱে দুই চৰণ দাঙ্গি দিলে, সিও তাৰ মাথাত তুলি ললে। ৰজাদেৱে সোণৰ আঙ্গঠিটো তাক সোলোকাই দিলে, সোণীয়া হেঙ্গদান এখন দিলে, জিম বন্ধা ঘোঁৰা এটা দিলে তাৰ ভায়েক খুন খাৰালৈ ঘোঁৰা এটা, ৰূপৰ বেৰীৰে হেঙ্গদান এখন, এইখান দিলে। পাচে ৰজাদেৱে এই বস্ত্ৰাদি কছাৰীৰ নেওচুং ৰজাকে, ভায়েককে শিকালে বুজালে, বোলে,---- "তইঁত ডাঙ্গৰ ৰজাৰ সন্তান। ৰাং সেতু , সীহ, অলপ তপততে যেনেৰূপে পানী হয়, তইঁতে তেনে নহবি, চিত্ততো ক্ৰুৰ নহবি। আৰু কাছাৰী ৰজাৰ খুনখাৰাৰ সোণৰ দণ্ড, সোণৰ ঝাৰা, সোণৰ বেলা, সোণৰ কাঁহি, সোণৰ কলহ, এই দ্ৰব্য দি আহিবি। তাৰ বৰকুঁৱৰীজনী তৌলৈ ৰাখিবি। [১৩]

দেশ-কাল -পাত্ৰ ভেদে কৰা কথিত ভাষাৰ এনে সুন্দৰ প্ৰয়োগ বুৰঞ্জীৰ আগৰ অসমীয়া কথা-সাহিত্যত দেখিবলৈ পোৱা নাযায়। সেয়ে ড সতেন্দ্ৰনাথ শৰ্মাই "অসমীয়া সাহিত্যৰ ইতিবৃত্ত"ত যথাৰ্থভাৱে উল্লেখ কৰিছে ঃ

"বুৰঞ্জীসমুহ কথিত ভাষাত ৰচিত। ঐহিক জীৱনৰ বাস্তৱধৰ্মী ঘটনা প্ৰকাশৰ উপযোগী মাধ্যম কথিত ভাষা। গতিকে ধৰ্ম বিষয়ক পুথিৰ ভাষাৰদৰে ইয়াৰ ভাষাত কৃত্তিমতা নাই, অপ্ৰচলিত শব্দ বা ক্ৰিয়াৰ ৰূপ পোৱা নাযায়। ব্যৱহাৰিকতা প্ৰধান বিষয়বস্তুৰ ৰূপ দিবলৈ যাওঁতে বুৰঞ্জী লেখকসকলে ভাষাৰ ব্যৱহাৰিক ৰূপটোহে গ্ৰহণ কৰিবলৈ লৈছিল, কিন্তু সেই বুলি বুৰঞ্জীসমূহ ঐতিহাসিক ঘটনাৰ নীৰস ধাৰাবাহিক বিৱৰণৰ সমষ্টি নহয়।"

**২.৯ বুৰঞ্জীবোৰ ৰজাঘৰীয়া সাহিত্য।** ৰজাঘৰীয়া কথাৰ ঠাঁচ বুৰঞ্জীত বৰ্তমান। ৰজাদীনিয়া নানা উৎসৱ-অনুষ্ঠান, খেল-ধেমালি, ৰজাঘৰীয়া আচাৰ-ব্যৱহাৰ, নিয়ম-কানুন, সামৰিক-অসামৰিক ইত্যাদি বিষয়ক কথাতৰজা আৰু ৰাজবিষয়াবৰ্গৰ মাজত হোৱা আলাপ-আলোচনাত ৰাজকীয় কথাৰ আদব-কায়দা,

১২। উক্ত গ্ৰন্থ, পৃ ৪৭
১৩। উক্ত গ্ৰন্থ, পৃ ২৭

অতি বুদ্ধিদীপ্তভাবে ইয়াত সন্নিবিষ্ট কৰা হৈছে। ড মহেশ্বৰ নেওগৰ ভাষাত ক'বলৈ গ'লে—

"কথা-চৰিতবোৰে যেনেকৈ সত্ৰীয়া সমাজৰ সম্ভ্ৰান্ত কথনভংগী নিৰূপণ কৰে, সাধাৰণ পক্ষত বুৰঞ্জীৰ গদ্যয়োৰাজচৰাৰ বিশিষ্ট বাগভংগীৰ প্ৰতিনিধিত্ব কৰে। বুৰঞ্জীবোৰৰ ৰাজসভাৰ আলোচনা আৰু দেশপ্ৰাণ ডাঙৰীয়া ফুকন আদিৰ প্ৰত্যক্ষ উক্তিৰ উদ্ধৃতিয়ে বাস্তৱবাদী দেশাত্মবোধেৰে কোনো কোনো বৰ্ণনা অনুপ্ৰাণিত কৰিছে।[১৪]

উদাহৰণ হিচাপে তলত দুটি অনুচ্ছেদ আগবঢ়োৱা হ'ল ঃ

(ক) আৰ পুনৰ্বাৰ বঙ্গাঁলে মহাৰাজাত ৩ লাখ টকা, নৱৈহস্তী খুজি আৰ্দ্ধিক গৰ্ব বচন বুলিলে ছৈয়দ জার্ফৰ কটকীত কৰি। এই কথা শুনি ৰাজা চক্ৰধ্বজে মহাক্ৰোধ কৰি বচন বুলিলে,— "বঙ্গাঁলৰ অধীন হুই থাকিবতকৈ মৰণহে উচিত।" তাতে পাচে মহাৰাজা পাত্ৰ মন্ত্ৰী সহিতে আলচ কৰিলে বঙ্গাঁলক ধৰিবাক প্ৰতি। সেইবেলা বৰবৰুৱাৰ পুতেক লাচিত ডেকাক বৰফুকন পাতি পঠালে কলিয়াবৰলৈ কুকুৰাচৌং চাই। ই ঠাইটো বঙ্গালৰ কটকীকো ৰাখিলে। যুদ্ধ কৰিবাকো আজ্ঞা দি পঠালে বৰফুকনলৈ। (কামৰূপ বুৰঞ্জী, পৃষ্ঠা ৯১)

(খ) দুই কটকীয়ে বোলে, — "নবাবসকলনো কি কাৰণে আহিছে? লেড়াইক মনেহে যদি আহিছে তাকে আমালৈ কৈ পঠিয়াওক। কিন্তু পাৎশাই পাৎশাইহে লেড়াই, তোমাৰ আমাৰ কি লেড়াই? যি খোজা যাই আমি দিতে আছো।" পাচে বঙ্গাঁলে বোলে,— "বনৰ হস্তী, আগৰ কাঠ, মৰিচ, সোণা, এইসকল যদি দিয়ে তবে আমি লেড়াই নকৰো।" পাচে ডাঙ্গৰীয়াসকলে বোলে,– "আমি দেৱক জনাই দিম। আৰ হুই কি কন্দল কৰিম?" এই বুলি বঙ্গাঁলক ৰাখি গড় তিয়াৰ কৰি বঙ্গালৰ গালৈ মানুহ পঠিয়াই বোলে,– "আমি দেৱক জনালোঁ।" (অসম বুৰঞ্জী, সুকুমাৰ মহন্তৰ ঘৰত পোৱা, পৃষ্ঠা ৬০-৬১)

২.১০ "চিত্ৰবৃত্তিৰ বাহুল্যবৰ্জিত আভিজাত্য, বুদ্ধি প্ৰবণ মননশীলতা, যুক্তিধৰ্মিতা ও প্ৰাণেৰ সজীৱতা নাগৰিকতা গুণেৰ লক্ষণ। এৰ বিপৰীত চিত্ৰ হ'ল গ্ৰাম্যতা (ইনডিচেন্সি), তাকেই সংস্কৃত আলংকাৰিকৰা বলছেন অশ্লীলতা।"[১৫] বুৰঞ্জীৰ গদ্যশৈলীত স্পষ্টতা, সৰলতা আৰু বিচিত্ৰতাৰ লগতে এনেকুৱা নাগৰিকতা গুণৰ সমাৱেশ পৰিলক্ষিত হয়। বিভিন্ন বুৰঞ্জী চৰিত্ৰৰ মানসিক অৱস্থাৰ লগত ৰজিতা খুৱাই বুৰঞ্জীকাৰে সহৃদয়তাৰে ভাষা প্ৰয়োগ কৰিছে— ভাষা বিষয়ানুগ হৈ

---

১৪। মহেশ্বৰ নেওগ, অসমীয়া সাহিত্যৰ ৰূপৰেখা, পৃ ২০৬, ১৯৭৪

১৫। অৰুণ কুমাৰ মুখোপাধ্যায়, বাংলা গদ্যৰীতিৰ ইতিহাস, পৃ ১৩-১৪, ১৩৭৪ সাল

পৰিছে। তলত উদ্ধৃত অনুচ্ছেদ কেইটিয়ে বুৰঞ্জীৰ ভাষাৰ স্বভাৱিক ৰীতি আৰু অনুভূতি প্ৰকাশ ক্ষমতাৰ পৰিচয় দাঙি ধৰিছে ঃ

(ক) "আৰু মহাৰাজা লগ এড়ো মানুহক খংকৈ কাটিব খোজোতে ৰাজাৰ সহুৰে মাতিলে, বোলে মুৰৰ চুলি দুই এক ডাল পকিলে, তাক কাঢ়িলে সোভৌ দেখি, সকল যদি পকিল, তাক কাঢ়িলে আপোনাৰ মূড়ত (দুখ) পাবলৈহে আছে।"[১৬]

(খ) "আমি ই ভাৰৰ অযোগ্য, ৰাজাৰ গোষ্ঠিসে ৰাজা, সাধুৰ সন্ততিসে সাধু হব পায় আনে হব নাপায়। [১৭]

(গ) "এই কাড়ী-বাৰুৱতীৰেই স্বৰ্গদেৱে যুদ্ধ কৰি অনেকবাৰ বঙালকো জিনিছে। তথাপিও এই কাড়ী-বৰুৱাতীয়েই মোৱামৰীয়াক দেখিলে মাত্ৰকে পৰাংমুখ হৈ বিভংগে পলায়। ঈশ্বৰ-ঈশ্বৰীৰ ইচ্ছাতেই এইৰূপ লগে। এতেকে কালচক্ৰ বলন্ত বটে, বুজন নাযায়।" [১৮]

(ঘ) ... "কাঠৰ গড় বান্ধিম পচিব, মাটিৰ গড় বান্ধিম খহিব, মই কথাৰে গড় বান্ধি দিছো, প্ৰাণ-পৰিভুগী হব।" [১৯]

(ঙ) "লাউ তল যাব, শিল উপংগিব, কোৱা বগা হব, বগ কলা হব আৰু ব্ৰহ্মপুত্ৰে উভতি গতি কৰিব, তেবে কি মোৰ কবুল ছাৰিবে।"[২০]

(চ) "পাছে পুৰোহিতৰ অসন্তোষ হেন দেখি কমতেশ্বৰে বোলে,-- শতপদীৰ একপদ চিঙ্গিল, তথাচো নেকি গমন নকৰে? দৈৱে যিথান কৰিলে সেয়ে হল। তোমাৰ আৰু দুই বেটা আছে। চন্দ্ৰভালক মঞিও ভাল কৰিম।"[২১]

(ছ) "শামুকটো মাণিক, কদলীটো কৰ্পূৰ, আত তই সংশয় নকৰিবি। সুৱৰ্ণপুৰি লঙ্কাতো ৰাক্ষহে ভোগ কৰে, ক'ত শুনিছ খুন্ত ৰজাৰ বচন লৰে?"২২

(জ) "গাইৰ পেটাৰ দুধ বঢ়াকৈ থবৰ কাৰণ কি? দেৱৰ আজ্ঞায়ে যি পাৰোঁ খীৰাম। খীৰালে একৰীয়া ভৰে, নিখীৰালে কিৰূপে পাম?" এই বুলি ধনু ধৰি কাণ্ড থেকেৰা-মাহীত লগালে। ৰাজা দেখি বোলে,— "বেজী

---

১৬। হেমচন্দ্ৰ গোস্বামী, (সম্পা), পুৰণি অসম বুৰঞ্জী, পৃ ১০০, ১৯৭৭
১৭। শৰত কুমাৰ দত্ত (সম্পা) অসম বুৰঞ্জী, পৃ ৪৫, ১৯৩৮
১৮। সূৰ্য্যকুমাৰ ভূঞা (সম্পা), তুংখুংঙীয়া, পৃ ১০৫-১০৬, ১৯৯০
১৯। সূৰ্য্যকুমাৰ ভূঞা (সম্পা), দেওধাই, পৃ ১৩১
২০। উক্ত গ্ৰন্থ, পৃ ১৪০
২১। সূৰ্য্যকুমাৰ ভূঞা (সম্পা), অসম বুৰঞ্জী, পৃ ১৩, ১৯৮৮
২২। প্ৰাগুক্ত গ্ৰন্থ, পৃ ২০২

হলেহে বটীয়া, মৰা হলেহে চালি, গজ-দন্তৰ মুকুতা-মাণিক পালেসে পালি?"[২৩]

২.১১ অসমীয়া বুৰঞ্জী সাহিত্যৰ বিষয়বস্তু ব্যৱহাৰিক জীৱনৰ সকলো দিশকে সামৰি লোৱা হেতু সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকৰ ভাব-বিনিময়ৰ কথ্যৰীতিয়ে ঠাই পাইছে। এফালে ৰজাঘৰীয়া বৃহত্তৰ সমাজ আৰু আনফালে হাট-ঘাটৰ লাভ-লোকচানৰ ভাগ বাটোৱাৰা মানুহৰ দৈনন্দিন জীৱনৰ সমস্যাবহুল নানা কথাও বুৰঞ্জীৰ কথ্যৰীতিত নিঃসন্দিগ্ধভাবে প্ৰকাশ পাইছে। বস্তু-বেহানি বেচা-কিনা, খাজনা-পাতিৰ লেনদেন, ঠাই বিশেষৰ দূৰত্বৰ হিচাব, দান-বৰঙনিৰ তালিকা, সন্ধি-পত্ৰ, জ্যোতিষ-চৰ্চা, বিষয়-ববীয়া নিৰ্বাচন পদ্ধতি আদি এশ-এবুৰি নথি-পত্ৰৰ উল্লেখ বুৰঞ্জীবোৰত পোৱা যায়। এইবোৰৰ প্ৰকাশৰীতিত বিভিন্ন সময়ত বিভিন্ন পৰিবেশত বুৰঞ্জীৰ ভাষাই মোট সলাইছে — প্ৰয়োজন সাপেক্ষে ব্যক্তিমানসৰ চাহিদা পূৰণ কৰিছে। সেয়ে বুৰঞ্জীৰ গদ্যত ব্যৱহাৰিক গদ্যৰ উৎকৃষ্ট নিদৰ্শন পোৱা যায়। তলত বিভিন্ন প্ৰসংগত প্ৰয়োগ হোৱা বুৰঞ্জীৰ কথ্যৰীতিৰ উল্লেখ কৰা হ'লঃ

**(ক) বুঢ়াৰজাৰ দিনৰ মানুহ পিয়ল আৰম্ভ কৰা হ'ল এনেধৰণেঃ**

"উপৰ বুড়াৰজা'তা। পাইকৰ ঘৰমুৰি দোপোয়া এংপোৱাকৈ খাটে, চাৰি চয় পোয়াও ঘৰত থাকে। এনে দেখি লুইতৰ পুঠিখাতিৰ, সুকান সুতিৰ মুখত, পাইক মানুহ দুনুহটো তাতে এঠাই হুই থাকিব দিলে। পাচে'তা গৈ সেই ঠাইতে আগতে থাকি মানুহ আপুনি লেখিব ধৰিলে। এক দুইকৈ লেখি একুৰি হলে তাৰে মাজৰ অটা আনি বড়া পাতে। একস হলে তাৰ ঘৰতে চাৰি পোৱা থকা অটাক বাচি আনি সইকিয়া পাতে। হাজাৰ হলে তাৰে ভাল চহকি বিচাৰি চাই অটাক আনি হাজৰিকিয়া পাতে।এইৰূপে মানুহ চাৰি পোয়াই গোট পাইক কৰিলে। তাৰে পৰাহে মানুহৰ পিয়ল হল। (পুৰণি অসম বুৰঞ্জী, পৃষ্ঠা ৬০)

**(খ) মীৰজুমালাৰ লগত আহোম ৰজাৰ সন্ধি-পত্ৰৰ লেখা এনেধৰণৰঃ**

**চুলতান চান্দ্ৰাই, মনু, চতুৰ্ভুজ, কাকতি এই চাৰিক পঠাই নবাব খানখানা, দুলালখাঁ, ৰচিতখাঁ, এই সকলোৰে কথা-বাৰ্ত্তা হুই তিনলাখ টকাৰ নিবন্ধ কৰিলে, আৰু আপোনাৰ জীয়েক পাচ্চাজাদালৈ দিলে, গাভৰুৰ লগত অলংকাৰ সহিতে**

**সোণ বিস হাজাৰ, ৰূপ য়াঠ কুৰি হাজাৰ, বিস হাতি আৰু বড়গোহাঞি, বুঢ়াগোহাঞি, বড়পাত্ৰ গোহাঞি, নেওগ গোবাঞি, এইসকলৰ পুত্ৰকো ওল দিলে। আৰু পাচত দিবলৈ থাকিল তিনি লাখ টকা, নবৈ হাতি। আৰু প্ৰতি বছৰে বিশ হাতিৰ নিবন্ধ কৰিলে। আৰু খানখানায়ে মহাৰাজালৈ দিলে, সোণৰ মলমা, আৰু তাৰোৱাল, জমাদাৰ, হিলৈ সহিতে পোন্ধৰ হাজাৰ টকাৰ বাব দিলে। ( পুৰণি অসম বুৰঞ্জী, পৃষ্ঠা ৯৮-৯৯)**

---

২৩। একে, পৃ ২০২

(গ) বুৰঞ্জীবোৰত দৈৱজ্ঞসকলৰ জ্যোতিষ চৰ্চাৰ ফলাফল – অতি সুন্দৰকৈ বৰ্ণনা কৰা হৈছে। ৰজাৰ নিৰ্দেশানুক্ৰমে– ৰজাঘৰীয়া দৈৱজ্ঞসকলে স্বৰ্গদেৱ আৰু ৰাজবিষয়াসকলৰ জন্ম,মৃত্যু, বিবিধ কৰ্মৰ শক, তাৰিখ, দণ্ড-পল আদি লেখি থৈছিল। তেনে এখন ফলকৰ প্ৰকাশভংগী এনেকুৱা ঃ

"৭১৭১৭ শকৰ শ্ৰাৱণৰ ২৩ দিন গতে বুধবাৰে নিশা ২ দণ্ড গতে দিঁচে কোঁঠত শ্ৰীশ্ৰীগৌৰীনাথ সিংহ মহাৰাজা স্বৰ্গী হ'ল। ২৫ দিন গতে শুক্ৰবাৰে দিবা তিনি পৰ মাৰিবলৈ ১ দণ্ড স্থিতে শ্ৰীশ্ৰীকমলেশ্বৰ সিংহ ৰাজাভিষেক, ভোগ ১৫, মা ৬। ১৭৩২ শকৰ মাঘৰ ১৫ দিং বৃহস্পতিবাৰে দিবা ৪ দণ্ড প্ৰাতসে স্বৰ্গী হ'ল। সেই দিনে দিবা দুপৰ ৪ দণ্ড মাৰি ২ দণ্ড গতো তস্য ভাতৃ ৰাজাভিষেক। (দেওধাই অসম বুৰঞ্জী, পৃষ্ঠা ১৬৯)

(ঘ) কীৰ্তিচন্দ্ৰ বৰবৰুৱাই পতা ৰহাৰ হাটৰ দান এনেদৰে বৰ্ণোৱা আছে

আৰো হাটৰ দান। — গৰুটোৰ লব কড়ি তিনি পোণা, এঠেঙ্গ এৰিল। তামোল কাউনৰ তিনি পোণা, পাণ ২০, পাণ তিনি গুছি, কপাহ ২০১টা, পহাৰী দান কড়ি ১৭ পোণ।

হাটৰ সীমা — পূবে গড়ৰ চকী, পছীমে গোগ, উত্তৰে ব্ৰহ্মপুত্ৰ, দক্ষিণে যমুনামুখ। আৰে ভিতৰে যি বেহা কৰে সকলো দাঁতিয়াল, চকীয়াল, ঢেকেৰি, বেবেজীয়া, আদানি। (দেওধাই অসম বুৰঞ্জী, পৃষ্ঠা ১৪২)

(ঙ) পাদশ্যাহ বুৰঞ্জীত দিল্লী আৰু আগ্ৰাৰ পৰা নানা ঠাই ৰ পথৰ জোখ "পঞ্চদশ অধ্যায়"ত অতি সুন্দৰৰূপে কাল-দণ্ড-প্ৰহৰ সৈতে উল্লেখ কৰা আছে ঃ

দিল্লীৰ পৰা ৰসতপুৰক লাগি, তিনিদিন চাৰিদণ্ড। দিল্লীৰ পৰা আগাৰা, দুই দিন তিনিপৰ। দিল্লীৰ পৰা গুলবাহ পাচ দণ্ড। দিল্লীৰ পৰা আহমদাবাদ, দুই দিন দুইপৰ। দিল্লীৰ পৰা মালপুৰ এঘাৰ দিন। দিল্লীৰপৰা ইতাস্ত, এক দিন তিনি পৰ। দিল্লীৰপৰা হৰিদুৱাৰ, দুই দিন তিনি পৰ। (পৃষ্ঠা ৯৬)

২.১২ বুৰঞ্জী সহিত্যৰ গদ্যশৈলী কেনেদৰে সমাজৰ সকলো স্তৰৰ কাম-কাজৰ বাবে প্ৰয়োগ কৰা হৈছিল তাক উল্লিখিতঅনুচ্ছেদবোৰত দেখুওৱা হল। বুৰঞ্জীৰ এই গদ্যৰীতিয়ে বিশেষ প্ৰসাৰতা আৰু প্ৰচাৰতা লাভ কৰি আধুনিক অসমীয়া সাহিত্যলৈ সংক্ৰমিত হ'ল। "অষ্টাদশ শতিকাৰ শেষ ভাগত আৰু উনবিংশ শতিকাৰ আদি ছোৱাত লেখা বুৰঞ্জীৰ ভাষা নিভাঁজ অসমীয়া, তাত বিদেশী শব্দৰ সমাবেশ নাই।"[২৪] আধুনিক অসমীয়া কথাসাহিত্যৰ আৰম্ভণি কালছোৱাত বুৰঞ্জীৰ কথ্যৰীতিৰ প্ৰভাৱ অনস্বীকাৰ্য্য। ইংৰাজ ৰাজত্বৰ আদি ভাগত নানান অসুবিধাৰ

২৪। সূৰ্য্যকুমাৰ ভূঞা (সম্পা), কামৰূপ বুৰঞ্জী, পৃ ১২ (পাতনি), ১৯৩০

মাজতো বুৰঞ্জী সাহিত্যৰ চিন্তা-চৰ্চা থকা বাবেই প্ৰাক-অৰুণোদয় আৰু অৰুণোদয় যুগৰ লেখকসকলৰ লেখনীতো ইয়াৰ প্ৰভাৱ পৰিলক্ষিত হয়। তলত অষ্টাদশ শতিকাৰ শেষছোৱা আৰু ঊনবিংশ শতিকাৰ প্ৰথম ভাগত লিখিত বুৰঞ্জী আৰু 'অৰুণোদই' কাকতৰ পৰা বিভিন্ন অনুচ্ছেদ উদাহৰণ হিচাবে আগবঢ়োৱা হ'ল ঃ

(১) ১৭৩৯ শকৰ ফাগুনৰ ৫ দিন যোৱাত দিচৈ বাহৰত চন্দ্ৰকান্ত মহাৰাজাক ভাঙ্গী বৰমূৰা গোঁহাঞিৰ নাতিয়েক কম্পানি বুঢ়াগোঁহাইৰ পুতেক বৰগোহাঞিঙ, বৰপাত্ৰ ধ্বনি বৰবৰুৱাই যুৱৰাজ পাতিছে। ১০ দিন যোৱাত স্বৰ্গৰাজা পাতিছে, সেৱা কৰিছে। সেই শকৰ আহাৰত চন্দ্ৰকান্ত মহাৰাজা ৰং পুৰ উঠিছে। ঢেকিয়াল ফুকন আহি ৰংপুৰৰ পৰা ৰাজাক দিচৈ বাহৰলৈ নিলে। ৩৮ শকৰ চতত মান আহি দীঘলীঘাট সোমাল। গোহাঞি মৰিল। মান আহিলত বুঢ়াহোহাঞিৰ পুতেকহঁত ভটিয়াই গ'ল।

( অসম বুৰঞ্জী, শৰত কুমাৰ দত্ত সম্পাদিত, পৃষ্ঠা ৬৩)

(২) এই ৰূপ শুনি ডাঙ্গৰীয়া কাপ্তানৰ তালৈ আগে গ'ল। কাপ্তানেও ডাঙ্গৰীয়াক দেখি আনন্দযুক্তহৈ বহিবলৈ চৌকী-পীৰা দিলে। পাচে কাপ্তানে বোলে,- — "বুঢ়াগোঁহাইক বুঢ়া বুলিহে জানিছিলোঁ। এতিয়া দেখো ডেকাহে।" পুনৰ চাহাবে বুলিলে,— "বুঢ়াগোঁহাই, বৰচাহাবৰ হুকুমেৰে আমি স্বৰ্গদেৱক ৰংপুৰ কিলা উঠাই লৈ দিবলৈ স্বৰ্গদেৱ সৈতে আহিছো।" পাচে ডাঙ্গৰীয়া বোলে,– " কাপ্তান চাহাব, আপুনি বহু চিপাহী সৈতে আহিছা, এতেকে ৰংপুৰ লব পাৰিবা।"

( তুংখুংঙ্গীয়া বুৰঞ্জী, পৃষ্ঠা ১২৭-২৮)

(৩) এই জনা স্বৰ্গদেৱৰ দিনতে প্ৰতাপ বলভ বৰফুকন মৰিলত দুঅৰাৰ বদনচন্দ্ৰই বৰফুকন হল। পাচে কুকুৰা চোআ বৰাভূতৰ পুতেক সাতৰাম স্বৰ্গদেৱৰ প্ৰধান বলভ হৈ চাৰিংগিয়া ফুকন হল। দৈচুংগিয়া বামুন জগধৰ চাৰিংগিয়া বৰুৱা প্ৰভিতি কিচু লোক ঐ ফুকনে সহিতে এক পৰামৰ্সি হৈ ৰাজমন্ত্ৰি পূৰ্ণানন্দ বুঢ়াগোহাই ডাঙ্গৰিয়াক নষ্ট কৰিব খোজাত এই কথা ডাঙ্গৰিয়াই বুজি পাই,১৭৩৬ সঁকৰ আসাৰ মাহত ঐ ফুকন প্ৰভিতি সেই পৰামৰ্সি লোকসকলক ধৰি বৰচৰাতে তিনিও জনা ডাঙ্গৰিয়া বৰবুৱাৰ সহিতে ফুকন সকলো বহি সোধপাতি, দণ্ড-বন্ধ কৰিলে। পৰে ১৭৩৭ সঁকৰ আহিন মাহত গুআহাটিৰপৰা ঐ বদনচন্দ্ৰ বৰফুকন বুঢ়াগোঁহাই ডাংগৰিয়াও ভয়েৰে পলাই, বংগাল দেশলৈ গল, তেওঁৰ মুৰে দিহিংগিয়োৰ ঘনশ্যাম ন ফুকন বৰফুকন হল। (আসাম বুৰন্‌জি পুথি, পৃষ্ঠা ৬৪-৬৫)

(৪) জোৰহাট নগৰত মহাৰাজা পুৰন্দৰ সিংহৰ ৩ পৰ্জন্তে মধুমেহৰ পিৰা উপস্থিত হৈ বৰ্তমান মাহৰ ১ প্ৰথম তাৰিখে ব্ৰিহসপতি বাৰৰ দিনা বেলি দুই বজাৰ

সমইত ম্রিত্যু হল। তেতিয়া দুৰ্গাপূজা চাবলৈ ফুকন, বৰুআ আদি বৰবৰুআ ডাংগৰিয়া সকল গোটখাই, সেই ম্রিত্যু মহাৰজাক নগৰৰপৰা বাহিৰ কৰি, দহন আদি কৰাবৰ নিমিতে, শ্রীজুত কামেশ্বৰ সিংহক, ম্রিত্যু ৰজাৰ স থকা ঠাইতে বৰচৰাত কাপোৰ পাৰি বহুআই, বৰবৰুআ আৰু ডাংগৰিয়া সকলে চাৰি বজাৰ সমইত পূৰ্বে পিত্রি ৰজাই জুবৰাজ নাম দিয়া, শ্রীজুত কামেশ্বৰ সিংহক এক সেবা কৰি জুবৰাজ মৰ্জতা দিলে। (অৰুণোদই, অক্টোবৰ, ১৯৪৬, পৃষ্ঠা– ৭৩)

২.১২.১ ৰচনাকালৰ ক্রমানুসাৰে ওপৰত উল্লিখিত অনুচ্ছেদবোৰ শ্রদ্ধেয় শ্রীশৰত কুমাৰ দত্ত সম্পাদিত "অসম বুৰঞ্জী" (ৰচনাকাল ওঠৰ শতাব্দী), প্ৰসিদ্ধ বুৰঞ্জীবিদ ড সূৰ্য্য কুমাৰ ভূঞা সম্পাদিত "তুংখুংঙ্গীয়া বুৰঞ্জী" (ৰচনাকাল ১৮০৩), ইষ্ট ইণ্ডিয়া কোম্পানীৰ অধীনত পুৰন্দৰ সিংহই ৰজা (১৮৩৩-৩৮) হৈ থকা সময়ত লিখা –"কাসিনাথ তামুলি কত্রিক আসাম বুৰন্‌জি পুথি" আৰু ড মহেশ্বৰ নেওগ সম্পাদিত "অৰুণোদইৰ" (অৰুণোদই আলোচনী,১৮৪৬ চন) পুথিৰ পৰা লোৱা। আটাইকেইটা অনুচ্ছেদৰে কথাশৈলী বিষযানুগ, অনাড়ম্বৰ আৰু সহজ বোধগম্য। কোনোধৰণৰ ৰসসিক্ততা বা বাগ-বাহুল্য নাই। প্রত্যেকটো বাক্যতে যিমানখিনি ক'লে কথাটো পাঠকৰ বোধগম্য হয় ঠিক সিমানখিনিহে কোৱা হৈছে। অৱশ্যে ইয়াকে কৰোতে 'অৰুণোদই' আৰু 'আসাম বুৰন্‌জি পুথি"ৰ গদ্যই কথিত ৰীতিৰ বেছি ওচৰ চাপিছে। চাৰিওটা ছেদৰে বৰ্ণ বিন্যাসৰীতি মনকৰিবলগীয়া। বিশেষকৈ পিছৰ অনুচ্ছেদ দুটাত "চ", "ছ", আৰু "য়", "জ"ৰ পাৰ্থক্যহীনতা, 'ব' 'ৰ' আৰু 'য়'ৰ সলনি প্রাকৃতৰ অনুৰূপত ঠায়ে ঠায়ে 'এ', 'আ', 'ই'ৰ প্ৰয়োগ; যুক্ত ব্যঞ্জনৰ ঠাইত একক ব্যঞ্জনৰ ব্যৱহাৰ; 'ঞ'ৰ প্ৰয়োগহীনতা বিশেষ লক্ষণীয়। "বুৰঞ্জী", "প্রাক-অৰুণোদয়" আৰু "আৰুণোদয়া"ৰ আখৰ জোটনিয়ে আধুনিক যুগৰ আৰম্ভণিৰ লেখকসকলকৰ কথালৈ মনত পেলায়। পৰৱৰ্তী তৃতীয় ভাগত বুৰঞ্জীৰ গদ্যত অলংকাৰৰ প্ৰয়োগ সম্পৰ্কে আলোচনা কৰি দেখুওৱা হ'ল।

******

# তৃতীয় ভাগ

বুৰঞ্জী সাহিত্যৰ গদ্যৰ প্ৰধান বৈশিষ্ট্যৰ আলোচনা প্ৰসংগত বুৰঞ্জীকাৰৰ অসাধাৰণ বাক্‌নৈপুণ্য আৰু বাগ্‌ভংগী পাঠকৰ মানসপটত ভাহি উঠে। "বাক্যং ৰসাত্মকং কাব্যম্" বোলা প্ৰাচীন আলংকাৰিকসকলৰ উক্তি বুৰঞ্জীবোৰৰ বহুক্ষেত্ৰতেই প্ৰযোজ্য যেন জ্ঞান হয়। অলংকাৰ, ধ্বনি, ব্যঞ্জনা আদিয়েই সাহিত্যৰ মহত্ব আৰু শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰে। বুৰঞ্জীৰ গদ্যতো অলংকাৰ, ব্যঞ্জনা, লক্ষণা আদি বিবিধ বাক্যৰ সৌন্দৰ্য্যবৰ্দ্ধক উপকৰণৰ প্ৰয়োগ দেখা যায় আৰু তাৰ ফলত বুৰঞ্জীৰ গদ্যও সাহিত্যৰ পৰ্য্যায়ত অধিষ্ঠিত হৈছে। এতিয়া আলোচ্য বুৰঞ্জীৰ গদ্যত অলংকাৰৰ প্ৰয়োগ সম্পৰ্কে চোৱা যাওঁক।

৩.০ আপাত দৃষ্টিত গদ্যত অলংকাৰৰ প্ৰয়োগ প্ৰয়োজনীয় যেন নালাগিলেও উৎকৃষ্ট গদ্য সাহিত্যত অলংকাৰৰ উপযুক্ত প্ৰয়োগে গদ্য-সাহিত্যক প্ৰাণবন্ত কৰি তোলে। প্ৰাচীন ভাৰতীয় সাহিত্যত বাণভট্টৰ 'কাদম্বৰী', দণ্ডীৰ 'দশ কুমাৰ চৰিত' সুবন্ধুৰ 'বাসবদত্তা', নাগসেনৰ 'মিলিন্দপঞহ' আদি গদ্য সাহিত্যত অলংকাৰৰ প্ৰচুৰ প্ৰয়োগ দেখা যায়। পাশ্চাত্য গদ্য-সাহিত্যতো অলংকাৰৰ বহুল ব্যৱহাৰ চকুত পৰে। সাহিত্যকসকলে অলংকাৰৰ যথাযথ প্ৰয়োগ কৰি বৰ্ণিত ঘটনাপুঞ্জক মনোগ্ৰাহী আৰু চিত্তাকৰ্ষক কৰাৰ নিচিনা বুৰঞ্জীকাৰসকলেও উপযুক্তভাৱে উপমা, ৰূপক, বিৰোধ,উৎপ্ৰেক্ষা, অতিশোয়োক্তি, দৃষ্টান্ত, নিদৰ্শনা, অনুপ্ৰাস আদিৰ প্ৰয়োগ কৰি বুৰঞ্জীৰ ঘটনা-প্ৰবাহ স্পষ্টতৰ কৰি তুলিছে। বুৰঞ্জীৰ কৰ্কশ ঘটনাৰাশি কেনেকৈ সাহিত্যৰ শ্ৰেণীত প্ৰৱেশ কৰিব পাৰে তাকেই বৰ্ণনা কৰি প্ৰখ্যাত বুৰঞ্জীবিদ ড সূৰ্য্য কুমাৰ ভূঞাই "অসমৰ পদ্য বুৰঞ্জী"ৰ পাতনিত লিখিছে ঃ

"ঘটনা হৈছে শুকান হাড়ছাল, সেই ঘটনাৰ কথা উল্লেখ কৰোঁতে মনোৰাজ্যৰ মাজত যিবোৰ ভাবৰ উদয় হয় সেয়ে হৈছে মঙহ-তেজ। এই দুয়োৰো সংযোগতহে কোনো ঘটনাৰ চিত্ৰই সতেজ জীৱন্ত আকাৰ ধাৰণ কৰে, আৰু তাৰ ফলত বুৰঞ্জীৰ আখ্যান সাহিত্যৰ শাৰীলৈ উন্নীত হয়। মূল ঘটনাক ভাবৰ সহায়েৰে সীমাবদ্ধৰূপে ৰাংগত ৰূপ চৰালে বুৰঞ্জীৰ সত্যৰ অপালাপ নহয়; সেই সত্যই প্ৰকৃত মূৰ্ত্তি ধৰি আমাৰ অন্তৰৰ সহানুভূতি আকৰ্ষণ কৰে, আৰু সেই ঘটনাৰ আনুষংগিক তাৎপৰ্য্যৰ ফালে আমাৰ মনোনিবেশ হয়।"

বুৰঞ্জীৰ ঘটনা প্ৰবাহৰ মূল্যায়নত অলংকাৰকে ধৰি কাব্যৰ বিভিন্ন উপাদানৰ

প্ৰাধান্য মনকৰিবলগীয়া। বুৰঞ্জী সাহিত্য বাস্তৱানুগ। সেয়ে সাধাৰণতে বুৰঞ্জী ৰচনাৰাজিক নীৰস বৰ্ণনাৰে ভাৰাক্ৰান্ত নকৰি দৃষ্টান্ত,নিদৰ্শনা, উপমা, ৰূপক আদিৰ সুবিন্যস্ত ব্যৱহাৰেৰে সুখপাঠ্য কৰি তোলা বুৰঞ্জীকাৰৰ প্ৰধান লক্ষ্য। তলত বুৰঞ্জীকাৰে ব্যৱহাৰ কৰা উপমা আৰু ৰূপকৰ উদাহৰণ দাঙি ধৰা হ'ল ঃ

**৩.১ উপমা আৰু ৰূপক ঃ** উপমা আৰু ৰূপকৰ সহায়ত দুৰ্বোধ্য বিষয়বস্তু পাঠকৰ মনোগ্ৰাহী কৰি প্ৰকাশ কৰা হয়। স্পষ্ট সাদৃশ্যযুক্ত কোনো বস্তু বা ঘটনাৰ তুলনাৰ্থত এই উপমাৰ প্ৰয়োগ কৰা হয়। বুৰঞ্জীকাৰে বুৰঞ্জীৰ বিচিত্ৰ ঘটনাৰাজিৰ সাদৃশ্য দেখুৱাবলৈ উপমেয় আৰু উপমানক যথাৰত প্ৰয়োগ কৰি উপমাৰ সৃষ্টি কৰে — অতি সাদৃশ্য হেতুকে উপমেয়ৰ ওপৰত উপমানক আৰোপ কৰি ৰূপকৰ অভেদত্ব প্ৰকাশ্য কৰে। এই উপমা আৰু ৰূপকৰ প্ৰয়োগ প্ৰতিখন বুৰঞ্জীতে পোৱা যায়। তলত বুৰঞ্জী সাহিত্যৰ পৰা কেইটিমান উদাহৰণ দাঙি ধৰা হ'ল ঃ

**উপমা ঃ** (১) "যেমনে প্ৰফুল্লিত পদ্ম সূৰ্য্য ৰশ্মিৰ দোৰণত জাতি বিকাশ হয় তেমনে ডাঙ্গৰীযাসকলৰ পৰাহে ৰস্ব দীৰ্ঘ বুদ্ধি হয়।"[১]

(২) "আজানুলম্বিত কৰ, বেলফুল সদৃশ মস্তক।"[২]

(৩) "বিশেষ অগ্নি, বায়ু সংযোগ হুয়া যেমন তৃনসকল দহিচন্ন কৰে, তুমি আমি তেমনে প্ৰীতি হৈলে শত্ৰুক দমন কৰি নষ্ট কৰিবাক পাৰি, তেমনে কৰিবা।"[৩]

(৪) "সোণৰ সঁফুৰা হেন গুৱাহাটীৰ ৰাজ্য তাকো যে এৰি থৈ আহিছো।"[৪]

(৫) "পাচে গৌৰবৰ্ণ সিংহবন্ধ কটি পূৰ্ণিমাৰ চন্দ্ৰসম মুখ বিনীতা।"[৫]

**ৰূপক ঃ** (১) "একদিন ত্যাওচুহমে বোলে, দুই গোঁহাই ৰূপৰ উধান, আমি সোণৰ থালি, আৰু এক উধান লাগে।"[৬]

(২) "সেইবেলা পৰিক্ষিত ৰজাৰ ভাই বলিকোঞৰ বঙলাৰ ভয়ত পলাই আহি স্বৰ্গ মহাৰাজাৰ পাৱক সৰনে পসিলহি। বোলে আমাৰ সবংশে গড়িয়া সাগৰত মজিলোঁ।"[৭]

---

১। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) অসম বুৰঞ্জী, পৃ ৪৭, ১৯৮৮

২। হেমচন্দ্ৰ গোস্বামী (সম্পা) পুৰণি অসম বুৰঞ্জী, পৃ ৩, ১৯৭৭

৩। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) কামৰূপৰ বুৰঞ্জী, পৃ ৮০, ১৯৫৮

৪। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) অসম বুৰঞ্জী, পৃ ১১৭, ১৯৮৮

৫। হেমচন্দ্ৰ গোস্বামী (সম্পা) পুৰণি অসম বুৰঞ্জী, পৃ ২, ১৯৭৭

৬। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) সাতসৰী, পৃ ১৩, ১৯৬৪

৭। প্ৰাগুক্ত গ্ৰন্থ, পৃ ৬২

(৩) "পুত্রত কবি পুৰণি খুটাণ নকৰিলে ৰজা হবলৈ টান।"[৮]

**৩.২ দৃষ্টান্ত আৰু নিদর্শনা :** বুৰঞ্জীবোৰত নানান কথা বিশ্বাসযোগ্য আৰু যথোপোযুক্তৰূপে প্রতিপন্ন কৰিবলৈ বর্ণনাৰ ফাঁকে ফাঁকে বর্ণনীয় বাক্যার্থৰ প্রমাণ স্বৰূপে অইন এটা বাক্যার্থ ছায়া-কায়াৰূপে উল্লেখ কৰি দৃষ্টান্ত অলংকাৰৰ প্রয়োগ কৰা দেখা যায়। আনহাতে বুৰঞ্জীকাৰে কেতিয়াবা কেতিয়াবা বর্ণনীয় বিষয়ৰ অসম্ভৱতা দূৰ কৰি সাদৃশ্যবোধ আৰোপ কৰি নিদর্শনা অলংকাৰৰো প্রয়োগ কৰা পৰিলক্ষিত হয়। ঘটনাবহুল জীৱনৰ অভিজ্ঞতাৰাশি স্পষ্টকৈ প্রকাশৰ বাবে দৃষ্টান্ত আৰু নিদর্শনাৰ ব্যৱহাৰ বুৰঞ্জীবোৰৰ কথোপকথনৰীতিত বহুলভাৱে কৰা দেখা যায়। তলত বেলেগ বেলেগ বুৰঞ্জী পুথিৰ পৰা উদ্ধৃত অনুচ্ছেদ কেইটিয়ে ইয়াক স্পষ্টকৈ বুজাই দিব :

**দৃষ্টান্ত :** (১) "বেজী হলেহে বটীয়া, মৰা হলেহে চালি,
গজদন্তৰ মুকুতা মাণিক পালেসে পালি।"[৯]

(২) "বংগাল একে ঠাই হৈ সাবধানে আছে।
কেঁচা বৰলক জোকালে গা সাৰিবলৈ টান।"[১০]

(৩) "কিন্তু সূর্য্যক ৰাহুএ আগ্র হণ কৰিয়াথই, তথাপিতো সূর্য্যৰ পুনৰ প্রকাশ নাকৰে? এতেকে আমিও বলা-বল জিজ্ঞাসা কৰিয়া যতন কৰিছি, তুমিও ইহাক লাগিয়া যতন কৰিবা।"[১১]

(৪) "ৰাজা দশৰথৰ মৃত্যু ভার্য্যাৰ কাৰণ, মহাপ্রভু শ্রীৰামৰ সন্তাপ সীতাৰ কৰণ, মৃগঃকুত্র হিৰণ্ময়? আৰ বিশেষাৰণ্যক পশু-পক্ষী সকলক দাবাগ্নিয়ে কালক্রমে ভস্মসাৎ কৰে, তথাপি নেকি পশু-পক্ষীয়ে সমস্ত অৰণ্যক ছাৰে?"[১২]

(৫) "আৰ গোহাঁইত বোলে— "শবৰ ওপৰত শগুণ বনাই, বায়সে সহিতে ভোজন কৰি তাৰ ওপৰ ছৰে, কোকিলে নেকি কোনো দিন শৱ চর্ম্মক শ্লাঘা কৰে?" আৰুবাৰ, গোহাঁয়ে বোলে, "মচ্ছ যি আনিছ, ই মচ্ছৰ স্বাদ কোঁচানৰ দেশতহে জানে, যি দেশত জন্ম সেই দেশতহে অবান্তৰ শুদ্ধ হেন জানে?"[১৩]

---

৮। সূর্য্যকুমাৰ ভূঞা (সম্পা) দেওধাই, পৃ ৯৫, ১৯৯০
৯। সূর্য্যকুমাৰ ভূঞা (সম্পা) দেওধাই, পৃ ২০২, ১৯৯০
১০। সূর্য্যকুমাৰ ভূঞা (সম্পা) অসম বুৰঞ্জী, পৃ ৯৭, ১৯৮৮
১১। সূর্য্যকুমাৰ ভূঞা (সম্পা) কামৰূপ বুৰঞ্জী, পৃ ৮০, ১৯৫৮
১২। প্রাগুক্ত গ্রন্থ, পৃ ১৫
১৩। প্রাগুক্ত গ্রন্থ, পৃ ৩০

**নিদর্শনা :** (১) "বায়সে কেহেনি কোকিল হৈবাক খোজে, ৰাজহংসে কেহেনি ঘৰচৰাইৰ গমনক লভে? সিটো ওৰেষা ৰাজা হয় জগন্নাথৰ সেৱক, তথাচো মোৰ সমান নহয়। আৰ হৰিদাস, তঞি ফিৰি কহ যাই, মোৰ বেটী সুধৰ্মা যেনাই তেনাই সাধিব ৰূপবতী নুই। বালকে চন্দ্ৰক হাত মেলি ধৰিবাক খোজে, এতেকে নেকি চন্দ্ৰক হাতে আনিবাক পাৰে? অগ্নিক বস্ত্ৰাঞ্চলে বান্ধিবাক খোজে, আছোক বান্ধি নিবাক চাহন্তে পাচে শৰীৰক ৰক্ষা কৰণো টান। এহিৰূপে বিক্ৰমসেন অবোধৰ খবৰ আমাৰ সভাত কহ আসি? এখনে আমাৰ সভাৰ চালা দূৰহো।"[১৪]

(২) "জুই অগুঁনি পৰুৱায়ে, ৰাতিক দিন কাহানি কৰে? আমাৰ কথাৰে কাহানি মহাৰাজা তোমাৰ ৰাজ্য মাৰিছে? ইন্দুৰৰ মুখত কাহানি হস্তীদন্ত গজে? ইন্দুৰৰ পথে কাহানি হস্তী অহা-যোৱা কৰে? স্বৰ্গমহাৰাজা কাহানি আমাৰ কথাত চলে? আমাৰ কথাৰে তোমাৰ ৰাজ্য মাৰিছেনে? আমি ভিক্ষুক, ভিক্ষা কৰি তোমাৰ ৰাজ্যত ফুৰোঁ, তোমাৰ যেই ইচ্ছা তাকে কৰা।"[১৫]

**৩.৩ উৎপ্ৰেক্ষা :** কেতিয়াবা কেতিয়াবা উৎপ্ৰেক্ষাৰ লগত উপমাৰ মিশ্ৰণ বুৰঞ্জীৰ ৰচনাৰীতিত দেখিবলৈ পোৱা যায়। সাধৰণতে বুৰঞ্জীৰ ৰচনাৰীতিত উপমা-ৰূপকৰ প্ৰয়োগ সৰ্বাধিক হ'লেও বৰ্ণনীয় বিষয়ক চমকৃত কৰি সামাজিকৰ হৃদয়ৰঞ্জক কৰি তোলোতে উপমেয়ত উপমানৰ উৎকট সংশয় আৰোপ কৰি উৎপ্ৰেক্ষা অলংকাৰ সৃষ্টি কৰা হয়। যেনে —

(ক) "মহাৰাজাৰ সভা সাক্ষাত ইন্দ্ৰৰ সভা, সেই সভাৰ পণ্ডিত বৃহস্পতি, ইয়াৰ বিচাৰ কৰিবলৈ যোগ্যতাএৰহে হয়, তথাপি মহাৰাজাৰ আজ্ঞাএ যি কিছু জানো মোহলা দিম।"[১৬]

**৩.৪ অতিশয়োক্তি আৰু অৰ্থান্তৰন্যাস :** মনকৰিবলগীয়া যে বুৰঞ্জীকাৰে বুৰঞ্জীৰ বিষয়বস্তুৰ বৰ্ণনা কৰোতে "বিষয়ৰ" ওপৰত "বিষয়ী"ৰ প্ৰাধান্যতা আৰোপ কৰা দেখা যায়। ফলত আৰোপিত বা বিষয়বস্তুৰ লগত সম্বন্ধজনিত চিত্ৰটোৰে মুখ্যভাৱে প্ৰতীত হয়। বৰ্ণনাৰ এই বিশেষ ৰীতিটোতে অতিশয়োক্তি অলংকাৰৰ

---

১৪। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) অসম বুৰঞ্জী, পৃ ২০-২১, ১৯৮৮

১৫। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) সাতসৰী, পৃ ৬৪, ১৯৬৪

১৬। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) ত্ৰিপুৰা বুৰঞ্জী, পৃ ২০, ১৯৬২

প্ৰতীতি হয়। তদুপৰি কথা-বতৰাৰ মাজত কেতিয়াবা কেতিয়াবা কোনো বিষয়ে কিবা উক্তি কৰি তাৰ সমৰ্থনত আন এটা উক্তিৰ উপস্থাপন কৰা হয়। ইয়াতেই অৰ্থান্তৰন্যাস অলংকাৰৰ সৃষ্টি হয়। অলংকাৰৰ এনেকুৱা প্ৰয়োগে ৰচনাৰীতিক যুক্তিবাদী কৰি তোলে। এই খিনিতে ভট্টদেৱীয় গদ্যৰীতিলৈ আমাৰ মনত পৰি যায়। কিছুমান যুক্তিপদৰপৰা এটা সিদ্ধান্তত উপনিত হোৱা এই গদ্যৰ এটি বিশেষ বৈশিষ্ট্য। বুৰঞ্জীৰ গদ্যশৈলীতো এনেকুৱা বাক্যৰীতিৰ ব্যৱহাৰ নোহোৱা নহয়। তলৰ উদাহৰণ দুটিয়ে ইয়াক অধিক স্পষ্টৰ কৰি তুলিব ঃ

**অতিশয়োক্তি ঃ**

"পৰীক্ষিত নাৰায়ণে বোলে, —"পাতসা ম্লামত, সি যেনে ছত্ৰধাৰী ৰাজা, ময়ো তেনে ছত্ৰধাৰী ৰাজা, কেনে পাও পাকুৰিম? পাতসা যে সমুদ্ৰত শাৰ্দ্দুল মাৰে মৎস কচ্ছপ অনেক থাকে তথাচো তাৰ আজ্ঞায়ে বুদ্ধিক নলভে। যি সিংহ হব শৃগালৰ আজ্ঞায়ে হস্তীক নাহি মাৰে।"[১৭]

**অৰ্থান্তৰন্যাস ঃ**

" ... কাঠৰ গড় বান্ধিম পচিব, মাটিৰ গড় বান্ধিম খহিব। মই কথাৰ গড় বান্ধি দিছো, প্ৰাণ পৰিভুগী হব।"[১৮]

৩.৫ **স্বভাৱোক্তি** ঃ"... সাধাৰণতে প্ৰকাশ কৰিব নোৱাৰা পশু-পক্ষী বা পৰ্বত বননি আদি সেই সেই পদাৰ্থৰ স্বাভাৱিক চেষ্টা বা আকাৰ প্ৰকাৰ আদি, কবি প্ৰতিভাৰ প্ৰভাৱত অতি স্পষ্টভাৱে চমত্কাৰ কৰি ফুটাই তোলা"[১৯] স্বভাৱোক্তি অলংকাৰৰ মূল লক্ষ্য। এনে প্ৰসংগত বুৰঞ্জীৰ ৰচনাৰীতিতো ইয়াৰ প্ৰয়োগ কেতিয়াবা চকুত পৰে। যেনে ঃ

(ক) "কিন্তু, হস্তি ঘোঁৰা পদাতিৰ ঘঞ্চালত জলে শোণিত হৈব, জঙ্গলে হৈব বালা, যুথে যুথে আইব পল্লৰ পালা। খাটাখুটা মাজুমখাঁ মুখে চাপ ডাড়ি, বেহাৰ ভঙ্গে যাইব গুৱাহাটী বাৰী।"[২০]

(খ) "পাচে ইন্দ্ৰদেৱতাএ বিস্তৰ লোকতৰি স্বৰ্গলৈ যাব হেন জানি মেঘত আজ্ঞা কৰিলে। বৃষ্টি কৰাই নদীকো বঢ়াই বশিষ্ঠকো স্থানকো বুড়াই পূজাৰ সামগ্ৰীকো উটাই নিলে।"[২১]

---

১৭। সূৰ্য্যকুমাৰ ভূএগ (সম্পা) অসম বুৰঞ্জী, পৃ ৪৫, ১৯৮৮

১৮। সূৰ্য্যকুমাৰ ভূএগ (সম্পা) দেওধাই, পৃ ১৩১, ১৯৯০

১৯। মনোৰঞ্জন শাস্ত্ৰী, সাহিত্য দৰ্শন, পৃ ৩৩১, ১৯৭০

২০। সূৰ্য্যকুমাৰ ভূএগ (সম্পা) অসম বুৰঞ্জী, পৃ ৭৭, ১৯৮৮

২১। হেমচন্দ্ৰ গোস্বামী (সম্পা) পুৰণি অসম বুৰঞ্জী, পৃ ৬, ১৯৭৭

**৩.৬ ভাৱিক অলংকাৰ :** "ভূত নাইবা ভাৱী (হৈ যোৱা বা ভৱিষ্যতে হ্বলগা) অদ্ভুত পদাৰ্থৰ প্ৰত্যক্ষ ৰূপে বৰ্ণনাত ভাৱিক অলংকাৰ হয়।"২২ বুৰঞ্জীত ইয়াৰ ব্যৱহাৰ দেখা যায়। যেনে :

(ক) "এই বুলি হাতে তিল-কুশ লৈ বিশ্বোনাথ ক্ষেত্ৰত হাত জুবুৰিয়াই কবুল কৰিছো, লাউ তল যাব, শিল উপংগিব, কোৱা বগা হ্বব, বগা কলা হ্বব, আৰু ব্ৰহ্মপুত্ৰে উভতি গতি কৰিব, তেবে কি মোৰ কবুল ছাৰিবে?"২৩

**৩.৭ অনুপ্ৰাস :** কাব্য-সাহিত্যৰ দৰে গদ্য-সাহিত্যৰ লেখাতো ছন্দসজ্জাৰ ৰূপকল্প কেতিয়াবা অনুভূত হয়। ছন্দৰ এই হেন্দোলনি গদ্যৰীতিত অনুৰণিত হয় বিশেষকৈ অনুপ্ৰাসৰ সুসম প্ৰয়োগত। অসমীয়া বুৰঞ্জী পুথিবোৰৰ লেখনকলাতো ইয়াৰ ব্যৱহাৰ দেখিবলৈ পোৱা যায়। তলত শব্দালংকাৰৰ অন্যতম প্ৰধান ভাগ অনুপ্ৰাসৰ উদাহৰণ বুৰঞ্জী পুথিৰ পৰা উদ্ধৃত কৰি দেখুওঁৱা হ'ল :

(ক) "তয়ো খোৰা,ময়ো খোৰা, লেফেৰা বৰবৰা সিও খোৰা।"২৪

(খ) "আগৰ বৈচা, মাঝৰ বৈচা, পাচৰ বৈচাৰে তিনিৰো একেবাৰে চাব পড়িলে, দেখিবলৈ ভাল, বাওঁতায়ো উৎসাহ পাই। নায়ো চলে। কাঢ়ৰিয়ো দি চল পাই। আগৰ, মাঝৰ, পাচৰ তিনিৰো তিনি চাব যদি হ্বল, কাঢ়াৰিয়ো দি চল নাপাই, নাৱো নচলে। দেখোতায়ো ভাল নেদেখে।"২৫

(গ) "বেজী হলেহে বটীয়া, মৰা হলেহে চালি, গজগস্তৰ মুকুতা মাণিক পালেহে পালি।"২৬

**৩.৮ লক্ষণা :** ওপৰৰ বুৰঞ্জীৰ গদ্যৰীতিত অৰ্থালংকাৰ আৰু শব্দালংকাৰৰ প্ৰয়োগৰ যৎসামান্য আভাস দাঙি ধৰা হ'ল। অলংকাৰৰ এই প্ৰয়োগৰ বাহিৰেও বুৰঞ্জীত লক্ষণা শব্দশক্তিৰ প্ৰচুৰ ব্যৱহাৰ প্ৰায়ে চকুত পৰে। "মুখ্যাৰ্থ যেতিয়া বাধিত হয় আৰ্থাৎ খাপ নাখায়, তেতিয়া পূৰ্বাপৰ চলি অহা প্ৰয়োগৰ হেতুকেই হওক কিম্বা বক্তাৰ অভিপ্ৰায় বিশেষ বুজাবৰ হেতুকেই হওক যি শক্তিয়ে মুখ্যাৰ্থৰ লগত কিবা সূত্ৰে খাপ খোৱা আন এটা অৰ্থ মনলৈ আনি দিয়ে তাকে লক্ষণা শক্তি বোলে।"২৭ এই আপাহতে বুৰঞ্জীত বৰ্ণিত বিষয়ত লক্ষণাৰ প্ৰয়োগ প্ৰায়ে চকুত

---

২২। বিশ্বনাৰায়ণ শাস্ত্ৰী (অনু. সম্পা) সাহিত্য দৰ্পন, পৃ ৩১৩, ১৯৬৪
২৩। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) কাছাৰী বুৰঞ্জী, পৃ ৮৭, ১৯৫১
২৪। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) সাতসৰী, পৃ ২৫, ১৯৬৪
২৫। হেমচন্দ্ৰ গোস্বামী (সম্পা) পুৰণি অসম বুৰঞ্জী, পৃ ১০৩, ১৯৭৭
২৬। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) দেওধাই, পৃ ২০২, ১৯৯০
২৭। তীৰ্থনাথ শৰ্মা, সাহিত্যবিদ্যা পৰিক্ৰমা, পৃ ২৯, ১৮৯৫ শক

পৰে। তলত বুৰঞ্জী সাহিত্যৰপৰা লক্ষণাবোৰ উলিয়াই দেখুওঁৱা হ'ল ঃ

(ক) "যদি আমাৰ স্ত্ৰী তবে ভাল নহয় একঘৰী হৈনো কিৰূপে আছিল? ঘৰ গুচি যে বন হল ভালা, বনক একদিন বনাগ্নিয়ে দহিলে হৰিণীয়ে ঘৰ পাব।"[২৮]

(খ) "আৰু বোলে — "কোপিত সৰ্পৰ মস্কিৰ ৰত্নক ইতৰজনে বাঞ্ছিলে নেকি তাক পাই।"[২৯]

(গ) "স্বৰ্গদেবৰ পুথাও-পুলিনে থাপি গৈছে, তেনে নগৰ মাৰিবলৈ মন কৰিলেও নাজানি বিষৰ গছ আৰোপণ কৰিলে উভালিলে ভাল নোহে।" পাচে স্বৰ্গদেৱে বোলে,– "গৃহস্থৰ কুকুৰ বলিয়া হৈ মানুহ খাই, তাক নেকি গৃহস্তে নামাৰে?" [৩০]

(ঘ) "মঞ্জি পাৰিলে নাৰিকল দুৰ্লভ ইন্দ্ৰে ভুঞ্জে সাহ।"[৩১]

(ঙ) "কাছাৰী ৰাজানো গলত শিল বান্ধি সমোদ্ৰত কেনমতে সাথুৰিব খুইছে? স্বৰ্গ মহাৰাজাৰ খাগুৰ ধাৰ দেখা নাইনে?"[৩২]

(চ) "বংগাল একেঠাই হৈ সাবধানে আছে, কেঁচা বৰলক জোকালে গা সাৰিবলৈ টান।"[৩৩]

(ছ) "ই অকথা মহৰ পিড়া নলৰ কানমাৰিত্ৰ নসয়, বামুণৰ লগুন শুদ্ৰে কেনেকৈ বব?"[৩৪]

(জ) "জুই আংগুনি পৰুৱায়ে ৰাতিক দিন কাহানি কৰে? আমাৰ কথাৰে কাহানি মহাৰাজা তোমাৰ ৰাজ্যক মাৰিছে? ইন্দুৰৰ মুখত কাহানি হস্তিদন্ত গজে? ইন্দুৰৰ পথে কাহানি হস্তি অহাযোৱা কৰে? বানৰৰ মুখে কি নাৰিকল ভাগে? স্বৰ্গ মহাৰাজা কাহানি আমাৰ কথাত চলে? আমাৰ কথাৰে তোমাৰ ৰাজ্য মাৰিছেনে? আমি ভিক্ষুক, ভিক্ষা কৰি তোমাৰ ৰাজ্যত ফুৰো, তোমাৰ যেই ইচ্ছা তাকে কৰা।"[৩৫]

********

---

২৮। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) অসম বুৰঞ্জী, পৃ ১৫, ১৯৮৮
২৯। উক্ত গ্ৰন্থ, পৃ ১৭
৩০। উক্ত গ্ৰন্থ, পৃ ৪২
৩১। উক্ত গ্ৰন্থ, পৃ ১৯
৩২। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) সাতসৰী, পৃ ৬২, ১৯৬৪
৩৩। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) অসম বুৰঞ্জী, পৃ ৯৭, ১৯৮৮
৩৪। প্ৰাগুক্ত গ্ৰন্থ, পৃ ১৪১
৩৫। প্ৰাগুক্ত গ্ৰন্থ, পৃ ৬৪

# চতুৰ্থ ভাগ

অসমীয়া বুৰঞ্জীসাহিত্যত ব্যৱহৃত প্ৰৱাদবাক্যবোৰৰ প্ৰায়োগিক তাৎপৰ্য অতি চমকপ্ৰদ। ৰজাঘৰীয়া বিভিন্ন ঘটনাৰ পটভূমিত এইবোৰৰ প্ৰাসংগিকতা মন কৰিবলগীয়া। এইবোৰত মূল বক্তব্যৰ তাৎপৰ্য্য নিহিত হৈ থাকে। বহু বিষয়ত এইবোৰে সমাজৰ মূল গতিধাৰাত নিবিষ্ট হৈ থকা জীৱন দৰ্শনৰ ইংগিতো বহন কৰে। প্ৰৱাদবাক্য বা প্ৰবচন যিহেতু সমাজ দিগবলয়ৰ মাজত জন্ম লাভ কৰা এক শ্ৰেণীৰ জনসাহিত্য, গতিকে তাত জন-জীৱনৰ বিভিন্ন ৰূপ পৰিস্ফুট। ই 'দহৰ জ্ঞান আৰু একৰ বাণী' হোৱা বাবে ইবোৰ আপ্তবাক্য। জগতৰ উচ্চমান বিশিষ্ট জাতি সমূহৰ সাহিত্যত ইয়াৰ যথাৰ্থ প্ৰয়োগ ঘটিছে। মানুহে দৈনন্দিন জীৱনত বাস্তৱ ঘটনাৰ মাজেৰে কিছুমান অভিজ্ঞতা লাভ কৰে আৰু সেই ঘটনাৰাশিৰ মাজত কিছুমান চিৰন্তন সত্য নিহিতহৈ থাকে। সেই চিৰন্তন সত্যবোৰক মানুহে ৰূপধৰ্মী কথাৰে এনেধৰণে ব্যক্ত কৰে যে সেইবোৰ পুৰুষানুক্ৰমে স্বতঃস্ফূৰ্তভাৱে যুগ যুগ ধৰি সমাজত প্ৰচলিত হৈ পৰে। মানৱ মনত এনেধৰণৰ ৰূপকধৰ্মী সেইবোৰ কালক্ৰমত প্ৰমাণযোগ্য বুলি গৃহীত হয়। মন কৰিবলগীয়া যে — প্ৰৱাদবাক্য সৃষ্টিৰ গুৰিত এঁকোটি উপলক্ষ্য নিহিত থাকে। উপলক্ষটি জানিলে প্ৰৱাদৰ অৰ্থবোধ সহজ হয়। কেতিয়াবা কেতিয়াবা প্ৰৱাদ-বচনবোৰ শুনাৰ লগে লগেই শ্ৰোতাৰ মনত অৰ্থবোধ উদয় হোৱা দেখা যায়। তদুপৰি ঘটনাৰ সংপৃক্ত প্ৰৱাদবোৰৰ তাৎপৰ্য্য বুজিবলৈ বিষয়গত অধ্যয়নৰো প্ৰয়োজন। বিশেষকৈ **ধৰ্মগ্ৰন্থ** বা **বুৰঞ্জী বিষয়ক প্ৰৱাদ বাক্যবোৰ** হৃদয়ংগম কৰোতে বিষয়বস্তুৰ লগত পৰিচয় থকা আৱশ্যক। অসমীয়া বুৰঞ্জী সাহিত্যত ব্যৱহৃত প্ৰৱাদবাক্যবোৰৰ দুই-চাৰিটা তলত উল্লেখ কৰা হ'ল ঃ

**৪.০ (১) "এক দেহ, দশমৰপদ মইহে কৰিছো, তয়ো কৰিবি।"**

স্বৰ্গদেও ৰামধ্বজ সিংহ (১৬৭২-৭৪) মহাৰাজাই ডেবেৰা হাজৰিকাক বৰবৰুৱা পাতিলে। ডেবেৰা বৰবৰুৱাই ৰজা ভঙ-পতা কাৰ্য্যত লিপ্ত হ'ল, দেশত অৰাজকতাৰ সৃষ্টি হ'ল। ডেবেৰাৰ অতপালি সহ্য কৰিব নোৱাৰি শৰাইঘটীয়া-বাঁহগৰীয়া আতন বুঢ়াগোঁহাই প্ৰমুখ্যে ফুকন, ৰাজখোৱা, হাজৰিকা সকলো একগোট হৈ "কাকো কেঞো এৰা-এৰি নকৰিবি" বুলি উজনিমুৱা হ'ল। বাঁহগড়ত শৰাইঘটীয়াসকসলৰ লগত ডেবেৰাৰ ৰণ হ'ল। "ৰণত নোৱাৰি ডেবেৰা পলাল।

তাক ধৰি গাহৰিৰ সজাত ভৰাই বৰঘৰিণীয়েকক মূৰত তুলি আনিলে। আৰু বৰফুকনৰ মেলনৈকো সৰু ঘৰিণীয়েকক কানত তুলি থৈছিল।" বুঢ়া ফুকনে সুধিলে, — "ডেবেৰা কিয় এনে কৰিলি ?" ডেবেৰাই বোলে,— "নুশুনিছঁহকনে ? এক দেহ। দশমৰ পদ মইহে কৰিছো তয়ো কৰিবি।"[১] ডেবেৰাই এই বুলি কৈ তেওঁ কৰা কামবোৰ "দশমৰ পদ ৰচনাৰূপ অকাৰ্য্য" কৰা বুলি মানি নিজকে সান্ত্বনা লভিলে আৰু মৰাৰ সময়ত লালুকসোলা বৰ ফুকনক এইদৰে কলে। লগতে সুযোগ পালে বুঢ়াফুকনেও যে এনেকুৱা কাম কৰিব তাৰে তেওঁ ইংগিত দিলে। সময়ত লালুকসোলা বৰফুকনৰ কৰ্ম্মত এই কথা ফলিয়ালে।

(২) শতপদীৰ একপদ ছিংগিল, তথাচো নেকি গমন নকৰে ?"

কমতেশ্বৰ ৰজাৰ মুখ্য পটেশ্বৰী সুশুদ্ধি গড়মা কুৱৰীয়ে ৰাজপুৰোহিতৰ মুখত সদায় "হৰগৌৰী সংবাদ" শুনে। এইদৰে "হৰগৌৰী সংবাদ" কাব্য শুনোতে গড়মা কুৱৰী ৰাজপুৰোহিতৰ লগত গুপ্ত প্ৰণয়ত লিপ্ত হয়। ৰজাই এই কথাৰ গম পাই দুয়োকে বন্দী কৰি থয়। পিছত ৰজাই সুশুদ্ধিক এইবুলি কলে,— "তোক সকলোৰো অধিকাৰ পাতি বৰকুঁৱৰী পাতিলো, তেওঁ যে এনে কৰিলি, ভাল, যিহকে বাঞ্চা কৰিছো তাকেকৰিব লাগে।" এইবুলি গড়ৰ বাহিৰে ঘৰ এটি সাজি ২ দিনে একো কথা চাউল দি এক তোলা লোণ, এক তোলা তেল, লগত এটি চেটী দি থলে। পাছে পুৰোহিতৰ অসোন্তোষ হেন জানি কমতেশ্বৰে বোলে, -- - "শতপদীৰ এক পদ ছিংগিল, তথাচো নেকি গমন নকৰে ?" দৈৱে যিখান কৰিলে সেয়ে হল।"[২] প্ৰকৃততে যাৰ যিটো অভ্যাস তাক এৰা টান। শতপদীৰ (কেৰেলুৱা, বিছা আদি কীট) একপদ নোহোৱা হলেও সি ভ্ৰমণ কৰিবই। গতিকে ৰাজ পটেশ্বৰী হলেও তাৰ স্বভাৱৰ পৰিবৰ্ত্তন নহয়। সুবিধা পালেই তাইৰ প্ৰকৃত স্বৰূপ প্ৰকাশ কৰিবই ।

(৩) "তলেও গোবধ ওপৰেও ব্ৰহ্মবধ।"

(৪) "লগুণৰ গুৰি লেকাই চেটিয়া।"

কোচ ৰজা মহাৰাজ নৰনাৰায়ণৰ ভায়েক সেনাপতি যুৱৰাজ চিলাৰায়ে অসম আক্ৰমণ কৰোঁতে অসমৰ সকলো জাতিয়ে লগুন পিন্ধি ফোঁটলৈ গৰুত উঠি সৈন্য সাজি কোচক খেদি গৈ যুদ্ধ ধৰিলে। অসমৰ সৈন্য দেখি "ইবোৰ ক্ষেত্ৰিয় নহয়, ব্ৰাহ্মণ বৈষ্ণৱেহে যুদ্ধ কৰিবলৈ আহিছে, তলেও গোবধ, ওপৰেও ব্ৰহ্মবধ"

---

১। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) তুংখুংগীয়া বুৰঞ্জী, পৃ ৬, ১৯৬৪

২। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) অসম বুৰঞ্জী, পৃ ১৩, ১৯৬০

বুলি চিলাৰায়ে সেইবেলা যুদ্ধ নকৰি আঁতৰি গল।”[৩] ফলতঃ আহোম ৰজাই বিনাযুদ্ধে কোচক পৰাস্ত কৰিলে। এনেদৰে আহোমে কোচ সেনাপতি চিলাৰায় দেৱানক উভয় সংকটত পেলাইছিল।

যুদ্ধ শেষ হোৱাৰ পিছত কোনোৱে কোনো লগুণ গুচাবলৈ ইচ্ছা নকৰিলে। ফলত বহুতো অব্ৰাহ্মণেই ব্ৰাহ্মণৰূপে পৰিচিত হ'ল। কিছুদিনৰ পিছত প্ৰকৃত ব্ৰাহ্মণৰ সংখ্যা নিৰূপণ কৰিবলৈ লেকাই চেতিয়াবৰবৰাক নিয়োগ কৰিলে-“যাৰ গুচাব লাগে গুচাব, যাৰ ৰাখিব লাগে ৰাখিব। পাচে সেইৰূপে লেকায়ে কৰিলে। কতো ব্ৰাহ্মণ গুচিল, কতো অন্য জাতিৰো থাকিল। কতোৱে শপে কতোৱে বৰ দিয়ে। এই নিমিত্তেসে লগুণৰ গুৰি লেকাই চেটিয়া বোলে।”[৪]

**(৫) “কি কৰিছ পিকছাই ? পয়েৰে থৈছে ঠিক চাই।”**

চুচেংফা প্ৰতাপ সিংহ বুঢ়াৰজাই (১৬১১-৪৮) লানমুখৰু বৰফুকনক হত্যা কৰি পিকচাই চেতিয়াক পাণ্ডুৰ গড়ত বৰফুকৰ পাতি সমস্তৰে অধিকাৰ দিলে। এওঁৰ ৰাজত্ব কালত ভিন ভিন আহোম-বংগালৰ যুদ্ধ হয়। এই যুদ্ধত আহোমে প্ৰাণটাকি যুঁজি বংগালক পৰস্ত কৰে। কিন্তু চেটিয়া বৰফুকনে তত্ৰাচ কোনো ৰণোদ্যম নেদেখুৱালে। সেয়ে “ৰত্নকন্দলী, মাধৱকন্দলী, বিৰিণা এই তিনি কটকীক দেৱে পিকছাইৰ ঠাইলৈ পাচিলে, বোলে, “ফুকনে যে গুৱাহাটীত মাছ, পছু মাৰি ৰং আনন্দ কৰি বিশ্ৰেষ্টাৰূপে খাই থাকে, থাকিব পাইনেকি ? আৰু বংগালো বৰনগৰতে আছে। যদি তাৰপৰা আহি আমাৰ লোকজন কাটে তেতিয়া কিৰূপে ৰক্ষা পৰিব, পো-নাতিলৈ বা কোন আপাহত চাউল-কানি বৰ্হাব ?”[৫] স্বৰ্গদেৱৰ এই বাৰ্ত্তা পাই পিকছাইয়ে এওঁলোকক বেয়া ব্যৱহাৰ কৰিলে। এওঁলোকে পিকছাই চেটিয়া বৰফুকন সম্পৰ্কে স্বৰ্গদেৱক জনালে,– “দুই তিনিজনা ফুকনৰ দ্বন্দ লাগে, আৰু দুই তিৰোতাৰ কন্দল লাগে, তাকে ভাংগিব নোৱাৰে আৰু ফুল পিন্ধিহে থাকে'ৰ কাৰ্য্য কাম কি কৰিব ?”[৬] স্বৰ্গদেৱে এই সংবাদ পাই পিকছাইক লোহা লগাই আনি হাতীশালত থলে। পিছত আই কুঁৱৰীয়ে এদিনাখন পিকছাইত কেনেকৈ থৈছে চাবলৈ আহি সুধিলে, “কি কৰিছ পিকাছাই” পিকছায়ে উত্তৰ দিলে “পয়েৰে থৈছে ঠিক চাই।”[৭] এই কথা মহাৰাজাক আই কুঁৱৰীয়ে কোৱাত ৰজাই তাক বৰফুকন ভাণ্ডি সৰু চকুৱা

৩। উক্ত গ্ৰন্থ, পৃ ৩২
৪। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) সাতসৰী, পৃ ২৩, ১৯৬৪
৫। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) কামৰূপৰ বুৰঞ্জী, পৃ ৩৮, ১৯৫৮
৬। উক্ত গ্ৰন্থ, পৃ ৩৮
৭। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) অসম বুৰঞ্জী, পৃ ৫৯, ১৯৮৮

গোহাঁইক বৰফুকন পাতিলে।

৪.১ ৰজাঘৰীয়া পৃষ্ঠপোষকতাত বুৰঞ্জী সাহিত্যৰ সৃষ্টি। আহোম ৰজাসকলৰ বৈদেশিক, ৰাজনৈতিক প্ৰজ্ঞাৰ স্বাক্ষৰ বুৰঞ্জীৰ পাতে পাতে। তিনিজন ডাঙৰীয়া ৰাজচৰাত বহি প্ৰতিটো কথা খৰচি মাৰি আলোচনা কৰি যুক্তিনিষ্ঠ সহকাৰে কথাৰ মোখনি মাৰিবলৈ তথা প্ৰতিপক্ষক ফেপেৰি পাতি ধৰি বিব্ৰত কৰিবলৈ ব্যৱহৃতহোৱা প্ৰৱাদবাক্যবোৰৰ প্ৰয়োগ মন কৰিবলগীয়া। তলত এনেকুৱা পৰ্য্যয়ৰ প্ৰৱাদবাক্য পাঁচয়া বুৰঞ্জী সাহিত্যৰ পাৰ উদ্ধৃত কৰি দেখুৱা হ'ল ঃ

(১) "একে চোংগতে দুটাকৈ বাঘ কত থকে?"

নবাৰজাই মাঙতৰাৰ হাতত পৰাস্ত হৈ আহোমৰ আশ্ৰয় বিচাৰি কটকী পঠাই দিলে। আহোম ৰজাই পাত্ৰ-মন্ত্ৰীসকলৰ সৈতে আলোচনা কৰি কন্যা দিবলৈ কৈ পঠালে। সেইমতে নবাৰজাই নিজৰ ভনীয়েকক আহোম ৰজালৈ বিবিধ উপঢৌকনেৰে সৈতে পঠাই দিলে। "পাচে পাত্ৰ মন্ত্ৰীসকলোৰো সমালোচনা কৰি বোলে ভনীয়েককে দিলে এতিয়া কি কৰা যাব। পাচে মন্ত্ৰীসকলে বোলে সামান্য ৰজা নহই, ঠাই দিলে দুৰ্গুণহে পোৱা যাব। একে চোংগতে দুটাকৈ বাঘ কত থাকে?"[৮]

এইবুলি পাত্ৰ-মন্ত্ৰীসকলে নবাৰজাক আশ্ৰয় নিদিবলৈ উপদেশ দিলে। কিয়নো সমান শক্তিশালী দুজন ৰজা একেলগে থাকিলে কাজিয়া লগাৰ সম্ভাবনাহে বেছি। দুয়োজন দুঠাইত থকাই ভাল। এই প্ৰবাদবাক্য বৰ্ত্তমানেও জনসমাজত খুব প্ৰচলিত।

(২) "ৰাজাৰ গোষ্ঠিসে ৰাজা, সাধুৰ সন্ততিসে সাধু হব পায়।"

ডেবেৰা বৰবৰুৱাক হত্যা কৰাৰ পিছত বাঁহগড়ীয়া আতন বুঢ়াগোঁহাই ডাঙৰীয়া ৰাজ্যত সৰ্বেসৰ্বা হৈ পৰিল। তেওঁ ইচ্ছা কৰা হ'লে শিৰত মুকুট পিন্ধি ছত্ৰধাৰী ৰজা হব পাৰিলেহেঁতেন। মন্ত্ৰীসকলে তেওঁক ৰাজসিংহাসন লবলৈ অনুৰোধো কৰিছিল। কিন্তু দেশ-প্ৰেমিক বাঁহগড়ীয়া আতন বুঢ়াগোঁহাই ডাঙৰীয়াই সেই দান প্ৰত্যাখ্যান কৰি কলে– "আমি ই ভাৰৰ অযোগ্য, ৰাজাৰ গোষ্ঠিসে ৰাজা, সাধুৰ সন্ততিসে সাধু হব পায়, আনে হব নাপায়।"[৯] বুঢ়াগোঁহাই হল ৰাজমন্ত্ৰী। মন্ত্ৰীৰ এই কাম অযোগ্য। যাৰ যি স্থান সেই স্থানতহে বহিব লাগে, বংশ পৰম্পাৰাও ৰক্ষা কৰিব লাগে। সেয়ে ৰাজমন্ত্ৰী বুঢ়াগোঁহাইয়ে ৰজাৰ কোঁৱৰ চুজিন্‌ফা দিহিংগীয়াক ৰজা পাতিলে ১৫৯৭ শকত।

---

৮। হেমচন্দ্ৰ গোস্বামী (সম্পা) পুৰণি অসম বুৰঞ্জী, পৃ ১৮, ১৯৭৭

৯। শৰৎ কুমাৰ দত্ত (সম্পা) অসম বুৰঞ্জী, পৃ ৪৫, ১৯৩৮

(৩) "শত্ৰুৰ তেজ বঢ়াই থবলৈ ভাল নোহে।"

আহোম ৰজাসকলে নিজ দেশৰ শত্ৰুক সততে নিধন কৰিছিল, শত্ৰুক প্ৰশয় নিদিছিল। স্বৰ্গদেও চুহুংমুং দিহিংগীয়া ৰজাই চুটিয়া ৰাজ্যক বশ কৰি বহুত প্ৰজাক হত্যা কৰিছিল । এই আপাহতে কনচেং বৰপাত্ৰ গোঁহাইয়ে বোলে,-- "শত্ৰুৰ তেজ বঢ়াই থবলৈ ভাল নোহে।"[১০] শত্ৰু হলে নিজ দেশৰ স্বাধীনতা ৰক্ষাৰ্থে ধ্বংস কৰিব লাগে। এই প্ৰবাদবাক্য সকলো সময়তে প্ৰযোজ্য, দেশ-শত্ৰুক অংকুৰতে বিনষ্ট কাৰ প্ৰথম আৰু প্ৰধান কৰ্তব্য।

(৪) "বৰলোকৰ প্ৰীতি চিত্তে সহিতে, সামান্য লোকৰ প্ৰীতিমুখৰ হস্তে।"

প্ৰীতিৰ মূল স্বৰূপ আন্তৰিকতা। আন্তৰিকতা অবিহনে প্ৰীতি নিৰৰ্থক। ই ব্যক্তিৰ মহানুভৱতাৰ পৰিচায়ক। সৎ লোকৰ প্ৰীতিত এই আন্তৰিকতা পৰিস্ফুট হোৱা দেখা যায়। আনহাতে নীচলোকৰ প্ৰীতি উদাৰতাবিহীন; বৰং তাত স্বাৰ্থহে পৰিলক্ষিত হয়। অন্তঃসাৰশূন্য এনে প্ৰীতি বৰ্জ্জনীয়। ৰামেশ্বৰ ন্যায় অলংকাৰ আৰু উদয় নাৰায়ণ বিশ্বাস এই দুই ত্ৰিপুৰা কটকীক বিদায় দিয়োতে বৰবৰুৱা ডাঙৰীয়াই এই বুলি কলে – "স্বৰ্গমহাৰাজা সহিতে ৰাজা ৰত্নমাণিক্যৰ যি প্ৰীতি গোট হৈছে সেই প্ৰীতি গোট যেমনে হ্ৰাস নহয় ৰাজাও সেইখান কৰিব।" আৰু বুলিলে বোলে –"বৰলোকৰ প্ৰীতি চিত্তে সহিতে সামান্যলোকৰ প্ৰীতি মুখৰ হস্তে। যেমনে চিত্তে সমম্বিতে প্ৰীতিগোট হয় সেইৰূপে কৰিব।"[১১]

(৫) "শাস্ত্ৰৰ সন্মত শৰণীয়াক, কৰণীয়াক এৰিব নাপায়।"

শৰণীয়া আৰু কৰণীয়া উভয়ক ৰক্ষা কৰা ৰাজধৰ্ম্ম, ই শাস্ত্ৰ সন্মত কথা। এতেকে আহোমৰ শ্ৰেষ্ঠ ৰজা ৰুদ্ৰসিংহ মহাৰজাই কছাৰী ৰজাৰ পত্ৰ পাই "পাত্ৰ-মত্যক চপাই সুধিলে, বোলে, –"শাস্ত্ৰৰ সন্মত শৰণীয়াক, কৰণীয়াক এৰিব নাপাই। কছাৰী জয়ন্তা দুই ৰাজাক কোনে আনি দিবহি?" বৰাগীবৰবৰুৱাদেৱে বোলে– "দেউতাৰ বন্দী আছো, কিছু শঙ্কা নাকৰিবে। দেউতাৰ বন্দীয়ে কছাৰী, জয়ন্তা ৰাজাক দুই আনি শৰ্ণ্যাপন কৰায়া দিয়া যাব।"[১২]

এনেদৰে ওপৰত উল্লিখিত প্ৰবাদবাক্যবোৰৰ লেখিয়া বহুতো প্ৰবাদৰ প্ৰয়োগ বুৰঞ্জী সাহিত্যত দেখিবলৈ পোৱা যায়।

৪.২ বুৰঞ্জীবোৰ ধৰ্মনিৰপেক্ষ ব্যৱহাৰিক জীৱনৰ সাহিত্য হোৱা বাবে ইয়াৰ

১০। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) অসম বুৰঞ্জী, পৃ ৯, ১৯৮৮
১১। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) ত্ৰিপুৰা বুৰঞ্জী, পৃ ১৬-১৭, ১৯৬২
১২। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) দেওধাই, পৃ ১৩৬, ১৯৯০

কথনভংগীত দৈনন্দিন জীৱনত ব্যৱহৃত প্ৰবাদ বাক্যৰ প্ৰয়োগ যথেষ্ট পৰিমাণে পোৱা যায়। তলত পাঁচটা তেনেকুৱা উক্তিৰ অনুচ্ছেদ আলোচনা কৰি দেখুওৱা হ'ল ঃ

(১) ভগা ৰজা জয়ধ্বজসিংহ মহাৰজাই তেওঁৰ বিপদৰ সময়ত লগা এৰা মানুহক খংকৈ কাটিব খোজোতে গড়গঞা ৰজা শহুৰ ৰাজমন্ত্ৰীয়ে এই বুলি সমিধান দিলে,--**"মূড়ৰ চুলি দুই এক ডাল পকিলে, তাক কাঢ়িলে সোভা দেখি, সকল যদি পকিল, তাক কাঢ়িলে আপোনাৰ মূড়ত(দুখ) পাবলৈহে আছে।"**[১৩]

(২) ৰাজকুঁৱৰী সাধনী বিবাহযোগ্য হোৱাত দেউতাক খুন্তৰজাই পণত জিকিলে সামান্য খৰিভাৰীতো জীয়েকক অৰ্পণ কৰিব বুলি কলে। এই কথাত খৰিভাৰী সন্দেহ প্ৰকাশ কৰাত খুন্ত ৰজাই অভয় দি কলে,–**"শামুকতো মাণিক, কদলীতো কৰ্পূৰ,** আত তই সংশয় নকৰিবি। সুবৰ্ণপুৰী লংকাতো ৰাক্ষহে ভোগ কৰে, ক'ত শুনিছ খুন্ত ৰজাৰ বচন লৰে?"[১৪] খৰীভাৰীয়ে ৰজাৰ এই বচন শুনি তেওঁক নমস্কাৰ জনাই "গাইৰ পেটৰ দুধ বঢ়াকৈ থবৰ কাৰণ" নেদেখি শক্তি অনুসৰি যতন কৰি "ধনু ধৰি কাণ্ড থেকেৰামাহীত" লগালে। ৰজাই ইয়াতে সন্তুষ্ট হৈ কলে -

(৩) **"বেজী হলেহে বটীয়া মৰা হলেহে চালি, গজ-দন্তৰ মুকুতা মাণিক পালেহে পালি।"**[১৫]

প্ৰবাদবাক্য হিচাপে ওপৰত উল্লিখিত প্ৰবাদবাক্য দুটাৰ কালজয়ী আবেদন আছে।

(৪) "ৰজা দুৰ্লভেন্দ্ৰই এক ৰাজবোৱাৰীক বন্ধু ফিংগুৱাৰ অলক্ষিতে আপোন কৰি লোৱাত ফিংগুৱাই তেওঁক হত্যা কৰি দ্ৰোহ আচৰিলে এই বুলি– **"মঞি পাৰিলো নাৰিকল দুৰ্লভেন্দ্ৰই ভুঞ্জে সাহ।"**[১৬]

ঐতিহাসিক ঘটনাসংপৃক্ত এই প্ৰবাদবাক্যটো নিৰক্ষৰ জনসমাজৰ মাজত বৰ্তমানো প্ৰচলিত **"হাপাই আনিলে তিৰী, বোন্দাই হল ওপৰতে গিৰিৰ সমাৰ্থক।** এজনে কষ্ট কৰিব আনজনে বিনা কষ্টই ভোগ কৰিব, এয়ে ইয়াৰ তাৎপৰ্য্য।

(৫) "ডেবেৰা বৰবৰুৱাৰ অতপালিত অসহ্য হৈ বাঁহগড়ীয়া আতন বুঢ়াগোঁহাই ডাঙৰীয়াকে শৰাইঘটীয়াইতে ৰজা হবলৈ কোৱাত তেৰাই এই বুলি উত্তৰ দিলে,– **"ই অকথা, ম হৰ পিড়া নলব কানমাৰিঞে নলয়, বামুনৰ লগুন শুদ্ৰে কেনেকৈ বব?"**[১৭]

১৩। হেমচন্দ্ৰ গোস্বামী (সম্পা) পুৰণি অসম বুৰঞ্জী, পৃ ১০০, ১৯৭৭
১৪। প্ৰাগুক্ত গ্ৰন্থ, পৃ ২০২
১৫। একে
১৬। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) অসমীয়া বুৰঞ্জী, পৃ ১৯, ১৯৮৮
১৭। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) সাতসৰী, পৃ ১৪১, ১৯৬৪

৪.৩ জন-জীৱনৰ ওচৰ সম্বন্ধঘটিত জীৱ-জন্তু, চৰাই-চিৰিকতি, গছ-গছনি, তৰু-তৃণ, নদ-নদী আদিক লৈ লোককথাৰ অনেক সৃষ্টি বৰ্তমান। প্ৰাকৃতিক সৌন্দৰ্য্যৰে বিধৌত অসমৰ লোকজীৱন আৰু লোককলাত এইবোৰৰ প্ৰত্যক্ষ প্ৰভাৱ প্ৰায়ে পৰ্য্যবসিত হয়। এইবোৰৰ শাৰীৰিক আৰু স্বভাৱগত বিশেষত্বকলৈ বহুতো ফকৰা-যোজনা, প্ৰৱাদ-পটন্তৰ সৃষ্টি হোৱা দেখা পাওঁ। সাধাৰণতে ঘৰুৱা জীৱনৰ কথোপোকথনৰ প্ৰাসংগিকতাতে এইবোৰৰ ব্যৱহাৰ সঘনে পৰিলক্ষিত হয়। ইয়াৰ স্বীকৃতি বৰ্ণিত ঘটনাত সজীৱতা আৰোপ। অৱশ্যে এই প্ৰসংগত ব্যৱহৃত প্ৰৱাদবাক্যবোৰৰ সূচিত অৰ্থবোৰ বহু সময়ত অধ্যাহাৰ কৰিবলগা হয়। প্ৰৱাদবাক্যবোৰৰ তাৎপৰ্য্য ৰক্ষা কৰি যথাস্থানত ব্যৱহাৰ কৰিব পাৰিলে বাক্যৰ অৰ্থ পৰিস্ফুট হয় আৰু ঘটনাপুঞ্জৰ মাজত এটি সুন্দৰ সংহতিও ৰক্ষিত হয়। বুৰঞ্জী পুথিবোৰত এনেকুৱা শ্ৰেণীৰ প্ৰৱাদবাক্যৰ সুন্দৰ প্ৰয়োগ দেখা যায়। যেনে-

(ক) "কেঁচা বৰলক জোকালে গা সাৰিবলৈ টান।"

মহাবীৰ লাচিত বৰফুকনে মোগল সেনাপতি ৰামসিংহক ধৰিবলৈ চল চাই থাকোতে ঘোঁৰা কোঁৱৰে আহি স্বৰ্গদেৱক "চাৰিওফালে পানী হৈছে ওলাই ধৰিব পাৰিলে বংগালক খেদিব পাৰি", এই বুলি কলে। স্বৰ্গদেৱে এই কথা শুনি বোলে, "জান যে এনে ছল আছে নধৰ কিয়? এতিয়াও যা।" পাচে ঘোঁৰাকোঁৱৰে আহি বৰফুকনক কলে "নাৱেতৰে বংগালক ধৰিব দিছে।" বৰফুকনে কলে বোলে "বংগাল একে ঠাই হৈ সাৱধানে আছে। কেঁচা বৰলক জোকালে গা সাৰিবলৈ টান হব।"[১৮]

সাধাৰণতে আহোম সৈন্যই চলচাই মোগল শত্ৰুক আক্ৰমণ কৰিছিল। সুবিধা বুজি আক্ৰমণ নকৰি মোগল সৈন্যক যেনে-তেনে জোকাই ললে তাৰ ফল ভয়াবহ হব। 'সময়ৰ শৰ সময়ত নামাৰিলে শৰ পহুৰ মঙহ খাবলৈ আশা কৰা মিছা' এই আপ্তবাক্য মহাবীৰ লাচিত বৰফুকনে উপলব্ধি কৰিছিল। সেয়ে লাচিত বৰফুকনৰ কেঁচা বৰল সদৃশ এই মোগল সৈন্যসকলক জধেমধে আক্ৰমণ কৰিবলৈ মন কৰা নাছিল। কিয়নো ছেগ চাই শত্ৰুপক্ষক আগুচি ধৰিলেহে ৰণত জয়লাভ কৰিব পৰা যায়।

(খ) "উত্তম জনক বাক্য গজদন্ত তুল্য, সিটো গজদন্ত নেকি কোনো কালে ফিৰে?"

সৎলোকৰ কথাৰ লৰচৰ নহয়, সি শিলৰ ৰেখা। যিদৰে হাতীৰ দাঁত এবাৰ

১৮। প্ৰাগুক্ত গ্ৰন্থ, পৃ ৯৭

ওলালে তাক হেচুকিলে নোসোমায়, সৎলোকৰ বাক্যও তেনেকুৱা।

গৌড়েশ্বৰ পাৎসাই কমতেশ্বৰ নীলাম্বৰ ৰজাই তেওঁৰ মুখ্য পটেশ্বৰী সুশুদ্ধি গড়মা কুৱৰী আৰু পুৰোহিত চন্দ্ৰশেখৰক বন্দী কৰি থোৱা সংবাদ পাই কমতাপুৰ আক্ৰমণ কৰিবলৈ দৃঢ় প্ৰতিজ্ঞ হ'ল। তেওঁ হাললখা আৰু বাজিতখাক এইবুলি লেখা দি পঠালে, — "ধনেশ্বৰ গুৱাকটাতকৈ যে আমালৈ কমতশ্বেৰে কৈ আহিছিল সি কথা দেখো দুই মাহৰ বাজ হলতে লৰিল। যদি আমাৰ জী তবে ভাল নহয় একঘৰী হৈনো কিৰূপে আছিল? ঘৰ গুচি যে বন হল ভালা, বনক একদিন বনাগ্নিয়ে দহিলে হৰিণীয়ে ঘৰ পাব?"– এই পত্ৰ পাই কমেতেশ্বৰ মৰ্মাহত হল। প্ৰতুত্যৰত তেওঁ লিখিলে–"ৰাজা দশৰথৰ মৃত্যু ভাৰ্য্যাৰ কাৰণ, মহাপ্ৰভু শ্ৰীৰামৰ সন্তাপ সীতাৰ কাৰণ, মৃগ কুত্ৰ হিৰণ্ময়ঃ? আৰ বিশেষাৰণ্যক পশুপক্ষী সকলক দাবাগ্নিয়ে কালক্ৰমে ভস্মসাৎ কৰিলে, তথাপি নেকি পশু-পক্ষীয়ে সমস্তে আৰণ্যক ছাৰে? তাইৰ আমাৰ প্ৰীতি আজিৰ নহয় অনেক দিন চলি আছে। গৌড়েশ্বৰে যে ভাংগিবাক ইচ্ছা কৰে এতেকে তাই কৰিবাক কি? দৈব্যগতিয়ে যাক যি ৰূপ কৰে?" গৌড়েশ্বৰ পাতসাই "উজবগ নাম উজীৰক মাতি আনি লিখা লেখি বোলে,– "উত্তমজনক বাক্য গজদন্ত তুল্য, সিতো গজদন্ত নেকি কোনো কাল ফিৰে?"[১৯] এই বুলি কমতাপুৰ আক্ৰমণ কৰিলে।

**(গ) "তিতা গছৰ আগো তিতা, গুৰিও তিতা।"**

যি লোক প্ৰকৃততে সংস্কাৰপ্ৰাপ্ত হোৱা নাই বা যাৰ স্বভাব চৰিত্ৰ বেয়া তাৰ বংশ পৰম্পৰাৰ মাজতো সেই প্ৰবৃত্তি দেখিবলৈ পোৱা যায়। এঙাৰ ধুলেও বগা নোহোৱাৰ দৰে কুসংস্কাৰযুক্ত লোক সহজতে সংস্কাৰ প্ৰাপ্ত নহয়। যেনেকৈ তিতা গছৰ ডাল-পাত-ফল আনকি শিপাও তিতা – তেনেকৈ বেয়া প্ৰবৃত্তিযুক্ত লোকৰ বংশত পৰম্পৰা অনুসাৰে তেনে প্ৰবৃত্তি থকা দেখা যায়।

চুচেংফা প্ৰতাপসিংহ বুঢ়াৰজাৰ দিনত ভগুৰী গোহাঁইৰ পুত্ৰসকলৰ অতপালি সহিব নোৱাৰি সিহঁতক হত্যা কৰিলে। লগতে ভগুৰী গোহাঁইকো হত্যা কৰিবলৈ আদেশ দিলে। তেতিয়া গোঁহাঞিয়ে কলে,–"লৰাহতে অকথা কৰিলে দেখি দণ্ড কৰিলে, বুঢ়াবন্দীৰ দেহটো ৰাখক।" দেবে শুনি বোলে,–"আখেকৰ জীয়েকক ৰাখিবলৈ তাতে সুধিলো, সি বোলে,–"তিতা গছৰ আগো তিতা, গুৰিও তিতা।"[২০]

---

১৯। একে, পৃ ১৫

২০। একে, পৃ ৬৪

৪.৪ অসমীয়া বুৰঞ্জী সাহিত্যবোৰত ওপৰত আলোচনা কৰা ধৰণৰ বহুতো প্ৰবাদবাক্য চকুত পৰে। তলত বুৰঞ্জী পুথিত পোৱা প্ৰবাদবাক্যবোৰৰ তালিকা এখন দাঙি ধৰা হ'ল ঃ

(ক) "অস্ত্ৰ-শস্ত্ৰ, আহিলা-পাতি সমস্তজোড়, স্বৰ্গদেৱৰ বান্দী-বেটাহে চেতন।"

(খ) "ইন্দুৰৰ মুখত কাহানি হস্তিদন্ত গজে?"

(গ) "ইন্দুৰ গাতত যদি হস্তি সোমাব পাৰে তেহে তাক ধৰিব পাৰে।"

(ঘ) "কোপিত সৰ্পৰ মস্তকৰ ৰত্নক ইতৰজনে বান্ধিলে নেকি তাক পাই।"

(ঙ) "খোৰাই পৰ্বত বগাইছে, বোবা চতুৰ হৈছে, পচা কাঠৰো গজালি আহিছে।"

(চ) "তয়ো খোৰা, ময়ো খোৰা, লেফেৰা বৰবৰা, সিয়ো খোৰা।"

(ছ) "পিঠি দিলে হস্তী পৰ্বতকো নেদেখি।"

(জ) "পহু খেদা কুকুৰে খোজ যদি পালে, সি পহু নেপাইমানে এৰেনেকি?"

(ঝ) "বায়সে কেহেনি কোকিল হৈবাক খোজে, ৰাজহংস কেহেনি ঘৰ চৰাইৰ গমনক লভে।"

(ঞ)"বনৰ হাতী অনেক যত্ন কৰি আনি শালত গলচেপা দি থয়, তাক মেলিলে শালত থাকে কি বনলৈকে যাই?"

(ট) "বৰফুকনৰ শৰীৰটি যেনে সোণা, মুখখনি শুৱৰৰ ঠেনা।"

(ঠ) "বগুহে মগুহ খায়, বগুহ নহলে পেলনি যায়।"

(ড) "যি কোৱাই ধনু দেখি ডৰাইছিলে, সেই কোৱাই মুখ চাই ৰতে।"

(ঢ) "যি সিংহ হব শৃগালৰ আজ্ঞায়ে হস্তীক নাহি মাৰে।"

(ণ) "শবৰ ওপৰত শগুন, বনাই, বায়সে সহিতে ভোজন কৰি তাৰ ওপৰ ছুৰে, কোকিলে নেকি কোনো দিন শব চৰ্ম্মক শ্লাঘা কৰে?"

(ত) "সিজা শাকত লোণ দিব খোজে।"

(থ) "সৰু হৈ যা, লৰা লোৱাদি লব, বৰ নহবি, চিলা উৰুৱাদি উৰুৱাব।"

(দ) "সোণৰ সঁফুৰাৰ ভিতৰতে বগুল সোমাল, বাজ বগুলক দিলে কি দোষ?"

(ধ) "হস্তীৰ পেটত স্বাভাৱিক শতকুম্ভ জল, কষ্টতো এক কুম্ভ থাকে" ইত্যাদি।

৪.৫ মধ্যযুগৰ অসমীয়া সমাজ-জীৱনৰ লোকবিশ্বাস, ৰীতি-নীতি আদিৰে

ভাৰাক্ৰান্ত অসমীয়া বুৰঞ্জী সাহিত্য জনসাহিত্যৰ এক অমূল্য সম্পদ। জন-মানসৰ ইচ্ছা-আকাংক্ষা, চিন্তা-ভাৱনা, প্ৰেম-প্ৰীতি বুৰঞ্জীবোৰত নানান কাহিনী অতি সুন্দৰৰূপে প্ৰতিফলিত হোৱা দেখা যায়। প্ৰকাশৰীতিৰ এই স্বভাবোক্তিত প্ৰবাদ-পটন্তৰৰ যথাযথ প্ৰয়োগে গোটেই ৰচনাৰাজিত সোণত সুৱগা চৰাইছে, ভাষাও ব্যঞ্জনাময়ী কৰি তুলিছে। এনে সালংকৃত বাক্যবোৰৰ কোনো কোনোটো যেনে শ্ৰুতিমধুৰ তেনে অৰ্থগধুৰো। এইবোৰত কাব্যসুলভ সৌন্দৰ্য্য-সুষমাও নোহোৱা নহয়। মানুহৰ হৃদয়তন্ত্ৰীত গোপনে নিহিত থকা স্বাভাৱিক সুকুমাৰ সুৰ অভিজ্ঞতাৰ কষ্‌টি পাথৰত ঘৰ্ষিত হৈ মুঞ্জৰি উঠে। এইবোৰত সমসাময়িক জীৱনচিত্ৰ অতি বাস্তৱ আৰু সবলৰূপে চিত্ৰিত হৈ উঠিছে। এক কথাত প্ৰবাদ-প্ৰৱচনবোৰ শাস্ত্ৰীয় বা তাত্ত্বিক তথ্য নহ'লেও এইবোৰ ব্যৱহাৰিক জগতৰ সত্য। সমসাময়িক জগতৰ প্ৰত্যক্ষ জ্ঞান-অভিজ্ঞতাতে ইয়াৰ জন্ম— জীৱনৰ প্ৰতি স্তৰতেই ইয়াৰ ব্যাপ্তি — বাস্তৱ জগতেই ইয়াৰ পৰিধি। তলত এনেকুৱা বিষয়ক প্ৰবাদ-পটন্তৰ, ফঁকৰা-যোজনা বুৰঞ্জীৰপৰা উদ্ধৃত কৰি দেখুওৱা হ'ল ঃ

(১) "কাঠৰ গড় বান্ধিম পচিব, মাটিৰ গড় বান্ধিম খহিব। মই কথাৰ গড় বান্ধি দিছো, প্ৰাণ-পৰিভুগী হব।" [২১]

(২) "খাটাখুটা মাজুমখা মুখে চাপডাড়ি। থানা বেহাৰ ভংগে যাইব গুৱাহাটাবাৰী।।"[২২]

(৩) "কুচিয়া কি ডাংগৰ দেখিলি? তোৰ নাড়ী পেটিকো দেখিছো।" [২৩]

(৪) "কপাট পায়া কাথিক হাঠে, ঘৰ সুৰুকি আটাল কুটে আটাল কুটি হাড়ি শাল লুটে, আহম ৰজাৰ তলে-পুতল।"[২৪]

(৫) "প্ৰজা ঐ জৰৌ ৰোৱা।" [২৫]

(৬) "ৰজা দশৰথৰ মৃত্যু ভাৰ্য্যাৰ কাৰণ,
মহাপ্ৰভু শ্ৰীৰামৰ সন্তাপ সীতাৰ কাৰণ।" [২৬]

(৭) "সূত্ৰত নানান মুকুতা, প্ৰবাল, সুৱৰ্ণাদি কৰি গ্ৰাম্থি থাকে। সূত্ৰ নাচিৰ্ঙিলে মণিধাৰ হেন নাম বোলাই, সূত্ৰ চিৰ্ঙিলে সমস্তে ঠাই ঠাই হই।"[২৭]

---

২১। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) দেওধাই, পৃ ১৩১, ১৯৯০
২২। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) অসম বুৰঞ্জী, পৃ ৭৭, ১৯৮৮
২৩। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) সাতসৰী, পৃ ৬, ১৯৬৪
২৪। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) কাছাৰী বুৰঞ্জী, পৃ ১১৫, ১৯৮৪
২৫। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) তুংখুংগীয়া, পৃ ৬৭, ১৯৯০
২৬। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) অসম বুৰঞ্জী, পৃ ১৫, ১৯৮৮
২৭। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) কামৰূপৰ বুৰঞ্জী, পৃ ৫০-৫১, ১৯৫৮

(৮) "বনত হাতী ছাৱি লাদকো নিদিও, আগৰ ছাৱি বাঁহ জেঙনিকো নিদিও, মৰিচ জালুক ছাৱি চৈকো নিদিও, সোণা ছাৱি লোহিতৰ বালিকো নিদিও।" [২৮] ইত্যাদি।

ওপৰত উল্লিখিত বাক্য বা বাক্যাংশবোৰক পোনপটীয়াকৈ প্ৰবাদৰ শাৰীত পেলাব নোৱাৰি যদিও সামাজিক সত্য আৰু অভিজ্ঞতাৰ চিৰন্তন আবেদন নিহিত থকা বুৰঞ্জীকাৰে লিখা এনেধৰণৰ বাক্যসমূহৰ কালজয়ী প্ৰভাৱ অস্বীকাৰ কৰিব নোৱাৰি।

*******

২৮। প্ৰাগুক্ত গ্ৰন্থ, পৃ ৬১

# চতুৰ্থ অধ্যায়

অসমীয়া বুৰঞ্জী সাহিত্যৰ ভাষাৰ বিশ্লেষণাত্মক অধ্যয়ন অসমীয়া গদ্য সাহিত্যৰ ক্ৰমবিকাশ প্ৰসঙ্গত অতি অপৰিহাৰ্য্য। ভাষাতত্বৰ সকলোবোৰ দিশ — ধ্বনিতত্ত্ব, ৰূপতত্ত্ব আৰু শব্দতত্ত্ব বুৰঞ্জীপুথিৰ ভাষাৰপৰাই বিশ্লেষণ কৰি চাব পাৰি। বুৰঞ্জীপুথিৰ ভাষা মূলতঃ ব্যৱহাৰিক ভাষা। বুৰঞ্জী সাহিত্যৰ পূৰ্ব্বৰ অসমীয়া কথাশৈলীৰ ভাষা যি পৰিবেশত প্ৰকাশক্ৰম হৈ উঠিল বুৰঞ্জীৰ ভাষা তাৰপৰা বহু আতৰত। ৰজাঘৰ আৰু প্ৰজাঘৰ উভয়ৰে সান্নিধ্য লাভ কৰি বুৰঞ্জীৰ ভাষাই অসমীয়া সাহিত্যত এক নতুন যুগৰ সূচনা কৰিলে। আধুনিক অসমীয়া ভাষাৰ গঠনৰীতি বুৰঞ্জীৰ ভাষাৰ পৰাই ক্ৰমবিকশিত হ'ল যদিও ইয়াত ব্যৱহৃত বাক্যৰ গঠনৰীতি, ক্ৰিয়াৰূপ, নিশ্চয়াত্মক অথবা প্ৰশ্নবোধক বা নিষেধবোধক বাক্য, নামধাতু, ক্ৰিয়াৰ বিভিন্ন কালৰ প্ৰয়োগ, ক্ৰিয়া বিভক্তি আৰু শব্দ-বিভক্তি, বচন, স্বাৰ্থিক প্ৰত্যয়, নিৰ্দিষ্টতাবাচক প্ৰত্যয়, সৰ্বনাম, সমাস, সন্ধি, জতুৱা-ঠাচৰ প্ৰয়োগৰীতি আৰু আখৰ-জোঁটনিৰ নিয়ম ইত্যাদিত বুৰঞ্জীৰ ভাষাৰ বিশেষত্ব পৰিলক্ষিত হয়। তলত এইবোৰৰ সমীক্ষাত্মক আলোচনা দাঙিধৰা হ'ল।

৪.০ অসমীয়া বুৰঞ্জী সাহিত্যৰ ৰূপগত বৈশিষ্টবোৰৰ ভিতৰত পোনতে চকুত পৰে বাক্য গঠনৰীতি। চুটি চুটি বাক্যেৰে ভাৱ প্ৰকাশ কৰাত বুৰঞ্জী লিখক সিদ্ধহস্ত। বুৰঞ্জীত কোনো কথাৰেই বাহুল্য বৰ্ণনা নাই। বিষয়ৰ স্পষ্টীকৰণৰ বাবে যিমনখিনি বৰ্ণনা কৰাৰ দৰকাৰ ঠিক সিমানেই কৰা হৈছে, তাৰফলত বাক্যবোৰ চুটি অথচ অৰ্থ প্ৰকাশক হৈছে। বুৰঞ্জীৰ লেখাত দীঘলীয়া বাক্যৰ প্ৰয়োগ মাজে-সময়ে পৰিলক্ষিত হয় যদিও তেনেকুৱা প্ৰসংগতো কেবাটাও দীঘল বাক্য একে লেঠাৰিয়ে ব্যৱহাৰ কৰি চুটি বাক্য এটাৰেহে ভাবৰ সামৰণি মৰা দেখা যায়। আনহাতে বাক্যবোৰ বিষয়ানুগ কৰি তুলিবৰ বাবে সংস্কৃত, আৰবী-পাৰ্চী আদি ভাষাৰ শব্দ একেটা বাক্যতে প্ৰয়োগ কৰা হৈছে। কেতিয়াবা কেতিয়াবা বৰ্ণিত বাক্যবোৰত কথিত ভাষাৰ প্ৰয়োগো দেখা যায়। তলত **(ক) কথ্যৰীতি (খ) সাধুৰীতি আৰু (গ) সংস্কৃতীয়া ৰীতিৰ উদাহৰণ বুৰঞ্জী সাহিত্যৰপৰা উদ্ধৃত কৰা হ'ল ঃ**

(ক) "... পাচে মন্ত্ৰীসকলে বোলে সামান্য ৰাজা নহই, ঠাই দিলে দুৰ্গুণহে পোৱা যাব। একে চোংগতে দুটাকৈ বাঘ কত থাকে। এতিয়া এই ৰূপে বোলা (গ)

যাওক নড়া ৰাজা ভনীএককহে দিছে, জীএকক দিয়ক। জীএকৰ সমান ভনীএক হয়নেকি? এইৰূপে কটকীএ কলতগৈ, নড়াৰজা বোলে তাত জীয়াৰি দিব নলগা, আপদগ্রস্তত পৰিহে ভনীকো দিলো। এতিয়া যে জীকো খোজে মাকে জিএকে একেলগে সতিনী— খাটিব নিকি। ছোৱালী খোজা নহই মোক বিতগুহে কৰে।"

(পুৰণি অসম বুৰঞ্জী, পৃষ্ঠা ১৮)

(খ) "মহামন্ত্রী বুঢ়াগোহাঁই ডাংগৰীয়াই অত্যন্ত চেষ্টা কৰি বচা, দৈয়াং এই থলখনি ৰাখিছিল। পাচে মহা-আৰ্ত্ত হৈ ভগনীয়া তাতে সোমাই ৰ'লহি। পাচে ডাংগৰীয়াই সেই লোকসকলক প্ৰবৰ্ত্তিবৰ বৃত্তি দি ৰাখে। কোনো খুৰাই-পুৰাই'ৰ লগলৈ পঠাই দিয়ে। সেইবেলা মহামন্ত্রী বুঢ়াগোহাঁই ডাংগৰীয়া পক্ষীযে যেনেকৈ শিশুচটকক পখাৰে আবৰি ৰাখে সেইৰূপে ডাংগৰীয়াই ৰক্ষা কৰিছিল। অনেকভাবে মোৱামৰীয়াকো ৰণ কৰি আছিল।"

(তুংখুংগীয়া বুৰঞ্জী, পৃষ্ঠা ১১৫-১৬)

(গ) "আকুঞ্চিত কেশ, সিংহবন্ধ গ্রীবা, ওভতা-লোম, হস্ত-পাদ-চক্ষু ৰক্তবৰ্ণ, দক্ষিণ হস্তত তিনিটা তিল, শংখ-পদ্ম, বাম হস্তত অংকুশ, গদা, উদৰত তিনিটা ৰেখা, কান্তি শ্ৰীমন্ত, এনয় চিহ্নযুক্ত ইন্দ্রপুত্রে ১০৭১ শকত স্বর্ণাদ্রি পর্ব্বতত কিৰাত সকলৰ ৰাজা হল।" (দেওধাই অসম বুৰঞ্জী, পৃষ্ঠা ২১৪)

উল্লেখনীয় যে বুৰঞ্জী সাহিত্যৰ বাক্যৰীতি প্ৰধানতঃ সাধু-ৰীতি ভিত্তিক। চিৰাচৰিত বাক্যৰীতিৰেই (কৰ্ত্তা, কৰ্ম, ক্ৰিয়া ক্রমত) বুৰঞ্জীকাৰে বাক্য গঠন কৰিছে। অৱশ্যে কোনো কোনো ঠাইত বাক্যবোৰৰ দুই-এটা ব্যতিক্রমো দেখা যায়। কেতিযাবা (ক) একোটা ছেদৰ বাক্যবোৰৰ প্ৰতিটো বাক্যতে কৰ্ত্তা পদ উল্লেখ নকৰি আৰু কেতিয়াবা। (খ) বাক্যবোৰত প্ৰায়েই ক্রিয়াপদ উহ্য ৰাখি আৰু কেতিয়াবা। (গ) অসমাপিকা ক্রিয়াৰ বহুল প্রয়োগ কৰি বাক্যবোৰ গঠন কৰা দেখা যায়। বাহুল্যৰ ভয়ত মাত্র এটি এটি উদাহৰণ তলত দাঙি ধৰা হ'ল ঃ

(ক) "পাছে সেইবেলা চোমদেৱ পূজা হল। চালত দেখে চোমদেৱ নহয়। চুকাফায়ে আনিছে হেন জানি ওলটাই নিবলৈ মানুহ পঠালে। সিয়ো খেদি আসি ৰিণি ৰিণি দেখিলে। আসিব নোৱাৰি উলটি গ'ল। এই ৰূপে আহি অনেক ঠাইত ফুৰি বিস্তৰ নগাৰ গাওঁ মাৰিলে, বিস্তৰ বৰাই নিলে। যুজাৰুবোৰক কাটি কাটি মঙহ খুৱালে।"

(সাতসৰী অসম বুৰঞ্জী, পৃষ্ঠা ৩)

ইয়াত মূল কৰ্ত্তা (বিশেষ্য বা সৰ্ব্বনাম) পূৰ্বৰ ছেদতে উল্লিখিত থকা হেতুকে বুৰঞ্জী লেখকে কৰ্ত্তাৰ প্ৰতি পৰোক্ষ দৃষ্টি ৰাখিয়েই বাক্যবোৰ ৰচনা কৰি গৈছে। সেই কাৰণে এনে ছেদবোৰ আংশিকভাবে উদ্ধৃত কৰিলে পাঠকে সহজে বুজি পাব নোৱাৰে।

(খ) "পাচে বুঢ়াগোহাঞি সৰাইত, বড়গোহাঞি পাগুত। বাঘচোৱাল বড়পাত্ৰ গোহাঞি কুৰুৱাত। সৰাইত দিহিংগিয়া ফুকন, পানিত নাওবৈচা ফুকন। অসুৰৰ আলিত কলিয়া বড়িয়া ফুকন। এইৰূপে ৰহি আচে।"

(পুৰণি অসম বুৰঞ্জী, পৃষ্ঠা ১০৮)

উল্লিখিত অনুচ্ছেদটোৰ বাক্যবোৰ পঢ়ি চালে দেখা যায় যে বিভিন্ন বাক্যত ক্ৰিয়া পদবোৰ উহ্য আছে। কেৱল 'ৰহি আচে' এই ক্ৰিয়াটোৱে সমুদায় বাক্যবোৰক অৰ্থব্যঞ্জক কৰি তুলিছে।

(গ) "পাচে মহাৰাজাও শুনি লক্ষিমনাৰাণৰ ঠাইক কটকি পঠাই ৰঘুদেৱৰ ঠাই, কটকি গতাগত কৰাই ৰঘুদেৱৰ ঝি মংগলদৈ কুঞৰিক আনিলে"

(পুৰণি অসম বুৰঞ্জী, পৃষ্ঠা ৫৫)

উদ্ধৃত বাক্যটোত বহুল অসমাপিকা ক্ৰিয়াৰ (ডাঙৰ আখৰৰ শব্দবোৰ) ব্যৱহাৰ কৰা হৈছে আৰু বাক্যটো শেষ কৰা হৈছে সমাপিকা ক্ৰিয়াৰে। এনেদৰে অসমাপিকা ক্ৰিয়াৰ বহুল ব্যৱহাৰ অসমীয়া বুৰঞ্জী সাহিত্যত প্ৰায়ে পোৱা যায়। তদুপৰি ভাব শক্তিশালী ৰূপে প্ৰকাশ কৰিবলৈ বাক্যৰ পূৰ্ব্ববৰ্ত্তী অংশ শেষত সংযোগ কৰা বা বাক্যত থকা শব্দবোৰ স্বাভাৱিক স্থানৰপৰা আঁতৰাই নি বাক্যৰ শেষত বা অন্যস্থানত ব্যৱহাৰ কৰা নাইবা অসমাপিকা ক্ৰিয়াৰে বাক্য শেষ কৰাৰ উদাহৰণ বুৰঞ্জীবোৰত সঘনে পৰিলক্ষিত হয়। যেনে ঃ—

(অ) "তাত পাচে মাহৰাজা পাত্ৰমন্ত্ৰী সহিতে আলচ কৰিলে বংগালক ধৰিবাক প্ৰতি।" [১]

(আ) "কোনো দিনত যদি বুঢ়াগোহাঞি বুলি গোণাওতা হয়, আঁকো দেখাই তইতে মোৰ সকলো সংকেত কথা কবি।" [২]

(ই) "পাচে ৰাজাগণে সমে গোহাঞিবোৰে আলচ কৰি ভড়ৰীয়ে উজাই তিনিখন দলং বান্ধিলে ভড়ৰীত পাৰ হৈবাক লাগি।" [৩]

---

১। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) কামৰূপৰ বুৰঞ্জী, পৃ ৯১, ১৯৫৮

২। হেমচন্দ্ৰ গোস্বামী (সম্পা) পুৰণি অসম বুৰঞ্জী, পৃ ১৩, ১৯৭৭

৩। প্ৰাগুক্ত গ্ৰন্থ, পৃ ২১

৪.০১ বুৰঞ্জী সাহিত্যৰ বাক্যৰচনা পদ্ধতিত 'পাছে', 'বোলে', 'তদনন্তৰে', 'আতহন্তে', 'আতঅনন্তৰে', 'তোতহন্তে', 'তাৰোপৰা' আদি শব্দৰে বাক্য আৰম্ভ কৰা দেখা যায়। একেলগে কেবাটাও 'পাছে'ৰে বা 'তাৰোপৰা' শব্দৰে বাক্য আৰম্ভ হোৱাত ঠায়ে ঠায়ে অনুপ্রাস ধ্বনিত হৈছে। **তলত উদ্ধৃত উদাহৰণবোৰে উক্ত শব্দবোৰৰ ব্যৱহাৰৰ চানেকি দাঙি ধৰিব।** যেনে ঃ—

(১) "**পাছে** মহাৰাজা ৰত্নকন্দলিক, জাবৰক, একাদহক ততকালে পঠালে বোলে মামোক পালেহে আহিবি। **পাছে** সত্ৰাজিতে পচিমে মামোক বেঢ়িলে, পূবে আহোমে বেঢ়িলে। পাছে মামো ভাগি বঙাললৈ গল। **পাছে** সত্ৰাজিতে মামোক ধৰি বঙাললৈ ঢকালৈ দি পঠালে।" [৪]

(২) "**তাৰোপৰা** মুংখ্ৰাংগলৈ আহিল, তাৰোপৰা কাংত্যোওলৈ আহিল, **তাৰোপৰা** ফাকেতলৈ আহিল।" [৫]

(৩) "**তদনন্তৰে** আমাৰ সমস্তেলোকৰ গ্রহণী, জৰ, পেটৰোৱা, এনেৰূপে নানাবিধ পীড়া ধৰি নুবৰিয়া পৰিল।" [৬]

(৪) "**তৈতে** ৰূপ সন্দিকৈয়ে বন্দি কৰিলে। **তৈৰপৰা** ধৰি আনি জৰ্লা কোএঞৰক মাৰিলে।" [৭]

(৫) "**তোতহন্তে** হয় হেন দেখহঁতে এই যতন কৰ।" [৮]

(৬) "**আতঅনন্তৰে** বুঢ়াগোহাঁইক গড়গাঞা ৰাজা শহৰকেকে থাকিব দিলে।" [৯]

(৭) "**আতপাচে** প্রান নাৰাণে আমাৰ মানুহক উজাই আনিবৰ শুনি তাৰ লোকজন মানাহামুখলৈ পঠালে।" [১০]

মনকৰিবলগীয়া যে বুৰঞ্জী সাহিত্যৰ পূৰ্ব্ব কালীন অসমীয়া সাহিত্যত বাক্যৰ আৰম্ভণি 'যদি', 'বোলে', 'এতেকে', 'ইদানীক', 'যেনে', 'তেখনে', 'যেমনে', 'তেমনে' ইত্যাদি শব্দৰে কৰা হৈছিল। যেনে ঃ —

(১) "**যদি** বোলা কেতিয়া অৱতাৰ ধৰো তাত শুনা — **যেখন** ধৰ্ম্মৰগ্লানি,

৪। হেমচন্দ্র গোস্বামী (সম্পা) পুৰণি অসম বুৰঞ্জী, পৃ ৭৩, ১৯৭৭
৫। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) দেওধাই, পৃ ৩৫, ১৯৯০
৬। শৰৎ কুমাৰ দত্ত (সম্পা) অসম বুৰঞ্জী, পৃ ১৭, ১৯৩৮
৭। হেমচন্দ্র গোস্বামী (সম্পা) পুৰণি অসম বুৰঞ্জী, পৃ ৫০, ১৯৭৭
৮। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) পাদশ্যাহ বুৰঞ্জী, পৃ ৫৫, ১৯৩৫
৯। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) অসম বুৰঞ্জী, পৃ ৮০, ১৯৬০
১০। শৰৎ কুমাৰ দত্ত (সম্পা) অসম বুৰঞ্জী, পৃ ১৮, ১৯৩৮

অধৰ্ম্মৰ উদ্ভৱ হয় তেখনে সাধুৰ ৰক্ষাৰ্থে দুৰ্জনৰ নাশ নিমিত্তে, ধৰ্ম্মৰ প্ৰতিপালন পদে যুগে যুগে মঞি অৱতাৰ ধৰোঁ।" [১১]

৪.০২ প্ৰাক-আহোম যুগৰ বৃত্তগন্ধী গদ্যৰ দৰে বুৰঞ্জী সাহিত্যত কাব্যসুলভ গোন্ধ নাপালেও ই কাব্যগুণবৰ্জিত নহয়। বাক্যবোৰত ব্যৱহৃত উপমা, ৰূপক আদিৰ প্ৰয়োগৰ উপৰিও শেষ অক্ষৰৰ মিল থকা ক্ৰিয়াপদৰ বহুল ব্যৱহাৰে বুৰঞ্জীৰ গদ্যকো কাব্যৰ স্তৰলৈ তুলিছে। তলত কেইটিমান বাক্য উদাহৰণ স্বৰূপে আগবঢ়োৱা হ'ল ঃ

(ক) "খাটাখুটা মাজুমখাঁ মুখে চাব ডাড়ি। থানা বেহাৰ ভংগে যাইব গুৱাহাটা বাৰী।" [১২]

(খ) "বেজী হলেহে বটীয়া, মৰা হলেহে চালি, গজ-দন্তৰ মুকুতা মাণিক পালেসে পালি।" [১৩]

(গ) "থানি পানীতহে জাকৈ বাবি, অথাউনি পানীত কিকৈ জাকৈ বাবি? উটিবুৰি তলকহে যাবি?" [১৪]

(ঘ) "উপৰ বুঢ়াৰজা ত। পাইকৰ ঘৰমুৰি দোপোয়া এপোয়াকৈ খাটে, চাৰি চয় পোয়াও ঘৰতে থাকে।" [১৫]

৪.০৩ বুৰঞ্জী পুথিৰ নিশ্চয়াত্মক বাক্যবোৰ অতি কম সংখ্যক শব্দৰেই গঠন কৰা হৈছে। কথাবোৰ সংক্ষেপীকৰণৰ বেলিকা এই ধৰণৰ বাক্যৰীতিয়ে গদ্যশৈলীক মহীয়ান কৰাৰ লগতে ভাষাৰ কথিত গতটোও প্ৰকাশক্ষম পৰে। ফলত ভাষাৰ কথিত ৰূপতো গ্ৰহণ কৰাৰ হেতুকে এক সহজ আত্মীয়তাৰ ভাব বাক্যৰীতিয়ে ধাৰণ কৰিছে। এনেধৰণৰ চুটি চুটি আৰু স্বতন্ত্ৰ বাক্যৰ উদাহৰণৰ উদ্ধৃত কৰি দেখুওৱা হ'ল ঃ

(ক) "তাত পাছে লোহিত্যৰ উত্তৰে জুগিবি ঘোপা (?) তাৰে নাম ৰংগা মাটি। তাৰ নাম সৰুসোণকোহ। তাৰ নামে বড়সোণকোহ। তাৰ নামে ঘিলা বিজয়পুৰ। তাৰ নামে ধুবুৰি। তাৰ নামে বৰিতলা। লুইতৰ দখিনে শ্ৰীসূৰ্য্য। তাৰ নাম জিএগাঁ পৰ্ব্বত।"

(পুৰণি অসম বুৰঞ্জী, পৃষ্ঠা ৯১)

---

১১। সত্যেন্দ্ৰ নাথ শৰ্মা (সম্পা) কথাগীতা, পৃ ২৬, ১৮৮৪ শক

১২। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) অসম বুৰঞ্জী, পৃ ৭৭, ১৯৮৮

১৩। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) দেওধাই, পৃ ২০২, ১৯৯০

১৪। প্ৰাগুক্ত গ্ৰন্থ, পৃ ৩০

১৫। হেমচন্দ্ৰ গোস্বামী (সম্পা) পুৰণি অসম বুৰঞ্জী, পৃ ৬০, ১৯৭৭

(খ) "লোকজনো বহুত মৰিল, যিবা আছে তাৰো আধা নৰিয়া। চাউল-বন কঠাও নাই। এইয়েৰে গৈ নুবৰিয়াকো, আহিলা পাতিকো উলিয়াই নিবলৈ টান। বাট-পথটোও চল নহয় মানুহৰ যে শক্তিও তেতেক নাই।"

(কছাৰী বুৰঞ্জী, পৃষ্ঠা ৮০)

৪.০৪ এই নিশ্চয়াত্মক বাক্যবোৰৰ বাহিৰেও **প্ৰশ্নবোধক অথবা নিষেধবোধক** বা দুয়োটাৰে **সংমিশ্ৰিত ৰূপৰ** বাক্য বুৰঞ্জীত প্ৰচুৰ পোৱা যায়। বুৰঞ্জীত ব্যৱহৃত বেছিভাগ বাক্যই সৰল যদিও জটিল বা যৌগিক বাক্যৰ ব্যৱহাৰো ইয়াত নোহোৱা নহয়। বাক্য গঠনৰীতিৰ এই বৈচিত্ৰ্যই ৰচনাৰীতিত স্বকীয়তা আনি দিয়াৰ লগতে বিষয়বস্তুৰ লগত পঢ়ুৱৈৰ সহজ আত্মীয়তা গঢ়ি তুলিছেঃ

(ক) "সোণৰ সঁফুৰা গুৱাহাটী ৰাজ্য, তাকো যে এৰি থৈ আহিছো। ভিতৰুৱা বংগাল থৈ ৰাজ বংগালেৰে কি যুদ্ধ কৰিম? ইয়াৰে যদি বিচাৰ কৰা নেযাব, কঠনীয়া চাউল খাই তিৰী ভাৰ্য্যা এৰি গুৱাহাটীত কি কাৰণে থাকোঁ?" [১৬]

(খ) "তইঁতে কি কৰ্ম্ম কৰিলি? এই শৰাইঘাটৰ গড় দেৱৰো দুৰ্ল্লভ কি বুলি এৰিলি?" [১৭]

(গ) "... দেবৰ ৰাজ্যত নো — মানুহ নাই নিকি? বংগালেনো সি কি, মানুহহে। আমাৰ ৰাজ্যত নোলাব নিকি তেনে মানুহ?" [১৮]

(ঘ) "কিন্তু সূৰ্য্যক ৰাহুএ আগ্ৰহণ কৰিয়া থই, তথাপিতো সূৰ্য্যৰ পুনৰ প্ৰকাশ নাকৰে? এতেকে আমিও বলা-বল জিজ্ঞাসা কৰিয়া যতন কৰিছি, তুমিও ইহাক লাগিয়া যতন কৰিবা। বিশেষ অগ্নি, বায়ু, সংযোগ হুয়া যেমন তৃণসকল দহি চন্ন কৰে, তুমি আমি তেমনে প্ৰীতি হৈলে শত্ৰুক দমন কৰি নষ্ট কৰিবাক পাৰি, তেমনখনে কৰিবা।" [১৯]

(ঙ) "পূৰ্ব্বে ৰাজা যুধিষ্ঠিৰক পাণ্ডভাই সহিতে কুট-মন্ত্ৰণা কৰি ৰাজ্য-সম্পত্তি চুৰিয়া লৈলেক দুৰ্যোধনাদি সকলে, তত্ৰাপি কালচক্ৰৰ গতিৰ দ্বাৰায়ে যুধিষ্ঠিৰেহে চক্ৰবৰ্ত্তী ধৰণী মণ্ডলীৰ ৰায়-ৰাজেশ্বৰ হৈয়ো ৰহিল। দুৰ্যোধনাদিৰ কুমন্ত্ৰণা আপোনাৰ লগতহে গ'ল যশ-ধৰ্ম কিছু নৰহিল, এতেকে লোভ কৰিব নাপায়।" [২০]

---

১৬। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) অসম বুৰঞ্জী, পৃ ১১৭, ১৯৯৮

১৭। শৰৎ কুমাৰ দত্ত (সম্পা) অসম বুৰঞ্জী, পৃ ৪৮, ১৯৩৮

১৮। প্ৰাগুক্ত গ্ৰন্থ, পৃ ৯১

১৯। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) কামৰূপ বুৰঞ্জী, পৃ ৮০, ১৯৫৮

২০। উক্ত গ্ৰন্থ, পৃ ৫৭

৪.০৫ বুৰঞ্জীৰ বাক্যৰীতিত প্ৰচলিত কিছুমান বাক্যৰ ঠাচ এই প্ৰসংগত উল্লেখনীয়। বুৰঞ্জীকাৰে তদানীন্তন সমাজৰ লগত ৰজিতা খুৱাই কথনভংগীৰ এই ঠাচবোৰ বুৰঞ্জীবোৰত প্ৰয়োগ কৰি বাক্যক সুষমামণ্ডিত কৰাৰ লগতে ভাষাতো সোণত সুৱগা চৰাইছে, বৰ্ণিত বিষয়ক আটকধুনীয়াকৈ সজাইছে। বুৰঞ্জীত প্ৰায়ে ব্যৱহৃত বচনভংগীৰ ৰূপ কিছুমান এনেকুৱা ধৰণৰ ঃ অসূয়া কৰে, আৰ্দ্দাহ কৰ, আপাহ পাই, আওতাবলৈ ধৰিলে, আতুৰখাই, উহমিহ লাগিল, উদণ্ডীয়া বাৰীৰ কল, কাষ্ঠ-সংস্কাৰ কৰা, কোঠ দিয়া, কবুল কৰিলো, কড়িয়া-কড়ি লাগিল, কৰ-খুত দিয়া, কৰভাৰ দিয়া, খাগুাপখালিলে, খুন কৰিলে, খাগুাৰ চেৰ, খৰ্গনিখাই, গড় আওতালে, গড়-পাঞ্চি কৰ, গা সাৰিবলৈ টান, গলত কাপৰ বান্ধি, গা ৰল, চৌখাম কৰা, চাঙ্গতি-চান্দোবাৰ তৰিলে, চাউলকানি হব, চিত্ত সহিতে, চেউনি কটা, চৌখামে সুধিব দিলে, ছলছন্দ কৰি, ছত্ৰ-আৰোৱান ধৰি, জুগুতি হই, ঝাঁজি উটে হেন হল, ঠেঙ্গ তলত দিয়া, ডাবে দিয়া, তঙ্গ কৰা, থাপিত-সাঞ্চিত হোৱা, দগা দি, দোপনীত পৰিল, ধাৰানে তুলিলে, নিবন্ধতে থাকি, নিদানত পৰি, পুলিন-পুথাওৰ দিনত নোহোৱা, পিঙ্গ দিলে, পৰত থাকিব দিলে, ফুকলি মাৰিলে, ফুন কৰিলে, বোলাবুলি কৰা, বুন্দপাৰি, বৰিব খুজিলে, বোলমাত কৰিলে, ভু-হৱাল, মাটিত আঠু পাৰিলে, মিল ভাও হল, মুৰমালা বান্ধা, মাইৰ হল, যুঁজক মনে, ৰাজ্য ভাঙ্গে, ৰণলৈ দিলে, ৰাজ্যে সেবা কৰ, ৰাজ মাৰিলে, সাজি-সখি কৰি, সতকাই অহা, সোতা দিলে, হাতীশালত দিলে, হিলৈ-জাই কৰালে, হানি-পালে, হু-হি মাৰিলে ইত্যাদি।

৪.১ প্ৰশ্নাৰ্থক বা নিষেধাৰ্থক 'ন'ৰ প্ৰয়োগ বুৰঞ্জীৰ এটি অন্যতম বিচাৰ্য্য বিষয়। বুৰঞ্জীত প্ৰশ্নাৰ্থে 'নেকি', 'নিকি' 'নাসা' আদি ব্যৱহাৰ হোৱা দেখা যায়। তলত বাহুল্যৰ ভয়ত প্ৰত্যেকৰে এটি এটি উদাহৰণ দিয়া হ'ল ঃ

(১) " দেৱৰ ৰাজ্যত নো-মানুহ নাই নিকি? বংগালে নো- সি কি, মানুহহে। আমাৰ ৰাজ্যত নোলাব নিকি তেনে মানুহ।"[২১]

(২) "ৰত্নকন্দলী, অৰ্জুন দাস, মহাৰাজা জিজ্ঞাসিছেন, বোলে — "পত্ৰত যিখান লিখি আসিছে তাহাক শ্ৰুত হৈলাম। বাচানক কোনো কথা-আছে নেকি?"[২২]

(৩) "যে অপ্ৰীতিৰ বীজ সে আপদ দূৰ হৈল, হৈতেছে, ফিৰিয়া নাসা যায় হেন কৰিবা।"[২৩]

২১। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) অসম বুৰঞ্জী, পৃ ৯১, ১৯৮৮

২২। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) ত্ৰিপুৰা বুৰঞ্জী, পৃ ৫৭, ১৯৬২

২৩। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) কামৰূপ বুৰঞ্জী, পৃ ৭২, ১৯৫৮

বুৰঞ্জীত প্ৰায়ে ক্ৰিয়াৰ নাস্ত্যৰ্থক ৰূপত পৰবৰ্ত্তী ধাতুৰ স্বৰধ্বনি অনুসৰি পূৰ্ব্ববৰ্ত্তী 'ন' অংশৰ লগত সংযোগ নকৰাকৈ ব্যৱহাৰ হোৱা দেখা যায় ; যেনে ঃ— 'নপাৱে', 'নজানে', 'নপৰে' ইত্যাদি। সচৰাচৰ ব্যৱহাৰ হোৱা নিষেধবোধক ক্ৰিয়া এইবোৰ ঃ 'নাহয়', 'নাযাবাহা', 'নহই', 'নুই', 'নুছুইছিল', 'নাইকিছিল', "নৰোহিবো', 'নৰহিল', 'নাদে', 'নাকৰিবেন', 'নবৰে', 'নাহিকৰো', 'নাহি হয়' ইত্যাদি।

৪.১.১ মনকৰিবলগীয়া যে কথ্য ভাষাৰ প্ৰচলিত ৰূপ অনুসৰি ক্ৰিয়াপদৰ সংক্ষিপ্তৰূপৰ প্ৰচলন বুৰঞ্জী সাহিত্যতো নোহোৱা নহয়। যেনে ঃ — 'নাপা' (নেপাই), 'নদা' (নিদিছিল) 'নুভতি' (উভতি নহা) 'হোহকা' (পিচুৱাই যোৱা) 'ভেন্টিলে' (গৈ পোৱা) ইত্যাদি।

নিষেধবোধক আৰু প্ৰশ্নবোধক অৰ্থত ক্ৰিয়াৰ এনে প্ৰয়োগ বুৰঞ্জীত প্ৰায়ে চকুত পৰে।

৪.২ বাক্যবোৰৰ গঠনত এটি বিশেষ লক্ষণীয় বিষয় হ'ল — একেটা বাক্যতে প্ৰয়োগ হোৱা বেলেগ বেলেগ ভাষাৰ শব্দবোৰ। বিভিন্ন ভাষাৰ ব্যৱহাৰে বাক্যবোৰত কঠিনতাৰ সৃষ্টি কৰা নাই, কিয়নো এনে ধৰণৰ শব্দৰ ব্যৱহাৰ বিষয়ানুগ হৈ পৰাত প্ৰকাশভংগী শ্ৰুতিমধুৰ হৈ পৰিছে। বুৰঞ্জীকাৰে বিভিন্ন ভাষা-ভাষী লোকসকলৰ মাজত প্ৰচলিত শব্দবোৰৰ ব্যৱহাৰ কৰাৰ উপৰিও সংস্কৃত-আৰবী-পাৰ্চী-আহোম-বঙলা-হিন্দী ভাষাৰ প্ৰচুৰ সংখ্যক শব্দ ব্যৱহাৰ কৰিছে।

এক কথাত — বুৰঞ্জীত ব্যৱহৃত এই ভাৰসাম্য ৰক্ষা কৰা ৰচনাৰীতিয়ে সমসাময়িক ভাৰতীয় ভাষাশৈলীৰ এটি সংক্ষিপ্ত পৰিচয় দাঙি ধৰে। তলত উদ্ধৃত অনুচ্ছেদবোৰে ইয়াক স্পষ্টতৰ কৰি তুলিব নিশ্চয় ঃ

(ক) "ৰিক্তহস্তে প্ৰাৰ্থনা কৰা যোগ্য নহয়। ৰাজা বৈদ্যঃ গুৰুশৈৱ নক্ষত্ৰ গ্ৰহ পাঠকাঃ। ৰিক্তহস্তে নগন্তব্যং যথাৰিক্তং তথা ফলম্ ।" এই শ্লোক বুজাই কলত সিহঁতে বোলে — "প্ৰাচীন দেশ, হস্তীৰ পেটত স্বাভাৱিক শতকুম্ভ জল, কষ্টতো এক কুম্ভ থাকে।"

(অসম বুৰঞ্জী, ভূঞা সম্পাদিত, পৃষ্ঠা ১৯)

(খ) "লাক্ৰি খুংচি শকত কোচে যুদ্ধলৈ আহিল। বৰগোহাঁয়ে যুদ্ধ নকৰিবলৈ বধিলে। থাওমুং-বানলুং, থাওপিম, এই দুয়ো বৰগোঁহাইৰ কথা নলৈ ফুকনসকলেৰে দিক্ৰাই পাৰ হৈ কোঁচেৰে দুবাৰ যুদ্ধ কৰিলে। পাচৰবাৰ যুদ্ধত কোঁচে বিস্তৰ কাঁড় মাৰিলে। আমাৰ থাওমুংনোংলাইৰ হাতীত কাঁড় লগালে।"

(দেওধাই অসম বুৰঞ্জী, পৃষ্ঠা ৪১)

"দুই জিংকাপৰ উগুৰ — পাচে জিংকাপইতে এইৰূপে কলে — "আমি স্বদেশৰপৰা বিদাই হৈ অহাত আমাৰ ৰাজা দেৱৰ্ধমা, বৰলামা, গেলাংগ, জোংপোং, জাদুং, টংচৰ সুভা, দেৱান এই সকলেৰে দেশস্থ স্থল-পৰ্ব্বতৰ লোকজনক প্ৰতিপালন কৰি মহাকালীৰ কৃপাত কুশলে আছে। পৰে কোনখান হৈছে নাজানি।"

(জয়ন্তীয়া বুৰঞ্জী, পৃষ্ঠা ১৫২)

(ঘ) "ইদানীক তোমাৰ হাৰ্দ্দসৌগন্ধ আমাৰ চাতে যেমন ৰাখে আৰ আমাৰ সম্লা যিৰূপে তোমাৰ নজিক বাচে, যে কৰ্ম্মে প্ৰীতিৰ বীজ বাৰ্দ্ধতা হৈয়া পুষ্পিত ফলবিত হইবে, এতেকে কাৰ্য্য উভয়থা হামেচা কৰ্ত্তব্য ইদানীক।"

(কামৰূপৰ বুৰঞ্জী, পৃষ্ঠা ৫৬)

(ঙ) "ৰত্নমাণিক ৰাজা পত্ৰত যিখান লেখি আহিছে তাহাক বুজা গ'ল। বচনে কোনখান বুলি আহিছে?" পাছে উকীলে বুলিলে, বোলে — "স্বৰ্গদেৱ মহাৰাজেৰ গুণ চৰিত্ৰ শুনিয়া প্ৰীতিৰ কাৰণে আম্ৰাক পঠায়া দিছে।"

(ত্ৰিপুৰা বুৰঞ্জী, পৃষ্ঠা ১২)

৪.৩ বাক্য শক্তিশালী কৰিবৰ হেতু নামধাতুৰ প্ৰয়োগ বুৰঞ্জীৰ গদ্যৰ অন্য এটি মনকৰিবলগীয়া বিশেষত্ব। এই নামধাতু বিশেষ্য আৰু বিশেষণ শব্দৰ পাছত '—আ', '—ইয়া', আৰু '—উৱা' প্ৰত্যয়ৰ সংযোগত সাধিত হয়। "কিন্তু যিবোৰ বিশেষ্য পদক নামধাতুলৈ ৰূপান্তৰ কৰা হৈছে, সি লক্ষণীয়। বিশেষতঃ এনেবোৰ ধাতু আজিকালি অপ্ৰচলিত।" [২৪] যেনে ঃ—

(১) "তাৰ পাছত ৰজাও গল, ইবোৰেও চুটিয়াক খেদি নি দিহিংগ মুখ ঠেকালেনি। আমাৰ মানুহে চুটিয়াৰ নাও এখান, গোধা মানুহ এটি পায় চেৰুয়াকটাতে ৰজাত যোগালেনি।" [২৫]

(২) "গাভৰুএ আহোতে বাধিলে, বাধা নুশুনি আহিল।"[২৬]

(৩) "পাচে সকলে যুগুতি হৈ মহশিং ওৰে ৰাতি পানি তপতাই সিজালে।"[২৭]

(৪) "আঁৰ ঘূৰীকো অধিক বেলি ফুৰাই দুইকো একে ঠাই কৰিলত মাকে

২৪। বিৰিঞ্চি কুমাৰ বৰুৱা, অসমীয়া কথা সাহিত্য (পুৰণি ভাগ), পৃ ৩৯, ১৩৮৩ শক

২৫। হেমচন্দ্ৰ গোস্বামী (সম্পা) পুৰণি অসম বুৰঞ্জী, পৃ ৪৩, ১৯৭৭

২৬। উক্ত গ্ৰন্থ, পৃ ৪৬

২৭। উক্ত গ্ৰন্থ, পৃ ১১

জীয়েকক চেলেকিলে।"[২৮]

(৫) "আমাৰ মানুহে নগাক গুলিয়াই মাৰিলে।"[২৯]

ইয়াৰ বাহিৰেও "আগুৱা", "আক্ৰমিয়া", "খণ্ডিলে", "ডৰিয়ালে", "বাধিলে", "বোলা", "লঠিয়া", আদি নাম ধাতুবোৰো বুৰঞ্জীত মাজে-সময়ে ব্যৱহাৰ হোৱা দেখা যায়।

৪.৪ বুৰঞ্জী সাহিত্যৰ প্ৰাককালীন অসমীয়া সাহিত্যত ক্ৰিয়াৰ বিভিন্ন কালৰ ৰূপৰ প্ৰয়োগ কম। বুৰঞ্জীৰ ৰচনাৰীতিত ক্ৰিয়াৰ বিভিন্ন কালৰ প্ৰয়োগ অন্যতম বৈশিষ্ট্য। আধুনিক অসমীয়াত বিভিন্ন কালৰ ক্ৰিয়াপদৰ প্ৰয়োগ কৰা পদ্ধতিটো বুৰঞ্জী সাহিত্যৰপৰাই গ্ৰহণ কৰা হৈছে বুলি সহজেই অনুমান কৰিব পাৰি। যেনেঃ —

(ক) "স্বৰ্গমহাৰাজাৰ আমি আজ্ঞাকাৰী তাইৰ, আমাৰ নিবন্ধ কিয় **ৰহিব**। তেনে ৰামসিংহে কৌপতিয়াত **সুধিলে** বোলে মজুমখাঁই ৰাজ্য জেখন **উঠালে**, ই নবাব কত **আচিল**, কৌপতিয়া **বোলে** ই নবাব পূৰ্ব্ব দেশত, নড়া নামে এক ৰাজাৰ ৰাজ্য, মহাৰাজাক জাইগিৰিধন, হাতী **দিব** লাগে তাকে **নেদিচে** তাৰ যুদ্ধলৈ **গৈচিল**। তাক মাৰি আহি **দেখে** ৰাজ্য উজাৰ **হল**; লোকজনে **কলে** মজুমখাঁ **উঠিছিল**।" (পুৰণি অসম বুৰঞ্জী, পৃষ্ঠা ১১২)

ওপৰত উল্লিখিত অনুচ্ছেদটোত বিভিন্ন কালৰ ক্ৰিয়াৰ সুসমন্বয় ঘটিছে। বুৰঞ্জীত এনেধৰণৰ ক্ৰিয়াৰ বিভিন্ন কালৰ ৰূপৰ প্ৰয়োগ প্ৰায়ে পোৱা যায়। তলত অনুচ্ছেদটোত ব্যৱহৃত ক্ৰিয়া পদবোৰৰ কাল নিৰ্ণয় কৰি দেখুওৱা হ'লঃ

(ক) **বৰ্তমান কাল ঃ** — দেখে।

(খ) **পূৰ্ণ বৰ্তমান কাল ঃ** — নেদিছে।

(গ) **অতীত কাল ঃ**— সুধিলে; উঠালে, বোলে, কলে, হল।

(ঘ) **পূৰ্ণ অতীত কাল ঃ**— আচিল, গৈচিল, উঠিছিল।

(ঙ) **ভৱিষ্যত কাল ঃ**— ৰহিব, দিব।

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে — বুৰঞ্জী সাহিত্যত অতীত আৰু ভৱিষ্যত কালৰ ক্ৰিয়াৰ প্ৰয়োগ বৰ্তমানৰ তুলনাত বহু বেছি।

৪.৪.১ বুৰঞ্জীবোৰত একেটা বাক্যতেই **ভৱিষ্যত কালৰ** ক্ৰিয়াৰ সঘন প্ৰয়োগো বিশেষ মনকৰিবলগীয়া ঃ

২৮। সূৰ্য্যকুমাৰ ভূঞা (সম্পা) অসম বুৰঞ্জী, পৃ ৩০, ১৯৮৮

২৯। শৰৎ কুমাৰ দত্ত (সম্পা) অসম বুৰঞ্জী, পৃ ৭, ১৯৩৮

(ক) "... তুমি প্ৰাতসে স্নান কৰি অভোজনে তালৈকে যাবি, মঞি ওলাই থাকিম, চই চক্ষু জপাই হাত মেলি পাবি, কাপৰে টুপলি বান্ধি ডিঙিত লবি, নাচাবি। পাচে যেই ৰাজ্যলৈ যাব সেই ৰাজ্য বশ কৰিব পাৰিবি ...।"

(অসম বুৰঞ্জী ঃ ভূঞা সম্পাদিত, পৃষ্ঠা ৩)

ভৱিষ্যত কালৰ ক্ৰিয়াৰ অন্যান্য ৰূপবোৰৰ ভিতৰত,

(খ) "তেবে নিসন্দেহ হবা মানুহ গতাগত কৰিবাক পাবে।"

(কামৰূপৰ বুৰঞ্জী, পৃষ্ঠা ৮২)

(গ) "ভাই ৰামসিংহ ৰাজাত এইখান কৰি গৈ — তাঞি যি কাৰ্য্যে আহিছে আমিও জান পাব লাগে। এতেকে প্ৰস্তুত কাৰ্য্য বুজিলেহে জ্ঞাতা বুলি এইৰূপে কবি।" (অসম বুৰঞ্জী ঃ ভূঞা সম্পাদিত, পৃষ্ঠা ৯৪) ইত্যাদিৰ প্ৰয়োগ বুৰঞ্জীৰ গদ্যৰ অন্যতম বৈশিষ্ট্য। অবশ্যে বৰ্তমানে এনেকুৱা ক্ৰিয়াবোৰৰ প্ৰয়োগ অপ্ৰচলিত।

৪.৪.২ ক্ৰিয়া পদৰ সাধাৰণ প্ৰয়োগৰীতিৰ বাহিৰে '-বেক', '-লেন', '-বেন', '-বেকে' আদি প্ৰত্যয়ান্ত ক্ৰিয়াৰ প্ৰয়োগ বুৰঞ্জীৰ গদ্যত পোৱা যায়। সন্ধিপত্ৰ, আৰ্ন্তদেশীয় আদান-প্ৰদান আদিত সাধাৰণতে ইয়াৰ ব্যৱহাৰ হোৱা দেখা যায়। বৰ্তমান এই ৰূপবোৰ অপ্ৰচলিত। যেনে ঃ—

(ক) "ইহাতে সকলো সিদ্ধি হৈবাক।" (কামৰূপৰ বুৰঞ্জী, পৃষ্ঠা ৭৫)

(খ) "আকে জানি যেইখান কৰ্ত্তব্য সেইখান কৰিবেন।" (ত্ৰিপুৰা বুৰঞ্জী, পৃষ্ঠা ৫৭)

(গ) "কেন্দুকলাইৰো বংশচ্ছেদ হৈবোক।" (কামৰূপৰ বুৰঞ্জী, পৃষ্ঠা ১)

(ঘ) "... যেখন গৌড়েশ্বৰ সহিত সম্বন্ধ কৰিলেন সেকাল আমাৰ পিতা মহাৰাজ সহিত প্ৰীত হৈল।" (অসম বুৰঞ্জী, পৃষ্ঠা ২৯)

৪.৫ মাগৰী প্ৰাকৃতৰপৰা ওলোৱা ভাষাবিলকৰ এটা প্ৰধান বৈশিষ্ট্য হ'ল — স্বাৰ্থিক প্ৰত্যয়। ইয়াৰ সংযোগত মূল পদটোৰ অৰ্থৰ কোনো সালসলনি নহয়, বৰং মূল পদটোৰ অৰ্থ বেছি দৃঢ় হৈহে প্ৰকাশ পায়। বুৰঞ্জীৰ গদ্যত ক্ৰিয়াৰ অৰ্থ বিশেষ ৰূপে প্ৰকাশ কৰিবলৈ প্ৰয়োগ হোৱা স্বাৰ্থিক প্ৰত্যয়ৰ উদাহৰণ কেইটিমান তলত দাঙি ধৰা হ'ল। যেনে ঃ—

(১) '-হি' ঃ "কাছাৰীয়ে খেদি ধৰিলেহি" (দেওধাই অসম বুৰঞ্জী)

(২) '-গৈ' ঃ "ময়ো স্বৰ্গদেৱক সেৱা কৰিমগৈ" (দেওধাই অসম বুৰঞ্জী)

(৩) '-পাই' ঃ "**ৰাজাৰ আজ্ঞা যাও হৈছে সেইহে যাব পাই**" (**অসম বুৰঞ্জী**)

(৪) '-নি' ঃ "**ৰায় নন্দলাল দেৱানৰ বাসা দিয়ক নি**" (**কামৰূপৰ বুৰঞ্জী**)

(৫) '-এৰ' ঃ "**যুঁজ কৰি এৰ**" (**কামৰূপৰ বুৰঞ্জী**) ইত্যাদি।

ওপৰত বাক্য গঠন প্ৰক্ৰিয়াত ক্ৰিয়াৰ প্ৰয়োগ সম্পৰ্কে থুলমূল আভাস এটি দিয়া হ'ল। এতিয়া **শব্দ বিভক্তিৰ** প্ৰয়োগ সম্পৰ্কে চাওঁহক।

৪.৬ সাধাৰণতে শব্দ বিভক্তি আৰু শব্দৰূপৰ বেলিকা বুৰঞ্জী সাহিত্যত বৰ্তমানে ব্যৱহৃত ৰূপবোৰকে পোৱা যায়। বুৰঞ্জী সাহিত্যৰ ভাষাত শব্দৰূপ আৰু বিভক্তি সংযোগত আধুনিক নিয়ম বহুলাংশে সংৰক্ষিত হৈছে। তথাপি বুৰঞ্জীৰ ৰচনাৰীতিত প্ৰয়োগ হোৱা বিভক্তিবোৰৰ দুই চাৰিটা ব্যতিক্ৰমো নোপোৱা নহয়। তলত বুৰঞ্জী সাহিত্যত শব্দবিভক্তিৰ প্ৰয়োগ সম্পৰ্কে আলোচনা কৰা হ'ল।

৪.৬.১ অসমীয়াত কৰ্তাকাৰকত প্ৰথমা বিভক্তি হ্ল '০', '-এ' (-ই)। '-এ' বিভক্তি সংস্কৃত '-এন'ৰ পৰা উদ্ভুত। "মাগধী প্ৰাকৃতৰ সময়তে '-এ' কৰ্তাৰ বিভক্তিৰূপে ব্যৱহৃত হৈছিল।" শব্দটো যদি অকাৰান্ত বা আকাৰান্ত হয় প্ৰথমা '-এ' বিভক্তি '-ই' লৈ ৰূপান্তৰিত হয়। যেনে ঃ লতা + এ = লতাই, পাৰ + এ = পাৰই, ইত্যাদি।

বৰ্তমান অসমীয়াত প্ৰথমা বিভক্তি '-এ' (-য়ে, -ৱে), '-ই' বা শূণ্য কৰ্তাকাৰকত প্ৰয়োগ হয়। বুৰঞ্জী পুথিবোৰত কৰ্তাকাৰকত '-এ' বা শূণ্য বিভক্তিৰ প্ৰয়োগ সঘনে চকুত পৰে। সাধাৰণতে বুৰঞ্জীত '-এ' বিভক্তি '-ই' লৈ পৰিবৰ্তন নহয় বুলিয়ে কব পাৰি। কেতিয়াবা '-এ' বিভক্তিৰ ঠাইত '-ও' হয়। যেনে ঃ

(১) "পাচে **কন্যাএ** বুলিলে — 'ভাল মহাৰাজাৰ যদি আমাত অনুগ্ৰহ হৈছে আমি জাম।" (ত্ৰিপুৰা বুৰঞ্জী, পৃ. ৪৪)

(২) "পাচে **কন্যাও** মনত সন্তোষ হুই থাকিল।" (পুৰণি অসম বুৰঞ্জী, পৃ. ২)

(৩) "বিশ্বনাথতে **বাপুত্ৰ** *দেৱক শিৰত ধৰি আৰ্শীবাদ কৰি মেধি উজাই আহি ২০ দিনৰ মূৰত মৰিল গজপুৰতে।" (অসম বুৰঞ্জী, দত্ত সম্পাঃ, পৃ. ২৯)

(৪( "মহাৰাজাৰো ঠাইকো জনাই পঠালে বোলে, '**বংগাল**' আহিছে।" (সাতসৰী, পৃ. ১৪৫)

(৫) "**মোৱামৰীয়াই** শিংগৰিঘৰত জুই দিলে।" (সাতসৰী, পৃ. ১৪৫)

৪.৬.২ কৰ্ম কাৰকত দ্বিতীয় বিভক্তিৰ প্ৰয়োগ হয়। দ্বিতীয় বিভক্তিৰ চিন

হল '০' '-ক'। বুৰঞ্জীত ইহঁত দুয়োটাৰে প্ৰয়োগ পোৱা যায়। তদুপৰি '-কে' বুৰঞ্জীত দ্বিতীয় বিভক্তিৰ চিনৰূপে ব্যৱহাৰ হোৱা দেখা যায়। যেনে ঃ

(১) "আৰু সিদ্ধি হয় মানে আচামকে কোঁচবেহাৰকে মাৰি ফিৰি আহিব খোজোঁ।" (অসম বুৰঞ্জী, পৃ. ৭৬)

(২) "*দেৱে দায় ধৰিছে, তোমালোকক ঘৰত ভাত খাই থাকিব দিছে।" (অসম বুৰঞ্জী, পৃ. ১০৯)

(৩) "ৰাজে যে মোৰ বুলি ধৰিলে ময়ো ৰাজক নেৰোঁ কদাচিত্।" (অসম বুৰঞ্জী, পৃ. ১০৯)

৪.৬.৩ '-এ', '-ৰে', '-দি', '-দ্বাৰা' কাৰণকাৰকৰ তৃতীয় বিভক্তিৰ চিন। বুৰঞ্জীত ইহঁত আটাইকেইটাৰে প্ৰয়োগ দেখা যায়। তদুপৰি পুৰণি অসমীয়াত প্ৰয়োগ হোৱা '-এৰে'ৰ প্ৰয়োগো বুৰঞ্জীত আছে। যেনে ঃ

(১) "ইন্দ্ৰেও কামবানে পীড়িত হুই সংগমক ইছা কৰিলে।" (পুৰণি অসম বুৰঞ্জী, পৃ, ২)

(২) "ভিতৰত বংগাল থৈ বাজ - বংগালৰে কি যুদ্ধ কৰিম।" (অসম বুৰঞ্জী, পৃ, ১১৭)

(৩) "পাচে মজুমখাঁ পাত্সাৰ হুকুমে ... ৬০ হেজাৰ ঘোঁৰাএৰে বেহাৰ আচাম দেশৰ সম্মুখে ৰল।" (অসম বুৰঞ্জী পৃ, ৭৬)

(৪) "*দেও বৰঘাটেদি ভাগিল গ'ল।" (অসম বুৰঞ্জী, পৃ, ১১৩)

(৫) "ইন্দ্ৰক আৰাধনাৰ দ্বাৰাত্ৰ এএৰোৰ এক পুত্ৰ জন্মিল মহাপৰাক্ৰমী।" (পুৰণি অসম বুৰঞ্জী, পৃ. ৪)

৪.৬.৪ '-ক', '-লৈ', '-লাগি' সম্প্ৰদান কাৰকত চতুৰ্থী বিভক্তি হিচাপে অসমীয়াত ব্যৱহাৰ হয়। বৰ্তমান মান্য অসমীয়াত '-লাগি' বিভক্তিৰ প্ৰয়োগ দেখা নাযায়। বুৰঞ্জীত ইয়াৰ প্ৰয়োগ পোৱা যায়। যেনে ঃ

(১) "বৰসোন কোষৰ পৰা মোৰংগৰ দো-সীমাক লাগি ৰত্নপৃষ্ঠ।" (কামৰূপৰ বুৰঞ্জী, পৃ. ১)

(২) "দীঘলা ফুকন সৈতে শৰাইঘাটলৈ গল।" (অসম বুৰঞ্জী, পৃ. ১১৪)

(৩) "একো পুস্তকত ব্ৰাহ্মণক শূদ্ৰে শৰণ লগাব পোৱা বচন নোলাল।" (তুংখুঙ্গীয়া বুৰঞ্জী, পৃ. ৩১)

৪.৬.৫ অপাদান কাৰকত পঞ্চমী বিভক্তি '-পৰা" ষষ্ঠী '-ৰ' বিভক্তিৰ পিছত লগ লগোৱা হয়। "দৰাচলতে অসমীয়াত পঞ্চমী বিভক্তি নাই। '-পৰা' এটা পৰসৰ্গহে।" [৩০] "যৌগিক বিভক্তি পৰিত্যাগ কৰিলে অসমীয়া পঞ্চমী বিভক্তি নাথাকে।" [৩১]

যিহওঁক, বুৰঞ্জীত '-পৰা' বিভক্তি সঘন প্ৰয়োগ দেখিবলৈ পোৱা যায়। বুৰঞ্জীৰ পূৰ্ব্বকালীন অসমীয়া সাহিত্যত অপাদান কাৰক অৰ্থত '-হন্তে'ৰ প্ৰয়োগ চলি আছিল যদিও '-পৰা' বিভক্তি অপাদান কাৰক বুজাবলৈ বহুল ভাৱে ব্যৱহাৰ কৰা হৈছিল। আধুনিক অসমীয়া সাহিত্যতো অপাদান কাৰক বুজাবলৈ '-পৰা'ৰ প্ৰয়োগ কৰা হয়। তলত বুৰঞ্জীৰপৰা কেইটিমান উদ্ধৃতি দাঙি ধৰা হ'ল ঃ

(১) "সেই সকলত **হন্তে** যি পুত্ৰ হৈল সিও পৰ্বতি লোকৰ ৰাজা হৈল। সেই **সকলৰ পৰা** যি পুত্ৰ পৌত্ৰী হেল, সি সকলেও বিহগাচল পৰ্ব্বত ব্যাপিলে।" (পুৰণি অসম বুৰঞ্জী, পৃ. ২-৩)

(২) "কলিৰ শেষত অৱতাৰ কল্কি শৰীৰ গন্ধ পাই দেৱাপি, মৰু, মাদ্রি, **জলহন্তে** তিনিও উঠি দেৱাপি, মৰু ৰাজ্য ভোগ কৰিব।" (কামৰূপৰ বুৰঞ্জী, পৃ ৫)

(৩) "**স্বৰ্গৰপৰা** ইন্দ্ৰদেৱতা আহি পৃথিৱীৰ পূৰ্ব্বদেশত ৰাজা হৈ ভোগ কৰিছেহি।" (অসম বুৰঞ্জী, পৃ. ২০)

৪.৬৬ অসমীয়াত সচৰাচৰ '-ৰ' ষষ্ঠী বিভক্তিৰ চিন ৰূপে ব্যৱহাৰ কৰা হয়। বুৰঞ্জীত ইয়াৰ যথেষ্ট প্ৰয়োগ দেখা যায়। যেনে ঃ

(ক) "গড়গাঞা **ৰজাৰ** ভৰিত কাণ্ড লাগিল, দুৱৰা **ফুকনৰ** বংগহ বৰপানীয়ে কান তুলি এৰুৱাই আনিলে **গোহাঁইৰ** স্নেহত থানি গাভৰু পাচতে গৈছিল, তেওঁৰ লগতো ৰণুৱা কাপৰ নগল।" (অসম বুৰঞ্জী, পৃ. ১৮)

কেতিয়াবা '-ক' ষষ্ঠী বিভক্তিৰ চিনৰূপে বুৰঞ্জীত পোৱা যায়, যেনে ঃ

(খ) "উত্তম **জনক** বাক্য গজদন্ত তুল্য, সিটো গজদন্ত নেকি কোনো কাল ফিৰে?" (অসম বুৰঞ্জী, পৃ. ১৫)

৪.৬.৭ অধিকৰণ কাৰকত সপ্তমী বিভক্তি '-এ', '-ত' ব্যৱহাৰ হয়। বৰ্তমান '-ত' সপ্তমীৰ চিন। বুৰঞ্জীত ইহঁতৰ অনেক প্ৰয়োগ দেখা যায়, যেনে —

(১) "পাচে গাভৰুও হাতী উঠি ৰণ ধৰি **যুদ্ধত** পৰিল।" (অসম বুৰঞ্জী, পৃ. ১৮)

---

৩০। উপেন্দ্ৰ নাথ গোস্বামী, অসমীয়া ভাষাৰ ব্যাকৰণ, পৃ ৪৩, ১৯৮১

২৯। কালিৰাম মেধি, অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ব, পৃ ১৬২, ১৯৩৬

(২) "আকে যুঁজে নোৱাৰোঁ মিত্ৰবতি ভাবে যি কৰিব পাৰি।" (অসম বুৰঞ্জী, পৃ.১৮)

এনেদৰে বুৰঞ্জী সাহিত্যত শব্দ বিভক্তিবোৰৰ প্ৰয়োগ হোৱা দেখা যায়। তলত বৰ্তমান অসমীয়াত প্ৰয়োগ হোৱা শব্দ বিভক্তিবোৰৰ লগত বুৰঞ্জীত প্ৰয়োগ হোৱা শব্দ-বিভক্তিবোৰৰ এখন তুলনামূলক তালিকা আগবঢ়োৱা হ'ল ঃ

| বৰ্তমান প্ৰচলিত শব্দ বিভক্তি | বুৰঞ্জীত প্ৰচলিত শব্দ-বিভক্তি |
|---|---|
| প্ৰথমা বিভক্তি — ০, -এ (-ই) | -০, -এ, (-ই), -ও |
| দ্বিতীয়া বিভক্তি — ০, -ক্ | -০, -ক, -কে |
| তৃতীয়া বিভক্তি — এ, -ৰে, -দি, -দ্বাৰা | -এ, -ৰে, -এৰে, -দি, -দ্বাৰা |
| চতুৰ্থী বিভক্তি — ক, -লৈ, -লাগি | -ক, -লৈ, -লাগি |
| পঞ্চমী বিভক্তি — পৰা | -পৰা, -হন্তে |
| ষষ্ঠী বিভক্তি — ৰ্ | -ৰ, -ক |
| সপ্তমী বিভক্তি — এ, -ত্ | -এ, -ত্ |

৪.৭ পুৰণি অসমীয়াত বহুবচন বুজাবলৈ বহুতো ৰূপ ব্যৱহাৰ কৰা হৈছিল ঃ '-সব', '-সম্ব', '-গণ', '-চয়', '-মানে', '-সা', '-ৰা', আদি। বুৰঞ্জীত ইহঁতৰ প্ৰয়োগ কেতিয়াবা দেখা যায় যদিও সাধাৰণতে, '-বোৰ', '-ভোৰ', '-বিলাক', '-সমস্তে', '-মখা', '-সকলে' আদি প্ৰত্যয়ৰ সংযোগতহে ইয়াত বহুবচন নিষপন্ন কৰা দেখা যায়। তলত বুৰঞ্জীৰপৰা কেইটামান বহুবচন বুজোৱা প্ৰত্যয়ৰ উদাহৰণ দাঙি ধৰা হ'ল ঃ

(১) '-বোৰ' ঃ "পাচে আমাৰবোৰ গৈ চুটিয়াক কঁড়াব ধৰিলে।" (পু. অস. বু.)

(২) '-ভোৰ' ঃ "পাচে ইভোৰগৈ নৰাত সোমাল।" (সাত. অস. বু.)

(৩) '-বোলাক' ঃ "আমাক সিবোলাকে খেদিব নালাগে।" (সাত. অস. বু.)

(৪) '-সমস্তে' ঃ "সমস্তে এই আলচ কৰি ফুকন বৰুৱাৰ পুতেকইঁতক, পানী ফুকন, ... হাজৰীকা সমস্তে ৰাজ্য উজাই আহিল।" (অস. বু. দত্ত সম্পাদিত)

(৫) '-মখা' ঃ "তাৰপৰা কচাৰী এমখা আহিল।" (সাত. অস. বু.)

(৬) '-সব' ঃ "আৰু তোমাৰাসবক তিনিখনি তিনিখনি নাওৰে যাব দিছে।" (অস. বু. দত্ত সম্পাদিত)

(৭) '-সকলো' ঃ "পাচে ডাংগৰ বৃষ্টি কৰাই নদীক বুঢ়াই সকলো পূজাৰ সামগ্ৰী উঠাই নিলে।" (অস. বু. ভূঞা সম্পাদিত)

(৮) '-সকল', '-সকলে' ঃ "সবংশে জুৰি পূৰ্ব্বে সৈন্যসকলৰ যি অধিকাৰ আছিল তাকো ইসকলে কাটি মাৰি বশ কৰিলে।" (পু. অস. বু.)

৪.৭.১ কেতিয়াবা কেতিয়াবা বিশেষ্য বা সৰ্ব্বনাম পদ পুনঃ পুনঃ ব্যৱহাৰ কৰিও বহুবচনৰ অৰ্থ প্ৰকাশ কৰা দেখা যায়। যেনে ঃ —

(১) "আমাৰ মানুহ থানে থানে থৈ অহা গৈছে, খেতিক মনে।" (সাত. অস. বু.)

(২) "বাটতে আহোতে কতো দহ, কতো বাৰ, কতো দুই, কতো তিনি, কতো এক, এইক্ৰমে মানুহ লগ পাই তাকো হাতকৈ মোৰাই লৈ আহে।" (সাত. অস. বু.)

(৩) "যাক যাক বাটত লগ পাই আনিলে তাৰো আপাহ পাই কাৰ্য্য অনুসৰি নাম থয়।" (সাত. অস. বু.)

৪.৭.২ 'কেতিয়াবা একবচনাত্মক ৰূপেও বহুবচনৰ অৰ্থব্যক্ত কৰা দেখা যায়। যেনে ঃ

(১) "বৰলোকৰ কথা বৰেহে জানে।" (অস. বু. ভূএগ্ৰা সম্পাদিত)

(২) "শত্ৰুৰ তেজ বঢ়াই থবলৈ ভাল নাহে।" (অস. বু. ভূএগ্ৰা সম্পাদিত)

(৩) " ... সামান্য মানুহেৰে একো কথা হই চল নাপাওঁ।" (পু. অস. বু.)

৪.৮ বুৰঞ্জীত সৰ্ব্বনামৰ বিভক্তিহীন আৰু বিভক্তিযুক্ত অৰ্থাৎ তিৰ্য্যক বা সামান্য দুয়োটা ৰূপেই পোৱা যায়। অসমীয়া সৰ্ব্বনামবোৰে এই সময়তেই পূৰ্ণৰূপ গ্ৰহণ কৰিছে বুলি ক'ব পৰা যায়। তলত বুৰঞ্জীত প্ৰয়োগ হোৱা পুৰুষবাচক সৰ্ব্বনামবোৰৰ উল্লেখ কৰা হ'ল ঃ

**প্ৰথম পুৰুষ ঃ** মই, মঞি, ময়ি, মঞে, মো, মোৰ, মোক, মোত, আমি (কেতিয়াবা 'মই'ৰ সলনি), আমি আমাৰ, আমাত, আমাক, আম্ৰাক, আমাঠৈৰ, আমালোক ইত্যাদি।

**দ্বিতীয় পুৰুষ ঃ** তুমি, তেম্ৰা, তোম্ৰা, তোমাত, তোমৰা, তোমোৰা, তোমাক, তোমালোক তোমাথেৰ, তোমাৰ, তুহাৰ, তুবা, তোহো, তোহোক, তোহোৰ, তোত, আপুনি, আপোনাৰা, আপোনাক ইত্যাদি।

**তৃতীয় পুৰুষৰ সৰ্ব্বনাম ঃ** সি, সিক, সেবোৰ, তাক, তাৰ, তাই, তাইক, তাঞি, তাইৰ আদি।

এই ব্যক্তিবাচক সৰ্ব্বনামবোৰৰ উপৰিও প্ৰশ্নবাচক, সম্বন্ধ বাচক, নিশ্চয়বাচক,

অনিশ্চিতবাচক, কালবাচক আৰু স্থান বাচক আদি সকলো প্ৰকাৰ সৰ্ব্বনামৰে প্ৰয়োগ বুৰঞ্জীত পোৱা যায়। তেনে কিছুমান সৰ্ব্বনামৰ কেৱল পদমাত্ৰাৰ উল্লেখ কৰা হ'ল। যেনে — অথন, অথনি, ই, ইভোৰ, ইবোৰ, ইও, ইখানসিখান, এখেৰ, এখেঁলৈ, এখেন, এখানিয়েৰ, কি, কিছুক, কোনে, কাক, কোন, কেঞ্ৰো, কোথা', কোনো, কোনোবা, কেত, কেতিয়া, কৈসানি, জি, জাক, তেৱে, তখন, তৈসানি, তোঠৈৰ, তেমত, যি, যাক, যিসকল, যোনি, যাহা, যিদিক, সেইদিক ইত্যাদি।

৪.৯ সন্ধি আৰু সমাসত সংস্কৃত ব্যাকৰণকেই মানি চলা হৈছে। সাধাৰণতে তদ্ভৱ, তত্সম শব্দবোৰতেই সন্ধিৰ যথোচিত প্ৰয়োগ দেখা যায়, কিন্তু দীঘল সমাস নিচেই কম সংখ্যকহে ব্যৱহাৰ কৰা হৈছে। কেৱল চিঠি-পত্ৰবোৰতহে দীঘল সমাসযুক্ত পদৰ প্ৰয়োগ দেখা যায়। বুৰঞ্জীৰ চুটি বাক্যৰূপত দীঘলীয়া সমাসবহুল পদৰ প্ৰয়োগ কম। বৰং দীঘল সমাস থকা সংস্কৃত পদবোৰ অসমীয়াত লিখোতে যিমানদূৰ সম্ভৱ সৰু সৰু পদত ভাঙি দেখুওৱা হৈছে। যেনে —

(ক) "সেই পৰ্ব্বততে **ৰত্নভূমি** প্ৰকাশিত এক থান আছে। তাতে অনেক **পুষ্পবাটিকাসকল** আছে। তাতে **কামোত্তৱ** বাত সদা বহি থাকে। সুগন্ধ **পুষ্পযুক্ত** লতাবৃক্ষে শোভিত।" (দেওধাই অসম বুৰঞ্জী, পৃ. ২১৩)

উদ্ধৃত অনুচ্ছেদটোৱে (ডাঙৰ আখৰৰ শব্দবোৰ) অসমীয়া বুৰঞ্জী সাহিত্যত ব্যৱহৃত চুটি সমাস যুক্ত পদৰ সুন্দৰ চানেকি দাঙি ধৰে।

৪.১০ বুৰঞ্জী সাহিত্যৰ আখৰ-জোঁটনিৰ ক্ষেত্ৰত দেখা যায় যে বুৰঞ্জী পুথিত ব্যৱহৃত বৰ্ণ বা আখৰবোৰ অনিয়মিত ভাবে প্ৰয়োগ হৈছে। ফলত বানান পদ্ধতিত কোনো বিধিনিষেধ পালন কৰা দেখা নেযায়। যেনে —

(ক) "সোঁফালে ইবোৰ **জাবৰ** দেখি আমাৰ **জি** চুচেংগ **সইকিয়া আচিল, পৰ্ব্বতৰ কোখত সেইএ গচৰ** আগত উঠি চালে, চুটিয়া দেখে তাৰ লগত মানুহ তাকৰ, তাৱে **বড়দুয়াৰ** পালেগৈ।" (পু. অস. বু. পৃ. ৪২)

এই বাক্যটোত পাঁচিশটা শব্দৰ **আঠোটাই** ভুলকৈ লিখা হৈছে। একোটা শব্দই আখৰ জোঁটনিত প্ৰকৃত ৰূপ হেৰাই বেলেগ বেলেগ বুৰঞ্জীত বেলেগ বেলেগ ৰূপ লৈছে। বুৰঞ্জী পুথিৰ আখৰ জোঁটনি মূলতঃ সংস্কৃত যদিও দাঁতিকাষৰীয়া জাতিবিলাকৰ কথিত ভাষাৰ প্ৰভাৱ ইয়াত পৰা বাবে বহুক্ষেত্ৰত বৰ্ণাশুদ্ধি ঘটিছে। সাধাৰণতে তলত উল্লেখ কৰা বৰ্ণ বা আখৰবোৰ কোনো পাৰ্থক্য নথকাকৈ প্ৰয়োগ কৰা দেখা যায়। মূলতঃ (ক) ভুল উচ্চাৰণ (খ) ব্যুৎপত্তিগত জ্ঞানৰ অভাৱ আৰু (গ) ব্যাকৰণৰ জ্ঞান সীমাবদ্ধ হোৱা বাবে এনে ভুল সংঘটিত হৈছে।

(১) **দন্ত্য, মূৰ্দ্ধন্য, আৰু তালব্য 'স', 'ষ', 'শ' ৰ বিচাৰবিহীন প্ৰয়োগ ঃ** আসা, আশা, পাসা, পাশা, বেষ, বেশ, বিশেষত, বিসেসত, বিসেষত, সুনি, শুনি, সৰন, শৰণ, সন্দেষ, সন্দেশ, ষইকীয়া, শইকিয়া, শইকীয়া, ষক্তি, শক্তি, সদিয়া, শদিয়া ইত্যাদি।

(২) **'ট' বৰ্গ আৰু 'ত' বৰ্গৰ পাৰ্থক্যহীনতা ঃ** কণ্যা, কন্যা, দণ্ড, ডণ্ড, দাড়ি, ধেকেৰি, ঢেকেৰি, সোণ, সোন, ৰণ, ৰন ইত্যাদি।

(৩) **'চ' বৰ্গৰ বিচাৰবিহীন প্ৰয়োগ ঃ** আহিচে, আহিছে, কিচু, কিছু, জি, যি, জিয়েক, জীয়েক, ঝিয়েক, জলম, ঝলম, পাচে, পাচে, মাজতে, মাঝতে, ইত্যাদি।

(৪) **ৰ, ড়, ঢ়, ৰ পাৰ্থক্যবিহীনতা ঃ** এৰিম, এড়িম, গড়গাঁৱ, গঢ়গাঁৱ, ঘোৰা, ঘোড়া, বৰাবৰ, বড়াবড়, বড়বড়ুআ, বৰবৰুয়া ইত্যাদি।

(৫) **স্বৰৰ হ্ৰস-দীৰ্ঘৰ পাৰ্থক্য লোপ ঃ** কুঞৰি, কুৱৰী, জিয়েক, জীয়েক, দিহিংগে, দিহীংগে, প্ৰীতি, প্ৰিতি, মুৰ, মূৰ, সি, সী ইত্যাদি।

৪.১০.১ দ্বিতীয়তে বুৰঞ্জী পুথিবোৰত কিছুমান বৰ্ণ সম্পূৰ্ণ পৰিবৰ্তন হৈ ব্যৱহাৰ হোৱা দেখা যায়। যেনে —

**স্বৰবৰ্ণ**

১। আ > য়, য়াছে য়াহিল।

২। ই > ও, মওঁ; ঞ, মঞিঃ; য়, চায়িছিল।

৩। উ > ও, মানোহ।

৪। ঋ > অ, ঘৰিণী -(গৃহিনী); ই, মাই (মাতৃ);
ৰি, কিৰিষি (কৃষি)।

৫। ঐ> ই, তিয়াৰ; ৰইচিল; অই, সইন্য।

৬। ও > অ, কাপৰ, আহম, তিৰতা; উ, তিৰুতা;
ও > ঞ, তেঞো, যাঞোতে।

**ব্যঞ্জণবৰ্ণ**

১। য > জ, জদি, জুদ্ধ, জতন।

২। ৱ> অ, দুঅৰিয়া; আ, নোআৰো, বৰবৰুআ;
ঞ, কোঞাৰে, ধোঞাখোৱা; য়, মোয়ামৰিযা,

দুয়াৰমুখ, সকলোয়ে থোয়ালে।

৩। ষ > খ ঃ কোখ; হ ঃ কোহ (সোণকোহ)।

৪। হ > ছ ঃ আছি; শ ঃ বৈশাগ;

ষ ঃ মানুষ, বৰ্ষি; স ঃ পুস।

৫। ক্ষ > খ, খীন, পখ, দখিণ, সাখি।

৬। য় > অ ঃ নাতিঅক, কছাৰীঅনী, সমঅতে;

আ ঃ কুহিআৰ, তেতিআয়ে, দিআ; ই ঃ পৰাজই, চিলাৰাই,

মইৰা, উপাই; এ ঃ ঘৰিণীএকৰ, শচীএ, দিএ, ঠএ, জীএকে।

ওপৰৰ দুই/এটা শব্দহে মাথোন বাহুল্যৰ ভয়ত দেখুওৱা হ'ল।

৪.১১ বুৰঞ্জী সাহিত্যত পূৰ্ব্ব প্ৰচলিত তৎসম শব্দৰ সলনি তদ্ভৱ, অৰ্দ্ধ-তৎসম, আৰবী-ফাৰ্চী, আহোম, দেশী তথা কথিত শব্দৰ প্ৰচলন সঘনে পৰিলক্ষিত হয়। ভাষা সৰলীকৰণৰ প্ৰৱণতা, বৰ্ণাশুদ্ধিৰ প্ৰতি অমনোযোগিতা আৰু বিশেষতঃ বুৰঞ্জীকাৰে বুৰঞ্জীৰ বিষয়বস্তুক ব্যৱহাৰিক বিষয়ৰ লগত সংপৃক্ত কৰা হেতু ই সম্ভৱপৰ হ'ব পাৰে। যি হওঁক তলত এই পুথিবোৰত ব্যৱহৃত বেলেগ বেলেগ শব্দবোৰৰ তালিকা একোখন দাঙি ধৰা হ'ল ঃ

### দুশ আৰবী-ফাৰ্চী শব্দ

**আৰবী শব্দ ঃ**

আদব — শিষ্টাচাৰ, দা-দস্তুৰ, নিয়ম-নীতি (আ, অদব)

আদমী — মানুহ, ব্যক্তি

আল্লা — ঈশ্বৰ (আ, অল্লাহ)

আমিৰ — সম্ভ্ৰান্ত ধনী মুছলমান

আদায় — সংগ্ৰহ কৰা (আ, অদা)

ইজাৰ/ইজেৰ — পায়জামা

ইমাম — ধৰ্মনেতা

ইনাম — পুৰস্কাৰ, বকশিশ

ইলাহী — বৃহৎ

ইস্তফা — পৰিত্যাগ, পদত্যাগ (আ, ইস্তেফা)

ইজ্জত — সন্ত্ৰম, মান (আ, ইজ্জৎ)

ইজাৰা — নিৰ্দিষ্ট টকাৰ বন্দবস্তত ঘাট, বিল, মাটি আদি খাবলৈ বা দখল কৰিবলৈ দিয়া অনুমতি।

উজু — অজু, মুছলমানসকলে নামাজ পঢ়াৰ আগতে হাত-ভৰি ধোৱা কাৰ্য্য (আ, ৱজু)

উকীল — আইনজীৱী (আ, ৱকীল)

উমৰ — বয়স

উলেমা — মুছলমান পণ্ডিতব্যক্তি

উজিৰ — মন্ত্ৰী, মুছলমান ৰজাসকলে শাসন কাৰ্য্যত নিয়োগ কৰা বিশেষ বিষয়া (আ, ৱজীৰ)

এখকিতয়াৰ — ক্ষমতা, অধিকাৰ (আ, ইখ্‌তিয়াৰ)

ওজন — ভাৰ, গুৰুত্ব (আ, ৱজন)

ওৰফে — অন্য নামেৰে, আন প্ৰকাৰে (আ, উফ্)

ওকালতি — উকিলৰ ব্যৱসায় (আ, ৱকালৎ)

ওমৰা — উচ্চপদস্থ ব্যক্তি (মুছলমান ৰাজ্যৰ)

কতপা — চাব, আঙুলিৰ চাব (আ, কতবঃ)

কবৰ — সমাধি (আ, কব্‌ৰ্)

কবুল — অঙ্গীকাৰ, স্বীকাৰ

কাজী — ইছলাম-সন্মত আইন অনুসৰি বিচাৰ কৰোঁতা

কানুন — আইন, নিয়ম

কাফেৰ — ইছলাম ধৰ্ম নমনা লোক (আ, কাফিৰ)

কাবাব — জুইৰ তাপত সেকি সেজোৱা মাংস

কায়েম — মজবুত, পাকা (আ, কায়িম)

কামিজ — এবিধ চোলা (আ কমীস)

কিম্মত — মূল্য, দাম (আ, কমীৎ)

কিস্তি — দিবলগা ধন আদিৰ নিৰ্দ্দিষ্ট অংশ (আ, কিস্ত্)

কূৰ্সি — চকী

খতম — শেষ, অন্ত (আ, খৎম)

খত — দলিল

খবৰ — বাতৰি, সংবাদ

খলিফা — মুছলমানসকলৰ ধৰ্মনেতা, দৰ্জী (আ, খলিফহ্)

খাজনা — ৰাজহ্, মাটিৰ কৰ (আ, খজানহ্)

খাৰাপ — নিকৃষ্ট (আ, খৰাব্)

খাৰিজ — বৰ্জিত

খালাস — মুক্তি, দায় বা দণ্ডৰপৰা মুক্ত

খাস — নিজৰ দখলৰ মাটি

খেৰাজ — ৰাজহ্, খাজনা

গয়ৰহ্, গাইৰহ্, গেইৰহ ইত্যাদি — আনসকল (আ, ৰগইৰহ্)

গৰজ — প্ৰয়োজন, দৰকাৰ

গৰবাজী — অসন্মত

জবাই — মুছলমান ধৰ্মবিধি অনুসাৰে পশুহত্যা কৰা (আ, জজা)

জনাব — মুছলমানসকলৰ সন্মানসূচক সম্বোন

জব্দ — আটক কৰা, শলঠেকত পেলোৱা (আ, জবৎ)

জমা — গোটা, সংগ্ৰহ কৰ (আ, জমৃতা)

জৰিপ — মাটিৰ পয়ল (আ, জৰীব)

জামিন — আইনৰ কাৰ্য্য-কলাপৰ বাবে দায়ী হবলৈ গাত লোৱা মানুহ।

জালিয়াত — জাল কৰোঁতা

জাহান্নাম — নৰক, নাশ (আ, জহন্নম)

জাহিৰ — ব্যক্ত, জনাজাত

জিম্মা — তত্ত্বাৱধান, দায়িত্ব

জিহাদ — ধৰ্মযুদ্ধ (মুছলমানৰ)

জুলুম — অত্যাচাৰ, পীড়ন

তফাত — প্ৰভেদ (আ, তফাওউৎ)

তবলা — এবিধ বাদ্য যন্ত্ৰ

তসলিম — মুছলমানৰ সামাজিক অভিবাদন প্ৰথা

তামাম — সমস্ত, গোটেই

তালিকা —ফৰ্দ, বস্তু বা মানুহৰ বিৱৰণ লিখা কাকত

দখল — অধিকাৰ, ভোগ (আ, দখ্‌ল)

দলিল — খত চুক্তিপত্ৰ

দপ্তৰ — পুথি, বহী আদি থোৱা ঠাই। কাৰ্য্যালয় (আ, দফ্‌তৰ)

দফে — বাৰকৈ (আ, দবহ্‌)

দালাল — লাভ লৈ বস্তু বেচা-কিনা কৰোঁতা (আ, দাল্লাল)

দুনিয়া — জগত

নগদ — হাততে থকা ধন (আ, নক্‌দ)

নবাব — বাদছাহৰ আমোলৰ মুছলমান শাসক (আ, নওবাব)

নাকচ — বাদ, ৰহিত (আ, নাকিস)

নিজাম — মুছলমান শাসনকৰ্তা বিশেষ

ফকিৰ — মুছলমান সন্ন্যাসী, বৈৰাগী

ফয়সালা — বিচাৰ নিষ্পত্তি, ৰায় (আ, ফয়স্‌লাহ্‌)

ফৌজ — সৈন্য বাহিনী

বুৰুজ — দুৰ্গৰ গম্বুজ। হিলৈ পাতি লবলৈ কৰি লোৱা গড়।

মখমল — এবিধ কোমল মূল্যবান কাপোৰ

মজবুত — দৃঢ়, শকত

মজুত — সঞ্চিত, একত্ৰিত (আ, মউজুদ)

মঞ্জিল — ভাণ্ডৰ ঘৰ, প্ৰাসাদ (আ, মন্‌জিল)

মঞ্জুৰ — অনুমোদিত (আ, মন্‌জুৰ)

মহজৰ — লেখা, নথি

মশগুল — বিহ্বল

মসলা — খাদ্য সুগন্ধি আৰু সুস্বাদু কৰিবলৈ মিহলোৱা উপকৰণ (আ, মসালিহ্)

মহল — নিৰ্দ্দিষ্ট বস্তুৰ ব্যৱসায় কৰিবলৈ দিয়া দোকান বা বিস্তৃত ঠাই

মোকম/মকাম — থান, পৱিত্ৰ স্থান

মাফিক — তুল্য, অনুযায় (আ, মৱাফিল)

মামলা — বিবাদ, মকৰ্দমা (আ, মুআমলহ্)

মাৰফৎ — জৰিয়তে, হতুৱাই (আ, মাৰিফৎ)

মজুত, মজুদ — সন্মতি (আ, মউজুদ)

ৰাজি — সন্মত

লোকচান — ক্ষতি, হানি (আ, নুক্সান)

সফৰ — বিদেশ ভ্ৰমণ

হদ — সীমা (আ, হদদ্)

হাজী — জি হজ কৰিছে

হাজিৰ — উপস্থিত

হামলা — আক্ৰমণ (আ, লম্লহ্)

হাৰাম — মুচলমান ধৰ্মনুযায়ী অবৈধ বা অপৱিত্ৰ, অনুচিত (আ, হৰাম্)

হালাল — পশু-পক্ষীৰ ডিঙি কাটি মৰা কাৰ্য্য, জবই (আ, হলাল)

হাচিল — সম্পন্ন, আদায় হোৱা (আ, হাসিল)

হিম্মত — বীৰত্ব, পৌৰুষ, সাহস

হিচাব — গণনা, লেখ, জমা-খৰচ, আয়-ব্যয়ৰ লেখ

হুকুম — আদেশ, অনুমতি (আ, হুক্ম)

হুজুৰ — প্ৰভু, গৰাকী

**ফাৰ্চী শব্দ ঃ**

আইন — প্ৰশাসনীয় বিধি-ব্যৱস্থা

আসমান — আকাশ

আপচোচ — পৰিতাপ, অনুতাপ

আয়না — দাপোণ (ফ, আঈনহ্)

ইয়াদ — সোঁৱৰণ, আন্দাজ

উমেদ — আশা

কম — তাকৰ, ন্যূন

কাকত/কাগজ — কাকত, তুলাপাত (ফা, কাঘজ, কাগদ)

কামান — যুদ্ধত ব্যৱহৃত আগ্নেয়াস্ত্র (ফা, কমান)

কাৰখানা — উৎপাদন কেন্দ্ৰ

কাৰসাজি — কুটকৌশল, প্ৰৱঞ্চনা

কাৰিগৰি — শিল্পী, মিস্ত্ৰী আদি

খৰচ/খৰ্চা — ব্যয় (ফা, খৰ্চ)

খৰিদ — কিনা কাৰ্য্য, ক্ৰয়

খানদান — উচ্চবংশ, সম্ভ্ৰান্ত, অভিজাত

খানসামা — পৰিচাৰক (ফা, খান-ই-সামান)

খাৰিফ — শস্য (শৰৎ কালৰ)

খাম — চিঠি ভৰোৱা লেফাফা

খুবসুৰত — সুশ্ৰী (ফা. আ. খুব-সুৰৎ)

খুশি — ইচ্ছা, মৰ্জি

খোদা — ঈশ্বৰ (ফা. খুদা)

খোশাল — আহ্লাদ (ফা. খুশহাল)

গজ — দুই হাত পৰিমাণৰ জোখ লোৱা মাৰি (হিলৈ গজ মাৰি)

গৰম — তাপ, উম, জহ (ফা. গৰ্ম)

গুনাহ — পাপ

গুম্বজ/গম্বুজ — মন্দিৰ, মছজিদ, প্ৰাসাদাদিৰ বৰ্তুলাকাৰ চাল (ফা. গুন্‌বদ)

গুলাব/গোলাপ — গোলাপ ফুল (ফা. গুলাব)

চাবুক — কোবোৱাৰ বাবে টান জৰি বা ছালেৰে গোঠা সৌকা।

চাকৰ — ভৃত্য, পৰিচাৰক

চালক — চতুৰ, বুদ্ধিমান

জবৰদস্ত — দুৰ্দান্ত, শক্তিশালী, জোৰজুলুম

জবান — অংগীকাৰ কৰি কোৱা কথা

জমি — মাটি (ফা. জমীন)

জহৰ — বিষ

জাদু — ইন্দ্ৰজাল, ভেলকি

জান — জীৱন, প্ৰাণ

জায়গা — স্থান, ঠাই

জায়গীৰ — পুৰস্কাৰৰূপে পোৱা নিস্কৰ ভূমি (ফা. জাগীৰ)

জিন্দিদি — জীৱন ( ফা. জিন্দ্‌গী)

ডাগ — মানুহৰ শ্ৰেণী, খেল (ফা. দাগ)

তক্তা — কাঠেৰে সজা শোৱা খাট (ফা. তখ্‌তহ্)

তাজা — সতেজ, নতুন (ফা. তাজহ্)

তীৰ — বাণ, শৰ

তৈয়াৰি/তৈয়াৰ — নিৰ্মাণ, গঠন

দৰবাৰ — ৰাজসভা, আদালত

দৰবেশ — ফকিৰ, মুছলমান সন্ন্যাসী

দস্তখত — স্বাক্ষৰ

দস্তাবেজ — দলিল

দস্তুৰ — নিয়ম

দালান — পকীঘৰ

দুশমন — শত্ৰু

দৰিয়া — সমুদ্ৰ বা নদী (ফা. দৰ্‌য়া)

দিল — মন, হৃদয়

দোস্ত — বন্ধু (ফা. দোস্ত্)

নালিশ — অভিযোগ, আবেদন

নাবালক — অপ্ৰাপ্তবয়স্থ (ফা. নাবালিগ)

পয়মাল — নষ্ট (ফা. পায়মাল)

পৰগণা — দেশৰ খণ্ডবিশেষ (ফা. পৰগনহ্)

পৰী — সুন্দৰী, অপদেৱতা, অপ্সৰা, অপেছৰা

পৰোয়ানা — আদেশপত্ৰ (ফা. পৰবানা)

পাজী — দুষ্ট, নীচ

পাঞ্জী —হাতৰ তলুৱাৰ চাব (ফা. পঞ্জহ)

পিয়াজ — মাটিৰ তলত হোৱা খাদ্যৰূপে ব্যৱহৃত এবিধ মূল, পনৰু

পুৰ — মুছলমান সাধু

পাস্বা — মোগল সম্ৰাট (ফা. বাদশাহ্)

ফৰমান — আজ্ঞা, হুকুম (ফা. ফৰ্মাইশ)

বন্দুক — গুলি মাৰা আগ্নেয় অস্ত্ৰ

বন্দোবস্ত — কোনো বিষয় নিশ্চয় কৰা ব্যৱস্থা

বৰখাস্ত — কৰ্ম্মচ্যুত

বৰবাদ — নষ্ট, অপব্যয়

বৰাবৰ — সকলো সময়ত, চিৰদিন

বাৰান্দা — ঘৰতে সংলগ্ন চালি, অলিন্দ (ফা. বৰাম্দহ)

বাজী — ইন্দ্ৰজাল, ভেল্কি

বেজাৰ — বিৰক্ত

বেমাৰ — অসুখ, ৰোগ

বেশ — ভাল, উত্তম

মগজ — মস্তিষ্ক

মোগল/মুঘল — তাতাৰ জাতিৰ এটা শাখা

মজুমদাৰ — খাজনাৰ হিচাপ ৰক্ষক

মুসলমান — ইছমাল ধৰ্মাৱলম্বী লোক

ৰপ্তানি — বিক্ৰীৰ কাৰণে আন দেশলৈ পণ্য-সামগ্ৰী প্ৰেৰণ (ফা. ৰফ্‌তনী)

লাল — মাটিৰ শ্ৰেণী-ভেদ (ফা. লঅল)

শৰম/চৰম — লজ্জা (ফা. শৰ্ম)

শাল — মূল্যবান পশমী বস্ত্ৰ

শিকাৰ/চিকাৰ — মৃগয়া

শাবাস/চাবাচ — প্ৰশংসাসূচক উক্তি (ফা. সাবাস)

সৰকাৰ/চৰকাৰ — শাসকমণ্ডলী, ৰাজস্ব আদায়ৰ বিভাগ স্বৰূপ পৰগণাৰ সমষ্টি

সুত/সুদ — ধাৰে দিয়া টকাৰ বাবে দিবলগা অতিৰিক্ত ধন (ফা. সুদ)

হৰদম — অবিৰত, সৰ্বদা

হাঙ্গাঁমা — উপদ্ৰব, গোলমান (ফা. হাঙ্গাঁম)

হাজাৰ — সহস্ৰ (ফা. হাজাৰ)

হিন্দু — আৰ্য্য আৰু প্ৰাক-আৰ্য্য জীৱনধাৰাৰ সমন্বয়ৰ ফলত গঢ় লোৱা প্ৰধান ভাৰতীয় জাতি, এটা ধৰ্ম।

৪.১২ অসম বুৰঞ্জীৰ অধ্যয়নে অসমীয়া জাতীয় জীৱনৰ বহুতো তথ্য পাতিৰ ইংগিত দিয়ে। আহোম যুগৰ অসমীয়া মানুহে ব্যৱহাৰ কৰা বিবিধ সোণ-ৰূপৰ আ-অলংকাৰ বুৰঞ্জীৰ বৰ্ণনাৰ পৰাই দেখুৱাব পাৰি। তলত সোণ-ৰূপ সম্পৰ্কীয় আহোম ৰজাসকলৰ সময়ত দৈনন্দিন ব্যৱহৃত বস্তু আৰু উপঢৌকন সমূহৰ নাম তালিকা এখনি প্ৰস্তুত কৰা হ'ল।

**সোণ সম্পৰ্কীয় শব্দ ঃ**

সোণোৱালী পইজাৰ, সোণোৱালী, টুপী, সোণোৱালী কাপোৰ, সোণোৱালী জীমবন্ধা ঘোৰা, সোণৰ কেৰু, সোণৰ খাৰু, সোণৰ গছা, সোণৰ আঙঠি, সোণৰ জোনবিৰি, সোণৰ পাটবন্ধ জাপি, সোণৰ বেলা, সোণৰ বাঁহী, সোণৰ কংকালী, সোণৰ মণি, সোণৰ পেচন্দান, সোণৰ চুলি-চেং, সোণৰ ফাকমুঠিৰে ছুৰী, সোণৰ বাখৰপৰা ধোৱা খোৱা নলী, সোণৰ বাখৰপতা বাজুবন্ধ, সোণৰ বাখৰপতা মূৰত বন্ধা কল্কি, সোণৰ বাখৰপতা ৰংবালী, সোণৰ বাখৰপতা গলপতা, সোণৰ নাললগা ৰূপৰ চৰিয়া, সোণৰ বৰৈদিয়া চন্দ্ৰতাপ, সোণৰ দাপোন

মৰা চালপীড়া, সোণৰ মলমা কৰা মুঠিৰ তৰোৱাল, সোণৰ চিৰিমৰা কচি, সোণৰ সূতাৰে চাপমৰা চেলেং, সোণৰ পিড়াদণ্ড, সোণৰ মলমাকৰা পিলদন্তৰ গাডী, সোণৰপি হোকা, সোণ আৰু ৰূপৰ বনকৰা নলী, সোণ-ৰূপৰ মেকুৰী, সোণ আৰু বাখৰৰ বন কৰা গাৰু, সোণৰ ঝৰা।

**ৰূপ সম্পৰ্কীয় শব্দ ঃ**

ৰূপৰ জিমবন্ধা ঘোৰা, ৰূপৰ তাওকিন, ৰূপৰ জৰা, ৰূপৰ খাৰু, ৰূপৰ টেমা, ৰূপৰ বেঢ়া, ৰূপৰ সাফৰ মৰা চিলিম, ৰূপৰ দণ্ড, ৰূপৰ খুৰা, ৰূপৰ বেৰীৰ হেংগদান, ৰূপৰ চৰিয়া, ৰূপৰ পানি চড়োয়া চিলিম, ৰূপুয়ালি পটুকা, ৰূপ-সোণৰ মাইহাং।

৪.১৩ বুৰঞ্জীবোৰত ব্যৱহাৰ হোৱা বিভিন্ন শ্ৰেণীৰ শব্দৰ ভিতৰত অনুৰূপ শব্দৰ প্ৰযোগ বিধিকে উদাহৰণ স্বৰূপে ল'ব পাৰি। "আনুৰূপ শব্দবোৰে সাধাৰণতে 'ইত্যাদি'ৰ অৰ্থ বুজায়।" এই অৰ্থৰ বাহিৰেও কওঁতাৰ মনৰ অন্য ইচ্ছাও প্ৰকাশ কৰে। বুৰঞ্জীবোৰত এই অনুৰূপ শব্দৰ প্ৰয়োগত কোনো নিৰ্দ্ধাৰিত নিয়ম মানি চলা দেখা নাযায়। সেয়ে অনিয়মিত অনুৰূপ শব্দৰ প্ৰাধান্য বুৰঞ্জীত প্ৰায়ে দেখা যায়। তলত কেইখনমান বুৰঞ্জী পুথিৰপৰা কিছুমান অনুৰূপ শব্দ তুলি দিয়া হ'ল —

**(ক) অসম বুৰঞ্জী (শ্ৰীশৰৎ কুমাৰ দত্ত সম্পাদিত)ৰ পৰা সংগৃহীত ঃ**

| | | |
|---|---|---|
| কুসলা — কুসলি | কটা — কটি | ছা — ছোৱালী |
| জেনে — তেনে | তিৰি — তিৰোতা | দিসা — দিসি |
| পাল — পচা | বঢ়াই — বুজাই | বিত — বস্তু |
| বোলা — বুলি | ভাল — মন্দ | মানুহ — দুনুহ |
| মেল — ঠাই | ৰং — ঢং | ৰা — ৰাজখোৱা |
| ৰখা — ঢকা | লোক — লচকৰ | লৰা — লুৰী |
| হাট — ঘাট — ফাট | | |

**(খ) অসম বুৰঞ্জী (সুকুমাৰ মহন্তৰ ঘৰত পোৱা ঃ ভূঞা সম্পাদিত)ৰ পৰা সংগৃহীত ঃ**

| | | |
|---|---|---|
| খুৱাই — ধুৱাই | খাট — পাম | গাওঁ — গিৰি |
| চা — চকী | টকা — কড়ি | পালি — পাচি |
| বুজ — সুজ | ভেটি — মাটি | মঠ — মণ্ডপ |
| ৰং — তামচা | ৰণ্ড — বণ্ড | লা — লোৱা |
| লণ্ডী — মুণ্ডী | লেনা — দেনা | সীমা — সীমালি |

সাজি — সখি

**(গ) দেওধাই অসম বুৰঞ্জীৰ পৰা সংগৃহীত ঃ**

| | | |
|---|---|---|
| অস্ত্র — শস্ত্র | কথা — বার্তা | গাতি — মাটি |
| ছল — ছন্দ | ডা — ডাঙৰীয়া | নাও — নাওৰা |
| ফা — ফুকন | বৰা — বৰুক | বেঁটী — বন্দী |
| বটা — বাহন | বাও — বাত্রা | ভেটি — ভাব |
| ৰণ — বন | লুড়ী — পুড়ী | লৰা — লুৰিটো |
| সৈন্য — সেনা | সন্দেশ — পত্র | সাবটা — সাবটি |
| হাট — বাট | | |

**(ঘ) কামৰূপৰ বুৰঞ্জী, পাদশ্যাহ বুৰঞ্জী, আৰু অন্যান্য বুৰঞ্জীৰ পৰা সংগৃহীত ঃ**

| | | |
|---|---|---|
| খাবৰ — চুবৰ | থাপি — সাঁচি | দিলছা — ভাৰছা |
| দেৱ — কুটুম্ব | দান — দক্ষিণা | ভক্ষ — ভোজ্য |
| ৰংগ — চংগ ইত্যাদি। | | |

উদ্ধৃত শব্দবোৰৰ (৪.১১, ৪.১২, ৪.১৩) বানান বুৰঞ্জীত পোৱা দৰেই ৰখা হৈছে। এই শব্দবোৰৰ আখৰ জোঁটনিয়ে বুৰঞ্জী সাহিত্যৰ বানানৰ পৰিচয় দাঙি ধৰিছে।

*****************

# সামৰণি

আহোম স্বৰ্গদেওসকলৰ ছয়শ বছৰীয়া ৰাজত্বকালত তেওঁলোকৰ বহু কেইজন দূৰদৰ্শী ৰজাৰ আশাশুধীয়া প্ৰচেষ্টাত অসমৰ সমাজব্যৱস্থা এটি শৃংখলাবদ্ধ ৰূপত গঢ় লৈ উঠে। আহোম ৰজাসকলৰ পৃষ্ঠপোষকতাত প্ৰণীত বুৰঞ্জী সাহিত্যই ইয়াৰ সাক্ষ্য বহন কৰিছে। অসমত বসবাস কৰা নানা জাতি-উপজাতিৰ সভ্যতা আৰু সংস্কৃতিৰ মহামিলনত এক মহান অসমীয়া জাতিৰ প্ৰাণ সুপ্ৰতিষ্ঠিত হয়। আহোম স্বৰ্গদেওসকলৰ দিনত থকা বুঢ়াগোহাঁই আৰু বৰগোহাঁইসকলৰ উপৰিও দিহিংগীয়া ৰজাৰ দিনত সৃষ্টি কৰা বৰপাত্ৰগোহাঁইৰ পদত অধিষ্ঠিত বিষয়াসকলৰ সহযোগ আৰু পৰম্পৰাত গঢ়ি উঠা প্ৰশাসনীয় ব্যৱস্থাই আহোম ৰজাৰ শাসনযে দৃঢ়তৰ কৰি তুলিছিল সি নিশ্চিত। এই প্ৰশাসনীয় ব্যৱস্থা সুদৃঢ় কৰিবলৈ “সাতঘৰীয়া আহোম”ৰ লগতে “তেইশ ঘৰ নিয়মৰ আহোম” আৰু পিছলৈ অন্যান্য সম্প্ৰদায়ৰ লোককো প্ৰশাসনীয় গুৰু দায়িত্ব অৰ্পণ কৰা হৈছিল। তদুপৰি প্ৰয়োজন সাপেক্ষে নাৰীকো সিংহাসনত অধিষ্ঠিত কৰি নাৰী জাতিক পুৰুষৰ সমানে মৰ্য্যাদা দান কৰা কাৰ্য্যই আহোম প্ৰশাসকসকলৰ দূৰদৰ্শিতাৰেই সূচনা কৰে। স্ত্ৰী-পুৰুষ নিৰ্বিশেষে সকলোৱে দেশ মাতৃৰ চৰণত প্ৰাণাহুতি দিবলৈ কুণ্ঠাবোধ কৰা নাছিল। আহোমসকলে থানগিৰি সকলৰ লগত বৈবাহিক সম্বন্ধ স্থাপন কৰাৰ ফলত অসবৰ্ণ বিবাহৰ প্ৰচলন হৈছিল আৰু তাৰ ফলত অসমীয়া সমাজৰ মাজৰপৰা সংকীৰ্ণ মনোভাৱ দূৰ হবলৈ ধৰে। তেওঁলোকে প্ৰবৰ্তন কৰা অসবৰ্ণ বিবাহে জাতিভেদ প্ৰথা বিলোপ সাধনৰ সূচনা কৰে। আহোমসকলৰ এনেধৰণৰ চিৰস্মৰণীয় উদাৰ নীতি ভাৰতৰ ভিতৰতে একক আৰু অনন্য। সেয়েহে আহোমসকলৰ বুৰঞ্জী সাহিত্যৰ পৰা শিকনি লবলগীয়া বহুতো কথাৰ প্ৰাসংগিতা বৰ্তমান যুগতো লক্ষ্য কৰা যায়।

স্বাধীনতা অসমীয়া মানুহৰ জন্মস্বত্ব বুলি কলেও অত্যুক্তি কৰা নহয়। অসম ইংৰাজৰ অধীনলৈ যোৱাৰ (ইয়াণ্ডাবু সন্ধি, ২৪ ফ্রে ঃ ১৮২৬ খ্ৰীঃ) আগতে কোনোদিন পৰাধীন নাছিল। প্ৰতাপসিংহ বুঢ়া ৰজা স্বৰ্গদেওৰ (১৬১১-‘৪৮ খ্ৰীঃ) দিনৰ প্ৰথম বৰবৰুৱা মোমাই তামুলীৰ সুযোগ্য সন্তান মহাবীৰ লাচিত বৰফুকনৰ দেশপ্ৰেম বিশ্ব ইতিহাসতে বিৰল। আকৌ বীৰাংগণা মূলাগাভৰুৱে ফৰাচীৰ জোৱান ডাৰ্কৰ কথাকে সোঁৱৰাই নিদিয়েনে? বুৰঞ্জী

সাহিত্যৰ এনেকুৱা স্বদেশপ্ৰেমৰ নিদৰ্শন ইতিহাসত সোণালী আখৰেৰে লিপিবদ্ধ হৈ থাকিব।

আহোম যুগত বাৰেবৰণীয়া অসমীয়া সংস্কৃতিয়ে বৰঘৰ সাজিলে। এই সময়ৰপৰাই অসমীয়া মানুহৰ থকা-মিলা, খোৱা-বোৱা, পিন্ধন-উৰণ, সাজ-পাৰ, আ-অলংকাৰ আদিয়ে দেশীয় গঢ় লয়; নৃত্য-গীত-বাদ্য, চিত্ৰ-কলা, স্থাপত্য-ভাস্কৰ্য্যই সৰ্ব ভাৰতীয় ৰূপ পৰিগ্ৰহণ কৰে। আমাৰ অতি মৰমৰ বিহু উৎসৱটি জাতীয় উৎসৱ ৰূপে পৰিগণিত হয় — এই যুগতে। বিভিন্ন খেল-ধেমালিয়ে ৰাজকীয় মৰ্য্যাদা লাভ কৰে ; ধৰ্মীয় সহনশীলতাই সমাজত ভাতৃত্ববোধ দৃঢ়তৰ কৰি তোলে। আহোম ৰজাসকলে দাঁতিকাষৰীয়া ৰজাসকলৰ লগত সম্পৰ্ক অব্যাহত ৰখাত অসমীয়া সংস্কৃতিয়ে সমন্বয়ৰ সংস্কৃতি ৰূপে প্ৰতিষ্ঠা লাভ কৰে। আনহাতে পৰাজিত লোকসকলে নিজৰ জাতিগত বৈশিষ্ট্য পাহৰি বৰ অসমীয়া জাতিৰ স'তে মিলি গৈ অসমীয়া সংস্কৃতিৰ বিকাশৰ হকে নিজকে উৎসৰ্গ কৰিছিল।

পুৰণি অসমীয়া গদ্যৰ ক্ৰমবিবৰ্তন আৰু ক্ৰমবিকাশৰ ফলতে আধুনিক গদ্যৰ উৎপত্তি হৈছে। এই ক্ৰমবিবৰ্তনত বুৰঞ্জীৰ গদ্যৰ এক বিশিষ্ট ভূমিকা আছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ "অংকীয়া ভাওনা"তেই গদ্যৰ বীজ অংকুৰিত হয় যদিও ভট্টদেৱৰ "কথা-গীতা" আৰু "ভাগৱত-কথা'তহে প্ৰাচীন অসমীয়া গদ্যই পূৰ্ণৰূপ লাভ কৰে। ৰঘুনাথ মহন্তৰ "কথা-ৰামায়ণ" (১৭০৩ শক) শিষ্ট ভট্টাচাৰ্য্যৰ "কিষ্কিণ্ড্যা কাণ্ড" (ৰঘুনাথৰ কথা ৰামায়ণৰ অন্তৰ্গত), "কথা গুৰুচৰিত" (অষ্টাদশ শতিকা) "বৰদোৱা গুৰুচৰিত" (অষ্টাদশ শতিকা) আদিৰ মাজেৰে পুৰণি সত্ৰীয়া গদ্যৰ পূৰ্ণবিকাশ ঘটিছে আৰু সত্ৰীয়া গদ্যৰ সমসাময়িক কালতেই সমান্তৰালভাবে আহোম ৰজাৰ পৃষ্ঠপোষকতাত ব্যৱহাৰিক গদ্যৰ বিকাশ বুৰঞ্জী সাহিত্যৰ মাধ্যমেৰে সংঘটিত হৈছে। উনবিংশ শতিকাত ৰাজনৈতিক কাৰণত বুৰঞ্জী সাহিত্যৰ ধাৰাবাহিকতা গতিৰুদ্ধ হৈ পৰাৰ পিচতেই আধুনিক অসমীয়া গদ্য সাহিত্যৰ জন্ম হয়। আধুনিক গদ্যৰীতিত বুৰঞ্জীৰ গদ্যৰীতিৰ বৈশিষ্ট্য আৰু প্ৰভাৱ যে পৰিছে তাক নক'লেও হ'ব।

বুৰঞ্জী সাহিত্যৰ ভাষা অসমীয়া মান্যভাষাৰ প্ৰতিভূস্বৰূপ। বুৰঞ্জীত তৎসম, তদ্ভৱ শব্দৰ সমাবেশ ঘটাৰ উপৰিও আহোম-টাই ভাষা, আৰবী-পাৰ্চী ভাষা আৰু অসমৰ নানা আঞ্চলিক ভাষাৰ প্ৰয়োগ চকুত পৰে।

বুৰঞ্জীবোৰত ব্যৱহাৰ কৰা দৈনন্দিন জীৱনৰ কথোপকথনৰ ভাষা, সভ্যতা সংস্কৃতিবোধক ভাষা, ৰাজকীয় আৰু প্ৰশাসনীয় কাৰ্য্যৰ ভাষা আৰু দেশ-বিদেশৰ ৰজাসকলৰ সৈতে আদান-প্ৰদান কৰা চিঠি পত্ৰৰ ভাষাৰ অধ্যয়নে বুৰঞ্জীৰ ভাষা যে মান্যভাষা তাক প্ৰতিপন্ন কৰে। বুৰঞ্জীৰ গদ্যই অসমীয়া ভাষাৰ পৰিমাৰ্জিত, সুসংগঠিত আৰু শ্ৰুতিমধুৰ ৰূপৰ সূচনা কৰে।

মুছলমানৰ পুনঃ আক্ৰমণৰ ফলত আৰু ওচৰ-চুবুৰীয়া মুছলমান ৰজাসকলৰ লগত ৰাজনৈতিক সম্পৰ্ক অব্যাহত ৰখাৰ ফলত আৰু বিশেষকৈ মুছলমানসকলে অসমত বসবাস কৰিবলৈ লোৱাৰ ফলত সামাজিক আৰু সাংস্কৃতিক দিশত হিন্দু আৰু মুছলমান সংস্কৃতিৰ চিন্তা-চৰ্চ্চাৰ বিনিময় সংঘটিত হয়। অসমত বসবাস কৰা মুছলমানসকলে অসমীয়া ভাষাকেই ধৰ্ম-সংস্কৃতিৰ চিন্তাৰ্চ্চাৰো বাহক হৈ পৰে। আনফালে বুৰঞ্জী সাহিত্যত আৰবী-পাচী শব্দবোৰৰ বহুল অনুপ্ৰবেশ ঘটে আৰু কালক্ৰমত আৰবী-পাৰ্চী শব্দৰ ব্যৱহাৰ আধুনিক অসমীয়া সাহিত্যত স্বাভাৱিক হৈ পৰে।

আধুনিক অসমীয়া ভাষাৰ ব্যাকৰণগত বৈশিষ্ট্যও বুৰঞ্জীৰ গদ্যতেই বিকশিত হৈছে। সৰ্ব্বনামৰ বিভিন্ন ৰূপ, ক্ৰিয়াৰ বিভিন্ন কালৰ প্ৰয়োগ, বহুবচন বুজোৱা প্ৰত্যয়, শব্দ-বিভক্তি, নামধাতু, স্বাৰ্থিক প্ৰত্যয় আদিৰ প্ৰয়োগ বুৰঞ্জীৰ গদ্যতেই বহুলভাৱে ব্যৱহৃত হৈছে। আমাৰ ভাষাৰ ঐতিহ্য আৰু ব্যুৎপত্তিগত দিশত ব্যাকৰণগত আলোচনাই আলোকপাত কৰিব বুলি আশা কৰা হৈছে।

বুৰঞ্জীত ব্যৱহৃত প্ৰবাদ-পটন্তৰ আদিৰ অধ্যয়নে প্ৰাচীন অসমৰ আৰ্থ-সামাজিক, সাংস্কৃতিক, ব্যৱহাৰিক জীৱনৰ বহুতো মূল্যবান তথ্য পোহৰলৈ আনিব পাৰিব বুলিও আশা কৰা হৈছে।

বুৰঞ্জীৰ গদ্য বাস্তৱানুগ। বাস্তৱ জগতৰ বিষয়বস্তুই বুৰঞ্জীত গা কৰি উঠাৰ ফলত প্ৰাচীন বৃত্ত্যগন্ধী গদ্যৰ স্থান গৌণ হৈ পৰিল। বুৰঞ্জীকাৰে অনাৱশ্যকীয় অলংকাৰ বৰ্জন কৰি প্ৰচলিত ভাষাৰ সৰলতা, স্পষ্টতা আৰু সৰসতাৰে বুৰঞ্জীৰ গদ্যক যথাৰ্থ প্ৰকাশক কৰি তুলিছে।

আমেৰিকান বেপ্‌টিষ্ট মিছনেৰীসকলে সংবাদ পত্ৰ, ধৰ্ম প্ৰচাৰ মূলক

পুস্তিকা আৰু বিবিধ গদ্যগ্রন্থত যি অসমীয়া গদ্য প্রয়োগ কৰিছে তাৰ মূল ভেটি — বুৰঞ্জীৰ গদ্য আৰু সমসাময়িক উজনি অসমৰ শিবসাগৰ অঞ্চলৰ কথিত ভাষাৰ সংমিশ্রিত ৰূপ। অৱশ্যে মিছনেৰী গদ্যত বুৰঞ্জীৰ গদ্যৰ শব্দ-সম্ভাৰৰ প্রভাব পৰিলক্ষিত হ'লেও ইয়াৰ বাক্যগঠন প্রণালী সুকীয়া আৰু বহুক্ষেত্রত ইংৰাজী বাক্য গঠনৰীতিৰ প্রভাব পৰিছে। প্রকৃতার্থত ওঠৰ শতিকাৰ বুৰঞ্জীৰ গদ্যই পূর্ব্বকালীন সত্রীয়া গদ্য আৰু আধুনিক গদ্যৰ মাজত সংযোগ সেতু স্থাপন কৰিছে।

বুৰঞ্জী শুকান হাড়-ছালৰ নীৰস জকা নহয়। বুৰঞ্জীত প্রকৃত সৃষ্টিধর্মী সাহিত্যৰ উন্মেষ নঘটিলেও পাঠকৰ হৃদয়ত ৰস সৃষ্টি কৰিব পৰা সাহিত্যৰ বীজ অংকুৰিত হৈছে। আধুনিক সাহিত্যৰ সুদূৰ প্রসাৰী গতিপথ নির্ণয়ত বুৰঞ্জীৰ গদ্যই বহুল পৰিমাণে অৰিহণা যোগাইছে। বুৰঞ্জীৰ গদ্যৰ এই যৎসামান্য আলোচনাই ভৱিষ্যত বংশধৰ সকলক প্রাচীন সমাজ আৰু সংস্কৃতি তথা ভাষাতত্ত্বৰ অধ্যয়নত পথ প্রদর্শন কৰিব পাৰিব বুলি আশা কৰা হ'ল।

************

# গ্ৰন্থপঞ্জী

**(ক) মুখ্য উৎস ঃ**


গোস্বামী, হেমচন্দ্ৰ (সম্পাদক) ঃ পুৰণি অসম বুৰঞ্জী, ১৯৭৭ লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী।

তামুলিফুকন, কাসিনাথ ঃ আসাম বুৰন্‌জি পুথি, ১৯০৬ মজুমদাৰ প্ৰেছ, কলিকতা।

দত্ত, শৰৎকুমাৰ (সম্পাদক) ঃ অসম বুৰঞ্জী, ১৯৩৮, অ. চ. বু. পু. বি., গুৱাহাটী।

ভূঞা, সূৰ্য্যকুমাৰ (সম্পাদক) ঃ অসম বুৰঞ্জী (সুকুমাৰ মহন্তৰ ঘৰত পোৱা) ১৯৬০, অ. চ. বু. পু. বি., গুৱাহাটী।

ভূঞা, সূৰ্য্যকুমাৰ (সম্পাদক) ঃ অসম বুৰঞ্জী (হৰকান্ত বৰুৱা সদৰামিন) ১৯৬২, অ. চ. বু পু. বি., গুৱাহাটী।

ভূঞা, সূৰ্য্যকুমাৰ (সম্পাদক) ঃ অসমৰ পদ্য বুৰঞ্জী, ১৯৬৪, অ. চ. বু. পু. বি., গুৱাহাটী।

ভূঞা, সূৰ্য্যকুমাৰ (সম্পাদক) ঃ কামৰূপৰ বুৰঞ্জী, ১৯৫৮, অ. চ. বু. পু. বি., গুৱাহাটী।

ভূঞা, সূৰ্য্যকুমাৰ (সম্পাদক) ঃ কছাৰী বুৰঞ্জী, ১৯৫১, অ. চ. বু. পু. বি., গুৱাহাটী।

ভূঞা, সূৰ্য্যকুমাৰ (সম্পাদক) ঃ জয়ন্তীয়া বুৰঞ্জী, ১৯৬৪, অ. চ. বু. পু. বি., গুৱাহাটী।

ভূঞা, সূৰ্য্যকুমাৰ (সম্পাদক) ঃ তুংখুংঙীয়া বুৰঞ্জী, ১৯৬৪, অ. চ. বু. পু. বি., গুৱাহাটী।

ভূঞা, সূৰ্য্যকুমাৰ (সম্পাদক) ঃ দেওধাই অসম বুৰঞ্জী, ১৯৬২, অ. চ. বু. পু. বি., গুৱাহাটী।

ভূঞা, সূৰ্য্যকুমাৰ (সম্পাদক) ঃ পাদশ্যাহ বুৰঞ্জী, ১৯৩৫, কামৰূপ অনুসন্ধান সমিতি, গুৱাহাটী।

ভূএগ, সূৰ্য্যকুমাৰ (সম্পাদক) : সাতসৰী অসম বুৰঞ্জী, ১৯৬৯, গুৱাহাটী বিশ্ববিদ্যালয়।

ভূএগ, সূৰ্য্যকুমাৰ (সম্পাদক) : ত্ৰিপুৰা বুৰঞ্জী, ১৯৬৪, অ. চ. বু. পু. বি., গুৱাহাটী।

**(খ) গৌণ উৎস ঃ**

গোহাঞি বৰুৱা, পদ্মনাথ : অসম বুৰঞ্জী ১৯, অ. প্ৰ. প., গুৱাহাটী।

বৰুৱা, গুণাভিৰাম : আসাম বুৰঞ্জী, ১৯৭২ অ. প্ৰ. প., গুৱাহাটী।

বৰুৱা, বিৰঞ্চিকুমাৰ : অসমীয়া কথা-সাহিত্য, ১৯৭২, লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী।

বৰবৰুৱা, হিতেশ্বৰ : আহোমৰ দিন, ১৯৮১, অ. প্ৰ. প., গুৱাহাটী।

**সহায়ক গ্ৰন্থ ঃ**

**অসমীয়া ঃ**

কটকী, প্ৰফুল্ল : ক্ৰমবিকাশত অসমীয়া কথাশৈলী, ১৯৭৯, বীণা লাইব্ৰেৰী, গুৱাহাটী।

কৌশাম্বী, ডি. ডি. (ভট্টাচাৰ্য্য, বীৰেন্দ্ৰনাথ, অনু.) : ভাৰতৰ ইতিহাস, ১৯৮১, অ. প্ৰ. প., গুৱাহাটী।

গোস্বামী, উপেন্দ্ৰনাথ : অসমীয়া ভাষাৰ ৰূপকথা, ১৯৭৪, নিউ বুক ষ্টল, গুৱাহাটী।

গোস্বামী, উপেন্দ্ৰনাথ : অসমীয়া ভাষাৰ ব্যাকৰণ, ১৮৮১, মণি-মাণিক প্ৰকাশ, গুৱাহাটী।

গোস্বামী, ত্ৰৈলোক্যনাথ : সাহিত্য আলোচনা, ১৯৬১, শৰ্মা ব্ৰাদাৰ্চ এণ্ড কোম্পানী, নলবাৰী।

গোস্বামী, প্ৰফুল্ল দত্ত : বুৰঞ্জী আৰু সংস্কৃতি, ১৯৮৫, বীণা লাইব্ৰেৰী, গুৱাহাটী।

গগৈ, লীলা : অসমৰ সংস্কৃতি, ১৯৮২, ভাৰতী

প্ৰকাশন, যোৰহাট।

গগৈ, লীলা : টাই সংস্কৃতিৰ ৰূপৰেখা, ১৯৭১, শ্ৰীভূমি পাবলিচিং কোম্পানী, কলিকতা।

দত্তবৰুৱা, হৰিনাৰায়ণ (সম্পাদক) : যোগিনীতন্ত্ৰ, ১৯৭২, দত্তবৰুৱা এণ্ড কোম্পানী।

নেওগ, ডিম্বেশ্বৰ : নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী, ১৯৬৪, গুৱণী প্ৰকাশ, গুৱাহাটী।

নেওগ, মহেশ্বৰ : অসমীয়া সাহিত্যৰ ৰূপৰেখা, ১৯৭০, নিউ বুক ষ্টল, গুৱাহাটী।

নেওগ, মহেশ্বৰ : পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি, ১৯৭১, নিউ বুক ষ্টল, গুৱাহাটী।

নেওগ, মহেশ্বৰ (সম্পাদক) : শ্ৰীভাগৱত কথা, ১৯৬৩, লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী।

নেওগ, মহেশ্বৰ (সম্পাদক) : কথা-গুৰু চৰিত, ১৯৮৭, প্ৰকাশন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়।

নেওগ, মহেশ্বৰ (সম্পাদক) : অৰুণোদই, ১৯৮৩, অ. প্ৰ. প.।

বৰুৱা, বিৰিঞ্চিকুমাৰ : অসমীয়া ভাষা আৰু সংস্কৃতি, ১৯৬৩, লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী।

বৰুৱা, বিৰিঞ্চিকুমাৰ : অসমৰ লোক-সংস্কৃতি, ১৯৬৭, লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী।

বৰুৱা, বিৰিঞ্চিকুমাৰ (সম্পাদক) : বৌদ্ধধৰ্ম্ম আৰু সাহিত্য, ১৯৫৬, বৌদ্ধ জয়ন্তী কমিটি, শ্বিলং, অসম।

বৰুৱা, বিৰিঞ্চিকুমাৰ (সম্পাদক) : অংকীয়া নাট, ১৯৩৮, অ. চ. বু. পু. বি., গুৱাহাটী।

বৰুৱা, বিৰিঞ্চিকুমাৰ (সম্পাদক) : অৰুণোদইৰ ধলফাট, ১৯৬৫, অ. সা.

স.।

বৰুৱা, চন্দ্ৰধৰ : ৰত্নকোষ, ১৯৬২, যোৰহাট।

বৰুৱা, প্ৰফুল্ল : অসমীয়া প্ৰবাদ, ১৯৬২।

বৰুৱা, হেমচন্দ্ৰ : অসমীয়া ব্যাকৰণ, ১৯৬৩, হেমচন্দ্ৰ পুথিভঁৰাল, শিৱসাগৰ।

বসু, যোগীৰাজ : বেদৰ পৰিচয়, ১৯৭৬, অ. প্ৰ. প., গুৱাহাটী।

বৰদলৈ, কুমুদচন্দ্ৰ (সম্পাদক) : সদৰামীনৰ আত্ম-জীৱনী, ১৯৯১, লয়াৰ্চ্ছ বুক ষ্টল, গুৱাহাটী।

ভূঞা, সূৰ্য্যকুমাৰ : শৰাইঘাটৰ সুবচনী, ১৯৬৩, তথ্য আৰু জনসম্পৰ্ক বিভাগ, অসম চৰকাৰ।

ভূঞা, সূৰ্য্যকুমাৰ : বুৰঞ্জীৰ বাণী, ১৯৬০, লয়াৰ্চ্ছ বুক ষ্টল, গুৱাহাটী।

ভূঞা, সূৰ্য্যকুমাৰ : মীৰজুমলাৰ অসম আক্ৰমণ, ১৯৫৬, লয়াৰ্চ্ছ বুক ষ্টল, গুৱাহাটী।

ভূঞা, সূৰ্য্যকুমাৰ : স্বৰ্গদেৱে ৰাজেশ্বৰ সিংহ, ১৯৭৫, অ. প্ৰ. প., গুৱাহাটী।

ভূঞা, সূৰ্য্যকুমাৰ : লাচিত বৰফুকন, ১৯৭১, অ. প্ৰ. প., গুৱাহাটী।

মেধি, কালিৰাম : অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব, ১৯৩৬, লেখকৰ দ্বাৰা প্ৰকাশিত।

মেধি, কালিৰাম : অংকাৱলী, ১৯৫০।

ৰাজগুৰু, সৰ্বেশ্বৰ : অসমীয়া প্ৰৱাদ, ১৮৯৪ শক, লেখকৰ দ্বাৰা প্ৰকাশিত।

শৰ্মা, সত্যেন্দ্ৰনাথ : অসমীয়া সাহিত্যৰ ইতিবৃত্ত, ১৯৭১, বাণী প্ৰকাশ, পাঠশালা।

শৰ্মা, সত্যেন্দ্ৰনাথ : অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত,

১৯৮১, গুৱাহাটী বুক ষ্টল।

শৰ্মা, সত্যেন্দ্ৰনাথ : ভট্টদেৱৰ কথা-গীতা, ১৮৮৪ শক, লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী।

শৰ্মা, বেণুধৰ (সম্পাদক) : পণ্ডিত হেমচন্দ্ৰ গোস্বামী ৰচনাৱলী, ১৮৯৩ শক, অ. সা. স.।

শৰ্মা, তীৰ্থনাথ : সাহিত্য-বিদ্যা পৰিক্ৰমা, ১৮৮৪ শক, বাণী প্ৰকাশ, গুৱাহাটী।

শৰ্মা, বাণীকান্ত : অসমীয়া ভাষা সাহিত্যলৈ মিছনাৰী সকলৰ অৱদান, ১৯৮১, অ. সা. স.।

শৰ্মা, নবীনচন্দ্ৰ (সম্পাদক) : দৰং ৰাজবংশাৱলী, ১৯৭৩, বাণী প্ৰকাশ, (কবি বলদেৱ সূৰ্য্যখড়ি দৈৱজ্ঞ বিৰচিত)

শৰ্মাদলৈ, হৰিনাথ : অসমীয়া গদ্য-সাহিত্যৰ গতিপথ, ১৯৯২, লেখকৰ দ্বাৰা প্ৰকাশিত।

শইকীয়া, নগেন (সম্পাদক) : অধ্যয়ন পৰিচয়, ১৯৭৮, অভ্যৰ্থনা সমিতি আৰু প্ৰকাশন সমিতিৰ সম্পাদক, অসম সাহিত্য সভা, 'হীৰক জয়ন্তী বৰ্ষ', গোলাঘাট।

শাস্ত্ৰী, মনোৰঞ্জন : সাহিত্য দৰ্শন, ১৯৭০, চাৰ্ভিচ বুক ছেলাৰ, গুৱাহাটী বিশ্ববিদ্যালয়।

শাস্ত্ৰী, বিশ্বনাৰায়ণ (অনুঃ) সম্পা) : সাহিত্য দৰ্পণ, ১৯৬৪, অ. সা. স.।

**বঙলা :**

ভট্টাচাৰ্য্য, যতীন্দ্ৰমোহন (সম্পাঃ) : আসাম বুৰঞ্জি (হলিৰাম ঢেকিয়াল ফুকনৰ), ১৩৬৯ সাল, গুৱাহাটী, মোক্ষদা পুস্তকালয়।

ভট্টাচাৰ্য্য, পদ্মনাত (সম্পাদক) : কামৰূপ শাসনৱালী, ১৩৩৮ সাল, ৰংপুৰ সাহিত্য পৰিষদ।

মুখোপাধ্যায়, অৰুণকুমাৰ : বাংলা গদ্যৰীতিৰ ইতিহাস, ১৩৭৪ সাল, কলিকতা।

সেন, সুকুমাৰ : বাংগালা সাহিত্যে গদ্য, ১৩৮৩ সাল, ইষ্টাৰ্ণ পাব্লিশাৰ্স, কলিকতা।

**English :**

Bhuyan, S. K. : Studies in the History of Assam, 1965, published by Smt. Laksheswari Bhuyan, Guwahati.

Bhuyan, S. K. : Studies in the Literature of Assam, 1962, Lawyer's Book Stall, Guwahati.

Bhuyan, S. K. : Anglo-Assamese Relations, 1974, Lawyer's Book Stall, Guwahati.

Bhuyan, S. K. : Tungkhungia Buranji, 1933, Oxford University Press, 1965, National Book Trust of India.

Barua, H. : Assamese Literature.

Barua, K. L. : Early History of Kamrup, 1933, Published by the author.

Barpujari, H. K. : The Comprehensive History of Assam, Vol. II, 1992, P. B. A. Gauhati.

Basu, N. K. : Assam in the Ahom Age, 1970, Sanskrit Pustak Bhandar, Calcutta.

Barua, Hem : Assamese Literature, 1965, National Book Trust of India.

| | | |
|---|---|---|
| Chatterjee, S. K. | : | The Place of Assam in the History and Civilisation of India, 1991, G. U. |
| Choudhury, P. C. | : | The History of Civilisation of the People of Assam, 1966, D. H. A. S., Gauhati. |
| Goswami, H. C. | : | Descriptive Catalogue of Assamese Manuscripts, 1930, Calcutta University. |
| Gait, E. | : | History of Assam, 1926, Lawyer's Book Stall, Gauhati. |
| Grierson, G. A. | : | The Linguistic Survey of India, Vol. I, Part-1, Motilal Banarsidas, Reprint, 1967. |
| Kakati, B. K. | : | Assamese, Its Formation and Development, 1972, Lawyer's Book Stall, Gauhati. |
| Keith, A. B. | : | A History of Sanskrit Literature, 1966, Oxford University Press. |
| Macdonell, A. A. | : | A History of Sanskrit Literature, Publisher : Munshiram Manoharlal Book Sellers, Delhi - 6. |
| Muller, F. M. | : | A History of Sanskrit Literature, 1968. Publisher : Chowkhamba Sanskrit Series Office, Varanasi - 1. |
| Neog, Dimbeswar | : | New Light on History of Asamiya Literature, 1962, Suwani Prakas, Gauhati. |
| Sarma, S. N. | : | A Socio-Economic And Cultural History of Medieval |

Assam (1200-1800 A. D.), 1989

Winternitz, M. : A History of Indian Literature, Vol. I, Part-1, 1959, University of Calcutta, Second Edition.

**অভিধান ঃ**

**অসমীয়া ঃ**

অসম সাহিত্য সভা ঃ চন্দ্রকান্ত অভিধান, দ্বিতীয় তাঙৰণ, ১৯৬২, যোৰহাট।

অসম প্ৰকাশন পৰিষদ ঃ আধুনিক অসমীয়া অভিধান, (শ্ৰীমহেশ্বৰ নেওগ আৰু অন্যান্য সম্পাদিত), ১৯৭৭, গুৱাহাটী।

বৰুৱা, হেমচন্দ্ৰ ঃ হেমকোষ, ১৯৮৫, বাণী মন্দিৰ, ডিব্ৰুগড়।

শৰ্মা, গিৰিধৰ ঃ অসমীয়া অভিধান, চতুৰ্থ তাঙৰণ, গুৱাহাটী, ১৯৭১।

**বঙলা ঃ**

বসু, ৰাজশেখৰ ঃ চলন্তিকা, আধুনিক বঙ্গভাষাৰ অভিধান, ১৩৮৯ সাল, ত্ৰয়োদশ সংস্কৰণ, এম. সি. চৰকাৰ অ্যাণ্ড সন্স প্ৰাইভেট লিমিটেড, কলিকতা।

বিশ্বাস, শৈলেন্দ্ৰ ঃ সংসদ বাংগালা অভিধান, সাহিত্য সংসদ, পুৰ্ণমুদ্ৰণ, ১৯৭৯।

দাস, জ্ঞানেন্দ্ৰমোহন ঃ বাংগালা ভাষাৰ অভিধান, ১৯৭৯, কলিকতা।

## পৰিশিষ্ট

অপ্ৰকাশিত ঃ

১। অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগত সংৰক্ষিত ঃ

(ক) বুৰঞ্জী

অসম বুৰঞ্জী, পুথি নং ৪৪
অসম বুৰঞ্জী, পুথি নং ৪৯
অসম বুৰঞ্জী, পুথি নং ৫৬
অসম বুৰঞ্জী, পুথি নং ৫৭
অসম বুৰঞ্জী, পুথি নং ৫৮
অসম বুৰঞ্জী, পুথি নং ৫৯
অসম বুৰঞ্জী, পুথি নং ২৬৩
অসম বুৰঞ্জী, পুথি নং ৩৭১
অসম বুৰঞ্জী, পুথি নং ৬০৬
অসম বুৰঞ্জী, পুথি নং ১২৩১
অসমৰ পদ্য বুৰঞ্জী, পুথি নং ২৬
অসমৰ পদ্য বুৰঞ্জী, পুথি নং ৪১
কামৰূপৰ বুৰঞ্জী, পুথি নং ৪০৭/৪
কামৰূপৰ বুৰঞ্জী, পুথি নং ৬৭৫
কোচ, কছাৰী আৰু জয়ন্তীয়া বুৰঞ্জী, পুথি নং ৩৬৮
কটকী বুৰঞ্জী, পুথি নং ২৯
ত্ৰিপুৰা বুৰঞ্জী, পুথি নং ৫১৬
দাতিয়লীয়া বুৰঞ্জী, পুথি নং ৪৮
বুৰঞ্জী বিবেক ৰত্ন, ১৮৩৮ প্ৰতিলিপি নং ১০৮
মুছলমান ৰজাৰ কথা, পুথি নং ৮৩৭
ৰহাচকীৰ বুৰঞ্জী, পুথি নং ৪১৮।

(খ) "হস্তিবিদ্যাৰ্ণৱ সাৰসংগ্ৰহ", ১৬৫৬ শক, সুকুমাৰ বৰকাথ।

## শুধৰণি

| পৃষ্ঠা | শাৰী | ছপা হৈছে | হ'ব লাগিছিল |
|---|---|---|---|
| ১ | ১ | নেতত্বত | নেতৃত্বত |
| ২ | ১০ | ইত্যাদি | ইত্যাদি। |
| ২ | ১৯ | acham | àchàm |
| ২ | ২০ | cham | chàm |
| ৩ | ৭ | অহাময়া | অহমিয়া |
| ৮ | ১৮ | ১৩৮৭৯ | ১৩৮৯ |
| ৮ | ২৪ | বাঞ্চনীয় | বাঞ্ছনীয় |
| ৯ | ৪ | সত্বেও | স্বত্বেও |
| ৯ | ২১ | বৰপাত্ৰ গোঁহাই | বৰপাত্ৰগোঁহাই। |
| ১০ | ৩২ | ১৮৭১৯৬৪ | ১৮৭, ১৯৬৪ |
| ১১ | ৪ | বুদ্ধি | বৃদ্ধি |
| ১১ | ৭ | মূলব্যাক্ত | মূলব্যক্তি |
| ১১ | ৩২ | কাড়ীৰ | নালাগে |
| ১৪ | ১৪ | । শাসনকৰ্ত্তা | শাসনকৰ্ত্তা |
| ১৫ | ৭ | ১৬১ | ১৬১১ |
| ১৫ | ১০ | গৌৰবৰ্দ্ধন | গৌৰৱবৰ্দ্ধন |
| ১৫ | ১৪ | সুভ-অসুভ | শুভ-অশুভ |
| ১৬ | ২১ | খকা | থকা |
| ১৯ | ৯ | সালগ্ৰাম | শালগ্ৰাম |
| ২০ | ১০ | পৰিস্কাৰ | পৰিষ্কাৰ |
| ২০ | ২৫ | কথাযাৰি উল্লেখনীয় | নালাগে |
| ২০ | ২৮ | শালগ্ৰম | শালগ্ৰাম |
| ২১ | ২৮ | মুৰ্ত্তী | মূৰ্ত্তি |
| ২২ | ৮ | গদাদৰ | গদাধৰ |
| ২৪ | ২৯ | ১৪১৭-১৫৩৯ | ১৪৯৭-১৫৩৯ |
| ২৮ | ২১ | চাৰিওপিলে | চাৰিওপিনে |

| পৃষ্ঠা | শাৰী | ছপা হৈছে | হ'ব লাগিছিল |
|---|---|---|---|
| ৩০ | ১৫ | আদিৰে | আদিৰ |
| ৩০ | ২৫ | তামুলীপুকনৰ | তামুলিফুকন |
| ৩৪ | ৭ | বচোৱান | বচোৱাল |
| ৩৫ | ৩ | লাইথপনা ৰবগোঁহাই | লাইথপনা বৰগোঁহাই |
| ৩৬ | ১ | মূলাগাভৰুৰ | মূলাগাভৰুৱে |
| ৩৮ | | বাচন-বতন | বাচন-বৰ্ত্তন |
| ৪২ | ২৭ | কৰিলাস | কবিলাস |
| ৪৩ | ২ | উগৰ | ডগৰ |
| ৪৩ | ১২ | ৰাজত্বকালত | ৰাজত্বকাল |
| ৪৩ | ২২ | ৰবাৰ | ৰবাব |
| ৪৩ | ২৬ | শৈল্যপৰ্ব | শৈলপৰ্ব |
| ৪৫ | ২৩ | মাৰিলে | মৰিল |
| ৪৫ | ২৫ | পাকা | পাশা |
| ৪৬ | ১০ | সমাজ-সংস্কৃতিৰ অৰ্থনীতিৰ | সমাজ-সংস্কৃতি-অৰ্থনীতিৰ |
| ৪৬ | ১৮ | ইবৰ | হ্বৰ |
| ৪৬ | ১৮ | ভয়েকৰ দ্বন্দ | ভায়েকৰ দ্বন্দ্ব |
| ৪৬ | ২১ | হৈছে। | হৈছে |
| ৪৭ | ১০ | প্ৰাত্যাহিক | প্ৰাত্যহিক |
| ৪৭ | ৩০ | দিনবোৰ | দিনবাৰ |
| ৫১ | ৩ | পাতিবলৈ | পাৰিবলৈ |
| ৫৪ | ৫ | কুকুৰচোৱা | কুকুৰাচোৱা |
| ৫৫ | ৪ | মকবল | মকৰল |
| ৫৬ | ২৯ | সম্ভ্ৰস্ত | সম্ভ্ৰান্ত |
| ৫৭ | ২১ | গোসাহ | গোঁসাই |
| ৫৭ | ২৯ | স্বৰ্গদেৱে | স্বৰ্গদেৱ |
| ৬০ | ২৩ | কাকত-প্ৰত্ৰ | কাকত-পত্ৰ |

| পৃষ্ঠা | শাৰী | ছপা হৈছে | হ'ব লাগিছিল |
|---|---|---|---|
| ৬০ | ২৫ | নথিপ্ৰত্ৰ | নথিপত্ৰ |
| ৬৯ | ২৭ | বিনাকাৰ | বিনাকৰে |
| ৭১ | ১৪ | ৰৈ গৈছে | অসুৰৰ আলি সীমনা কৰি” |
| ৭১ | ২৩ | কাৰাই | কৰাই |
| ৭১ | ৫ | চুচুংমুং | চুহুংমুং |
| ৭৩ | ২৯ | ২.১১ | নালাগে |
| ৭৭ | ৮ | গখাটনি | গাখাটনি |
| ৪৯ | ১ | দিয়ে | নিয়ে |
| ৮১ | ৯ | শেষ | শেখ |
| ৮১ | ১০ | কডোৰী | কড়োৰী |
| ৮১ | ২৪ | শেষ | শেখ |
| ৮৩ | ১১ | সোধাবলগীয় | সোধাবলগীয়া |
| ৮৫ | ১২ | পদ্য সাহিত্যত | পদ্যসাহিত্য |
| ৮৫ | ১৯ | আৰ্য্যসকৰ | আৰ্য্যসকলৰ |
| ৮৬ | ২২ | কতা সাহিত্য | কথা সাহিত্য |
| ৮৭ | ৪ | কৰাইছি | কৰাইছিল |
| ৮৭ | ২৩ | প্ৰতিষ্ঠ | প্ৰতিষ্ঠা |
| ৮৮ | ৭ | লক্ষ্যণেৰে | লক্ষণেৰে |
| ৮৮ | ১৭ | ৰাজঘৰীয়া | ৰজাঘৰীয়া |
| ৮৯ | ৫ | চৰ্চ্চ্য | চৰ্চ্চা |
| ৯০ | ১৩ | আদগলৈ | আগলৈ |
| ৯৩ | ৬ | গান্ধীয়া | গন্ধীয়া |
| ৯৫ | ২১ | ৰৈ | হৈ |
| ৯৫ | ৩৬ | সাহিত্য | সাহিত্যৰ |
| ৯৮ | ২১ | মজুমাখোৰ | মজুমাখাওঁ |
| ১০১ | ৮ | ৰত্মামণিক | ৰত্নমাণিক |

| পৃষ্ঠা | শাৰী | ছপা হৈছে | হ'ব লাগিছিল |
|---|---|---|---|
| ১০১ | ১৭ | বৰফুকয়ালৈ | বৰফুকনলৈ |
| ১০২ | ১৯ | বিম্বেও শলাই | বিলম্বেও ভালাই |
| ১০৩ | ২ | সমানুযুক্ত | সমাসযুক্ত |
| ১০৩ | ৫ | শব্দ্য | শব্দৰ |
| ১০৫ | ১৮ | দাঁতীয়লীয়া | দাঁতিয়লীয়া |
| ১০৮ | ৬ | নহৈছ | নহৈছে |
| ১০৯ | ২৫ | বেচিন বিলাম। | বেচিম বিলাম |
| ১১০ | ২ | তলত আঁচটনা | ডাঙৰ আখৰেৰে লিখা |
| ১১০ | ২২ | সংক্ষেপে | সংক্ষেপ |
| ১১০ | ২৪ | বহুল্য | বাহুল্য |
| ১১০ | ২৫ | হৃযদয়ৰ | হৃদয়ৰ |
| ১১০ | ২৯ | শৰিৰপৰা | শাৰীৰ পৰা |
| ১১২ | ৩ | তলত আঁচটনা | ডাঙৰ আখৰেৰে লিখা |
| ১১৪ | ৩ | এড়ো | এড়া |
| ১১৪ | ৫ | সোভটে | সোভা |
| ১১৪ | ১০ | বৰুৱাতীয়েই | বাৰুৱতীয়েই |
| ১১৫ | ১২ | কদ্যৰীতি | কথ্যৰীতি |
| ১১৫ | ১৪ | এংপোৱাকৈ | এপোৱাকৈ |
| ১১৮ | | আৰুণোদয়া | অৰুণোদয় |
| ১১৯ | ১৬ | অতিশোয়োক্তি | অতিশয়োক্তি |
| ১১৯ | ২৫ | অপালাপ | অপলাপ |
| ১২১ | ১ | ণ | ন |
| ১২১ | ৩ | যথোপোযুক্ত | যথোপযুক্ত |
| ১২৪ | ১৪ | কাঢ়ৰিয়ো | কঢ়াৰিয়ো |
| ১২৫ | ৪ | মস্কিৰ | মস্তকৰ |
| ১২৬ | ১৪ | উপলক্ষ্য | উপলক্ষ |
| ১২৬ | ২৩ | ভঙও | ভঙা |

| পৃষ্ঠা | শাৰী | ছপা হৈছে | হ'ব লাগিছিল |
|---|---|---|---|
| ১২৭ | ১৪ | সকলোৰো | সকলোৰে |
| ১২৭ | ১৫ | কৰিছো | কৰিছা |
| ১২৮ | ১২ | বৰফুকৰ | বৰফুকন |
| ১২৯ | ৭ | পাঁচয়া | পাঁচটা |
| ১২৯ | ৭ | পৰে | পৰা |
| ১২৯ | ২৬ | পৰম্পাৰ | পৰম্পৰা |
| ১৩০ | ৩ | প্ৰশয় | প্ৰশ্ৰয় |
| ১৩০ | ৭ | কাৰ | কৰা |
| ১৩৩ | ৯ | প্ৰতুত্যৰত | প্ৰত্যুত্তৰত |
| ১৩৬ | ১ | বনত | বনৰ |
| ১৩৭ | ১৭ | যিমনখিনি | যিমানখিনি |
| ১৩৭ | ২৬ | (গ) | নাগালে |
| ১৪১ | ১৭ | পৰে | হৈ পৰে |
| ১৪২ | ১১ | বাজ | বাজ |
| ১৪৫ | ১ | দুই জিংকাপৰ উত্তৰ | (গ) দুই জিংকাপৰ উত্তৰ |
| ১৪৭ | ২২ | মাগৰী | মাগধী |
| ১৫৪ | ৮ | পাচে | পাছে |
| ১৬৪ | ১০ | আনুৰূপ | অনুৰূপ |
| ১৭৪ | ২৫ | পদ্মনাত | পদ্মনাথ |